চাৰি বছৰীয়া স্নাতক পাঠ্যক্ৰম

(চি.বি.চি.এছ্এন ই পি ২০২০ অনুসৰি)

ষষ্ঠ ষাণ্মাসিক

স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষৰ শিক্ষাৰ ইতিহাস

শিক্ষা

ইন্দিৰা মিৰি শিক্ষা সত্র

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক দুলুমণি গোস্বামী, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নীলৰতন ৰয়, তেজপুৰ বিশ্ববিদ্যালয়
ড° মৰমী গোস্বামী, নেৰিম, গুৱাহাটী

সমন্বয়ৰক্ষী ঃ ড° ৰীতিমণি বৰদলৈ, ড° অৰ্চনা অধিকাৰী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	*অৰিহণা যোগাইছে*	*ভাষান্তৰকাৰী*
১,৫,৬	**ড°ৰীতিমণি বৰদলৈ,**	**ড°বীৰেন্দ্র ডেকা,**
	কৃঃ সঃ ৰাঃ মুঃ বিঃ	প্রাক্তন অধ্যক্ষ, নির্মল হালৈ মহাবিদ্যালয়
২	**ড°পলী শইকীয়া,**	**ড°ৰীতিমণি বৰদলৈ,**
	গৌহাটী বিশ্ববিদ্যালয়	কৃঃ সঃ ৰাঃ মুঃ বিঃ
৩	**ড°পলী শইকীয়া,**	**ড°বীৰেন্দ্র ডেকা**
	গৌহাটী বিশ্ববিদ্যালয়	প্রাক্তন অধ্যক্ষ, নির্মল হালৈ মহাবিদ্যালয়
৪	**ড°পলী শইকীয়া,**	**ৰেদান্তি বৰকটকী**
	গৌহাটী বিশ্ববিদ্যালয়	
৭	**ড° নীলিমা ডেকা**	**অপৰাজিতা শর্মা**
	এলচিবি মহাবিদ্যালয়	মানবেন্দ্র শর্মা কন্যা মহাবিদ্যালয়, ৰঙিয়া
৮,৯	**ড°দীপালি গোস্বামী**	**ড°বীৰেন্দ্র ডেকা**
	কটন কলেজ	প্রাক্তন অধ্যক্ষ, নির্মল হালৈ মহাবিদ্যালয়
১০	**ড°দীপালি গোস্বামী,**	**ড°গীতাঞ্জলী চৌধাৰী,**
		পাণ্ডু বি এড কলেজ
১১	**ড° অঞ্জু কলিতা**	**ড°উৎপল কলিতা**
	গৌহাটী বিশ্ববিদ্যালয়	ৰাধা গোবিন্দ বৰুৱা মহাবিদ্যালয়
১২	**ড° শ্রুতিধাৰা মহন্ত**	**চুমন বর্মন**
	ডিব্রুগড় বিশ্ববিদ্যালয়	নির্মল হালৈ মহাবিদ্যালয়
১৩	**ড° শ্রুতিধাৰা মহন্ত**	**অপৰাজিতা শর্মা**
১৪	**ড°ৰীতিমণি বৰদলৈ**	**অপৰাজিতা শর্মা**

সম্পাদনা ঃ

বিষয়বস্তু সম্পাদনা	ঃ	**ড° নীলিমা ডেকা,** এলচিবি মহাবিদ্যালয়
		ড° ৰঞ্জন মেধি, আর্য্যবিদ্যাপীঠ মহাবিদ্যালয়
		ড° ৰীতিমণি বৰদলৈ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ভাষা সম্পাদনা	ঃ	**ড° ৰীতিমণি,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
		ড° মৃণালজ্যোতি গোস্বামী, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
গাঁথনিক সম্পাদনা	ঃ	**ড° ৰীতিমণি বৰদলৈ, ড° অৰ্চনা অধিকাৰী,** কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্তবিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ এপ্রিল, ২০২৬

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State University is made available under a Creative Commons Attribution-Non Commercial-ShareAlike4.0 License (International): http.//creativecommons.org/licenses/by-nc-sa/4.0.

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

মুখ্য কার্যালয় ঃ পাটগাওঁ, ৰাণী গেট, গুৱাহাটী-৭৮১০১৭
নগৰ কার্যালয় ঃ ৰেচম নগৰ, খানাপাৰা, গুৱাহাটী -৭৮১০২২, Web : www.kkhsou.ac.in

বিষয়সূচী

অধ্যায়			পৃষ্ঠা নং
অধ্যায় ১	ঃ	**বিশ্ববিদ্যালয় শিক্ষা আয়োগ, ১৯৪৮** বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ নিযুক্তি আৰু আবাহ, উচ শিক্ষাৰ লক্ষ্যসমূহ আৰু উদ্দেশ্যসমূহৰ ওপৰত ইয়াৰ পৰামৰ্শসমূহ বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ প্ৰধান পৰামৰ্শসমূহৰ বিস্তৃত বৰ্ণনা।	৭-২১
অধ্যায় ২	ঃ	**মাধ্যমিক শিক্ষা আয়োগ (১৯৫২-৫৩)** মাধ্যমিক শিক্ষা আয়োগৰ পটভূমি আৰু নিযুক্তি, আয়োগৰ প্ৰতিবেদন, বৰ্তি থকা পদ্ধতিৰ দোষসমূহ, মাধ্যমিক শিক্ষাৰ লক্ষ্য লক্ষ্যসমূহ, মাধ্যমিক শিক্ষাৰ পুনৰ সংগঠন, মাধ্যমিক বিদ্যালয়সমূহৰ নিৰ্দ্ধাৰিত পাঠ্যক্ৰম, নিৰ্দ্ধাৰিত পাঠ্যক্ৰম প্ৰস্তুত কৰাৰ মৌলিক নীতিসমূহ।	২২-৩৩
অধ্যায় ৩	ঃ	**শিক্ষা আয়োগ (১৯৬৪-৬৬)** আয়োগখনৰ নিযুক্তি, প্ৰসংগৰ চৰ্ত্তসমূহ, প্ৰতিবেদন প্ৰস্তুতকৰণ, আয়োগখনৰ প্ৰতিবেদন, কোঠাৰী আয়োগৰ পৰামৰ্শাৱলীসমূহ।	৩৪-৪৩
অধ্যায় ৪	ঃ	**শিক্ষাৰ জাতীয় নীতি (১৯৬৮)** চৰকাৰী নীতিৰ ঘোষণাসমূহ, শিক্ষাৰ জাতীয় নীতি সম্পৰ্কে হাতত লোৱা প্ৰস্তাৱসমূহ, 1968 চনৰ শিক্ষাৰ জাতীয় নীতিৰ মূল্যাংকণ।	৪৪-৫২
অধ্যায় ৫	ঃ	**ৰাষ্ট্ৰীয় শিক্ষানীতি (১৯৮৬-১৯৯২)** 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনি 1992, ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ উদ্দেশ্যসমূহ আৰু কৰ্মৰ আঁচনি, ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ বিভিন্ন পৰামৰ্শাৱলীসমূহ।	৫৩-৬৭
অধ্যায় ৬	ঃ	**ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষাৰ অভিযানসমূহ** প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণ, জিলা প্ৰাথমিক শিক্ষা আঁচনি (DPEP) 1986, সৰ্বশিক্ষা অভিযান আৰু ইয়াৰ প্ৰচেষ্টা, সৰ্বশিক্ষা অভিযানৰ সাংগঠনিক স্থাপকতা, সৰ্বশিক্ষা অভিযানৰ সাংগঠনিক স্থাপকতা, সৰ্বশিক্ষা অভিযান আৰু ইয়াৰ সম্বন্ধিত উপাদানসমূহ, সৰ্বশিক্ষা অভিযান আৰু দিবা আহাৰৰ সৈতে ইয়াৰ সম্বন্ধ অংশ সম্বন্ধীয় হাৰ আৰু প্ৰধান অৰ্থনৈতিক হস্তক্ষেপ বা সৰ্বশিক্ষা অভিযানৰ আদৰ্শসমূহ।	৬৮-৮০
অধ্যায় ৭	ঃ	**ৰাষ্ট্ৰীয় জ্ঞান আয়োগ** আয়োগ গঠন, প্ৰসংগৰ চৰ্তসমূহ, জ্ঞানৰ মূল দিশসমূহ, ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ শিক্ষাৰ ক্ষেত্ৰত পৰামৰ্শৱলী।	৮১-৮৯
অধ্যায় ৮	ঃ	**অসমত প্ৰাথমিক শিক্ষাৰ বিকাশ** প্ৰাক-স্বাধীনতা আৰু স্বাধীনোত্তৰ কালত অসমৰ প্ৰাথমিক শিক্ষাৰ বিকাশ আৰু আইনগত ব্যৱস্থাসমূহ, বাধ্যতামূলক প্ৰাথমিক শিক্ষা আৰু ইয়াৰ নীতিসমূহ।	৯০-১১২

অধ্যায় ৯ ঃ অসমত মাধ্যমিক শিক্ষাৰ বিকাশ ১১৩-১২৫
প্ৰাক-স্বাধীনতাৰ সময়ছোৱাত আৰু স্বাধীনোত্তৰ কালত অসমত মাধ্যমিক স্তৰৰ শিক্ষাৰ বিকাশ, অসমত মাধ্যমিক শিক্ষাৰ সমস্যাসমূহ।

অধ্যায় ১০ ঃ অসমত উচ্চ শিক্ষাৰ বিকাশ ১২৬-১৩৮
ব্ৰিটিছ শাসন কালত আৰু স্বাধীনতাৰ পিছত অসমত উচ্চ শিক্ষাৰ বিকাশ নিম্ন স্নাতক পৰ্যায়ত, ভাৰতত উচ্চ শিক্ষাৰ পৰিৱৰ্তন, মুক্ত আৰু দূৰত্ব শিক্ষাৰ মাজেদি অসমত উচ্চ শিক্ষাৰ বিকাশ।

অধ্যায় ১১ ঃ অসমত মহিলা শিক্ষাৰ বিকাশ ১৩৯-১৪৮
মহিলা শিক্ষাৰ ধাৰণা, মহিলা শিক্ষাৰ গুৰুত্ব, অসমত মহিলা শিক্ষাৰ প্ৰগতি আৰু বিকাশ, অসমত ছোৱালীসকলৰ প্ৰাথমিক শিক্ষাৰ বিকাশ, অসমত ছোৱালীৰ উচ্চ শিক্ষা।

অধ্যায় ১২ ঃ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান ১৪৯-১৬৬
ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ ধাৰণা, অভিযানৰ নিৰীক্ষণ, অভিযানৰ লক্ষ্য আৰু উদ্দেশ্য, ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ অধীনত মাধ্যমিক পৰ্যায়ৰ দৃষ্টিভংঙ্গী আৰু কৌশল, মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক সিক্ষাৰ গুণগত মানদণ্ডৰ উন্নীতকৰণ, আঁচনিখনৰ নিৰ্দিষ্ট মানদণ্ডৰ সংস্কৰণ।

অধ্যায় ১৩ ঃ ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান আৰু উচ্চ শিক্ষা ১৬৭-১৮৫
ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান RUSAৰ ধাৰণা, বিহংগমদৃষ্টিত RUSA, RUSAৰ বৈশিষ্ট্য, উদ্দেশ্য, পৰিসৰ, মূল উপাদানসমূহ, নিৰ্দেশনা নীতিসমূহ, RUSAৰ আনুষ্ঠানিক গঠন।

অধ্যায় ১৪ ঃ ৰাষ্ট্ৰীয় শিক্ষা নীতি (২০১৬, ২০১৯) ১৮৬-২০১
২০১৬, ২০১৯ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ প্ৰস্তাৱনা খৰচা, ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ দৃষ্টি, প্ৰেৰণ, লক্ষ্য আৰু উদ্দেশ্যসমূহ, নীতিৰ কাঠামোৰ (Framework) নিৰ্বাচিত দিশসমূহ।

প্ৰসঙ্গপুথি ২০২

পাঠ্যবিষয়ৰ পৰিচয়

ডিগ্ৰী পাঠ্যক্ৰমৰ প্ৰথম, দ্বিতীয় আৰু তৃতীয় ষান্মাসিকত আমি ইতিমধ্যে শিক্ষাৰ মৌলিক ধাৰণা আৰু গুৰুত্ব, শিক্ষাৰ তাত্ত্বিক পটভূমি, শিক্ষাৰ সমাজতাত্ত্বিক ভিত্তি আৰু উচ্চ শিক্ষাৰ কিছুমান নিৰ্বাচিত সমস্যাৰ বিষয়ে আলোচনা কৰি আহিছোঁ। চতুৰ্থ ষান্মাসিকৰ পাঠ্যক্ৰমত আমি দূৰ শিক্ষাৰ ধাৰণা আৰু সমস্যাসমূহ, শৈক্ষিক প্ৰযুক্তিৰ বিভিন্ন উপাদান আৰু শিক্ষাৰ ব্যৱস্থাপনাৰ বিষয়ে আলোচনা কৰিছিলোঁ। পঞ্চম ষান্মাসিকৰ পৰা পাঠ্যক্ৰত মুঠ চাৰিখন DSC পাঠ্যক্ৰম আছিল, যাৰ ভিতৰত ***প্ৰাক স্বাধীনতাৰ সময়ছোৱাত শিক্ষা*** **Major** আৰু **Minor** পাঠ্যক্ৰম হিচাপে আগবঢ়োৱা হৈছিল। ষষ্ঠ ষান্মাসিকৰ পাঠ্যক্ৰমত আপোনালোকে স্বাধীনোত্তৰ কালত ভাৰতবৰ্ষৰ শিক্ষাৰ ইতিহাস **Major** আৰু **Minor** পাঠ্যক্ৰম হিচাপে অধ্যয়ন কৰিব।

এই পাঠ্যক্ৰম (**UG ED S 6-01**)ত আমি স্বাধীনতাৰ পিছত ভাৰতৰ শিক্ষা ব্যৱস্থাৰ ঐতিহাসিক পটভূমি, বিভিন্ন আইন, কমিছন আৰু সমিতিসমূহৰ শিক্ষাব্যৱস্থালৈ আগবঢ়োৱা দৃষ্টিভংগী বিষয়ে আলোচনা কৰিম। এই পাঠ্যক্ৰমত মুঠ **১৪ টা অধ্যায়** অন্তৰ্ভুক্ত কৰা হৈছে।

এই পাঠ্যক্ৰমৰ প্ৰথম অধ্যায়টিত বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ পৃষ্ঠভূমি, উচ্চ শিক্ষাৰ উদ্দেশ্য সম্পৰ্কে আয়োগে আগবঢ়োৱা পৰামৰ্শ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষা ব্যৱস্থা সম্পৰ্কে আগবঢ়োৱা বিস্তৃত পৰামৰ্শসমূহ আলোচনা কৰা হৈছে। **দ্বিতীয় অধ্যায়টিত** মাধ্যমিক শিক্ষা আয়োগৰ পটভূমি আৰু ইয়াৰ কাৰ্য্য পদ্ধতিসমূহ বৰ্ণনা কৰা হৈছে। ইয়াৰোপৰি, প্ৰচলিত শিক্ষা ব্যৱস্থাৰ আঁসোৱাহ তথা প্ৰচলিত মাধ্যমিক শিক্ষাস্তৰৰ পাঠ্যক্ৰমৰ আঁসোৱাহ অধ্যায়টিত সামৰি লোৱা হৈছে। **তৃতীয়** অধ্যায়টিয়ে "কোঠাৰী শিক্ষা আয়োগে"ৰ বৈশিষ্ট্য তথা ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ প্ৰতি আগবঢ়োৱা পৰামৰ্শ সম্পৰ্কে শিক্ষাৰ্থীসকলক অৱগত কৰাৰ প্ৰয়াস কৰিছে। **চতুৰ্থ অধ্যায়টিত** 1968 চনত চৰকাৰী আঁচনি ঘোষণা আৰু জাতীয় শিক্ষা নীতি প্ৰৱৰ্তনৰ বাবে লোৱা প্ৰস্তাৱ সম্পৰ্কে আলোচনা কৰা হৈছে। **পঞ্চম অধ্যায়টিত** 1986 চনৰ প্ৰণয়ন কৰা ৰাষ্ট্ৰীয় শিক্ষানীতিৰ পৃষ্ঠভূমি আৰু 1992 চনৰ পুনৰীক্ষণ কাৰ্য্যসূচীৰ বিষয়ে আলোচনা কৰা হৈছে। **ষষ্ঠ অধ্যায়টিৰ** দ্বাৰা ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষাৰ অভিযানসমূহৰ বিষয়ে আলোচনা কৰা হৈছে। **সপ্তম অধ্যায়টিত** ৰাষ্ট্ৰীয় জ্ঞান আয়োগে আগবঢ়োৱা পৰামৰ্শৰ বিষয়ে আলোচনা কৰা হৈছে। **অষ্টম , নৱম** আৰু **দশম** অধ্যায়টিত প্ৰাক-স্বাধীন আৰু স্বাধীনোত্তৰ কালছোৱাত অসমৰ বিশেষ উল্লেখৰ সৈতে প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষা ক্ষেত্ৰত বিকাশ সম্পৰ্কে যুগুতোৱা হৈছে। **একাদশ** অধ্যায়টিৰ দ্বাৰা অসমত মিহলা শিক্ষা বিকাশৰ বিষয়ে এটি মুল আভাস দিয়া হৈছে। **দ্বাদশ** অধ্যায়টিত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ ধাৰণাসমূহ সামৰি লোৱা হৈছে। **ত্ৰয়োদশ অধ্যায়টিত** ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান **RUSA** ধাৰণাৰ ওপৰত আলোচনা কৰা হৈছে। **চতুৰ্দশ** অধ্যায়টিত 2016, 2019 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বিষয়ে বিস্তৃত আলোচনা কৰা হৈছে।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব। এইবোৰত মূল পাঠত থকা নতুন শব্দ আৰু পৰিভাষাসমূহৰ অৰ্থ সন্নিবিষ্ট হৈছে। সেইদৰে — '**জানি থোৱা ভাল**' বাকচবোৰত মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ সম্ভেদ আছে। প্ৰতিটো অধ্যায়ত থকা '**চিন্তা-চৰ্চা কৰক**' সমূহে অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, '**অগ্ৰগতি নিৰীক্ষণ**'যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে স্ব-পৰীক্ষণৰ সুবিধা দিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি শেষত দিয়া '**অগ্ৰগতিৰ খতিয়ান**'ৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব। অধ্যায়টিত আলোচিত বিভিন্ন ধাৰণাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়নৰ বাবে '**অধিক জানিবলৈ**' শিতানত উল্লেখ থকা গ্ৰন্থসমূহ সাৰথিস্বৰূপ। অধ্যায়বোৰৰ শেষত '**আৰ্হি প্ৰশ্ন**' হিচাপে কেইটিমান প্ৰশ্নৰ আৰ্হিও তুলি দিয়া হৈছে। শেষৰ অধ্যায়টিৰ পাছত কেইখনমান '**প্ৰসঙ্গ পুথি**'ৰ নাম উল্লেখ কৰা হৈছে। সেইকেইখন পুথিৰ সহায়েৰেই মূলতঃ এই পাঠ্যবিষয়ত উল্লেখ থকা অধ্যায়সমূহ প্ৰস্তুত কৰা হৈছে। আপোনালোকে বিশদভাৱে কোনো বিষয় জানিবলৈ হ'লে সেইকেইখন অধ্যয়ন কৰিব পাৰিব।

অধ্যায় ১ ঃ বিশ্ববিদ্যালয় শিক্ষা আয়োগ, ১৯৪৮

অধ্যায় গাঁথনি

1.1 উদ্দেশ্য
1.2 পৰিচয়
1.3 1948 চনত বিশ্ববিদ্যালয় শিক্ষা আয়োগ নিযুক্তি
1.4 উচ্চ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত আয়োগৰ পৰামর্শ
1.5 বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ প্রধান পৰামর্শসমূহৰ বিস্তৃত বর্ণনা
1.6 অধ্যায়টিৰপৰা আমি কি শিকিলোঁ
1.7 অধিক জানিবলৈ
1.8 অগ্রগতিৰ খতিয়ান
1.9 আৰ্হি প্রশ্ন

১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- 1948 চনৰ বিশ্ববিদ্যালয় আয়োগৰ সম্বন্ধে ব্যাখ্যা কৰিব পাৰিব।
- প্রসঙ্গৰ চর্ত সম্বন্ধে জানিবলৈ সক্ষম হ'ব।
- উচ্চ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সম্বন্ধে পৰামর্শসমূহ জানিবপাৰিব।

১.২ পৰিচয়

বিশ্ববিদ্যালয়বোৰ হ'ল উচ্চ শিক্ষণৰ স্থান। এই স্থানৰপৰা সমাজখনে বিজ্ঞান, কলা আৰু জাতীয় ক্ষেত্রৰ আন আন বহুবোৰ দিশত নেতৃত্ব বহন কৰিবপৰা ব্যক্তি পায়। ভাৰতবর্ষৰ বিশ্ববিদ্যালয় শিক্ষাৰ মূল লক্ষ্য হ'ল ব্যক্তিসকলৰ মাজত জ্ঞান আৰু বিদ্যোৎসাহৰ সম্প্রসাৰণ ঘটোৱা, যিটো সর্বাঙ্গসুন্দৰ ব্যক্তিত্ব গঠনৰ বাবে প্রয়োজন।

বিশ্ববিদ্যালয়ৰ কামবোৰ ভিন্নধৰণৰ, ই শিক্ষাদান দিয়ে, গৱেষণা সম্পাদন কৰায়, স্নাতকোত্তৰ শিক্ষাৰ সম্প্রসাৰণ ঘটায় আৰু মহাবিদ্যালয়বোৰক স্বীকৃতি প্রদান কৰি সংবদ্ধ কৰি লয়। কিছুমান বিশ্ববিদ্যালয়ৰ স্বীকৃতি প্রদান আৰু সংবদ্ধকৰণৰ ক্ষমতা নাই বাবে সংবদ্ধ মহাবিদ্যালয়ো নাথাকে। তেনে বিশ্ববিদ্যালয়বোৰৰ কাম-কাজ সীমিত থাকে কেৱল গৱেষণা সম্পাদন আৰু স্নাতকোত্তৰ শ্রেণীত শিক্ষাদানৰ ভিতৰত। এখন বিশ্ববিদ্যালয়ৰ পৰিসৰ হ'ল জাতীয় চৰিত্রৰ। এখন বিশ্ববিদ্যালয় স্থাপনৰ অন্তৰালত এটা নির্দিষ্ট অঞ্চলৰ ব্যক্তিসকলক উচ্চ শিক্ষা সহজে লাভ কৰিবলৈ সুবিধা প্রদানৰ উদ্দেশ্য নিহিত হৈ থাকে। 1947 চনত স্বাধীনতা লাভৰ পিচতে ভাৰত চৰকাৰে 1948 চনত ড^0 সর্ব্বপল্লী ৰাধাকৃষ্ণণৰ নেতৃত্বত এখন উচ্চ শিক্ষা সন্দর্ভত অধ্যয়নৰ বাবে আয়োগ গঠন কৰি দিয়ে। এই অধ্যায়টোত আমি আয়োগখনৰ বিষয়ে জানিবলৈ সক্ষম হ'ম।

১.৩ বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ নিযুক্তি আৰু আবাহ (BACKGROUND AND APPOINTMENT OF THE UNIVERSITY EDUCATION COMMISSION)

ভাৰতবর্ষই স্বাধীনতা লাভ কৰাৰ পিচত চৰকাৰৰ প্রথম গুৰুত্বপূর্ণ কাম আছিল বিশ্ববিদ্যালয় শিক্ষা আয়োগ গঠন কৰাটো। আয়োগখনৰ সভাপতি হিচাপে নিযুক্তি দিয়া হৈছিল বিশিষ্ট পণ্ডিত ড^0 সর্ব্বপল্লী ৰাধাকৃষ্ণণক।

তেখেত বাৰানসী হিন্দু বিশ্ববিদ্যালয়ৰ উপাচার্য আছিল আৰু পৰবর্তী সময়ত ভাৰতৰ দ্বিতীয়গৰাকী ৰাষ্ট্রপতি হিচাপে নিযুক্ত হৈছিল। আয়োগখন নিযুক্তি দিয়া হৈছিল ভাৰতবর্ষৰ উচ্চ শিক্ষাৰ ক্ষেত্রখনৰ সমস্যাসমূহ আৰু সম্ভাৱনীয়তা সম্বন্ধে অধ্যয়ণ কৰি উন্নতি আৰু সম্প্রসাৰণৰ বাবে পৰামর্শ আগবঢ়াবলৈ, যিয়ে দেশৰ বর্তমান আৰু ভবিষ্যতৰ প্রয়োজনীয়তা পূৰণত সহায় কৰিব। আয়োগখন 1948 চনৰ নবেম্বৰত নিযুক্তি দিয়া হৈছিল আৰু ই 1949 চনৰ আগষ্ট মাহত প্রতিবেদন দাখিল কৰিছিল।

আয়োগখনৰ প্রতিবেদনখন হ'ল ভাৰতবর্ষৰ শিক্ষাৰ ইতিহাসৰ বাবে এখনি গুৰুত্বপূর্ণ দলিল। স্বাধীনোত্তৰ কালত ভাৰতবর্ষৰ উচ্চ শিক্ষাৰ বিকাশৰ ক্ষেত্রত প্রতিবেদনখনে এক বিশেষ ভূমিকা গ্রহণ কৰিছে। আন্তঃবিশ্ববিদ্যালয় শিক্ষা পৰিষদ আৰু কেন্দ্রীয় শিক্ষা উপদেষ্টা পৰিষদে ভাৰতবর্ষৰ চৰকাৰক সর্বভাৰতীয় শিক্ষা আয়োগ এখন গঠন কৰা উচিত বুলি পৰামর্শ দিছিল। আয়োগখনে ৰাষ্ট্রখনৰ প্রয়োজনীয়তা আৰু ইয়াৰ পৰম্পৰা ৰক্ষা কৰি উচ্চ শিক্ষা ব্যৱস্থাৰ পুর্নগঠন কৰাৰ বাবে পৰামর্শ আগবঢ়ায়। আয়োগখনৰ মুঠ সদস্যৰ সংখ্যা আছিল 10গৰাকী। ড^0 সর্ব্বপল্লী ৰাধাকৃষ্ণণ আয়োগখনৰ সভাপতি আছিল বাবেই আয়োগখনক 'ৰাধাকৃষ্ণণ আয়োগ' হিচাপেওঁ জনা যায়।

5 জানি থোৱা ভাল

ড^0 সর্ব্বপল্লী ৰাধাকৃষ্ণণ আছিল—

- এগৰাকী বিশিষ্ট শিক্ষাবিদ,
- বাৰানসী বিশ্ববিদ্যালয়ৰ প্রাক্তন উপাচার্য,
- ভাৰতবর্ষৰ দ্বিতীয়গৰাকী ৰাষ্ট্রপতি,
- অক্সফোর্ড বিশ্ববিদ্যালয়ৰ পূর্ব্বৰ ধর্ম আৰু নীতিৰ অধ্যাপক, 1948–49 চনৰ বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ অধ্যক্ষ।

আয়োগখনৰ নিযুক্তি— ইয়াৰ লক্ষ্য আৰু উদ্দেশ্য (The Appointment of the Commission– Its aim and objective)

ৰাধাকৃষ্ণণ আয়োগখন নিযুক্তি দিয়াৰ লগত জড়িত নির্দিষ্ট লক্ষ্যটো আছিল 'ভাৰতীয় বিশ্ববিদ্যালয় শিক্ষাৰ ওপৰত প্রতিবেদন দাখিল কৰিবলৈ আৰু দেশখনৰ বর্তমান আৰু ভবিষ্যতৰ প্রয়োজনীয়তাখিনি পূৰণ কৰি উন্নতি আৰু সম্প্রসাৰণৰ অর্থে পৰামর্শ আগবঢ়াবলৈ'। এনেকুৱা এটা সিদ্ধান্তলৈ অহাৰ মূলতে উপলব্ধি কৰা হৈছিল যে জাতীয় সংস্কৃতিৰ পুনৰ শক্তি প্রদান কৰা, বৈজ্ঞানিক দিশৰ প্রয়োজনীয়তা পূৰণ কৰা, ভাৰতবর্ষৰ বাবে প্রয়োজনীয় কাৰিকৰী আৰু আন আন দিশৰ বাবে দৰকাৰ হোৱা মানব শক্তি প্রস্তুত কৰি তোলাৰ ব্যৱস্থা কৰাৰ বাবে বিশ্ববিদ্যালয়ৰ শিক্ষাক পুনৰ গঠন কৰিব লাগে। ভাৰতবর্ষৰ আর্থসামাজিক বিকাশৰ বাবে এনে দিশবোৰৰ প্রয়োজন হোৱাত সেয়েহে 1947 চনত স্বাধীনতা লাভৰ পিচতে এনে সিদ্ধান্তলৈ অহা হয়।

প্রসঙ্গৰ চর্তসমূহ ঃ

আয়োগখনৰ প্রসঙ্গৰ চর্তসমূহ আছিল তলত উল্লেখ কৰা দিশসমূহৰ ওপৰত বিবেচনা কৰি পৰামর্শ আগবঢ়োৱা—

- বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যসমূহ আৰু ভাৰতত ইয়াৰ গৱেষণা,
- ভাৰতবর্ষৰ বিশ্ববিদ্যালয়সমূহৰ সংবিধান, নিয়ন্ত্রণ, কর্মৰাজি আৰু এলাকা নির্দ্ধাৰণ কৰাৰ ক্ষেত্রত প্রয়োজনীয় পৰিবর্তনৰ বিবেচনা,
- বিশ্ববিদ্যালয়সমূহৰ বিত্তীয় দিশ তথা ৰাজহ,
- বিশ্ববিদ্যালয় আৰু নিয়ন্ত্রণাধীন মহাবিদ্যালয়সমূহৰ উচ্চ পর্যায়ৰ শিক্ষণ আৰু পৰীক্ষা ব্যৱস্থাৰ প্রতিপালন,
- বিশ্ববিদ্যালয়সমূহৰ অধ্যয়নৰ বিষয়সমূহ সঠিক নির্দ্ধাৰণ,

- বিশ্ববিদ্যালয়ৰ পাঠ্যক্রম অধ্যয়নৰ বাবে নামভর্তিকৰণৰ মানদণ্ড নির্দ্ধাৰণ,
- বিশ্ববিদ্যালয়সমূহত শিক্ষাদানৰ মাধ্যম,
- ভাৰতীয় ইতিহাস, সাহিত্য, ভাষাসমূহ, দর্শন আৰু উত্তম কলাৰ অগ্রবতী অধ্যয়নৰ ব্যৱস্থা
- আঞ্চলিক বা অন্য আধাৰত অধিক সংখ্যক বিশ্ববিদ্যালয় স্থাপনৰ প্রয়োজনীয়তা,
- বিশ্ববিদ্যালয়সমূহ আৰু উচ্চ গৱেষণা প্রতিষ্ঠানসমূহত জ্ঞানৰ সকলোবোৰ শাখাতে অগ্রবতী গৱেষণাৰ সংগঠন,
- বিশ্ববিদ্যালয়সমূহত ধর্মীয় শিক্ষাদান,
- ভাৰতবর্ষৰ বিশ্ববিদ্যালয়সমূহৰ বিশেষ সমস্যাসমূহ,
- শিক্ষকসকলৰ অর্হতা, সেৱাৰ অৱস্থা, দৰমহা, সুবিধাসমূহ, কর্মৰাজি আৰু শিক্ষকসকলক মূল দিশত গৱেষণা কৰাত উৎসাহ প্রদান,
- শিক্ষার্থীসকলৰ অনুশাসন, আবাস, শিক্ষণকর্ম সংগঠন আৰু আন যিকোনো শিক্ষার্থীৰ লগত জড়িত বিষয়।

অধ্যয়নৰ পদ্ধতি (Method of Study) ঃ

আয়োগখনে ভাৰতবর্ষৰ উচ্চ শিক্ষাৰ সমস্যাসমূহৰ বিষয়ে বিস্তৃত অধ্যয়ন কৰিছিল। সমস্যাসমূহৰ সঠিক নির্দ্ধাৰণৰ বাবে সমগ্র ভাৰতবর্ষতে আয়োগৰ কর্মকর্ত্তাসকলে পৰিভ্রমণ কৰিছিল।

আয়োগখনে এখন প্রশ্নাৱলী তৈয়াৰ কৰি শিক্ষাৰ লগত জড়িত 600 গৰাকী ব্যক্তিলৈ প্রেৰণ কৰিছিল। আয়োগে প্রশাসকসকল, সংগঠকসকল, শিক্ষার্থী সংগঠনসমূহ আৰু অন্যান্য শিক্ষাবিদসকলৰ সাক্ষাৎকাৰ লৈছিল। আয়োগখনে সেই উদ্দেশ্যেৰে বিশ্ববিদ্যালয় শিক্ষাৰ সকলোবোৰ দিশৰ তথ্য আৰু খবৰ গোটাবলৈ চেষ্টা কৰিছিল। আয়োগখনৰ প্রতিবেদনৰ দুটা খণ্ড আছিল। আয়োগখনৰ প্রথম খণ্ডটোৱে 18টা অধ্যায়ত 747 পৃষ্ঠা সামৰি লৈছিল। দ্বিতীয় খণ্ডটোৱে অনুষ্ঠানবোৰৰ পৰিসংখ্যা আন আন শৈক্ষিক সমস্যাৱলী আৰু আয়োগখনে পৰীক্ষা কৰি পোৱা চাক্ষিক প্রমাণসমূহ সামৰি লৈছিল।

5 জানি থোৱা ভাল

বিশ্ববিদ্যালয় শিক্ষা আয়োগ 1948

- **বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ নিযুক্তি**
  ড^{0} সর্ব্বপল্লী ৰাধাকৃষ্ণণৰ অধ্যক্ষতাত 1948 চনৰ নবেম্বৰ মাহত ভাৰত চৰকাৰে বিশ্ববিদ্যালয় শিক্ষা আয়োগ নিযুক্তি দিয়ে।
- **নিযুক্তিৰ লক্ষ্য**
  আয়োগখন নিযুক্তি দিয়া হৈছিল ভাৰতীয় বিশ্ববিদ্যালয় শিক্ষাৰ ওপৰত অধ্যয়ন কৰি উন্নীত কৰাৰ বাবে পৰামর্শ আগবঢ়ায় প্রতিবেদন দাখিল কৰিবলৈ।
- **প্রসঙ্গৰ চর্ত**
  আয়োগখনৰ প্রসংগৰ চর্ত আছিল বিশ্ববিদ্যালয় শিক্ষাৰ উন্নতি আৰু পুনৰ গঠনৰ কাৰণে উপায় উদ্ভাৱন কৰা।
- **অধ্যয়নৰ পদ্ধতি**
  আয়োগখনে ভাৰতবর্ষৰ উচ্চ শিক্ষাৰ সমস্যাসমূহ সামগ্রীকভাবে অধ্যয়ন কৰিছিল।

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ বিশ্ববিদ্যালয় অনুদান আয়োগ কোন চনত নিযুক্তি দিয়া হৈছিল?

.....

প্রশ্ন নং ২ ঃ আয়োগখনৰ অধ্যক্ষ কোন আছিল?

.....

প্রশ্ন নং ৩ ঃ আয়োগখনৰ মুঠ সদস্যৰ সংখ্যা কিমান আছিল?

.....

প্রশ্ন নং ৪ ঃ আয়োগখন কিয় গঠন কৰা হৈছিল?

.....

প্রশ্ন নং ৫ ঃ তলত দিয়া ঠাইত আয়োগখনৰ প্রসংগৰ চাৰিটা প্রধান চর্ত উল্লেখ কৰক।

.....

.....

১.৪ উচ্চ শিক্ষাৰ লক্ষ্যসমূহ আৰু উদ্দেশ্যসমূহৰ ওপৰত ইয়াৰ পৰামর্শসমূহ (ITS RECOMMENDATIONS ON AIMS AND OBJECTIVES OF HIGHER EDUCATION)

আয়োগখনে দেশখনৰ অতীত পৰম্পৰা, বর্তমান অৱস্থা আৰু ভবিষ্যতৰ সম্ভাৱনা আদিলৈ লক্ষ্য ৰাখি কিছুমান লক্ষ্য নির্ণয় কৰি উলিয়াইছে। এইক্ষেত্রত আয়োগখনে শিক্ষার্থীসকলৰ ব্যক্তিগত অনুৰাগৰ লগতে জাতিটোৰ কথা বিবেচনা কৰিছে। আয়োগখনে যেতিয়া লক্ষ্য নির্দ্ধাৰণ কৰিবলৈ লৈছিল তেতিয়া আন্তর্জাতিক দায়িত্বৰ বিষয়ে সজাগ হৈছিল। আয়োগখনে বিশ্ববিদ্যালয় শিক্ষাৰ ওপৰত স্থিৰ কৰা লক্ষ্যসমূহ তলত উল্লেখ কৰা হ'ল —

- বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্য হ'ব লাগিব দেশখনৰ বিভিন্ন ক্ষেত্রত নেতৃত্ব দিবপৰা দক্ষ নাগৰিক গঢ়ি তোলা। বিশ্ববিদ্যালয়ে দক্ষ প্রশাসক, উপযুক্ত কর্মচাৰী তথা শ্রমিক উৎপাদন কৰে যিবিলাকে উদ্যোগ আৰু বিভিন্ন বৃত্তীয় ক্ষেত্রত দক্ষতাপূর্ণ কার্য সম্পাদন কৰিবলৈ সক্ষম হয়। বিশ্ববিদ্যালয়ে জাতীয় স্বার্থ ৰক্ষাৰ হেতুকে বিভিন্নধৰণেৰে নেতৃত্ব বহন কৰিবলগীয়া হয়।
- বিশ্ববিদ্যালয়ৰ শিক্ষাৰ লক্ষ্যই সাধাৰণ, বৃত্তি আৰু বৃত্তিমুখী শিক্ষাৰ মানদণ্ড বজাই ৰাখিব লাগিব। ইয়াৰ লগতে শিক্ষার্থীসকলক নতুন জ্ঞানৰ অন্বেষণ কৰাত উদগনি যোগাব লাগিব। এইক্ষেত্রত যুক্তিযুক্ত সুপ্রচেষ্টাৰ প্রয়োজন হ'ব।
- বিশ্ববিদ্যালয়ৰ গুৰুত্বপূর্ণ কর্তব্য হ'ব দেশৰ সংস্কৃতি আৰু সভ্যতাৰ বিকাশ সাধন কৰি সংৰক্ষণ কৰা। এইটো এটা সংস্কৃতিৰ আধাৰত আত্মবিশ্বাস, আত্মসন্মান আৰু আত্মনির্ভৰশীলতাৰ দৰে ধাৰণাবোৰ এজনে আয়ত্ব কৰিব পাৰে। এনেকুৱা দিশবোৰৰ মাধ্যমেৰে নাগৰিকসকলে দেশ বা জাতিটোক প্রকৃতার্থত অধিক শক্তিশালী কৰি তুলিব পাৰে।
- বিশ্ববিদ্যালয়ে নতুন আদর্শবোৰ উদ্ভৱ কৰাব পাৰে আৰু যিবিলাকে দেশৰ বিকাশত বাধা প্রদান কৰে সেইবিলাক আঁতৰাই পেলাব পাৰে। দেশখনক বিকশিত কৰিবলৈ হ'লে অন্ধবিশ্বাসবোৰ আঁতৰাই পেলাব লাগিব। বিশ্ববিদ্যালয়ে শিক্ষার্থীসকলক সহায় কৰিব লাগিব যাতে তেওঁলোকে তেওঁলোকৰ সংস্কৃতিৰ সুদিশবোৰৰ দ্বাৰা উদ্বুদ্ধ হয় আৰু সর্বাঙ্গীণ বিকাশৰ বাবে নতুন মূল্যবোধ গ্রহণ কৰিব পাৰে।
- বিশ্ববিদ্যালয়ে শিক্ষার্থীসকলক সকলোধৰণৰ জ্ঞান আয়ত্বকৰণৰ ক্ষেত্রত প্রয়োজনীয় সুবিধাসমূহ প্রদান কৰিব লাগিব।

- বিশ্ববিদ্যালয়ে শিক্ষার্থীসকলৰ মন আৰু আত্মাক শিক্ষিত কৰি তুলিব লাগিব যাতে তেওঁলোকে জ্ঞানক বিকশিত কৰিবলৈ সক্ষম হয়।
- বিশ্ববিদ্যালয়ে শিক্ষার্থীসকলক আমাৰ সংবিধানত উল্লেখ থকা নীতি-নিয়মসমূহক ৰক্ষণাবেক্ষণ দিয়াৰ বাবে বিবেকবান কৰি তোলাৰ দায়িত্ব বহন কৰিব লাগিব। বিশ্ববিদ্যালয়ে গণতন্ত্ৰৰ আধাৰ শক্তিশালী কৰি তুলিব লাগিব আৰু ইয়াৰ মাধ্যমেৰে শিক্ষার্থীসকলক সমতা, ভাতৃত্ববোধ আৰু সামাজিক ন্যায়ৰ দ্বাৰা উদ্বুদ্ধ হৈ উদ্যম বিকশিত কৰাত উদগনি যোগাব লাগিব। এনে ধাৰণাৰ উদয় হ'লেহে জাতিৰ সংহতি ৰক্ষা কৰিবপৰা যাব।
- বিশ্ববিদ্যালয়ে নতুন আবিস্কাৰ আৰু উদ্ভাৱনসমূহ সম্ভৰ কৰি তুলিব আৰু সমাজখন শক্তিশালী কৰি তুলিবলৈ নতুন আৰু প্ৰকৃত আদর্শসমূহ বিকশিত কৰাব।
- বিশ্ববিদ্যালয়ে শিক্ষার্থীসকলৰ মনত নৈতিক মূল্যবোধৰ ধাৰণা উদয় কৰাব আৰু তেওঁলোকক সুন্দৰভাবে অনুশাসিত কৰাব।
- বিশ্ববিদ্যালয়ে শিক্ষার্থীসকলৰ মনত সার্বজনীন ভাতৃত্ববোধৰ উদ্যম আৰু আন্তর্জাতিকতাবাদৰ ধাৰণা বিকশিত কৰাব।
- বিশ্ববিদ্যালয়ে ৰাজনীতি, প্ৰশাসন, শিক্ষা, উদ্যোগ আৰু বাণিজ্য আদি ক্ষেত্ৰত নেতৃত্ব বহন কৰাৰ ব্যৱস্থা কৰিব।
- বিশ্ববিদ্যালয়সমূহক সভ্যতাৰ বৌদ্ধিক অগ্ৰগতিৰ প্ৰশিক্ষণ দিবলৈ সভ্যতাৰ কেন্দ্ৰস্থল হিচাপে সংগঠিত কৰা উচিত। বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্যই বৌদ্ধিক সাহসিকতা সৃষ্টি কৰাত উদগনি যোগাব লাগিব।
- বিশ্ববিদ্যালয়ে এনেধৰণৰ জ্ঞানী ব্যক্তি উৎপাদন কৰিব লাগিব যিবিলাকে গণতন্ত্ৰ কার্যকৰীকৰণৰ শিক্ষণ দিব পাৰে, নতুন জ্ঞানৰ বাবে অবিৰতভাৱে গৱেষণাত লিপ্ত হ'ব পাৰে আৰু জীৱনৰ অভিযান পৰিপূর্ণ কৰিবলৈ অবিৰাম প্ৰচেষ্টা চলাব পাৰে।
- বিশ্ববিদ্যালয়সমূহৰ এটা প্ৰধান কাম হ'ল শিক্ষার্থীসকলৰ মনলৈ আধ্যাত্মিক বিকাশৰ ধাৰণা অনা।
- আমি এতিয়া ব্যস্ত হৈ পৰিছো ন্যায়ৰ উপলব্ধি, স্বাধীনতা, সমতা আৰু ভাতৃত্ববোধৰ মাধ্যমত গণতন্ত্ৰৰ বাবে সাজু হ'বলৈ। বিশ্ববিদ্যালয়সমূহ এনে আদর্শবোৰৰ ৰক্ষক আৰু প্ৰতীক চিহ্ন হিচাপে প্ৰতিষ্ঠিত হোৱাটো প্ৰয়োজন।
- শিক্ষাৰ বিষয়সূচীয়ে আমাৰ অতীতৰ পৈতৃক সংস্কৃতিক বা ঐতিহ্যক অৱহেলা নকৰাকৈ আধুনিকভাৱে বিকশিত হোৱা ধাৰণাখিনি গ্ৰহণ কৰিব লাগিব।
- শিক্ষাই এগৰাকী ব্যক্তিৰ আভ্যন্তৰীণ গুণাৱলীসমূহ আবিস্কাৰ কৰিব লাগিব আৰু প্ৰশিক্ষণৰ মাধ্যমত সেইবোৰ বিকশিত কৰাব লাগিব।
- বিশ্ববিদ্যালয়সমূহে ৰাষ্ট্ৰখনৰ সভ্যতা আৰু সংস্কৃতিক সংৰক্ষণ কৰা উচিত। আমি সভ্য হ'বলৈ হ'লে, আর্থিকভাৱে দুর্বলসকলৰ প্ৰতি সদয় হ'ব লাগিব, মহিলাসকলক সন্মান প্ৰদর্শন কৰিব লাগিব, শান্তি আৰু স্বাধীনতা ভাল পাব লাগিব আৰু অন্যায় আৰু অত্যাচাৰক ঘৃণা কৰিব পাৰিব লাগিব। বিশ্ববিদ্যালয় শিক্ষাই এনে আদর্শৰ দ্বাৰা যুৱকসকলক উদ্বুদ্ধ কৰাব লাগিব।

•

প্ৰাধ্যাপক ঃ বিশ্ববিদ্যালয়ৰ সর্বোচ্চ পর্যায়ৰ শিক্ষক

5 জানি থোৱা ভাল

উচ্চ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত বিশ্ববিদ্যালয় আয়োগৰ প্ৰধান পৰামর্শসমূহ—

- জীৱনৰ অর্থ সম্বন্ধে বিচাৰ কৰিবলৈ,
- জ্ঞান বৃদ্ধিৰ দ্বাৰা আত্মাৰ জীৱনলৈ আভ্যন্তৰীণ সামর্থতা জাগ্ৰত কৰিবলৈ,
- আমাৰ শৈক্ষিকৰ লগতে অর্থনৈতিক আৰু ৰাজনৈতিক আদিৰ সকলো অনুষ্ঠান সামাজিক দর্শনৰ সৈতে প্ৰসাৰিত কৰিবলৈ,

- গণতন্ত্ৰৰ বাবে প্ৰশিক্ষণৰ ব্যৱস্থা কৰিবলৈ,
- আত্মবিকাশৰ বাবে প্ৰশিক্ষণ দিবলৈ,
- মনৰ ভয়হীনতা, বিবেকৰ শক্তি আৰু উদ্দেশ্যৰ সংহতি স্থাপন আদিৰ দৰে কিছুমান মূল্যবোধৰ বিকাশ সাধন কৰিবলৈ,
- ইয়াৰ পঞ্জীয়ণৰ কাৰণে সাংস্কৃতিকঐতিহ্য বা পৈত্ৰিকতাৰ সৈতে পৰিচয় কৰি দিবলৈ,
- শিক্ষা যে এক জীৱনজোৰা পদ্ধতি তাক জনাৰ বাবে সমৰ্থবান কৰিবলৈ।
- বৰ্তমানৰ লগতে অতীতক বুজি পোৱাৰ সামৰ্থতা বিকাশ কৰিবলৈ আৰু
- বৃত্তিমুখী আৰু বৃত্তিগত প্ৰশিক্ষণ দিয়াৰ ব্যৱস্থা কৰিবলৈ।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ উচ্চ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্যৰ ওপৰত আয়োগখনে আগবঢ়োৱা (ৰাধাকৃষ্ণণ আয়োগ, 1948) 4টা পৰামৰ্শ উল্লেখ কৰক।

.....

.....

১.৫ বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ প্ৰধান পৰামৰ্শসমূহৰ বিস্তৃত বৰ্ণনা (DETAILS OF THE MAIN RECOMMENDATIONS OF THE UNIVERSITY EDUCATION COMMISSION)

ৰাধাকৃষ্ণণ আয়োগৰ নিযুক্তিৰ আবাহৰ লগতে উচ্চ শিক্ষাৰ লক্ষ্যসমূহ আৰু উদ্দেশ্যসমূহ সম্বন্ধে আলোচনা কৰাৰ পিছত আমি বিশ্ববিদ্যালয় শিক্ষাৰ বিভিন্ন দিশৰ ওপৰত নিৰ্দিষ্টভাৱে আগবঢ়োৱা পৰামৰ্শসমূহৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিবলৈ আগবাঢ়িছোহক—

- **বিশ্ববিদ্যালয়সমূহৰ শিক্ষক** (Faculty in Universities) ঃ
  বিশ্ববিদ্যালয় শিক্ষা আয়োগে গুৰুত্ব আৰোপ কৰি কৈছে যে শিক্ষকসকলে শিক্ষা ব্যৱস্থাটোত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। সেয়েহে বিশ্ববিদ্যালয় বা মহাবিদ্যালয়ত বিভিন্নধৰণৰ কৰ্তব্য সম্পাদন কৰাৰ বাবে অৰ্হতাসম্পন্ন কৰ্মচাৰীৰ প্ৰয়োজন। বিশ্ববিদ্যালয় শিক্ষা আয়োগে পৰামৰ্শ দিছে যে শিক্ষা সহায়ক, প্ৰবক্তা, *প্ৰাধ্যাপক*, অধ্যাপক আদিৰ নিযুক্তিৰ ক্ষেত্ৰত প্ৰকৃতভাৱে গুৰুত্ব আৰোপ কৰা দৰকাৰ। শিক্ষকসকলৰ দৰমহাৰ ক্ষেত্ৰটো গুৰুত্ব আৰোপ কৰিব লাগিব। প্ৰত্যেকটো বিশ্ববিদ্যালয়ৰ কিছুমান গৱেষক ছাত্ৰ থাকিব লাগে। এইবিলাকৰ উপৰিওঁ প্ৰভিডেন্ট ফাণ্ড, চুটি, কৰ্মৰ সময় আদিৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়ৰ নিৰ্দিষ্ট নীতি-নিয়ম থাকিব লাগিব।
- **শিক্ষাদানৰ মানদণ্ড** (Teaching Standards) ঃ
  এখন বিশ্ববিদ্যালয়ৰ আটাইতকৈ গুৰুত্বপূৰ্ণ দায়িত্ব হ'ল ইয়াৰ শিক্ষণ আৰু পৰীক্ষা ব্যৱস্থাৰ মানদণ্ড উন্নত পৰ্যায়ত ৰখা। বিশ্ববিদ্যালয়সমূহে এনেধৰণৰ দায়িত্ব পালন কৰিবই লাগিব। শিক্ষণৰ মানদণ্ড উন্নত কৰিবলৈ 1948–49 চনৰ বিশ্ববিদ্যালয় শিক্ষা আয়োগে কিছুমান পৰামৰ্শ আগবঢ়াইছিল। পৰামৰ্শসমূহ আছিল তলত দিয়াধৰণৰ—
  - বিশ্ববিদ্যালয়ৰ পাঠ্যক্ৰমত নামভৰ্তিকৰণৰ ক্ষেত্ৰত বৰ্তমানৰ ইণ্টাৰমেডিয়েট পৰীক্ষাৰ পৰবৰ্তী সময় যেনে বিদ্যালয় বা কনিষ্ঠ মহাবিদ্যালয়সমূহৰ 12 বছৰীয়া পাঠ্যক্ৰম সম্পূৰ্ণ কৰা হ'ব লাগিব।

- প্রত্যেকখন প্রদেশে বুজন সংখ্যক সম্পূর্ণ সুবিধা থকা আৰু কর্মচাৰীৰে পৰিপূর্ণ কনিষ্ঠ মহাবিদ্যালয়সমূহ স্থাপন কৰিব লাগিব যিবিলাকত নৱমমান শ্রেণীৰপৰা দ্বাদশ শ্রেণীলৈ বা একাদশৰপৰা দ্বাদশ শ্রেণীলৈকে থাকে।
- 10ৰপৰা 12 বছৰলৈ বিদ্যালয়ত শিক্ষা লাভ কৰাৰ পিচত শিক্ষার্থীসকলক বিভাজিত কৰিবলৈ হ'লে বুজন সংখ্যক বৃত্তিমুখী প্রতিষ্ঠান স্থাপন কৰিব লাগিব।
- বিশ্ববিদ্যালয়সমূহে হাইস্কুল আৰু কনিষ্ঠ মহাবিদ্যালয়ৰ শিক্ষকক পুনৰ প্রস্তুত কৰি তোলাৰ বাবে পৰিশীলন পাঠ্যক্রমৰ ব্যৱস্থা কৰিব লাগিব।
- বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহত শিক্ষার্থীৰ সংখ্যাৰ বিস্ফোৰণ ৰোধ কৰিবলৈ কলা আৰু বিজ্ঞান শাখাত শিক্ষণ বিশ্ববিদ্যালয়ৰ ক্ষেত্রত খুব বেছি 3000 আৰু সংবদ্ধ মহাবিদ্যালয়ৰ ক্ষেত্রত 1500 গৰাকীত সীমাবদ্ধতা থাকিব।
- শিক্ষানুষ্ঠানসমূহত কর্মৰত দিন বৃদ্ধি কৰাৰ ব্যৱস্থা কৰি নূন্যতম এবছৰত 180 দিন হ'ব লাগিব। পৰীক্ষাৰ দিনক নধৰি তিনিটা ভাগৰ সৈতে প্রত্যেকটো হ'ব 11 সপ্তাহ সময়ৰ।
- বক্তৃতাসমূহ চাইচিতি আঁচনিযুক্ত কৰিব লাগিব আৰু অতিৰিক্তভাবে বিশেষ শ্রেণী, পুথিভঁড়াল কর্ম আৰু লিখা অনুশীলন থাকিব।
- কোনো পাঠ্যক্রমৰ বাবে নির্দিষ্টকৈ দিয়া পাঠ্যপুথিৰ ব্যৱস্থা নাথাকিব।
- নিম্ন স্নাতক পর্যায়ৰ শিক্ষার্থীৰ বাবে বর্তমানৰ দৰে বক্তৃতাত উপস্থিত থকাটো বাধ্যতামূলক হ'ব কেৱল কিছুমান বিশেষ শ্রেণীক ৰাজহুৱা পৰীক্ষাত অবতীর্ণ হ'বলৈ অনুমতি প্রদান কৰা হ'ব। পৰীক্ষামূলকভাৱে কর্মৰত ব্যক্তিসকলক নিশাৰ মহাবিদ্যালয়ত পঢ়াৰ সুবিধা দিয়া হ'ব।
- বিশ্ববিদ্যালয় শিক্ষাদানৰ শিক্ষানুষ্ঠানসমূহত তলত দিয়াধৰণেৰে বিশেষ শিক্ষণৰ শ্রেণীবোৰ বিকশিত কৰিব লাগে—
  - (ক) শিক্ষার্থীসকলে 6 জনৰ অধিক নোহোৱাকৈ দলগতভাৱে শিক্ষকক প্রতিবেদন দিব লাগে।
  - (খ) নিম্ন স্নাতক পর্যায়ৰ গুৰু আৰু সাধাৰণ পাঠ্যক্রম দুয়োটাতে বিশেষ শ্রেণী উপলব্ধ হ'ব লাগে।
  - (গ) বিশেষ শ্রেণীবোৰে শিক্ষার্থীসকলৰ মানসিক বিকাশত উদ্দীপনা যোগাব লাগিব। ইয়াৰ উদ্দেশ্য পৰীক্ষামুখী হ'ব নালাগে।
  - (ঘ) যদি বিশেষ শ্রেণীবোৰ ফলপ্রসু হয় তেতিয়া শিক্ষকৰ উন্নতি সাধন গুণগত আৰু সংখ্যাগতভাৱে হ'ব লাগে।
- বিশ্ববিদ্যালয়ৰ পুথিভঁড়ালবোৰ তলত উল্লেখ কৰাধৰণেৰে বহলভাবে বিকশিত হোৱা উচিত—
  - (ক) অধিক বার্ষিক অনুদানেৰে
  - (খ) মুক্ত সুগম ব্যৱস্থাৰ প্রবর্তন হ'ব লাগে
  - (গ) কর্মৰ সময় দীঘলীয়া হ'ব লাগে
  - (ঘ) সুন্দৰভাৱে সুসংগঠিত হ'ব লাগে আৰু
  - (ঙ) সুন্দৰভাৱে প্রশিক্ষণপ্রাপ্ত কর্মচাৰীৰ সৈতে প্রসঙ্গ সহায়ক থাকিব লাগে।
- বিজ্ঞানাগাৰ বা পৰীক্ষাগাৰবোৰৰ গৃহবোৰ, সংযোগ ব্যৱস্থা, আচবাব, কর্মশালা আৰু কাৰিকৰবোৰ উন্নত পর্যায়ৰ হ'ব লাগে।

  (1948–49 চনৰ ৰাধাকৃষ্ণণ আয়োগৰ প্রতিবেদন)

- **অধ্যয়নৰ বিষয়সমূহ** (Courses of Study) ঃ

ৰাধাকৃষ্ণণ আয়োগৰ পৰামর্শসমূহৰ মতে বিশ্ববিদ্যালয় পর্যায়ৰ পাঠ্যক্রম প্রস্তুতকৰণৰ সময়ত শিক্ষার্থীসকলৰ সাধাৰণ অভিৰুচি আৰু বিশেষ অভিৰুচিলৈ লক্ষ্য ৰখা উচিত। স্নাতক উপাধি লাভ কৰাৰ পিছত সন্মান বা গুৰু পাঠ্যক্রম সম্পূর্ণ কৰা শিক্ষার্থীসকলক এবছৰ অধ্যয়ন কৰাৰ পিছত স্নাতকোত্তৰ উপাধি প্রদান কৰিব লাগে। সাধাৰণ শিক্ষাৰ পাঠ্যক্রমৰ বাবে সাহিত্যৰ বিকাশ সাধন কৰিব লাগে। ই শিক্ষার্থীসকলক বিষয়সূচী,

চিন্তাৰ পদ্ধতি আৰু প্ৰত্যেকখন ক্ষেত্ৰৰ কৰ্মপদ্ধতিৰ লগত চিনাকি কৰি দিব আৰু পাণ্ডিত্য প্ৰদান কৰিব।

- **গৱেষণা আৰু প্ৰশিক্ষণ** (Research and Training) ঃ

ভাৰতবৰ্ষৰ সকলোবোৰ বিশ্ববিদ্যালয়ত কলা স্নাতকোত্তৰ আৰু বিজ্ঞানৰ স্নাতকোত্তৰ উপাধিৰ ক্ষেত্ৰত অধিনিয়ম একেধৰণৰ হোৱা উচিত। নামভৰ্তিৰ প্ৰক্ৰিয়াৰ লগতে গৱেষণা কাৰ্যত অন্তৰ্ভুক্তিকৰণ প্ৰক্ৰিয়াটো সৰ্বভাৰতীয় ভিত্তিত সংগঠিত হোৱা উচিত। উচ্চ গুণসম্পন্ন প্ৰকাশিত কৰ্মৰাজিৰ ওপৰত ভিত্তি কৰি সাহিত্যৰ ডক্টৰেট আৰু বিজ্ঞানৰ ডক্টৰেট উপাধি প্ৰদান কৰা উচিত। ভাৰতবৰ্ষৰ শিক্ষা মন্ত্ৰণালয়ে গৱেষণা কাৰ্য সম্পাদন কৰাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয়সমূহক বুজন সংখ্যক জলপানী দিয়াৰ ব্যৱস্থা কৰিব লাগে। এখন বিশ্ববিদ্যালয়ৰ বাবে সাধাৰণ গৱেষণা প্ৰাথমিক পৰ্যায় হোৱা উচিত।

- **বৃত্তীয় শিক্ষা** (Professional Education) ঃ

বিশ্ববিদ্যালয় শিক্ষা আয়োগে বৃত্তীয় শিক্ষাৰ ওপৰত কিছুমান পৰামৰ্শ আগবঢ়াইছিল আৰু ইয়াক পাঁচটা ভাগত ভাগ কৰিছিল। সেইবোৰ হ'ল—

- কৃষি শিক্ষা
- বাণিজ্য শিক্ষা
- অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যাৰ শিক্ষা
- আইন শিক্ষা আৰু
- চিকিৎসা শিক্ষা

কৃষি শিক্ষা (Agricultural Education) ঃ ভাৰতীয় অৰ্থনীতি কৃষিৰ ওপৰত অধিকভাৱে নিৰ্ভৰশীল। আমাৰ দেশৰ জাতীয় বিকাশত কৃষিৰ ভূমিকা অপৰিসীম। বিশ্ববিদ্যালয় শিক্ষা আয়োগে কৃষি শিক্ষাক জাতীয়ভাৱে গুৰুত্ব আৰোপ কৰাত প্ৰাধান্যতা দিছে। কৃষি বিষয়টো শিক্ষাৰ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ পৰ্যায়ত অন্তৰ্ভুক্ত হোৱা দৰকাৰ। বৰ্তমান চলি থকা কৃষি মহাবিদ্যালয় আৰু শিক্ষানুষ্ঠানসমূহক উন্নতি সাধন কৰাব লাগিব। ইয়াৰ লগতে কৃষি গৱেষণা কেন্দ্ৰ স্থাপন কৰিব লাগিব।

বাণিজ্যিক শিক্ষা (Commercial Education) ঃ বাণিজ্য শিক্ষাৰ বিকাশৰ বাবে বিশ্ববিদ্যালয় শিক্ষা আয়োগে গুৰুত্বপূৰ্ণ পদক্ষেপ গ্ৰহণ কৰিছিল। বাণিজ্য শিক্ষাৰ প্ৰসাৰৰ মাজেৰে বৃত্তীয় শিক্ষাৰ প্ৰসাৰ সাধন কৰাৰ্থে এই আয়োগে ভাৰতবৰ্ষৰ বিভিন্ন শিক্ষাকেন্দ্ৰ ভ্ৰমণ কৰি বাস্তৱ পৰিস্থিতিৰ বিষয়ে অধ্যয়ন কৰে। তাৰোপৰি বাণিজ্য শিক্ষাৰ বিভিন্ন দিশ আৰু স্তৰৰ বিষয়ে এই কেন্দ্ৰসমূহতে আয়োগে অধ্যয়ন চলায়। বাণিজ্য শিক্ষাৰ বাস্তৱ সমস্যাৱলী অধ্যয়ন কৰি এনে শিক্ষাৰ বিকাশ আৰু প্ৰসাৰ সাধনৰ সহায়ত বৃত্তীয় শিক্ষাৰ গতিশীল বিকাশৰ বাবে এই আয়োগে নিম্ন উল্লিখিত পৰামৰ্শসমূহ আগবঢ়ায়—

1. বাণিজ্য শিক্ষাৰ ক্ষেত্ৰত বিভিন্ন ব্যৱহাৰিক কাৰ্য অন্তৰ্ভুক্ত কৰিব লাগে। বাণিজ্য শিক্ষাৰ ছাত্ৰ-ছাত্ৰীসকলক ভিন্নপ্ৰকাৰৰ তিনি বা চাৰিটা আকাৰত ব্যৱহাৰিক প্ৰশিক্ষণ প্ৰদান কৰাৰ ব্যৱস্থা কৰিব লাগে।
2. বাণিজ্য শিক্ষাৰ ক্ষেত্ৰত স্নাতক ডিগ্ৰী লোৱাৰ পিছত ছাত্ৰ-ছাত্ৰীসকলৰ কিছু সংখ্যকক বিশেষ বৃত্তি যেনে— হিচাব কৰা কাৰ্য বা বৃত্তি আদিৰ দৰে গুৰুত্বপূৰ্ণ কামৰ ক্ষেত্ৰত বিশেষ অধ্যয়ন চলোৱাৰ বাবে আৰু তেনেক্ষেত্ৰত প্ৰয়োজনীয় প্ৰশিক্ষণ লোৱাৰ বাবে পৰামৰ্শ দিব লাগে।
3. বিশ্ববিদ্যালয় শিক্ষা আয়োগে বাণিজ্য শিক্ষাৰ স্নাতকোত্তৰ উপাধি পৰ্যায়ৰ শিক্ষা কাৰ্য পুথিগত কৰি তোলা ধাৰণাটোক সমৰ্থন কৰা নাছিল। ইয়াৰ পৰিবৰ্তে এই আয়োগে নিৰ্বাচিত কিছুসংখ্যক ছাত্ৰ-ছাত্ৰীকহে এনে পৰ্যায়ত অধ্যয়ন কৰাৰ সুবিধা প্ৰদানৰ পৰামৰ্শ আগবঢ়াইছিল।

অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যা (Engineering and Technology) ঃ ৰাধাকৃষ্ণণ আয়োগে অভিযান্ত্ৰিক আৰু প্ৰযুক্তিবিদ্যাৰ ক্ষেত্ৰত পৰামৰ্শ দিছে যে অভিযান্ত্ৰিক পাঠ্যক্ৰমত সাধাৰণ শিক্ষা আৰু বুনিয়াদী শাৰীৰিক অভিযান্ত্ৰিক বিজ্ঞান অন্তৰ্ভুক্ত কৰিব লাগে। এইবোৰৰ উপৰিওঁ আয়োগখনে পৰামৰ্শ আগবঢ়াইছে যে অভিযান্ত্ৰিক বিদ্যালয় আৰু মহাবিদ্যালয়ৰ সংখ্যা বৃদ্ধি কৰা উচিত আৰু চলি থকা অভিযান্ত্ৰিক মহাবিদ্যালয়সমূহক উন্নত অৱস্থালৈ নি স্নাতকোত্তৰ প্ৰশিক্ষণ আৰু গৱেষণাৰ কেন্দ্ৰ হিচাপে গঢ়ি তুলিব

লাগে। তেনে অনুষ্ঠানবোৰত কিছুমান নির্বাচিত বিষয়ৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰি বিশ্ববিদ্যালয়সমূহৰ লগত অনুসংগিত কৰি তুলিব লাগে।

আইনৰ শিক্ষা (Legal Education) ঃ আইন শিক্ষা সন্দর্ভত আয়োগে পৰামর্শ দিছে যে আইন মহাবিদ্যালয়সমূহ সামগ্রীকভাবে পুনৰগঠন হোৱা উচিত। যিবিলাক ছাত্রই আইন স্নাতক পাঠ্যক্রম অধ্যয়ন কৰিবলৈ লয় তেওঁলোক একেলগে অন্য স্নাতক পাঠ্যক্রমত সোমাই পৰিব নোৱাৰিব।

চিকিৎসা শিক্ষা (Medical Education) ঃ চিকিৎসা শিক্ষা সন্দর্ভত আয়োগখনে পৰামর্শ আগবঢ়াইছে যে চিকিৎসা মহাবিদ্যালয়বোৰত নামভর্তিৰ সংখ্যা 100 হ'ব লাগে। সকলো বিভাগৰ বাবে চিকিৎসালয় ব্যৱস্থা একেটা চৌহদতে থকাটো প্রয়োজন। প্রত্যেকগৰাকী শিক্ষার্থীৰ বাবে 10খন বিচনা থকা দৰকাৰ। স্নাতকোত্তৰ প্রশিক্ষণ ব্যৱস্থা কিছুমান নির্দিষ্ট মহাবিদ্যালয়ত থাকিব লাগে যিবিলাকত শিক্ষক কর্মচাৰীৰ সংখ্যা অধিক।

- **ধর্মীয় শিক্ষা** (Religious Education) ঃ

  1948 চনৰ বিশ্ববিদ্যালয় শিক্ষা আয়োগে মহাবিদ্যালয়সমূহত ধর্মীয় শিক্ষা দিয়াৰ ক্ষেত্রত তলত দিয়াধৰণেৰে পৰামর্শ আগবঢ়াইছে—

  - সকলোবোৰ শিক্ষানুষ্ঠানে কর্ম আৰম্ভ কৰিব লাগে কেইমিনিটমান মূহুর্ত নিৰৱে ধ্যান কৰাৰ পিছত।
  - স্নাতক পর্যায়ৰ প্রথম বছৰত শিক্ষার্থীসকলক বিখ্যাত ধর্মগুৰুসকলৰ জীৱন দর্শনৰ শিক্ষা দিব লাগে। তেওঁলোক হ'ল গৌতম বুদ্ধ, কনফুচিয়াচ জাৰোচটাৰ, চক্রেটিছ, যীশু, শংকৰ, ৰামানুজ, মাধব, মহম্মদ, কবিৰ, নেইক, মহাত্মা গান্ধী আদি।
  - স্নাতক দ্বিতীয় বর্ষত, বিশ্বৰ বিভিন্ন দিশৰ নির্বাচিত বিখ্যাত ধর্মশাস্ত্রৰ সার্বজনীন চৰিত্র সম্বন্ধে অধ্যয়নৰ ব্যৱস্থা কৰিব লাগে।
  - তৃতীয় বর্ষত, ধর্মীয় দর্শনৰ কেন্দ্রীয় সমস্যাসমূহ অধ্যয়নৰ ব্যৱস্থা কৰিবপৰা যায়।

- **শিক্ষাৰ মাধ্যম** (Medium of Instruction) ঃ

  বিশ্ববিদ্যালয় শিক্ষা আয়োগে শিক্ষাৰ মাধ্যম সম্পর্কীয় সমস্যাসমূহৰ ওপৰত বিশেষভাৰে গুৰুত্ব প্রদান কৰি এই দিশত গুৰুত্বপূর্ণভাৰে মনোনিবেশ কৰে। মাধ্যম সম্পর্কীয় দৃষ্টিভংগীৰ ক্ষেত্রত ইতিমধ্যে প্রচলিত হৈ থকা ভিন্ন ধ্যান-ধাৰণা এই আয়োগে গভীৰভাৰে বিবেচনা কৰি এই দিশত এটা সুচিন্তিত পদক্ষেপ গ্রহণ কৰাৰ বাবে নিম্ন উল্লিখিত পৰামর্শসমূহ আগবঢ়ায়—

  - ইতিমধ্যে ভাৰতীয় সমাজ জীৱনত হিন্দী ভাষা সংঘৰাজ্যৰ ভাষা অথবা ফেডাৰেল ভাষা হিচাপে বিবেচিত হৈছিল। গতিকে এনে ভাষাৰ সমৃদ্ধি আৰু বিকাশৰ বাবে বিশেষ পদক্ষেপ গ্রহণ কৰিবলৈ আয়োগে পৰামর্শ আগবঢ়ায়।
  - উচ্চ শিক্ষাৰপৰা অধিক পৰিমাণে সুফল পোৱাৰ বাবে এনে শিক্ষাৰ বহুল প্রসাৰ সাধন হ'ব লাগিব। উচ্চ শিক্ষাৰ ফলপ্রসু সুফল আৰু বহুল প্রসাৰ সাধনৰ বাবে এনে শিক্ষাৰ ক্ষেত্রত মাধ্যম হিচাপে প্রচলিত হৈ থকা ইংৰাজী ভাষাৰ স্থানত আন ভাৰতীয় ভাষাক মাধ্যম হিচাপে প্রতিস্থাপন কৰিব লাগে।
  - শিক্ষাৰ মাধ্যমিক পর্যায় আৰু বিশ্ববিদ্যালয় পর্যায়ত ছাত্র-ছাত্রীসকলক প্রাদেশিক ভাষা অথবা মাতৃভাষা, ৰাষ্ট্রীয় ভাষা অথবা ফেডাৰেল ভাষা আৰু প্রয়োজনসাপেক্ষে ইংৰাজী ভাষাৰ শিক্ষা প্রদানৰ ব্যৱস্থা কৰিব লাগে।
  - উচ্চ শিক্ষাৰ ক্ষেত্রত প্রাদেশিক ভাষাক মাধ্যম হিচাপে ব্যৱহাৰ কৰিব লাগে। অৱশ্যে এনে ক্ষেত্রত এটা বা দুটা বিষয়ত ফেডাৰেল ভাষাক শিক্ষাদানৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰাৰ পদক্ষেপ গ্রহণ কৰিব লাগে।
  - আঞ্চলিক ভাষা আৰু ফেডাৰেল ভাষাসমূহৰ বিকাশৰ বাবে গঠনমূলক পদক্ষেপ গ্রহণ কৰিব লাগে।

- **পৰীক্ষা বা মূল্যায়ণ ব্যৱস্থা** (Examination or Evaluation System) ঃ

আনুষ্ঠানিক শিক্ষা প্রক্রিয়াত শিক্ষাৰ বিভিন্ন পর্যায়ত ছাত্র-ছাত্রীসকলে নির্দিষ্ট সময়সীমাৰ ভিতৰত আহৰণ কৰা জ্ঞান পৰিমাপনৰ একমাত্র আহিলা হৈছে পৰীক্ষা প্রক্রিয়া। স্বাধীনতাৰ পূর্ববর্তী অৱস্থাৰপৰাই শিক্ষাবিদসকলে নিজত্ব বিচাৰ-বিশ্লেষণেৰে ভাৰতীয় শিক্ষা প্রক্রিয়াৰ বিভিন্ন দিশৰ দোষ-ত্রুটিসমূহ আঙুলিয়াই দি এইবোৰৰ নিৰাময়ৰ বাবে সময়ে সময়ে দিহা-পৰামর্শ আগবঢ়াই গৈছে। দেশ স্বাধীন হোৱাৰ পিছত বিশ্ববিদ্যালয় শিক্ষাৰ সামগ্রিক দিশৰ দোষ-ত্রুটিসমূহ আঙুলিয়াই দি তেনে দোষ-ত্রুটিসমূহ আঁতৰ কৰাৰ বাবে বিশ্ববিদ্যালয় শিক্ষা আয়োগে অনেক দিহা-পৰামর্শ আগবঢ়াইছে। শিক্ষা প্রক্রিয়াৰ অন্যান্য দিশৰ লগতে প্রচলিত পৰীক্ষা ব্যৱস্থাৰ ক্ষেত্রতো এই আয়োগে নিজৰ অসন্তুষ্টি প্রকাশ কৰে। আয়োগৰ দৃষ্টিত, প্রচলিত শিক্ষা প্রক্রিয়াৰ অন্যান্য দিশৰ ভিতৰত পৰীক্ষা প্রক্রিয়াটোৱেই আটাইতকৈ ত্রুটিপূর্ণ।

প্রচলিত পৰীক্ষা প্রক্রিয়াৰ সমালোচনা কৰি আয়োগে মন্তব্য কৰে যে—

''If we are asked to give one single reform in university education, we shall say it should be that of examination.''

পৰীক্ষা প্রক্রিয়াৰ দোষ-ত্রুটিসমূহ অনুধাবন কৰাৰ পিছত বিশ্ববিদ্যালয় আয়োগে দোষ-ত্রুটিসমূহ আঁতৰ কৰাৰ বাবে তলত উল্লেখ কৰা পৰামর্শসমূহ আগবঢ়ায়—

- প্রচলিত শিক্ষা প্রক্রিয়াৰ ৰচনামূলক পৰীক্ষা প্রক্রিয়া আয়োগৰ দৃষ্টিত ত্রুটিপূর্ণ আছিল। এনে কাৰণতে আয়োগে ৰচনামূলক পৰীক্ষাৰ সলনি বস্তুনিষ্ঠ পৰীক্ষা ব্যৱস্থা প্রবর্তনৰ সপক্ষে মত পোষণ কৰে। আয়োগে শিক্ষা মন্ত্রণালয় আৰু বিশ্ববিদ্যালয়বোৰক এই দিশত থকা সমস্যাসমূহ অধ্যয়ন কৰাৰ পৰামর্শ আগবঢ়ায় আৰু এনে অধ্যয়নৰ সহায়ত লাভ কৰা জ্ঞান অভিজ্ঞতা ভাৰতীয় শৈক্ষিক ক্ষেত্রত প্রয়োগৰ সপক্ষে পৰামর্শ প্রদান কৰে।
- আয়োগে দেশৰ প্রতিখন বিশ্ববিদ্যালয়তে পৰীক্ষকৰ একোখন স্থায়ী বোর্ড গঠনৰ পৰামর্শ আগবঢ়ায়। এই বোর্ডৰ সহায়ত বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ শিক্ষকসকলক নতুন পৰীক্ষা প্রক্রিয়া সম্পর্কত উপদেশ দিয়াৰ ব্যৱস্থা কৰাৰ বাবেও আয়োগে পৰামর্শ প্রদান কৰে।
- প্রশাসনীয় চাকৰিৰ ক্ষেত্রত বিশ্ববিদ্যালয়ৰ ডিগ্রীৰ ওপৰৰ কোনো গুৰুত্ব আৰোপ কৰিব নালাগে।
- অনুগ্রহত নম্বৰ দিয়া ব্যৱস্থা পৰিহাৰ কৰিব লাগে।
- মুখে মুখে লোৱা পৰীক্ষা বৃত্তীয় আৰু স্নাতকোত্তৰ পর্যায়ত প্রবর্তন কৰিব পাৰি।

- **শিক্ষার্থীসকল— কার্যাৱলীসমূহ আৰু কল্যাণ** (Students– the activities and welfare) ঃ

শিক্ষার্থীসকলৰ কার্যাৱলীসমূহ আৰু ৰাষ্ট্রৰ বাবে তেওঁলোকক উপযুক্ত কৰি তোলাৰ ক্ষেত্রত আয়োগে তলত দিয়া পৰামর্শাৱলীসমূহ আগবঢ়াইছে—

- শিক্ষার্থীসকলক নামভর্তি কৰাৰ সময়ত এবাৰ সম্পূর্ণৰূপে শাৰিৰীক পৰীক্ষা কৰিব লাগে আৰু পিছত বছৰত এবাৰকৈ পৰীক্ষা কৰা উচিত।
- সকলোবোৰ বিশ্ববিদ্যালয়ৰে চিকিৎসালয় আৰু স্বাস্থ্যসেৱা থাকিব লাগিব।
- বিশ্ববিদ্যালয়ৰ চৌহদ, গৃহ, ছাত্রাবাস-ছাত্রীনিবাস, আহাৰ খোৱা কোঠা, ৰান্ধনীঘৰ, চৌহদৰ বাহিৰৰ আবাসসমূহ স্বাস্থ্যসন্মত হোৱা উচিত।
- বাধ্যতামূলক শাৰিৰীক প্রশিক্ষণৰ বাবে দক্ষতাসম্পন্ন কর্মচাৰীৰ ব্যৱস্থা কৰিব লাগিব আৰু সেই কামৰ বাবে নির্দ্ধাৰিত সময়সূচী থকা দৰকাৰ।
- সমাজ সেৱা ব্যৱস্থাক উদগনি যোগোৱা উচিত আৰু ইয়াক সম্পূর্ণৰূপে স্বেচ্ছামূলক হিচাপে ৰাখিব লাগে।
- সকলোবোৰ ছাত্র-ছাত্রীয়ে ৰাষ্ট্রীয় শিক্ষার্থীবাহিনীৰ প্রশিক্ষণ পোৱা উচিত।
- ছাত্র সংস্থাটো সম্পূর্ণৰূপে ৰাজনৈতিক প্রভাৱৰ বাহিৰত থাকিব লাগে।
- মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়বোৰত একোটা শিক্ষার্থী গুৰুৰ কার্যালয় স্থাপন কৰা উচিত।

- **স্ত্রী শিক্ষা** (Women Education) ঃ
  স্ত্রী শিক্ষাৰ ক্ষেত্ৰত আয়োগে পৰামৰ্শ আগবঢ়াইছে যে পুৰুষসকলৰ মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়বোৰত যেনেধৰণৰ সুবিধা আছে ঠিক তেনেধৰণৰ সুবিধা মহিলাসকলৰ শিক্ষানুষ্ঠানবোৰতো থাকিব লাগিব। শিক্ষাৰ পাঠ্যক্ৰমসমূহ প্ৰণয়ন কৰোতেওঁ প্ৰথমতে মহিলা হিচাপে আৰু লগে লগে নাগৰিক হিচাপে চোৱা উচিত।
- **বিশ্ববিদ্যালয় প্ৰশাসন আৰু অৰ্থ ব্যৱস্থা** (Administration and Finance of a University) ঃ
  বিশ্ববিদ্যালয় শিক্ষা আয়োগে এখন বিশ্ববিদ্যালয়ৰ অধিনিয়মসমূহ আৰু নিয়ন্ত্ৰণৰ দক্ষতা তলত দিয়াধৰণেৰে আঙুলিয়াই দিছে—
  - বিশ্ববিদ্যালয়ৰ শিক্ষাৰ স্থান সমবৰ্ত্তী শিক্ষা তালিকাৰ (concurent list)অধীনত থকা উচিত।
  - আৰ্থিক দিশৰ ক্ষেত্ৰত বিশেষ বিষয়ৰ সুবিধাসমূহৰ মাজত সমন্বয় , ৰাষ্ট্ৰীয় নীতিসমূহ গ্ৰহণ, সুদক্ষ প্ৰশাসনৰ নূন্যতম মানদণ্ড নিশ্চিতকৰণ আৰু বিশ্ববিদ্যালয়সমূহ আৰু জাতীয় গৱেষণা পৰীক্ষাগাৰসমূহ আৰু বৈজ্ঞানিক জৰীপ আদিৰ মাজত সমন্বয় স্থাপন আৰু কেন্দ্ৰীয় চৰকাৰৰ বিশ্ববিদ্যালয়সমূহৰ ক্ষেত্ৰত দায়িত্ব থাকিবই লাগিব।
  - বিশ্ববিদ্যালয়সমূহক অনুদান দিয়াৰ ব্যৱস্থা কৰিবলৈ এখন কেন্দ্ৰীয় অনুদান আয়োগ স্থাপন কৰিব লাগে।
  - অকল সংবদ্ধকৰণ ব্যৱস্থা থকা বিশ্ববিদ্যালয় থাকিব নালাগে।
  - মহাবিদ্যালয়সমূহৰ প্ৰশাসনিক সমিতিবোৰ প্ৰকৃতভাৱে গঠন কৰা উচিত।
  - এখন সংবদ্ধ মহাবিদ্যালয়ৰ লক্ষ্য হোৱা উচিত মহাবিদ্যালয়খনক একক বিশ্ববিদ্যালয়লৈ বিকশিত কৰা আৰু পিছত সন্নিবদ্ধ হিচাপে পৰিগণিত কৰা।
  - বিশ্ববিদ্যালয় এখনৰ সাংগঠনিক গাঠনি তলত দিয়াধৰণৰ হোৱা উচিত—

(ক) পৰিভ্ৰমক
↓
(খ) আচার্য
↓
(গ) উপাচার্য
↓
(ঘ) সদন (আদালত)
↓
(ঙ) কার্যবাহী পৰিষদ (পৰিষদ ঐসভা)
↓
(চ) বিদ্যায়তনিক পৰিষদ
↓
(ছ) শিক্ষকমণ্ডলী
↓
(জ) অধ্যয়ন পৰিষদ
↓
(ঝ) অৰ্থ সমিতি (কমিটি)
↓
(ঞ) নিৰ্বাচন কমিটি

- আর্থিক দিশৰ ক্ষেত্রত বিশ্ববিদ্যালয়সমূহক আর্থিক অনুদান দিয়াৰ বাবে এখন বিশ্ববিদ্যালয় অনুদান আয়োগ গঠন কৰা উচিত। উচ্চ শিক্ষাৰ আর্থিক অনুদান দিয়াৰ বাবে ৰাজ্যিক চৰকাৰেওঁ দায়িত্ব গ্রহণ কৰিব লাগে।

5 জানি থোৱা ভাল

1956 চনত ভাৰতবর্ষত বিশ্ববিদ্যালয় অনুদান আয়োগ গঠন কৰা হয়।

- **গ্রাম্য বিশ্ববিদ্যালয়সমূহ আৰু মহাবিদ্যালয়সমূহ** (Rural Universities and Colleges) ঃ গ্রাম্য বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহৰ ক্ষেত্রত আয়োগে পৰামর্শ দিছে যে— "গ্রাম্য ভাৰতৰ সাধাৰণ বিকাশৰ ধাৰা আহ্বান কৰা হ'ব পূর্ণ বিকশিত হৈ থকা পৰিসৰ, কৌশল আৰু প্রশিক্ষণৰ গুণাগুণৰ কাৰণে। সেইবোৰ যোগান ধৰিবলৈ আৰু শিক্ষিত নাগৰিকসকলৰ প্রয়োজনীয়তা পূৰণ কৰিবলৈ গ্রাম্য মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ এক ব্যৱস্থাৰ প্রয়োজন" (ৰাধাকৃষ্ণণ আয়োগৰ প্রতিবেদন)।
- এখন গ্রাম্য বিশ্ববিদ্যালয়ে স্নাতক পাঠ্যক্রমৰ আবাসিক মহাবিদ্যালয়ৰ এটা সৰু চক্র বা আঙুঠিক সামৰি ল'ব আৰু ইয়াৰ কেন্দ্রত বিশেষধৰণৰ বিশ্ববিদ্যালয়ৰ সুবিধা থাকিব।
- স্নাতক পর্যায়ৰ আবাসিক মহাবিদ্যালয়সমূহত 300 জনতকৈ অধিক শিক্ষার্থী নাথাকিব। বিশ্ববিদ্যালয়খনৰ অন্তর্ভুক্ত মহাবিদ্যালয়সমূহক লৈ মুঠ ছাত্র-ছাত্রীৰ সংখ্যা হ'ব 2500।
- 300 জন ছাত্র-ছাত্রী থকা প্রত্যেকখন মহাবিদ্যালয়ৰে সুকীয়া শিক্ষকমণ্ডলী আৰু সুবিধাসমূহ থাকিব।
- গ্রাম্য মহাবিদ্যালয়সমূহত সাধাৰণ অধ্যয়নৰ সৈতে ব্যৱহাৰিক পাঠ্যক্রমৰ সংযোগ থাকিব। ইয়াৰ ফলত শিক্ষার্থীসকল সংস্কৃতিবান আৰু শিক্ষিত মানুহ হ'ব আৰু মহিলাসকল হৈ পৰিব কৌশলসমৃদ্ধ।
- গ্রাম্য বিশ্ববিদ্যালয়ৰ পাঠ্যক্রম সন্দর্ভত আয়োগখনে কৈছে যে— "মুক্ত শিক্ষাৰ সাধাৰণ বিষয় কিছুমান গ্রাম্য বিশ্ববিদ্যালয়ে সম্ভাব্যভাবে ল'ব যদিওঁ শিক্ষাদান আৰু আহৰণৰ ক্ষেত্রত ইয়াৰ ভিন্নতা থাকিব। সাধাৰণ গোটটোৰে সামৰি লোৱা ক্ষেত্রবোৰ হ'ব অংক, ৰসায়ণ বিজ্ঞান, পদার্থবিজ্ঞান, ভুতত্ববিদ্যা, জ্যোতিষ শাস্ত্র, জীৱবিদ্যা, শাৰিৰীক শিক্ষা, মনোবিজ্ঞান, সামাজিক বিজ্ঞান, দর্শন আৰু ভাষা আৰু সাহিত্য।" সেয়েহে আয়োগখনে পৰামর্শ দিছে যে সাধাৰণ অংক, বুনিয়াদী বিজ্ঞানসমূহ, সমাজ বিজ্ঞান ভাষা আৰু সাহিত্যক সামৰি ল'ব।

t চিন্তা চর্চা কৰক ১.১

বিশ্ববিদ্যালয় শিক্ষা ব্যৱস্থাৰ ওপৰত আয়োগখনে আগবঢ়োৱা কিছুমান নির্দিষ্ট পৰামর্শ ব্যাখ্যা কৰক।

.....

.....

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ বিশ্ববিদ্যালয় অনুদান আয়োগ কোন চনত গঠিত হৈছিল?

.....

প্রশ্ন নং ৮ ঃ বিশ্ববিদ্যালয় এখনৰ সাংগঠনিৰ গাথনি প্রক্রিয়া কেনেকুৱা হোৱা উচিত?

.....

১.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- বিশ্ববিদ্যালয় শিক্ষা আয়োগখন গঠন কৰা হৈছিল 1948 চনৰ নবেম্বৰ মাহত ড^0 সর্ব্বপল্লী ৰাধাকৃষ্ণণৰ অধ্যক্ষতাত। আয়োগখনে ভাৰতবর্ষৰ বিশ্ববিদ্যালয় শিক্ষাৰ সমস্যাসমূহ অধ্যয়ন কৰিছিল আৰু 1949 চনৰ আগষ্ট মাহত ইয়াৰ প্রতিবেদন দাখিল কৰিছিল।
- আয়োগখনে উচ্চ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সম্বন্ধে গুৰুত্বপূর্ণ পৰামর্শ আগবঢ়াইছিল। আয়োগখনৰ প্রধান উদ্দেশ্য আছিল দেশৰ জনগণৰ কল্যাণৰ অর্থে নতুন জ্ঞান আৱিষ্কাৰ কৰা আৰু সেই জ্ঞানক বৃত্তিমুখী, বৈজ্ঞানিক আৰু উদ্যোগীক বিকাশৰ ক্ষেত্রত ব্যৱহাৰ কৰা। উচ্চ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সম্বন্ধে আয়োগে আগবঢ়োৱা প্রধান পৰামর্শসমূহ আছিল—
  - জীৱনৰ অর্থ সম্বন্ধে জ্ঞাতার্থ কৰিবলৈ,
  - জ্ঞানৰ বিকাশৰ দ্বাৰা অর্থপূর্ণ জীৱনধাৰণৰ বাবে আভ্যন্তৰীণ সামর্থতা আহৰণ কৰিবলৈ,
  - আমাৰ সকলোবোৰ শিক্ষকৰ লগতে অর্থনৈতিক আৰু ৰাজনৈতিক অনুষ্ঠানসমূহ সামাজিক দর্শনৰ সৈতে চিনাকি কৰি প্রসৰিত কৰিবলৈ,
  - গণতন্ত্রৰ বাবে প্রশিক্ষণ দিবলৈ,
  - আত্মবিকাশৰ বাবে প্রশিক্ষণ দিবলৈ,
  - ভয়হীন মন, বিবেকৰ শক্তি আৰু উদ্দেশ্যৰ সংহতিৰ দৰে কিছুমান মূল্যবোধৰ বিকাশ সাধন কৰিবলৈ,
  - সাংস্কৃতিক ঐতিহ্য বা পৈত্রিকতাৰ সৈতে চিনাকি হৈ ইয়াৰ পঞ্জীয়ণ কৰিবলৈ,
  - শিক্ষা যে এটা জীৱনজোৰা প্রক্রিয়া তাক জনাৰ বাবে সমর্থবান হ'বলৈ,
  - বর্তমানৰ লগতে অতীত সম্বন্ধেওঁ বুজি পোৱাৰ ধাৰণা বিকাশ কৰিবলৈ আৰু
  - বৃত্তিমুখী আৰু বৃত্তিগত প্রশিক্ষণৰ শিক্ষা দিবলৈ।
- বিশ্ববিদ্যালয়সমূহৰ শিক্ষক, শিক্ষণৰ মানদণ্ড, অধ্যয়নৰ বিষয়সমূহ, গৱেষণা আৰু প্রশিক্ষণ, শিক্ষাৰ মাধ্যম, পৰীক্ষা ব্যৱস্থা, শিক্ষার্থীসকলৰ কর্তব্য আৰু কার্যাৱলী, মহিলাসকলৰ শিক্ষা, প্রশাসন আৰু আর্থিক দিশ, গ্রাম্য বিশ্ববিদ্যালয়সমূহ হ'ল বিশ্ববিদ্যালয় ব্যৱস্থাৰ কিছুমান উপাদান। এনেবোৰ দিশৰ ক্ষেত্রত বিশ্ববিদ্যালয় শিক্ষা আয়োগে কিছুমান বিশেষ পৰামর্শ আগবঢ়াইছিল।

১.৭ অধিক জানিবলৈ

১) বৰদলৈ, অজন্তা ঃ ভাৰতৰ শিক্ষাৰ বুৰঞ্জী
লয়ার্চ বুকচ ষ্টল, গুৱাহাটী-1

২) ডেকা, বীৰেন্দ্র আৰু অন্যান্য ঃ ভাৰতীয় শিক্ষাৰ ইতিহাস
অসম বুক ডিপো, গুৱাহাটী-1

৩) শর্মা, তৰুণ ঃ আধুনিক ভাৰতৰ শিক্ষাৰ ইতিহাস আৰু সমস্যাসমূহ
বনলতা, গুৱাহাটী-1

১.৮ অগ্রগতিৰ খতিয়ান

১নং প্রশ্নৰ উত্তৰঃ 1948 চনত

২ নং প্রশ্নৰ উত্তৰ ঃ ড০ সর্ব্বপল্লী ৰাধাকৃষ্ণণ

৩ নং প্রশ্নৰ উত্তৰ ঃ 10 গৰাকী

৪ নং প্রশ্নৰ উত্তৰ ঃ আয়োগখন গঠন কৰাৰ মূল উদ্দেশ্য আছিল ভাৰতবর্ষৰ বিশ্ববিদ্যালয় শিক্ষাৰ সমস্যাৰাজি অধ্যয়ন কৰি সম্ভাৱনীয়তাসমূহ নির্বাচন কৰি দেশখনৰ বর্তমানৰ লগত খাপ খোৱাকৈ আৰু ভৱিষ্যতৰ প্রয়োজনীয়তাসমূহ পূৰণ কৰিবপৰাকৈ উন্নতি সাধন আৰু সম্প্রসাৰণৰ অর্থে পৰামর্শ আগবঢ়োৱা।

৫ নং প্রশ্নৰ উত্তৰ ঃ আয়োগখনৰ প্রসংগৰ 4টা প্রধান চর্ত হ'ল—

- ভাৰতবর্ষত বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য আৰু গৱেষণা,
- বিশ্ববিদ্যালয়সমূহৰ বিত্তীয় দিশ তথা ৰাজহ,
- শিক্ষণৰ উচ্চ মানদণ্ড ৰক্ষাৰ ব্যৱস্থা আৰু বিশ্ববিদ্যালয়ৰ লগতে অধীনত থকা মহাবিদ্যালয়সমূহৰ পৰীক্ষা নিয়ন্ত্রণ,
- বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম।

৬ নং প্রশ্নৰ উত্তৰ ঃ বিশ্ববিদ্যালয় শিক্ষা আয়োগে (1948) উচ্চ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সন্দর্ভত আগবঢ়োৱা চাৰিটা পৰামর্শ আছিল—

- বিশ্ববিদ্যালয়ে ৰাজনীতি, প্রশাসন, শিক্ষা, উদ্যোগ আৰু বাণিজ্যৰ দিশত নেতৃত্ব দান কৰিবপৰা ব্যক্তি সৃষ্টি কৰিব পাৰিব লাগিব।
- বিশ্ববিদ্যালয় শিক্ষাৰ লক্ষ্য বৌদ্ধিক সাহসিকতা উৎপাদন কৰিবপৰা হোৱা উচিত।
- বিশ্ববিদ্যালয়সমূহৰ এটা প্রধান কাম হ'ল শিক্ষার্থীসকলক আধ্যাত্মিক দিশত বিকশিত কৰি তোলা।
- শিক্ষাই এগৰাকী ব্যক্তিৰ আভ্যন্তৰীণ গুণাৱলীসমূহ আৱিষ্কাৰ কৰি সেইবোৰক প্রশিক্ষণৰ মাধ্যমত বিকশিত কৰি তোলা উচিত।

৭ নং প্রশ্নৰ উত্তৰ ঃ 1956

৮ নং প্রশ্নৰ উত্তৰ ঃ এখন বিশ্ববিদ্যালয়ৰ ব্যৱস্থাপনামূলক গাথঁনি তলত দিয়াধৰণৰ হোৱা উচিত—

পৰিভ্রমক
↓
আচার্য
↓
উপাচার্য
↓
সদনঐআদালত
↓
কার্যবাহী পৰিষদ (পৰিষদঐসভা)
↓
বিদ্যায়তনিক পৰিষদ
↓
শিক্ষকমণ্ডলী
↓
অধ্যয়ন পৰিষদ
↓
অর্থ সমিতি (কমিটি)
↓
নির্বাচন কমিটি

M১.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ৰাধাকৃষ্ণণ আয়োগ গঠনৰ মূল চিন্তা কি আছিল?

প্ৰশ্ন ২ঃ আয়োগৰ প্ৰসংগৰ মূল চৰ্তসমূহৰ বিষয়ে উল্লেখ কৰক।

প্ৰশ্ন ৩ঃ এখন বিশ্ববিদ্যালয় গঠনৰ সাংগঠনিক গাথঁনি কেনেধৰণৰ?

প্ৰশ্ন ৪ঃ বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ মূল তাৎপৰ্য্য কি আছিল?

প্ৰশ্ন ৫ঃ ভাৰতবৰ্ষৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত বিশ্ববিদ্যালয় আয়োগৰ কেনেধৰণৰ পৰিৱৰ্তনৰ প্ৰকাৰ সমূহৰ বিষয়ে চিনাক্ত কৰিছিল?

(খ) ৰচনা ধৰ্মী প্ৰশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ প্ৰসঙ্গৰ চৰ্তসমূহ চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ২ঃ বিশ্ববিদ্যালয় শিক্ষা আয়োগে উচ্চ শিক্ষাৰ লক্ষ্য আৰু উদ্দেশ্য সন্দৰ্ভত আগবঢ়োৱা পৰামৰ্শসমূহ চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৩ঃ বিশ্ববিদ্যালয় শিক্ষা ব্যৱস্থা সন্দৰ্ভত বিশ্ববিদ্যালয় শিক্ষা আয়োগে আগবঢ়োৱা কেইটিমান নিৰ্দিষ্ট পৰামৰ্শাৱলী আলোচনা কৰক।

অধ্যায় ২ ঃ মাধ্যমিক শিক্ষা আয়োগ (১৯৫২ - ৫৩)

অধ্যায় গাঁথনি

2.1 উদ্দেশ্য
2.2 পৰিচয়
2.3 মাধ্যমিক শিক্ষা আয়োগৰ পটভূমি আৰু নিযুক্তি
  2.3.1 আয়োগলৈ লক্ষ্য উদ্দেশ্য সম্বন্ধীয় নির্দেশ
  2.3.2 অনুসন্ধান পদ্ধতি
2.4 আয়োগৰ প্রতিবেদন
  2.4.1 বর্তি থকা পদ্ধতিৰ দোষসমূহ
  2.4.2 মাধ্যমিক শিক্ষাৰ লক্ষ্যসমূহ
  2.4.3 মাধ্যমিক শিক্ষাৰ পুনৰসংগঠন
2.5 মাধ্যমিক বিদ্যালয় সমূহৰ নির্দ্ধাৰিত পাঠ্যক্রম
  2.5.1 প্রচলিত পাঠ্যক্রমৰ দোষসমূহ
  2.5.2 নির্দ্ধাৰিত পাঠ্যক্রম প্রস্তুত কৰাৰ মৌলিক নীতিসমূহ
  2.5.3 মাধ্যমিক বিদ্যালয় সমূহৰ পৃথক পৃথক নির্দ্ধাৰিত পাঠ্যক্রম
2.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
2.7 অধিক জানিবলৈ
2.8 অগ্রগতিৰ খতিয়ান
2.9 আৰ্হি প্রশ্ন

২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ -

- 1952–53 চনৰ মাধ্যমিক শিক্ষ আয়োগৰ নিযুক্তিৰ বিষয়ে জানিব পাৰিব।
- আয়োগলৈ লক্ষ্য, উদ্দেশ্য সম্বন্ধে দিয়া নির্দেশবোৰ চিনাক্ত কৰিব পাৰিব।
- মাধ্যমিক শিক্ষাৰ প্রচলিত পদ্ধতিটোৰ দোষসমূহ বর্ণনা কৰিব পাৰিব।
- মাধ্যমিক শিক্ষাৰ লক্ষ্যৰ বিষয়ে অনুমোদনসমূহ বাখ্যা কৰিব পাৰিব।
- মাধ্যমিক শিক্ষাৰ নির্দ্ধাৰিত পাঠ্যক্রম প্রস্তুত কৰাৰ নীতিসমূহৰ ওপৰত ভিত্তি কৰি অনুমোদনসমূহ আলোচনা কৰিব পাৰিব।

২.২ পৰিচয়

ইয়াৰ পূর্বৰ অধ্যায়ত আমি বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ বিষয়ে আলোচনা কৰি আহিছোঁ, যি ভাৰতত বিশ্ববিদ্যালয়ৰ শিক্ষাক এটা নতুন গতিপথ দিবলৈ চেষ্টা কৰিছিল। আমি এই অধ্যায়ত মাধ্যমিক শিক্ষাৰ বিষয়ে আলোচনা কৰিম। মাধ্যমিক শিক্ষা হৈছে এনেধৰণৰ এবিধ শিক্ষা যি প্রাথমিক বিদ্যালয়ৰ পিছৰ আৰু বিশ্ববিদ্যালয়ৰ শিক্ষাৰ আগৰ সকলো ধৰণৰ শ্রেণী অন্তর্ভূক্ত কৰে। এইটো অৱস্থাক দেশৰ সমগ্র শিক্ষা বিষয়ক কার্যক্রমণিকাৰ মেৰুদণ্ড হিচাপে বিবেচনা কৰা হয়। তথাপি, এইটো এনে এটা অৱস্থা যি অধিকাংশ ছাত্রৰ কাৰণে শিক্ষাৰ সমাপ্তি

চিহ্নিত কৰে। তদুপৰি, মাধ্যমিক শিক্ষা হৈছে উচ্চ শিক্ষাৰ প্ৰধান গুৰি, যি আশা কৰা মতে দেশৰ শক্তিক গতিপথ দিয়ে। সেইবাবে মাধ্যমিক শিক্ষাৰ এটা অনুপযুক্ত পদ্ধতিয়ে সকলো অৱস্থাতে শিক্ষাৰ মান প্ৰতিকূলভাৱে প্ৰভাৱিত কৰিবলৈ বাধ্য।

এই অধ্যায়টোৱে 1952–53 চনৰ মাধ্যমিক শিক্ষাৰ আয়োগে মাধ্যমিক শিক্ষাৰ বিভিন্ন ক্ষেত্ৰত কৰা অনুমোদনসমূহ আলোচনা কৰিব।

২.৩ মাধ্যমিক শিক্ষা আয়োগৰ পটভূমি আৰু নিযুক্তি

আহক মাধ্যমিক শিক্ষা আয়োগ নিযুক্তি দিয়াৰ পটভূমিৰ বিষয়ে আলোচনা কৰো। স্বাধীনতা পোৱাৰ পিছত জনসাধাৰণ আৰু চৰকাৰ উভয়ে মাধ্যমিক শিক্ষাৰ উন্নতিৰ ওপৰত অধিক আগ্ৰহ লবলৈ আৰম্ভ কৰিছিল। যদিও মাধ্যমিক বিদ্যালয়ৰ সংখ্যা আৰু ইয়াৰ তালিকা আনকি স্বাধীনতা পোৱাৰ আগতেও সাংঘাতিক ধৰণেৰে বৃদ্ধি পাইছিল, তথাপি যি প্ৰকাৰৰ শিক্ষা দিয়া হৈছিল, সেই শিক্ষাই দেশৰ পৰিবৰ্তনশীল সামাজিক অৰ্থনৈতিক প্ৰয়োজনসমূহ পূৰণ কৰিবলৈ অসমৰ্থ হৈছিল। সেইবাবে, শিক্ষা পদ্ধতিটো সংশোধন কৰাৰ প্ৰয়োজন গভীৰভাৱে অনুভৱ কৰা হৈছিল। বিশ্ববিদ্যালয়ৰ শিক্ষা আয়োগেও শিক্ষাৰ ক্ষেত্ৰত আমাৰ মাধ্যমিক শিক্ষা সকলোতকৈ দুৰ্বল সংযোজক বস্তু হিচাপে তিষ্ঠি আছে আৰু ইয়াৰ জৰুৰী সংশোধনৰ প্ৰয়োজন আছে বুলি মন্তব্য কৰিছিল। ইতিমধ্যে, স্বাধীনতা প্ৰাপ্তিৰ লগে লগে, দেশৰ ৰাজনৈতিক পৰিস্থিতি এটা সম্পূৰ্ণ বিপ্লৱৰ মাজেৰে পাৰ হৈছিল। সেই সময়ৰ শিক্ষামন্ত্ৰী মৌলানা আবুল কালাম আজাদে সভাপতি হিচাপে দিয়া এটা বক্তৃতাত কৈছিল — শিক্ষাৰো এটা üË ÂeõÃÐÐÂÏ1 › ¶ÐÂeÃ ÆÃÃÃ¼ÛýÃÐMÐÊËÂÎ ÃÇCentral advisory Board of Education ক উদ্দেশ্য কৰি 1948 চনত দিছিল। Central advisory Board of Education য়ে 1948 চনৰ জানুৱাৰী মাহত অনুষ্ঠিত হোৱা ইয়াৰ চতুৰ্দ্দশ অধিবেশনত দেশত প্ৰচলিত মাধ্যমিক শিক্ষা পদ্ধতিটোৰ পৰীক্ষা কৰিবলৈ এখন আয়োগৰ নিযুক্তি অনুমোদন কৰিছিল আৰু এই ব্যৱস্থাটোৰ পুনৰসংগঠন আৰু উন্নতিৰ কাৰণে পৰামৰ্শ আগবঢ়াইছিল। মাধ্যমিক শিক্ষাৰ কাৰণে এখন আয়োগে প্ৰতিষ্ঠা কৰাৰ আঁৰত ভাৰত চৰকাৰৰ অন্যান্য কিছুমান অভিপ্ৰায়ো আছিল।

এইবোৰ বিবেচনাৰ ভিত্তিতেই ভাৰত চৰকাৰ 9952 চনৰ 23 ছেপ্তেম্বৰত, মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ সেই সময়ৰ উপাচাৰ্য ডা. এ. লক্ষ্মণস্বামী মুদালিয়াৰৰ সভাপতিত্বত আৰু তেওঁৰ নেতৃত্বৰ অধীনত মাধ্যমিক শিক্ষা আয়োগ গঠন কৰাৰ প্ৰস্তাৱ গ্ৰহণ কৰিছিল। সেইবাবে মাধ্যমিক শিক্ষা আয়োগক মুদালিয়াৰ আয়োগ বুলিও জনা যায়। 1952 চনৰ 6 আক্টোবৰত এই আয়োগ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হৈছিল। 1953 চনৰ জুন মাহত আয়োগে নিজস্ব প্ৰতিবেদন দাখিল কৰিছিল।

২.৩.১ আয়োগলৈ লক্ষ্য, উদ্দেশ্য সম্বন্ধীয় নিৰ্দেশ (Terms of reference)

মাধ্যমিক শিক্ষা আয়োগলৈ লক্ষ্য, উদ্দেশ্য সম্বন্ধে দিয়া নিৰ্দেশসমূহ তলত দিয়া ধৰণৰ

ক) ভাৰতৰ মাধ্যমিক শিক্ষাৰ বৰ্তমানৰ অৱস্থাটোৰ ওপৰত সৰ্বদিশৰ অনুসন্ধান সম্বলিত প্ৰতিবেদন প্ৰস্তুত কৰা।

(খ) তলত উল্লেখ কৰা দিশসমূহৰ বিচাৰৰ সৈতে ইয়াৰ পুনৰগঠন আৰু উন্নতিৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা।

1) মাধ্যমিক শিক্ষাৰ লক্ষ্য, সংগঠন আৰু বিষয়সূচী।

2] প্ৰাথমিক বুনিয়াদী আৰু উচ্চ শিক্ষাৰ সৈতে ইয়াৰ সম্বন্ধ।

3] বিভিন্ন ধৰণৰ মাধ্যমিক বিদ্যালয় সমূহৰ আন্তঃসম্বন্ধ।

4] সমগ্ৰ দেশৰ বাবে যাতে আমাৰ প্ৰয়োজনসমূহ আৰু সম্পদৰাশিক উপযোগী কৰি মাধ্যমিক

শিক্ষাৰ এক সুস্থ আৰু যুক্তিযুক্ত অনুৰূপ ব্যৱস্থা (reasonable uniform system) যোগান ধৰিব পৰা যায় — তাৰ ব্যৱস্থা কৰা আৰু সেই ব্যৱস্থা গঠন কৰিবলৈ লোৱাৰ পথত আহি পৰিব পৰা সমস্যাসমূহৰ সমাধানৰ বাবে পৰামৰ্শ আগবঢ়োৱা।

২.৩.২ অনুসন্ধান পদ্ধতি

আয়োগে মাধ্যমিক শিক্ষাৰ বিভিন্ন বিষয় ব্যৱহাৰ কৰি এখন প্ৰশ্নৰ তালিকা প্ৰস্তুত কৰিছিল। এইখন ভাৰতৰ বিভিন্ন শিক্ষাবিষয়ক বিশেষজ্ঞলৈ, শিক্ষকসকললৈ আৰু শিক্ষানুষ্ঠানলৈৰ পঠোৱা হৈছিল। ইয়াৰ যিখিনি উত্তৰ পোৱা গৈছিল তাৰ ওপৰত ভিত্তি কৰি ভালেখিনি খবৰ সংগ্ৰহ কৰা হৈছিল। আয়োগৰ সদস্যসকলে ভাৰতৰ বিভিন্ন ঠাইত ব্যাপক ভ্ৰমণ কৰি দেশত মাধ্যমিক শিক্ষাই সন্মুখীন হোৱা বিভিন্ন সমস্যাৰ বিষয়ে পোনপটীয়া জ্ঞান আহৰণ কৰিছিল। 1953 চনৰ 29 আগষ্টত আয়োগে 250 পৃষ্ঠাৰ এক প্ৰতিবেদন উপস্থাপন কৰিছিল।

২.৪ আয়োগৰ প্ৰতিবেদন

এতিয়া আমি 1952–53 চনৰ মাধ্যমিক শিক্ষা আয়োগৰ প্ৰতিবেদনৰ বিষয়ে আলোচনা কৰিম। যিহেতু প্ৰতিবেদনখন বহুত দীঘল, যত 311 টা পৃষ্ঠা সন্নিবিষ্ট হৈছে, সেইবাবে ইয়াৰ সকলো দিশ আলোচনা কৰাটো সম্ভৱ নহয়। মাধ্যমিক শিক্ষাৰ দোষসমূহৰ ওপৰত আৰু লক্ষ্য, নতুন সাংগঠনিক প্ৰকাৰ আৰু নিৰ্দ্ধাৰিত পাঠ্যক্ৰমৰ ক্ষেত্ৰত কৰা অনুমোদনৰ ওপৰত আমি আমাৰ আলোচনাটো ৰাখিম। আহক আমি এই সকলোবোৰ দিশ এটা এটাকৈ আলোচনা কৰো।

২.৪.১ বৰ্তি থকা পদ্ধতিৰ দোষসমূহ

আয়োগে প্ৰচলিত ব্যৱস্থাটোৰ তলত উল্লেখ কৰা দোষসমূহ আঙুলিয়াই দিছিল—

- প্ৰথমতে, আমাৰ বিদ্যালয়সমূহত যি শিক্ষা দিয়া হয় সেই শিক্ষা অকলশৰীয়া আৰু জীৱনৰপৰা পৃথক। শিক্ষা দিয়াৰ পৰম্পৰাগত পদ্ধতিৰ জৰিয়তে নিৰ্দ্ধাৰিত পাঠ্যক্ৰমক যিদৰে বিধিবদ্ধ আৰু উপস্থাপন কৰা হৈছিল, সেই পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰী সকলক পৃথিৰীৰ দৈনন্দিন জীৱনৰ বিষয়ে, যত তেওঁলোক বসবাস কৰে, অৰ্ন্তদৃষ্টি দিয়া নাছিল।
- দ্বিতীয়তে, এই পদ্ধতিটো সংকীৰ্ণ আৰু একপক্ষীয় আৰু ই এজন ছাত্ৰৰ সম্পূৰ্ণ ব্যক্তিত্বক প্ৰশিক্ষণ দিবলৈ অসমৰ্থ।
- তৃতীয়তে, ইয়াত ইংৰাজীৰ ওপৰত খুব বেছি গুৰুত্ব দিয়া হৈছে। সেইবাবে যিসকল ছাত্ৰ-ছাত্ৰীৰ ভাষাতত্বৰ ক্ষেত্ৰত বিশেষ জ্ঞান নাছিল তেওঁলোকে শিক্ষাৰ ক্ষেত্ৰত গভীৰভাৱে অক্ষম (Handi-capped) হৈ পৰিছিল।
- চতুৰ্থতে, শিক্ষা দিয়াৰ যিটো পদ্ধতি সাধাৰণতে অনুশীলন কৰা হৈছিল, সেই পদ্ধতিটোৱে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত তেওঁলোকৰ চিন্তাৰ স্বাধীনতা আৰু কৰ্মোদ্যম বঢ়াবলৈ অসমৰ্থ হৈছিল।
- পঞ্চমতে, শ্ৰেণীবোৰ আকাৰত ডাঙৰ হৈ যোৱাত ই শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজৰ ব্যক্তিগত সম্পৰ্ক হ্ৰাস কৰিছিল। এইদৰে চৰিত্ৰৰ প্ৰশিক্ষণ আৰু সঠিক নিয়মাণুবৰ্তিতাৰ প্ৰশিক্ষণ গুৰুত্বভাৱে বাধাগ্ৰস্ত হৈছিল।
- অৱশেষত, পৰীক্ষাসমূহৰ গভীৰ বোজাই শিক্ষকসকলৰ উদ্যমৰ সন্মুখত হেঙাৰ হ'ব বিচাৰিছিল,

নির্দ্ধাৰিত পাঠ্যক্রমক একে ঠাচৰ কৰিব বিচাৰিছিল, যান্ত্রিক আৰু মৃত শিক্ষা পদ্ধতি বঢ়াব বিচাৰিছিল, অনুসন্ধান কৰাৰ সকলোধৰণৰ উৎসাহ উদ্দীপনা নিৰুৎসাহিত কৰিব বিচাৰিছিল আৰু ভূল আৰু শিক্ষাৰ কিছুমান অদৰকাৰী বস্তুৰ ওপৰত গুৰুত্ব দিব বিচাৰিছিল।

5 জানি থোৱা ভাল

মাধ্যমিক শিক্ষা আয়োগে মাধ্যমিক শিক্ষাৰ প্রচলিত ব্যৱস্থাটোৰ তলত উল্লেখ কৰা দোষসমূহ আঙুলিয়াই দিছিল —

- অকলশৰীয়া আৰু জীৱনৰপৰা পৃথক
- সংকীর্ণ আৰু একপক্ষীয়
- ইংৰাজীৰ প্রাধান্য
- দোষযুক্ত শিক্ষা পদ্ধতি
- শিক্ষক আৰু ছাত্র-ছাত্রীৰ মাজত যোগাযোগৰ অভাৱ
- পৰীক্ষাৰ অধিক বোজা

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰ কৰক —

(ক) মাধ্যমিক শিক্ষা আয়োগ নিযুক্ত কৰা হৈছিল ————।

(খ) ———— এই আয়োগৰ অধ্যক্ষ আছিল।

(গ) মাধ্যমিক শিক্ষা আয়োগক ———— বুলিও জনা যায়।

প্রশ্ন নং ২ ঃ প্রচলিত মাধ্যমিক শিক্ষাৰ যিকোনো দুটা ভূল বর্ণনা কৰক।

.....

.....

২.৪.২ মাধ্যমিক শিক্ষাৰ লক্ষ্যসমূহ

আয়োগে মাধ্যমিক শিক্ষাৰ লক্ষ্যণসমূহৰ ক্ষেত্রত তলত উল্লেখ কৰা অনুমোদনসমূহ আগবঢ়াইছিল —

- **গণতান্ত্রিক নাগৰিকত্বৰ উৎকর্ষ সাধন ঃ**

  যেতিয়াৰপৰা ভাৰতে নিজকে এখন গণতান্ত্রিক গণৰাজ্য হিচাপে গঠন কৰাৰ পথ বাছি লৈছিল, তেতিয়াৰ পৰা নাগৰিকসকলক গণতান্ত্রিক সামাজিক ব্যৱস্থাৰ প্রশিক্ষণ দিব লাগিছিল যাতে তেওঁলোকে এইখিনি অন্তৰৰপৰা সমর্থন কৰিব পাৰে আৰু লাহে লাহে যাতে এইখিনি তেওঁলোকৰ অভ্যাসত পৰিণত হয়। নিয়মাণুবর্তিতা, সহ্যগুণ, উদাৰতা, স্বদেশপ্রেম, সহযোগিতা, চিন্তা-বক্তৃতা লিখাত সমভাৱ, গোটেই দেশৰ বাবে এক নাগৰিকত্বৰ প্রয়োজন — এইবোৰৰ কথা বাৰে বাৰে কৈ ছাত্র-ছাত্রীসকলৰ মনত সুমুৱাই দিব আৰু সম্প্রসাৰিত কৰিব পাৰিলেহে এইখিনি সম্ভৱ হ'ব। মুদালিয়াৰ আয়োগৰ মতে মাধ্যমিক শিক্ষাই ছাত্র-ছাত্রীসকলৰ মাজত এই গুণসমূহ জাগ্রত কৰিব লাগিব। এই গুণসমূহৰ অধিকাৰী হলে নাগৰিক সকলে নিজকে আদর্শ নাগৰিক হিচাপে গঢ়ি তুলিব পাৰিব আৰু তেনেকুৱা আদর্শ নাগৰিকে গণতন্ত্রক সফল কৰিবলৈ সক্ষম হব। চমুকৈ ক'বলৈ গ'লে — দেশত আদর্শ গণতান্ত্রিক নাগৰিক গঢ়ি তোলাটো মাধ্যমিক শিক্ষাৰ লক্ষ্য হোৱা উচিত।

- **বৃত্তিমূলক বা কাৰিকৰী দক্ষতাৰ উন্নতি —**
  আমাৰ দেশৰ এটা গুৰুত্বপূৰ্ণ প্ৰয়োজন হৈছে — উৎপাদনকাৰী দক্ষতা আৰু জাতীয় আয় বৃদ্ধি কৰা। সেইবাবে ছাত্ৰ-ছাত্ৰীৰ উৎপাদন ক্ষমতা আৰু বৃত্তিমূলক বা কাৰিকৰী দক্ষতা বৃদ্ধি কৰাটো শিক্ষাই লক্ষ্য হিচাপে লব লাগিব। এইটো লক্ষ্যত উপনীত হবৰ বাবে মাধ্যমিক শিক্ষা আয়োগে, মানুহে হাতেৰে কৰা শ্ৰমৰ মৰ্যাদাৰ পৃষ্ঠপোষকতা কৰিবলৈ অনুমোদন জনাইছিল। আয়োগে মাধ্যমিক শিক্ষাৰ জৰিয়তে উদ্যোগ আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতিৰ বাবে কাৰিকৰী দক্ষতাৰ উন্নতিক অনুমোদন জনাইছিল। সেইবাবে, মাধ্যমিক শিক্ষাক সম্পূৰ্ণৰূপে আনুমানিক বা কাল্পনিক শিক্ষাৰপৰা মুকলি কৰি দিয়া উচিত আৰু কৃষিবিষয়ক, কাৰিকৰী, ব্যৱসায়িক আৰু অন্যান্য ব্যৱহাৰিক পাঠ্যক্ৰমৰ ওপৰত জোৰ দিয়া উচিত।
- **নেতৃত্বৰ বাবে শিক্ষা —**
  অধিকাংশ ছাত্ৰ-ছাত্ৰীৰ বাবেই মাধ্যমিক শিক্ষা হৈছে শিক্ষা গ্ৰহণৰ অন্তিম বিন্দু। সেইবাবে, বিদ্যালয়ৰ শিক্ষাৰ শেষত, প্ৰত্যেকজন ছাত্ৰ-ছাত্ৰী স্বাধীনভাৱে বিভিন্ন বৃত্তিত সোমাবলৈ সক্ষম হ'ব। "এই প্ৰসঙ্গত, মাধ্যমিক বিদ্যালয়ৰ এটা বিশেষ সামাজিক কাম হৈছে — মানুহক প্ৰশিক্ষণ দিয়া, যি তেওঁলোকৰ নিজস্ব সৰু সৰু দল বা শ্ৰেণীত তেওঁলোকৰ সম্প্ৰদায় বা অঞ্চলৰ সামাজিক, ৰাজনৈতিক, ঔদ্যোগিক বা সাংস্কৃতিক ক্ষেত্ৰত নেতৃত্বৰ দায়িত্ব গ্ৰহন কৰিবলৈ সক্ষম হ'ব।"
- **ব্যক্তিত্বৰ উৎকৰ্ষসাধন —**
  মাধ্যমিক শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিত্বৰ উৎকৰ্ষ সাধন কৰাটো লক্ষ্য হিচাপে লব লাগিব। এই শিক্ষা এনেদৰে সংগঠিত কৰিব লাগিব যাতে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত থকা সৃষ্টিমূলক প্ৰতিভাখিনিয়ে সঠিকভাবে প্ৰকাশিত হ'ব পাৰে। ছাত্ৰ-ছাত্ৰীসকলে যাতে তেওঁলোকৰ সাংস্কৃতিক ঐতিহ্যক প্ৰশংসা কৰিব পাৰে আৰু তেওঁলোকে যাতে এই ক্ষেত্ৰত গঠনমূলক আৰু মূল্যবান আগ্ৰহ দেখুৱাব পাৰে তাৰবাবে তেওঁলোকক প্ৰশিক্ষণ দিব লাগিব। তেওঁলোকে যাতে তেওঁলোকৰ সাংস্কৃতিক ঐতিহ্যক সংগ্ৰহ আৰু সংৰক্ষণ কৰে — সেই ক্ষেত্ৰটো তেওঁলোকেক প্ৰশিক্ষণ দিব লাগিব। ছাত্ৰ-ছাত্ৰীসকলৰ ব্যক্তিত্বৰ সমগ্ৰ উন্নতি মাধ্যমিক শিক্ষাৰ অপৰিহাৰ্য্য অংগ হব লাগিব।

5 জানি থোৱা ভাল

মাধ্যমিক শিক্ষা আয়োগৰ মতে, মাধ্যমিক শিক্ষাৰ লক্ষ্যসমূহ হোৱা উচিত—

- গণতান্ত্ৰিক নাগৰিকত্বৰ উৎকৰ্ষ সাধন
- বৃত্তিমূলক বা কাৰিকৰী দক্ষতাৰ উন্নতি
- নেতৃত্বৰ বাবে শিক্ষা
- ব্যক্তিত্বৰ উৎকৰ্ষসাধন

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ মাধ্যমিক শিক্ষাৰ লক্ষ্যৰ ওপৰত কিছুমান অনুমোদন কৰা হৈছিল। তলত দিয়াবোৰৰ কোনকেইটা এই অনুমোদনৰ অৰ্ন্তভূক্ত। শুদ্ধ উত্তৰ বাবে (✓) চিন দিয়ক —

(ক) শিক্ষা আৰু উৎপাদনৰ ক্ষমতা

(খ) শিক্ষা আৰু জাতীয় সংহতি

(গ) গণতান্ত্ৰিক নাগৰিকত্বৰ উৎকৰ্ষসাধন

(ঘ) ব্যক্তিত্বৰ উৎকর্ষসাধন
(ঙ) শিক্ষা আৰু আধুনিকতা
(চ) বৃত্তিমূলক বা কাৰিকৰী দক্ষতাৰ উন্নতি
(ছ) সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ উৎকর্ষসাধন
(জ) নেতৃত্বৰ বাবে শিক্ষা

২.৪.৩ মাধ্যমিক শিক্ষাৰ পুনৰ সংগঠন

মাধ্যমিক শিক্ষা আয়োগে মাধ্যমিক শিক্ষাৰ সাংগঠনিক আদর্শৰ ক্ষেত্রত মাধ্যমিক শিক্ষা নিজেই এটা সম্পূর্ণ পূর্ণ সংগঠন হোৱা উচিত বুলি অনুমোদন কৰিছিল। জীৱনত নিজকে প্রস্তুত বা সাজু কৰিবলৈ শিক্ষাৰ এইটো অৱস্থা বৰ গুৰুত্বপূর্ণ। বিদ্যালয়ত শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ আয়োগে তলত উল্লেখ কৰা সাংগঠনিক আদর্শসমূহ পৰিকল্পনা কৰিছিল—

- মাধ্যমিক শিক্ষাৰ সময় 7 বছৰ হোৱা উচিত। ই 11 ৰ পৰা 17 বছৰৰ শ্রেণী অর্ন্তভূক্ত কৰা উচিত।
- প্রাথমিক বা কনিষ্ঠ বুনিয়াদী শিক্ষাৰ (Junior basic eudcation) 4বা 5 বছৰৰ পিছত নতুন সাংগঠনিক আকৃতিৰ তলত মাধ্যমিক শিক্ষা আৰম্ভ কৰা উচিত।
- মধ্য বা জ্যেষ্ঠ বুনিয়াদী বা নিম্ন মাধ্যমিক অৱস্থাটোৱে 3 বছৰ সময় গ্রহণ কৰা উচিত।
- উচ্চতৰ মাধ্যমিক (Higher Secondary) 3 বছৰীয়া হোৱা উচিত।
- আয়োগে বর্তমানৰ মধ্যৱর্তী শ্রেণীসমূহ উঠাই দিবলৈও পৰামর্শ আগবঢ়াইছিল। দ্বাদশ শ্রেণীটো বিশ্ববিদ্যালয়ৰ লগত সংলগ্ন কৰিব লাগিব আৰু একাদশ শ্রেণীটো উচ্চ বিদ্যালয়ৰ লগ লগাব লাগিব। এইদৰে ই এবছৰীয়া প্রাকবিশ্ববিদ্যালয় (Pre-university) আৰু তিনিবছৰীয়া স্নাতক পাঠ্যক্রমৰ বাবে ওকালতি কৰিছিল।
- কাৰিকৰী দিশৰ বিদ্যালয়সমূহ বেছিকৈ আৰম্ভ কৰা উচিত আৰু ডাঙৰ ডাঙৰ চহৰবোৰত কেন্দ্রীয় কাৰিকৰী প্রতিষ্ঠান স্থাপন কৰা উচিত বুলি আয়োগে অনুমোদন জনাইছিল।
- বহুমুখী উদ্দেশ্যৰ বিদ্যালয়সমূহ স্থাপন কৰা উচিত, যি প্রযুক্তিবিদ্যা, বাণিজ্য, কৃষি, সুকুমাৰ কলা আৰু গার্হস্থ্য বিজ্ঞানৰ অন্তিম পাঠ্যক্রম যোগান ধৰিব। এইবোৰ প্রতিষ্ঠানৰ উদ্দেশ্য আছিল ছাত্র-ছাত্রীসকলক মাধ্যমিক পাঠ্যক্রমৰ অন্তত তেওঁলোকৰ জীৱনৰ বিভিন্ন খোজত পথ দেখুৱাই দিয়া। এইদৰে এই প্রতিষ্ঠানসমূহে বিশ্ববিদ্যালয়ৰ দুৱাৰমুখত থকা হেঁচা কমাই দিয়ে।

২.৫ মাধ্যমিক বিদ্যালয়সমূহৰ নির্দ্ধাৰিত পাঠ্যক্রম

মাধ্যমিক শিক্ষা আয়োগে মাধ্যমিক শিক্ষাৰ নির্দ্ধাৰিত পাঠ্যক্রমৰ বিষয়ে চমুকৈ আলোচনা কৰিছিল। প্রথমতে, ই প্রচলিত পাঠ্যক্রমৰ ভুলসমূহ আঙুলিয়াই দিছিল, নির্দ্ধাৰিত পাঠ্যক্রম প্রস্তুত কৰাৰ নীতিৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰিছিল আৰু অৱশেষত মাধ্যমিক বিদ্যালয়সমূহৰ বিভিন্ন অৱস্থাৰ নির্দ্ধাৰিত পাঠ্যক্রমৰ বিষয়ে আলোচনা কৰিছিল।

২.৫.১ প্রচলিত নির্দ্ধাৰিত পাঠ্যক্রমৰ দোষসমূহ

আয়োগে নির্দ্ধাৰিত পাঠ্যক্রমৰ তলত উল্লেখ কৰা দোষসমূহ আঙুলিয়াই দিছিল—

- বর্তমানৰ নির্দ্ধাৰিত পাঠ্যক্রমৰ পৰিধি ঠেক।

- এই পাঠ্যক্রমখন পুথিগত আৰু তথ্যগত (bookish and theoretical)।
- ইয়াত প্রয়োজনতকৈ অধিক বিষয়ৰ সমাৱেশ হৈছে। কিন্তু ই পৰিপুষ্ঠ আৰু বৈশিষ্টপূর্ণ জ্ঞানৰ যোগান ধৰিব পৰা নাই।
- ইয়াত ব্যৱহাৰিক (Practical) আৰু আন তেনেধৰণৰ কর্মৰ পর্যাপ্ত ব্যৱস্থা নাই, যি শিক্ষাৰ এইটো স্তৰৰ যিকোনো পাঠ্যক্রমত ঠাই পোৱা উচিত। গতিকে ছাত্র-ছাত্রীৰ ব্যক্তিত্ব গঠন কৰিবলৈ যি শিক্ষাৰ প্রয়োজন হয়, সেই শিক্ষা দিবলৈ এই পাঠ্যক্রম সক্ষম নহয়।
- কৈশোৰকালৰ বিভিন্ন প্রয়োজন আৰু কর্মক্ষমতা সম্বন্ধে বর্তমানৰ পাঠ্যক্রম উদাসীন।
- বর্তমান ভাৰতত কাৰিকৰী আৰু বৃত্তিমূলক বিষয়সমূহৰ খুব প্রয়োজন আছে। কিন্তু নির্দ্ধাৰিত পাঠ্যক্রমত এইবোৰ বিষয়ৰ বাবে ঠাই নাই।
- নির্দ্ধাৰিত পাঠ্যক্রম পৰীক্ষাৰদ্বাৰা জর্জৰিত, পৰীক্ষাই খুব বেছিকৈ এই ব্যৱস্থাক দমন কৰি আছে।

২.৫.২ নির্দ্ধাৰিত পাঠ্যক্রম প্রস্তুত কৰাৰ মৌলিক নীতিসমূহ

- **অভিজ্ঞতাৰ সম্পূর্ণতাৰ ক্ষেত্রত নীতিসমূহ —**
  মাধ্যমিক শিক্ষা আয়োগৰ মতে, 'নির্দ্ধাৰিত পাঠ্যক্রমে কেবল বিদ্যায়তনিক বিষয়বোৰক অর্ন্তভুক্ত নকৰে, যিবোৰ পৰম্পৰা গতভাৱে বিদ্যালয়ত শিকোৱা হয়, কিন্তু ই অভিজ্ঞতাৰ সম্পূর্ণতাক অর্ন্তভুক্ত কৰে যিখিনি এজন ছাত্রই বহুসংখ্যক কামৰ পৰা পায়, যিজন ছাত্র বিদ্যালয়লৈ, শ্রেণীকোঠালৈ, পুথিভঁৰাললৈ, গৱেষণাগাৰলৈ, কাৰখানালৈ, খেলপথাৰলৈ যায়। এজন ছাত্রই এনে অভিজ্ঞতা শিক্ষক আৰু ছাত্র-ছাত্রীৰ মাজত থকা বহুসংখ্যক আনুষ্ঠানিক সম্পর্কৰ পৰাও পায়। বিদ্যালয়ত বা বিদ্যালয়ৰদ্বাৰা পৰিকল্পনা কৰা সকলোধৰণৰ অভিজ্ঞতাসমূহ নির্দ্ধাৰিত পাঠ্যক্রমত অর্ন্তভুক্ত হোৱা উচিত।
- **বিভিন্নতা আৰু স্থিতিস্থাপকতাৰ নীতিসমূহ** (Principles of variety and electricity) —
  নির্দ্ধাৰিত পাঠ্যক্রম স্থিতিস্থাপক হোৱা উচিত আৰু ই বিভিন্ন বিষয় আৰু কাম অর্ন্তভুক্ত কৰা উচিত যাতে বিভিন্ন ধৰণৰ ছাত্র-ছাত্রীৰ প্রয়োজন সমূহ পূৰণ কৰিব পৰা যায়। নির্দ্ধাৰিত পাঠ্যক্রম ছাত্র-ছাত্রীৰ প্রয়োজন আৰু আগ্রহৰ উপযোগী হোৱা উচিত।
- **সম্প্রদায়ৰ লগত সম্পর্ক থকা নীতিসমূহ —**
  নির্দ্ধাৰিত পাঠ্যক্রমৰ সম্প্রদায়ৰ লগত সম্বন্ধ থকা উচিত। পাঠ্যক্রমত সম্প্রদায়ক উজ্বল কৰি দিব পৰা কার্যক্রমণিকা থকা উচিত যাতে এজন ছাত্রই অনুভৱ কৰিব পাৰে যে তেওঁ স্থানীয় সম্প্রদায়ৰ এটা অবিচ্ছেদ্য অংগ। নির্দ্ধাৰিত পাঠ্যক্রমে ছাত্র আৰু সম্প্রদায়ক পৰস্পৰৰ কাষলৈ অনা উচিত।
- **বিশ্রামৰ প্রশিক্ষণৰ কাৰণে নীতি —**
  নির্দ্ধাৰিত পাঠ্যক্রম এনেদৰে প্রস্তুত কৰিব লাগে যাতে ছাত্র-ছাত্রীসকলক কেৱল কামৰ বাবে নহয় কিন্তু জিৱণীৰ বাবেও প্রশিক্ষণ দিয়া হয়। এই উদ্দেশ্যৰ বাবে সামাজিক, সৌন্দর্যবোধ সংক্রান্তীয় খেল-ধেমালি আদিৰ কিছুসংখ্যক কাম পাঠ্যক্রমৰ অর্ন্তভুক্ত কৰা উচিত। এই কামবোৰে ছাত্র-ছাত্রীসকলক তেওঁলোকৰ জিৱণীৰ সময়খিনি সদব্যৱহাৰ কৰিবলৈ প্রশিক্ষণ দিব।
- **সংহতি আৰু সমন্বয়ৰ নীতি —**
  নির্দ্ধাৰিত পাঠ্যক্রম কেৱল কিছুমান বিষয়ৰ আৰু কামৰ সমষ্টি হোৱা উচিত নহয়। কাম আৰু বিষয়বোৰ একত্র আৰু ভালদৰে সম্বন্ধযুক্ত হ'ব লাগিব। নিদ্ধাৰিত পাঠ্যক্রমে "এখন বহল ক্ষেত্র" যোগান ধৰা উচিত, যাৰ জীৱনৰ লগত পোনপটীয়া সম্বন্দ থাকে।

২.৫.৩ মাধ্যমিক বিদ্যালয় সমূহৰ পৃথক পৃথক পর্যায়ৰ নির্দ্ধাৰিত পাঠ্যক্রম

1] মধ্য বিদ্যালয়ৰ কাৰণে নির্দ্ধাৰিত পাঠ্যক্রম।

2] উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কাৰণে পাঠ্যক্রম।

মাধ্যমিক শিক্ষাত আয়োগে এই দুই অৱস্থাৰ বাবে তলত দিয়া বিভিন্ন পাঠ্যক্রম সমূহ উল্লেখ কৰিছে —

১) মধ্য বিদ্যালয়ৰ কাৰণে নির্দ্ধাৰিত পাঠ্যক্রম —

আয়োগে তলত উল্লেখ কৰা বিষয়সমূহ অর্ন্তভুক্ত কৰিবৰ বাবে অনুমোদন জনাইছিল—

(ক) ইংৰাজী
(খ) সমাজ অধ্যয়ন
(গ) সাধাৰণ বিজ্ঞান
(ঘ) অংক
(ঙ) কলা আৰু সংগীত
(চ) শিল্পকর্ম
(ছ) শাৰীৰিক শিক্ষা

২) উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ কাৰণে পাঠ্যক্রম —

শিক্ষাৰ এইটো স্তৰৰ বাবে আয়োগে এক বৈচিত্রপূর্ণ পাঠ্যক্রম থকা উচিত বুলি পৰামর্শ আগবঢ়াইছিল।

(ক) বাধ্যতামূলক বা প্রধান বিষয় আৰু
(খ) ঐচ্ছিক বা স্বেচ্ছামূলক বিষয়।

(ক) **বাধ্যতামূলক বিষয়সমূহ ঃ**

বাধ্যতামূলক বিষয়সমূহে তলত উল্লেখ কৰা বিষয়সমূহ অর্ন্তভুক্ত কৰা উচিত—

(1] মাতৃভাষা বা আঞ্চলিক ভাষা বা মাতৃভাষা আৰু এটা মূল ভাষাৰ মিশ্রিত পাঠ্যক্রম।

(2] তলত দিয়াবোৰৰ ভিতৰৰ পৰা আন এটা ভাষা বাচি লব লাগিব ঃ

(ক) যিসকলৰ মাতৃভাষা হিন্দী নহয় তেওঁলোকৰ বাবে হিন্দী।
(খ) প্রাথমিক ইংৰাজী (Elementary English) তেওঁলোকৰ বাবে যিসকলে মধ্য স্তৰত ইংৰাজী অধ্যয়ন কৰা নাই।
(গ) আগবঢ়া বা অগ্রৱর্তী ইংৰাজী (Advance English) তেওঁলোকৰ বাবে যিকলে আগৰ স্তৰত ইংৰাজী অধ্যয়ন কৰিছে।
(ঘ) এটা আধুনিক ভাৰতীয় ভাষা (হিন্দীতকৈ বেলেগ)
(ঙ) এটা আধুনিক বিদেশী ভাষা (ইংৰাজীতকৈ বেলেগ)
(চ) এটা মূল ভাষা

(3) সমাজ অধ্যয়ন — সাধাৰণ পাঠ্যক্রম (কৱল প্রথম দুবছৰৰ বাবে)

(4) অংকক অর্ন্তভুক্ত কৰি সাধাৰণ বিজ্ঞান — সাধাৰণ পাঠ্যক্রম (কৱল প্রথম দুবছৰৰ বাবে)

(5) তলত উল্লেখ কৰা তালিকাৰপৰা এটা শিল্পকর্ম বাচি লব লাগিব ঃ

(ক) সূতাকটা কাম আৰু বয়ন শিল্প (Spinning and weaving)
(খ) কাঠৰ কাম
(গ) ধাতুৰ কাম
(ঘ) বাগিচাৰ কাম
(ঙ) দর্জীৰ কাম
(চ) মুদ্রণৰ পদ্ধতি (Typography)

(ছ) কাৰখানাৰ ব্যৱহাৰিক শিক্ষা (Workshop Practical)

(জ) চিলাইৰ কাম, বেজীৰ কাম আৰু বেজীৰে ফুল তোলা কাম (Sewing, Needle work, Embroidery)

(ঝ) আৰ্হি প্ৰস্তুত কৰা কাম (Modeling)

(খ) ঐচ্ছিক বিষয়সমূহ ঃ

তলত দিয়া বিষয়সমূহৰ পৰা যিকোনো এটা সমষ্টি বাছি লৈ তাৰপৰা তিনিটা বিষয় লব লাগিব —

প্ৰথম ভাগ (কলা বিষয়ক)—

(ক) এটা মূল ভাষা বা এটা তৃতীয় ভাষা (2) তালিকাৰপৰা, যিটো আগতে লোৱা নাই

(খ) ইতিহাস

(গ) ভূগোল

(ঘ) অৰ্থবিজ্ঞান আৰু পৌৰবিদ্যাৰ মূলতত্ব (Elements of Economics and Civics)

(ঙ) মনোবিজ্ঞান আৰু তৰ্কশাস্ত্ৰৰ মূলতত্ব (Elements of psychology and Logic)

(চ) গণিত শাস্ত্ৰ

(ছ) সংগীত

(জ) গাৰ্হস্থ্য বিজ্ঞান

দ্বিতীয় ভাগ (বিজ্ঞান বিষয়ক) —

(ক) পদাৰ্থ বিজ্ঞান

(খ) ৰসায়ন বিজ্ঞান

(গ) জীৱ বিদ্যা

(ঘ) ভূগোল

(ঙ) গণিত

(চ) শৰীৰৰ বিজ্ঞান আৰু স্বাস্থ্যবিজ্ঞানৰ মূল তত্ব (Elements of Physiology and Hygiene) (জীৱবিদ্যাৰ লগত লব নালাগে)

তৃতীয় ভাগ (কাৰিকৰী বিষয়ক) —

(ক) প্ৰায়োগিক গণিত আৰু জ্যামিতিক অভিযান্ত্ৰিক বিদ্যা (Applied Mathematics and Geometrical)

(খ) প্ৰায়োগিক বিজ্ঞান (Applied Science)

(গ) যন্ত্ৰমূলক অভিযান্ত্ৰিক বিষয়ৰ মূলতত্ব (Elements of Mechanical Engineering)

(ঘ) বিদ্যুৎ অভিযান্ত্ৰিক বিষয়ৰ মূলতত্ব (Elements of Electrical Engineering)

চতুৰ্থ ভাগ (বাণিজ্য বিষয়ক)—

(ক) বাণিজ্যিক প্ৰশিক্ষণ (Commercial Practice)

(খ) হিচাপ ৰক্ষণ (Book Keeping)

(গ) বাণিজ্যিক ভূগোল বা অৰ্থবিজ্ঞান আৰু পৌৰবিদ্যাৰ উপাদান (Commercial Geography or Elements of Economics and Civics)

(ঘ) দ্ৰুতলিখন আৰু মুদ্ৰালিখন (Shorthand and Typewriting)

পঞ্চম ভাগ (কৃষি বিষয়ক) —

(ক) সাধাৰণ কৃষি (General Agriculture)

(খ) পশুপালন (Animal Husbandry)

(গ) ফলমূল, শাক-পাচলি আদিৰ উৎপাদন বিদ্যা (Horticulture) আৰু বাগিছা পতা আৰু চোৱাচিতা কৰা কাম (Gradening)

(ঘ) কৃষিবিষয়ক ৰসায়ন আৰু উদ্ভিদ বিদ্যা (Agricultural Chemistry and Botany)

ষষ্ঠ ভাগ (সুকুমাৰ কলা) —

(ক) কলাৰ ইতিহাস

(খ) ছবি অঙ্কন কৰা নক্সা অঙ্কন (Drawing and Designing)

(গ) চিত্রকৰন (Painting)

(ঘ) আৰ্হি তৈয়াৰ কৰা কাম (Modeling)

(ঙ) সংগীত

(চ) নৃত্য

সপ্তম ভাগ (গার্হস্থ্য বিজ্ঞান)—

(ক) গৃহ অর্থনীতি (Home Economics)

(খ) পুষ্টি আৰু ৰন্ধন প্রকৰণ (Nutrition and Cookery)

(গ) মাতৃৰ শিল্পকর্ম আৰু শিশু প্রতিপালন (Mother craft and child care)

(ঘ) পৰিয়াল পৰিচালনা আৰু গৃহ-পৰিচর্যা (Household Management and home nursing)

ওপৰত উল্লেখ কৰা সমষ্টিবোৰৰ উপৰিও এজন ছাত্রই তেওঁৰ পছন্দ অনুসৰি ওপৰত উল্লেখ কৰা এটা অতিৰিক্ত বিষয় যিকোনো এটা সমষ্টিৰপৰা ল'ব পাৰে। এই ক্ষেত্রত ছাত্রজনে তেওঁৰ অন্যান্য ঐচ্ছিক বিষয়সমূহ সেই বিশেষ সমষ্টিটোৰ হয়নে নহয় সেইক্ষেত্রত গুৰুত্ব দিব নালাগে।

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ প্রচলিত পাঠ্যক্রমৰ যিকোনো চাৰিটা ভুল উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৫ ঃ পাঠ্যক্রম প্রস্তুত কৰাৰ নীতিসমূহৰ ওপৰত মাধ্যমিক শিক্ষা আয়োগৰ অনুমোদনসমূহ কি কি আছিল ?

.....

.....

2২.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- 1952 চনৰ 23 ছেপ্তেম্বৰত ডা. এল. এচ. মুদালিয়াৰৰ নেতৃত্বৰ অধীনত মাধ্যমিক শিক্ষা আয়োগে নিযুক্ত কৰা হৈছিল। সেইবাবে এই আয়োগ মুদালিয়াৰ আয়োগ বুলিহে জনপ্রিয় আৰু জনাজাত। আয়োগে মাধ্যমিক শিক্ষাৰ প্রচলিত ব্যৱস্থাৰ কিছুমান ভুল আঙুলিয়াই দিছিল।
- মাধ্যমিক শিক্ষাৰ লক্ষ্য আৰু নির্দ্ধাৰিত পাঠ্যক্রম প্রস্তুত কৰাৰ নীতিৰ ক্ষেত্রত আয়োগে কিছুমান গুৰুত্বপূর্ণ অনুমোদন আগবঢ়াইছিল।
- মাধ্যমিক শিক্ষাৰ প্রধান লক্ষ্য আছিল উপযুক্ত নাগৰিক প্রস্তুত কৰা — যিসকলে দেশৰ বাবে নেতৃত্ব আগবঢ়াব পাৰিব আৰু নাগৰিক আত্মবিশ্বাসী, বাধ্য, কর্তব্যপৰায়ণ আৰু নিয়মাণুবর্তি হব।
- আয়োগে প্রচলিত পাঠ্যক্রমৰ কিছুমান ভুল আঙুলিয়াই দিছিল। সেইবাবে, ই নির্দ্ধাৰিত পাঠ্যক্রম প্রস্তুত কৰাৰ বাবে কিছুমান নীতি অনুমোদন কৰিছিল। নীতিসমূহ হৈছে — অভিজ্ঞতাৰ সম্পূর্ণতা, বিভিন্নতা আৰু স্থিতিস্থাপকতা, সম্প্রদায়ৰ লগত সম্পর্ক, জিৰণীৰ কাৰণে প্রশিক্ষণ, বিষয়সমূহৰ সমন্বয়।

- আয়োগে মধ্য বিদ্যালয় আৰু উচ্চ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাবে নির্দ্ধাৰিত পাঠ্যক্রমৰ আঁচনি প্রস্তুত কৰি পৰামর্শ আগবঢ়াইছিল।

২.৭ অধিক জানিবলৈ

১) বৰুৱা, যতীন ঃ ভাৰতীয় শিক্ষাৰ ইতিহাস অধ্যয়ন
লয়ার্চ বুকচষ্টল, গুৱাহাটী-1

২) ডেকা, বীৰেন্দ্র আৰু অন্যান্য ঃ ভাৰতীয় শিক্ষাৰ ইতিহাস
অসম বুক ডিপো, গুৱাহাটী-1

৩) বৰদলৈ, অজন্তা ঃ ভাৰতৰ শিক্ষাৰ বুৰঞ্জী
লয়ার্চ বুকচষ্টল, গুৱাহাটী-1

২.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) 1952 চনৰ 23 ছেপ্তেম্বৰ

(খ) ডা. লক্ষ্মণস্বামী মুদালিয়াৰ

২ নং প্রশ্নৰ উত্তৰ ঃ (ক) জীৱনৰপৰা পৃথক (খ) ঠেক আৰু একপক্ষীয়

৩ নং প্রশ্নৰ উত্তৰ ঃ (গ), (ঘ), (ঙ), (চ)

৪ নং প্রশ্নৰ উত্তৰ ঃ প্রচলিত নির্দ্ধাৰিত পাঠ্যক্রমৰ দোষসমূহ হৈছে —

(ক) ঠেক

(খ) পুথিগত আৰু তথ্যগত

(গ) পৰীক্ষাৰ দ্বাৰা জর্জৰিত

(ঘ) প্রয়োজনতকৈ অধিক বিষয়ৰ সমাৱেশ

৫ নং প্রশ্নৰ উত্তৰ ঃ নির্দ্ধাৰিত পাঠ্যক্রম প্রস্তুত কৰাৰ নীতিসমূহৰ ওপৰত মাধ্যমিক শিক্ষা আয়োগৰ অনুমোদন সমূহ হৈছে —

(ক) অভিজ্ঞতাৰ সম্পূর্ণতাৰ ক্ষেত্রত নীতিসমূহ

(খ) বিভিন্নতা আৰু স্থিতিস্থাপকতাৰ নীতিসমূহ

(গ) সম্প্রদায়ৰ লগত সম্পর্ক থকা নীতিসমূহ

(ঘ) বিশ্রামৰ প্রশিক্ষণৰ কাৰণে নীতি

(ঙ) সংহতি আৰু সমন্বয়ৰ নীতি

২.৯ আহিঁ প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ মাধ্যমিক শিক্ষা প্রয়োজনীয় বুলি আপুনি কিয় ভাৱে?

প্রশ্ন ২ঃ মাধ্যমিক শিক্ষা আয়োগৰ মূল পৰামর্শসমূহ কি আছিল?

প্রশ্ন ৩ঃ মাধ্যমিক শিক্ষা বৃত্তিগত শিক্ষাৰ প্রয়োজন আছে বুলি আপুনি কিয় ভাৱে?

প্রশ্ন ৪ঃ 'মাধ্যমিক শিক্ষা হ'ল প্রাথমিক আৰু উচ্চ শিক্ষাৰ মাজৰ সেতু'- বৰ্ণনা কৰক।

(খ) ৰচনা ধৰ্মী প্রশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ দেশত মাধ্যমিক শিক্ষা সংশোধন কৰিবৰ বাবে মাধ্যমিক শিক্ষা আয়োগে (1952–53) কৰা প্রধান অনুমোদনসমূহ বৰ্ণনা কৰক।

প্রশ্ন ২ঃ ভাৰতত মাধ্যমিক শিক্ষাৰ সমস্যাসমূহ আলোচনা কৰক। এইবোৰ দূৰ কৰিবলৈ পৰামৰ্শ আগবঢ়োৱা।

প্রশ্ন ৩ঃ মাধ্যমিক শিক্ষাৰ লগত ওপৰত আলোচনা কৰা অনুমোদনসমূহ পৰীক্ষা কৰক। কিমান দূৰলৈকে এইবোৰ কার্যকৰী কৰা হৈছে ?

প্রশ্ন ৪ঃ আমাৰ বর্তমান মাধ্যমিক শিক্ষাৰ পাঠ্যক্রমৰ দোষবোৰ কি কি? ইয়াৰ উন্নতিৰ বাবে আপোনাৰ পৰামর্শ আগবঢ়াওক।

প্রশ্ন ৫ঃ নির্দ্ধাৰিত পাঠ্যক্রম প্রস্তুত কৰাৰ নীতিসমূহৰ ওপৰত মাধ্যমিক শিক্ষা আয়োগৰ অনমোদনসমূহ কি কি আছিল?

অধ্যায় ৩ ঃ শিক্ষা আয়োগ ১৯৬৪-৬৬

অধ্যায় গাঁথনি

3.1 উদ্দেশ্য
3.2 পৰিচয়
3.3 আয়োগৰ নিযুক্তি
  3.3.1 আয়োগৰ অতুলনীয় দিশসমূহ
  3.3.2 প্রসঙ্গৰ ধাৰা
  3.3.3 প্রতিবেদন প্রস্তুতকৰণ
3.4 আয়োগৰ প্রতিবেদন
3.5 পৰামর্শাৱলী
  3.5.1 শিক্ষা আৰু জাতীয় উদ্দেশ্য বা লক্ষ্য
  3.5.2 শিক্ষা গাঁথনি
3.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
3.7 অধিক জানিবলৈ
3.8 অগ্রগতিৰ খতিয়ান
3.9 আৰ্হি প্রশ্ন

৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ

- 1964-66 চনৰ শিক্ষা আয়োগখনৰ নিযুক্তি আৰু ইয়াৰ বৈশিষ্ট্যপূর্ণ দিশসমূহ ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব।
- 1964-66 চনৰ প্রতিবেদনখন প্রস্তুতকৰণৰ বিষয়ে জানিবলৈ সক্ষম হ'ব।
- আয়োগখনৰ উদ্দেশ্যসমূহ চিনাক্ত কৰিবলৈ সমর্থ হ'ব।
- আয়োগখনে অনুমোদন দিয়া শৈক্ষিক গাঁঠনি সম্বন্ধে বর্ণনা কৰিব পাৰিব।

৩.২ পৰিচয়

এই অধ্যায়টোত আমি 1964-66 চনৰ কোঠাৰী শিক্ষা আয়োগৰ বিষয়ে আলোচনা কৰিম। এইখন ভাৰতবর্ষৰ শিক্ষাৰ ইতিহাসৰ ষষ্ঠ নং আয়োগ আছিল। ভাৰতবর্ষই স্বাধীনতা লাভ কৰাৰ পিছত আৰম্ভ কৰা পঞ্চবার্ষিক পৰিকল্পনাসমূহে দেশখনৰ গঠনত বহুধৰণে সহায় কৰিছিল। যিয়েই নহওঁক, পৰিকল্পনাবোৰ সফলভাৱে প্রয়োগ নোহোৱাৰ ফলত দেশখনৰ শিক্ষা বিকাশৰ প্রকৃত উদ্দেশ্য সফল হোৱা নাই। শিক্ষা এনেকুৱা এখন ক্ষেত্র যিখনত বর্তমানলৈওঁ অগণন সমস্যাৰে ভৰপূৰ হৈ আছে আৰু ইয়াৰ সমাধানৰ যথেষ্ট প্রয়োজনীয়তা আহি পৰিছে। চৰকাৰখন এইক্ষেত্রত যথেষ্টভাৱে সজাগ হৈ আছে। ভাৰতবর্ষৰ চৰকাৰে স্বাধীনতা লাভৰ পিছত দুখনকৈ শিক্ষা আয়োগ গঠন কৰিছে। দ্বিতীয় আৰু তৃতীয় অধ্যায়ত আমি ইতিমধ্যে 1948 চনৰ ৰাধাকৃষ্ণণ আয়োগ আৰু 1953-54 চনৰ মাধ্যমিক শিক্ষা আয়োগৰ বিষয়ে আলোচনা কৰিছোহক যথাক্রমে দ্বিতীয় আৰু তৃতীয় অধ্যায়ত। ৰাধাকৃষ্ণণ

আয়োগে উচ্চ শিক্ষা সন্দর্ভত আৰু মাধ্যমিক শিক্ষা আয়োগে মাধ্যমিক শিক্ষা সন্দর্ভৰ অধ্যয়ন কৰি পৰামর্শ আগবঢ়াইছিল যদিওঁ পৰামর্শসমূহ সফলভাৱে ৰূপায়ণ নহ'ল। ফলস্বৰূপে শিক্ষাৰ ক্ষেত্রখন সমস্যাবহুল হৈ ৰৈ গ'ল। এনেদৰে ৰৈ যোৱা সমস্যাসমূহ সমাধান কৰাৰ অর্থে 1964–66 চনত চৰকাৰে এখন নতুন আয়োগ গঠন কৰি দিয়ে। আয়োগখনক জাতীয় শিক্ষাৰ বিকাশৰ অর্থে শিক্ষাৰ সকলো পর্যায়তে সাধাৰণ নীতি আৰু উপায়ৰ প্রয়োগ কৰিবপৰাকৈ পৰামর্শ আগবঢ়োৱাৰ উপদেশ দিছিল।

এই অধ্যায়টোত কোঠাৰী শিক্ষা আয়োগে শিক্ষাৰ সকলো পর্যায়তে আগবঢ়োৱা পৰামর্শাৱলীৰ বিষয়ে আলোচনা কৰা হৈছে।

৩.৩ আয়োগখনৰ নিযুক্তি (Appointment of the Commission)

আয়োগখন 1964 চনৰ 14 জুলাইৰ ভাৰত চৰকাৰৰ এটা প্রস্তাৱমর্মে নিযুক্তি দিয়া হৈছিল। আয়োগখনৰ সদস্য হিচাপে ভাৰতবর্ষ আৰু বিদেশৰ বিভিন্ন দিশৰ বিশেষজ্ঞ ব্যক্তিৰ লগতে শিক্ষাবিদসকলক সামৰি লোৱা হৈছিল। আয়োগখন গঠন হৈছিল 17 জন সদস্যৰে য'ত 14 জন আছিল সাধাৰণ সদস্য এগৰাকী সদস্য সচিব, এগৰাকী সহকাৰী সচিব আৰু ড0 ডি এচ কোঠাৰী আছিল সভাপতি তথা অধ্যক্ষ। ড0 ডি এচ কোঠাৰী আছিল বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধ্যক্ষ। আয়োগখনক কোঠাৰী আয়োগ হিচাপেওঁ জনা যায়। আয়োগখনৰ 5 গৰাকী সদস্য আছিল ইংলণ্ড, আমেৰিকা, ফৰাচী, জাপান আৰু ৰাছিয়াৰ শিক্ষাবিদ। জে. পি. নাইক (J. P. Naik)ক আয়োগৰ সদস্য সচিব হিচাপে নিযুক্তি দিয়া হৈছিল আৰু জে, এফ মেকডুগল আছিল সহকাৰী সচিব।

5 জানি থোৱা ভাল

নতুন দিল্লীৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ অধ্যক্ষ ড0 ডি এচ কোঠাৰীক আয়োগখনৰ সভাপতি নিযুক্তি দিয়া হৈছিল। আয়োগখন গঠন হৈছিল মুঠ 17 গৰাকী সদস্যৰে।

৩.৩.১ আয়োগখনৰ অতুলনীয় দিশবোৰ (Unique Features of the Commission)

আগৰ আয়োগবোৰৰ তুলনাত কোঠাৰী আয়োগৰ গুৰুত্বতা বহুত বেছি আৰু ইয়াৰ মূল দিশবোৰ অতুলনীয়। সেয়েহে ইয়াৰ বিষয়ে আমি জনাটো প্রয়োজনীয়। 1964–66 চনৰ আয়োগখনৰ অতুলনীয় দিশবোৰ হ'ল তলত দিয়াধৰণৰ—

1. আগতে গঠন হোৱা আয়োগ 5খনে ভাৰতবর্ষৰ শিক্ষাৰ সমগ্র দিশটো অধ্যয়নৰ বাবে সামৰি লোৱা নাছিল। মাত্র শিক্ষাৰ একোটা পর্যায়ৰ ওপৰতহে গুৰুত্ব আৰোপ কৰি পৰামর্শ আগবঢ়াইছিল। কিন্তু এই আয়োগখনে ভাৰতবর্ষৰ শিক্ষাৰ মাত্র এটা পর্যায়কে অধ্যয়ন কৰা নাই সমগ্র শিক্ষা ব্যৱস্থাটোকে অধ্যয়ন কৰি বোধগম্য পৰামর্শ আগবঢ়াইছে।
2. আয়োগখনৰ অন্য এটা অতুলনীয় দিশ আছিল শিক্ষাক জাতীয় বিকাশৰ আটাইতকৈ শক্তিশালী আহিলা হিচাপে অভিহিত কৰাটো। আয়োগখনৰ প্রতিবেদনৰ প্রত্যেকটো পৃষ্ঠাতে জাতীয় বিকাশৰ বিভিন্ন দিশৰ বিকাশত শিক্ষাৰ গুৰুত্বপূর্ণ ভূমিকাৰ কথা দেখুওঁৱা হৈছে।

   আগত কেতিয়াওঁ শিক্ষাক জাতীয় সন্মানৰ আধাৰ হিচাপে গুৰুত্ব আৰোপ কৰা হোৱা নাই, শিক্ষাক জাতীয় সন্মানৰ মূল হোতা হিচাপে আগতে ধাৰণ কৰা হোৱা নাই, জাতিৰ বিকাশ আৰু সমৃদ্ধিৰ মূল হোতা হিচাপে শিক্ষাক কেতিয়াওঁ ধাৰণ কৰা হোৱা নাই, যিখিনি এই আয়োগৰ প্রতিবেদনৰ পৃষ্ঠাবোৰত প্রতিফলিত কৰা হৈছে।

¾ আয়োগখনৰ আন্তর্জাতিক গাঠনিৰ ধাৰণাও বৈশিষ্ট্যপূর্ণ। ভাৰতবর্ষৰ শিক্ষা ব্যৱস্থাটো ভাৰতীয় সংস্কৃতি আৰু স্থানীয় অৱস্থাৰ মাধ্যমত ভাৰতীয় অভিজ্ঞতাৰ ওপৰত আধাৰিত হোৱাটো প্রয়োজনীয়। কিন্তু শিক্ষাৰ ধাৰণাটো সমগ্র মানৱ জাতিৰ কল্যাণৰ অর্থেহে আধাৰিত আৰু বিশ্বৰ বিভিন্ন প্রান্তত থকা দেশবোৰৰ শিক্ষাবিদ, বিজ্ঞানীসকলৰ ভাবধাৰাসমূহক সামৰি লোৱাটো দৰকাৰ। ইয়াৰ উপৰিওঁ শৈক্ষিক ক্ষেত্রত আগবঢ়া দেশবোৰৰ নৱ বিকাশবোৰৰ ভালখিনি আকোঁৱালি লোৱাটো উদাৰ মনোভাবৰ চিনাকী। এনে উদ্দেশ্য আগত ৰাখি আয়োগখনে 7জন ভাৰতীয় সদস্য, জাপান, আমেৰিকা, ইংলণ্ড, ফ্রাঞ্চ আৰু ৰাচিয়াৰ একোজনকৈ সদস্যৰ উপৰিওঁ বিশ্বৰ বিভিন্ন দেশৰ 20 গৰাকী পৰামর্শদাতা অন্তর্ভুক্ত কৰি লৈছিল।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ তলত দিয়া ঠাইখিনিত আয়োগখনৰ অতুলনীয় দুটা দিশ উল্লেখ কৰক

.....

.....

৩.৩.২ প্রসংগৰ চর্ত্তসমূহ (Terms of Reference)

আয়োগখনে শিক্ষাৰ জাতীয় ধাৰণা সম্বন্ধে আৰু শিক্ষাৰ সকলো পর্যায়ৰ বিকাশৰ কাৰণে আৰু ইয়াৰ সকলো দিশৰ সাধাৰণ নীতি আৰু উপায়ৰ ওপৰত চৰকাৰক উপদেশ আগবঢ়াব। চিকিৎসা বা আইন শিক্ষাৰ সমস্যাসমূহ যিয়েই নহওঁক পৰীক্ষা কৰাৰ প্রয়োজনীয়তা নাথাকিব, কিন্তু সেই সমস্যাসমূহৰ তেনে দিশবোৰ প্রয়োজনীয় কাৰণ ইয়াৰ বোধগম্য অনুসন্ধান চোৱা-চিতা কৰা হ'ব।

৩.৩.৩ প্রতিবেদন প্রস্তুতকৰণ (Making of the Report)

আয়োগখনে ইয়াৰ কাম আৰম্ভ কৰিছিল জাতিৰ পিতা মহামানব মহাত্মা গান্ধীৰ জন্মদিনৰ দিনাখন। ইয়াৰ গাঁঠনিৰ দিশটোত 12 টা কার্যদল (Task force) আৰু 7 খন কার্য সমিতি (working group) আছিল আৰু তেওঁলোকে দেশখনৰ শিক্ষাৰ বিভিন্ন সমস্যাবোৰ অধ্যয়ন কৰিবলৈ লৈছিল। তেওঁলোকে 9000 জন ব্যক্তিৰ সাক্ষাৎকাৰ লৈছিল যিবিলাকে ৰাজহুৱা জীৱনত বিশিষ্টতা প্রদর্শন কৰিবলৈ সক্ষম হৈছিল। তেওঁলোকৰ ভিতৰত পুৰুষ, মহিলা, শিক্ষক, বিজ্ঞানী, উদ্যোগপতি, বিভিন্ন ক্ষেত্রৰ পণ্ডিত আৰু শিক্ষাৰ ক্ষেত্রত আগ্রহী ব্যক্তি আছিল। আয়োগখনে 100 দিন ধৰি বিশ্ববিদ্যালয়সমূহ, মহাবিদ্যালয়সমূহ আৰু বিদ্যালয়সমূহ পৰিদর্শন কৰি শিক্ষকবৃন্দ, শিক্ষাবিদসকল, প্রশাসকমণ্ডলী আৰু শিক্ষার্থীসকলৰ লগত আলোচনাত মিলিত হৈছিল। আয়োগখনে 2400 খন স্মাৰক পত্র আৰু আন লিখিত বিৱৰণ গ্রহণ কৰি পুনৰীক্ষণ কৰিছিল। আয়োগখনে 21 মাহ কাম কৰি 1966 চনৰ জুন মাহত প্রতিবেদন দাখিল কৰিছিল।

৩.৪ আয়োগখনৰ প্রতিবেদন (Report of the Commission)

কোঠাৰী আয়োগৰ প্রতিবেদনখন শিক্ষাৰ ওপৰত প্রস্তুত কৰা এখন সর্বাঙ্গসুন্দৰ দলিল। আয়োগখনে ইয়াৰ প্রতিবেদনত উল্লেখ কৰিছে যে শিক্ষা হ'ল জাতীয় বিকাশৰ বাবে আটাইতকৈ শক্তিশালী এবিধ আহিলা। আয়োগখনৰ প্রতিবেদনখনক প্রকৃতভাবে নামাকৰণ কৰা হৈছে 'শিক্ষা আৰু জাতীয় বিকাশ' হিচাপে।

প্রতিবেদনখনক চাৰিটা খণ্ডত ভাগ কৰা হৈছে—

প্রথম খণ্ড ঃ সাধাৰণ সমস্যাবোৰৰ সৈতে জড়িত

দ্বিতীয় খণ্ড ঃ বিভিন্ন পর্যায়ত আৰু বিভিন্ন বৃতাংশৰ সৈতে জড়িত।

তৃতীয় খণ্ড ঃ আয়োগখনে আগবঢ়োৱা বিভিন্ন পৰামর্শাৱলী আৰু আঁচনিসমূহ প্রয়োগকৰণৰ লগত জড়িত।

চতুর্থ খণ্ড ঃ ওপৰঞ্চি কাকতসমূহ সংযোজিত।

এই প্রতিবেদনখনত প্রস্তাৱিত শৈক্ষিক পুনৰগঠনৰ আঁচনিসমূহ তিনিটা বহল ভাগত ভাগ কৰা হৈছে। যেনে—

1. শৈক্ষিক ব্যৱস্থাৰ আভ্যন্তৰীণ আকাৰ পৰিবর্তন আৰু জাতিটোৰ জীৱন, প্রয়োজনীয়তা আৰু উচ্চাভিলাষৰ লগত ইয়াৰ সম্বন্ধ ।
2. গুণগত শিক্ষাৰ উন্নতিকৰণ যাতে প্রয়োজনীয় মানদণ্ডত উপনীত হ'ব পৰা যায়, অবিৰত বিকাশৰ ধাৰা ৰাখিব পৰা যায় আৰু অলপ সংখ্যক আন্তর্জাতিকভাৱে তুলনামূলক হয় আৰু
3. মানব শক্তিৰ প্রয়োজনীয়তাৰ আধাৰত বিস্তৃতভাৱে শৈক্ষিক সুবিধাসমূহৰ বৃদ্ধিকৰণ আৰু শৈক্ষিক সুবিধাসমূহৰ সমতা স্থাপনৰ ওপৰত গুৰুত্ব আৰোপ।

5 জানি থোৱা ভাল

প্রতিবেদনখন প্রস্তুতকৰণ—

- 12 টা কার্য দল (Task force) আৰু 7 টা কার্য সমিতি (working group) স্থাপন কৰা হয়।
- 9000 পুৰুষ আৰু মহিলাৰ সাক্ষাৎকাৰ লোৱা হয়।
- 100 দিন লাগিছিল।
- 1964 চনৰ 2 অক্টোবৰত কাম আৰম্ভ কৰা হৈছিল।
- প্রতিবেদনখন চাৰিটা খণ্ডত বিভক্ত কৰা হৈছিল।
- আঁচনিসমূহক তিনিটা শ্রেণীত শ্রেণীভুক্ত কৰা হৈছে।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ উপযুক্ত শব্দৰে খালী ঠাই পূৰণ কৰক ঃ

(ক) শিক্ষা আয়োগখনক জনপ্রিয়ভাৱে ——— জনা যায়।

(খ) ভাৰত চৰকাৰে ——— ওপৰত এটা প্রস্তাৱৰ দ্বাৰা আয়োগখন নিযুক্তি দিছিল।

(গ) ——— বিশ্ববিদ্যালয় অনুদান আয়োগৰ সভাপতি আছিল।

(ঘ) আয়োগখনে ——— প্রতিবেদন দাখিল কৰিছিল।

(ঙ) প্রতিবেদনখনে ——— অধ্যায় সামৰি লৈছে আৰু ইয়াক ——— ভাগত বিভক্ত কৰা হৈছে।

৩.৫ কোঠাৰী আয়োগৰ পৰামর্শাৱলীসমূহ (Recommendations of the Kothari Education Commission)

এতিয়া আমি আয়োগখনৰ পৰামর্শাৱলীসমূহ আলোচনা কৰিম। আমাৰ আলোচনাই পৰামর্শাৱলীসমূহৰ দুটা প্রধান দিশক সামৰি ল'ব। সেই দুটা হ'ব শিক্ষা আৰু জাতীয় উদ্দেশ্য আৰু শৈক্ষিক গাঁঠনিৰ ধাৰা।

৩.৫.১ শিক্ষা আৰু জাতীয় উদ্দেশ্য (Education and National objectives)

মানুহ আৰু সমাজক পৰিবৰ্তিত কৰাৰ ক্ষেত্ৰত শিক্ষাই বহুলভাবে ভূমিকা পালন কৰিবলগীয়া হয়। ইয়াক মানুহৰ জীৱন, প্ৰয়োজনীয়তাসমূহ আৰু উচ্চাভিলাষৰ লগত সম্বন্ধিত কৰি সামগ্ৰীকভাবে সংশোধিত কৰিবলগীয়া হয়। সেয়েহে ই সামাজিক অৰ্থনৈতিক আৰু সাংস্কৃতিক আকাৰ পৰিবৰ্তনত শক্তিশালী আহিলা হিচাপে সেৱা আগবঢ়াব পাৰে। আয়োগে শিক্ষাক জড়িত কৰি তলত দিয়া উদ্দেশ্যসমূহৰ পৰামৰ্শ আগবঢ়াইছে—

1. শিক্ষা আৰু উৎপাদন বৃদ্ধিকৰণ
2. সামাজিক আৰু জাতীয় সংহতিৰ উন্নতি সাধন
3. শিক্ষা আৰু আধুনিকীকৰণ
4. সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ বিকাশ সাধন

১। **শিক্ষা আৰু উৎপাদনমুখিতা** (Education and Productivity) ঃ শিক্ষা অৰ্থনৈতিক উৎপাদনৰ লগত ওতঃপ্ৰোতভাৱে জড়িত। জাতীয় বিকাশৰ বাবে বিশাল সম্পদ উদঘাটন কৰিবলৈ হ'লে শিক্ষাক উৎপাদনৰ লগত সংযোগ কৰিব লাগিব। সেই উদ্দেশ্য আগত ৰাখি আয়োগে তলৰ কাৰ্যকৰী আঁচনিসমূহ দাঙি ধৰে—

(ক) আমাৰ শিক্ষা আৰু সংস্কৃতিৰ মৌলিক উপাদানস্বৰূপে বিজ্ঞানক প্ৰয়োগ কৰিব লাগে। বিজ্ঞানৰ প্ৰয়োগৰ মাজেৰে মুঠ জাতীয় উৎপাদন বৃদ্ধি কৰিব লাগে। সেয়েহে বিজ্ঞান শিক্ষা স্কুলীয়া শিক্ষাৰ অবিচ্ছেদ্য অংগস্বৰূপ হ'ব লাগে।

(খ) আয়োগৰমতে কৰ্ম-অভিজ্ঞতা আমাৰ সাধাৰণ আৰু বৃত্তিমূলক সকলোবোৰ বিষয়ৰ শিক্ষাৰ অবিচ্ছেদ্য অংগ হ'ব লাগে। আয়োগত কোৱা হৈছে যে গৃহ, স্কুল, কৰ্মশালা, ফাৰ্ম, ফেক্টৰী অথবা আন যিকোনো উৎপাদনমূলক পৰিস্থিতিত অংশগ্ৰহণ কৰা কাৰ্যই হৈছে কৰ্ম অভিজ্ঞতা। শিক্ষাৰ্থীসকলক উদ্দেশ্যপ্ৰণোদিতভাৱে দিয়া সকলোবোৰ শিক্ষাতে সাক্ষৰতা, সংখ্যাজ্ঞান, কৰ্ম-অভিজ্ঞতা আৰু সমাজৰ সেৱাৰ উপাদন থাকিব লাগে।

(গ) শিক্ষাক উৎপাদনমুখী কৰি তুলিবৰ বাবে মাধ্যমিক শিক্ষাত বৃত্তিমূলক প্ৰৱণতা শক্তিশালী কৰি তোলা উচিত। কৃষিমূলক আৰু কাৰিকৰী বিজ্ঞানমূলক শিক্ষাৰ ওপৰত গুৰুত্ব দিব লাগে। আয়োগে বিশেষভাৱে ভাৰতৰ বৃত্তিমূলক শিক্ষাৰ অনগ্ৰসৰতাৰ ধাৰাটো লক্ষ্য কৰে। আয়োগে এইক্ষেত্ৰত স্কুলীয়া শিক্ষাৰ গতিধাৰাৰ প্ৰতি দৃষ্টি নিক্ষেপ কৰি কয় যে সাধাৰণ আৰু বৃত্তিমূলক দুয়োটা দিশৰ উপাদন ভৱিষ্যতে ফলপ্ৰসূভাৱে এটা আনটোৰ লগত লগ লাগি পৰিব।

২। **সামাজিক আৰু জাতীয় সংহতিৰ উন্নতি সাধন** (Promoting Social and National Integration)ঃ আয়োগে অনুভৱ কৰে যে সকলোধৰণৰ উন্নতি সাধনৰ বাবে এখন শক্তিশালী আৰু ঐক্যবদ্ধ দেশ গঢ়ি তোলাটোৱে হ'ব আমাৰ পূৰ্বচৰ্ত। এইক্ষেত্ৰত দেশৰ অৰ্থনৈতিক, সামাজিক, সাংস্কৃতিক আৰু ৰাজনৈতিক দিশ জড়িত হৈ আছে। এই দিশসমূহেই সমাজৰ বিভিন্ন শ্ৰেণীৰ লোকৰ মাজত সামাজিক ব্যৱধান বৃদ্ধি কৰি তোলে আৰু সামাজিক বিশৃংখলতাৰ সৃষ্টি কৰে। এনে ব্যৱস্থাই আঞ্চলিক, ভাষিক, ধৰ্মীয় আৰু আন আন বিভেদমূলক ভাবৰ সৃষ্টি কৰি জাতীয় সংহতিৰ ভাব দুৰ্বল কৰি তুলিব পাৰে। আয়োগে এইদিশত আগবঢ়োৱা পৰামৰ্শসমূহ আছিল তলত দিয়াধৰণৰ—

(ক) শিক্ষাৰ মাধ্যমেৰে দেশৰ সামাজিক আৰু জাতীয় সংহতি স্থাপন কৰিব পৰা যায়। বৰ্তমান দেশৰ শিক্ষা ব্যৱস্থাত ধনী-দুখীয়া, উচ্চ আৰু নিম্ন শ্ৰেণী লোকৰ মাজত এক ভিন্নতা আৰু বৈষম্যমূলক ব্যৱস্থা চলি আছে। দেশৰ সকলো শ্ৰেণীৰ লোকৰ শিক্ষাৰ সমান সুবিধা কৰিবৰ বাবে সাধাৰণ বিদ্যালয় স্থাপনৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে। এই ব্যৱস্থাত জাতি, বৰ্ণ, ধৰ্ম-

সম্প্রদায়, অর্থনৈতিক অৱস্থা বা সামাজিক মানদণ্ড নির্বিশেষে সকেলাৰে বাবে মুক্ততা থাকিব লাগে।

(খ) আয়োগে উল্লেখ কৰিছে যে স্বাধীনতাৰ পিছৰপৰা দেশৰ শিক্ষিত বুদ্ধিজীৱি শ্রেণীৰ লোকবোৰ সর্বসাধাৰণ লোকৰপৰা ক্রমে আঁতৰি গৈছে। ই এক বিপদজনক কথা। সেইবাবে সামাজিক আৰু জাতীয় সেৱা আঁচনি প্রাথমিক পর্যায়ৰপৰা বিশ্ববিদ্যালয় পর্যায়লৈ সকলো ছাত্র-ছাত্রীৰ বাবে বাধ্যতামূলক আৰু শিক্ষাৰ এক অবিচ্ছেদ্য অংশস্বৰূপ হোৱা উচিত।

(গ) উপযুক্ত ভাষা নীতিয়েও সামাজিক আৰু জাতীয় সংহতি স্থাপনত কার্যকৰীভাবে সহায় কৰিব পাৰে। আধুনিক ভাষাবোৰৰ বিকাশ বিশ্ববিদ্যালয়ৰ শিক্ষাত দিয়া গুৰুত্বৰ ওপৰত নির্ভৰ কৰে। শিক্ষাদানৰ বাবে এনে মাধ্যম নির্বাচন কৰিব লাগে যাতে ছাত্রৰ জ্ঞান আহৰণত আৰু তেওঁলোকৰ আত্মপ্রকাশত সুবিধা হয়। এইক্ষেত্রত মাতৃভাষাবোৰৰ দাবী অধিক শক্তিশালী হ'ব।

৩। **শিক্ষা আৰু আধুনিকীকৰণ** (Education and Modernisation) ঃ পুৰণি সমাজতকৈ বর্তমান সমাজ প্রভেদ হোৱাৰ এটা প্রধান দিশ হৈছে আজিৰ সমাজে বিজ্ঞানভিত্তিক কাৰিকৰী জ্ঞানৰ প্রয়োগ কৰাটো। ইয়াৰ যোগেদি উৎপাদনশীলতা বৃদ্ধি কৰি তুলিব পৰা হৈছে আৰু আমাৰ সামাজিক আৰু সাংস্কৃতিক জীৱনত দ্রুত পৰিবর্তনেৰে আধুনিকীকৰণ কৰি তুলিব পৰা হৈছে।

পুৰণি সমাজৰ জ্ঞান অভিজ্ঞতাৰ সীমাবদ্ধতাৰ হেতুকে সামাজিক বিকাশৰ গতি আছিল মন্থৰ আৰু ইয়াৰ শিক্ষাৰ উদ্দেশ্য আছিল সংৰক্ষণশীল। আধুনিক সমাজত জ্ঞানৰ পৰিসৰ হৈছে ব্যাপক আৰু ইয়াৰ বিকাশৰ গতি হৈছে দ্রুততৰ। এনে অৱস্থাত জ্ঞান নিষ্ক্রিয় হৈ থকাৰ পৰিবর্তে সক্রিয়ভাৱে উদ্ভাৱনশীল হৈ উঠে।

আধুনিক সমাজৰ আন এটা সাংগঠনিক বৈশিষ্ট্য হৈছে ইয়াৰ স্বাসৰুদ্ধ হোৱা দ্রুতগতিৰ পৰিবর্তন। বর্তমানৰ সমাজত এই দ্রুত পৰিবর্তনৰ প্রতি লক্ষ্য ৰাখি শিক্ষাৰ ক্ষেত্রত বিকাশশীল আৰু গতিশীল নীতি গ্রহণৰ প্রয়োজন হৈ পৰিছে।

৪। **সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ বিকাশ সাধন** (Development of Social, Moral and Spiritual values) ঃ আয়োগে দৃঢ়ভাৱে মত প্রকাশ কৰে যে আধুনিকীকৰণক এক জীৱন্ত শক্তিস্বৰূপে গঢ় দি তুলিবলৈ হ'লে ইয়াৰ শক্তি আধ্যাত্মিকতাৰপৰা লাভ কৰি উঠিব লাগিব। স্বাধীনতাৰ পিছৰপৰা দেশৰ শিক্ষা আয়োগ আৰু শিক্ষা কর্তৃপক্ষবোৰেও এই নৈতিক শিক্ষাৰ দিশত গুৰুত্বপূর্ণ পৰামর্শ দি আহিছে। অৱশ্যে সেইসমূহৰ প্রতি শিক্ষানুষ্ঠানবোৰে যথোচিত সঁহাৰি জনোৱা নাই। সেইবাবে মূল্যবোধৰ এক সক্রিয় শিক্ষা ব্যৱস্থা গঢ় দি তুলিবৰ বাবে আয়োগে নিম্নলিখিত পৰামর্শ আগবঢ়ায়—

(ক) কেন্দ্রীয় আৰু ৰাজ্যিক চৰকাৰবোৰে তেওঁলোকৰ প্রত্যক্ষ নিয়ন্ত্রণত থকা সকলোবোৰ শিক্ষানুষ্ঠানতে নৈতিক, সামাজিক আৰু আধ্যাত্মিক মূল্যবোধৰ শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগে। এই শিক্ষা বিশ্ববিদ্যালয় শিক্ষা আয়োগে ধর্মীয় আৰু নৈতিক শিক্ষা সম্বন্ধে দিয়া পৰামর্শমতে দিব লাগে।

(খ) ব্যক্তিগতভাৱে পৰিচালিত অনুষ্ঠানেও এনে ব্যৱস্থা গ্রহণ কৰিব লাগে।

(গ) এনে মূল্যবোধৰ শিক্ষা স্কুলৰ কার্যসূচীৰ অবিচ্ছেদ্য অংগ হোৱাৰ উপৰিও ইয়াৰ বাবে স্কুলৰ সময় তালিকাত আছুতীয়াকৈ শ্রেণীৰ ব্যৱস্থা ৰাখিব লাগে, যাৰ যোগেদি বিভিন্ন সম্প্রদায়ৰ সাধাৰণ শিক্ষকে এই শিক্ষা দিব পাৰে।

(ঘ) ধর্মৰ তুলনামূলক অধ্যয়নৰ দিশত বিশ্ববিদ্যালয়ৰ সংশ্লিষ্ট বিভাগবোৰে ইয়াৰ প্রয়োজনীয় শিক্ষাৰ উপায় উদ্ভাৱন কৰিব লাগে। ইয়াৰ বাবে ছাত্র-শিক্ষকসকলৰ প্রয়োজন হোৱা বিশেষ পুথি আৰু সাহিত্য আদিও বিশ্ববিদ্যালয়ে প্রস্তুত কৰি তুলিব লাগে।

5 জানি থোৱা ভাল

আয়োগৰ উদ্দেশ্যসমূহ—

- উৎপাদন ক্ষমতা বৃদ্ধিকৰণ
- সামাজিক আৰু জাতীয় সংহতিৰ উন্নতি সাধন
- শিক্ষা আৰু আধুনিকীকৰণ
- সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ উন্নতি সাধন

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ তলত দিয়াবোৰৰ বিষয়ে ব্যাখ্যা কৰক—

(ক) শিক্ষা আৰু উৎপাদন ক্ষমতা

.....

.....

(খ) শিক্ষা আৰু আধুনিকীকৰণ

.....

.....

৩.৫.২ শৈক্ষিক গাঁথনি (Educational Structure)

ভাৰতবর্ষৰ বিশালতা আৰু ইয়াৰ শিক্ষা গাঁথনিৰ ভিন্নতাৰ প্রতি লক্ষ্য ৰাখি আয়োগে প্রস্তাৱিত নতুন শিক্ষা গাঁথনি পর্যায়ক্রমে 20 বছৰৰ ভিতৰত কার্যকৰী কৰাৰ বাবে পৰামর্শ আগবঢ়ায়। আয়োগৰ মতে চলি থকা ব্যৱস্থাটোৱে শিক্ষাৰ মানদণ্ড নিম্নগামী কৰি তুলিছে। আয়োগৰ দৃষ্টিগোচৰ হোৱা নমনীয় নতুন শিক্ষা গাঁথনি আছিল তলত দিয়াধৰণৰ—

1¼ প্রাক-প্রাথমিক পর্যায় 1 বছৰৰপৰা 3 বছৰলৈ।

2¼ প্রাথমিক পর্যায় 7–8 বছৰলৈ। ইয়াক দুটা উপ-পর্যায়স্বৰূপে ভাগ কৰি নিম্ন-প্রাথমিক 4–5 বছৰৰ আৰু উচ্চ-প্রাথমিক 3 বছৰৰ কৰিব লাগে।

3¼ নিম্ন মাধ্যমিক বা হাইস্কুলৰ সাধাৰণ শিক্ষা 3 বা 2 বছৰৰ আৰু বৃত্তীয় শিক্ষা 1 বছৰৰপৰা 3 বছৰৰ বাবে হ'ব লাগে।

4¼ উচ্চতৰ মাধ্যমিকৰ সাধাৰণ শিক্ষা 2 বছৰৰ আৰু বৃত্তীয় শিক্ষা 1 বছৰৰপৰা 3 বছৰৰ হ'ব লাগে।

5¼ উচ্চশিক্ষা প্রথম ডিগ্রীৰ অধ্যয়নসূচী 3 বছৰ বা অধিক হ'ব লাগে আৰু দ্বিতীয় ডিগ্রী অথবা গৱেষণাৰ ডিগ্রী ভিন্ন সময়সাপেক্ষ হ'ব লাগে।

1964–66 চনৰ কোঠাৰী আয়োগে পৰামর্শ দিয়া শিক্ষাৰ গাঁথনিৰ প্রক্রিয়াটো হ'ল 10ÙÂ2ÙÂ3¼

5 জানি থোৱা ভাল

শিক্ষাৰ গাঁথনিৰ প্রক্রিয়া—

- প্রাক প্রাথমিক শিক্ষা 1 বছৰৰপৰা 3 বছৰলৈ দিয়া উচিত।
- সাধাৰণ শিক্ষা 10 বছৰ সময়লৈ চলিব।

— চাৰিবছৰ নিম্ন প্ৰাথমিক (4 বছৰ)
— তিনিবছৰ উচ্চ প্ৰাথমিক (3 বছৰ)
— তিনিবছৰ নিম্ন মাধ্যমিক শিক্ষা (3 বছৰ)

- উচ্চতৰ মাধ্যমিক শিক্ষা হোৱা উচিত 2 বছৰৰ কাৰণে।
- স্নাতক পাঠ্যক্ৰম হ'ব লাগিব 3 বছৰৰ কাৰণে।
- প্ৰাথমিক স্কুলৰ প্ৰথম শ্ৰেণীত প্ৰৱেশৰ বয়স সাধাৰণতে 6 বছৰৰ কম হ'ব নোৱাৰিব।
- 10 বছৰীয়া স্কুলীয়া শিক্ষাৰ শেষত বহিঃ পৰীক্ষা অনুষ্ঠিত কৰা হ'ব।
- 10 বছৰ শিক্ষাৰ অন্তত শিক্ষাৰ মানদণ্ড সৰ্বভাৰতীয় পৰ্যায়ৰ কৰি তোলা হ'ব।
- আয়োগে মাধ্যমিক স্কুল দুইধৰণৰ হোৱাটো বিচাৰে। প্ৰথমবিধ হ'ব 10 বছৰীয়া পাঠ্যক্ৰমৰ শিক্ষা দিয়া হাইস্কুল আৰু দ্বিতীয়বিধ হ'ব 12 বছৰীয়া পাঠ্যক্ৰমৰ শিক্ষা দিয়া উচ্চতৰ মাধ্যমিক স্কুল।
- আয়োগে পূৰ্বৰ প্ৰাক-বিশ্ববিদ্যালয় পৰ্যায়টো কলেজ আৰু বিশ্ববিদ্যালয়ৰপৰা উচ্চতৰ মাধ্যমিক স্কুললৈ স্থানান্তৰ কৰাৰ বিষয়ে ব্যৱস্থা গ্ৰহণৰ বিবেচনা কৰে। আয়োগে মত প্ৰকাশ কৰে যে পূৰ্বতে এই পাঠ্যক্ৰম উচ্চতৰ মাধ্যমিক শিক্ষা কাৰ্যকৰীকৰণৰ বাবে এক ব্যৱস্থা হিচাপেহে গ্ৰহণ কৰা হৈছিল। কিন্তু পৰৱৰ্তী সময়ত এনে ব্যৱস্থাই স্থায়ীৰূপ ধাৰণ কৰাত আৰু স্নাতক পৰ্যায়ৰ শিক্ষাৰ গুণগত মান নিম্নগামী কৰি তোলাত আয়োগে আক্ষেপ প্ৰকাশ কৰে।
- ভাৰতবৰ্ষই স্বাধীনতা লাভ কৰাৰ আগতে বিশ্ববিদ্যালয়বোৰৰ শিক্ষা কাল প্ৰায় একেধৰণৰ আছিল। স্নাতক আৰু স্নাতকোত্তৰ দুয়োটা পৰ্যায়েই দুবছৰীয়া আছিল। কিন্তু পৰৱৰ্তী কালছোৱাত ইয়াৰ পৰিবৰ্তন সাধন কৰা হয়। বিশেষভাৱে কলা, বিজ্ঞান আৰু বাণিজ্য স্নাতক পৰ্যায়ৰ অধ্যয়ন 3 বছৰীয়া কৰি তোলা হয়। কৃষি কাৰিকৰী আৰু চিকিৎসা বিষয়ৰ শিক্ষাকাল আৰু অধিক বৃদ্ধি কৰি তোলা হয়। আয়োগে মত পোষণ কৰে যে উচ্চ পৰ্যায়ৰ শিক্ষাত স্বাধীনতা আৰু উচ্চ মানদণ্ড ৰক্ষা কৰিবলগা হোৱা বাবে ইয়াৰ সময় পৰিমাণ ভিন ভিন হোৱাটো স্বাভাৱিক।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ 1964-66 চনৰ ভাৰতীয় শিক্ষা আয়োগে পৰামৰ্শ দিয়া শিক্ষা ব্যৱস্থাৰ গাঁঠনিক পৰিবৰ্তনৰ বিষয়ে কেইশাৰীমান লিখক।

.....

.....

২.৩.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- 1964-66 চনৰ শিক্ষা আয়োগখন ভাৰত চৰকাৰে 1964 চনৰ 14 জুলাই তাৰিখে নিযুক্তি দিছিল। ড0 ডি এচ কোঠাৰীক আয়োগখনৰ সভাপতি হিচাপে নিযুক্তি দিছিল। আয়োগখনে 1966 চনৰ 29 জুন তাৰিখে ইয়াৰ প্ৰতিবেদন দাখিল কৰিছিল।
- আয়োগখনে 12টা কাৰ্যদল আৰু 7টা কাৰ্য সমিতি গঠন কৰিছিল, দেশৰ শিক্ষাৰ প্ৰতি আগ্ৰহী 9000 পুৰুষ-মহিলাৰ সাক্ষাৎকাৰ লৈছিল আৰু 100 দিন পৰিভ্ৰমণ কৰিছিল। প্ৰতিবেদনখনে 19টা অধ্যায় সামৰি লৈছিল।
- আয়োগখনৰ কিছুমান অতুলনীয় দিশ আছিল। সেইবোৰ হ'ল—

1¼ ইয়াৰ অনুসন্ধান বিশেষ খণ্ডসমূহ বা শিক্ষাৰ দিশত সীমাবদ্ধ হোৱা নাছিল। ইয়াৰ অনুসন্ধানে সমগ্ৰ শিক্ষা ব্যৱস্থাটোৰে বোধগম্য পুনৰ মতামত সামৰি লৈছে।

2¼ আয়োগখনে নিশ্চিতভাৱে বিশ্বাস কৰিছিল যে শিক্ষা হ'ল জাতীয় বিকাশৰ এবিধ অতি শক্তিশালী আহিলা।

3¼ আয়োগখন আন্তৰ্জাতিকভাৱে গঠিত হৈছিল। আয়োগখনত 7জন ভাৰতীয় সদস্য আৰু 5জন আন আন দেশৰ সদস্য আছিল। জাপান, ফৰাচী, ইংলণ্ড, আমেৰিকা আৰু ৰাচিয়া প্ৰত্যেক দেশৰে একোজনকৈ আছিল।

- আয়োগখনে পৰামৰ্শ আগবঢ়োৱা শিক্ষাৰ উদ্দেশ্যসমূহ আছিল—

1¼ উৎপাদন বৃদ্ধি

2¼ সামাজিক আৰু ৰাষ্ট্ৰীয় সংহতিৰ উন্নতি সাধন

3¼ শিক্ষা আৰু আধুনিকীকৰণ

4¼ সামাজিক, নৈতিক আৰু আধ্যাত্মিক মূল্যবোধৰ উন্নতি সাধন আয়োগখনে এটা নতুন শিক্ষা গাঁঠনিৰ (10ÙÂ2ÙÂ3) উন্নতিসাধন কৰিছিল।

O ৩.৭ অধিক জানিবলৈ

১) বৰুৱা, যতীন ঃ ভাৰতীয় শিক্ষাৰ ইতিহাস অধ্যয়ন, লয়ার্চ বুকচষ্টল, গুৱাহাটী-1

২) ডেকা, বীৰেন্দ্ৰ আৰু অন্যান্য ঃ ভাৰতীয় শিক্ষাৰ ইতিহাস, অসম বুক ডিপো, গুৱাহাটী-1

৩) বৰদলৈ, অজন্তা ঃ ভাৰতৰ শিক্ষাৰ বুৰঞ্জী, লয়ার্চ বুকচষ্টল, গুৱাহাটী-1

K৩.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) আয়োগখনে শিক্ষাৰ সকলো দিশ আৰু প্ৰত্যেক ক্ষেত্ৰ সামৰি ল'বলৈ চেষ্টা কৰিছিল।

(খ) আয়োগখনে নিশ্চিতভাৱে বিশ্বাস কৰিছিল যে শিক্ষা হ'ল জাতীয় বিকাশৰ এবিধ শক্তিশালী আহিলা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) কোঠাৰী আয়োগ

(খ) জুলাই 14 তাৰিখ 1964 চন

(গ) ড0 ডি এচ কোঠাৰী

(ঘ) 29 জুন তাৰিখ 1966 চন

(ঙ) 19, চাৰিটা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ

(ক) উৎপাদন বৃদ্ধি কৰাৰ বাবে শিক্ষা কৰ্মকেন্দ্ৰিক হোৱা দৰকাৰ আৰু কৃষি শিক্ষা, বিজ্ঞান, উদ্যোগ আৰু কাৰিকৰী বিষয়ৰ শিক্ষাৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰাৰ প্ৰয়োজন। কিতাপৰপৰা লাভ কৰা শিক্ষাৰ পৰিবৰ্তে ব্যৱহাৰিক জ্ঞান আৰু কৌশল আয়ত্ব কৰিবপৰা শিক্ষাৰ সংযোজন কৰাটো অধিক গুৰুত্বপূৰ্ণ।

(খ) আধুনিকীকৰণ শিক্ষাৰ মাধ্যমত সমাজখন আধুনিক কৰি তুলিবপৰা যায়। সেইবাবে সমাজৰপৰা ঠেক আদৰ্শসমূহ আঁতৰাই তাৰ ঠাইত নতুন আদৰ্শ অন্তৰ্ভুক্ত কৰি ল'ব লাগে।

সমাজখন আধুনিকীকৰণ কৰিবলৈ হ'লে বিজ্ঞান আৰু কাৰিকৰী শিক্ষাৰ সম্প্রসাৰণ ঘটোৱাটো প্রয়োজন।

৪ নং প্রশ্নৰ উত্তৰ ঃ 1ৰ পৰা তিনিবছৰলৈ প্রাক বিদ্যালয় শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব। সাধাৰণ শিক্ষা 10 বছৰ সময় জুৰি চলিব লাগিব। উচ্চতৰ মাধ্যমিক পর্যায়ৰ শিক্ষাৰ সময় হ'ব 2 বছৰ আৰু স্নাতক পাঠ্যক্রমৰ বাবে 3 বছৰ থাকিব।

M৩.৯ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ 1964-66 চনৰ কোঠাৰী আয়োগৰ মৌলিক তাৎপর্য্য কি আছিল ?

প্রশ্ন ২ঃ ভাৰতবর্ষৰ শিক্ষা উন্নতিকৰণৰ বাবে কোঠাৰী আয়োগে কেনেধৰণৰ পৰামর্শ আগবঢ়াইছিল ?

প্রশ্ন ৩ঃ কোঠাৰী আয়োগক জাতীয় বা ৰাষ্ট্রীয় শিক্ষা আয়োগ বুলি কিয় কোৱা হয় ?

প্রশ্ন ৪ঃ শিক্ষা আধুনিকীকৰণৰ লগত কেনেদৰে জড়িত, চমুকৈ বর্ণনা কৰক।

(খ) ৰচনা ধর্মী প্রশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ভাৰতবর্ষৰ শৈক্ষিক ক্ষেত্রখনৰ সংস্কাৰত 1964-66 শিক্ষা আয়োগখনৰ স্থানৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ২ঃ 1964-66 চনৰ শিক্ষা আয়োগখনে ভাৰতবর্ষৰ উচ্চ শিক্ষাৰ উন্নতিৰ কাৰণে আগবঢ়োৱা পৰামর্শসমূহ মূল্যায়ণ কৰক।

প্রশ্ন ৩ঃ 1964-66 চনৰ শিক্ষা আয়োগখনে জাতীয় শিক্ষাৰ বিকাশৰ ক্ষেত্রত শিক্ষাৰ ভূমিকা সম্বন্ধে কেনেধৰণৰ মতামত আগবঢ়াইছে ? বর্ণনা কৰক।

প্রশ্ন ৪ঃ 1964-66 চনৰ শিক্ষা আয়োগখন নিযুক্তি দিয়াৰ প্রয়োজনীয়তাৰ ক্ষেত্রত দেশখনৰ সেইসময়ৰ অৱস্থাৰ বিষয়ে বর্ণনা কৰক।

অধ্যায় ৪ ঃ শিক্ষাৰ জাতীয় নীতি ১৯৬৮

অধ্যায় গাঁথনি

4.1 উদ্দেশ্য
4.2 পৰিচয়
4.3 চৰকাৰী নীতিৰ ঘোষণাসমূহ
4.4 শিক্ষাৰ জাতীয় নীতি সম্পৰ্কে হাতত লোৱা প্ৰস্তাৱসমূহ
4.5 1968 চনৰ শিক্ষাৰ জাতীয় নীতিৰ মূল্যাংকণ
4.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
4.7 অধিক জানিবলৈ
4.8 অগ্ৰগতিৰ খতিয়ান
4.9 আৰ্হি প্ৰশ্ন

৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি ঃ -

- 1968 চনৰ শিক্ষাৰ জাতীয় নীতি কেনেদৰে গঠন কৰা হৈছিল সেয়া ব্যাখ্যা কৰিব পাৰিব।
- চৰকাৰে ঘোষণা কৰা নীতিৰ লগত থকা মিলবোৰ জানিবলৈ সক্ষম হ'ব।
- শিক্ষাৰ জাতীয় নীতিৰ ক্ষেত্ৰত হাতত লোৱা প্ৰস্তাৱসমূহ আলোচনা কৰিব পাৰিব।
- 1968 চনৰ শিক্ষাৰ জাতীয় নীতিৰ প্ৰস্তাৱসমূহ মূল্যাংকন কৰিবলৈ সক্ষম হ'ব।

৪.২ পৰিচয়

আমি ইতিমধ্যে ইয়াৰ পূৰ্বৰ অধ্যায়টিত 'কোঠাৰী শিক্ষা আয়োগ'ৰ বিষয়ে আলোচনা কৰি আহিছোঁ। 1968 চনৰ শিক্ষাৰ জাতীয় নীতি এই আয়োগৰ অনুমোদনৰ ভিত্তিতে গঠন কৰা হৈছিল। আয়োগে অনুমোদন কৰিছিল যে ভাৰত চৰকাৰে শিক্ষাৰ জাতীয় নীতি সম্পৰ্কে এটা বিবৃতি নিৰ্দ্ধাৰণ কৰা উচিত। এই নাতিয়ে ৰাজ্য চৰকাৰবোৰক আৰু স্থানীয় শাসকসকলক শিক্ষাবিষয়ক পৰিকল্পনা প্ৰস্তুত আৰু কাৰ্যকৰী কৰাত পথ দেখু�ৱাব। 1967 চনত ভাৰত চৰকাৰে লোকসভাৰ সদস্যসকলক লৈ শিক্ষাৰ জাতীয় নীতি সম্পৰ্কে খছৱা প্ৰস্তুত কৰিবলৈ এখন সমিতি গঠন কৰিছিল। সমিতিখনে দেশৰ প্ৰায় সকলো ৰাজনৈতিক দলৰ শীৰ্ষস্থানীয় সদস্যসকলক একেলগ কৰি খছৱাখন প্ৰস্তুত কৰে। এই খছৱাখন ভাৰত চৰকাৰৰ শিক্ষা বিভাগৰ কেন্দ্ৰীয় সমিতিৰ (Central Board of Education) দ্বাৰা বিবেচিত হৈছিল। সমিতিত পৰ্যালোচনাৰ অন্তত সকলোৱে শিক্ষাৰ জাতীয় নীতি সম্পৰ্কে এক সাধাৰণ ঐক্যমতত উপনীত হৈছিল।

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি 1968 চনৰ শিক্ষাৰ জাতীয় নীতিৰ মূল প্ৰস্তাৱসমূহ অনুধাৱন কৰিবলৈ সক্ষম হ'ব।

৪.৩ চৰকাৰী নীতিৰ ঘোষণাসমূহ

ভাৰত চৰকাৰে চৰকাৰৰ নীতি ঘোষণা কৰোতে উল্লেখ কৰিছিল যে চৰকাৰে শিক্ষা আয়োগে আগবঢ়োৱা পৰামৰ্শমতে বহল অৰ্থত শিক্ষাৰ মৌলিক পুনৰ গঠনৰ প্ৰয়োজনীয়তাৰ কথাটোত বিশ্বাস কৰে। দেশৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক উন্নতিৰ তথা দেশৰ জাতীয় সংহতিৰ বাবে আৰু এখন আদৰ্শ সমাজবাদী সমাজক বুজি পাবলৈ এনে নীতিৰ প্ৰয়োজন আছে। এই পুনৰ গঠনে শিক্ষা ব্যৱস্থাটোৰ এটা পৰিবৰ্তন আনিব। ইয়াক গভীৰভাৱে মানুহৰ জীৱনৰ লগত জড়িত কৰি শিক্ষা বিষয়ক সুবিধাবোৰ বৃদ্ধি কৰিবলৈ চেষ্টা কৰিব। শিক্ষাৰ মান সকলো পৰ্যায়তে উন্নত কৰাৰ লগতে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিৰ ক্ষেত্ৰত অধিক গুৰুত্ব প্ৰদান কৰিব আৰু নৈতিক আৰু সামাজিক উন্নতি প্ৰখৰতৰ হ'ব। দেশৰ উন্নতিৰ হকে কাম কৰিব পৰাকৈ সু-নাগৰিক সৃষ্টি কৰিব পৰাটোৱেই শিক্ষাৰ মূল উদ্দেশ্য হোৱা উচিত। তেতিয়াহে শিক্ষাই সৰ্বসাধাৰণ নাগৰিকৰ ভাৱনাত আবেগ সৃষ্টি কৰিব পাৰিব আৰু এক সুসাংস্কৃতিক ভাৱধাৰা সৃষ্টি কৰি জাতীয় সংহতিক শক্তিশালী কৰিব তুলিব। যাৰ ফলত এজন নাগৰিকে নিজৰ কৰ্ত্তব্য পালন কৰি দেশৰ অগ্ৰগতিৰ ক্ষেত্ৰত সহায়ক হ'ব।

5 জানি থোৱা ভাল

1964-66 চনৰ 'কোঠাৰী শিক্ষা আয়োগ'ৰ অনুমোদনৰ আধাৰতে 1968 চনৰ শিক্ষাৰ জাতীয় নীতি গঠন কৰা হৈছিল।

৪.৪ শিক্ষাৰ জাতীয় নীতি সম্পৰ্কে হাতত লোৱা প্ৰস্তাৱসমূহ

ইতিপূৰ্বে আলোচনাৰ পৰা আমি শিক্ষাৰ জাতীয় নীতিৰ পটভূমি সম্পৰ্কে সম্যক ধাৰণা লাভ কৰিলোঁ। এতিয়া 1968 চনৰ শিক্ষাৰ জাতীয় নীতিৰ স্বভাৱ সমূহৰ বিষয়ে আলোচনা দাঙি ধৰা হ'ব। প্ৰস্তাৱসমূহ কোঠাৰী শিক্ষা আয়োগৰ পৰমাৰ্শক অনুসৰণ কৰি কৰা কাৰ্যক্ৰম হিচাপে বিবেচনা কৰিব পাৰি।

বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা —

- সংবিধানৰ 45 নং অনুচ্ছেদত থকা নিৰ্দেশাত্মক নীতি (Directive Principle) ক সোনকালে পৰিপূৰ্ণ কৰিবলৈ যৎপৰোনাস্তি চেষ্টা কৰিব লাগিব। এই অনুচ্ছেদমতে 14 বছৰলৈকে সকলো শিশুক বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা দিয়াতো বাধ্যতামূলক।
- বিদ্যালয়ত চলি থকা গতিহীন অৱস্থা আৰু প্ৰচলিত অপচয়ৰ পৰিমাণ কমোৱাৰ লগতে প্ৰত্যেকটো শিশু যাতে বিদ্যালয়ত নামভৰ্ত্তি কৰে সেয়া নিশ্চিত কৰা। তদুপৰি তেওঁ যাতে সফলতাৰে বিদ্যালয়ৰ নিৰ্দেশিত পাঠ্যবিষয় সম্পূৰ্ণ কৰিব পাৰে সেয়া সুনিশ্চিত কৰা।

শিক্ষকসকলৰ অৱস্থা, পাৰিশ্ৰমিক আৰু শিক্ষাগত অৰ্হতা —

- যিবোৰ উপাদানে শিক্ষাৰ মাত্ৰা নিৰ্দ্ধাৰণ কৰে আৰু জাতীয় উন্নতিলৈ অৰিহণা যোগায়, তাৰ ভিতৰত নিঃসন্দেহে শিক্ষকজন হৈছে সকলোতকৈ গুৰুত্বপূৰ্ণ।
- শিক্ষকজনক সমাজত এখন সন্মানৰ স্থান দিব লাগিব।
- তেওঁলোকৰ দৰমহা আৰু অন্যান্য চাকৰি সংক্ৰান্তীয় চৰ্তসমূহ - তেওঁলোকৰ যোগ্যতা আৰু দায়িত্ব অনুসৰি সঠিক আৰু সন্তোষজনক হ'ব লাগিব।
- কিছুমান ক্ষেত্ৰত শিক্ষকসকলৰ শৈক্ষিক স্বাধীনতা ৰক্ষা কৰিব লাগিব। তেওঁলোকক স্বনিৰ্ভৰশীল অধ্যয়ন আৰু গৱেষণা চলাই থাকিবলৈ আৰু প্ৰকাশ কৰিবলৈ স্বধীনতা দিব লাগিব। ৰাষ্ট্ৰীয় আৰু আৰ্ন্তজাতিক গুৰুত্বপূৰ্ণ সমস্যাৰ বিষয়ে ক'বলৈ আৰু লিখিবলৈ তেওঁলোকৰ স্বাধীনতা থাকিব লাগিব।

- শিক্ষকৰ শিক্ষা, বিশেষকৈ চাকৰিৰ সময়ত ল'বলগীয়া শিক্ষাখিনিয়ে প্ৰয়োজনীয় গুৰুত্ব পাব লাগিব।

ভাষাসমূহৰ উন্নতি —

- আঞ্চলিক ভাষাসমূহ ঃ ভাৰতীয় ভাষাসমূহ আৰু সাহিত্যৰ প্ৰৱল উন্নতি অবিহনে শিক্ষা আৰু সাংস্কৃতিক উন্নতি সম্ভৱপৰ নহয়। ইয়াৰ অবিহনে মানুহৰ সৃষ্টিমূলক শক্তিখিনি প্ৰকাশ নোপোৱাৰ লগতে শিক্ষাৰ মানদণ্ড বিকাশ নহ'লহেতেঁন। মানুহৰ মাজলৈ জ্ঞান বিয়পিব নোৱাৰিলেহেঁতেন আৰু বুদ্ধিয়ক সম্প্ৰদায় আৰু জনসাধাৰণৰ মাজত থকা ব্যৱধানখিনি বেছিবহল নহ'লেও পৰিৱৰ্তনহীন হৈ থাকিলহেতেন। আঞ্চলিক ভাষাসমূহৰ ব্যৱহাৰ কেৱল প্ৰাথমিক আৰু মাধ্যমিক স্তৰতে সীমাবদ্ধ হোৱা অনুচিত। এই আঞ্চলিক ভাষাসমূহকো যাতে বিশ্ববিদ্যালয় পৰ্যায়ত শিক্ষাৰ মাধ্যম হিচাপে ব্যৱহাৰ কৰা হয় — সেই ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হাতত ল'ব লাগে।

তিনিটা ভাষাৰ বিধিব্যৱস্থা ঃ মাধ্যমিক অৱস্থাত ৰাজ্য চৰকাৰে তিনিটা ভাষাৰ বিধি ব্যৱস্থা প্ৰণয়ন কৰিব লাগিব। সেইকেইটা হ'ল — যিকোনো এটা আধুনিক ভাৰতীয় ভাষা নাইবা পছন্দ অনুসৰি এটা দক্ষিণৰ ভাষা, আঞ্চলিক ভাষা তথা হিন্দী আৰু ইংৰাজী।

হিন্দী ঃ সহযোগী ভাষা হিচাপে হিন্দীৰ উৎকৰ্ষ সাধন কৰিবলৈ সকলো ধৰণৰ চেষ্টাৰে উৎসাহিত কৰিব লাগিব। সংবিধানৰ 351 নম্বৰ অনুচ্ছেদত উল্লেখ থকা মতে হিন্দীয়ে যাতে ভাৰতৰ মিশ্ৰিত সংস্কৃতিৰ সকলো উপাদানৰ প্ৰকাশৰ মাধ্যম হিচাপে কাম কৰিব পাৰে, সেই কথা নিশ্চিত কৰিবলৈ প্ৰয়োজনীয় যত্ন ল'ব লাগিব।

সংস্কৃত ঃ ভাৰতীয় ভাষাসমূহৰ উন্নতি আৰু বিকাশ দেশৰ সাংস্কৃতিক একতালৈ অদ্বিতীয় অৰিহণা আৰু লেখত ল'বলগীয়া গুৰুত্বখিনি বিবেচনা কৰি সংস্কৃত ভাষাক বিদ্যালয় আৰু বিশ্ববিদ্যালয় পৰ্যায়ত শিক্ষাদানৰ বাবে প্ৰায়োজনীয় সুবিধাবোৰ অধিক উদাৰভাৱে আগবঢ়াব লাগে।

আৰ্ন্তজাতিক ভাষাসমূহ ঃ ইংৰাজী আৰু অন্যান্য আৰ্ন্তজাতিক ভাষাসমূহৰ শিক্ষাৰ ক্ষেত্ৰত বিশেষ জোৰ দিয়াটো প্ৰয়োজনীয়।

শিক্ষাবিষয়ক সুবিধাৰ সমবিতৰণ —

- শিক্ষাবিষয়ক সুবিধাসমূহ সকলোৰে বাবে সমান কৰিবলৈ অহোপুৰুষাৰ্থভাৱে যত্ন কৰিব লাগিব।
- শিক্ষাগত সুবিধাৰ ক্ষেত্ৰত আঞ্চলিক অসমতাবোৰ দূৰ কৰিব লাগিব। গাওঁ আৰু অন্যান্য পিছপৰা অঞ্চল সমূহলৈ শিক্ষাবিষয়ক সুবিধা বিশেষভাৱে আগবঢ়াব লাগিব।
- সাধাৰণ বিদ্যালয়সমূহত শিক্ষাৰ মান উন্নত কৰিবলৈ চেষ্টা কৰিব লাগিব।
- ৰাজহুৱা বিদ্যালয় (Public School)ৰ দৰে সকলোবোৰ লেখত ল'বলগীয়া বিদ্যালয় মেধাৰ ভিত্তিত ল'ৰা-ছোৱালীক ভর্তি কৰিবলৈ দিব লাগিব। সমাজত বিভিন্ন শ্ৰেণীৰ মাজত থকা পাৰ্থক্য, ভিন্নতা ৰোধ কৰিবলৈ যোগ্যতা অনুসাৰে সকলোকে বিদ্যালয়ত নামভর্তি কৰিবলৈ দিব লাগিব।
- ছোৱালীৰ শিক্ষাই গুৰুত্ব পোৱা উচিত। ই কেৱল সামাজিক অন্যায়ৰ ক্ষেত্ৰত নহয় সামাজিক পৰিবৰ্তনতো উৎসাহ যোগায় আৰু দেশৰ প্ৰগতিত সহায়ক হয়। অনুন্নত সম্প্ৰদায়ৰ মাজত বিশেষকৈ জনজাতীয় মানুহৰ মাজত শিক্ষা বিস্তাৰ কৰিবলৈ বিশেষভাৱে চেষ্টা কৰিব লাগিব।
- শাৰীৰিক তথা মানসিকভাৱে বাধাগ্ৰস্ত শিশুসকলৰ বাবে শিক্ষাবিষয়ক সুবিধাবোৰ সম্প্ৰসাৰিত কৰিব লাগিব। বাধাগ্ৰস্ত শিশুসকলক স্বাভাৰিক আৰু নিয়মিতভাৱে স্কুলত পঢ়িবলৈ সক্ষম কৰিবলৈ নতুন ধৰণে শিক্ষা পদ্ধতি তৈয়াৰ কৰিব লাগিব।

প্ৰতিভাৰ চিনাক্তকৰণ ঃ শ্ৰেষ্ঠতাৰ সৃষ্টি কৰিবলৈ বিভিন্ন ক্ষেত্ৰত থকা প্ৰতিভাখিনি যিমান সোনকালে পাৰি আৰু যিমানদূৰ সম্ভৱ চিনাক্ত কৰাটো প্ৰয়োজনীয়। তদুপৰি সেয়া ভালদৰে প্ৰস্ফুটিত কৰিবলৈ প্ৰয়োজনীয় সুবিধাসমূহ প্ৰদান কৰিব লাগিব।

কৰ্ম অভিজ্ঞতা আৰু জাতীয় সেৱা ঃ বিভিন্ন ধৰণৰ উপযুক্ত আৰু প্ৰয়োজনীয় কাৰ্যক্ৰমণিকা গ্ৰহণ কৰি বিদ্যালয় আৰু সাধাৰণ ৰাইজৰ মাজত সম্ভাৱ বঢ়াব লাগিব। কৰ্ম অভিজ্ঞতা আৰু জাতীয় সেৱা শিক্ষাৰ এটা অবিচ্ছেদ্য

অংগ হ'ব লাগিব। সম্প্রদায় সেৱা আৰু জাতীয় পুনৰ গঠনৰ অৰ্থমূলক আৰু প্রত্যাহ্বান জনোৱা কার্যক্রমণিকাত অংশগ্রহণ কৰাৰ ক্ষেত্রত শিক্ষাই গুৰুত্ব দিব লাগিব। এই কার্যক্রমণিকাবোৰত পাৰস্পৰিক সহায়, চৰিত্র গঠন আৰু একধৰণৰ সামাজিক দায়িত্ববোধ পালন কৰাটো উন্নত কৰাৰ ক্ষেত্রতো জোৰ দিব লাগিব।

বিজ্ঞান শিক্ষা আৰু গৱেষণা ঃ জাতীয় অৰ্থনীতিৰ উন্নতিৰ মাত্রা বৃদ্ধি কৰাৰ বাবে বিজ্ঞান শিক্ষা আৰু গৱেষণাক বেছি অগ্রাধিকাৰ দিয়া উচিত। বিদ্যালয়ত ছাত্রাৱস্থাৰ শেষ নোহোৱালৈকে বিজ্ঞান আৰু অংক সাধাৰণ শিক্ষাৰ এক অবিচ্ছেদ্য অংগ হোৱা উচিত।

কৃষি আৰু উদ্যোগৰ কাৰণে শিক্ষা ঃ

- কৃষি আৰু উদ্যোগিক বিকাশৰ বাবে শিক্ষাই বিশেষ গুৰুত্ব দিব লাগিব।
- প্রত্যেকখন ৰাজ্যত অন্ততঃ এখন কৃষি বিশ্ববিদ্যালয় থাকিব লাগিব। এই বিশ্ববিদ্যালয়বোৰ এটা নির্দিষ্ট চৌহদত হ'ব লাগিব আৰু এই বিশ্ববিদ্যালয়ৰ অধীনত বেলেগ বেলেগ চৌহদত প্রয়োজনীয় মহাবিদ্যালয় থাকিব পাৰিব। অন্যান্য বিশ্ববিদ্যালয়সমূহেও কৃষিৰ এটা বা তাতোকৈ বেছি বিভাগৰ শিক্ষাৰ কাৰণে একোটাকৈ বিভাগ গঠন কৰিব পাৰিব। কাৰিকৰী শিক্ষাৰ ক্ষেত্রত উদ্যোগৰ ব্যৱহাৰিক প্রশিক্ষণ এটা অবিচ্ছেদ্য অংগ হ'ব লাগিব। কাৰিকৰী শিক্ষা আৰু গৱেষণা গভীৰভাৱে উদ্যোগৰ লগত জড়িত থাকিব লাগিব। তদুপৰি এই ক্ষেত্রত কাৰিকৰী শিক্ষা আৰু গৱেষণাৰ মাজত ধাৰাবাহিক সহযোগিতাৰ ব্যৱস্থা থাকিব লাগিব।

কিতাপ প্রকাশ ঃ

- শ্রেষ্ঠ সৃষ্টিশীল প্রতিভাধৰ লিখকৰ সহায়েৰে পাঠ্যপুথিৰ মান উন্নত কৰিব লাগিব। বিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ উন্নত মানৰ পাঠ্যপুথিৰ প্রকাশৰ বাবে খৰতকীয়া পদক্ষেপ হাতত ল'ব লাগিব।
- পাঠ্যপুথি সঘনে সলনি কৰাটো ত্যাগ কৰিব লাগিব। সকলোৱে যাতে সেই কিতাপবোৰ কিনিব পাৰে সেই কথালৈ লক্ষ্য ৰাখি এই পাঠ্যপুথিসমূহৰ দাম যথেষ্ট কম কৰিব লাগিব।
- কিতাপৰ স্বাধীন সমিতি প্রতিষ্ঠা কৰাৰ সম্ভাৱনা বাণিজ্যিক অৰ্থত পৰীক্ষা কৰিব লাগিব আৰু লগতে চেষ্টা কৰিব লাগিব যাতে গোটেই দেশতে একে ধৰণৰ কেইখনমান মৌলিক পাঠ্যপুথি থাকে।
- শিশুৰ কাৰণে প্রয়োজনীয় কিতাপ প্রকাশৰ লগতে আঞ্চলিক ভাষাসমূহত বিশ্ববিদ্যালয়ৰ পর্যায়ৰ কিতাপ প্রকাশ কৰাৰ ক্ষেত্রত বিশেষ মনোযোগ দিব লাগিব।

পৰীক্ষা ব্যৱস্থা ঃপৰীক্ষা ব্যৱস্থাৰ বিশ্বাসযোগ্যতা আৰু মানদণ্ড উন্নত কৰাটো পৰীক্ষা সংশোধনী ব্যৱস্থাৰ এটা প্রধান লক্ষ্য হ'ব লাগিব। তদুপৰি, মূল্যাংকণ কৰা এটা ধাৰাবাহিক পদ্ধতি থাকিব লাগিব। ছাত্র-ছাত্রীক এটা নির্দিষ্ট সময়ত তেওঁলোকে সম্পন্ন কৰা কামৰ মানৰ ভিত্তিত অর্হতাৰ প্রমাণপত্র দিয়াতকৈ, তেওঁলোকক তেওঁলোকৰ প্রাপ্তিৰ স্থৰ উন্নত কৰাত সহায় কৰাটোহে ইয়াৰ লক্ষ্য হ'ব লাগিব।

মাধ্যমিক শিক্ষা ঃ

মাধ্যমিক (আৰু উচ্চ) পর্যায়ৰ শিক্ষা বিষয়ক সুবিধা সামাজিক পৰিৱর্তন আৰু ৰূপান্তৰৰ এটা মুখ্য আহিলা স্বৰূপ। মাধ্যমিক শিক্ষাৰ কাৰণে প্রয়োজনীয় সুবিধাসমূহ সকলো ঠাইৰ সকলো মানুহৰ মাজলৈ বিস্তৃত কৰিব লাগিব। যিসকলে অতীতত এইবোৰৰ পৰা বঞ্চিত হৈ আছিল — তেওঁলোকেও যাতে এই সুবিধা পায় সেই ক্ষেত্রত বিশেষ গুৰুত্ব প্রদান কৰিব লাগিব।

শিক্ষাৰ এই স্তৰত কাৰিকৰী শিক্ষা আৰু বৃত্তিমূলক সুবিধাসমূহ বৃদ্ধি কৰাৰ প্রয়োজনীয়তা আছে। কাৰিকৰী আৰু বৃত্তিমূলক শিক্ষাৰ কাৰণে সুবিধাসমূহ উপযুক্তভাৱে বৈচিত্রপূর্ণ হ'ব লাগিব যাতে ই বহুতো ক্ষেত্রত অর্ন্তভূক্ত কৰিব পাৰে। উদাহৰণস্বৰূপে — কৃষি, উদ্যোগ, ব্যৱসায় আৰু বাণিজ্য, ঔষধ আৰু জনস্বাস্থ্য, গৃহ নিয়ন্ত্রণ, কলা আৰু শিল্পকর্ম, সচিব সংক্রান্তীয় প্রশিক্ষণ (Secretarial Training) ইত্যাদি।

বিশ্ববিদ্যালয় শিক্ষা ঃ

- এখন মহাবিদ্যালয় বা বিশ্ববিদ্যালয়ৰ গৱেষণাগাৰ, পুথিভঁৰাল আৰু অন্যান্য সুবিধা আৰু কর্মচাৰীসকলৰ

সমর্থৰ ওপৰত ভিত্তি কৰি মহাবিদ্যালয় বা বিশ্ববিদ্যালয়খনৰ প্রতিটো বিভাগত ভর্তি কৰিব লগা পুর্ণকালীন ছাত্র- ছাত্রীসকলৰ (Full time students) সংখ্যা নিশ্চিত কৰিব লাগিব।

- নতুন বিশ্ববিদ্যালয় স্থাপন কৰাতে পর্যাপ্ত পুঁজিৰ ব্যৱস্থা কৰাৰ পিছতহে আৰম্ভ কৰিব লাগে আৰু সঠিক মান নিশ্চিত কৰিবলৈ প্রয়োজনী যত্ন ল'ব লাগে।
- স্নাতকোত্তৰ পাঠ্যক্রমৰ প্রতিষ্ঠানত প্রতিষ্ঠা কৰাৰ ক্ষেত্রত বিশেষধৰণে মনোযোগ দিব লাগিব। তদুপৰি এই পর্য্যায়ত প্রশিক্ষণ আৰু গৱেষণাৰ মান উন্নত কৰাৰ ক্ষেত্রটো বিশেষ মনোযোগ দিয়া উচিত।
- উন্নত শিক্ষাৰ কেন্দ্র শক্তিশালী কৰিব লাগিব আৰু গৱেষণা আৰু প্রশিক্ষণত সম্ভাৱনীয় শ্রেষ্ঠ উৎকর্ষৰ পৰিমাণক লক্ষ্য কৰি কিছুসংখ্যক "কেন্দ্রৰ থূপ" (Clusters of centres) স্থাপন কৰা উচিত।
- বিশ্ববিদ্যালয়ত গৱেষণাক বিশেষ গুৰুত্ব দিয়াৰ প্রয়োজন আছে। গৱেষণাৰ বাবে থকা অনুষ্ঠানসমূহে যিমান দূৰ সম্ভৱ বিশ্ববিদ্যালয়ৰ ভিতৰত বা ইয়াৰ লগত ঘনিষ্ঠ অনুষ্ঠানসমূহৰ লগত কাম কৰা উচিত।

অংশকালীন শিক্ষা আৰু দূৰ শিক্ষা ব্যৱস্থা (Correspondence Course)

বিশ্ববিদ্যালয় পর্যায়ত বহল অর্থত অংশকালীন শিক্ষা আৰু দূৰ শিক্ষাৰ মান উন্নত কৰিব লাগিব। মাধ্যমিক বিদ্যালয়ৰ ছাত্র-ছাত্রীসকলৰ বাবে, শিক্ষকসকলৰ বাবে আৰু কৃষি বিষয়ক, শিল্প সম্বন্ধীয় আৰু দূৰসংযোজন শিক্ষাক পূর্ণকালীন শিক্ষাৰ সমমর্যদাৰ দিয়া উচিত। এই সুবিধাসমূহ বিশেষ কাৰণত উচ্চ শিক্ষা লাভ কৰিবলৈ অক্ষম হোৱা ব্যক্তিসকলৰ শিক্ষা লাভৰ সহায়ক হ'ব।

খেল-ধেমালি ঃ বহল অর্থত খেল-ধেমালিৰ মান উন্নতি কৰিব লাগিব। বিদ্যালয়ৰ প্রত্যেকজন ছাত্র তথা খেল-ধেমালিত শ্রেষ্ঠ ছাত্র-ছাত্রীসকলৰ শাৰীৰিক সুস্থতা আৰু খেলুৰৈসুলভ মনোভাৱ যাতে উন্নত হয় — সেই লক্ষ্য আগত ৰাখিব লাগিব।

সংখ্যালঘুসকলৰ শিক্ষা ঃ সংখ্যালঘুসকলৰ অধিকাৰসমূহ ৰক্ষা কৰাৰ লগতে তেওঁলোকৰ মাজত শিক্ষাৰ প্রসাৰৰ বাবে সকলো ধৰণৰ চেষ্টা কৰিব লাগিব। *ৰাজ্যৰ মুখ্যমন্ত্রীসকল আৰু কেন্দ্রীয় মন্ত্রীসকলে সম্মিলিতভাৱে 1961* চনৰ আগষ্ট মাহত হোৱা আলোচনাৰ অন্তত প্রকাশ কৰা বিবৃতি তথা পৰামর্শমতে এই ক্ষেত্রত অগ্রসৰ হ'ব লাগিব।

শিক্ষাবিষয়ক গাঁঠনি ঃ

দেশৰ সকলো অংশত একে ধৰণৰ শৈক্ষিক গাঁঠনি প্রণয়ন হ'লে সকলোৰে বাবে সুবিধাজনক হ'ব। 10ÙÂ2ÙÂ3 আদর্শ অৱলম্বণ কৰাটো চূড়ান্ত লক্ষ্য হ'ব লাগিব। উচ্চতৰ মাধ্যমিক শিক্ষা দুবছৰীয়া হ'ব লাগিব আৰু এই শিক্ষা বিদ্যালয়ত, মহাবিদ্যালয়ত বা স্থানীয় চর্তৰ ভিত্তিত নির্ভৰ কৰি দুয়ো ঠাইতে প্রদান কৰিব পাৰিব।

5 জানি থোৱা ভাল

1961 চনৰ ৰাজ্যসমূহৰ মুখ্যমন্ত্রী তথা কেন্দ্রীয় মন্ত্রী সকলৰ সম্মিলন ঃ

1961 চনৰ আগষ্ট মাহৰ 11 আৰু 12 তাৰিখে নতুন দিল্লীত ৰাজ্যসমূহৰ মুখ্যমন্ত্রী তথা কেন্দ্রীয় মন্ত্রীসকলৰ এখন সম্মিলন অনুষ্ঠিত হৈছিল। দেশৰ প্রধানমন্ত্রী আছিল এই সম্মিলনৰ অধ্যক্ষ। এই সম্মিলন আলোচনাৰ মূল বিষয় আছিল ভাষা আৰু ইয়াৰ বিবিধ ৰেহৰূপ। এই সম্মিলনত ভাষিক সংখ্যালঘুসকলৰ অধিকাৰ ৰক্ষা আৰু তেওঁলোকৰ মাজত শিক্ষাৰ সম্প্রসাৰৰ বাবেও কিছুমান বিশেষ নীতি নির্দ্ধাৰণ কৰা হয়। এই সম্মিলনত নির্দ্ধাৰিত সেইকেইযটা দফা হ'ল —

- ভাষিক সংখ্যালঘুসকলৰ বাবে প্রাথমিক শিক্ষা আৰু মাধ্যমিক শিক্ষাক প্রাধান্য দিব লাগিব।
- সংখ্যালঘু ভাষা ব্যৱহাৰ হোৱা স্কুল-কলেজসমূহে ৰাজ্যৰ বাহিৰৰ বিশ্ববিদ্যালয়ৰো মঞ্জুৰী প্রাপ্ত হ'ব পাৰে।
- ৰাজ্য এখনৰ কোনো এখন জিলাৰ প্রায় 60% মানুহে ৰাজ্যখনৰ ৰাজ্যিক ভাষাৰ বাদে বেলেগ ভাষা ব্যৱহাৰ কৰিলে সেয়া জিলাখনৰ সংখ্যালঘু ভাষা হিচাপে চিহ্নিত হ'ব। তদুপৰি সেই জিলাখনৰ বাবে ৰাজ্যিক ভাষাৰ উপৰি সেই ভাষাটি কার্যালয়ৰ ভাষা হিচাপেও ব্যৱহাৰ কৰিব লাগিব।

- কোনো এখন জিলা নাইবা পৌৰসভাৰ ভিতৰত যদি 15–20% ভাষিক সংখ্যালঘু বাস কৰে, তেন্তে তেওঁলোকে ৰাজ্যিক ভাষাৰ উপৰি নিজৰ ভাষাত ছপা কৰা চৰকাৰী জাননী বা নীতি-নিয়মৰ প্ৰতিলিপি পাব লাগিব ইত্যাদি।

স্বাক্ষৰতা আৰু প্ৰাপ্তবয়স্কৰ বাবে শিক্ষাৰ প্ৰসাৰ

দেশৰ নিৰক্ষৰতাৰ হাৰ হ্ৰাস কৰাৰ প্ৰয়োজনীয়তা আছে। কাৰণ ই কেৱল দেশৰ গণতান্ত্ৰিক প্ৰতিষ্ঠানত সহযোগ কৰা ব্যক্তিৰ সংখ্যা বৃদ্ধিয়েই নকৰে দেশৰ উন্নতি আৰু প্ৰগতিৰো সহায় কৰে। বিশেষভাৱে কৃষিখণ্ডৰ বিকাশেৰে দেশৰ প্ৰগতিৰ সহায়ক হয়। সেইবাবে বিভিন্ন ঔদ্যোগিক তথা অন্যান্য ক্ষেত্ৰ সমূহৰ লগত জড়িত ব্যক্তিসকলক যিমান সোনকালে পাৰি শিক্ষিত কৰি তোলা দৰকাৰ। এই ক্ষেত্ৰত ৰাজহুৱা ঔদ্যোগিক বিকাশৰ দায়িত্ব লোৱা ব্যক্তিসকলে নেতৃত্ব লোৱাৰ প্ৰয়োজনীয়তা আছে। তদুপৰি স্বাক্ষৰতাৰ হাৰ বৃদ্ধিৰ বাবে শিক্ষক তথা ছাত্ৰ-ছাত্ৰীসকলেও প্ৰত্যক্ষভাৱে, সক্ৰিয়ভাৱে এই অভিযানত জড়িত হ'ব লাগিব।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ 1968 চনৰ শিক্ষাৰ জাতীয় নীতিৰ যিকোনো পাঁচটা প্ৰস্তাৱ উল্লেখ কৰক।

.....

.....

৪.৫ ১৯৬৮ চনৰ শিক্ষাৰ জাতীয় নীতিৰ মূল্যাংকণ

দেশৰ প্ৰত্যেকটো অংশত শিক্ষাৰ জাতীয় নীতিক আদৰি লোৱা হৈছিল। উল্লেখযোগ্য যে এই নীতিৰ কিছুমান বিশেষ বৈশিষ্ট থকাৰ দৰে কেইটামান অসংগতিও আছে। তলত এই বিষয়ে বহলাই আলোচনা কৰা হ'ল —

- শিক্ষাৰ প্ৰসাৰৰ কাৰণে স্বাধীন ভাৰতত এইটো এটা অত্যন্ত ঐতিহাসিক গুৰুত্বপূৰ্ণ ঘটনা।
- দেশৰ শিক্ষা ব্যৱস্থাক এক ধৰণৰ নতুন গতি দিবলৈ চেষ্টা কৰাৰ ক্ষেত্ৰত এইটোৱেই আছিল প্ৰথম পদক্ষেপ।
- এই নীতিত পৰিকল্পনা কৰা তিনিটা ভাষাৰ বিধি-ব্যৱস্থা জাতীয় ঐক্য আৰু সংহতিৰ দৃষ্টিকোণৰ পৰা অতি গুৰুত্বপূৰ্ণ।
- শিক্ষা বিষয়ক সুবিধাৰ সমতা নিশ্চিত কৰাটো প্ৰশংসনীয়।
- 1968 চনৰ এই নীতিৰ জৰিয়তে শিক্ষাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ দায়িত্ব সম্পূৰ্ণভাৱে বুজি পোৱা গৈছিল।
- সকলো অৱস্থাতে শিক্ষাৰ মান উন্নত কৰাটো সম্পূৰ্ণৰূপে স্বীকাৰ কৰা হৈছিল।
- এই নীতিটোক এই কাৰণে সমালোচনা কৰা হৈছে যে — ই বহুত ক্ষেত্ৰত এক স্পষ্ট ধাৰণা দাঙি ধৰিব পৰা নাই, তদুপৰি ই একে সময়তে বহুত বেছি বিষয়ত গুৰুত্ব প্ৰদান কৰিছে।
- নীতিটোৱে সংখ্যালঘুসকলক শিক্ষাবিষয়ক বিশেষ সুবিধা প্ৰদান কৰাৰ অভিমত দাঙি ধৰিছে। কিন্তু "সংখ্যালঘু" শব্দটো প্ৰয়োগে তেওঁলোকৰ উন্নতিৰ অন্তৰায় হ'ব পাৰে। তেওঁলোককো সাধাৰণ নাগৰিক হিচাপে বিবেচনা কৰা উচিত।
- তিনিটা ভাষাৰ বিধি ব্যৱস্থাক "ৰাজনৈতিক মীমাংসা" হিচাপে সমালোচনা কৰা হৈছে। এইটো কোৱা হৈছে যে — কোনেও অন্তৰৰ পৰা ইয়াক গ্ৰহণ কৰা নাই আৰু ছাত্ৰ-ছাত্ৰীসকলেও তৃতীয় ভাষাটো তেওঁলোকৰ ওপৰত জাপি দিয়া এটা বোজা হিচাপেহে গ্ৰহণ কৰিব।

5 জানি থোৱা ভাল

শিক্ষা আয়োগে শিক্ষাৰ মৌলিক পুনৰ গঠনৰ বাবে অনুমোদন কৰা মূল কাৰণসমূহ হ'ল—

- শিক্ষা ব্যৱস্থাটোক বেছি গভীৰভাৱে মানুহৰ জীৱনৰ লগত সংপৃক্ত কৰিবলৈ যত্ন কৰা।
- শিক্ষাবিষয়ক সুবিধাবোৰ বিস্তৃত কৰিবলৈ ধাৰাবাহিকভাৱে চেষ্টা কৰা।
- সকলো অৱস্থাৰ মানুহৰ মাজত শিক্ষাৰ সমবিতৰণ কৰিবলৈ গভীৰ আৰু ধাৰাবাহিক চেষ্টা কৰা।
- বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ উন্নতিত গুৰুত্ব দিয়া।
- নৈতিক আৰু সামাজিক মূল্যবোধ গঠন কৰাত গুৰুত্ব প্ৰদান কৰা।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ শিক্ষাৰ জাতীয় নীতিত (1968) অন্তৰ্ভুক্ত শিক্ষাৰ মৌলিক পুনৰ গঠনৰ বাবে শিক্ষা আয়োগে (1964–66) অনুমোদন কৰা পাঁচটা দফা লিখক।

.....

.....

2 ৪.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- ভাৰত চৰকাৰে 1968 চনত শিক্ষাৰ জাতীয় নীতি সম্পৰ্কে প্ৰস্তাৱ প্ৰকাশ কৰিছিল। ইযাৰ প্ৰধান লক্ষ্যসমূহ আছিল —
  - বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা
  - শিক্ষকসকলৰ অৱস্থা, পাৰিশ্ৰমিক আৰু শিক্ষাগত অৰ্হতা
  - ভাষাসমূহৰ উন্নতি
  - শিক্ষা বিষয়ক সুবিধাৰ সমবিতৰণ
  - প্ৰতিভাৰ চিনাক্তৰণ
  - কৰ্ম অভিজ্ঞতা আৰু জাতীয় সেৱা
  - বিজ্ঞান শিক্ষা আৰু গৱেষণা
  - কৃষি আৰু উদ্যোগৰ কাৰণে শিক্ষা
  - কিতাপ প্ৰকাশ
  - পৰীক্ষা ব্যৱস্থা
  - মাধ্যমিক শিক্ষা
  - বিশ্ববিদ্যালয়ৰ শিক্ষা
  - অংশকালীন শিক্ষা আৰু দূ�ৰ শিক্ষা ব্যৱস্থা
  - সাক্ষৰতা আৰু প্ৰাপ্তবয়স্কৰ শিক্ষাৰ প্ৰসাৰ
  - খেল-ধেমালি
  - সংখ্যালঘু সকলৰ শিক্ষা
  - শিক্ষাবিষয়ক গাঁথনি

- **শিক্ষানীতিৰ মূল বক্তব্যসমূহ হ'ল —**
  শিক্ষা আয়োগে শিক্ষাৰ মৌলিক পুনৰ গঠনৰ বাবে অনুমোদন কৰা মূল ব্যৱস্থাসমূহ হ'ল—
  - শিক্ষা ব্যৱস্থাটোত বেছি গভীৰভাৱে মানুহৰ জীৱনৰ লগত সংপৃক্ত কৰিবলৈ যত্নপৰ হোৱা।
  - শিক্ষা বিষয়ক সুবিধাবোৰ সম্প্রসাৰিত কৰিবলৈ অবিৰামভাৱে চেষ্টা কৰা।
  - সকলো পৰিস্থিতিত শিক্ষাৰ সমবিতৰণ কৰিবলৈ এক গভীৰ আৰু অবিৰত চেষ্টা কৰা।
  - বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ উন্নতিত অধিক গুৰুত্ব আৰোপ।
  - নৈতিক আৰু সামাজিক মূল্যবোধ গঢ় দিয়াত গুৰুত্ব প্রদান কৰা।

৪.৭ অধিক জানিবলৈ

১) বৰুৱা, যতীন ঃ ভাৰতীয় শিক্ষাৰ ইতিহাস অধ্যয়ন
লয়ার্চ বুকচষ্টল, গুৱাহাটী-1
২) ডেকা, বীৰেন্দ্র আৰু অন্যান্য ঃ ভাৰতীয় শিক্ষাৰ ইতিহাস
অসম বুক ডিপো, গুৱাহাটী-1

৪.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ

(ক) বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা
(খ) মাধ্যমিক শিক্ষা
(গ) বিশ্ববিদ্যালয়ৰ শিক্ষা
(ঘ) প্রাপ্তবয়স্কৰ শিক্ষা
(ঙ) বিজ্ঞান শিক্ষা আৰু গৱেষণা

২ নং প্রশ্নৰ উত্তৰ ঃ

- শিক্ষা ব্যৱস্থাটোক বেছি গভীৰভাৱে মানুহৰ জীৱনৰ লগত সংপৃক্ত কৰিবলৈ এই ব্যৱস্থাটোৰ পৰিবর্তন সাধন কৰা।
- শিক্ষা বিষয়ক সুবিধাবোৰ সম্প্রসাৰিত কৰিবলৈ অবিৰাম চেষ্টা কৰা।
- সকলো পৰিস্থিতিত শিক্ষাৰ সমবিতৰণ কৰিবলৈ এক গভীৰ আৰু অবিৰত চেষ্টা কৰা।
- বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ উন্নতিত অধিক গুৰুত্ব আৰোপ কৰা।
- নৈতিক আৰু সামাজিক মূল্যবোধ গঢ় দিয়াত গুৰুত্ব প্রদান কৰা।

৪.৯ আহিঁ প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ মুক্ত আৰু বাধ্যতামূলক শিক্ষাৰ ক্ষেত্রত শিক্ষাৰ জাতীয় নীতি 1968 চনত উল্লেখ কৰা মূল দুটা পৰামর্শ কি কি?

প্ৰশ্ন ২ঃ শিক্ষাত, শিক্ষাৰ জাতীয় নীতিৰ তিনিটা ভাষাৰ বিধিব্যৱস্থা কি কি?

প্ৰশ্ন ৩ঃ শিক্ষাত সমসুবিধা প্ৰদানৰ ক্ষেত্ৰত শিক্ষাৰ জাতীয় নীতিয়ে আগবঢ়োৱা মূল পৰামৰ্শ সমূহ কি কি আছিল?

প্ৰশ্ন ৪ঃ বিশ্ববিদ্যালয় শিক্ষাৰ ক্ষেত্ৰত 1968 চনৰ শিক্ষাৰ জাতীয় নীতিয়ে আগবঢ়োৱা মূল পৰামৰ্শসমূহ কি কি?

(খ) ৰচনা ধৰ্মী প্ৰশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ 1968 চনৰ শিক্ষাৰ জাতীয় নীতিয়ে হাতত লোৱা গুৰুত্বপূৰ্ণ প্ৰস্তাৱসমূহৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ২ঃ শিক্ষাৰ জাতীয় নীতিৰ দ্বাৰা কি দৰে আমাৰ শিক্ষা ব্যৱস্থাটোৰ উন্নতি হ'ব? উদাহৰণসহ বাখ্যা কৰক।

অধ্যায় ৫ ঃ ৰাষ্ট্ৰীয় শিক্ষানীতি, ১৯৮৬-১৯৯২

অধ্যায় গাঁথনি

5.1 উদ্দেশ্য
5.2 পৰিচয়
5.3 ৰাষ্ট্ৰীয় শিক্ষানীতি
  5.3.1 ৰাষ্ট্ৰীয় শিক্ষানীতিৰ উদ্দেশ্যসমূহ
  5.3.2 ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বিভিন্ন পৰামৰ্শসমূহ
5.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
5.5 অধিক জানিবলৈ
5.6 অগ্ৰগতিৰ খতিয়ান
5.7 আৰ্হি প্ৰশ্ন

৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাষ্ট্ৰীয় শিক্ষানীতিৰ উদ্দেশ্যসমূহ চিনাক্ত কৰিব পাৰিব।
- ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বিভিন্ন পৰামৰ্শসমূহ আৰু কৰ্মৰ আঁচনি সম্পৰ্কে ধাৰণা কৰিব পাৰিব।

৫.২ পৰিচয়

এখন গণতান্ত্ৰিক ৰাষ্ট্ৰত গণতান্ত্ৰিকৰণ শিক্ষাৰ প্ৰয়োজন। সকলোৰে বাবে শিক্ষাৰ লক্ষ্যত উপনীত হোৱাৰ বাবে ভাৰত চৰকাৰে বৰ্তমানলৈ বহুবোৰ কাৰ্যপন্থা হাতত লোৱাৰ লগতে নানাধৰণেৰে প্ৰচেষ্টা চলাই আহিছে। নীতি প্ৰয়োগৰ মাধ্যমত চৰকাৰে ভবিষ্যত কাৰ্যপন্থাৰ বাবে নিৰ্দেশনা আগবঢ়াইছে আৰু কিছুমান গ্ৰহণযোগ্য লক্ষ্যৰ উপলব্ধি কৰাইছে। এখন গণতান্ত্ৰিক সমাজত লক্ষ্য নিৰ্ধাৰিত হয় জনসাধাৰণৰ বিভিন্ন দিশৰ কল্যাণৰ অৰ্থে। ভাৰতীয় ৰাষ্ট্ৰ আৰু ভাৰতীয় সমাজৰ সৰ্বাঙ্গসুন্দৰতাৰ বাবে ৰাষ্ট্ৰীয় আৰু স্থানীয় পৰ্যায়ত শিক্ষাৰ ক্ষেত্ৰত নিৰ্দিষ্টভাৱে নিৰ্বাচিত পন্থা থাকিব লাগে। আনকি অতীত ভাৰতৰ ইতিহাসত চৰকাৰৰ প্ৰশাসনীয় নীতিত শিক্ষাই গুৰুত্বপূৰ্ণ স্থান দখল কৰিছিল। আমি ইতিমধ্যে জানিবলৈ সক্ষম হৈছো যে তেনেধৰণৰ প্ৰচেষ্টা আৰু পন্থাসমূহ ভাৰতবৰ্ষৰ স্বাধীনোত্তৰ কালতো অবিৰতভাৱে চলি আছে। এই অধ্যায়টোত আমি ভাৰত চৰকাৰে শিক্ষাৰ ক্ষেত্ৰত গণতান্ত্ৰিক ধাৰণা আনিবলৈ লোৱা প্ৰচেষ্টাসমূহক আলোচনা কৰিম। ৰাষ্ট্ৰীয় শিক্ষানীতি 1986 আৰু 1992 চনৰ সংশোধিত নীতিৰ জৰিয়তে যাক কৰ্মৰ আঁচনি হিচাপে জনা যায়।

৫.৩ ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনি ১৯৯২ (National Policy of Education 1986 and POA, 1992)

1968 চনত যেতিয়া নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি আমাৰ দেশৰ শৈক্ষিক ছবিখনৰ উন্নতি সাধনৰ অৰ্থে প্ৰকল্পিত কৰা হৈছিল সেইসময়ত তলত দিয়া কথাফাঁকিৰ অনুসৰণ কৰা হ'ব বুলি উল্লেখ আছিল—

"নতুন নীতিসমূহ আৰু আঁচনিসমূহৰ বিকাশ আৰু কর্ম সম্পাদন কৰিবলৈ পাঁচ বছৰীয়া পুনৰীক্ষণ"— এই উক্তিটোৰ ক্ষেত্রত প্রত্যেকটো নতুন পাঁচ বছৰীয়া পৰিকল্পনাৰ নীতি প্রস্তুত কৰাৰ সময়ত পুনৰীক্ষণ কৰিবলগীয়া হয়। পুনৰীক্ষণৰ মাধ্যমত অসুবিধাসমূহ বা ৰৈ যোৱাখিনিৰ লগতে শিক্ষাৰ ক্ষেত্রত বিকাশ লভাখিনিৰ সমীক্ষা লোৱা হয় আৰু আগত পাঁচ বছৰৰ বাবে কিছুমান পৰিকল্পনা বা আঁচনি চূড়ান্তভাৱে নিশ্চিত কৰা হয়। নীতি আৰু আঁচনিসমূহ প্রস্তুত কৰাৰ মাধ্যমেৰে প্রত্যেকখন ৰাষ্ট্রই শিক্ষা ব্যৱস্থাৰ উন্নতি সাধিবলৈ বিচাৰে। এনে ধাৰণাৰ মাধ্যমেৰে ৰাষ্ট্রখনে ইয়াৰ অতুলনীয় সামাজিক তথা সাংস্কৃতিক চিনাকিক উন্নত কৰি প্রকাশ কৰিবলৈ আৰু সময়ৰ প্রত্যাহ্বানৰ দাবী পূৰণ কৰিবলৈ বিচাৰে।

1986 চনৰ ৰাষ্ট্রীয় শিক্ষানীতি আছিল 1985 চনৰ কেন্দ্রীয় চৰকাৰৰ বাজেট অধিবেশনত কৰা আলোচনাৰ পুনৰীক্ষণৰ ফলশ্রুতি। সেই সময়ত ভাৰতবর্ষৰ প্রধানমন্ত্রী আছিল প্রয়াত ৰাজীৱ গান্ধী। পুনৰ 1990 চনৰ মে' মাহত আচার্য ৰামমূর্তিৰ অধ্যক্ষতাত 1986 চনৰ ৰাষ্ট্রীয় শিক্ষানীতিটো পুনৰীক্ষণ কৰিবলৈ এখন কমিটি গঠন কৰি দিয়া হয় আৰু সংশোধন কৰি পৰামর্শ আগবঢ়াবলৈ কোৱা হয়। 1991 চনত 'কেন্দ্রীয় শিক্ষা উপদেষ্টা পৰিষদে' অন্ধ্রপ্রদেশৰ মুখ্যমন্ত্রী শ্রীএন জনাধন ৰেড্ডীক সভাপতি হিচাপে লৈ এখন সমিতি গঠন কৰে। কমিটিখন গঠন কৰাৰ মূল উদ্দেশ্য হ'ল নতুন ৰাষ্ট্রীয় শিক্ষানীতি সংশোধনীৰ বাবে বিবেচনা কৰা আৰু ৰামমূর্তি কমিটিৰ প্রতিবেদনখনো বিবেচনা কৰিবলৈ লোৱা। ইয়াৰ উপৰিওঁ নীতিটোৰ লগত জড়িত থকা আন বিকাশখিনিকো পর্যবেক্ষণ কৰা। কমিটিখনে 1992 চনৰ জানুৱাৰী মাহত ইয়াৰ প্রতিবেদন দাখিল কৰিছিল যিখনক 1992 চনৰ 'কর্মৰ আঁচনি' হিচাপে জনা যায়। এই নীতিটোৱে জাতীয় বিকাশৰ উন্নতি সাধন, সাধাৰণ নাগৰিকত্বৰ ধাৰণা আয়ত্বকৰণ আৰু সংস্কৃতি আৰু জাতীয় সংহতিৰ শক্তিশালীকৰণক লক্ষ্য হিচাপে লৈছিল। ৰাষ্ট্রীয় শিক্ষানীতিয়ে শিক্ষা ব্যৱস্থাৰ সামগ্রীক পুনৰ গঠন, সকলো পর্যায়ৰ গুণগত মানৰ উন্নতিকৰণ, বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ ওপৰত অধিক গুৰুত্ব আৰোপ, নৈতিক মূল্যবোধৰ কর্ষণ আৰু শিক্ষা আৰু মানুহৰ জীৱনৰ মাজত গভীৰ সম্বন্ধ স্থাপন আদিৰ দৰে দিশবোৰৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ প্রয়োজনীয়তাবোধ কৰিছিল।

৫.৩.১ ৰাষ্ট্রীয় শিক্ষানীতিৰ উদ্দেশ্যসমূহ আৰু কর্মৰ আঁচনি (Objectives of National Policy of Education and POA)

ৰাষ্ট্রীয় শিক্ষানীতি 1986 আৰু 'কর্মৰ আঁচনি' 1992 ৰ মূল উদ্দেশ্য আছিল এটা জাতীয় শিক্ষা ব্যৱস্থা গঢ়ি তোলা। শিক্ষানীতিয়ে বিচাৰিছিল যে জাতি, ধর্ম, লিংগ নির্বিশেষে সকলোধৰণৰ শিক্ষার্থীয়ে তুলনামূলক গুণৰ শিক্ষা লাভ কৰিবলৈ সমর্থবান হওঁক। প্রকৃতপক্ষে শিক্ষানীতিৰ উদ্দেশ্যসমূহ কেইবাটাওঁ দিশত ভাগ কৰিব পৰা যায়।

- **প্রাথমিক শিক্ষা সন্দর্ভত,** 1986 চনৰ ৰাষ্ট্রীয় শিক্ষানীতিৰ উদ্দেশ্যসমূহ তলত দিয়াধৰণৰ আছিল—
  - সার্বজনীন নামভর্তিকৰণ,
  - সার্বজনীন সংৰক্ষণ প্রতিটো শিশুৰ 14 বছৰ বয়সলৈ,
  - গুণগত শিক্ষাৰ সম্ভৰপৰ বিকাশ কৰি শিক্ষণৰ প্রয়োজনীয় পর্যায় যাতে সকলো শিক্ষার্থীয়ে পাবলৈ সক্ষম হয়।
- **মাধ্যমিক শিক্ষা সন্দর্ভত** ৰাষ্ট্রীয় শিক্ষানীতিয়ে মাধ্যমিক শিক্ষাৰ গুণগত মান উন্নয়ন কৰাত গুৰুত্ব আৰোপ কৰিছিল। মাধ্যমিক শিক্ষাৰ অনুষ্ঠানৰ যিমানখিনিত পাৰি কম্পিউটাৰ স্বাক্ষৰতাৰ ওপৰত গুৰুত্ব দিব লাগে যাতে শিক্ষার্থীসকল কম্পিউটাৰ শিক্ষাৰ ক্ষেত্রত পৰিপক্ক হৈ পৰে।
- **উচ্চশিক্ষা সন্দর্ভত** ৰাষ্ট্রীয় শিক্ষানীতি 1986 আৰু কর্মৰ আঁচনি 1992 য়ে গুৰুত্ব আৰোপ কৰিছিল যে ব্যক্তিসকলক উচ্চশিক্ষা দিয়া হওঁক যাতে ইয়াৰ মাজেৰে তেওঁলোকে জটিল সামাজিক, অর্থনৈতিক, সাংস্কৃতিক, নৈতিক আৰু আধ্যাত্মিক দিশৰ প্রতিফলন ঘটাবলৈ সুবিধা পায়।

- ৰাষ্ট্ৰীয় শিক্ষানীতি 1986 আৰু কৰ্মৰ আঁচনি 1992ৰ মূল উদ্দেশ্যত কোৱা হৈছে যে শিক্ষাই সামাজিক আৰু আঞ্চলিক অ-ভাৰসাম্যতাৰ সংশোধন মহিলাসকলৰ সবলীকৰণ আৰু সুবিধাহীনৰ লগতে সংখ্যালঘুসকলে যাতে প্ৰকৃত স্থান লাভ কৰিবলৈ সক্ষম হয় সেই বিষয়ত যোগাত্মক দৃষ্টিভংগীৰ লগতে পদক্ষেপ ল'ব পৰা ভূমিকা গ্ৰহণ কৰিব লাগিব। চৰকাৰে শিক্ষা যাতে সকলোৱে পায় বা 'সকলোৰে বাবে শিক্ষাৰ' ব্যৱস্থা কৰিবলৈ শক্তিশালীভাৰে ভূমিকা ল'ব লাগিব। এইক্ষেত্ৰত গুৰুত্ব দিবলগীয়া ক্ষেত্ৰবোৰ হ'ব, মুক্ত আৰু বাধ্যতামূলক শিক্ষা, বিশেষ প্ৰয়োজন থকা শিশুবোৰক সামৰি লোৱা, নিৰক্ষৰতা আঁতৰোৱা, মহিলাৰ সমতাৰ বাবে শিক্ষা, অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু সংখ্যালঘুসকলৰ বাবে শিক্ষা।
- ৰাষ্ট্ৰীয় শিক্ষানীতিত উল্লেখ কৰা শিক্ষানীতিয়ে, বৃত্তিমুখী শিক্ষাৰ বিকাশ সাধন আৰু বৃদ্ধিকৰণ, বয়স্কসকলৰ শিক্ষা, মানসিকভাবে আৰু শাৰিৰীকভাবে বাধাগ্ৰস্তসকলৰ বাবে শিক্ষা, অনানুষ্ঠানিক শিক্ষা, মুক্ত বিশ্ববিদ্যালয়সমূহ আৰু দূৰ শিক্ষণ, গ্ৰাম্য বিশ্ববিদ্যালয়, আগতীয়া বাল্যকালৰ যতন আৰু শিক্ষা, চাকৰিৰপৰা উপাধিৰ সম্বন্ধহীনতা আদিকো উদ্দেশ্যৰ ভিতৰত সামৰি লৈছে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ প্ৰাথমিক শিক্ষাৰ সন্দৰ্ভত ৰাষ্ট্ৰীয় শিক্ষানীতিৰ উদ্দেশ্যসমূহ কি কি আছিল ?

.....

.....

প্ৰশ্ন নং ২ ঃ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে উচ্চ শিক্ষাৰ ক্ষেত্ৰত উল্লেখ কৰা মূল উদ্দেশ্য কি আছিল ?

.....

.....

৫.৩.২ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ বিভিন্ন পৰামৰ্শাৱলীসমূহ (Various Recommendations of National Policy of Education)

1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ মূল উদ্দেশ্যসমূহ আৰু 1992 চনৰ সংশোধিত নীতিৰ বিষয়ে আলোচনা কৰাৰ পিছত শিক্ষানীতিৰ পৰামৰ্শসমূহক তলত দিয়াধৰণেৰে 24 টা অধ্যায়ত ভাগ কৰিবপৰা যায়—

অধ্যায় - ১ আগতীয়া বাল্যকালৰ যতন আৰু শিক্ষা (Early Childhood Care and Education)

চৰকাৰে বিকাশ সেৱা, বালৱাড়ী, ৰাজ্যিক চৰকাৰ আৰু পৌৰ প্ৰশাসনসমূহৰ প্ৰাক প্ৰাথমিক বিদ্যালয়সমূহ, দিবা যতন কেন্দ্ৰসমূহ, শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহ আৰু প্ৰাক প্ৰাথমিক শিক্ষাৰ বাবে বৰ্তমান থকা সুবিধাসমূহ শক্তিশালী কৰি মনোযোগ বৃদ্ধি কৰা উচিত। ইয়াৰ উপৰিওঁ চোৱাচিতা ব্যৱস্থাৰ লগতে মূল্যায়ন ব্যৱস্থা শক্তিশালী কৰা উচিত।

অধ্যায়-২ প্ৰাথমিক শিক্ষা, অনানুষ্ঠানিক শিক্ষা আৰু কৃষ্ণফলি আঁচনি (Elementary Education, Non formal Education and Operation Blackboard)

প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত দুটা দিশৰ ওপৰত গুৰুত্ব দিয়া হ'ব— (ক) সাৰ্বজনীন নামভৰ্তিকৰণ আৰু 14 বছৰ বয়সলৈ শিক্ষানুষ্ঠানত উপস্থিতি (খ) শিক্ষাৰ গুণগত দিশৰ বিষয়াত্মক উন্নীতকৰণ। শিশুসকলক শিক্ষানুষ্ঠানত উপস্থিত হোৱা প্ৰেৰণাৰ বাবে সুন্দৰভাৰে স্বাগতম জনাই উৎসাহপূৰ্ণ ধাৰণা দিব লাগিব আৰু প্ৰয়োজনসমূহ পূৰণৰ চেষ্টা কৰিব লাগিব। প্ৰাথমিক স্তৰত শিক্ষণ প্ৰক্ৰিয়া কৰ্মশীল

শিশুকেন্দ্রিক কৰি তুলিব লাগিব। শিক্ষার্থীসকলৰ ব্যক্তিগত চাহিদা, পঠনীয় বিষয়ৰ প্রতি অনুৰাগ, দৃষ্টিভংগী আৰু সামর্থৰ প্রতি লক্ষ্য ৰাখিহে শিক্ষা প্রদান কৰা হ'ব। শাস্তি প্রদান কৰাৰ ব্যৱস্থা বাদ দি শিশুৰ সুবিধা হোৱাকৈ স্কুলৰ সময় আৰু বন্ধৰ দিন নির্ধাৰণ কৰিব লাগিব।

অগতানুগতিক শিক্ষাৰ পদ্ধতিগত কার্যসূচী হাতত লোৱা হ'ব। এই কার্যসূচীৰ মাধ্যমেৰে বিদ্যালয়লৈ নোযোৱা শিশু কর্মৰত ল'ৰা আৰু ছোৱালী যিসকলে সম্পূর্ণ দিনটো স্কুলত কটাব নোৱাৰে তেওঁলোকক সহায় কৰা হ'ব। অগতানুগতিক শিক্ষাৰ কেন্দ্রসমূহত আধুনিক প্রযুক্তিবিদ্যাৰ আহিলা প্রয়োগৰ সুবিধা দিয়া হ'ব। এই কেন্দ্রসমূহত সেৱা আগবঢ়োৱাৰ বাবে স্থানীয় সমাজৰপৰা উচ্চ বুদ্ধিসম্পন্ন পুৰুষ আৰু মহিলা নিয়োগ কৰা হ'ব। তেওঁলোকৰ বাবে উপযুক্ত প্রশিক্ষণৰ ব্যৱস্থাও কৰা হ'ব; আৰু প্রয়োজন সাপেক্ষে আনুষ্ঠানিক দিশলৈ নিয়া হ'ব। এনেধৰণৰ কেন্দ্রবোৰৰ বাবে স্থানীয় পৰিবেশৰ উপযোগীকৈ পাঠ্যক্রম জাতীয় ভিত্তিত প্রস্তুত কৰা হ'ব। সকলো শিক্ষার্থীৰ বাবে উচ্চ পর্যায় শিক্ষণৰ আহিলা বিনামূলীয়াকৈ দিয়া হ'ব। এই আঁচনিমতে শিক্ষণ পৰিবেশত অংশগ্রহণ, খেলা-ধূলা, ভ্রমণ কার্যসূচী, সাংস্কৃতিক কার্যসূচী আদিৰ ব্যৱস্থা কৰা হ'ব। অগতানুগতিক শিক্ষাৰ কেন্দ্রসমূহ চলোৱাৰ বাবে স্বেচ্ছাসেৱী অনুষ্ঠান আৰু পঞ্চায়তীৰাজ অনুষ্ঠানসমূহৰ ওপৰত দায়িত্ব অর্পণ কৰা হ'ব। এই অনুষ্ঠানসমূহলৈ সময়মতে আর্থিক সাহার্য দিয়া হ'ব। চৰকাৰে এইক্ষেত্রত সম্পূর্ণ দায়িত্ব গ্রহণ কৰিব লাগিব। এক সিদ্ধান্ত অনুসৰি ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে বিদ্যালয়ৰপৰা Dropout (স্কুলীয়া শিক্ষা সম্পূর্ণ নকৰাকৈ এৰি যোৱা) হোৱা ল'ৰা-ছোৱালীৰ সমস্যা সমাধানৰ বাবে বিশেষ প্রাধান্যতা দিয়াৰ কথা কৈছে।

ইয়াৰ উপৰিও ৰাষ্ট্ৰীয় শিক্ষা নীতয়ে প্রাথমিক বিদ্যালয়সমূহক প্রয়োজনীয় সা-সুবিধাখিনি দিয়াৰ ওপৰতো গুৰুত্বপূর্ণ মতামত আগবঢ়াইছিল। সকলো সময়ৰ উপযোগীকৈ দুটা ডাঙৰ কোঠা, পুতলা, ক'লা বোর্ড, মানচিত্র, চার্ট আৰু আন আন সজুঁলিসমূহ যোগান ধৰিব লাগিব। প্রত্যেকখন বিদ্যালয়তে দুজনকৈ শিক্ষক নিয়োগ কৰিব লাগিব তাৰে এগৰাকী মহিলা হোৱাটো বাঞ্ছনীয়। পাৰিলে শিক্ষকৰ সংখ্যা বৃদ্ধি কৰি প্রত্যেক শ্রেণীৰ বাবে একোজনকৈ শিক্ষকৰ ব্যৱস্থা কৰিব লাগে। সমগ্র ৰাষ্ট্রতে বিদ্যালয়বিলাকক 'কৃষ্ণফলি আঁচনি' বা 'অপাৰেচন ব্লেকবোর্ড' আঁচনিৰ মাধ্যমেৰে উন্নত কৰাৰ ব্যৱস্থা সোনকালে ফলপ্রসূ হোৱাকৈ হাতত লোৱা হ'ব। এইক্ষেত্রত স্থানীয় সংস্থাসমূহৰ স্বেচ্ছাসেৱক অনুষ্ঠান আৰু ব্যক্তিসকলক সম্পূর্ণৰূপে জড়িত কৰা হ'ব।

অধ্যায়-৩ মাধ্যমিক শিক্ষা আৰু নবোদয় বিদ্যালয় (Secondary Education and Navodaya Vidyalaya)

মাধ্যমিক শিক্ষাই ল'ৰা-ছোৱালীক বিকশিত হ'বলৈ সুবিধা প্রদান কৰে। এইক্ষেত্রত বিজ্ঞান, কলা আৰু সমাজবিজ্ঞানে বিভিন্নধৰণৰ ভূমিকা গ্রহণ কৰে। এই সময়ছোৱাত ইতিহাস আৰু জাতীয় বিকাশ, সাংবিধানিক কর্তব্য আৰু নাগৰিকসকলৰ অধিকাৰ আদিৰ বিষয়ে শিক্ষা দিব পাৰি। পাঠ্যক্রমৰ মাধ্যমেৰে মানৱতাবোধ, মিশ্র সংস্কৃতি আদিৰ জ্ঞানো দিয়াৰ ব্যৱস্থা কৰা হ'ব। বিশেষ অনুষ্ঠানসমূহৰ মাধ্যমেৰে শিক্ষা ব্যৱস্থাক বৃত্তিমুখী কৰি তোলা হ'ব আৰু মানৱ শক্তিৰ বিকাশৰ লগতে অর্থনৈতিক বিকাশৰ ওপৰত গুৰুত্ব দিয়া হ'ব। যিবিলাক স্থানত মাধ্যমিক শিক্ষাৰ ব্যৱস্থা নাই তাত মাধ্যমিক শিক্ষাৰ ব্যৱস্থা কৰা হ'ব। আন আন অঞ্চলবোৰটো মাধ্যমিক শিক্ষাৰ সা-সুবিধা বৃদ্ধি কৰাৰ ব্যৱস্থা কৰা হ'ব। উচ্চ-পর্যায়ৰ মেধাবী ছাত্র-ছাত্রীৰ বাবে বিশেষ সুবিধা দিয়াৰ ব্যৱস্থা কৰা হ'ব। সময় সাপেক্ষে দেশৰ বিভিন্ন স্থানত 'নবোদয় বিদ্যালয়' স্থাপনৰ ব্যৱস্থা কৰা হ'ব। এই বিদ্যালয়ৰ মাধ্যমেৰে নিম্ন স্তৰৰ ল'ৰা-ছোৱালীবোৰক উন্নত স্তৰৰ শিক্ষা প্রদান কৰা হ'ব। বিদ্যালয় বিকাশ আঁচনিক কার্যকৰী কৰাৰ কাৰণে ৰাষ্ট্ৰীয়ভিত্তিক ধাৰণা লোৱা হ'ব। নবোদয় বিদ্যালয়সমূহ আবাসিক আৰু বিনামূলীয়া শিক্ষাৰ অনুষ্ঠান হিচাপে চিহ্নিত হ'ব।

অধ্যায়-৪ বৃত্তিমুখী শিক্ষা (Vocational Education)

শিক্ষা পুনৰ গঠন আঁচনিত পদ্ধতিগতভাৰে সুপৰিকল্পিত বৃত্তিমূলক শিক্ষা ব্যৱস্থা কৰাৰ কথা

কোৱা হৈছে। এই শিক্ষা প্ৰয়োগৰ অৰ্থ হ'ল আত্মনিয়োগৰ ব্যৱস্থা কৰাৰ লগতে চাহিদা আৰু দক্ষ মানৰ শক্তিৰ মাজত থকা অপসমাযোজন নোহোৱা কৰা। ইয়াৰ উপৰিও যিবিলাকে কোনোধৰণৰ আগ্ৰহ আৰু উদ্দেশ্য নোহোৱাকৈ উচ্চশিক্ষা লাভ কৰিবলৈ বিচাৰে তেওঁলোকক অন্য উপায় দিয়াৰ ব্যৱস্থা কৰা।

বৃত্তিমুখী শিক্ষা এটা নিৰ্দিষ্ট শাখা হিচাপে পৰিগণিত হ'ব আৰু শিক্ষাৰ্থীসকলক নিৰ্দিষ্ট বৃত্তিৰ (vocational) বাবে প্ৰস্তুত কৰি তোলা হ'ব। ইয়াৰ বাবে উদ্যোগিক প্ৰশিক্ষণ কেন্দ্ৰবোৰত বিভিন্নধৰণৰ সুবিধা থাকিব। স্বাস্থ্য পৰিকল্পনা আৰু স্বাস্থ্য সেৱা ব্যৱস্থাপনা কৰি স্বাস্থ্য জড়িত বৃত্তিৰ বিষয় শিক্ষাত সন্নিবিষ্ট কৰি বৃত্তিৰ উপযোগী কৰি তোলা হ'ব। এই শিক্ষা ÙÂ2 স্তৰৰ উচ্চতৰ মাধ্যমিক শিক্ষাত প্ৰয়োগ কৰা হ'ব।

বৃত্তিমুখী শিক্ষাৰ অনুষ্ঠানসমূহ স্থাপন কৰাৰ দায়িত্ব চৰকাৰৰ ওপৰত থাকিব। সেইদৰেই ৰাজহুৱা আৰু ব্যক্তি মালিকানা নিয়োগকাৰীসকলৰ ওপৰতো দায়িত্ব থাকিব। চৰকাৰে মহিলাসকলৰ প্ৰয়োজন পূৰণৰ কাৰণে ব্যৱস্থা হাতত ল'ব লগতে গ্ৰাম্যাঞ্চলৰ শিক্ষাৰ্থীসকলৰ বাবেও সুবিধা প্ৰদানৰ চেষ্টা কৰিব। বাধাগ্ৰস্ত শিশুসকলৰ বাবে উপযুক্ত আঁচনি আৰম্ভ কৰিব।

অধ্যায়-৫ উচ্চ শিক্ষা (Higher Education) ঃ

উচ্চশিক্ষাই মানৱতাৰ সন্মুখীন হ'বপৰাকৈ ব্যক্তিসকলক সজাই-পৰাই তোলে। ব্যক্তিসকলে এই শিক্ষা লাভ কৰি জটিল সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, নৈতিক আৰু আধ্যাত্মিক দিশবোৰৰ সন্মুখীন হ'বলৈ সক্ষম হয়। উচ্চ শিক্ষাৰ সহায়ত জাতিৰ বিকাশ সম্ভৱ হৈ উঠে। উচ্চ শিক্ষা হ'ল শিক্ষাৰ ঘাই কেন্দ্ৰবিন্দু। উচ্চ শিক্ষাৰ সহায়ত জ্ঞানৰ বিস্ফোৰণ হয়।

উচ্চ শিক্ষাৰ উন্নতি সাধনৰ অৰ্থে অন্তৰ্ভুক্তকৰণ আৰু স্বায়ত্বশাসিত মহাবিদ্যালয়সমূহে অৰিহণা যোগাব লাগিব। সমাজৰ চাহিদা অনুযায়ী পাঠ্যক্ৰম আৰু কাৰ্যসূচীৰ পুনৰ নিৰীক্ষণ হ'ব। শিক্ষাৰ্থীসকলৰ বাবে বিষয়ৰ শিথিলতা থাকিব।

উচ্চ শিক্ষাৰ পৰিষদে উচ্চ শিক্ষাৰ ক্ষেত্ৰত ৰাজ্যিক পৰ্যায়ৰ পৰিকল্পনা আৰু সমন্বয় গঢ়ি তুলিব। মানদণ্ড উন্নয়নৰ কাৰণে বিশ্ববিদ্যালয় অনুদান আয়োগ আৰু এই পৰিষদসমূহৰ সমন্বয় বিকাশ হ'ব লাগিব। শিক্ষাদান পদ্ধতি উন্নত কৰি শ্ৰৱণ-দৰ্শন আহিলা আৰু বৈদ্যুতিক আহিলাৰ প্ৰয়োগ সফল কৰি তোলা হ'ব। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ বিকাশৰ পাঠ্যক্ৰম আৰু আচবাব, গৱেষণা আৰু শিক্ষকৰ শিক্ষাৰ ওপৰত মনোযোগ দিয়া হ'ব।

উচ্চ শিক্ষাৰ বিকাশ সাধন কৰা হ'ব আৰু ভিন ভিন দিশত অধ্যয়নৰ লগতে গৱেষণাৰ ব্যৱস্থা কৰা হ'ব। ভাৰতীয় তত্ত্ব কলা আৰু সমাজবিজ্ঞানৰ গৱেষণাক অগ্ৰাধিকাৰ দিয়া হ'ব। শিক্ষানীতিৰ প্ৰয়োজনভিত্তিত আন্তঃবিষয়ৰ গৱেষণাৰ ব্যৱস্থা কৰা হ'ব। ভাৰতবৰ্ষত অতীত জ্ঞানৰ ভাণ্ডাৰৰ সত্যতা নিৰূপণ কৰাৰ ব্যৱস্থা কৰা হ'ব। এটা জাতীয় গোটৰ মাধ্যমত সাধাৰণভাৱে উচ্চশিক্ষা, কৃষিশিক্ষা, চিকিৎসা বিজ্ঞান, কাৰিকৰী, আইন আৰু আন আন বৃত্তিমুখী শিক্ষাৰ ক্ষেত্ৰ প্ৰতিষ্ঠা কৰাৰ ব্যৱস্থা কৰা হ'ব।

অধ্যায়-৬ মুক্ত বিশ্ববিদ্যালয় আৰু দূ�ৰ-শিক্ষণ (Open University and Distance Learning)

গণতান্ত্ৰিক শিক্ষাৰ বিকাশ আৰু উচ্চশিক্ষাৰ বিকাশ সাধনৰ কাৰণে মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰা হ'ব। ইতিমধ্যে স্থাপন কৰা 'ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয়ৰ' পৰিসৰ বৃদ্ধি কৰা হ'ব। এই বিশ্ববিদ্যালয়ে ভাৰতবৰ্ষৰ মুক্ত বিশ্ববিদ্যালয় ব্যৱস্থাটোৰ মানদণ্ড উন্নত কৰাৰ ব্যৱস্থা ল'ব। ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু ইয়াৰ সংশোধিত নীতিয়ে মুক্ত বিশ্ববিদ্যালয় আৰু দূৰ শিক্ষা ব্যৱস্থাৰ ওপৰত কিছুমান দিশ নিৰ্দ্ধাৰণ কৰি দিছে। সেইবোৰ হ'ল—

(ক) ইন্দিৰা গান্ধী ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ে ইয়াৰ বিদ্যায়তনিক আঁচনিৰ বাবে কৰ্মৰ আগভাগ লোৱা উচিত।

(খ) পাঠ্যক্ৰমবোৰ ক্ৰেডিত সুবিধাৰ সৈতে মডিউল (Module) ধৰণেৰে গঠন কৰিব। আনুষ্ঠানিকৰপৰা অনা-আনুষ্ঠানিক ব্যৱস্থালৈ ক্ৰেডিতসমূহৰ বিষয়ান্তকৰণৰ ব্যৱস্থা লোৱা হ'ব।

(গ) প্ৰত্যেকটো শিক্ষাৰ পৰ্যায়ত নূন্যতম শিক্ষণৰ ক্ষেত্ৰত নিৰ্দ্ধাৰিত মানদণ্ডৰ ব্যৱস্থা কৰা হ'ব। মুক্ত শিক্ষাৰ সুবিধা যাতে গৃহিনীসকল, কৃষিজীৱিসকল, উদ্যোগৰ শ্ৰমিকসকল আৰু বৃত্তিধাৰীসকলে অবিৰতভাৱে পায় তাৰ ব্যৱস্থা থাকিব।

(ঘ) ৰাজ্যিক চৰকাৰসমূহে মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰত বৰ সাৱধানতাৰে আঁচনি প্ৰস্তুত কৰিব আৰু প্ৰয়োজনীয় সুবিধা আৰু সমলসমূহৰ অপৰ্যাপ্ততালৈ লক্ষ্য ৰাখিব।

অধ্যায়-৭ গ্ৰাম্য বিশ্ববিদ্যালয়সমূহ আৰু প্ৰতিষ্ঠানসমূহ (Rural Universities and Institutes)

1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু ইয়াৰ 1992 চনৰ সংশোধিত নীতিয়ে গ্ৰাম্যাঞ্চলত গ্ৰাম্য বিশ্ববিদ্যালয় আৰু প্ৰতিষ্ঠানসমূহ স্থাপনৰ ক্ষেত্ৰত গ্ৰাম্যাঞ্চলবোৰত ইয়াৰ প্ৰয়োজনীয়তাৰ বিষয়ে অধ্যয়ন কৰিব। গ্ৰাম্য বিশ্ববিদ্যালয়ৰ নতুন ধাৰণাটো মহাত্মা গান্ধীৰ বৈপ্লৱিক আদৰ্শৰ মাধ্যমতে বিকশিত কৰাৰ প্ৰচেষ্টা কৰা হ'ব। মহাত্মা গান্ধীৰ বুনিয়াদী শিক্ষাৰ কাৰ্যসূচী আৰু আঁচনিসমূহ সমৰ্থিত হ'ব।

অধ্যায়-৮ কা�ৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা (Technical and Management Education)

কা�ৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষাৰ ধাৰা যদিও দুটা বিপৰীত ধাৰণা, ইয়াৰ মাজত পৰস্পৰ সম্বন্ধ আছে। কাৰিকৰী শিক্ষা আৰু ব্যৱস্থাপনা শিক্ষা ব্যৱস্থাৰ পুনৰ গঠন কৰা হ'ব লগতে অৰ্থনৈতিক, সামাজিক পৰিবেশ, উৎপাদন আৰু পৰিচালন প্ৰক্ৰিয়া আদিৰ বিকাশ সাধন কৰিব লাগিব। সেৱাক্ষেত্ৰবোৰৰ উন্নতি সাধনৰ ব্যৱস্থা কৰি প্ৰযুক্তিৰ দিশবোৰৰ উন্নতি সাধিব লাগিব। এইক্ষেত্ৰত চৰকাৰৰ সহযোগিতাৰ প্ৰয়োজন হ'ব। মানৱ শক্তিৰ দিশত জানিবলৈ হ'লে অৱস্থাৰ উন্নতি সাধন কৰিব লাগিব। এই উদ্দেশ্যৰে স্থাপন কৰা 'কাৰিকৰী মানৱশক্তি সংবাদ ব্যৱস্থা'ক অধিক শক্তিশালী আৰু বিকশিত কৰিব লাগিব। অবিচ্ছিন্ন শিক্ষা ব্যৱস্থাক প্ৰযুক্তিগতভাৱে উন্নীত কৰা হ'ব। আধুনিক আহিলা হিচাপে কম্পিউটাৰৰ ব্যৱহাৰ প্ৰশিক্ষণ বিস্তৃতভাৱে বিদ্যালয় পৰ্যায়ৰপৰা দিয়াৰ ব্যৱস্থা কৰা হ'ব। বৰ্তমান শিক্ষা ব্যৱস্থাত থকা নামভৰ্তিকৰণ ব্যৱস্থাৰ লগতে দূ�ৰত্ব শিক্ষণ প্ৰক্ৰিয়াৰ মাধ্যমত ব্যক্তিসকলক কাৰিকৰী আৰু ব্যৱস্থাপনা শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব লাগিব। এইক্ষেত্ৰৰ উন্নতি সাধনৰ অৰ্থে 'নিৰ্দেশনা আৰু পৰামৰ্শ' সেৱা ব্যৱস্থা কৰি এটা শক্তিশালী পদক্ষেপ ল'ব লাগিব।

অধ্যায়-৯ পদ্ধতিগত কৰ্ম সৃষ্টি (Making the system work)

এটা বিসংগতি অৱস্থাত বিভিন্নধৰণৰ নতুন শিক্ষাৰ পাঠ সম্পাদন কৰিব নোৱাৰি। শিক্ষাক উপযুক্তভাৱে পৰিচালনা কৰিবলৈ হ'লে বৌদ্ধিক ধাৰণা, উদ্দেশ্যৰ প্ৰতি সজাগতা, একে সময়তে নৱপ্ৰৱৰ্তন আৰু সৃষ্টিধৰ্মীতাৰ বাবে স্বাধীনতা আদিৰ প্ৰয়োজন হ'ব। ৰাষ্ট্ৰখনে এতিয়া সীমাহীনভাৱে শিক্ষা ব্যৱস্থাৰ ন্যাসত স্থিতি লাভ কৰিছে। উপযুক্ত ফল বিচৰাৰ ক্ষমতা জনগণৰ আছে। প্ৰথম পাঠ হ'ব ইয়াৰ কৰ্ম সৃষ্টি কৰা। সকলো শিক্ষকে পঢ়োৱা উচিত আৰু সকলো শিক্ষাৰ্থীয়ে অধ্যয়ন কৰা উচিত। কৰ্মপদ্ধতি কৰাৰ বাবে পৰিচালন দক্ষতাৰ প্ৰয়োজন। শিক্ষকে বৃহৎ গণনাত্মক ধাৰণাৰে সুন্দৰভাৱে অংশগ্ৰহণ কৰিব লাগিব। উন্নত শিক্ষাৰ্থীৰ সেৱা ব্যৱস্থা আৰু আচৰণৰ গ্ৰহণযোগ্য নীতি পৰ্যবেক্ষণ হোৱা দৰকাৰ। ইয়াৰ লগতে অনুষ্ঠানসমূহক প্ৰয়োজনীয় উন্নত সুবিধা প্ৰদানৰ ব্যৱস্থা আৰু ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত সম্পাদন ব্যৱস্থাৰ সৃষ্টি কৰিব লাগিব।

অধ্যায়-১০ উপাধিক নিয়োগৰপৰা বিচ্ছিন্ন (Delinking Degree from Jobs)

কিছুমান নিৰ্বাচিত অঞ্চলত উপাধিক নিয়োগৰপৰা বিচ্ছিন্ন কৰাৰ আৰম্ভণি কৰা হ'ব। এই প্ৰস্তাৱটো কিছুমান ক্ষেত্ৰত প্ৰয়োগ কৰিবপৰা নেযাব, যেনে অভিযান্ত্ৰিক শিক্ষা, চিকিৎসাবিজ্ঞান, আইন, শিক্ষকতা, আদি বৃত্তিত। সেইদৰেই কলা সমাজবিজ্ঞান, বিজ্ঞান আদি কিছুমান দিশৰ বিদ্যায়তনিক উপাধিৰ ক্ষেত্ৰত নিয়োগৰ সুবিধা থাকিব। বিচ্ছিন্ন অৱস্থা কিছুমান সেৱাৰ ক্ষেত্ৰত প্ৰয়োগ হ'ব যিবোৰত বিশ্ববিদ্যালয় উপাধিৰ প্ৰয়োজন নহয়। উপাধিৰ প্ৰয়োজন নোহোৱা কৰ্মক্ষেত্ৰত দক্ষ আৰু অৰ্হতাসম্পন্ন ব্যক্তিকহে নিয়োগৰ সুবিধা দিয়া হ'ব। এইক্ষেত্ৰত সহায় হোৱাকৈ 'জাতীয় অভীক্ষা সেৱা' নামৰ গোট স্থাপন কৰা হ'ব। এই গোটৰ মাধ্যমত ক্ষেত্ৰ অনুযায়ী দক্ষ ব্যক্তি নিৰ্বাচন কৰি লোৱা হ'ব আৰু এই পদ্ধতি নীতিগত হ'ব।

অধ্যায়-১১ গৱেষণা আৰু বিকাশ (Research and Development)

গৱেষণা হ'ল নৱৰূপদান আৰু শৈক্ষিক প্ৰক্ৰিয়াসমূহৰ নবীকৰণ ব্যৱস্থা। ইয়াক সকলো উচ্চ কাৰিকৰী শিক্ষাৰ অনুষ্ঠানে হাতত লোৱা প্ৰয়োজন। বিকাশৰ বাবে হোৱা গৱেষণাই বৰ্তমান প্ৰযুক্তিবিদ্যাৰ বিকাশ, উৎপাদন বৃদ্ধি আৰু থলুৱা বিকাশত সহায় কৰিব। এইক্ষেত্ৰত নিৰীক্ষণ আৰু পূৰ্বাভাস পোৱাৰ বাবে ফলপ্ৰসূ ব্যৱস্থা কৰিব লাগিব। বিভিন্ন পৰ্যায়ত, সহযোগ, সহযোগিতা আৰু জালিকৰ্মসুলভ সম্বন্ধ স্থাপন কৰিব লাগিব। নবপ্ৰবৰ্তন আৰু বিকাশৰ ধাৰণা পদ্ধতিগতভাৱে উন্নীত কৰিব লাগিব।

অধ্যায়-১২ স্ত্ৰী শিক্ষা (Women Education)

নতুন শিক্ষানীতিত মহিলাৰ বাবে শিক্ষাৰ বিকাশ আৰু প্ৰগতিত বিশেষ গুৰুত্ব দিছে। মহিলাসকলক সম অধিকাৰ প্ৰদান কৰাৰ ক্ষেত্ৰত শিক্ষাই মূল বাহক হিচাপে পৰিগণিত হ'ব। অতীতত সৃষ্টি হোৱা বৈষম্যতা দূৰ কৰি নিৰপেক্ষ দৃষ্টিভংগী লোৱাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে সহায় কৰিব। মহিলাসকলৰ পূৰ্ণ বিকাশৰ বাবে বিভিন্নধৰণৰ প্ৰয়োজনীয় দিশবোৰ পাঠ্যক্ৰমত অন্তৰ্ভুক্ত কৰা হ'ব। শিক্ষানুষ্ঠানসমূহত স্ত্ৰী শিক্ষাৰ বিকাশৰ বাবে প্ৰয়োজনীয় সা-সুবিধাসমূহৰ ব্যৱস্থা কৰা হ'ব; পাঠ্যপুথি পুনৰ গঠন কৰি নতুন মূল্যবোধ সৃষ্টি কৰা হ'ব; পাঠ্যপুথি, শিক্ষক প্ৰশিক্ষণ আৰু অভিৰোচনৰ ব্যৱস্থা কৰা হ'ব। উচ্চশিক্ষাৰ পাঠ্যক্ৰমত সামাজিক অভিযন্তা, স্ত্ৰী শিক্ষা আদিৰ দৰে বিষয়বোৰ সামৰি লোৱা হ'ব আৰু অনুষ্ঠানসমূহে যাতে মহিলাসকলৰ ভৱিষ্যত বিকাশত উদগনি যোগায় তাৰ প্ৰতিও চকু ৰখা হ'ব। মহিলাসকলৰ মাজৰপৰা নিৰক্ষৰতা নিৰ্মূল কৰাৰ ব্যৱস্থা কৰি প্ৰাথমিক শিক্ষা নিশ্চিতভাৱে যাতে লাভ কৰিবলৈ সক্ষম হয় তাৰ প্ৰতি গুৰুত্ব দিয়া হ'ব। এই প্ৰচেষ্টাত কৃতকাৰ্য হোৱাৰ বাবে সকলোপ্ৰকাৰৰ সেৱা জৰুৰীভাৱে প্ৰয়োগ কৰাৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ উপৰিও মহিলাসকলে যাতে বৃত্তিমুখী, কাৰিকৰী শিক্ষা লাভ কৰিবলৈ সুযোগ পায় তাৰ ওপৰত অধিক গুৰুত্ব দিয়া হ'ব। মহিলাসকলৰ ক্ষেত্ৰত লিংগভেদ নাৰাখি বৃত্তিমুখী আৰু পেচামুখী শিক্ষাত অংশগ্ৰহণ কৰাৰ সুবিধা দিয়াৰ লগতে অপৰম্পৰাগত জৰুৰীকালীন প্ৰযুক্তিবিদ্যাৰ বৃত্তিসমূহতো জড়িত কৰাৰ ব্যৱস্থা কৰা হ'ব।

মহিলা শিক্ষাৰ বিকাশৰ বাবে ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে তলত দিয়া পদ্ধতিসমূহ লোৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে—

1. মহিলাসকলক সবলীকৰণৰ ক্ষেত্ৰত সমগ্ৰ শিক্ষা ব্যৱস্থাটোক সজাই-পৰাই তুলি যোগাত্মক হস্তক্ষেপৰ ভূমিকা লোৱাব লাগিব।
2. পৰবৰ্তী সময়ত মহিলাসকলৰ বিকাশৰ কাৰণে শিক্ষানুষ্ঠানসমূহক বিভিন্ন পাঠ্যক্ৰমৰ বাবে উদগনি যোগাব লাগিব যাতে অনুষ্ঠানবোৰে স্ত্ৰী শিক্ষা ব্যৱস্থাক পাঠ্যক্ৰমৰ অংশ হিচাপে লয়।
3. নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হ'বপৰাকৈ গতিশীল ব্যৱস্থাপনাৰ গাঁঠনি সৃষ্টি কৰিব লাগিব।

অধ্যায়-১৩ অনুসূচিত জাতিসমূহ আৰু জনজাতিসমূহ আৰু পিচপৰাসকলৰ বাবে শিক্ষা (Education of scheduled castes and scheduled tribes and backward soctions)

ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিমতে জনজাতি অঞ্চল আৰু অনুসূচিত জাতিৰ ব্যক্তি বাস কৰা অঞ্চলৰ লগতে পিচপৰা অঞ্চলবোৰৰ লোকসকলে যাতে শিক্ষা লাভ কৰিবলৈ সক্ষম হয় তাৰ ব্যৱস্থা কৰা হ'ব। গ্ৰাম্যাঞ্চলৰ মহিলা আৰু পুৰুষ আৰু চহৰ অঞ্চলৰ মহিলা-পুৰুষৰ মাজত সমতা ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হ'ব। পিচপৰা অঞ্চলৰ পৰিয়ালসমূহৰ ল'ৰা-ছোৱালীয়ে যাতে 14 বছৰ বয়সলৈকে স্কুললৈ গৈ থাকে তাৰ প্ৰতিও সজাগ হোৱাটো প্ৰয়োজন হ'ব। পূৰ্ব প্ৰৱেশিকা জলপানিৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন হ'ব আৰু ইয়াক আঁচনি হিচাপে লৈ আয়বিহীন পৰিয়ালসমূহকো এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হ'ব। অনুসূচিত জাতিৰ ল'ৰা-ছোৱালীৰ শিক্ষা আৰু নিয়োগৰ সম্ভাৱনীয়তা উন্নত কৰাৰ কাৰণে প্ৰতিকাৰমূলক পাঠ্যসূচীৰ দিহা কৰা হ'ব। অনুসূচিত জাতিৰ ল'ৰা-ছোৱালীক নামভৰ্তিকৰণ অপচয়ৰোধকৰণ আৰু সফলতা নিশ্চিতকৰণৰ বাবে সঘনাই নিৰীক্ষণ কৰা আৰু পৰিকল্পনা কৰাৰ গুৰুত্ব

দিয়া হৈছে। অনুসূচিত জাতিৰ ল'ৰা-ছোৱালীয়ে অংশগ্ৰহণ কৰিবপৰাকৈ স্কুলঘৰ, বালকেন্দ্ৰ আৰু বয়স্ক শিক্ষাৰ কেন্দ্ৰ আদি গঢ়ি তোলাৰ ব্যৱস্থা কৰা হ'ব। জনজাতিৰ মাজৰপৰা শিক্ষক নিয়োগৰ ব্যৱস্থাও কৰা হ'ব। শিক্ষাৰ্থীসকলে জিলাৰ মুখ্যস্থানত যাতে আবাসিক সুবিধা পায় তাৰবাবে ছাত্ৰাবাস স্থাপন কৰাৰ ওপৰত পৰ্যাক্ৰমে গুৰুত্ব দিয়া হ'ব।

অনুসূচিত জনজাতি অধ্যুষিত অঞ্চলত প্ৰাথমিক বিদ্যালয় স্থাপন কৰাৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিয়া হ'ব। তেনেকুৱা অঞ্চলৰ বিদ্যালয়ৰ ঘৰবোৰ শিক্ষাৰ সাধাৰণ কোষৰ সাহায্যত বনোৱাৰ ব্যৱস্থা কৰা হ'ব। জনজাতিৰ সামাজিক আৰু সাংস্কৃতিক জীৱনৰ স্বকীয় বৈশিষ্টৰ প্ৰয়োজন সাপেক্ষে শিক্ষাদানৰ সামগ্ৰী প্ৰাৰম্ভিক স্তৰৰ বাবে এনেভাৱে প্ৰস্তুত কৰা হ'ব যাতে পৰবৰ্তী সময়ছোৱাত তেওঁলোকে আঞ্চলিক ভাষাত সকলো কাম কৰিবলৈ সক্ষম হয়। এই উদ্দেশ্যৰ লগতে জনজাতীয় ভাষাসমূহক প্ৰাৰম্ভিক স্তৰত শিক্ষণীয় বিষয়বস্তুৰ অন্তৰ্ভুক্ত কৰিবপৰা যাব। জনজাতিৰ শিক্ষিত আৰু উদ্যোগী যুৱকসকলক শিক্ষক হিচাবে নিজ এলেকাসমূহতে নিয়োগ কৰিবপৰা যাব। এনেধৰণৰ অঞ্চলত আবাসিক বিদ্যালয়, আশ্ৰম বিদ্যালয় আদি স্থাপন কৰিবপৰা যাব। জনজাতীয় জীৱনৰ বিশেষ প্ৰয়োজনসমূহ পূৰণৰ বাবে আঁচনি গ্ৰহণ কৰা হ'ব। উচ্চ শিক্ষাৰ বাবে জলপানিৰ ব্যৱস্থা কাৰিকৰী আৰু ব্যৱসায়িক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰি মনোসামাজিক দিশৰ বিকাশ সাধন কৰিবলৈ চেষ্টা কৰা হ'ব। অংগনবাদী, অনানুষ্ঠানিক আৰু বয়স্ক শিক্ষাৰ কেন্দ্ৰ আদি মুকলি কৰা হ'ব। জনজাতীয় শিক্ষাৰ বিকাশৰ বাবে পাঠ্যক্ৰমসমূহ সাংস্কৃতিক চিনাক্তকৰণৰ ভিত্তিত সৃষ্টিশীল ধাৰণাৰে পুনৰ গঠন কৰা হ'ব।

সমাজৰ সকলো শ্ৰেণীৰ পিচপৰা সম্প্ৰদায়সমূহক শিক্ষাৰ ক্ষেত্ৰত আগু�ৱাই নিয়াৰ ব্যৱস্থা কৰা হ'ব বিশেষকৈ গ্ৰাম্যাঞ্চলত। পাহাৰীয়া অঞ্চল, মৰুভূমিৰ জিলা, দুৰ্গম যোগাযোগ বিচ্ছিন্ন অঞ্চল আৰু দ্বীপ অঞ্চলসমূহত প্ৰয়োজনীয় শিক্ষানুষ্ঠান স্থাপন কৰি উদগনিমূলক ব্যৱস্থা লোৱা হ'ব।

অধ্যায়-১৪ সংখ্যালঘুসকলৰ শিক্ষা (Minorities Education)

ভাৰতীয় সংবিধানৰ 29 নং অনুচ্ছেদ আৰু 30 নং অনুচ্ছেদত সংখ্যালঘুসকলৰ ভাষা, লিপি আৰু সংস্কৃতিৰ ক্ষেত্ৰত অধিকাৰ সংৰক্ষণ কৰিছে। তেওঁলোকে ধৰ্ম আৰু ভাষাৰ ভিত্তিত শিক্ষানুষ্ঠান স্থাপন কৰিব পাৰিব। ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে সংখ্যালঘুসকলৰ সমস্যাৰ কথা উল্লেখ কৰিছে।

কিছুমান অঞ্চলৰ সংখ্যালঘু সম্প্ৰদায়সমূহ শিক্ষাৰপৰা বঞ্চিত আৰু পিচপৰা হৈ আছে। সমতা আৰু সামাজিক ন্যায় স্থাপন কৰাৰ অৰ্থে এনে সম্প্ৰদায়সমূহৰ ওপৰত মনোযোগ দিয়া হ'ব। এইবোৰৰ সাংবিধানিক নিশ্চয়তা আছে। সংখ্যালঘুসকলৰ ভাষা আৰু সংস্কৃতি ৰক্ষাৰ অৰ্থে তেওঁলোকৰ নিজস্ব অনুষ্ঠান স্থাপনৰ ক্ষেত্ৰত উদগনি দিয়া হ'ব। বিদ্যালয়ৰ কৰ্ম আঁচনি আৰু পাঠ্যক্ৰম আদিৰ প্ৰস্তুতিৰ ক্ষেত্ৰতো মনোযোগ ৰখা হ'ব।

অধ্যায়-১৫ বাধাগ্ৰস্তসকলৰ শিক্ষা (Education of Handicapped)

ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে প্ৰস্তাৱনা আগবঢ়াইছে যে শাৰিৰীকভাৱে অক্ষম আৰু আন আন অক্ষম শিশুবোৰ সাধাৰণ শিশুবোৰৰ দৰে একেই। শাৰিৰীকভাবে আৰু মানসিকভাবে অক্ষম লোকসকলৰ সৈতে সাধাৰণ শ্ৰেণীৰ শিশুসকলক সংহতিপূৰ্ণ কৰি সম অংশীদাৰ কৰিব লাগিব।

একেধৰণৰ শিক্ষাৰ্থীসকলৰ বাবে প্ৰতিখন জিলাতে আবাসিক বিদ্যালয় স্থাপন কৰা হ'ব। অসমৰ্থ এনে শিক্ষাৰ্থীসকলক উপযুক্ত প্ৰকাৰৰ বৃত্তিমূলক শিক্ষা দিয়াৰ ব্যৱস্থা কৰা হ'ব। বাধাগ্ৰস্ত শিক্ষাৰ্থীসকলৰ বিশেষ অসুবিধালৈ লক্ষ্য ৰাখিবৰ কাৰণে প্ৰাথমিক পৰ্যায়ৰ শিক্ষক প্ৰশিক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰা হ'ব। শাৰীৰিক আৰু মানসিকভাৱে বাধাগ্ৰস্তসকলকো অন্যান্যসকলৰ দৰে একেধৰণৰ সুবিধা প্ৰদান কৰা হ'ব। অসমৰ্থসকলৰ বিকাশৰ বাবে কৰা স্বেচ্ছামূলক প্ৰচেষ্টা আগবঢ়োৱা সংগঠনসমূহক উৎসাহ প্ৰদান কৰা হ'ব।

অধ্যায়-১৬ বয়স্কসকলৰ শিক্ষা (Adult Education)

ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে বয়স্কসকলৰ শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু ইয়াৰ জৰিয়তে যে সমাজৰপৰা অৰ্থনৈতিক, সামাজিক আৰু লিংগ বৈষম্যৰ মাত্ৰা কমাব পাৰি তাকো উল্লেখ কৰিছে। সমগ্ৰ দেশখনে সমাজৰপৰা নিৰক্ষৰতা আঁতৰ কৰোৱাৰ বাবে ৰাষ্ট্ৰীয় স্বাক্ষৰতা মিচন আৰু পূৰ্ণ স্বাক্ষৰত অভিযানৰ মাধ্যমত প্ৰচেষ্টা চলাইছে। মানব জাতিৰ বিকাশৰ বাবে শিক্ষাৰ অতীব প্ৰয়োজন। শিক্ষাই অজ্ঞান আন্ধাৰৰপৰা আমাক মুক্তিৰ পথলৈ আনে। আধুনিক পৃথিৱীত প্ৰকৃতাৰ্থত লিখা আৰু পঢ়াক সামৰি লোৱা হৈছে বহল দৃষ্টিভংগীৰে। তেতিয়াৰেপৰা ইয়াক শিক্ষণ প্ৰক্ৰিয়াৰ মূল আহিলা বুলি ধৰা হয়। বৰ্তমান সময়ত বয়স্ক শিক্ষা আৰু বয়স্ক নিৰক্ষৰতাৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে।

আজিৰ সমাজৰ প্ৰয়োজন অনুসৰি মানৰ সম্পদক সফলভাৱে প্ৰয়োগ কৰাৰ পৰিকল্পনা কৰা হৈছে। দক্ষ কৰ্মীৰ গতিশীল উন্নতিকৰণৰ ব্যৱস্থা কৰাৰ দিহা কৰা হৈছে। এইক্ষেত্ৰত লাভবান হোৱাৰ বাবে বিভিন্নধৰণৰ বিকাশমূলক কাৰ্যসূচী হাতত লোৱা হৈছে। এই কাৰ্যসূচীসমূহে পদ্ধতিগতভাৱে বয়স্ক শিক্ষাৰ বিকাশত সহায় কৰিছে আৰু জাতীয় লক্ষ্যত উপনীত হোৱাত সহায়ক হৈছে। এইক্ষেত্ৰত দাৰিদ্ৰতা দূৰীকৰণ, জাতীয় সংহতি, পৰিবেশ সংৰক্ষণ, ব্যক্তিসকলৰ সাংস্কৃতিক সৃষ্টি, সৰু পৰিয়াল আদৰ্শ পালন, মহিলাৰ সমতা স্থাপনৰ উন্নতিকৰণ আদিৰ দৰে কাৰ্যসূচী হাতত লোৱা হ'ব আৰু কাৰ্যসূচীসমূহক পুনৰ নিৰীক্ষণ আৰু শক্তিশালী কৰা হ'ব।

সমগ্ৰ জাতিটোৱে 15 বছৰৰপৰা 35 বছৰৰ ভিতৰত ব্যক্তিসকলৰ মাজৰপৰা নিৰক্ষৰতা দূৰীকৰণৰ প্ৰতিজ্ঞা কৰিব লাগিব। কেন্দ্ৰীয় চৰকাৰে আৰু ৰাজ্য চৰকাৰসমূহ, ৰাজনৈতিক দলসমূহ আৰু তেওঁলোকৰ বৃহৎ সংগঠন, গণ সংযোগ মাধ্যম আৰু শিক্ষানুষ্ঠানসমূহে সমাজৰপৰা নিৰক্ষৰতা দূৰ কৰাৰ বাবে স্বাক্ষৰিত অভিযান চলাম বুলি সংকল্পবদ্ধ হ'ব লাগিব। ইয়াৰ লগতে বিস্তৃতভাৱে শিক্ষক, শিক্ষাৰ্থী যুৱক, স্বেচ্ছাসেৱক সংগঠন কৰ্মচাৰী সকলো জড়িত হ'ব লাগিব। বিভিন্নধৰণৰ গৱেষণাৰ সংগঠনসমূহক বয়স্ক শিক্ষাৰ শৈক্ষিক ধাৰণাৰ বিকাশৰ কামত সমূহীয়া প্ৰচেষ্টা চলাবলৈ দিয়া হ'ব। স্বাক্ষৰতা অভিযানৰ লগে লগে কৰ্মক্ষম জ্ঞান আৰু দক্ষতা আৰ্থ সামাজিক সত্যতা, পৰিবৰ্তনৰ সম্ভাৱনীয়তাসমূহকো অন্তৰ্ভুক্ত কৰা হ'ব।

অধ্যায়-১৭ বিষয়সূচী আৰু বিদ্যালয় শিক্ষাৰ প্ৰক্ৰিয়া (Content and Process of School Education) ঃ

বিষয়সূচী আৰু বিদ্যালয় শিক্ষা প্ৰক্ৰিয়াৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে তলত উল্লেখ কৰা কথাখিনি কৈছে—

1. জাত-পাত, অৱস্থান বা লিংগ নিৰ্বিশেষে সকলোৰে বাবে তুলনামূলক গুণাৱলীৰ শিক্ষাৰ ব্যৱস্থা কৰা।
2. বিভিন্ন পৰ্যায়ৰ কাৰণে নূন্যতম পৰ্যায়ৰ শিক্ষণৰ আদৰ্শ প্ৰবৰ্তিত কৰা আৰু ধীৰ শিকাৰুসকলৰ লগতে আন সকলোৰে বাবে শিক্ষণ প্ৰক্ৰিয়া যাতে উপভোগ্য হয় তাৰ ব্যৱস্থা কৰা।
3. সকলোৰে বাবে একে গাথনিৰ জাতীয় শিক্ষা ব্যৱস্থা, জাতীয় পাঠ্যক্ৰম প্ৰণয়ন যিটোৱে সাধাৰণ ধাৰণা বহন কৰিব।
4. শিক্ষাদান আৰু শিক্ষা আহৰণ প্ৰক্ৰিয়াৰ উন্নতি সাধনৰ কাৰণে বিদ্যালয়সমূহত পৰীক্ষা সংস্কাৰ আৰু মূল্যায়ণ ব্যৱস্থাৰ প্ৰক্ৰিয়া অব্যাহত ৰখা।
5. সাংস্কৃতিক বিশেষ পাঠ্যক্ৰম আৰু শিক্ষাদানৰ আহিলাসমূহ জনজাতীয় ব্যক্তি আৰু শৈক্ষিকভাৱে অৱহেলিত সংখ্যালঘুৰ দলসমূহৰ বাবে বিকশিত কৰা আৰু তেওঁলোকৰ শক্তিশালী সংস্কৃতি চিনাক্ত কৰাৰ বাবে নজৰ দিয়া।
6. শিক্ষকৰ শিক্ষা ব্যৱস্থাক শক্তিশালী কৰাৰ লগতে কাৰিকৰী আৰু সমল সমৰ্থিত গাথনিসমূহ বিশ্লেষণ কৰা আৰু জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰা।

৭¼ শৈক্ষিক প্ৰশাসন বিকেন্দ্ৰীকৰণ, শৈক্ষিক অনুষ্ঠানসমূহৰ কাৰণে স্বতন্ত্ৰতাৰ উদ্যম সৃষ্টি কৰা। অনুষ্ঠানসমূহৰ মূৰব্বীৰ গুৰুত্বপূৰ্ণ ভূমিকা আৰু শিক্ষকসকলৰ মাজত বৃত্তিমুখীবাদৰ ধাৰণা বিকশিত কৰা।

৪¼ বেচৰকাৰী আৰু স্বেচ্ছামূলক প্ৰচেষ্টা আৰু জনসাধাৰণৰ অংশগ্ৰহণ, নব্য আদৰ্শ আৰু ব্যৱহাৰিকৰ লগতে সমলসমূহ সাজু কৰি উন্নতি সাধন কৰা।

অধ্যায়-১৮ মূল্যায়ণ প্ৰক্ৰিয়া আৰু পৰীক্ষা সংস্কাৰ (Evaluation Process and Examination Reforms)

ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিত কোৱা হৈছে যে, শিক্ষণ আৰু শিক্ষাদান প্ৰক্ৰিয়াৰ মূল্যায়ণ সম্পাদন কৰাটো শিক্ষাৰ এটা অবিচ্ছেদ্য অংগস্বৰূপ। উচিত মূল্যায়ণ পদ্ধতিৰ বিকাশ সাধন আৰু প্ৰচলিত পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন কৰাৰ ব্যৱস্থা কৰা হ'ব। তেতিয়াহে শিক্ষাৰ গুণগত বিকাশ সম্ভৱ হ'ব। শিক্ষাৰ্থীসকলে নিজে নিজৰ পাৰদৰ্শিতাৰ অগ্ৰগতি নিৰূপণ কৰিবপৰা ক্ষমতাৰ বিকাশ সাধন কৰাৰ ব্যৱস্থা থাকিব লাগে।

মূল্যায়ণ প্ৰক্ৰিয়াৰ উন্নতি সাধন আৰু পৰীক্ষা সংস্কাৰ কৰিবলৈ হ'লে কেইটিমান কথাৰ ওপৰত গুৰুত্ব আৰোপ কৰিব লাগিব। বিষয়াত্মক আৰু সুযোগৰ উপাদানসমূহ বাদ দিয়াৰ লগতে মুখস্থ পদ্ধতিৰ ওপৰত গুৰুত্বহীনতা দেখুৱাব লাগিব। অবিৰত আৰু সহজ মূল্যায়ণ শিক্ষাৰ পাণ্ডিত্যপূৰ্ণ আৰু অপাণ্ডিত্যপূৰ্ণ দিশত প্ৰয়োগ কৰাৰ লগতে শিক্ষক-শিক্ষাৰ্থী আৰু অভিভাৱকে মূল্যায়ণ প্ৰক্ৰিয়াৰ ফলপ্ৰসু ব্যৱহাৰ হোৱাৰ ওপৰত গুৰুত্ব দিব লাগিব। পৰীক্ষাৰ নিয়ন্ত্ৰণ ব্যৱস্থাৰ বিকাশ সাধন কৰিব লাগিব। শৈক্ষিক আচবাব আৰু পদ্ধতিৰ পৰিবৰ্তন সাধন কৰিব লাগিব। মাধ্যমিক পৰ্যায়ৰপৰা 'চেমিষ্টাৰ' পদ্ধতিৰ প্ৰয়োগ কৰিব লাগিব আৰু নম্বৰৰ ঠাইত ক্ৰমৰ ব্যৱহাৰ কৰিবপৰা যাব।

শিক্ষানুষ্ঠানসমূহৰ ভিতৰত বহিঃ পৰীক্ষা আৰু মূল্যায়ণ পদ্ধতিৰ বাবে ওপৰত উল্লেখ কৰা দিশবোৰৰ সহায়ত প্ৰয়োজনীয় বহিঃ পৰীক্ষাৰ গুৰুত্ব কমাই আনুষ্ঠানিক পৰ্যায়ৰ মূল্যায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰা দৰকাৰ।

অধ্যায়-১৯ যুৱক আৰু খেল-ধেমালি (Youth and Sports)

ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে পৰামৰ্শ দিছে যে শিক্ষানুষ্ঠান আৰু আন আন ক্ষেত্ৰৰ মাধ্যমত যুৱকসকলে যাতে ৰাষ্ট্ৰীয় আৰু সামাজিক বিকাশত জড়িত হ'ব পাৰে তাৰ সুবিধা দিয়া হ'ব। বৰ্তমান শিক্ষানুষ্ঠানসমূহত থকা যিকোনো এটা আঁচনিত যুৱকসকলে অংশগ্ৰহণ কৰিব লাগিব। আঁচনিসমূহ হ'ল 'ৰাষ্ট্ৰীয় সেৱা আঁচনি' আৰু জাতীয় শিক্ষাৰ্থী বাহিনী। বাহিৰতো যুৱকসকলক সংস্কাৰ আৰু সম্প্ৰসাৰণ আঁচনিত অংশগ্ৰহণ কৰা সুবিধা দিয়া হ'ব। ৰাষ্ট্ৰীয় স্বেচ্ছাসেৱক সেৱা আঁচনি শক্তিশালী কৰা হ'ব। ইয়াৰ লগতে খেল-ধেমালি আৰু শাৰিৰীক শিক্ষাৰ মাজত সংহতি স্থাপন কৰাৰ ব্যৱস্থা কৰা হ'ব।

অধ্যায়-২০ ভাষাৰ বিকাশ (Language Development)

1986 চনৰ শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে ভাষা বিকাশৰ পৰীক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। শিক্ষানীতিৰ এই অংশটো প্ৰয়োগ কৰাৰ বৰ্তমানে থল আছে। উদ্দেশ্যমূলকভাৱে এই নীতি প্ৰয়োগ কৰাৰ বাবে শক্তিশালী পদক্ষেপ লোৱা হ'ব। ভাষাৰ বিকাশৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে আলোচনা কৰি বিভিন্নধৰণৰ প্ৰচেষ্টাৰে প্ৰয়োগ কৰিবলৈ তলত দিয়া কথাকেইটাৰ ওপৰত গুৰুত্ব দিয়ে—

- শিক্ষাৰ বিভিন্ন পৰ্যায়ত শিক্ষাৰ্থীসকলৰ ভাষাগত দক্ষতা ত্ৰিভাষিক সূত্ৰৰ আধাৰত বিকশিত কৰিব লাগিব।
- ইংৰাজী আৰু আন আন বিদেশী ভাষাসমূহ অধ্যয়নৰ সুবিধা ৰখাৰ ব্যৱস্থা কৰা আৰু
- সংযোগী ভাষা হিচাপে হিন্দী ভাষাৰ বিকাশ সাধন কৰা ইত্যাদি।

অধ্যায়-২১ সাংস্কৃতিক বিকাশ (Cultural Development)

যেতিয়া ৰাষ্ট্ৰীয় শিক্ষানীতি অনুধাবন কৰা হয় তেতিয়া সংস্কৃতিৰ সৈতে শিক্ষাৰ আন্তঃসম্বন্ধৰ ওপৰত মূলতঃ গুৰুত্ব আৰোপ কৰা হৈছিল। শিক্ষা আৰু সংস্কৃতিৰ মাজত আন্তঃসম্বন্ধ স্থাপনৰ দ্বাৰা শিশুসকলৰ ব্যক্তিত্বৰ বিকাশৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। বিশেষভাৱে শিশুসকলৰ ভিতৰত সুপ্ত হৈ থকা মেধাসমূহ আৱিষ্কাৰ কৰাত সহায় কৰি সৃষ্টিশীলতাৰ প্ৰকাশ ঘটোৱাত গুৰুত্ব আৰোপ কৰা।

অধ্যায়-২২ মাধ্যম আৰু শৈক্ষিক প্ৰযুক্তিবিদ্যা (Media and Educational Technology)

ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে 'গঠনমূলক দ্বৈতবাদ' এৰি চলিবলৈ আধুনিক শৈক্ষিক প্ৰযুক্তিবিদ্যা স্পৰ্শ কৰাৰ কথাৰ ওপৰত গুৰুত্ব দিয়া উচিত বুলি কৈছিল। এই ধাৰণাটোৱে যাতে অতি দূৰত্ব ক্ষেত্ৰৰ আৰু বঞ্চিত হোৱা হিতাধিকাৰীসকলক তুলনামূলকভৱে আগ্ৰহান্বিত কৰিব পাৰে তাৰ ওপৰত গুৰুত্ব আৰোপ কৰা।

(গঠনমূলক দ্বৈতবাদ— উদ্যম আৰু বস্তুৰ দুটা ভিন্ন নীতিৰ দাৰ্শনিক শাস্ত্ৰীয় বচনৰ ওপৰত বিশ্বাস।)

অধ্যায়-২৩ শিক্ষক আৰু তেওঁলোকৰ প্ৰশিক্ষণ (Teacher and their trainning)

শিক্ষকৰ পদমৰ্যাদাযে এখন সংস্কৃতিসম্পন্ন সমাজক উপযুক্তভাৱে প্ৰতিফলন ঘটায়। সমাজৰ প্ৰয়োজন, সামৰ্থ আৰু আশা-আকাংক্ষাৰ লগত সংগতি ৰাখি শৈক্ষিক উদ্ভাৱনৰ স্বাধীনতা আৰু যথোচিত যোগাযোগ পদ্ধতি আৰু ক্ৰিয়াকলাপ অৱলম্বন কৰাৰ সুবিধা শিক্ষকসকলক দিয়া হ'ব। ৰাষ্ট্ৰীয় শিক্ষানীতিত শিক্ষকসকলৰ মৰ্যদা উন্নত কৰাৰ অৰ্থে আৰু লগতে শিক্ষকৰ বৃত্তিগত দায়বদ্ধতাৰ প্ৰতি সচেতন কৰাৰ বাবে বিভিন্নধৰণৰ পদক্ষেপ হাতত লোৱা হৈছে। তাৰ ভিতৰত শিক্ষক বাছনি প্ৰক্ৰিয়াৰ সংস্কাৰ সাধন, শিক্ষকৰ সংস্থান, কৰ্মপদ্ধতি আৰু সেৱা ব্যৱস্থাৰ উন্নয়ন, শিক্ষক সমাজৰ অসুবিধাসমূহ দূৰীকৰণৰ বাবে উপযুক্ত আৰু কাৰ্যকৰী প্ৰশাসনীয় ব্যৱস্থা গ্ৰহণ, শিক্ষা ব্যৱস্থাৰ পৰিকল্পনা আৰু ব্যৱস্থাকৰণৰ ক্ষেত্ৰত শিক্ষকসকলক জড়িতকৰণ, শিক্ষকসকলৰ বৃত্তিগত আচৰণবিধি প্ৰস্তুতকৰণ আৰু গৃহীত বিধিসমূহ পালন কৰি কৰ্তব্য কৰাৰ ব্যৱস্থা গ্ৰহণ, শিক্ষকসকলৰ শৈক্ষিক ক্ৰিয়াকলাপত আৱশ্যকীয় স্বাধীনতা প্ৰদান কৰি উদ্ভাৱনৰ সুবিধা দিয়াৰ পৰিবেশ সৃষ্টি কৰা আদিয়েই প্ৰধান।

শিক্ষকৰ সংস্থাসমূহে বৃত্তিগত সংহতি উন্নতি সাধনৰ অৰ্থে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব আৰু শিক্ষকৰ মৰ্যদা বৃদ্ধি কৰি বৃত্তিগত অপকৰ্মসমূহ যাতে সংযত হয় তাৰ প্ৰতি চকু ৰাখিব লাগিব। ৰাষ্ট্ৰীয় পৰ্যায়ৰ শিক্ষক সংস্থাসমূহে বৃত্তিগত নীতি প্ৰস্তুত কৰা উচিত আৰু সেইবিষয়ে পৰ্যবেক্ষণ কৰা দৰকাৰ।

শিক্ষকৰ শিক্ষা এটা অবিৰত প্ৰক্ৰিয়া। শিক্ষকৰ শিক্ষাৰ ক্ষেত্ৰত প্ৰাক-নিযুক্তিকালীন আৰু নিযুক্তিকালীন প্ৰশিক্ষণৰ বিষয়টো জুকিয়াই চাই উন্নত কৰাৰ ব্যৱস্থা কৰা হ'ব। প্ৰাথমিক স্তৰৰ শিক্ষক তথা অগতানুগতিক আৰু বয়স্ক শিক্ষা কেন্দ্ৰসমূহত কাম কৰি থকা ব্যক্তিসকলৰ বাবে প্ৰাক-নিযুক্তিকালীন আৰু নিযুক্তিকালীন প্ৰশিক্ষণৰ ব্যৱস্থা কৰিবপৰাকৈ "জিলা শিক্ষা আৰু প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহৰ পৰ্যায়ক্ৰমে আৰম্ভ কৰা হ'ব। মাধ্যমিক বিদ্যালয়ৰ শিক্ষকসকলৰ মানদণ্ড উন্নত কৰাৰ বাবে প্ৰশিক্ষণ মহাবিদ্যালয়সমূহৰ উন্নতি সাধন কৰা হ'ব। "ৰাষ্ট্ৰীয় শিক্ষক শিক্ষণ পৰিষদক" এই স্তৰৰ শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহক প্ৰশিক্ষণৰ পাঠ্যক্ৰম আৰু শিক্ষণ পদ্ধতি সম্পৰ্কত প্ৰয়োজনীয় পৰামৰ্শ আগবঢ়োৱাৰ বাবে দায়িত্ব অৰ্পণ কৰা হ'ব। বিশ্ববিদ্যালয়ৰ শিক্ষা বিভাগৰ লগত শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠানসমূহৰ পাৰস্পৰিক সম্বন্ধ সুদৃঢ় কৰি তুলিব লাগিব।

অধ্যায়-২৪ শিক্ষাৰ পৰিচালনা (The Management of Education)

শিক্ষাৰ পৰিকল্পনা ব্যৱস্থা আৰু পৰিচালনাই এটি বিশেষ প্ৰাধান্যতা লাভ কৰিছে। মানৰ সম্পদৰ বিকাশ আৰু ৰাষ্ট্ৰৰ বিকাশৰ প্ৰয়োজনীয়তাত শিক্ষা প্ৰক্ৰিয়াটোৰ সুসম্পন্ন আৰু দক্ষ পৰিচালনা অতি গুৰুত্বপূৰ্ণ। এইক্ষেত্ৰত কেইটিমান দিশ বিশেষভাৱে উল্লেখযোগ্য। সেইবোৰ হ'ল—

ক) মানৱ শক্তিৰ প্ৰয়োজন অনুসৰে বিকশিত কৰিবলৈ দীৰ্ঘকালীন পৰিকল্পনা আৰু পৰিচালনাৰ আঁচনি হাতত ল'ব লাগে।

খ) শিক্ষানুষ্ঠানবিলাকৰ ক্ষেত্ৰত স্বায়ত্ব শাসনৰ উদ্যম সৃষ্টি কৰি ক্ষমতাৰ বিকেন্দ্ৰীকৰণ কৰিব লাগে।

গ) বেচৰকাৰী প্ৰতিষ্ঠান, স্বেচ্ছাসেৱী সংস্থাসমূহক কেন্দ্ৰ কৰি বিভিন্ন গোষ্ঠীৰ ব্যক্তিক জড়িত কৰাৰ ব্যৱস্থা কৰিব লাগে।

ঘ) শিক্ষা পৰিচালনা আৰু পৰিকল্পনা ব্যৱস্থাত অধিক সংখ্যক মহিলা নিয়োগ কৰিব লাগে।

ঙ) উদ্দেশ্য আৰু নীতিসমূহক কেন্দ্ৰ কৰি মূল্যায়ণৰ ব্যৱস্থা কৰিব লাগে।

চিন্তা চৰ্চা কৰক ৫.১

ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিৰ পৰামৰ্শসমূহৰ কোনকেইটা পৰামৰ্শ আপুনি শিক্ষাৰ ক্ষেত্ৰত প্ৰয়োগৰ বাবে গুৰুত্বপূৰ্ণ বুলি ভাবে? ব্যাখ্যা কৰক।

.....

.....

.....

.....

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু 1992 চনৰ কৰ্ম আঁচনিৰ প্ৰধান পৰামৰ্শ কোনবোৰ আছিল?

.....

.....

৫.৪ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- ভাৰত চৰকাৰে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ পৰিবৰ্তন অনাৰ ক্ষেত্ৰত বৈপ্লবিক ধাৰা প্ৰবৰ্তন কৰিবলৈ গ্ৰহণ কৰা 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু 1992 চনৰ কৰ্ম আঁচনিক গুৰুত্বপূৰ্ণ নীতিগত দলিল হিচাপে ধৰা হয়। এইক্ষেত্ৰত মূলভাবে বন্ধা নিয়মখিনি তলত উল্লেখ কৰিব পৰা যায়—
- স্বাধীনোত্তৰ ভাৰতবৰ্ষৰ শিক্ষাৰ ইতিহাসত 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি বৈশিষ্টপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত হৈছে।
- 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু 1992 চনৰ কৰ্মৰ আঁচনিয়ে বিষয়সূচী আৰু শিক্ষা প্ৰক্ৰিয়াৰ ক্ষেত্ৰত বৈশিষ্টপূৰ্ণ নীতিগত ধাৰাৰ ব্যৱস্থা কৰিছে।
- ধৰ্মনিৰপেক্ষতাৰ মূল্যবোধ, সমাজবাদ, দেশৰ নাগৰিকসকলে লাভ কৰা গণতন্ত্ৰৰ ধাৰণাৰ ওপৰত গুৰুত্ব দিছিল।
- শিক্ষাই গ্ৰাম্য আৰু নগৰীয়া ধাৰণাৰ মাজত থকা বৈষম্যতাৰ মাত্ৰা কমাব আৰু নিয়োগৰ সুবিধাসমূহক বিকেন্দ্ৰীকৰণ কৰাৰ ক্ষেত্ৰত গুৰুত্ব লাভ কৰিছিল।
- বয়স্কসকলৰ শিক্ষা বিশেষভাৱে 15 বছৰৰপৰা 35 বছৰ বয়সৰ দলক শিক্ষিত কৰাৰ বাবে গুৰুত্ব আৰোপ কৰিছিল।

- 1992 চনৰ কৰ্মৰ আঁচনিয়ে সাৰ্বজনীন নামভৰ্তিকৰণ, সাৰ্বজনীন সংৰক্ষণ আৰু 14 বছৰলৈ শিশুৱে বিদ্যালয়ত শিক্ষা সম্পূৰ্ণভাৱে সমাপ্ত কৰাৰ উদ্দেশ্য পৰিপূৰ্ণ কৰিবলৈ বিচাৰিছে।
- কৰ্মৰ আঁচনিয়ে পৰিকল্পনাৰ বিকেন্দ্ৰীকৰণ আৰু প্ৰাথমিক শিক্ষাৰ সুন্দৰভাৱে ব্যৱস্থাকৰণৰ পৰামৰ্শ আগবঢ়াইছে।
- ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে শিক্ষাৰ ক্ষেত্ৰত পিচপৰি থকা অঞ্চলত শিক্ষাৰ বিকাশ ঘটোৱাৰ পৰামৰ্শ দিছে।
- ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে ভাৰতবৰ্ষৰ মহিলা শিক্ষাৰ সমস্যাৰ দিশটো অনুধাবন কৰিছে আৰু সকলোৰে বাবে সমান সুবিধাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব দিছে।
- ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে প্ৰযুক্তিবিদ্যাৰ বিকাশৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু আমাৰ দেশত কম্পিউটাৰ শিক্ষা ব্যৱহাৰৰ ক্ষেত্ৰত নীতি সাজু কৰি প্ৰাধান্যতা দিছে।
- শিক্ষানীতি আৰু কৰ্ম আঁচনিয়ে সাৰ্বজনীন শিক্ষাৰ লক্ষ্যত উপনীত হোৱাৰ অৰ্থে অগতানুগতিক শিক্ষা আৰু দূ�ৰত্ব শিক্ষাৰ সম্প্ৰসাৰণত গুৰুত্ব আৰোপ কৰিছে।
- ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে মূল্যবোধ শিক্ষাৰ প্ৰয়োজনীয়তা উপলব্ধি কৰিছে আৰু দেশৰ সাংস্কৃতিক পৰম্পৰাসমূহৰ প্ৰকৃত ৰক্ষণাবেক্ষণত গুৰুত্ব আৰোপ কৰিছে।
- শিক্ষানীতি আৰু কৰ্মৰ আঁচনি দুয়োটাই উচ্চ শিক্ষা আৰু গৱেষণা কাৰ্যত গুৰুত্ব আৰোপ কৰি বিকাশ লভাত প্ৰাধান্যতা দিছে।
- কৰ্মৰ আঁচনিয়ে বৃত্তিমুখী শিক্ষাৰ ওপৰত গুৰুত্ব দি ব্যক্তিগত দক্ষতা বৃদ্ধি কৰাৰ লগতে জাতীয় উৎপাদন বৃদ্ধি কৰাত প্ৰাধান্যতা দিছে।
- শিক্ষকতা বৃত্তিৰ সামৰ্থবান ব্যক্তিক শিক্ষক প্ৰশিক্ষণৰ সুবিধা প্ৰদানত প্ৰাধান্যতা দিয়া উচিত বুলি শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে কৈছে। ই লগতে শিক্ষকসকলৰ সেৱাৰ অৱস্থা আৰু দৰমহাৰ দিশটোৰ উন্নতি সাধন কৰা উচিত বুলিও পৰামৰ্শ আগবঢ়াইছে।

০ ৫.৫ অধিক জানিবলৈ

১) ডেকা, বীৰেন্দ্ৰ ঃ শৈক্ষিক ৰচনাসমূহ, কিতাপ ঘৰ, নলবাৰী
শৈক্ষিক চিন্তাধাৰা আৰু ৰচনাসমূহ, বনলতা, গুৱাহাটী - 1

২) বৰুৱা, যতীন ঃ ভাৰতৰ শিক্ষাৰ ইতিহাস অধ্যয়ন, লয়ার্চ বুকচষ্টল, গুৱাহাটী-1

৩) বৰদলৈ, অজন্তা ঃ ভাৰতৰ শিক্ষাৰ বুৰঞ্জী, লয়ার্চ বুকচষ্টল, গুৱাহাটী-1

K ৫.৬ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰাথমিক শিক্ষা সন্দৰ্ভত 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে আগবঢ়োৱা প্ৰধান উদ্দেশ্যকেইটা হ'ল—

- সাৰ্বজনীন নামভৰ্তিকৰণ,
- সাৰ্বজনীন সংৰক্ষণ প্ৰতিটো শিশুৰ 14 বছৰ বয়সলৈ,
- গুণগত শিক্ষাৰ সম্ভৰপৰ বিকাশ কৰি শিক্ষণৰ প্ৰয়োজনীয় পৰ্যায় যাতে সকলো শিক্ষাৰ্থীয়ে পাবলৈ সক্ষম হয়।

২ নং প্ৰশ্নৰ উত্তৰ ঃ উচ্চ শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় শিক্ষানীতি 1986 আৰু কৰ্মৰ আঁচনি 1992য়ে গুৰুত্ব আৰোপ কৰি কৈছে যে উচ্চ শিক্ষা ব্যক্তিসকলক দিয়াৰ ব্যৱস্থা কৰি জটিল সামাজিক, অৰ্থনৈতিক, সাংস্কৃতিক, নৈতিক আৰু আধ্যাত্মিক দিশবোৰৰ প্ৰতিফলন ঘটোৱাৰ সুবিধা প্ৰদান কৰিব লাগিব।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু 1992 চনৰ কৰ্মৰ আঁচনিয়ে আগবঢ়োৱা পৰামৰ্শসমূহ হ'ল তলত দিয়াধৰণৰ—

- ৰাষ্ট্ৰীয় শিক্ষানীতি 1986 আৰু কৰ্মৰ আঁচনি 1992 য়ে বিষয়সূচী আৰু শিক্ষা প্ৰক্ৰিয়াৰ ক্ষেত্ৰত এক বৈশিষ্টপূৰ্ণ নিয়মবন্ধাৰ ব্যৱস্থা কৰিছে।
- ধৰ্ম নিৰপেক্ষতাৰ মূল্যবোধ, সমাজবাদ, গণতন্ত্ৰৰ ধাৰণাৰ দ্বাৰা দেশৰ নাগৰিকসকলক উদ্বুদ্ধ কৰাব লাগিব।
- শিক্ষাই গ্ৰাম্যাঞ্চল আৰু চহৰ অঞ্চলৰ মাজৰ বৈষম্যতাৰ হাৰ কমাব লাগিব আৰু নিয়োগৰ সুবিধাসমূহক বিভাজিত কৰাৰ লগতে উন্নতি সধাব।
- বয়স্ক শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ বিশেষকৈ 15 বছৰৰ পৰা 35 বছৰৰ ভিতৰৰ ব্যক্তিসকলৰ ক্ষেত্ৰত।
- ই দূৰত্ব শিক্ষাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে।
- 1992 চনৰ কৰ্মৰ আঁচনিয়ে সাৰ্বজনীন নামভৰ্তিকৰণ, সাৰ্বজনীন সংৰক্ষণ আৰু শিশুসকলে বিদ্যালয়ত 14 বছৰ বয়সলৈ থাকি শিক্ষা সম্পূৰ্ণকৰণৰ লক্ষ্য পূৰ্ণকৰণত গুৰুত্ব দিছে।
- কৰ্মৰ আঁচনিয়ে পৰিকল্পনাৰ বিকেন্দ্ৰীকৰণ আৰু প্ৰাথমিক শিক্ষা সুপৰিচালনা কৰাৰ পৰামৰ্শ আগবঢ়াইছে।
- ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে শৈক্ষিকভাৱে পিছপৰা অঞ্চলসমূহত শিক্ষাৰ বিকাশ সাধন কৰাৰ ওপৰত প্ৰকৃতভাৱে গুৰুত্ব আৰোপ কৰিছে।
- ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে ভাৰতবৰ্ষৰ মহিলা শিক্ষাৰ সমস্যা সম্বন্ধে অনুধাবন কৰিছে আৰু সকলোৰে বাবে সমান সুবিধা প্ৰদানৰ পোষকতা কৰিছে।
- 1992 চনৰ কৰ্ম আঁচনিয়ে মূল্যবোধ শিক্ষাৰ প্ৰয়োজনবোধ কৰিছে আৰু ৰাষ্ট্ৰৰ সাংস্কৃতিক পৰম্পৰাসমূহৰ প্ৰকৃত মূল্যায়ণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।
- ই উচ্চশিক্ষা আৰু গৱেষণা কাৰ্যৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।
- কৰ্মৰ আঁচনিয়ে ব্যক্তিসকলৰ দক্ষতা আৰু জাতীয় উৎপাদন বৃদ্ধি কৰিবলৈ বৃত্তিমুখী শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।
- শিক্ষাদান বৃত্তিৰ সামৰ্থবান ব্যক্তিসকলক শিক্ষক প্ৰশিক্ষণৰ সুবিধা প্ৰদান কৰা উচিত। ই শিক্ষকসকলৰ সেৱাৰ অৱস্থা আৰু দৰমহাৰ উন্নতি সাধন কৰা উচিত বুলিও পৰামৰ্শ আগবঢ়াইছে।
- ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্ম আঁচনিয়ে গাঠনিক দ্বৈতবাদক পৰিহাৰ কৰাৰ কথা কৈছে আৰু আধুনিক শৈক্ষিক প্ৰযুক্তিবিদ্যাক ধুকি পোৱাৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰিছে।
- ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে বাধাগ্ৰস্তসকলৰ শিক্ষাক গুৰুত্ব আৰোপ কৰিছে।
- ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে পৰিবেশ সংৰক্ষণত গুৰুত্ব দিছে।
- ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু কৰ্মৰ আঁচনিয়ে অনুসূচিত জাতি, অনুসূচিত জনজাতি, আন পিচপৰা জাতি আৰু সংখ্যালঘুসকলৰ শিক্ষাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

M৫.৭ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ ভাৰতবৰ্ষত আধুনিক শিক্ষা ব্যৱস্থাৰ কাৰণে 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিক কিয় এখন বিশেষ দলিল বুলি কোৱা হয়?

প্ৰশ্ন ২ঃ প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ উদ্দেশ্য কি আছিল?

প্ৰশ্ন ৩ঃ মাধ্যমিক আৰু উচ্চ শিক্ষাৰ বাবে 1986, 1992 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ উদ্দেশ্যসমূহৰ বিষয়ে বৰ্ণনা কৰক।

প্ৰশ্ন ৪ঃ 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু 1992 চনৰ সংশোধীত ৰাষ্ট্ৰীয় নীতিয়ে শিক্ষা ব্যৱস্থা উন্নতিকৰণৰ বাবে কেনেধৰণৰ সামাজিক বিষয়ৰ কথা উল্লেখ কৰিছিল?

প্ৰশ্ন ৫ঃ ভাৰতবৰ্ষৰ মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষা ব্যৱস্থাৰ বাবে 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে আগবঢ়োৱা পৰামৰ্শসমূহ কি কি আছিল?

(খ) ৰচনা ধৰ্মী প্ৰশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰধান পৰামৰ্শসমূহ কি কি আছিল?

প্ৰশ্ন ২ঃ 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু 1992 চনৰ কৰ্ম আঁচনিৰ প্ৰধান উদ্দেশ্যসমূহ কি কি আছিল?

প্ৰশ্ন ৩ঃ কৰ্ম আঁচনিৰ (1992) প্ৰধান পৰামৰ্শসমূহ কি কি আছিল?

প্ৰশ্ন ৪ঃ ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাত 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু 1992 চনৰ কৰ্ম আঁচনিৰ প্ৰভাব কেনেধৰণে পৰিছিল?

অধ্যায় ৬ ঃ ভাৰতবৰ্ষৰ প্ৰাথমিক শিক্ষাৰ অভিযানসমূহ

অধ্যায় গাঁথনি

6.1 উদ্দেশ্য
6.2 পৰিচয়
6.3 প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ ধাৰণা
6.4 জিলা প্ৰাথমিক শিক্ষা আঁচনি (DPEP)
6.5 সৰ্বশিক্ষা অভিযান আৰু ইয়াৰ প্ৰচেষ্টা
6.5.1 সৰ্বশিক্ষা অভিযানৰ উদ্দেশ্য
6.5.2 সৰ্বশিক্ষা অভিযানৰ সাংগঠনিক স্থাপকতা
6.5.3 সৰ্বশিক্ষা অভিযান আৰু ইয়াৰ সম্বন্ধিত উপাদানসমূহ
6.5.4 সৰ্বশিক্ষা অভিযান আৰু দিবা আহাৰৰ লগত ইয়াৰ সম্বন্ধ
6.5.5 অংশ সম্বন্ধীয় হাৰ আৰু প্ৰধান অৰ্থনৈতিক হস্তক্ষেপ বা সৰ্বশিক্ষা অভিযানৰ আদৰ্শসমূহ
6.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
6.7 অধিক জানিবলৈ
6.8 অগ্ৰগতিৰ খতিয়ান
6.9 আৰ্হি প্ৰশ্ন

৬.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্ৰাথমিক শিক্ষা সাৰ্বজনীন কৰাৰ ধাৰণাটোৰ বিষয়ে ব্যাখ্যা কৰিবলৈ সমৰ্থ হ'ব
- জিলা প্ৰাথমিক শিক্ষা আঁচনি, সৰ্বশিক্ষা অভিযানৰ সম্পূৰ্ণ দিশটোৰ উন্মেষ কৰিবলৈ সক্ষম হ'ব
- সৰ্বশিক্ষা অভিযানৰ প্ৰচেষ্টাৰ বিষয়ে উপলব্ধি কৰিব পাৰিব
- সৰ্বশিক্ষা অভিযানৰ প্ৰধান অৰ্থনৈতিক হস্তক্ষেপৰ বিষয়ে বিশ্লেষণ কৰিবলৈ সমৰ্থ হ'ব।

৬.২ পৰিচয়

ভাৰতবৰ্ষত সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ উদ্দেশ্যত উপনীত হোৱাৰ ক্ষেত্ৰত লোৱা প্ৰচেষ্টাসমূহৰ ধাৰাৰ বিষয়ে আমি জনাটো প্ৰয়োজন হ'ব। ভাৰতবৰ্ষৰ দৰে এখন দেশত ৰাষ্ট্ৰৰ কল্যাণ সাধনৰ লক্ষ্যত উপনীত হোৱাৰ বাবে গণতান্ত্ৰিক শিক্ষাৰ বৰ প্ৰয়োজন। প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰাৰ বাবে ইতিমধ্যে প্ৰয়োগ কৰা আঁচনিসমূহৰ পিছত বোধগম্য দৃষ্টিভংগীৰে সৰ্বশিক্ষা অভিযানৰ আঁচনি হাতত লোৱা হৈছে। এই আঁচনিৰ ভিতৰত বিদ্যালয়ৰ সকলো দিশৰ কাম-কাজ সামৰি লোৱা হৈছে আৰু জাত-পাত, লিংগ, ধৰ্ম নিৰ্বিশেষে সকলোৰে বাবে শিক্ষাৰ ব্যৱস্থা কৰিবলৈ প্ৰচেষ্টা চলোৱা হৈছে। ই বোধগম্য কাৰণ ইয়াক ভাৰতবৰ্ষৰ সকলো জিলাতে প্ৰয়োগ কৰা হৈছে। ভাৰতীয় সংবিধানৰ 8 6নং সংশোধনীত উল্লেখ কৰা শিক্ষাক মূল অধিকাৰ হিচাপে লোৱাৰ ধাৰণাটোৰ ৰক্ষণাবেক্ষণ, উন্নতকৰণ আৰু পূৰ্ণকৰণ কৰিবলৈ সৰ্বশিক্ষা অভিযানৰ আঁচনি হাতত লোৱা হৈছে। নিৰ্দিষ্ট লক্ষ্যত উপনীত হোৱাৰ অৰ্থে আঁচনিখনক কাৰ্যকৰী কৰাৰ বাবে সকলোধৰণৰ প্ৰচেষ্টা চলোৱা হৈছে।

৬.৩ প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণ

প্ৰাথমিক শিক্ষা সাৰ্বজনীনকৰণৰ বিষয়ে আলোচনা কৰিবলৈ যোৱাৰ আগতে আমি প্ৰথমতে প্ৰাথমিক শিক্ষানো কি আৰু ই কোনটো পৰ্যায় সামৰি লৈছে তাক জনাটো প্ৰয়োজন হ'ব।

- ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষাই আধাৰ আবৰি লৈছে বা ই পৰৱৰ্তী শিক্ষাৰ আৰম্ভণিৰ বিন্দু বা ই হ'ল পৰৱৰ্তী শিক্ষাৰ পদক্ষেপ শিলা। ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষাত শিশুসকলৰ নামভৰ্তিৰ বয়সৰ মানদণ্ড হ'ল 6 বছৰ আৰু শিক্ষাৰ সময় হ'ল 6–14 বছৰ আৰু এই বয়সে প্ৰথম শ্ৰেণীৰ পৰা অষ্ঠমমান শ্ৰেণীলৈকে সামৰি লৈছে।
- শিশুৰ সামাজিকীকৰণ প্ৰক্ৰিয়া আৰম্ভ হয় ঘৰত আৰু ক্ৰমাগতভাবে ই সম্প্ৰসাৰিত হয় বিদ্যালয়লৈ। বিদ্যালয়তে শিশুবোৰে অসম্বন্ধিত ব্যক্তিসকলৰ সৈতে আৰু বহল সমাজৰ লগত পাৰস্পৰিকভাৱে শিকিবলৈ লয়।
- শিক্ষাক এখন দেশৰ আৰ্থসামাজিক বিকাশৰ দলিচা বুলি অভিহিত কৰা হয়। জাত-পাত, ধৰ্ম-লিংগ নিৰ্বিশেষে সকলো শিশুক শিক্ষা দিয়াটো দেশখনৰ কৰ্তব্য আৰু ইয়াক জন্মস্বত্বে পোৱা অধিকাৰ বুলি উপলব্ধি কৰা হৈছে।

শিক্ষাক গণতান্ত্ৰিক অধিকাৰ হিচাপে লৈ শিশুসকলক বিকশিত কৰাটোৱে হ'ল সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ মূল উদ্দেশ্য। ভাৰতবৰ্ষৰ চৰকাৰে প্ৰাথমিক শিক্ষাক সাৰ্বজনীন কৰি তুলিবলৈ সময়ে সময়ে নানাধৰণৰ প্ৰচেষ্টা হাতত লৈছে আৰু প্ৰাথমিক শিক্ষা যাতে সকলো শিশুৱে 6–14 বছৰৰ ভিতৰত ল'ব পাৰে তাৰ ব্যৱস্থা কৰিছে। বিখ্যাত ভাৰতীয় শিক্ষাবিদ জে পি নেইকে (J. P. Naik) প্ৰাথমিক শিক্ষাৰ গুৰুত্বতা উপলব্ধি কৰি তলত দিয়া কথাশাৰী প্ৰকাশ কৰিছে যে— 'প্ৰাথমিক শিক্ষাৰ বিকাশ হ'ল সাধাৰণ, সামজিক আৰু অৰ্থনৈতিক দিশত এখন দেশৰ সামগ্ৰিক বিকাশৰ এখন সূচীহে।' (The progress of primary education is an index of the general, social and economic development of the country as a whole.) প্ৰাথমিক শিক্ষাই শিশুসকলৰ সাংস্কৃতিক, আৱেগিক, বৌদ্ধিক, নৈতিক, শাৰিৰীক, সামাজিক আৰু আধ্যাত্মিক বিকাশৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা লৈ প্ৰকৃত আধাৰশিলা স্থাপন কৰে।

বাধ্যতামূলক প্ৰাথমিক শিক্ষাত মূলতঃ তিনিটা দিশ জড়িত হৈ থাকে। দিশ তিনিটা হ'ল— সাৰ্বজনীন ব্যৱস্থাকৰণ, সাৰ্বজনীন নামভৰ্তিকৰণ আৰু সাৰ্বজনীন পূৰ্ণকৰণ বা (Retention) সংৰক্ষণ।

সাৰ্বজনীন ব্যৱস্থাকৰণ ঃ বিদ্যালয়ত সাৰ্বজনীন ব্যৱস্থাকৰণ মানে হ'ল 6–14 বছৰ বয়সৰ দেশখনৰ সকলো শিশুক বিদ্যালয়ৰ সুবিধা প্ৰদান কৰা। বিদ্যালয়খন সকলো শিশুৱে যাতে নিজ ঘৰৰপৰা খোজকাঢ়ি যাব পৰা দূৰত্বত অৱস্থিত হয় তাৰ ব্যৱস্থা কৰা।

সাৰ্বজনীন নামভৰ্তিকৰণ ঃ সাৰ্বজনীন নামভৰ্তিকৰণ মানে হ'ল দেশৰ 6–14 বছৰ বয়সৰ সকলো শিশুক বিদ্যালয়ত নামভৰ্তিকৰণৰ ব্যৱস্থা কৰা। এই ব্যৱস্থামতে সকলো শিশুৱে নামভৰ্তিকৰণ কৰিবই লাগিব। দৰকাৰ হ'লে অভিভাৱকসকলে শিশুক বিদ্যালয়লৈ নপঠিয়ালে আইনমতে জৰিমনা ভৰাব পাৰিব।

সাৰ্বজনীন সংৰক্ষণ বা পূৰ্ণকৰণ ঃ সাৰ্বজনীন সংৰক্ষণ বা পূৰ্ণকৰণ মানে হ'ল যি শিশুৱে বিদ্যালয়ত নামভৰ্তি কৰে তেওঁ সম্পূৰ্ণভাৱে 8টা শ্ৰেণীৰ শিক্ষা সম্পূৰ্ণ কৰাৰ বাবে বিদ্যালয়ত ৰব লাগিব।

5 জানি থোৱা ভাল

- সংবিধানৰ 15 নং অনুচ্ছেদ মতে -" ৰাজ্যই লিংগ ভিত্তিত কোনো নাগৰিকৰ ক্ষেত্ৰত বৈষম্য আনিব নোৱাৰিব"।
- 29 নং অনুচ্ছেদ মতে "ৰাজ্যই স্থাপন কৰা বা চৰকাৰী সাহায্যপ্ৰাপ্ত শিক্ষানুষ্ঠান বোৰত জাতি, ধৰ্ম, ভাষা নিৰ্বিশেষে সকলো নাগৰিকে নামভৰ্তি কৰিব পাৰিব"।

- 73 নং আৰু 74 নং সংবিধান সংশোধনে স্থানীয় কর্তৃপক্ষবোৰক স্থানীয় ভাৱে শিক্ষা আঁচনিবোৰ ৰূপায়ণ কৰাৰ বাবে কর্তৃত্ব দিছে।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সার্বজনীন প্রাথমিক শিক্ষাৰ ধাৰণাটোৱে সামৰি লোৱা দিশ তিনিটা কি কি?

.....

.....

৬.৪ জিলা প্রাথমিক শিক্ষা আঁচনি (DPEP), ১৯৮৬

1986 চনৰ শিক্ষানীতিৰ মূল্যায়নৰ বাবে 1990 চনত ভাৰত চৰকাৰে এখন কমিটি নিয়োগ কৰিছিল সেই অনুসৰি, 1986 চনৰ ৰাষ্ট্রীয় শিক্ষা নীতিৰ 1990–1992 চনত এক পুনৰীক্ষণ চলোৱা হয়। 1992 চনৰ কার্য্য আঁচনিয়ে পিচ পৰা জিলাসমূহৰ বিকাশৰ প্রয়োজনীয়তাৰ ক্ষেত্রত এক গুৰুত্ব আৰোপ কৰিছিল। সেইমতে ভাৰত চৰকাৰে 1993 চনৰ জিলা শিক্ষা আঁচনি ৰূপায়ন কৰে। জিলা শিক্ষা আঁচনি হ'ল জিলা স্তৰত শিক্ষা আঁচনি কেন্দ্রীভূত কৰাৰ এক প্রচেষ্টা। ই এনেধৰণে ৰূপায়ণ কৰা হৈছে যে ই জিলা এখনৰ যিকোনো ধৰণৰ শিক্ষামূলক প্রয়োজন আৰু দাবীসমূহ পূৰণ কৰিব পাৰে। আৰম্ভণিতে এই শিক্ষা আঁচনিসমূহ 8 খন ৰাজ্যৰ 44 খন জিলাৰ প্রস্তুত কৰা হৈছিল। সেই ৰাজ্যকেইখন হ'ল— অসম, হাৰিয়ানা, কর্ণাটক, মধ্যপ্রদেশ, মহাৰাষ্ট্র, তামিলনাড়ু, উৰিষ্যা আৰু কেৰেলা। লাহে লাহে ইয়াক 18 খন ৰাজ্যৰ 273 খন জিলাত ৰূপায়ম কৰা হয়।

জিলা শিক্ষা আঁচনিৰ মূল উদ্দেশ্যসমূহ হ'ল—

- সকলো ল'ৰা ছোৱালীৰ বাবে প্রাথমিক শিক্ষা সুলভ কৰি তোলা (প্রথম শ্রেণীৰ পৰা চতুর্থ / পঞ্চম শ্রেণীলৈ)
- বিদ্যালয় আধাতে এৰি অহা ছাত্র ছাত্রীৰ পৰিমাণ 10 শতাংশলৈ কম কৰা।
- প্রাথমিক স্তৰত শিক্ষণ সফলতা 25 শতাংশলৈ বৃদ্ধি কৰা।
- সামাজিক দলসমূহৰ মাজত লিঙ্গ বৈষম্য 5শতাংশলৈ কম কৰা।

জিলা শিক্ষা আঁচনি আন শিক্ষা আঁচনিসমূহতকৈ বিভিন্ন ধৰণে পৃথক। যেনে-

- DPEP য়ে বর্তমানৰ আঁচনি আৰু সম্পদসমূহৰ অভিসাৰণৰ যোগেদি সমগ্র শিক্ষা বিষয়সমূহ এক সামগ্রিক ৰূপত একত্রিত হোৱাটো বিচৰিছিল।
- ই জিলাসমূহক আঁচনি আৰু ৰূপায়ণৰ এক গোট হিচাপে ধৰি লৈ এক অঞ্চল বিশেষ ধাৰণা অৱলম্বন কৰিছিল।
- জিলা স্তৰত এক অংশগ্রহণকাৰী প্রক্রিয়াৰ সহায়ত আঁচনি প্রস্তুত কৰা হৈছিল যিয়ে জিলা কার্য্যলয় আৰু উপ কার্য্যলয়সমূহ অন্তর্ভূক্ত কৰাৰ লগতে শিক্ষক, অভিভাৱক আৰু জনগোষ্ঠীয় সদস্যসমূহকো সামৰি লয়।
- সমতা হ'ল জিলা শিক্ষা আঁচনিৰ এক প্রধান বিষয়।
- প্রশিক্ষণ আৰু অন্যান্য মাধ্যমেৰে সক্ষমতা নির্মাণ কৰাৰ ওপৰত বিশেষ গুৰুত্ব দিয়া হৈছিল।
- প্রচলিত শিক্ষা বাজেটৰ ক্ষেত্রত জিলা শিক্ষা আঁচনিৰ সম্পদসমূহ অতিৰিক্ত আছিল।

৬.৫ সৰ্বশিক্ষা অভিযান আৰু ইয়াৰ প্ৰচেষ্টা

সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ ধাৰণাটোৰ বিষয়ে অৱগত হোৱাৰ পিছত আমি ভাৰত চৰকাৰে সাৰ্বজনীন শিক্ষা পূৰ্ণকৰণৰ ক্ষেত্ৰত লোৱা প্ৰচেষ্টাসমূহৰ বিষয়ে এতিয়া আলোচনা কৰিম। সৰ্বশিক্ষা অভিযান হ'ল এক বোধগম্য ধাৰণাৰ মাধ্যমেৰে প্ৰাথমিক শিক্ষাৰ গুণগত মান উন্নত কৰাৰ প্ৰয়াস। চৰকাৰে এই অভিযান 2001 চনত প্ৰৱৰ্তন কৰিছে। এই আঁচনিখনৰ মাধ্যমেৰে 2010 চনৰ ভিতৰত 6–14 বছৰৰ ভিতৰৰ সকলো শিশুক প্ৰাথমিক শিক্ষাৰ বাবে সামৰি লোৱা হ'ব। ই হ'ল প্ৰাথমিক শিক্ষা ব্যৱস্থাক সাৰ্বজনীন কৰাৰ এটা প্ৰচেষ্টা। এই প্ৰচেষ্টাটোৰে বিদ্যালয় ব্যৱস্থাটোক সামূহিক স্বত্বাধিকাৰৰ মাধ্যমেৰে বিকশিত কৰাত সহায় কৰিব। সৰ্বশিক্ষা অভিযানটো হ'ল সমগ্ৰ ভাৰতবৰ্ষত গুণগত শিক্ষাৰ মূল দাবী পূৰণৰ বাবে সৃষ্টি হোৱা প্ৰতিক্ৰিয়া। এই অভিযানে মানৰ সামৰ্থসমূহক বিকাশ কৰাৰ সুবিধা দিবলৈ প্ৰচেষ্টা চলাইছে। বিশেষভাৱে সমাজৰ দুৰ্গত শিশুসকলক বিকশিত কৰাৰ বাবে এই অভিযানে প্ৰচেষ্টা চলাইছে। সমাজৰ বিভিন্ন দিশত প্ৰতিফলিত হৈছে যে প্ৰাথমিক শিক্ষাই আমাৰ দেশত আজি পৰ্যন্ত সাৰ্বজনীন ৰূপ ল'ব পৰা নাই। কিছুবছৰ আগৰপৰা নানাধৰণেৰে প্ৰচেষ্টা চলাই আইন, অভিযান আদি সম্ভৰ কৰি তোলা হৈছে। সেই আইন, অভিযান, প্ৰচেষ্টা আদিৰ ফলত কিছু পৰিমাণে শিক্ষাৰ দিশত শিশুসকলৰ অংশগ্ৰহণ বাস্তৱিক হৈ পৰিছে। ইতিবাচক সঁহাৰি পোৱা গৈছে যদিও জীৱনৰ প্ৰয়োজনীয়তাৰ প্ৰতি লক্ষ্য ৰাখি অধিক দক্ষতাভিত্তিক আৰু হাতে-কামে শিকা অৱস্থালৈ শিক্ষাৰ সম্প্ৰসাৰণ হোৱা নাই। শিক্ষাক গুণসম্পন্ন কৰি তোলাৰ ক্ষেত্ৰত এতিয়াও নানাধৰণৰ আলৈ আহুকাল আহিয়েই আছে। বৰ্তমান সমাজত প্ৰয়োজন হৈ পৰিছে সকলোধৰণৰ সুবিধা থকা প্ৰাথমিক বিদ্যালয়ৰ। বিদ্যালয়ৰ গৃহ তথা সামগ্ৰিক পৰিৱেশ আকৰ্ষণীয় তথা সৰ্বাংগসুন্দৰ নহ'লে ল'ৰা-ছোৱালী তথা অভিভাৱকসকল তাৰ প্ৰতি আকৰ্ষিত নহয়। প্ৰাথমিক বিদ্যালয়লৈ শিক্ষাৰ্থীসকলক দ্বিধাহীনভাৱে নিবলৈ হ'লে সুবিধা দিয়াৰ ব্যৱস্থা হাতত ল'ব লাগিব। 'জিলা প্ৰাথমিক শিক্ষা আঁচনি' (DPEP) আৰু প্ৰাথমিক শিক্ষাৰ বাবে গঢ়ি তোলা আঁচনিবোৰৰ প্ৰয়োগৰ ফলত লাভ কৰা অভিজ্ঞতাৰ ফলস্বৰূপেই জন্ম লাভ কৰিছে 'সৰ্বশিক্ষা অভিযান' (SSA) নামৰ আঁচনিখন। আঁচনিখন সজাই-পৰাই তোলাৰ অন্তৰালত আছে সমাজত সন্তোষজনক গুণসম্পন্ন প্ৰাথমিক শিক্ষা সম্প্ৰসাৰণ কৰাৰ বিশেষ লক্ষ্য।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ সৰ্বশিক্ষা অভিযানৰ মূল উদ্দেশ্য কি?

.....

.....

প্ৰশ্ন নং ৩ ঃ সৰ্বশিক্ষা অভিযানৰ প্ৰকৃত প্ৰচেষ্টা কি আৰু ই কোনটো পৰ্যায় বা কাল সামৰি লৈছে?

.....

.....

৬.৫.১ সৰ্বশিক্ষা অভিযানৰ উদ্দেশ্যসমূহ

সৰ্বশিক্ষা অভিযানক কাৰ্যকৰী কৰাৰ বাবে কিছুমান উদ্দেশ্য আগত ৰখা হৈছে। যেনে—

- সকলোবোৰ শিশুকে 2003 চনৰ ভিতৰত বিদ্যালয়, শিক্ষা নিশ্চিত কেন্দ্ৰ, বিকল্প বিদ্যালয়, বিদ্যালয় প্ৰত্যাৱৰ্তন শিবিৰ আদিত সামৰি লোৱা।

- সকলোবোৰ শিশুক 2007 চনৰ ভিতৰত প্ৰাথমিক বিদ্যালয়ত পাঁচ বছৰীয়া শিক্ষা সমাপ্ত কৰাৰ সুযোগ দিয়া।
- সকলোবোৰ শিশুকে 2010 চনৰ ভিতৰত আঠ বছৰীয়া প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰাৰ সুযোগ দিয়া।
- প্ৰাথমিক শিক্ষাক শিক্ষাৰ সন্তোষজনক কেন্দ্ৰ হিচাপে গঢ়ি তুলি এনে শিক্ষাক গুণসম্পন্ন শিক্ষা হিচাপে বিকাশপ্ৰাপ্ত কৰি গঢ়ি তুলি প্ৰতিজন শিশুৰ জীৱনৰ বাবে প্ৰয়োজনীয় শিক্ষা হিচাপে ইয়াৰ গুৰুত্ব বঢ়াই তোলা।
- প্ৰাথমিক শিক্ষাৰ স্তৰত সৃষ্টি হোৱা সামাজিক আৰু লিংগ বৈষম্য 2010 চনৰ ভিতৰত আঁতৰ কৰাৰ ব্যৱস্থা কৰা।
- প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত 2010 চনৰ ভিতৰত সাৰ্বজনীন সংৰক্ষণ নিশ্চিত কৰা আৰু সকলো শিশুৰ শিক্ষা সম্পূৰ্ণ কৰা।

৬.৫.২ সৰ্বশিক্ষা অভিযানৰ সাংগঠনিক স্থাপকতা

অসমৰ সৰ্বশিক্ষা অভিযানৰ সমগ্ৰ সাংগঠনিক স্থাপকতাৰ ধাৰাটো তলত দিয়া তালিকাৰে দেখুওৱা হৈছে—

ৰাজ্যিক প্ৰয়োগ সমিতি (SIS)
সকলোৰে বাবে শিক্ষাৰ অসম ৰাজ্যিক মিচন

⇩

প্ৰশাসনিক সমিতি
নেতৃত্বদান
সন্মানীয় মুখ্যমন্ত্ৰী (সভাপতি)
সন্মানীয় শিক্ষামন্ত্ৰী (উপ-সভাপতি)
আৰু চৰকাৰীû বেচৰকাৰী বিষয়া, সম্প্ৰদায় প্ৰতিনিধি আৰু
ভাৰত চৰকাৰৰ এগৰাকী প্ৰতিনিধি

⇩

কাৰ্যকৰী কমিটি
নেতৃত্বদান
সভাপতি হিচাপে মুখ্য সচিবজন
আৰু শিক্ষা বিভাগৰ প্ৰতিনিধি, সমাজ কল্যাণ বিভাগৰ প্ৰতিনিধি, জনস্বাস্থ্য অভিযান্ত্ৰিক বিভাগৰ প্ৰতিনিধি আৰু এগৰাকী ভাৰত চৰকাৰৰ প্ৰতিনিধি

⇩

ৰাজ্যিক প্ৰকল্প কাৰ্যালয়
মিচন সঞ্চালকৰ নেতৃত্বত (মুখ্য কাৰ্যবাহী বিষয়া)
সহায়ক হ'ব এগৰাকী কাৰ্যবাহী সঞ্চালক, দুগৰাকী সহযোগী মিচন সঞ্চালক (পদেন সদস্য), এগৰাকী যুটীয়া সঞ্চালক, এগৰাকী উপ-সঞ্চালক, এগৰাকী মুখ্য গাণনিক বিষয়া আৰু আন আন বিষয়াসকল আৰু প্ৰকল্পৰ বাবে প্ৰয়োজনীয় কৰ্মচাৰী।

⇩

জিলা পৰ্যায়ৰ প্ৰয়োগত কৰ্তৃত্ব প্ৰদান
(জিলা কৰ্মৰত দল)
জিলাখনৰ উপায়ুক্তৰ নেতৃত্ব দান (সভাপতি)
আৰু সহায়কাৰী হিচাপে জিলা প্ৰাথমিক শিক্ষা বিষয়াগৰাকী হ'ব জিলা মিচন সমঞ্চয়ক, আঁচনি বিষয়া, অৰ্থ আৰু গাণনিক বিষয়াসমূহ, আন বিষয়াসমূহ, কৰ্মচাৰী আৰু সম্প্ৰদায় প্ৰতিনিধিসকল।

খণ্ড পৰ্যায়ৰ গাঠনিসমূহ
গাঁও পঞ্চায়তৰ সভাপতিসকল আৰু খণ্ড উন্নয়ন বিষয়াৰ নেতৃত্বদান, খণ্ড মিচন সমঞ্চয়ক হিচাপে খণ্ড প্ৰাথমিক শিক্ষা বিষয়াসকল খণ্ড সমল কেন্দ্ৰ সমঞ্চয়ক আৰু সকলোবোৰ গাঁও শিক্ষা সমিতিৰ মূৰব্বীসকল, সম্প্ৰদায় প্ৰতিনিধিসকল আৰু কৰ্মচাৰী সদস্যসকল। গাঁও শিক্ষা সমিতিৰ মূৰব্বী হিচাপে পঞ্চায়তৰ সভাপতিঅগাঁও সভাপতি আৰু প্ৰধান শিক্ষক, অভিভাৱক, শিক্ষক সংস্থাৰ মূৰব্বী আৰু কমসংখ্যক বিভাগৰ সদস্য, সম্প্ৰদায় সদস্যসকল আৰু কৰ্মচাৰীৰ সদস্য।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ সত্য বা অসত্য কওক ঃ

ক) সৰ্বশিক্ষা অভিযানৰ প্ৰশাসনিক সমিতিৰ মূৰব্বী হিচাপে মুখ্যমন্ত্ৰী হ'ল সভাপতি আৰু শিক্ষামন্ত্ৰী হ'ল উপ-সভাপতি।

.....

খ) ৰাজ্যিক প্ৰকল্প কাৰ্যালয়ৰ মূৰব্বী মিচন সঞ্চালক নহয়।


.....

গ) জিলা পৰ্যায়ৰ সাংগঠনিক গোট হ'ল সম্প্ৰদায় সমল সংগঠক।

.....

৬.৫.৩ সৰ্বশিক্ষা অভিযান আৰু ইয়াৰ সম্বন্ধিত উপাদানসমূহ

সৰ্বশিক্ষা অভিযান আৰু ইয়াৰ সম্বন্ধিত উপাদানসমূহ ঃ শিশুসকলৰ শিক্ষাৰ লগতে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ ওপৰত পোহৰ সঞ্চাৰিত কৰিবলৈ সৰ্বশিক্ষাৰ কিছুমান মূল উপাদান আছে। সেইবিলাকক তলত তালিকা প্ৰকাৰত দেখুওৱা হ'ল—



আগতীয়া বাল্যকাল পৰিচৰ্যা আৰু শিক্ষা (ECCE) ঃ আগতীয়া বাল্যকাল পৰিচৰ্যা আৰু শিক্ষা আঁচনি বিকশিত কৰা হৈছিল আগতীয়া বাল্যকালৰ সময়ছোৱাৰ মানসিক গঠন আৰু শাৰিৰীক গঠনৰ দ্ৰুততাৰ গুৰুত্ব উপলব্ধি কৰিবলৈ।

বৰ্তমানৰ আগতীয়া বাল্যকাল পৰিচৰ্যা আৰু শিক্ষা আঁচনিৰ অন্তৰ্ভুক্ত দিশবোৰ হ'ল—

- সংহত শিশু বিকাশ আঁচনি।

- স্বেচ্ছাসেৱী সংগঠনসমূহলৈ আগতীয়া বাল্যকাল পৰিচৰ্যা আৰু শিক্ষাৰ কেন্দ্ৰ চলাই থকাৰ কাৰণে সাহায্য আঁচনি।
- চৰকাৰী সাহায্যৰ সৈতে স্বেচ্ছাসেৱী অভিকৰণসমূহৰ দ্বাৰা চলাই নিয়া 'বালৰাৰী' আৰু দিবা পৰিচাৰ্য কেন্দ্ৰসমূহ।
- ৰাজ্যিক চৰকাৰসমূহ, পৌৰ নিগম আৰু আন আন চৰকাৰী-বেচৰকাৰী সংগঠনসমূহ বা অভিকৰণসমূহৰ দ্বাৰা চলাই নিয়া প্ৰাক প্ৰাথমিক বিদ্যালয়।
- প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰসমূহ আৰু উপকেন্দ্ৰসমূহ আৰু আন আন অভিকৰণসমূহৰ দ্বাৰা মাতৃ আৰু শিশুৰ স্বাস্থ্যসেৱা।

আগতীয়া বাল্যকালৰ পৰিচৰ্যা আৰু শিক্ষাৰ (ECCE) সময় হ'ল আঢ়ৈ বছৰৰপৰা ছয় বছৰ বয়সলৈ। ইয়াত প্ৰাথমিকভাবে গুৰুত্ব দিয়া হয় শিশুকেন্দ্ৰিক দৃষ্টিভংগীৰ ওপৰত আৰু ইয়াৰ শিক্ষাদান পদ্ধতি হ'ল খেল পদ্ধতি আৰু কৰ্মশীল পদ্ধতিৰে শিক্ষণ। এইবিলাকৰ লগতে পঠন, লিখন আৰু গণিতৰ লগতো প্ৰাথমিকভাৱে চিনাকি কৰি দিয়া হয়।

বিদ্যালয়ৰ বাহিৰৰ শিশুৰ বাবে লোৱা কৌশল (Strategies for out of school children)ঃ **'বিকল্প আৰু নব্য শিক্ষা'** আৰু **'শিক্ষা নিশ্চিতকৰণ আঁচনি'** হ'ল বিদ্যালয়ৰ বাহিৰৰ শিশুৰ বাবে লোৱা দুটা কৌশল। এই দুটা কৌশল হ'ল সৰ্বশিক্ষা অভিযানৰ অংশ। দুয়োবিধ কৌশলৰ বাবে সুকীয়াকৈ নিৰ্দেশনা দিয়া আছে। শিক্ষা নিশ্চিতকৰণ বিদ্যালয়বোৰ হ'ল অনাসেৱা আবাসিকসকলৰ কাৰণে আৰু বিকল্প শিক্ষাৰ বিদ্যালয়বোৰ হ'ল স্কুলৰ বাহিৰৰ শিশুসকলৰ কাৰণে লগতে জটিল পৰিস্থিতিৰ শিশুৰ কাৰণে।

'ধুকি পোৱা কঠিন' (HTR) হ'ল এটা আঁচনি যিটোৰ মাধ্যমেৰে সৰ্বশিক্ষা অভিযানে সুবিধা নোপোৱা চহৰৰ শিশুবোৰৰ শৈক্ষিক প্ৰয়োজনীয়তা পূৰণ কৰিবলৈ বিচাৰিছে। জৰুৰীভাৱে 6–14 বছৰৰ শিশুৰ ক্ষেত্ৰত সকলোৰে বাবে শিক্ষাৰ ধাৰণাটো কাৰ্যকৰী কৰাৰ অৰ্থে। চহৰ অঞ্চলৰ ধুকি পোৱা কঠিন শিশুবোৰ হ'ল স্কুলৰ বাহিৰৰ শিশু, তাৰ কিছুমান থাকে মাক-দেউতাকৰ লগত কিছুমান থাকে সম্বন্ধীয় ব্যক্তিৰ লগত, কিছুমান কৰ্মচাৰীৰ লগত আৰু আনবোৰ থাকে ৰাষ্টাত। কিছুমানে কাম কৰি থাকে আৰু কিছুমানে এনেয়ে ঘৰত থাকে তাৰ ফলত সিহঁতৰ মনত ঈৰ্ষা জন্মে। সেইবাবেই বিদ্যালয়ৰ বাহিৰৰ সকলো শিশুৰ বাবে বিশেষ মনোযোগৰ প্ৰয়োজন হয়।

অক্ষমসকলৰ কাৰণে সংহত শিক্ষা (Integrated Education for Disabled) ঃ 'শূন্য প্ৰক্ষেপণ নীতি'ৰ তলত সৰ্বশিক্ষা অভিযানে ৰাজ্যত কোনোধৰণৰ শিশু বিদ্যালয়লৈ নোযোৱাকৈ ৰৈ থাকিব নোৱাৰিব বুলি পৰিকল্পনা কৰিছে। এইক্ষেত্ৰত জাতি, ধৰ্ম, বৰ্ণ, লিংগ আদি নিৰ্বিশেষে সকলোকে সামৰি লোৱা হ'ব। এইবোৰৰ উপৰি বিশেষভাৱে পোহৰলৈ আনিবলৈ বিচৰা হৈছে শাৰিৰীক আৰু মানসিকভাৱে অক্ষম শিশুসকলক, যাতে তেওঁলোকে সাধাৰণ শিশুসকলৰ লগত একেলগে চলা-ফুৰা কৰি মূল সূতিত থাকিব পাৰে আৰু বিদ্যালয়লৈ আহিব পাৰে। সৰ্বশিক্ষা অভিযানে এইক্ষেত্ৰত প্ৰয়োজন হোৱা শিক্ষকসকলক বিশেষভাৱে প্ৰশিক্ষণ দিয়াৰ উপৰি প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষক নিয়োগৰ ব্যৱস্থাওঁ কৰিছে। অক্ষমসকলৰ বাবে সংহত শিক্ষা হ'ল সৰ্বশিক্ষা অভিযানৰ এক বিশেষ উপাদান। ইয়াৰ ভিতৰত সামৰি লোৱা ভাগবোৰ হ'ল সাধাৰণতে দৰ্শন ক্ষেত্ৰৰ অক্ষম, শ্ৰৱণ ক্ষেত্ৰৰ অক্ষম, আংগিকভাৱে অক্ষম, মানসিকভাৱে অক্ষম, শিক্ষা লাভৰ বাবে অক্ষম ইত্যাদিবোৰ।

সম্প্ৰদায় গতিশীলন (Community Mobilization) ঃ সৰ্বশিক্ষা অভিযানৰ প্ৰধান সংশ্লিষ্টকৰণ বিষয় হ'ল সম্প্ৰদায়ক জড়িতকৰণ। সম্প্ৰদায়ৰ সদস্যসকলক সাৱলীকৰণ কৰা আৰু তৃণমূল পৰ্যায়ৰ গাঁঠনি; যেনে— গাঁও শিক্ষা সমিতি, বেচৰকাৰী সংস্থাসমূহক জড়িত কৰাটোৱে হ'ল মূল উদ্দেশ্য। সৰ্বশিক্ষা অভিযানে সম্প্ৰদায়ৰ সদস্যসকল, ইয়াৰ নেতৃবৃন্দ, স্বেচ্ছাসেৱকসকল, মাতৃসকল আৰু অভিভাৱকসকলক জড়িত কৰাৰ বাবে প্ৰচেষ্টা চলাইছে। প্ৰশিক্ষণৰ প্ৰক্ৰিয়া, অংশীদাৰী ব্যৱস্থা, কৰ্মশালা আদিবোৰ ইয়াৰ

নিয়মীয়া কাৰ্যপন্থা। এনেবোৰ ব্যৱস্থাই বিদ্যালয় পৰিচালনা সমিতিসমূহ, গাঁও শিক্ষা সমিতিসমূহ, অভিভাৱক শিক্ষক সংস্থা, মাতৃ শিক্ষক সংস্থা, জনজাতি স্বায়ত্ব শাসিত পৰিষদ, বেচৰকাৰী সংস্থা আদিৰ উপৰি ব্যৱস্থাটোৰ লগত জড়িত আন সংগঠনবোৰক শক্তিশালী ৰূপ দিছে।

৬.৫.৪ সৰ্বশিক্ষা অভিযান আৰু দিবা আহাৰৰ সৈতে ইয়াৰ সম্বন্ধ

যদিও দিবা আহাৰ বা ৰাষ্ট্ৰীয় পুষ্টি সমৰ্থন আঁচনি প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত চৰকাৰৰ এটি সুকীয়া আঁচনি সৰ্বশিক্ষাৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ কিন্তু লক্ষ্যণীয়। এই আঁচনিয়ে বিদ্যালয় প্ৰক্ৰিয়াত গুৰুত্বপূৰ্ণ প্ৰভাৱ পেলোৱা দেখা গৈছে। সৰ্বশিক্ষা অভিযানে ৰন্ধা-বঢ়াৰ বাবে বাচন-বৰ্তন যোগান ধৰিছে আৰু চৰকাৰী, প্ৰাদেশিকীকৰণ বিদ্যালয়, চৰকাৰী সাহাৰ্যপ্ৰাপ্ত বিদ্যালয়, শিক্ষা নিশ্চিতকৰণ আঁচনি আৰু বিকল্প নব্য শিক্ষাকেন্দ্ৰ আদিত সেৱা আগবঢ়াইছে। ভাৰত চৰকাৰে 1995 চনৰ 15 আগষ্টত বিদ্যালয় গমন শিশুসকলৰ কাৰণে দিবা আহাৰ আঁচনি প্ৰয়োগ কৰিছিল। 1997–98 চনৰ সময়ছোৱাত সৰ্বাত্মকভাৱে এই আঁচনি প্ৰয়োগ কৰা হৈছিল। ৰন্ধা দিবা আহাৰ আঁচনি প্ৰকল্পিত কৰি ভাৰত চৰকাৰে অসমত প্ৰয়োগ কৰাৰ ব্যৱস্থা কৰিছিল 2004 চনৰ ডিচেম্বৰ মাহত। প্ৰথমতে এই আঁচনিত সামৰি লোৱা হৈছিল পাঁচখন জিলাক। জিলাকেইখন হ'ল— ধুবুৰী, বঙাইগাঁও, চিৰাং, ওডালগুৰি আৰু দৰং।

বৰ্তমান সমগ্ৰ অসমকে আঁচনিৰ ভিতৰত সামৰি লোৱা হৈছে।

এই আঁচনিৰ মূল উদ্দেশ্য হ'ল সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ উন্নতি সাধনত সফলতা অনা।

- শিক্ষাৰ্থীৰ সংখ্যা বৃদ্ধি কৰা আৰু উপস্থিতি নিয়মীয়া কৰা।
- শিক্ষাৰ বাহিৰত থকা শিশুৰ সংখ্যা কমোৱা আৰু বিদ্যালয়ত অধিক সময় থকাৰ ব্যৱস্থা কৰা।
- শিশুৰ শিক্ষণৰ পৰ্যায় উন্নত কৰা আৰু পুষ্টিপূৰ্ণ শিশুৰ সংখ্যা বৃদ্ধি কৰা।

দিবা আহাৰ ৰন্ধাৰ ব্যৱস্থা কৰা (Cooking of Midday Meal) ঃ দিবা আহাৰ প্ৰদানৰ ক্ষেত্ৰত অসম চৰকাৰ বিশেষভাৱে সজাগ আৰু নিষ্ঠাবান। ভাৰতবৰ্ষৰ উচ্চতম ন্যায়ালয়ে বান্ধি দিয়া নিয়ম অনুসাৰে শিক্ষাৰ্থীসকলক পুষ্টিকৰ আহাৰ দিয়াৰ ব্যৱস্থা কৰিবলৈ চৰকাৰে প্ৰচেষ্টা চলাই আছে। দিবা আহাৰ স্বাস্থ্যসন্মতভাৱে বনোৱাৰ সুবিধা কৰি দিয়াৰ অৰ্থে নিম্ন প্ৰাথমিক আৰু মধ্য ইংৰাজী বিদ্যালয়বোৰক যথেষ্টভাৱে আৰ্থিক অনুদান দিয়াৰ ব্যৱস্থা কৰিছে। দিবা আহাৰ প্ৰস্তুত কৰিবলৈ মাতৃগোট, মহিলা সংঘ আৰু আত্মসহায়ক গোটবোৰক জড়িত কৰি লোৱা হৈছে।

তলৰ তালিকাখনত দিবা আহাৰৰ সামগ্ৰীসমূহ বিদ্যালয়লৈ নিয়াৰ ব্যৱস্থাকৰণৰ বিষয়ে দেখুওৱা হৈছে—

ক) খাদ্য সামগ্ৰীসমূহ ভাৰতীয় খাদ্য নিগমৰ পৰা বিদ্যালয়লৈ নিয়া বা প্ৰেৰণ কৰা।

FCI ⇨ GPSS ⇨ FPS ⇨ School

FCI — ভাৰতীয় খাদ্য নিগম

GPSS — গাঁও পঞ্চায়ত সমবায় সমিতি

FPS — নিয়ন্ত্ৰিত দৰৰ দোকান

খ) পৰিবহণৰ খৰচ প্ৰদান

GOI ⇨ DNO ⇨ GPSS

GOI — ভাৰতবৰ্ষৰ চৰকাৰ

DNO — জিলা মূল বিষয়া

GPSS — গাঁও পঞ্চায়ত সমবায় সমিতি

৬.৫.৫ অংশ সম্বন্ধীয় হাৰ আৰু প্ৰধান অৰ্থনৈতিক হস্তক্ষেপ বা সৰ্বশিক্ষা অভিযানৰ আদৰ্শসমূহ

সৰ্বশিক্ষা অভিযান আঁচনিৰ ক্ষেত্ৰত কেন্দ্ৰ আৰু ৰাজ্যৰ দায়িত্বৰ ভাগ সম্বন্ধে তলত দেখুওৱা হ'ল—

সৰ্বশিক্ষা অভিযান আঁচনিৰ তলত কাম কৰা শিক্ষকসকলৰ দৰমহাৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰে 85åÃ15 হাৰত নবম পৰিকল্পনাৰ সময়ত, দশম পৰিকল্পনাৰ সময়ত 75åÃ25 ভাগ আৰু 50åÃ50 ভাগৰ দায়িত্ব পৰৱৰ্তী সময়ত ল'ব। সৰ্বশিক্ষা অভিযানৰ বহুবোৰ অৰ্থনৈতিক হস্তক্ষেপ আৰু আৰ্হি আছে। এই অধ্যায়ত আমি চমুকৈ সৰ্বশিক্ষা অভিযানৰ মূল আৰ্হিৰ বিষয়ে আলোচনা কৰিমহক।

১। **শিক্ষকৰ দিশত থকা অৰ্থনৈতিক আৰ্হিবোৰ হ'ল—**
   - প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক পৰ্যায়ত প্ৰতি 40 গৰাকী শিশুৰ ক্ষেত্ৰত এগৰাকী শিক্ষক
   - এখন প্ৰাথমিক বিদ্যালয়ত অন্তত দুজন শিক্ষক
   - উচ্চ প্ৰাথমিক পৰ্যায়ত প্ৰতি শ্ৰেণীৰ বাবে এজন শিক্ষক

২। **বিদ্যালয় আৰু বিকল্প বিদ্যালয়ৰ ক্ষেত্ৰত সুবিধা—**
   - জনবসতি থকা অঞ্চলৰ এক কিলোমিটাৰৰ ভিতৰত
   - ৰাজ্যৰ নিয়ম অনুসৰে নতুন বিদ্যালয় স্থাপনৰ ব্যৱস্থা বা যিবিলাক জনবসতি অঞ্চলত সেৱাৰ অভাৱ আছে তেনে অঞ্চলত শিক্ষা নিশ্চিতকৰণ আঁচনি বিদ্যালয় ব্যৱস্থা।

৩। **উচ্চ প্ৰাথমিক বিদ্যালয়খণ্ড—**
   - প্ৰয়োজন অনুসাৰে, প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰা শিশুৰ সংখ্যাৰ আধাৰত প্ৰত্যেক দুখন প্ৰাথমিক বিদ্যালয়ৰ ক্ষেত্ৰত এখন উচ্চ প্ৰাথমিক বিদ্যালয়।

৪। **শ্ৰেণীকোঠাসমূহ—**
   - প্ৰত্যেকগৰাকী শিক্ষকৰ বাবে বা প্ৰত্যেকটো শ্ৰেণীৰ বাবে একোটা কোঠা, ই উচ্চ প্ৰাথমিক পৰ্যায়ৰে হওঁক বা নিম্ন প্ৰাথমিক পৰ্যায়ৰে হওঁক। বিদ্যালয়খনত দুজন শিক্ষক থাকিলে অন্তত দুটা কোঠাৰ ব্যৱস্থা কৰা। উচ্চ প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকৰ বাবে এটা সুকীয়া কোঠাৰ ব্যৱস্থা।

৫। **বিনামূলীয়া পাঠ্যপুথি—**
   - সকলো ছোৱালীৰ বাবেû জনজাতিৰ শিক্ষাৰ্থীৰ বাবে 150û– টকাকৈ নিৰ্ধাৰণ কৰা হ'ব আৰু ইয়াৰ ব্যৱস্থা নিম্ন প্ৰাথমিক পৰ্যায় আৰু উচ্চ প্ৰাথমিক পৰ্যায়ত থাকিব।
   - ৰাজ্যবোৰে প্ৰচলিত হৈ থকা বিনামূলীয়া পাঠ্যপুথিৰ ব্যৱস্থা চলাই থাকিব নিজস্ব আঁচনিমতে।
   - যদি কোনোবা ৰাজ্যই শিক্ষাৰ্থীসকলৰ পাঠ্যপুথিৰ ক্ষেত্ৰত কিছু অংশহে ৰাজকোষৰপৰা খৰচ কৰে তেনে ঠাইত খৰচৰ সীমাবদ্ধতা থাকিব শিক্ষাৰ্থীসকলে বহন কৰা খৰচৰ ওপৰত ভিত্তি কৰি।

৬। **বিদ্যালয়গৃহৰ মেৰামতিৰ ব্যৱস্থা আৰু চোৱাচিতা—**
   - কেৱল বিদ্যালয় পৰিচালনা কমিটিû গাঁও শিক্ষা কমিটিৰ মাধ্যমত
   - বিদ্যালয় কমিটিয়ে আগবঢ়োৱা বিশেষ আঁচনিৰ আধাৰত এবছৰত খুব বেছি 5000û– টকা।
   - সম্প্ৰদায়সমূহৰ দান-বৰঙণি অথবা অৱদানক জড়িত কৰাব লাগিব।
   - বিদ্যালয়গৃহৰ মেৰামতি আৰু চোৱাচিতা কৰাৰ বাবদ হোৱা খৰচখিনি সাধাৰণ কামৰ বাবে খৰচ কৰিবলগীয়া 33í অনুদানৰ হিচাপত অন্তৰ্ভুক্ত নহ'ব।
   - যিবিলাক বিদ্যালয়ৰ নিজাগৃহ আছে সেইবোৰ বিদ্যালয়ৰ ক্ষেত্ৰতহে অনুদান ব্যৱস্থা প্ৰযোজ্য হ'ব।

৭। শিক্ষা নিশ্চিতকৰণ আঁচনিক নিয়মীয়া বিদ্যালয়লৈ উন্নীতকৰণ কৰা বা ৰাজ্যিক নিয়মৰ অধীনত নতুন বিদ্যালয় স্থাপন কৰা—

- প্ৰতিখন বিদ্যালয়ৰ বাবে মুঠ 10,000 টকা হিচাপে পূৰ্ণ স্বাক্ষৰতা আহিলাৰ ব্যৱস্থা।
- স্থানীয় অৱস্থা আৰু প্ৰয়োজন অনুসৰে পূৰ্ণ স্বাক্ষৰতা আহিলা।
- পূৰ্ণ স্বাক্ষৰতা আহিলা নিৰ্বাচনৰ আৰু ক্ৰয়ৰ ক্ষেত্ৰত শিক্ষক আৰু অভিভাৱকক জড়িতকৰণ।
- বিদ্যালয়ৰ‍ঁগাঁও শিক্ষা সমিতি, গাঁও পৰ্যায়ৰ উপযুক্ত গোটসমূহে ক্ৰয়ৰ বাবে নীতি নিৰ্ধাৰণ কৰিব।
- শিক্ষা নিশ্চিতকৰণ আঁচনিৰ কেন্দ্ৰসমূহ উন্নত কৰিবলৈ হ'লে নিৰবচ্ছিন্নভাৱে ই দুবছৰ চলি থাকিব লাগিব।
- শিক্ষক আৰু শ্ৰেণীকোঠাৰ বাবে ব্যৱস্থাকৰণ।

৮। উচ্চ প্ৰাথমিকৰ বাবে পূৰ্ণ স্বাক্ষৰতা আহিলা—

- সামৰি নোলোৱা বিদ্যালয়বোৰৰ বাবে 50,000ঁ– টকা হাৰত।
- স্থানীয় নিৰ্দিষ্ট প্ৰয়োজনীয়তাখিনি নিৰ্ধাৰণ কৰিব শিক্ষকসকলঁবিদ্যালয় কমিটিয়ে।
- শিক্ষকসকলৰ লগত আলোচনাৰ মাধ্যমেৰে বিদ্যালয় কমিটিয়ে আহিলাসমূহ গোটোৱাৰ সুপদ্ধতি নিৰ্ধাৰণ কৰিব।
- যদি উন্নত পৰ্যায়ৰ সুবিধা থাকে বিদ্যালয় কমিটিয়ে জিলা পৰ্যায়ত আহিলা গোটোৱাৰ বাবে অনুমোদন জনাব।

৯। বিদ্যালয়সমূহলৈ অনুদান—

- কামত নহা বিদ্যালয় আহিলাসমূহ আঁতৰ কৰোৱাৰ বাবে প্ৰতিখন প্ৰাথমিকঁউচ্চ প্ৰাথমিক বিদ্যালয়ক প্ৰতিবছৰে 2000ঁ– টকা।
- ব্যৱহাৰকৰণৰ স্বচ্ছতা
- খৰচৰ ব্যৱস্থা কৰিব মাত্ৰ গাঁও শিক্ষা সমিতিঁবিদ্যালয় পৰিচালনা সমিতিয়েহে।

১০। শিক্ষক অনুদান—

- প্ৰাথমিক আৰু উচ্চ প্ৰাথমিকৰ বাবে বছৰত প্ৰতিজন শিক্ষকক মুঠ 500ঁ– টকা।
- ব্যৱহাৰকৰণৰ স্বচ্ছতা

১১। শিক্ষক প্ৰশিক্ষণ—

- এক বছৰত এগৰাকী শিক্ষকৰ বাবে 20 দিনৰ কৰ্মৰত অৱস্থাৰ পাঠ্যক্ৰম, শিক্ষক হিচাপে নিযুক্ত হৈ থকা অপ্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ বাবে 60 দিনীয়া পুনৰ শীলন পাঠ্যক্ৰম আৰু প্ৰশিক্ষণ লাভ কৰা নৱনিযুক্ত শিক্ষকৰ বাবে পৰিশীলন পাঠ্যক্ৰম, প্ৰতিদিনৰ খৰচ 70ঁ– টকা হাৰত।
- অনা আৱাসিক প্ৰশিক্ষণ কাৰ্যসূচীৰ বাবে গোট খৰচৰ পৰিমাণ নিম্ন পৰ্যায়ৰ হ'ব যিটো দেখুওৱা আছে।
- সকলো প্ৰশিক্ষণৰ খৰচ সামৰি লোৱা হৈছে।
- ফলদায়ক প্ৰশিক্ষণৰ সামৰ্থতা প্ৰশিক্ষণৰ সময়ছোৱাত জোখ লোৱা হ'ব আৰু ই সম্প্ৰসাৰণ নিৰ্ধাৰণ কৰিব।
- চলি থকা শিক্ষকৰ শিক্ষা আঁচনিৰ কাৰণে ৰাজ্যিক শিক্ষা গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদৰঁজিলা শিক্ষা প্ৰশিক্ষণ প্ৰতিষ্ঠানৰ সমৰ্থন লোৱা হ'ব।

১২। অক্ষম শিশুসকলৰ কাৰণে ব্যৱস্থা—

- প্ৰত্যেক বছৰত এগৰাকী অক্ষম শিশুৰ সংহতিৰ বাবে নিৰ্দিষ্ট আঁচনিৰ মতে 1200ঁ– টকালৈ খৰচ কৰাৰ ব্যৱস্থা থাকিব।

- শিশুৰ কাৰণে বিশেষ প্ৰয়োজনৰ সৈতে জিলা আঁচনিত ধাৰ্য কৰা প্ৰতিটো শিশুৰ আৰ্হিত 1200ঢ়–টকা।
- সমল প্ৰতিষ্ঠানসমূহক জড়িত হোৱাৰ বাবে উৎসাহ প্ৰদান কৰা হ'ব।

১৩। বিশেষভাৱে উচ্চ প্ৰাথমিক পৰ্যায়ৰ ছোৱালী শিক্ষাৰ কাৰণে, আগতীয়া বাল্যকালৰ যত্ন আৰু শিক্ষাৰ কাৰণে, অনুসূচিত জাতি আৰু জনজাতিৰ শিশুৰ কাৰণে হস্তক্ষেপ আৰু সম্প্ৰদায় কম্পিউটাৰ শিক্ষাৰ ক্ষেত্ৰত নব্যধাৰণাৰ কাৰ্যসূচী—

- 15 লাখ টকা প্ৰতিটো নব্য ধাৰণাৰ আঁচনিৰ বাবে আৰু প্ৰতিবছৰত এখন জিলাত সৰ্বশিক্ষা অভিযান প্ৰয়োগৰ বাবে 50 লাখ টকা।
- আগতীয়া বাল্যকালৰ যত্ন আৰু শিক্ষা আৰু ছোৱালী শিক্ষাৰ হস্তক্ষেপত গোট খৰচ হ'ব আগতে ধাৰ্য কৰা আঁচনিসমূহৰ দৰে।

১৪। বিদ্যালয়ৰ বাহিৰৰ শিশুসকলৰ বাবে হস্তক্ষেপসমূহ—

- শিক্ষা নিশ্চিতকৰণ আঁচনি আৰু বিকল্প শিক্ষা আৰু নব্য ধাৰণাৰ শিক্ষাৰ তলত ইতিমধ্যে নীতি-নিয়মৰ অনুমোদন দিয়া নীতি-নিয়মমতে তলত উল্লেখ কৰা হস্তক্ষেপসমূহৰ ক্ষেত্ৰত যোগান ধৰা হ'ব।
- সেৱাহীন আবাসিক অঞ্চলত শিক্ষা নিশ্চিতকৰণ কেন্দ্ৰসমূহ স্থাপন কৰা হ'ব।
- আন বিকল্প বিদ্যালয়ৰ আৰ্হিসমূহ স্থাপন কৰা হ'ব।
- বিদ্যালয়ৰ বাহিৰত থকা শিশুসকলক নিয়মীয়া বিদ্যালয়ৰ মূল সুঁতিলৈ অনাৰ বাবে সেতু পাঠ্যক্ৰম, নিৰাময় পাঠ্যক্ৰম, বিদ্যালয় শিবিৰলৈ ঘূৰি অহা আদিৰ ব্যৱস্থা কৰা হ'ব।

১৫। অণু পৰিকল্পনা, গৃহস্থলীৰ জৰিপ, অধ্যয়ন, সম্প্ৰদায় সংশ্লিষ্টকৰণ, বিদ্যালয়-ভিত্তিক কাৰ্যাৱলী, কাৰ্যালয় আচবাব, সকলো পৰ্যায়তে প্ৰশিক্ষণ আৰু পৰিশীলন আদিত প্ৰস্তুতিৰ কাৰ্যসূচীসমূহ—

- এখন জিলাৰ নিৰ্দিষ্ট আঁচনিমতে ৰাজ্যই দিয়া নিয়মীয়া অনুমোদন। এখন জিলাৰ চহৰীয়া অঞ্চল বা নগৰসমূহক প্ৰয়োজনীয় পৰিকল্পনাৰ বাবে সুকীয়া গোট হিচাপে ধৰা হ'ব।

সৰ্বশিক্ষা অভিযানত ভাৰতবৰ্ষৰ ৰাজ্যবোৰৰ লগতে অসমৰ জিলাবোৰকো শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ সকলো দিশত সামৰি লোৱা হৈছে আৰু ইয়াক বোধগম্য কৰি তোলা হৈছে।

2৬.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- প্ৰাথমিক শিক্ষাই পৰৱৰ্তী শিক্ষা আৰম্ভণি কৰাৰ আধাৰখিনিক সামৰি লয় বা ই পৰৱৰ্তী শিক্ষালৈ আগবঢ়াৰ প্ৰথম পদক্ষেপ হিচাপে কাম কৰে।
- ভাৰতবৰ্ষত প্ৰাথমিক শিক্ষাত নামভৰ্তি কৰাৰ মান বয়স হ'ল 6 বছৰ। এই শিক্ষা 6 বছৰৰ পৰা 14 বছৰলৈ চলে আৰু ই প্ৰথমমান শ্ৰেণীৰপৰা অষ্টমমান শ্ৰেণীলৈ সামৰি লয়।
- সাৰ্বজনীন প্ৰাথমিক শিক্ষা মূলতঃ তিনিটা দিশৰ লগত জড়িত। দিশকেইটা হ'ল— সাৰ্বজনীন ব্যৱস্থা, সাৰ্বজনীন নামভৰ্তিকৰণ আৰু সাৰ্বজনীন সংৰক্ষণ।
- সৰ্বশিক্ষা অভিযান হ'ল এক বোধগম্য দৃষ্টিভংগী বা মিচন যিটো ভাৰত চৰকাৰে 2001 চনত প্ৰয়োগ কৰিছে।
- সৰ্বশিক্ষা অভিযানৰ কেইটামান নিৰ্দিষ্ট উদ্দেশ্য আছে। ইয়াৰ নিজা সাংগঠনিক স্থিতিস্থাপকতা আছে আৰু লগতে সম্বন্ধিত উপাদানো আছে।
- সৰ্বশিক্ষা অভিযানৰ কিছুমান অৰ্থনৈতিক হস্তক্ষেপ আৰু আদৰ্শ তথা নীতি আছে।

৬.৭ অধিক জানিবলৈ

১। বৰুৱা, যতীনঃ 'আধুনিক শিক্ষাত নতুন চিন্তাধাৰা' বৰুৱা পাব্লিচিং, গুৱাহাটী-21
২। বৰদলৈ দত্ত, ড0 অজন্তা - 'ভাৰতৰ শিক্ষা বুৰঞ্জী', লয়ার্চ বুক ষ্টল, গুৱাহাটী-1
৩। বৰুৱা, যতীন, 'ভাৰতীয় শিক্ষা ইতিহাস অধ্যয়ন'

৬.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ সার্বজনীন প্রাথমিক শিক্ষা মূলতঃ তিনিটা দিশৰ লগত জড়িত। দিশকেইটা হ'ল— সার্বজনীন ব্যৱস্থা, সার্বজনীন নামভর্তিকৰণ আৰু সার্বজনীন সংৰক্ষণ।

২ নং প্রশ্নৰ উত্তৰ ঃ সর্বশিক্ষা অভিযানৰ মূল উদ্দেশ্য হ'ল— বিদ্যালয় এৰি যোৱা শিশুৰ সংখ্যা কমোৱা, লক্ষ্যস্থিৰ কৰা দলৰ শিক্ষার্থীক সামৰি লৈ বিদ্যায়তনিক আৰু সহ-বিদ্যায়তনিক দিশৰ উন্নতি সাধন কৰা। সর্বশিক্ষা অভিযান হ'ল এটা চাটিৰ দৰে; ইয়াৰ মাধ্যমেৰে শিশুসকলক দেশৰ সন্মানীয় নাগৰিক হিচাপে গঢ় দিয়াৰ প্রয়াস কৰা হৈছে যাতে তেওঁলোকে দেশৰ কল্যাণৰ ক্ষেত্রত অৱদান আগবঢ়াই, বিজ্ঞান, প্রযুক্তিবিদ্যা, সাহিত্য, প্রশাসন আদিত অংশগ্রহণ কৰিব পাৰে।

৩ নং প্রশ্নৰ উত্তৰ ঃ সর্বশিক্ষা অভিযানে সকলো জিলা আৰু ৰাজ্যকে আঁচনিৰ ভিতৰত সামৰি লৈছে। এই আঁচনিয়ে 2010 চনৰ ভিতৰত ভাৰতবৰ্ষৰ জাতি, ধর্ম, বর্ণ নির্বিশেষে 6–14 বছৰৰ ভিতৰৰ সকলো শিশুক প্রাথমিক শিক্ষাৰ ক্ষেত্রখনত সামৰি ল'ব। শিশুসকলক সম্প্রদায় স্বত্বাধিকাৰৰ মাধ্যমত গুণগত শিক্ষা ব্যৱস্থাৰে দক্ষতা উন্নীতকৰণৰ সুযোগ দিয়া হ'ব।

৪ নং প্রশ্নৰ উত্তৰ ঃ ক) সত্য, খ) অসত্য, গ) অসত্য

৬.৯ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ সার্বজনীন প্রাথমিক শিক্ষাৰ গুৰুত্বতা কি?
প্রশ্ন ২ঃ প্রাথমিক শিক্ষা সার্বজনীনকৰণৰ ক্ষেত্রত সর্বশিক্ষা অভিযানে কেনেদৰে সহায় কৰে?
প্রশ্ন ৩ঃ প্রাথমিক শিক্ষাৰ সার্বজনীনতা বুলিলে কি বুজে?
প্রশ্ন ৪ঃ DPEP ৰ ওপৰত সংক্ষেপে লিখক।
প্রশ্ন ৫ঃ সর্বশিক্ষা অভিযানৰ মূল নীতি কি?
প্রশ্ন ৬ঃ সর্বশিক্ষা অভিযানৰ প্রধান উদ্দেশ্য সমূহ কি কি?

(খ) ৰচনা ধর্মী প্রশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ সর্বশিক্ষা অভিযানৰ মূল উদ্দেশ্যবোৰ কি কি?
প্রশ্ন ২ঃ সর্বশিক্ষা অভিযানৰ সম্পূর্ণ সাংগঠনিক স্থিতিস্থাপকতা ব্যাখ্যা কৰক।
প্রশ্ন ৩ঃ সর্বশিক্ষা অভিযানৰ নির্দিষ্ট উপাদানসমূহ আৰু ইয়াৰ গুৰুত্বতা বর্ণনা কৰক।

প্ৰশ্ন ৪ঃ সৰ্বশিক্ষা অভিযানৰ ক্ষেত্ৰত থকা অৰ্থনৈতিক হস্তক্ষেপবোৰ কি কি? উল্লেখ কৰক।

প্ৰশ্ন ৫ঃ সৰ্বশিক্ষাৰ উদ্দেশ্যসমূহ কি কি? ভাৰতীয় শিক্ষা ব্যৱস্থাত ইয়াক কিয় এক সামগ্ৰিক প্ৰক্ৰিয়া বুলি অভিহিত কৰা হয়?

প্ৰশ্ন ৬ঃ DPEP ৰ বিষয়ে সংক্ষেপে লিখক। আপুনি কেনেকৈ DPEP-ক আন শিক্ষা ব্যৱস্থাৰ পৰা পৃথক কৰিব?

অধ্যায় ৭ ঃ ৰাষ্ট্ৰীয় জ্ঞান আয়োগ

অধ্যায় গাঁথনি

7.1 উদ্দেশ্য
7.2 পৰিচয়
7.3 আয়োগ গঠন
7.4 প্ৰসংগৰ চৰ্তসমূহ
7.5 জ্ঞানৰ মূল দিশসমূহ
7.6 ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ শিক্ষাৰ ক্ষেত্ৰত পৰামৰ্শৱলী
7.6.1 স্কুলীয়া শিক্ষা
7.6.2 বৃত্তীয় শিক্ষা আৰু প্ৰশিক্ষণ
7.6.3 উচ্চ শিক্ষা
7.6.4 বৃত্তিগত শিক্ষা
7.6.5 মুক্ত আৰু দূৰত্ব শিক্ষা আৰু মুক্ত শৈক্ষিক সম্পদসমূহ
7.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
7.8 অধিক জানিবলৈ
7.9 অগ্ৰগতিৰ খতিয়ান
7.10 আৰ্হি প্ৰশ্ন

৭.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- আয়োগৰ প্ৰসংগৰ দিশবোৰ বৰ্ণনা কৰিব পাৰিব
- জ্ঞানৰ মুখ্য দিশসমূহ চিনাক্ত কৰিব পাৰিব
- শিক্ষাৰ বিভিন্ন দিশত আয়োগৰ পৰামৰ্শসমূহ আলোচনা কৰিব পাৰিব।

৭.২ পৰিচয়

21 শতিকাটোক জ্ঞানৰ শতিকা স্বৰূপে অভিহিত কৰা হৈছে। এখন দেশ হিচাবে 21 শতিকাত ভাৰতবৰ্ষ বিশ্বায়নৰ দিশত প্ৰতিযোগিতাৰ সন্মুখীন হ'ব পৰাকৈ আমাৰ জ্ঞান প্ৰস্তুত কৰি তুলিব লাগিব। 25 বছৰ বয়সৰ তলৰ 550 কোটি লোক আমাৰ বাবে মানৱ সম্পদ স্বৰূপ। এনে উঠি অহা সামৰ্থ্যক উপযুক্তভাৱে ব্যৱহাৰ কৰিবলৈ আমাৰ দেশে জ্ঞান বিষয়ক দৃষ্টান্ত গ্ৰহণ কৰিব লাগিব আৰু শিক্ষা ক্ষেত্ৰত সমৰ্থ আৰু গুণগত দিশৰ বিকাশ কৰিব লাগিব। ৰাষ্ট্ৰীয় জ্ঞান আয়োগ হৈছে ভাৰতৰ প্ৰধান মন্ত্ৰীৰ উচ্চ স্তৰৰ উপদেষ্টা পৰিষদ, যিখন আয়োগ ভাৰতবৰ্ষক জ্ঞান ভিত্তিক সমাজ হিচাবে গঢ় দিয়াৰ উদ্দেশ্যেৰে গঠন কৰা হৈছিল। এই অধ্যায়টিত ৰাষ্ট্ৰীয় জ্ঞান আয়োগ, ইয়াৰ বিভিন্ন প্ৰতিবেদনসমূহ যিবোৰ শিক্ষাৰ লগত জড়িত, গৱেষণা অনুষ্ঠান আৰু 21 শতিকাৰ প্ৰতিযোগিতাত ভাৰতে অৱতীৰ্ণ হ'ব পৰাকৈ জ্ঞান অৰ্থনীতিৰ সৈতে পৰিচয় কৰাই দিয়া হ'ব।

৭.৩ আয়োগ গঠন

ৰাষ্ট্ৰীয় জ্ঞান আয়োগ 2005 চনৰ 23 জুনত তেতিয়াৰ ভাৰতৰ প্ৰধানমন্ত্ৰী ড0 মনমোহন সিং এই আয়োগৰ উচ্চ স্তৰৰ উপদেষ্টা আছিল। এই আয়োগখন হৈছে সাম পিট্ৰোডাৰ অধ্যক্ষতাত গঠিত হোৱা প্ৰধানমন্ত্ৰীৰ উচ্চ স্তৰৰ পৰামৰ্শ প্ৰদান পৰিষদ। এই আয়োগৰ জৰিয়তে আমাৰ জ্ঞানৰ অনুষ্ঠান আৰু আন্তঃগাঁথনিৰ প্ৰতিচিত্ৰক পুনঃ নিৰীক্ষণ কৰিব বিচৰা হৈছিল। অধ্যক্ষকে ধৰি এই আয়োগখনত 7 গৰাকী সদস্য থাকে। ইয়াৰ উদ্দেশ্যসমূহত উপনীত হ'বৰ বাবে 2005 চনৰ 2 অক্টোবৰৰপৰা 2008 চনৰ 2 অক্টোবৰলৈ সময়সীমা বান্ধি দিয়া হৈছিল। এই আয়োগে 27 টা ক্ষেত্ৰত প্ৰায় 300 পৰামৰ্শ আগবঢ়াইছিল। আৰু এই পৰামৰ্শবোৰৰ প্ৰয়োগ ৰাজ্যিক আৰু কেন্দ্ৰীয়ভাৱে চলি আছে।

৭.৪ প্ৰসংগৰ চৰ্তসমূহ

ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ প্ৰসংগৰ চৰ্তসমূহে ভাৰতবৰ্ষক জ্ঞান ভিত্তিক সমাজলৈ পৰিৱৰ্তন কৰিব। তলত ইয়াৰ গুৰুত্বপূৰ্ণ দিশবোৰ দাঙি ধৰা হ'ল।

- শৈক্ষিক ব্যৱস্থাৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰি 21 শতিকাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব আৰু বৌদ্ধিক দিশত ভাৰতৰ প্ৰতিযোগিতাৰ জ্ঞান বৃদ্ধি কৰিব লাগিব।
- বিজ্ঞান আৰু প্ৰযুক্তিৰ গৱেষণাগাৰত জ্ঞান সৃষ্টি কৰা।
- বৌদ্ধিক সম্পদৰ অধিকাৰৰ সৈতে জড়িত অনুষ্ঠানবোৰৰ পৰিচালনা উন্নত কৰা।
- কৃষি আৰু উদ্যোগৰ প্ৰায়োগিক জ্ঞান উন্নত কৰা।
- নাগৰিকসকলৰ বাবে ফলপ্ৰসূ, স্বচ্ছ আৰু দায়িত্বশীল চৰকাৰ গঠনৰ বাবে জ্ঞান সমৰ্থৰ ব্যৱহাৰ উন্নত কৰিব লাগে আৰু যিমান সম্ভৱ হয় জনসাধাৰণৰ উপকাৰৰ বাবে জ্ঞানৰ প্ৰসাৰ ঘটাব লাগে।

৭.৫ জ্ঞানৰ মূল দিশসমূহ

আয়োগখনে জ্ঞানৰ পাঁচটা মূল দিশৰ ওপৰত প্ৰাধান্য দিছিল। সেইবোৰ হৈছে—

- **জ্ঞানৰ সুবিধা ঃ** জ্ঞানৰ সমাজত জ্ঞানৰ সুবিধা প্ৰদান হৈছে আটাইতকৈ গুৰুত্বপূৰ্ণ দিশ। যদিও বিশ্ববিদ্যালয়সমূহ, গৱেষণা অনুষ্ঠান আৰু পৰীক্ষাগাৰসমূহে বিশাল হাৰত জ্ঞানৰ উৎপাদন কৰে, তথাপিও ইয়াৰ ব্যৱহাৰ কম হ'ব যদিহে জনসাধাৰণে এই জ্ঞানৰ উপযুক্তভাৱে আহৰণ কৰি, তাক গ্ৰহণ কৰি যোগাযোগ কৰিব নোৱাৰে।
- **জ্ঞানৰ ধাৰণা ঃ** উচ্চ খাপৰ জ্ঞান আৰু ইয়াৰ প্ৰয়োগ আমাৰ যুৱ জনসংখ্যাৰ কৌশল আৰু বৌদ্ধিক সামৰ্থ্যৰ প্ৰতিপালনৰ বাবে অতি দৰকাৰী।
- **জ্ঞানৰ সৃষ্টি ঃ** আত্ম নিৰ্ভৰশীলতাৰ বাবে বিশেষকৈ বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ ক্ষেত্ৰত গৱেষণাৰ বাবে জ্ঞানৰ সৃষ্টিৰ প্ৰয়োজন।
- **জ্ঞানৰ প্ৰয়োগ ঃ** জ্ঞানৰ সৃষ্টি লক্ষ্যবিহীন হ'ব নোৱাৰে। আমাৰ বৌদ্ধিক সম্পদসমূহৰ পৰা বেছি পৰিমাণৰ উপকাৰ পাবলৈ আমি কৃষি, স্বাস্থ্য, উদ্যোগ, শিক্ষা ইত্যাদি ক্ষেত্ৰত জ্ঞানৰ প্ৰয়োগ কৰিব লাগে, য'ত উৎপাদন বৃদ্ধি কৰিব পাৰি।
- **জ্ঞানৰ সেৱা ঃ** জ্ঞানৰ সেৱা বিনিয়োগে সাধাৰণ মানুহৰ বাবে অধিক হাৰত উপকাৰ সৃষ্টি কৰে। প্ৰযুক্তিয়ে নিজ সামৰ্থৰ দ্বাৰা চৰকাৰী সেৱা আৰু কাৰ্যৰলীক অধিক দায়িত্বশীল, স্বচ্ছ আৰু ফলপ্ৰসূ কৰি তোলে।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰাষ্ট্ৰীয় জ্ঞান আয়োগ (NKC) কোন চনত গঠিত হৈছিল?

.....

.....

প্ৰশ্ন নং ২ ঃ আৰম্ভণিৰ সময়ত ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ অধ্যক্ষ কোন আছিল?

.....

.....

প্ৰশ্ন নং ৩ ঃ ৰাষ্ট্ৰীয় জ্ঞান আয়োগ গঠনৰ উদ্দেশ্য কি আছিল?

.....

.....

প্ৰশ্ন নং ৪ ঃ NKC য়ে গুৰুত্ব প্ৰদান কৰা জ্ঞানৰ প্ৰধান দিশবোৰ লিখক।

.....

.....

৭.৬ ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ শিক্ষাৰ ক্ষেত্ৰত পৰামৰ্শৱলী

ৰাষ্ট্ৰীয় জ্ঞান আয়োগে বিশেষকৈ ইয়াৰ সংশ্লিষ্ট ব্যক্তিৰ পৰামৰ্শ লয়, বেচৰকাৰী সংস্থাসমূহক নিয়োগ কৰে আৰু বিশেষজ্ঞ ব্যক্তিক কৰ্ম দলত লৈ পৰামৰ্শৱলী প্ৰস্তুত কৰে। আয়োগৰ পৰামৰ্শৱলীৰ বিভিন্ন গুৰুত্বপূৰ্ণ দিশসমূহ চিঠিৰ আকাৰত প্ৰধানমন্ত্ৰীৰ ওচৰত দিয়া হৈছিল। এই পৰামৰ্শৱলীসমূহ দুটা বিস্তৃত প্ৰকাৰত সংকলন কৰা হৈছিলঃ ৰাষ্ট্ৰলৈ প্ৰতিবেদন 2006 আৰু 2007¼ আহকচোন আমি ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ পৰামৰ্শৱলীৰ উপভাগসমূহত মনোনিৱেশ কৰো।

৭.৬.১ স্কুলীয়া শিক্ষা

আৰম্ভণিৰ পৰাই ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ মুখ্য বিষয় হিচাবে স্কুলীয়া শিক্ষাক বিবেচনা কৰা হৈছিল। এই আয়োগে বিভিন্ন দিশ সামৰি স্কুলীয়া শিক্ষাৰ ওপৰত পৰামৰ্শ আগবঢ়াইছিল, কিন্তু ইয়াৰ বাবে সংক্ষেপে প্ৰয়োজনীয় দিশ আছিল অধিক সম্পদ, অধিক বিকেন্দ্ৰীকৰণ আৰু অধিক নমনীয়তা। স্কুলীয়া শিক্ষাৰ ক্ষেত্ৰত NKC য়ে আগবঢ়োৱা পৰামৰ্শসমূহ তলত দাঙি ধৰাহ'ল—

- **শিক্ষাৰ অধিকাৰৰ কেন্দ্ৰীয় আইন, যি অৰ্থনৈতিক সাহায্য প্ৰাপ্ত ঃ** NKCয়ে কেন্দ্ৰীয় আইন দ্ৰুতভাৱে প্ৰয়োগ হোৱাটো বিচাৰিছিল যি শিক্ষাৰ অধিকাৰ আইন সাব্যস্ত কৰি অষ্টম শ্ৰেণীলৈ গুণগত মানদণ্ডৰ স্কুলীয়া শিক্ষা সম্ভৱ কৰি তুলিব, ইয়াক কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰে অৰ্থনৈতিক সাহায্য প্ৰদানৰ প্ৰতিশ্ৰুতি দিব লাগিব। ইয়াৰ বাবে প্ৰাথমিক আৰু মাধ্যমিক পৰ্যায়ৰ স্কুলত জনসাধাৰণৰ খৰচ বৃদ্ধি পাব লাগিব, যিটো অগ্ৰাধিকাৰ ক্ষেত্ৰ হিচাবে গণ্য কৰা হ'ব।
- **অৰ্থ বিতৰণত অধিক নমনীয়তা ঃ** কেন্দ্ৰীয় চৰকাৰৰ বৰ্তমানৰ মানদণ্ড হৈছে ৰাজ্য চৰকাৰক সৰ্বশিক্ষা অভিযান (SSA) , মাধ্যমিক শিক্ষাৰ পৰিকল্পিত Success কাৰ্যসূচী আৰু অন্য আঁচনিসমূহ যথেষ্ট কঠোৰ, এইসমূহ যথেষ্ট নমনীয় কৰি তুলিব লাগে।
- **বিকেন্দ্ৰীকৰণ আৰু অধিক স্থানীয় স্বয়ং পৰিচালিত ঃ** সমাজৰ অংশগ্ৰহণ হৈছে দায়িত্বশীলতা আৰু স্কুলৰ প্ৰতিদিনৰ কাৰ্যৱলী উন্নতকৰণৰ দিশৰ এক প্ৰধান আহিলা। যিমান দূৰ সম্ভৱ হয় স্কুলৰ

পৰিচালনা আৰু অর্থৰ দায়িত্ব বিকেন্দ্রীকৰণৰ জৰিয়তে স্থানীয় কর্তৃপক্ষক প্রদান কৰিব লাগে। তেওঁলোক পঞ্চায়ত, গ্রাম্য শিক্ষা কমিটী বা পৌৰ সভা যিয়েই নহওঁক আৰু স্কুলৰ কমিটীত অভিভাৱকৰ লগতে সংশ্লিষ্ট ব্যক্তিসমূহে প্রতিনিধিত্ব কৰিব লাগে।

- **কার্যকৰী স্বাক্ষৰতাৰ বিস্তৃতকৰণ ঃ** 15ৰ পৰা 35 বছৰ বয়সৰ ভিতৰত, যিহেতু স্বাক্ষৰতা এক গুৰুত্বপূর্ণ সমস্যা, সেইবাবে স্বাক্ষৰতাৰ কার্যসূচীৰ বিস্তৃতকৰণ হোৱা উচিত। বিশেষকৈ ডেকা চামৰ মাজত জীৱনৰ কৌশল, প্রয়োজনীয়তা পূৰণ আদি বিভিন্ন দিশ উন্নতিৰ ক্ষেত্রত গুৰুত্ব দিয়া উচিত।
- **স্কুলৰ আন্তঃগাঁথনিৰ পৰিকল্পনা ঃ** মাটি হৈছে স্কুলৰ বাবে অতি প্রয়োজনীয় বস্তু আৰু এই প্রয়োজনীয়তাক ভৱিষ্যতে শীঘ্রে বঢ়াব লাগে। সেইবাবে চহৰৰ প্রধান পৰিকল্পনা আৰু স্থানীয় অর্থৰ বিকাশে স্কুলৰ বৈষয়িক প্রয়োজন যেনে- খেলপথাৰ আৰু স্কুলৰ অন্যান্য সা-সুবিধাবোৰক অন্তর্ভুক্ত কৰিব লাগে।
- **ব্যক্তিগত স্কুলৰ পদ্ধতি সক্রিয় আৰু নিয়মীয়াকৰণ ঃ** ব্যক্তিগত স্কুলসমূহে যিহেতু শিক্ষাৰ সুবিধাৰ ক্ষেত্রত গুৰুত্বপূর্ণ ভুমিকা পালন কৰে, সেইবাবে তেওঁলোকৰ পদ্ধতিৰ সক্রিয় আৰু নিয়মীয়াকৰণ কৰি তাৰ বিকাশ আৰু শক্তিশালী কৰি তুলিব লাগে। অযথা শাস্তি আৰু আমোলাতন্ত্র হ্রাস কৰিবলৈ ব্যক্তিগত স্কুলৰ স্বচ্ছ, মানদণ্ড বিশিষ্ট আৰু পোনপটীয়া প্রক্রিয়া থাকিব লাগে যাৰ দ্বাৰা এনে স্কুলবোৰ চিনাক্ত কৰিব পাৰি।
- **তথ্য সম্বলিত বিদ্যালয় শিক্ষা ঃ** স্কুল আৰু ইয়াৰ ছাত্র-ছাত্রীসকলৰ সকলো দিশ সম্পূর্ণ তথ্য সম্বলিত হ'ব লাগে যাতে স্কুলৰ বিভিন্ন স্তৰত প্রকৃত ছবি আৰু শিক্ষাৰ গুণমানৰ আভাস পাব পাৰি। এনে তথ্য সংগ্রহ হৈছে স্কুলৰ অর্থ ধার্যকৰণৰ গুৰুত্বপূর্ণ দিশ যাক উপযুক্ত আনুষ্ঠানিক পদ্ধতিৰে কৰা হয়।
- **বিভাগসমূহৰ মাজত অধিক সহযোগিতা ঃ** চৰকাৰী স্কুল শিক্ষানীতিৰ বিভিন্ন বিভাগসমূহৰ মাজত উপযুক্ত সহযোগিতা থকা উচিত যাৰ দ্বাৰা ভুল ধাৰণা আৰু অপ্রয়োজনীয় যুক্তিবোৰ আঁতৰ কৰিব পাৰি।
- **গুণগত মানদণ্ড পৰিদর্শনৰ ৰাষ্ট্রীয় মূল্যায়ণ সংস্থা ঃ** ৰাষ্ট্রীয় জ্ঞান আয়োগে চৰকাৰী আৰু ব্যক্তিগত দুয়োবিধ স্কুলৰ গুণগত মানদণ্ড পৰিদর্শনৰ বাবে ৰাষ্ট্রীয় মূল্যায়ণ সংস্থাৰ আৰম্ভ কৰে।
- **স্কুল পৰিদর্শনৰ উন্নতি সাধন কৰা ঃ** স্কুলীয়া শিক্ষাৰ উন্নতি সাধন আৰু পুনৰুজ্জীৱিত কৰা প্রয়োজন। স্থানীয় কর্তৃপক্ষ গুৰুত্বপূর্ণ ভূমিকা ল'ব লাগে আৰু এই ব্যৱস্থাত স্বচ্ছতা থকা প্রয়োজন।
- **শিক্ষক আৰু শিক্ষক প্রশিক্ষণ ঃ** স্কুলৰ ব্যৱস্থাত শিক্ষক হৈছে একমাত্র গুৰুত্বপূর্ণ উপাদান আৰু আমাৰ দেশে ইতিমধ্যে শিক্ষাৰ বিভিন্ন স্তৰত যোগ্যতা সম্পন্ন আৰু অভিৰোচিত শিক্ষকৰ যথেষ্ট অভাৱ আছে। সেইবাবে স্কুলৰ শিক্ষকতা বৃত্তি অৱলম্বন কৰাৰ যথেষ্ট প্রয়োজনীয়তা আহি পৰিছে আৰু যোগ্যতা সম্পন্ন তথা প্রতিশ্রুতিসম্পন্ন সিক্ষকক উৎসাহিত কৰিব লাগে। অনা শিক্ষা ভিত্তিক কার্যালয়ৰ কর্তব্য যেনে- নির্বাচন সক্রান্তীয় কার্যবোৰক শিক্ষা প্রক্রিয়াত বাধা আনিব দিব নেলাগে।
- **পাঠ্যক্রম আৰু পৰীক্ষা ব্যৱস্থাৰ পুনৰীক্ষণ ঃ** প্রায় সকলোবোৰ স্কুলৰ পাঠ্যক্রম পুনৰীক্ষণ কৰাটো এক গুৰুত্বপূর্ণ দিশ। স্কুলীয়া শিক্ষা ছাত্র-ছাত্রীৰ জীৱনৰ সৈতে সম্পর্কিত হ'ব লাগে। মুখস্থ শিক্ষণক বুজাৰ ধাৰণালৈ অনাৰ প্রয়োজন, উপযুক্ত বোধৰ বিকাশ, যোগাযোগ কৌশল আৰু স্বাধীনভাৱে কেনেদৰে জ্ঞান আহৰণ কৰিব পাৰি তাক জনাটো দৰকাৰ।
- **তথ্য আৰু যোগাযোগ প্রযুক্তিৰ ব্যৱহাৰ ঃ** য'ত সম্ভৱ হয় তথ্য আৰু যোগাযোগ প্রক্রিয়া শিক্ষক, ছাত্র-ছাত্রী আৰু প্রশাসনৰ শিক্ষণ, প্রশিক্ষণ, গৱেষণা, প্রশাসন, পৰিচালনা, পৰিদর্শন ইত্যাদি বাবে সম্ভৱ কৰি তুলিব লাগে। ইয়াৰ বাবে কিছুমান উন্নত সা-সুবিধাৰ প্রয়োজন হয়। যেনে- কম্পিউটাৰ, সংযোগ আৰু ব্রডবেণ্ডৰ সুবিধা। কম্পিউটাৰৰ যোগেদি শিক্ষাৰ বাবে প্রশিক্ষণ প্রাপ্ত শিক্ষক আৰু কর্মচাৰীৰ চৰকাৰ যাতে প্রযুক্তিৰ সঁজুলিৰ উপযুক্ত ব্যৱহাৰ কৰিব পাৰে।

- **ইংৰাজী ভাষা শিক্ষণ ঃ** ইংৰাজী ভাষাৰ দক্ষতা নিয়োগৰ ক্ষেত্ৰত আৰু উচ্চ স্তৰলৈ যোৱাৰ বাবে এক গুৰুত্বপূৰ্ণ উৎস, যিয়ে উচ্চ শিক্ষা আহৰণৰ ক্ষেত্ৰতো সুবিধা আগবঢ়ায়। পাঠ্যক্ৰমত ইংৰাজী ভাষা প্ৰথম শ্ৰেণীত ভাষা শিক্ষণ হিচাবে অন্তৰ্ভুক্ত কৰিব লাগে আৰু পিছৰ শ্ৰেণীবোৰত অন্য এটা বিষয় ইংৰাজী মাধ্যমত শিকিব লাগে। ইয়াৰ ফলত শিক্ষণ নীতিৰ ভাষা বৰ্ণনালৈ পৰিৱৰ্তন হয়। ইংৰাজী ভাষা শিক্ষণৰ শিক্ষক বৃদ্ধি কৰিব লাগে আৰু দ্বিভাষিক আৰু অতিৰিক্ত সামগ্ৰীৰ যোগান ধৰিব লাগে।
- **শিক্ষাৰ পৰা বঞ্চিত হোৱা শ্ৰেণীক সুবিধা ক্ষেত্ৰত মধ্যৱৰ্তী হোৱা ঃ** শিক্ষাৰ পৰা বঞ্চিত হোৱা শ্ৰেণীক উপযুক্ত সুবিধা প্ৰদানৰ বাবে মধ্যবৰ্তী ভূমিকা পালন কৰা প্ৰয়োজন। অনুসূচিত জাতিৰ শিশুসকলে শিক্ষাৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ পাব লাগে। অনুসূচিত জনজাতিৰ ল'ৰা-ছোৱালীৰ বাবে অধিক নমনীয় আৰু সংবেদনশীল স্কুলীয়া নীতিৰ প্ৰয়োজন। পিছপৰা শ্ৰেণীৰ তথা অঞ্চলৰ ল'ৰা-ছোৱালীক শিক্ষা দিবলৈ বিশেষ কৌশলসমূহৰ প্ৰয়োজন। শাৰীৰিকভাৱে অক্ষম ছাত্ৰ-ছাত্ৰী আৰু তেওঁলোকৰ শিক্ষকক শিক্ষা প্ৰদানৰ বাবে বিশেষ সুবিধা প্ৰদান কৰা দৰকাৰ।

৭.৬.২ বৃত্তীয় শিক্ষা আৰু প্ৰশিক্ষণ

বৃত্তীয় শিক্ষা আৰু প্ৰশিক্ষণৰ উন্নতিকৰণ (VET) ঃ ৰাষ্ট্ৰীয় জ্ঞান আয়োগ (NKC) মূল সুঁতিৰ শিক্ষা ব্যৱস্থাত বৃত্তীয় শিক্ষা আৰু প্ৰশিক্ষণৰ নমনীয়তা বৃদ্ধি কৰাত প্ৰাধান্য দিছিল। আয়োগে নতুনত্বৰ আৰ্হি লৈ সামৰ্থ বৃদ্ধি কৰা আৰু বলিষ্ঠ জনসাধাৰণৰ তথা ব্যক্তিগত অংশগ্ৰহণকাৰীৰ গুৰুত্ব ওপৰত আৰোপ কৰিছিল। দেশৰ মাত্ৰ 7í শ্ৰমিক শক্তি সাংগঠনিক ক্ষেত্ৰত জড়িত হৈ আছে। অসংগঠিত আৰু অনানুষ্ঠানিক ক্ষেত্ৰত থকা প্ৰশিক্ষণ বৃদ্ধি কৰা কঠিন। কাঠাটোৰ বলিষ্ঠভাৱে নিয়মীয়াকৰণ আৰু মূল্যায়ন নিশ্চিত কৰা দৰকাৰ, ইয়াৰ লগতে বৃত্তীয় শিক্ষা আৰু প্ৰশিক্ষণৰ উপযুক্ত মানপত্ৰ থকা প্ৰয়োজন। ইয়াৰ জৰিয়তে উচ্চ শিক্ষা এনে প্ৰশিক্ষণৰ মূল্য বৃদ্ধি কৰি তুলিব।

৭.৬.৩ উচ্চ শিক্ষা

উচ্চ শিক্ষাই স্বাধীন ভাৰতৰ বিভিন্ন দিশত যেনে অৰ্থনৈতিক বিকাশ, সামাজিক প্ৰগতি আৰু ৰাজনৈতিক গণতন্ত্ৰৰ দিশত উল্লেখযোগ্য অৰিহণা আগবঢ়াইছে। কিন্তু বৰ্তমানৰ সন্ধিক্ষণত ইয়াৰ অন্তৰালত গুৰুতৰ সমস্যা আছে। উচ্চ শিক্ষাৰ সুবিধাসমূহ যেনে বিশ্ববিদ্যালয়ত আসনৰ সংখ্যা আমাৰ প্ৰয়োজন অনুসৰি পৰ্যাপ্ত পৰিমাণে নাই। সেইবাবে জনসংখ্যাৰ বৃহৎ অংশই উচ্চ শিক্ষাৰ সুবিধাৰ পৰা বঞ্চিত হয়। এই ক্ষেত্ৰত আন এটা সমস্যা হৈছে উচ্চ শিক্ষাৰ গুণগত মানদণ্ড। NKC য়ে এই ব্যৱস্থাৰ অৰ্থপূৰ্ণ পুনৰীক্ষণ কথা কৈছে, য'ত দীৰ্ঘদিনীয়া সম্ভাৱনা থাকে, কিন্তু দুয়োটাই জটিল আৰু সহজ নহয়। উচ্চ শিক্ষাৰ ক্ষেত্ৰত NKC ৰ পৰামৰ্শৱলীক তিনিটা দিশত ভাগ কৰা হৈছে— সম্প্ৰসাৰণ, শ্ৰেষ্ঠত্ব আৰু অন্তৰ্ভুক্তি।

সম্প্ৰসাৰণ ঃ

অধিক সংখ্যক বিশ্ববিদ্যালয় স্থাপন ঃ উচ্চ শিক্ষা ব্যৱস্থাত অধিক সুবিধাৰ সম্প্ৰসাৰণৰ প্ৰয়োজন। আমাৰ দেশত প্ৰায় 1500 বিশ্ববিদ্যালয় আছে যিবোৰৰ 2015 চনত নামভৰ্তিৰ 15í আছিল।

উচ্চ শিক্ষাৰ নিয়মীয়াকৰণ ব্যৱস্থাৰ পৰিৱৰ্তন ঃ বৰ্তমান সমগ্ৰ উচ্চ শিক্ষা নিয়মীয়াকৰণ ব্যৱস্থা বেছি নিয়ন্ত্ৰিত আৰু পৰিচালিত। আয়োগৰ মতে 'Independent Regulatory Authority for Higher Education (IRAHE) স্থাপন কৰাৰ স্পষ্ট প্ৰয়োজনীয়তা আছে। IRAHE চৰকাৰৰ পৰা দূৰত থাকিব লাগিব আৰু চৰকাৰৰ মন্ত্ৰীকে ধৰি ইয়াৰ সংশ্লিষ্ট কৰ্তৃপক্ষ স্বাধীন হ'ব লাগিব।

জনসাধাৰণৰ খৰচ বৃদ্ধি আৰু অর্থৰ উৎসসমূহ ঃ

বিকেন্দ্রীকৰণ ঃ অর্থৰ স্তৰসমূহ বৃদ্ধি নকৰাকৈ আমাৰ উচ্চ শিক্ষা ব্যৱস্থাৰ সম্প্রসাৰণ সম্ভৱ নহয়। এইবোৰ জনসাধাৰণ আৰু ব্যক্তিগত উভয় দিশৰ পৰা আহিব লাগিব।

৫০খন ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয় স্থাপন ঃ NKC য়ে 50খন ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয় স্থাপনৰ বাবে পৰামর্শ আগবঢ়াইছিল যাৰ দ্বাৰা উচ্চ মানদণ্ডৰ শিক্ষা দিব পৰা যায়। বাকী বিশ্ববিদ্যালয়ৰ আদর্শস্বৰূপ হৈ এই বিশ্ববিদ্যালয় বিভিন্ন বিভাগত ছাত্রসকলক প্রশিক্ষণ দিব লাগে। ইয়াৰ ভিতৰত স্নাতক আৰু স্নাতকোত্তৰ পর্যায়ৰ সমাজ বিজ্ঞান, মৌলিক বিজ্ঞান, মানৱীয় বিষয়, বাণিজ্য আৰু বৃত্তিগত বিষয়বোৰক ইয়াৰ ভিতৰত অন্তর্ভুক্ত কৰিব লাগে।

উৎকর্ষতা ঃ

বর্তমানৰ বিস্ববিদ্যালয়সমূহৰ পুনৰীক্ষণ ঃ উচ্চ শিক্ষাৰ বর্তমানৰ অনুষ্ঠানবোৰক ৰূপান্তৰ কৰিবলৈ চেষ্টা কৰিব লাগে। বিশ্ববিদ্যালয়সমূহক পুনৰীক্ষণ কৰিব লাগে বা তিনি বছৰৰ মূৰত অন্ততঃ এবাৰ পাঠ্যক্রম পৰিৱর্তন কৰিব লাগে। তেওঁলোক গৱেষণাৰ কেন্দ্রস্থলী হ'ব লাগে আৰু সদায় প্রতিভাশালী শিক্ষকক উপযুক্ত কর্মস্থলী প্রদান কৰি আৰু লগতে তেওঁলোকক ভাল দৰমহা প্রদান কৰি ৰাখিবলৈ চেষ্টা কৰিব লাগে।

স্নাতক মহাবিদ্যালয়সমূহৰ পুনৰ গঠন ঃ বিশ্ববিদ্যালয়সমূহৰ সম্বন্ধযুক্ত মহাবিদ্যালয়সমূহৰ পুনৰ গঠন কৰাটো অতি প্রয়োজনীয়। ইয়াৰ ভিতৰৰ কিছুমান মহাবিদ্যালয়ক সম্প্রদায়ৰ কলেজ হিচাবে গঢ় দিব লাগে, যিবোৰে আনুষ্ঠানিক শিক্ষাৰ লগতে বৃত্তীয় শিক্ষাও দিব পাৰে।

গুণগত মানদণ্ড বৃদ্ধি ঃ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহে সমাজৰ দায়িত্ব লোৱাৰ লগতে নিজকে দায়িত্বশীল স্বৰূপে গঢ় দিব লাগে। ছাত্র-ছাত্রীৰ দ্বাৰা পাঠ্যক্রম আৰু শিক্ষকৰ মূল্যায়নৰ লগতে শিক্ষকক আন শিক্ষকৰ দলৰ দ্বাৰা কৰা মূল্যায়ন কার্যক উৎসাহিত কৰিব লাগে। আন্তঃগাঁথনিৰ উন্নতকৰণ, শিক্ষক প্রশিক্ষণৰ উন্নতকৰণ আৰু পাঠ্যক্রম আৰু পৰীক্ষা ব্যৱস্থাৰ একেৰাহে মূল্যায়ন কৰাৰ ওপৰত গুৰুত্ব দিব লাগে।

গৱেষণা ঃ দেশৰ গৱেষণা আৰু বিকাশ শক্তিশালী কৰিবলৈ, NKC য়ে Ph. D ৰ গুণমান বৃদ্ধি কৰিবলৈ কিছুমান পৰামর্শ আগবঢ়াইছিল। এই আয়োগে সকলো স্তৰতে শিক্ষা আৰু গৱেষণাত অধিক বিনিয়োগ কৰিবলৈ পৰামর্শ দিছিল।

অন্তর্ভুক্তি ঃ

সকলো যোগ্য ছাত্রকে সুবিধা প্রদান ঃ সামাজিক অন্তর্ভুক্তিৰ দ্বাৰা অধিক সুবিধা সৃষ্টিৰ ক্ষেত্রত শিক্ষা হৈছে মৌলিক আহিলা। সেইবাবে এইটো চোৱা প্রয়োজনীয় যে অর্থনৈতিক প্রতিবন্ধকতাৰ বাবে যাতে কোনো ছাত্রই উচ্চ শিক্ষা লাভৰ পৰা বঞ্চিত নহয়। এইক্ষেত্রত উপযুক্ত অর্থব্যৱস্থা আৰু বৃহৎ ৰাষ্ট্ৰীয় বৃত্তি আঁচনি থকা প্রয়োজন যিয়ে অর্থনৈতিকভাৱে দুর্বল ছাত্র আৰু ঐতিহাসিক তথা সামাজকিভাৱে দুর্দশাগ্রস্ত ছাত্রসকলক লক্ষ্য ৰাখে।

যোগাত্মক কার্য ঃ উচ্চ শিক্ষাৰ এক প্রধান লক্ষ্য হ'ব লাগে অর্থনৈতিক, ঐতিহাসিক আৰু সামাজিকভাৱে বঞ্চিত ছাত্র-ছাত্রীৰ বাবে শিক্ষা সম্ভৱ কৰি তোলা, লগতে তেওঁলোকে যাতে ফলপ্রসূতভাৱে শিক্ষা পাব পাৰে তাৰ প্রতি দৃষ্টি ৰাখিব লাগে। আৱক্ষণ প্রয়োজনীয়, কিন্তু ইয়েই যোগাত্মক কার্যৰ একমাত্র অংশ নহয়। অর্থপূর্ণ আৰু বোধগম্য কাঠামোৰ প্রয়োজন আছে, যিয়ে বর্তমান প্রচলিত দিশৰ পার্থক্যও বহু বিকল্প শাখা দাঙি ধৰিব।

৭.৬.৪ বৃত্তিগত শিক্ষা

NKC য়ে পৰামৰ্শ দিছল যে সকলো বৃত্তিগত শিক্ষাৰ শাখাবোৰ চিকিৎসা, আন, পৰিচালনা আৰু আভিযান্ত্রিক শিক্ষাকে অন্তর্ভুক্ত কৰি বৰ্তমানৰ প্রচলিত নীতিৰ সলনি বিভিন্ন শাখাৰ উপভাগসমূহ প্রচলন কৰিব লাগে। এই সমূহ স্বাধীন বহু বিকল্প স্বীকৃতি সংস্থাৰ অনুসংগী হ'ব লাগে, যিয়ে নির্ভৰযোগ্য নিৰূপক মান প্রদান কৰে। বৃত্তিগত শিক্ষাক উন্নত কৰি তোলা অন্য কিছুমান আহিলা হৈছে— অনুষ্ঠানলৈ স্বায়ত্তশাসন প্রদান, বৰ্তমান পৰীক্ষা ব্যৱস্থাৰ পুনঃগঠন, সাময়িক পাঠ্যক্রমৰ বিকাশ আৰু গৱেষণাত উৎসাহ প্রদান।

৭.৬.৫ মুক্ত আৰু দূৰত্ব শিক্ষা আৰু মুক্ত শৈক্ষিক সম্পদসমূহ

NKC য়ে বিশ্বাস কৰিছিল যে উচ্চ শিক্ষাৰ সম্প্রসাৰণ, শ্রেষ্ঠত্ব আৰু অন্তর্ভুক্তিৰ উদ্দেশ্যসমূহৰ উপনীত হ'বলৈ মুক্ত আৰু দূৰত্ব শিক্ষা অনুজ্ঞাসূচক আহিলা। উচ্চ শিক্ষাত নামভর্তি কৰা ছাত্র-ছাত্রীৰ এক পঞ্চমাংশ হৈছে মুক্ত আৰু দূৰত্ব শিক্ষাৰ অন্তর্গত। NKC য়ে দূৰত্ব শিক্ষাৰ ক্ষেত্রত আগবঢ়োৱা পৰামৰ্শসমূহে গুৰুত্ব দিয়া দিশবোৰ হ'ল ৰাষ্ট্ৰীয় তথ্য আৰু যোগাযোগ প্রযুক্তিৰ আন্তঃগাঁথনি সৃষ্টি, নিয়ন্ত্রক গঠনৰ উন্নতি, ৱেব ভিত্তিক সাধাৰণ মুক্ত সম্পদৰাজিৰ বিকাশ কৰা, বেংক ঋণ স্থাপন আৰু ৰাষ্ট্ৰীয় পৰীক্ষামূলক সেৱাৰ অৱতাৰণা কৰা। ইয়াৰ পৰিপূৰক হিচাবে NKC য়ে আকৌ পৰামৰ্শ আগবঢ়াইছিল যে গুণমান পাঠ্যসূচীৰ উৎপাদন আৰু বিশ্বব্যাপী মুক্ত শৈক্ষিক সম্পদৰ উপজীব্যসমূহ বিস্তৃত ধৰণে পোহৰলৈ আনিব লাগে। আমিও সকলো বৈষয়িক গৱেষণা পত্র, কিতাপ, আলোচনী ইত্যাদিও মুক্ত সম্পদৰাজি ব্যৱহাৰ কৰা প্রয়োজন।

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ বিকেন্দ্রীকৰণ আৰু স্থানীয় স্বায়ত্বশাসন কি?

.....

.....

প্রশ্ন নং ৬ ঃ স্কুলৰ আন্তঃগাঁথনি সম্পর্কে NKC য়ে আগবঢ়োৱা পৰামৰ্শসমূহ লিখক।

.....

.....

প্রশ্ন নং ৭ ঃ NKC য়ে আগবঢ়োৱা নিয়ন্ত্রক কর্তৃত্বৰ লিখক।

.....

.....

প্রশ্ন নং ৮ ঃ NKC য়ে পৰামৰ্শ আগবঢ়োৱা উচ্চ শিক্ষাৰ ক্ষেত্রবোৰ লিখক।

.....

.....

প্রশ্ন নং ৯ ঃ উচ্চ শিক্ষাৰ গুণমান উন্নত কৰিবৰ বাবে NKC য়ে কি পৰামৰ্শ আগবঢ়াইছিল?

.....

.....

৭.৭ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- ৰাষ্ট্ৰীয় জ্ঞান আয়োগ 2005 চনৰ 23 জুনত, তেতিয়াৰ ভাৰতৰ প্ৰধানমন্ত্ৰী ড0 মনমোহন সিং এই আয়োগৰ উচ্চ স্তৰৰ উপদেষ্টা আছিল। এই আয়োগখনে শিক্ষা, গৱেষণা অনুষ্ঠান আৰু জ্ঞান অৰ্থনীতি প্ৰতিযোগিতাত ভাৰতে অৱতীৰ্ণ হ'বলৈ প্ৰয়োজন হোৱা পুনৰীক্ষণ নীতি, যিবোৰ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ পৰা কৰা হয় সেই দিশত নিৰ্দেশনা প্ৰদান কৰিছিল।
- শৈক্ষিক ব্যৱস্থাৰ শ্ৰেষ্ঠতা প্ৰতিপন্ন কৰি 21 শতিকাৰ প্ৰত্যাহ্বানৰ সন্মুখীন হ'ব লাগিব আৰু বৌদ্ধিক দিশত ভাৰতৰ প্ৰতিযোগিতাৰ জ্ঞান বৃদ্ধি কৰি তুলিব লাগিব, বিজ্ঞান আৰু প্ৰযুক্তিত জ্ঞানৰ সৃষ্টি, বৌদ্ধিক সম্পদৰ অধিকাৰৰ অনুষ্ঠানৰ পৰিচালনা, কৃষি আৰু উদ্যোগ আদিত জ্ঞানৰ প্ৰয়োগ কৰিব লাগিব।
- এই আয়োগখনে পাঁচটা মূল দিশৰ ওপৰত গুৰুত্ব প্ৰদান কৰিছিল— জ্ঞানৰ সুবিধা, জ্ঞানৰ ধাৰণা, জ্ঞানৰ সৃষ্টি, জ্ঞানৰ প্ৰয়োগ আৰু জ্ঞানৰ সেৱা।
- NKC য়ে স্কুলীয়া ব্যৱস্থাৰ সাধাৰণ পৰিৱৰ্তনৰ বাবে পৰামৰ্শ দিছিল যিবোৰে- স্কুলৰ পৰিচালনাত স্থানীয় স্বায়ত্ব শাসন, অৰ্থৰ প্ৰদানৰ বিকেন্দ্ৰীকৰণ আৰু নমনীয়তা আদিক উৎসাহিত কৰিছিল। এই আয়োগে স্কুলৰ আন্তঃগাঁথনি আৰু স্কুল পৰিদৰ্শনৰ উন্নতিৰ বাবে পৰামৰ্শ আগবঢ়াইছিল। আয়োগে পাঠ্যক্ৰম আৰু পৰীক্ষা ব্যৱস্থা পুনৰীক্ষণ আৰু লগতে স্কুলৰ শিক্ষকৰ প্ৰশিক্ষণৰ উন্নতিৰ ওপৰত জোৰ দিছিল।
- উচ্চ শিক্ষাত, 2015 চনৰ ভিতৰত 1500খন বিশ্ববিদ্যালয় স্থাপনৰ বাবে পৰামৰ্শ দিছিল। উচ্চ শিক্ষাৰ বাবে Independent Regulatory Authority for Higher Education প্ৰতিষ্ঠাৰ বাবে কৈছিল। গুণগত মানদণ্ড বৰ্তমানৰ বিশ্ববিদ্যালয়বোৰ পুনৰীক্ষণৰ দ্বাৰা পাঠ্যক্ৰমৰ সঘন পৰিৱৰ্তন নিশ্চিত কৰা। এই আয়োগে আৰ্হি হিচাবে সম্প্ৰদায়ৰ কলেজ সৃষ্টি আৰু Ph. Dৰ গুণমান উন্নত কৰাত পৰামৰ্শ দিছিল। এই আয়োগে শিক্ষাত আৰু গৱেষণাত অধিক ব্যয় আৰু বিশ্ববিদ্যালয় ব্যৱস্থাৰ পুনৰীক্ষণত গুৰুত্ব দিছিল।

৭.৮ অধিক জানিবলৈ

1] Mahanta, N. N and Others. (2017). *Contemporary Concerns and Issues in Education*. Mani Manik Prakash, Guwahati.

2) Towards a Knowledge Society, National Knowledge Commission, Compilation of Recommendations on Education, Govt. of India, New Delhi. 2008.

৭.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ 13 জুন 2005।

২ নং প্ৰশ্নৰ উত্তৰ ঃ শ্যাম পিট্ৰোডা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়ৰ শিক্ষা, গৱেষণা অনুষ্ঠানসমূহৰ সৈতে জড়িত নীতি সম্পৰ্কে পৰামৰ্শ দিয়া আৰু জ্ঞান ভাৰতবৰ্ষক প্ৰতিযোগিতাৰ জ্ঞান অৰ্থনীতিত অৱতীৰ্ণ হ'ব পৰা কৰা।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ জ্ঞানৰ সুবিধা, জ্ঞানৰ ধাৰণা, জ্ঞানৰ সৃষ্টি, জ্ঞানৰ প্ৰয়োগ আৰু জ্ঞানৰ সেৱা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ ইয়াৰ অৰ্থ হৈছে স্কুলৰ পৰিচালনা য'ত অৰ্থৰ পৰিচালনা যিমান পাৰি বিকেন্দ্ৰীকৰণ কৰা।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ চহৰৰ প্ৰধান পৰিকল্পনা আৰু স্থানীয় অৰ্থৰ বিকাশে স্কুলৰ বৈষয়িক প্ৰয়োজন যেনে— খেল পথাৰ আৰু স্কুলৰ অন্যান্য সা-সুবিধাবোৰক অন্তৰ্ভুক্ত কৰিব লাগে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ Independent Regulatory Authority of Higher Education.

৮ নং প্ৰশ্নৰ উত্তৰ ঃ এই ক্ষেত্ৰসমূহ হৈছে সম্প্ৰসাৰণ, উৎকৰ্ষ আৰু অন্তৰ্ভুক্তি।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ পৰামৰ্শসমূহ হৈছে 2015 চনৰ ভিতৰত নতুনকৈ 1500খন বিশ্ববিদ্যালয় স্থাপন আৰু ইয়াৰ ভিতৰত 50খন ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয় হ'ব লাগে যিয়ে উচ্চ স্তৰৰ শিক্ষা দিব, উচ্চ শিক্ষাৰ বাবে Independent Regulatory Authority স্থাপন, প্ৰচলিত বিশ্ববিদ্যালয়সমূহৰ পুনৰীক্ষণ, সঘনে পাঠ্যক্ৰম পুনৰীক্ষণ, স্নাতক মহাবিদ্যালয়সমূহৰ পুনৰগঠন আৰু Ph. Dৰ গুণমান উন্নত কৰা।

৭.৯ আৰ্হি প্ৰশ্ন

(ক) চুটি প্ৰশ্ন (150 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতৰ ৰাষ্ট্ৰীয় জ্ঞান আয়োগৰ প্ৰসংগ উল্লেখ কৰক।

প্ৰশ্ন ২ ঃ ৰাষ্ট্ৰীয় জ্ঞান আয়োগে পৰামৰ্শ দিয়া জ্ঞান মূল দিশবোৰ উল্লেখ কৰক।

প্ৰশ্ন ৩ ঃ ODE আৰু OER ৰ ক্ষেত্ৰত NKC ৰ পৰামৰ্শ ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ উচ্চ শিক্ষাৰ ক্ষেত্ৰত NKC য়ে আগবঢ়োৱা ক্ষেত্ৰবোৰ লিখক। উচ্চ শিক্ষাৰ গুণমান উন্নত কৰাৰ বাবে NKC ৰ পৰামৰ্শ কি আছিল?

(খ) ৰচনাধৰ্মী প্ৰশ্ন (300–500 টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ভাৰতৰ স্কুলীয়া শিক্ষাৰ ক্ষেত্ৰত NKC ৰ পৰামৰ্শ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ভাৰতৰ উচ্চ শিক্ষাৰ ক্ষেত্ৰত NKC ৰ পৰামৰ্শসমূহ বহলাই লিখক।

অধ্যায় ৮ ঃ অসমত প্রাথমিক শিক্ষাৰ বিকাশ

অধ্যায় গাঁথনি

8.1 উদ্দেশ্য
8.2 পৰিচয়
8.3 স্বাধীনতাৰ আগত অসমৰ প্রাথমিক শিক্ষাৰ বিকাশ
  8.3.1 পুৰণি আৰু প্রাক্-ইংৰাজ কালত অসমত প্রাথমিক শিক্ষাৰ বিকাশ
  8.3.2 ইংৰাজ ৰাজত্বকালত অসমত প্রাথমিক শিক্ষাৰ বিকাশ
  8.3.3 খ্রীষ্টিয়ান মিছনেৰীসকলৰ অৱদান
8.4 স্বাধীনোত্তৰ কালত অসমত প্রাথমিক শিক্ষাৰ বিকাশ
  8.4.1 অসমৰ প্রাথমিক শিক্ষাৰ আইনগত ব্যৱস্থাসমূহ
8.5 বাধ্যতামূলক প্রাথমিক শিক্ষা
  8.5.1 ৰাষ্ট্রীয় শিক্ষানীতি 1968
  8.5.2 ৰাষ্ট্রীয় শিক্ষানীতি 1986
  8.5.3 জিলা প্রাথমিক শিক্ষা আঁচনি
  8.5.4 সর্বশিক্ষা অভিযান
  8.5.5 প্রাথমিক শিক্ষাৰ সার্বজনীনতাৰ সমস্যাসমূহ
8.6 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
8.7 অধিক জানিবলৈ
8.8 অগ্রগতিৰ খতিয়ান
8.9 আৰ্হি প্রশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমৰ পুৰণি আৰু প্রাক্-ইংৰাজ কালৰ প্রাথমিক শিক্ষাৰ বিকাশ ব্যাখ্যা কৰিবলৈ সমর্থ হ'ব
- ইংৰাজ ৰাজত্ব কালৰ অসমৰ প্রাথমিক শিক্ষাৰ বিকাশ ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- অসমৰ প্রাথমিক শিক্ষাৰ ওপৰত থকা আইনগত ব্যৱস্থাসমূহ আলোচনা কৰিবলৈ পাৰিব
- প্রাথমিক শিক্ষা বাধ্যতামূলক কৰিবলৈ লোৱা উপায়সমূহ আলোচনা কৰিবলৈ সক্ষম হ'ব
- জিলা প্রাথমিক শিক্ষা আঁচনি সম্বন্ধে আলোচনা কৰিবলৈ সমর্থ হ'ব
- সর্বশিক্ষা অভিযান সম্বন্ধে আলোচনা কৰিব পাৰিব
- অসমৰ প্রাথমিক শিক্ষাৰ সমস্যাসমূহ তালিকাভুক্ত কৰিবলৈ সমর্থ হ'ব।

৮.২ পৰিচয়

শিক্ষাৰ সমগ্র গাঁথনিটোত প্রাথমিক শিক্ষাৰ পর্যায়টোৱে বিশেষধৰণৰ স্থান দখল কৰি আছে। এই পর্যায়তে শিশুৰ আনুষ্ঠানিক শিক্ষা আৰম্ভ হয়। শিক্ষাৰ জখলাৰ আধাৰ হ'ল প্রাথমিক পর্যায়টো। এই পর্যায়টোৱে গণ স্বাক্ষৰতাৰ দায়িত্ব সামৰি লয়। অর্থনৈতিক বিকাশ, সামাজিক গাঁথনিৰ আধুনিকীকৰণ আৰু গণতান্ত্রিক অনুষ্ঠানসমূহৰ

কর্মৰ ফলপ্রসূতাৰ বাবে গণ স্বাক্ষৰতাৰ প্রয়োজন। সেয়েহে প্রাথমিক শিক্ষা সম্প্রসাৰণত দেশে বিশেষভাৱে প্রাধান্যতা দিয়া দেখা যায়। ইয়াক শ্রমিকসকলে লাভ কৰিবলৈ সক্ষম হ'লে দেশৰ জাতীয় উৎপাদন বৃদ্ধি হয়। এই অধ্যায়টোৱে আমাক অসমৰ প্রাথমিক শিক্ষাৰ বিকাশ পুৰণি কালৰপৰা স্বাধীনোত্তৰ কাললৈ কেনেধৰণেৰে সম্ভৱ হৈছে তাক অৱগত কৰাব। স্বাধীন ভাৰতৰ সংবিধানে নাগৰিকসকলক শিক্ষাৰ অধিকাৰ দিছে আৰু স্বাধীন চৰকাৰে 6–14 বছৰ বয়সলৈ সকলো শিশুক প্রাথমিক শিক্ষা বাধ্যতামূলকভাৱে দিব লাগিব বুলি কৈছে। এই অধ্যায়টোৱে আমাক সংবিধানৰ 45 নং অনুচ্ছেদৰ নির্দেশনা কিদৰে চৰকাৰে ৰূপায়ণ কৰিবলৈ প্রচেষ্টা চলাইছে তাক জানিবলৈ সহায় কৰিব। নানাধৰণেৰে প্রচেষ্টা চলাই থকা হৈছে যদিও বর্তমানেও প্রাথমিক শিক্ষাৰ পর্যায়টো যথেষ্টভাৱে সমস্যাবহুল হৈ আছে তাৰ বিতং আলোচনাওঁ এই অধ্যায়তে কৰা হ'ব।

৮.৩ স্বাধীনতাৰ আগত অসমৰ প্রাথমিক শিক্ষাৰ বিকাশ

৮.৩.১ পুৰণি আৰু প্রাক্-ইংৰাজকালত অসমত প্রাথমিক শিক্ষাৰ বিকাশ

পুৰণি কালৰপৰা অসমৰ প্রাথমিক শিক্ষাৰ ইতিহাস সমৃদ্ধিশালী আৰু দীঘলীয়া বুলি ক'ব পৰা যায়। কিন্তু ইয়াৰ লিখিত বিৱৰণ পদ্ধতিগত নহয়। চীনা পৰিব্রাজক হিউৱেন চাংৰ টোকাৰ পৰাহে গুৰুত্বপূর্ণ সমলখিনি পোৱা যায়। সপ্তম শতাব্দীত ৰজা ভাস্কৰবর্মাৰ ৰাজত্ব কালত হিউৱেন চাং কামৰূপ ৰাজ্যলৈ আহিছিল আৰু ৰজাই শিক্ষাৰ বিকাশত কিছু নজৰ দিছিল। 'গুৰুকুল' ব্যৱস্থাৰ মাধ্যমেৰে শিক্ষার্থীসকলে বেদ, বেদাংগ, স্মৃতিৰ লগতে ধর্মীয় গ্রন্থবোৰৰ শিক্ষা লাভ কৰিছিল। লিপি ব্যৱস্থাৰ উদ্ভাৱন হোৱাৰ Õ±áÏ ÂúŽÂÛéÂ;গাষ্ঠীৰ পৰা আন এটা গোষ্ঠীলৈ সম্প্রসাৰিত হৈ আছিল মুখে মুখে। জ্ঞানৰ সমলবোৰ সাঁচিপাতত লিপিবদ্ধ কৰা হৈছিল যাক আমি 'সাঁচিপাতৰ পুথি' হিচাপে জানো।

অসম 1228 খৃষ্টাব্দত আহোম শাসকসকলৰ অধীনলৈ আহে। আহোমসকলে অসমত সুদীর্ঘ 600 বছৰ ৰাজত্ব চলায়। আহোম ৰাজত্ব কালৰপৰাহে ঐতিহাসিক ঘটনাবোৰক লিপিবদ্ধ কৰাৰ পৰম্পৰা প্রচলন হয়। আহোম ৰজাসকলৰ পৃষ্ঠপোষকতাত কিতাপ লিখাৰ ব্যৱস্থাও কৰা হৈছিল। জনসাধাৰণৰ শিক্ষাৰ বাবে আহোম ৰজাসকলে গুৰুত্ব আৰোপ কৰিছিল।

অসমৰ শিক্ষাৰ বিকাশৰ ক্ষেত্রত ধর্মীয় গুৰুসকলৰ অৱদান মন কৰিবলগীয়া ধৰণৰ আৰু তাৎপর্যপূর্ণ। বৈষ্ণৱ গুৰু শ্রীশ্রীশংকৰদেৱ আৰু শ্রীশ্রীমাধৱদেৱে অসমৰ শিক্ষা আৰু সংস্কৃতিৰ বিকাশৰ ক্ষেত্রত নানাধৰণেৰে অবিহণা যোগাইছে। শংকৰদেৱ আৰু মাধৱদেৱে স্থাপন কৰা 'সত্রবোৰ' জনসাধাৰণৰ শিক্ষাৰ কেন্দ্র হৈ পৰিছিল।

অসমৰ পুৰণি শিক্ষা ব্যৱস্থাত বিশেষভাৱে স্থান লাভ কৰা কেইখনমান শিক্ষানুষ্ঠান হ'ল—

- **পাঠশালা (Pathsala) ঃ** পাঠশালা এবিধ বৈশিষ্ট্যপূর্ণ পুৰণি শিক্ষাৰ অনুষ্ঠান। ই পুৰণি কালত হিন্দু সমাজৰ শিশুসকলক শিক্ষা দিয়াৰ মূল কেন্দ্রবিন্দু আছিল। ইয়াত পণ্ডিতসকলে সংস্কৃত ভাষাৰ মাধ্যমত ধর্মীয় শিক্ষা সকলোকে দান কৰিছিল। পুৰণি কালৰ এনে অনুষ্ঠানবোৰৰ শিক্ষকসকল জ্ঞানৰ ভাণ্ডাৰ আছিল। শিক্ষকসকলে শিক্ষার্থীসকলক গভীৰ মনোযোগেৰে পঢ়ুৱাইছিল। শিক্ষার্থীসকলক উপযুক্তভাৱে পাঠদান কৰাটো তেওঁলোকৰ ধর্মীয় কর্তব্যৰ লগতে দায়িত্বও আছিল। পাঠশালা নামৰ শিক্ষানুষ্ঠানবোৰ মন্দিৰ বা মঠবোৰত স্থাপন কৰা হৈছিল। কিছুমান পাঠশালাৰ নিজ ঘৰ-দুৱাৰ আছিল। দেশৰ শাসনকর্তাসকলে পাঠশালাবোৰক উৎসাহিত কৰাৰ লগতে আর্থিক সাহার্য প্রদান কৰিছিল। কিছুমান ধনী-মানি ব্যক্তিয়ে পাঠশালাবোৰৰ উন্নতিৰ অর্থে দান-বৰঙণি দিয়াৰ লগতে ব্যৱস্থাপনা মণ্ডলীক উৎসাহ প্রদান কৰিছিল। পাঠশালাবোৰৰ প্রশাসন আৰু ব্যৱস্থাপনাৰ ক্ষেত্রত শাসকসকলে কোনোধৰণৰ হস্তক্ষেপ কৰিবলৈ বিচৰা নাছিল। পাঠশালাবোৰৰ শিক্ষকসকলৰ

পাৰিতোষিক অতি কম আছিল। অনুষ্ঠানৰ তৰফৰপৰা শিক্ষার্থীসকলক খোৱা আৰু থকাৰ সুবিধা কৰি দিয়া হৈছিল। পাঠশালা নামৰ শিক্ষানুষ্ঠানত যদিও শিক্ষার্থীসকলে মাচুল দিব নালাগিছিল, কিছুমান শিক্ষার্থীয়ে স্ব-ইচ্ছাই মাচুল দিছিল। পাঠশালাবোৰৰ মূল উদ্দেশ্য আছিল শিক্ষাৰ মাধ্যমত উপযুক্ত পণ্ডিত সৃষ্টি কৰা। এনেদৰে সৃষ্টি হোৱা পণ্ডিতবোৰে যাতে সমাজক বৌদ্ধিক দিশৰ মাধ্যমত আগুৱাই লৈ যাব পাৰে তালৈ লক্ষ্য ৰখা হৈছিল। পাঠশালা নামৰ অনুষ্ঠানৰ মাধ্যমত কম সংখ্যক মানুহহে লাভাৱান্বিত হৈছিল। এনেধৰণৰ অনুষ্ঠানবোৰ সাধাৰণ জনগণৰ বাবে নাছিল। কাৰণ, ইয়াৰ চৰিত্র আছিল বাহ্যিকপন্থী, ধ্যান-ধাৰণা আছিল ৰক্ষণশীল, আদর্শ আছিল অকল্পিত আৰু শিক্ষাদান পদ্ধতি আছিল ব্যক্তিকেন্দ্রিক। এনেবোৰ দিশৰ বাবে পাঠশালা নামৰ পুৰণি শিক্ষানুষ্ঠানবোৰ সমাজৰ সকলো শ্রেণীৰ লোকৰ দ্বাৰা সমাদৃত হোৱা নাছিল।

- **টোল (Tol) ঃ** পুৰণি শিক্ষানুষ্ঠানসমূহৰ ভিতৰত টোলবোৰৰ প্রকৃতি বিশেষধৰণৰ। ভাৰতৰ সমাজ ব্যৱস্থাত সংস্কৃতৰ জ্ঞান সম্প্রসাৰণ কৰাৰ বাবে টোলবোৰ স্থাপন কৰা হৈছিল। টোলবোৰক সংস্কৃত বিদ্যালয় বুলি জনা যায়। টোল নামৰ অনুষ্ঠানবোৰ বর্তমানেও ভাৰতবর্ষৰ অসম, বংগদেশ, বিহাৰ, উত্তৰপ্রদেশ আদিত প্রচলিত হৈ থকা দেখা যায়। অতীত কালৰপৰা বর্তমানলৈও এই টোলবোৰৰ খ্যাতি সমাজত বর্তি থকা দেখা যায়। টোলবোৰে ভাৰতবর্ষত পৰম্পৰাগত শিক্ষা সম্প্রসাৰণত অৰিহণা যোগায় আহিছে। একেবাৰে অতীতৰপৰা টোলবোৰে ভূমি অনুদান পাই থকাত শিক্ষার্থী আৰু অধ্যাপক-সকলে ভূমিৰপৰা আয় হোৱা বস্তুৰে নিজকে ভৰণ-পোষণ দিবলগীয়া হৈছিল। আমাৰ সমাজ ব্যৱস্থাত জমিদাৰী প্রথা প্রচলন হোৱাৰ পিছৰেপৰা টোলবোৰৰ আবির্ভাৱ হোৱা দেখা গৈছিল। গ্রাম্যাঞ্চলৰ অধ্যাপক তথা পণ্ডিতসকলে কেইগৰাকীমান শিষ্যক লৈ টোলবোৰ গঢ়ি তুলিছিল। শিষ্যসকলক খোৱা-পিন্ধা আৰু থকাৰ সুবিধা বিনামূলীয়াকৈ দিয়া হৈছিল। অধ্যাপকসকলে মুখ্য উৎসৱ, মেলা আদিৰপৰা দান-বৰঙণি তোলাৰ উপৰি ধনী, মানি ব্যক্তিসকলৰ পৰা আর্থিক সাহার্য লৈছিল। দক্ষিণ ভাৰতৰ অগ্রহৰ গাঁওবোৰৰ দৰে টোলবোৰ অতীত ভাৰতবর্ষৰ শিক্ষা ব্যৱস্থাত বিখ্যাত হৈ পৰিছিল।

গ্রাম্যাঞ্চলৰ অধ্যাপক তথা পণ্ডিতসকলে শিক্ষাদানৰ উদ্দেশ্যে খেৰ-বাহৰ ঘৰবোৰ ব্যৱহাৰ কৰিছিল। শিক্ষার্থীসকলক আৱাসিক সুবিধা দিবৰ বাবে তেওঁলোকে কিছুমান পজাঁঘৰ সজাই লৈছিল আৰু লক্ষ্য ৰাখিছিল যাতে বিদ্যালয় গৃহটো মাজতে থাকে। প্রত্যেকখন টোলে শিক্ষাদান দিয়াৰ অর্থে 25 জনকৈ শিক্ষার্থীক নামভর্তিৰ সুবিধা দিছিল। টোলবোৰৰ শিক্ষাৰ কাল সাধাৰণতে 6 বছৰৰ পৰা 8 বছৰলৈ আছিল। টোলবোৰ বিনামূলীয়া শিক্ষাৰ কেন্দ্র হিচাপে পৰিগণিত হৈ পৰিছিল। জ্ঞানী পণ্ডিতসকলে সদায় বিনামূলীয়াকৈ শিক্ষা দান দিয়াৰ পোষকতা কৰিছিল। শিক্ষার্থীসকলৰ অর্থনৈতিক অৱস্থাৰ প্রতি পণ্ডিতসকলে চকু দিয়া নাছিল। বর্তমানেও এনেকুৱা এটা ধাৰণা পুৰণি শিক্ষানুষ্ঠানসমূহত প্রচলিত হৈ থকা দেখা যায়।

বর্তমান সমাজতো 'টোল' নামৰ অনুষ্ঠানটো বর্তি আছে। কিন্তু পুৰণি কালৰ ঐতিহ্য আৰু খ্যাতি বর্তমানৰ টোলবোৰৰ নাই। দিন যোৱাৰ লগে লগে টোলবোৰৰ খ্যাতি নিম্নগতিলৈ অগ্রসৰ হ'বলৈ ধৰা দেখা যায়। টোলবোৰৰ শিক্ষা পৰিচালনা কৰাৰ বাবে কিছুমান প্রদেশত 'সংস্কৃত শিক্ষা পৰিষদ' নামৰ এটা গোট গঢ়ি তোলা হৈছে। পৰিষদবোৰে আধুনিক সমাজত খাপ খোৱাকৈ টোলবোৰৰ পাঠ্যক্রম প্রস্তুত কৰি সংস্কৃত শিক্ষাৰ মানদণ্ড উন্নত কৰিবলৈ প্রচেষ্টা চলোৱা দেখা যায়। পুৰণি কালত এই অনুষ্ঠানবোৰ ব্রাহ্মণ সমাজৰ ল'ৰাৰ বাবেহে আছিল। আজিকালি সকলো জাতৰ ল'ৰা-ছোৱালীয়ে টোলবোৰত নামভর্তি কৰি হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ সমমর্যদাৰ পৰীক্ষা দিয়াৰ সুবিধা পায়। মাধ্যমিক শিক্ষা সংসদে ইয়াৰ মানদণ্ড সমান বুলি কৈছে। টোলবোৰত বর্তমানেও বৈদিক ক্রিয়া-কর্মৰ শিক্ষা দি পুৰোহিতালি কৰাৰ সুবিধা প্রদান কৰাৰ ব্যৱস্থা আছে। টোলবোৰক পুৰণিধৰণৰ বিখ্যাত শিক্ষাৰ কেন্দ্রস্থল বুলি কোৱা হয়। বর্তমান এই অনুষ্ঠানবোৰৰ ভৰণ-পোষণ,

অধ্যাপক আৰু শিক্ষকৰ দৰমহা চৰকাৰৰ ৰাজকোষৰ পৰা দিয়াৰ ব্যৱস্থা কৰা হৈছে। মূল উদ্দেশ্য হৈছে অতীতৰ সংস্কৃতি আৰু পৰম্পৰাক সংৰক্ষণ কৰা। বৰ্তমান সময়ত প্রচলন হৈ থকা কেইখনমান টোলৰ নাম আমি ইয়াত উল্লেখ কৰিব পাৰো। সেইবোৰৰ ভিতৰত— 'মহামহোপধ্যায় ধীৰেশ্বৰাচার্য চতুস্পাঠী' (পাণ্ডুলা), পুণ্যাশ্রম চতুস্পাঠী (বৰমুৰিকোনা), সংস্কৃত টোল (কৰেবাৰী) ইত্যাদি।

- **মকতাব বা মোক্তাব** (Maktab) ঃ মধ্যযুগত প্রাথমিক শিক্ষা সম্প্রসাৰণ কৰাৰ অর্থে মোক্তাব নামেৰে এবিধ অনুষ্ঠান গঢ়ি উঠিছিল। সাধাৰণতে মোক্তাববোৰ মছজিদৰ লগত একেলগে স্থাপন কৰা হৈছিল। মোক্তাব শব্দটোৰ অর্থ হ'ল 'তেওঁ লিখে' য'ত লিখাৰ ব্যৱস্থা থাকে তাকেই মোক্তাব বোলা হৈছিল। মোক্তাব শব্দটো আৰবী ভাষাৰ 'কাতাব' শব্দৰপৰা অহা। মোক্তাবত লিখাৰ লগত গণিত যোগ হৈ প্রাথমিক শিক্ষাৰ আনুষ্ঠানিক শিক্ষানুষ্ঠানত পৰিণত হয়। মোক্তাবত দিয়া শিক্ষা ঠাইভেদে বেলেগ বেলেগ আছিল। পৰিত্র কো�ৰাণক এই শিক্ষাত আগস্থান দিয়া হৈছিল। প্রাথমিক শিক্ষা প্রসাৰৰ মূল অনুষ্ঠান হিচাপে মোক্তাব পৰিগণিত হৈছিল। মুছলমান সমাজত অৱস্থাপন্ন ব্যক্তিসকলে নিজৰ ল'ৰা-ছোৱালীক সৰুতে শিক্ষা দিয়াৰ ব্যৱস্থা কৰিছিল যদিও অধিক সংখ্যক ছাত্র-ছাত্রী লগ হৈ মছজিদত নিয়মীয়া শিক্ষা গ্রহণ কৰিবলৈ লৈছিল। মোক্তাববোৰত শিক্ষা দিয়াৰ মূল কেন্দ্রবিন্দু হৈ পৰিছিল মৌলবীসকল।

  মোক্তাববোৰক পুৰিণ কালৰ এবিধ তাৎপর্যপূর্ণ শিক্ষানুষ্ঠান বুলি ক'ব পাৰি। ইয়াত নামভর্তিকৰণ প্রক্রিয়াটো 'উপনয়ন' বা 'বিদ্যাৰম্ভ' অনুষ্ঠানৰ নিচিনাকৈ 'বিচমিল্লাই' নামৰ এটি অনুষ্ঠানৰ মাধ্যমত শিক্ষার্থীসকলক মোক্তাববোৰত ভর্তি কৰি লোৱা হৈছিল। মোক্তাববোৰত নামভর্তি কৰাৰ প্রকৃত বয়স আছিল চাৰি বছৰ চাৰি মাহ আৰু চাৰি দিন। যেতিয়া শিশুসকলে এই দিনটো পৰিপূর্ণ কৰে সেই দিনটোত পৰিয়ালৰ সকলো সদস্যৰ লগতে বন্ধু-বান্ধৱসকল একগোট হৈ শিশুটোক নতুন কাপোৰ পিন্ধায় আৰু এখন কুচনত বিশেষ স্থানত বহিবলৈ দিয়া হয়। এনেদৰে বহিবলৈ দি কোৰাণৰ কিছুমান বাণী দিয়া হৈছিল। শিশুটোৱে 'বিচমিল্লাই' উচ্চাৰণ কৰিব লাগিছিল। এইটোৱে শিক্ষা আৰম্ভ কৰাৰ প্রক্রিয়া আছিল। আৰম্ভণিতে শিক্ষার্থীজনক চকু আৰু কাণৰ সহায়ত পাঠবোৰ অধ্যয়ন কৰিবলৈ দিয়া হৈছিল। তেওঁলোকক পঢ়িবলৈ দিয়াৰ লগতে আৰৰিক আৰু পার্চি ভাষাৰে লিখিবলৈ দিয়া হৈছিল। আটাইতকৈ গুৰুত্ব দিয়া হৈছিল উচ্চাৰণৰ ওপৰত। মুছলমান সমাজৰ সাধাৰণ শ্রেণীৰ লোকৰ ল'ৰা-ছোৱালীবোৰে 'মোক্তাব' নামৰ পুৰণি অনুষ্ঠানটোৰ মাধ্যমত শিক্ষা লাভ কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰি ৰাজ পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰেও মোক্তাবত শিক্ষা আহৰণৰ বাবে নামভর্তি কৰিছিল। এটা সময়ত হিন্দু ধর্মাৱলম্বী শিশুবোৰেও মোক্তাবত পঢ়িবলৈ লৈছিল। মোক্তাবৰ শিক্ষকসকলে শিক্ষার্থীসকলৰ ওপৰত ব্যক্তিগতভাৱে নজৰ দিছিল। মোক্তাববোৰত লিখাৰ ওপৰত গুৰুত্ব দিয়াৰ মূলতে হ'ল আখৰ ভাল কৰা। সেই উদ্দেশ্য আগত ৰাখি মোক্তাববোৰত দিনে 4û5 ঘণ্টালৈ লিখাৰ অনুশীলন কৰিবলৈ দিয়া হৈছিল।
- **সত্র** (Satra) ঃ অসমৰ 'সমাজ' ব্যৱস্থাত প্রচলিত হৈ থকা এটি বিশেষ ধৰণৰ সামাজিক অনুষ্ঠান হ'ল সত্রানুষ্ঠান বা সত্র। সমাজ ব্যৱস্থাত নামধর্ম প্রচাৰৰ লগে লগে নৃত্য, কলা, সংস্কৃতি শিল্প আদিৰ চর্চাৰ ব্যৱস্থা আৰম্ভ হ'বলৈ ধৰে। মহাপুৰুষ শ্রীমন্ত শংকৰদেৱৰ কর্মময় জীৱনৰ আটাইতকৈ গুৰুত্বপূর্ণ অৱদান হ'ল সত্রসমূহ। জনসমাজত কৃষ্টি সংস্কৃতিৰ মূল কেন্দ্রবিন্দু হিচাপে সত্রসমূহে গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰি আছে। সত্রসমূহৰ প্রভাৱৰ ফলত সমাজ ব্যৱস্থাত 'সত্রীয়া সমাজ আৰু সংস্কৃতি' নামৰ এটা ধাৰণা বর্তমানেও প্রৱর্তিত হৈ আছে। বৈষ্ণৱ আন্দোলনৰ সময়ছোৱাত অসমৰ সমাজ আছিল সত্রকেন্দ্রিক। সামাজিক দৃষ্টিভংগী সম্পূর্ণৰূপে সত্রমুখী হৈ পৰিছিল। সত্রসমূহৰ বিকাশৰ ক্ষেত্রত জনসাধাৰণৰ লগতে ৰাজপৰিয়ালসমূহেও নানাধৰণেৰে সহায়-সাহার্য আগবঢ়াইছিল। সত্রসমূহৰ সুপৰিচালনাৰ ভাৰ সত্রাধিকাৰৰ ওপৰত ন্যস্ত আছিল যদিও আহোম ৰজাৰ দিনত 'সত্রীয়া বৰুৱা' নামৰ এগৰাকী উচ্চ পর্যায়ৰ বিষয়া নিযুক্ত হৈছিল। সত্রসমূহক অসমীয়া সংস্কৃতিৰ মূল

কেন্দ্রবিন্দু বুলি ক'ব পাৰি। সত্রীয়া নৃত্য, ভাওঁনা-সবাহ, নাট্যাভিনয় আদি নিয়মীয়াভাৱে এই সত্রসমূহত অনুষ্ঠিত হৈছিল। বিশেষকৈ শ্রীকৃষ্ণ দেউল উৎসৱ, ৰাস উৎসৱ আদি বহু বিস্তৃতভাৱে সত্রসমূহৰ উদ্যোগত অনুষ্ঠিত হৈছিল, বর্তমানেও হৈ থকা দেখা যায়। সত্রসমূহত একাত্মতাবোধৰ ধাৰণা বাৰুকৈয়ে প্রকাশিত হৈছিল। অসমৰ সাহিত্য-সংস্কৃতিৰ বিকাশৰ ক্ষেত্রত শংকৰদেৱৰ সময়ছোৱাক 'স্বর্ণযুগ' বুলি অভিহিত কৰা হয়। সাধাৰণতে সত্রসমূহক তিনিটা ভাগত বিভক্ত হোৱা বুলি ক'ব পৰা যায়। প্রথমবিধ হ'ল শংকৰ মাধৱদেৱীয়া সত্র, দ্বিতীয়বিধ হ'ল হৰিদেৱীয়াসত্র আৰু আনবিধ হ'ল দামোদৰীয়া সত্র। তিনিওঁবিধ সত্রৰ উদ্দেশ্য কিন্তু এটাই আছিল। জনসমাজত বৈষ্ণৱ ধর্মৰ লগতে সাহিত্য আৰু সংস্কৃতিৰ সম্প্রসাৰণ সম্ভৱ কৰি তোলাটোৱে সত্রসমূহৰ মূল লক্ষ্য আছিল।

সত্রসমূহে বর্তমানেও কলা-সংস্কৃতিৰ শিক্ষা সম্প্রসাৰণত নানা ধৰণেৰে অৰিহণা যোগাই থকা দেখা যায়। সেয়েহে সত্রসমূহক পু�ৰণি শিক্ষাৰ অনুষ্ঠান বুলি অভিহিত কৰিব পাৰি। বৈষ্ণৱ কলা-কৃষ্টি, গীত-মাত আদিৰ লগতে সত্রীয়া নৃত্যৰ অনুশীলন হৈ থকা অসমীয়া সংস্কৃতিৰ বিকাশত সক্ষম হোৱা সত্রসমূহৰ ভিতৰত কেইখনমান হ'ল কমলাবাৰী সত্র, গড়মূৰ সত্র, আউনিআটি সত্র, বেঙেনাআটি সত্র, পাটবাউসী সত্র, মানেৰি সত্র ইত্যাদি। অসমৰ প্রায় সকলো ঠাইতে সত্রানুষ্ঠান গঢ় লৈ উঠিছিল আৰু অসমীয়া সংস্কৃতি আৰু পৰম্পৰাক চহকী কৰি তুলিছিল। অসমৰ বাহিৰতো কেইবাখনো সত্র আছে। তাৰ ভিতৰত মধুপুৰ সত্র (কোচবিহাৰ) আৰু বনমালি দেৱৰ সত্রই (মুর্চিদাবাদ) বিশেষভাৱে উল্লেখযোগ্য।

- **নামঘৰ** (Namghar) ঃ সামাজিক অনুষ্ঠানসমূহৰ ভিতৰত 'নামঘৰ' এবিধ পুৰণি অনুষ্ঠান। অসমত নামঘৰ নামৰ অনুষ্ঠানটিৰ প্রচলন হয় মহাপুৰুষ শংকৰদেৱৰ সময়ৰপৰা। শংকৰদেৱে সমাজত একতা, মৈত্রী সাম্য আদিৰ দৰে ভাববোৰ প্রতিষ্ঠা কৰাৰ বাবে নামঘৰ নির্মাণ কৰিছিল। বিশ্বস্থাপত্য আৰু ভাস্কর্যৰ সহজ-সৰল ৰূপ প্রতিফলিত হৈ আছে নামঘৰ নামৰ অনুষ্ঠানটিৰ মাজত। এই নামঘৰসমূহক গণতান্ত্রিক পদ্ধতিৰ এটা বাস্তৱ নিদর্শন বুলি ক'ব পাৰি। সাম্যবাদী শ্রেণীসমাজ প্রতিষ্ঠা হোৱাৰ ক্ষেত্রত নামঘৰবোৰৰ ভূমিকা বিশেষভাৱে তাৎপর্যপূর্ণ। অসমৰ গাঁও আৰু চহৰবোৰৰ প্রায় সকলো প্রান্ততে নামঘৰ নামৰ অনুষ্ঠানটি বিৰাজমান হৈ আছে। নামঘৰবোৰত গণসমাজৰ প্রায়ভাগ ব্যক্তিয়ে বিভিন্ন তিথিবোৰত একগোট হৈ নাম প্রসঙ্গ কৰে, ভাওঁনা-সবাহ পাতে। সমাজৰ ব্যক্তিসকলৰ মাজত কিবা কাৰণত যদি মতবিৰোধ হয়, হাই-কাজিয়া লাগে তেতিয়াহলে এই নামঘৰতে বিচাৰ বহে আৰু বাদী-বিবাদিৰ মাজত এটা সৌহার্দপূর্ণভাব গঢ়ি তুলিবলৈ সমাজে প্রচেষ্টা চলায়। এই নামঘৰসমূহৰ শৈক্ষিক মূল্যও আছে। সমাজৰ বয়োজ্যেষ্ঠসকলে কৰি যোৱা কর্মসূচীবোৰৰ শিক্ষা আদর্শৰ শিক্ষা উঠি অহা ল'ৰা-ছোৱালীবোৰে নামঘৰৰ মাধ্যমতে পাবলৈ সক্ষম হয়। নামঘৰবোৰ সাধাৰণতে ৰাজহুৱা স্থানত বা সমাজৰ কেন্দ্রস্থানত স্থাপন কৰা হয়। ইয়াত ধর্মগ্রন্থবোৰৰ বিশদ আলোচনা আদি অনুষ্ঠিত হয় আৰু জ্ঞানীজনে তাৰ ব্যাখ্যা সমজুৱাৰ ওচৰত দাঙি ধৰে। নামঘৰবোৰত বেদ, বেদাংগ উপনিষদ আদিৰ জ্ঞানো সমাজৰ বিভিন্ন ব্যক্তিৰ মাজলৈ সম্প্রসাৰণ হয়। অসমৰ বৈষ্ণৱ সমাজ আৰু সংস্কৃতিত নামঘৰৰ স্থান বহুত ওপৰত। নামঘৰবোৰক কেন্দ্র কৰি বিশেষকৈ অসমৰ গ্রাম্য জীৱন একত্রিত হৈ থাকে। সংস্কৃতি চর্চাৰ এটি মূল কেন্দ্রবিন্দু বুলি নামঘৰকে জনা যায়। অসমৰ নামঘৰসমূহক সমাজ প্রশাসনৰ মূল ভেটি বুলি ক'ব পাৰি। অসমৰ বিভিন্ন ঠাইত বর্তমানেও বহুবোৰ প্রাচীন নামঘৰ আছে। ব্যক্তিসকলে নতুনকৈ বসবাস কৰিবলৈ লোৱা স্থানটো একোটা নামঘৰ সজাই লয়। নামঘৰক সামাজিক, সাংস্কৃতিক, পবিত্র আৰু আধ্যাত্মিক শিক্ষাৰ কেন্দ্র বুলি ক'ব পাৰি। নামঘৰবোৰ সাধাৰণতে খেলীয়া ভিত্তিত গঢ় লৈ উঠে। অসমৰ কেইটামান উল্লেখযোগ্য নামঘৰ হ'ল— সর্থেবাৰীৰ পাচখেলীয়া নামঘৰ, গোলাঘাটৰ বছাদৈয়াং আঠখেলীয়া নামঘৰ আৰু ঢেকীয়াখোৱা বৰ নামঘৰ, বৰপেটাৰ কীর্তনঘৰ, নাৰায়ণপুৰৰ লেতেকুপুখুৰী নামঘৰ, পাণ্ডুলাৰ শ্রীশ্রীদামোদৰধাম নামঘৰ, জামুগুৰীহাটৰ বৰ নামঘৰ, বৰদোৱা নামঘৰ, বিহুপুৰীয়া নামঘৰ,

ভালুকী নামঘৰ, শংকৰদেৱ নামঘৰ; চিলং, পানবজাৰৰ হৰিসভা নামঘৰ, ইত্যাদি। এইবোৰৰ উপৰি নতুনকৈ বিখ্যাত হৈ পৰা নামঘৰৰ তিৰত নসত্রৰ নামঘৰ, ৰূপনগৰৰ নামঘৰ, তেজপুৰৰ কামৰূপীয়া নামঘৰ আৰু লক্ষীমপুৰৰ কামৰূপীয়া নামঘৰ আদিয়েই প্রধান।

ওপৰত উল্লেখ কৰা অনুষ্ঠানবোৰে অসমৰ পুৰণি শিক্ষা ব্যৱস্থাত গুৰুত্বপূর্ণ ভূমিকা গ্রহণ কৰিছিল যদিও অনুষ্ঠানবোৰ সুসংগঠিত নাছিল। অনুষ্ঠানবোৰৰ মাজেৰে সমাজৰ শিক্ষাৰ চাহিদা পূৰণ হোৱা দেখা গৈছিল।

5 জানি থোৱা ভাল

- চীনা পৰিব্রাজক হিউৱেন চাংৰ টোকাই অসমৰ পুৰণি শিক্ষা ব্যৱস্থাৰ ওপৰত পোহৰ সঞ্চাৰিত কৰিছিল।
- লিপি উদ্ভৱ হোৱাৰ আগতে শিক্ষা মুখে মুখে সম্প্রসাৰণ হৈছিল। লিপি উদ্ভৱ হোৱা পিছৰপৰাহে অসমত সাঁচিপাতত কিতাপ লিখাৰ ব্যৱস্থা প্রচলন হৈছিল।
- অসমত আহোমসকলৰ ৰাজত্ব 1228 খৃষ্টাব্দৰ পৰা 600 বছৰলৈ চলিছিল। আহোম ৰজাসকলৰ দিনত শিক্ষা ব্যৱস্থাটোৱে পোষকতা লাভ কৰিছিল।
- ধর্মগুৰু শ্রীমন্ত শংকৰদেৱ আৰু শ্রীশ্রীমাধৱদেৱে অসমৰ জনসাধাৰণৰ মাজত শিক্ষা সম্প্রসাৰণ হোৱাত সহায় কৰিছিল।
- অসমৰ পুৰণি শিক্ষা ব্যৱস্থাত মুখ্য ভূমিকা লোৱা শিক্ষানুষ্ঠানবোৰ হ'ল— 1] পাঠশালা,2] টোলসমূহ, 3] মকতাবসমূহ, 4] সত্রসমূহ, 5] নামঘৰসমূহ।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) চীনা পৰিব্রাজক হিউৱেন চাং যেতিয়া কামৰূপলৈ আহিছিল তেতিয়া কামৰূপৰ শাসক (ৰজা) আছিল .....।

খ) ..... খৃষ্টাব্দৰ পৰা আহোম ৰজাসকলে অসমত ..... বছৰ ৰাজত্ব কৰিছিল।

গ) অসমত সত্রসমূহ স্থাপন কৰিছিল ..... আৰু .....।

প্রশ্ন নং ২ ঃ অসমৰ পুৰণি শিক্ষা ব্যৱস্থাত বৰঙণি যোগোৱা চাৰিখন শিক্ষানুষ্ঠানৰ নাম উল্লেখ কৰা।

.....

.....

৮.৩.২ ইংৰাজ ৰাজত্বকালত অসমত প্রাথমিক শিক্ষাৰ বিকাশ

1826 চনত হোৱা ইয়াণ্ডাবু সন্ধি অনুসৰি ইষ্ট ইণ্ডিয়া কোম্পানীয়ে অসমত প্রশাসনৰ দায়িত্ব গ্রহণ কৰে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্রথম প্রতিনিধি 'ডেভিদ স্কট' 1826 চনত অসমলৈ আহে। তেওঁৰ আগমনৰ কিছুদিন পিছতে অসমৰ পুৰণি শিক্ষা ব্যৱস্থাৰ উন্নতিৰ কাৰণে মনোনিবেশ কৰা দেখা গৈছিল। তেওঁ জনসাধাৰণৰ ওপৰত বিশ্বাসভাজন হোৱাৰ অর্থে নামনি অসমত 11খন স্কুল আৰম্ভ কৰিছিল। তেওঁ গাৰো পাহাৰত জনজাতি অঞ্চলৰ উন্নতিৰ অর্থে এখন স্কুল স্থাপন কৰিছিল। এই স্কুলবোৰৰ পৰা উত্তীর্ণ হোৱা শিক্ষার্থীসকলক চৰকাৰী কার্যালয়ত চাকৰি দিছিল।

1854 চনৰ উডৰ ঘোষণাপত্ৰৰ সহায়ক অনুদানৰ পৰামৰ্শটো অসমৰ শিক্ষা ব্যৱস্থাত প্ৰয়োগ কৰি প্ৰাথমিক শিক্ষাৰ সম্প্ৰসাৰণ কৰিবলৈ বিচৰা দেখা গৈছিল। 1857 চনত হোৱা চিপাহী বিদ্ৰোহৰ পিছত দেশৰ শাসনভাৰ কোম্পানীৰ হাতৰপৰা ইংৰাজ ৰজাৰ হাতলৈ যায়। প্ৰশাসন ব্যৱস্থাৰ পৰিৱৰ্তন হোৱাৰ ফলত শিক্ষা ব্যৱস্থাৰ বোৰো সলনি হোৱাৰ উপক্ৰম হয়। 1882 চনৰ হাণ্টাৰ আয়োগে প্ৰাথমিক শিক্ষা স্থানীয় কৰ্তৃপক্ষৰ দ্বাৰা চলোৱাৰ পৰামৰ্শ আগবঢ়ায়। আয়োগে লগতে পৰামৰ্শ দিয়ে যে শিক্ষানুষ্ঠানবোৰক ফলাফল অনুযায়েহে অনুদান দিয়া হ'ব। প্ৰাদেশিক চৰকাৰে মাথোন স্থানীয় কৰ্তৃপক্ষক এক তৃতীয়াংশ খৰছহে দিয়াৰ ব্যৱস্থা কৰে। এনেধৰণৰ নিয়ম কানুনে অসমৰ প্ৰাথমিক শিক্ষাৰ বিকাশত বেয়াধৰণৰ প্ৰভাৱ পেলায়।

কুৰি শতিকাৰ একেবাৰে আৰম্ভণিৰ সময়ছোৱাত লৰ্ড কাৰ্জনৰ নমনীয় শিক্ষা নীতিয়ে প্ৰাথমিক শিক্ষাৰ বিকাশত বিশেষভাৱে অৰিহণা যোগায়। প্ৰাথমিক শিক্ষাৰ বিকাশত অধিকভাৱে উদগনি যোগায় 1910–12 চনৰ গোখলে বিলে। গোপালকৃষ্ণ গোখলে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ অৰ্থে আইন সভাত এখন বিল উত্থাপন কৰিছিল। ফলস্বৰূপে প্ৰাদেশিক চৰকাৰে প্ৰাথমিক শিক্ষাক বাধ্যতামূলক কৰাৰ ধাৰণা গ্ৰহণ কৰা দেখা যায়। 1918–20 চনত বাধ্যতামূলক প্ৰাথমিক শিক্ষা আইন প্ৰণয়ন কৰিবলৈ লয় ভাৰত চৰকাৰৰ 1913 চনৰ শিক্ষা প্ৰস্তাৱৰ ভিত্তিত। অসমৰ প্ৰাথমিক শিক্ষাৰ বিকাশৰ ক্ষেত্ৰত ইয়াৰ প্ৰভাৱ কিছু পৰিমাণে পৰে।

অসমত 1926 চনত প্ৰথম প্ৰাথমিক শিক্ষা বাধ্যতামূলক আইন প্ৰণয়ন হয়।

অসম প্ৰাথমিক শিক্ষা আইন ১৯২৬ (Assam Primary Education Act 1926)ঃ

- এই আইনখন সমগ্ৰ অসমতে প্ৰযোজ্য হ'ব।
- যিকোনো স্থানীয় কৰ্তৃপক্ষই তেওঁলোকৰ সমগ্ৰ এলেকাত অথবা যিকোনো অংশত প্ৰাথমিক শিক্ষা বাধ্যতামূলকভাৱে প্ৰৱৰ্তন কৰিব পাৰিব যদি স্থানীয় কৰ্তৃপক্ষৰ এখন বিশেষ সভাত 2û3 অংশতকৈ অধিক সদস্যই এই প্ৰস্তাৱৰ প্ৰতি সমৰ্থন জনায়। 6–11 বছৰৰ ভিতৰৰ ল'ৰা-ছোৱালীক ইয়াত সামৰি লোৱা হ'ব।
- প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাবে স্থানীয় কৰ্তৃপক্ষই এখন আঁচনি তৈয়াৰ কৰি লব লাগিব। এই আঁচনিখনত প্ৰচলিত প্ৰাথমিক শিক্ষাত স্থানীয় কৰ্তৃপক্ষই খৰছ কৰা ধনৰ হিচাপ আৰু প্ৰস্তাৱিত বাধ্যতামূলক প্ৰাথমিক শিক্ষাত বহন কৰিবলগা খৰছৰ হিচাপ চৰকাৰক দাখিল কৰিব।
- বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰৱৰ্তন কৰিবলৈ যদি কোনো স্থানীয় কৰ্তৃপক্ষই সিদ্ধান্ত লয় তেতিয়া মুঠ ওপৰঞ্চি খৰছৰ 1û3 অংশ ইয়াৰ বাবে বহন কৰিব লাগিব। এই নতুন প্ৰস্তাৱৰ বাবে প্ৰাথমিক শিক্ষাত প্ৰচলিত খৰছ হ্ৰাস কৰিব পৰা নাযাব।
- স্থানীয় কৰ্তৃপক্ষৰ প্ৰস্তাৱ যদি চৰকাৰে গ্ৰহণ কৰে তেতিয়াহ'লে বাকী থকা দুই তৃতীয়াংশ খৰচো চৰকাৰে বহন কৰিব।
- বাধ্যতামূলক প্ৰাথমিক শিক্ষা প্ৰৱৰ্তনৰ বাবে যদি কোনো স্থানীয় কৰ্তৃপক্ষই সময়মতে আঁচনি দাখিল কৰিব নোৱাৰে তেতিয়াহলে চৰকাৰে স্থানীয় কৰ্তৃপক্ষক এইটো কৰিবৰ বাবে নিৰ্দেশ দিব পাৰে।
- চৰকাৰে আগতে জাননী দি আইন সংক্ৰান্তত বিশেষকৈ শিক্ষকৰ শিক্ষা সমিতি গঠন আৰু শিক্ষানীতি পৰিচালনাৰ সংক্ৰান্তত নীতি-নিয়ম কৰি দিব পাৰিব।
- সকলো চৰকাৰী আৰু সাহায্যপ্ৰাপ্ত বিদ্যালয়তে প্ৰাথমিক শিক্ষা বিনামূলীয়া হ'ব।
- শিক্ষা কমিতিৰ অনুমোদন ক্ৰমে দুখীয়া ল'ৰা-ছোৱালীক কিতাপ-পত্ৰ আদি বিনামূলীয়াকৈ দিয়া হ'ব।
- আইনখন প্ৰয়োগ কৰাৰ বাবে স্থানীয় কৰ্তৃপক্ষ আৰু শিক্ষা সমিতি দায়ী হ'ব আৰু ঘৰ-দুৱাৰ, সা-সঁজুলি আদিৰ যোগান ধৰিব লাগিব। শিক্ষাধিকাৰে দিয়া অনুমোদন সাপেক্ষে স্থানীয় কৰ্তৃপক্ষ আৰু শিক্ষা সমিতিয়ে শিক্ষক নিযুক্তি দিব পাৰিব।

- প্রাথমিক বিদ্যালয়ৰ শিক্ষার্থীসকলৰ কৃতিত্বৰ জোখ লোৱাৰ বাবে বাহ্যিক পৰীক্ষাৰ পৰিৱর্তে আভ্যন্তৰীণ পৰীক্ষাৰ ব্যৱস্থা কৰিব লাগিব।
- প্রাথমিক শিক্ষা সম্পূর্ণভাৱে সমাপ্ত কৰি শিক্ষার্থীসকলক 'প্রমাণ-পত্র' (চার্টিফিকেট) দিয়াৰ ব্যৱস্থা কৰিব লাগিব।
- অসমত এই সময়ছোৱাত প্রাথমিক শিক্ষাৰ বিকাশৰ ধাৰা মন্থৰ হয়। অনুদান দিয়াৰ ক্ষেত্রত চৰকাৰে ভুল নীতি লোৱাৰ ফলত এনে অৱস্থা হোৱা বুলি ক'ব পাৰি। ইয়াৰ লগতে স্থানীয় কর্তৃপক্ষবোৰ দুর্বল হোৱা হেতুকেও প্রাথমিক শিক্ষাৰ নিয়ন্ত্রণ ব্যৱস্থাটোও অসংযত হৈ পৰে। আটাইতকৈ মন কৰিবলগীয়া কথা আছিল ভাৰতীয় মানুহৰ অৱহেলিত মনোভাব।

5 জানি থোৱা ভাল

- অসম বিখ্যাত ইয়াণ্ডাবু সন্ধিমতে 1826 চনত ইষ্ট ইণ্ডিয়া কোম্পানীৰ নিয়ন্ত্রাধীনলৈ আহে। ইষ্ট ইণ্ডিয়া কোম্পানীৰ অসমত প্রথম প্রতিনিধি আছিল মিঃ ডেভিদ স্কট। তেওঁ 1826 চনত অসমলৈ আহিছিল আৰু প্রাথমিক শিক্ষাৰ বিকাশৰ বাবে অৰিহণা যোগাইছিল।
- 1857 চনৰ চিপাহী বিদ্রোহৰ পিছত প্রশাসন ব্যৱস্থাটো কোম্পানীৰ হাতৰপৰা ইংৰাজ ৰজাৰ হাতলৈ যায়।
- ভাৰতবর্ষৰ প্রাথমিক শিক্ষাৰ বিকাশৰ ওপৰত 1854 চনৰ উডৰ ঘোষণাপত্র, 1882 চনৰ হাণ্টাৰ আয়োগ, 1904 চনৰ লর্ড কার্জনৰ শিক্ষানীতি, 1910–12 চনৰ গোখলে বিলত প্রাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ প্রচেষ্টা আৰু 1913 চনৰ ভাৰত চৰকাৰৰ শিক্ষা প্রস্তাৱৰ প্রভাৱ পৰে।
- অসমত 1926 চনত প্রথম প্রাথমিক শিক্ষা বাধ্যতামূলক আইন প্রণয়ন হয়। আইনগত ব্যৱস্থা হাতত লোৱা হৈছিল যদিও অসমত প্রাথমিক শিক্ষাৰ বিকাশ গ্রহণযোগ্য হোৱা নাই।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শুদ্ধ উত্তৰ দিয়ক ঃ

ক) অসম ইষ্ট ইণ্ডিয়া কোম্পানীৰ অধীনলৈ আহে 1926û1826 চনত।

.....

খ) অসমলৈ ইষ্ট ইণ্ডিয়া কোম্পানীৰ প্রথম প্রতিনিধি আহিছিল ডেভিদ স্কট। (সত্যûঅসত্য)

.....

গ) অসম প্রাথমিক শিক্ষা বাধ্যতামূলক আইন প্রথমে প্রণয়ন হৈছিল 1918 চনত। (সত্যûঅসত্য)

.....

ঘ) সহায়ক অনুদান ব্যৱস্থা উদ্ভাৱন কৰিছিল 1854 চনৰ উডৰ ঘোষণা পত্রই। (সত্যûঅসত্য)

.....

৮.৩.৩ খ্রীষ্টিয়ান মিছনেৰীসকলৰ অৱদান

বিখ্যাত ইয়াণ্ডাবু সন্ধিৰ ফলস্বৰূপে ইংৰাজসকলে অসমৰ শাসনভাৰ লোৱাত 1826 চনৰ পিছত মিছনেৰীসকল অসমত পদার্পণ কৰে। শ্রীৰামপুৰ মিছনেৰী শাখা এটা 1829 চনত গুৱাহাটীত স্থাপিত হয়। শিক্ষা প্রচাৰৰ যোগেদি খ্রীষ্টধর্ম প্রচাৰ কৰাৰ উদ্দেশ্যেৰে এই শাখাটোৱে কেইবাখনো স্কুল

পাতে। আমেৰিকান বেপ্তিষ্ট মিছন ছ'চাইটিয়েও 'নাথান ব্রাউন' আৰু 'অলিভাৰ কট্টৰৰ' নেতৃত্বত অসমলৈ এটা শাখা পঠিয়াই। তেওঁলোকে উজনি অসমৰ শদিয়াত কাম আৰম্ভ কৰে। তেওঁলোকে লগত এটা ছপাশালো লৈ আহিছিল। ড0 ব্রনছন নামৰ এজন মিছনেৰীয়েও উজনি অসমৰ জয়পুৰত এইক্ষেত্রত বহুখিনি কাম কৰিছিল। অসমীয়া ভাষাৰ উন্নতিৰ বাবেও মিছনেৰীসকলে যথেষ্ট সহায় আগবঢ়াইছিল। অসমীয়া ভাষাটো বঙলা ভাষাৰ অপভ্রংশ বুলি বঙালীসকলে কৰা দাবীৰ ফলস্বৰূপে বঙালী ভাষা হিচাপে পৰিগণিত হ'ল। বঙলা ভাষাৰ প্রভাৰ আজিও আদালতৰ কাগজ-পত্রত ব্যৱহাৰ হোৱা পৰিলক্ষিত হয়। মিছনেৰীসকলে অসমীয়া ভাষাত 1846 চনত 'অৰুণোদয়' নামেৰে প্রথম বাতৰি কাকতখন উলিয়ায়। অসমীয়াত 1867 চনত প্রথম অভিধান 'Dictionary in Assamese and English' মাইলছ ব্রনছনে সম্পাদনা কৰে। মিছনেৰীসকলে অসমীয়া ভাষাৰ প্রথম ব্যাকৰণ 'Grammar of the Assamese Language' লিখাৰ উপৰি বিখ্যাত 'বাইবেল' গ্রন্থখন অসমীয়া ভাষালৈ অনুবাদ কৰিছিল। মিছনেৰীসকলৰ মূল উদ্দেশ্য খ্রীষ্ট ধর্ম প্রচাৰ কৰা হ'লেও সামাজিক পৰিস্থিতিৰ লগত খাপ খাব পৰাকৈ তেওঁলোকে শিক্ষাৰ প্রসাৰতা আনিছিল। এইবোৰ কাৰণৰ বাবেই মিছনেৰীসকল অসমৰ শিক্ষাৰ ইতিহাসত চিৰ যুগমীয়া হৈ থাকিব।

5 জানি থোৱা ভাল

- খ্রীষ্টিয়ান মিছনেৰীসকলৰ প্রচেষ্টাতে অসমৰ বিভিন্ন স্থানৰ ভিতৰুৱা অঞ্চল আৰু পাহাৰীয়া অঞ্চলত বিদ্যালয়সমূহ স্থাপন কৰা হৈছিল।
- খ্রীষ্টিয়ান মিছনেৰীসকলে অসমত সাহিত্য আৰু ভাষাৰ উন্নতিৰ অর্থে অৱদান আগবঢ়াইছিল।
- শিক্ষাৰ ক্ষেত্রখনলৈ মিছনেৰীসকলে আগবঢ়োৱা অৱদানসমূহ হ'ল—
  - চেৰিটি স্কুল স্থাপন কৰা।
  - ছপাশাল স্থাপন কৰা।
  - থলুৱা ভাষাৰ বিকাশত গুৰুত্ব দিয়া।
  - অনাথ শিশুবোৰক শিক্ষা দিয়া।
  - বাতৰি কাকত প্রকাশ কৰা
  - অসমীয়া ভাষালৈ কিতাপবোৰ অনুবাদ কৰা।

➢ **শ্রীৰামপুৰ ত্রয়** (Serampur Trio) ঃ মিছনেৰীসকলে ভাৰতবর্ষৰ বিভিন্ন প্রান্তত তেওঁলোকৰ ধর্মপ্রচাৰ কৰিবলৈ প্রচেষ্টা চলাইছিল। ভাৰতীয় মানুহৰ মনৰ ভাব বুজি পোৱাত প্রথমতে তেওঁলোকে বাধাৰ সন্মুখীন হৈছিল। সেয়ে ভাৰতীয় ভাষাৰ শিক্ষা আহৰণ কৰি মিছনেৰীসকলে শিক্ষা বিস্তাৰৰ কাম কৰা নীতি গ্রহণ কৰিছিল। কলিকতাৰ ওচৰৰ শ্রীৰামপুৰ নামৰ ঠাইত 'কেৰী' নামৰ এজন ধর্মযাজক 'ওৱার্ড' নামৰ এজন মুদ্রক আৰু 'মার্চ্চমেন' নামৰ এজন শিক্ষকে একেলগ হৈ প্রায় 40 বছৰ কাল শিক্ষা বিস্তাৰৰ কামত ব্রতী হৈ আছিল। তেওঁলোকক 'শ্রীৰামপুৰ ত্রয়' (Serampur Trio) নামে জনা যায়। 19 শতিকাৰ প্রথম ভাগত তেওঁলোকে কলিকতাৰ ওচৰে-পাঁজৰে প্রাথমিক স্কুল স্থাপন কৰে আৰু লগতে ছপাশাল স্থাপন কৰি 'বাইবেল' গ্রন্থখন আঞ্চলিক ভাষালৈ অনুবাদ কৰে। শ্রীৰামপুৰ এই মিছনেৰীসকলে 1829 চনত অসমতো তেওঁলোকৰ শাখা কেন্দ্র স্থাপন কৰি ধর্মপ্রচাৰ লগতে শিক্ষা প্রচাৰৰ ব্যৱস্থাও কৰে।

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) প্রথম অসমীয়া বাতৰি কাকত অৰুণোদয় প্রকাশ হৈছিল .....।

খ) প্রথম অসমীয়া অভিধান 'Dictionary in Assamese and English' সম্পাদনা কৰিছিল .....।

গ) খ্রীষ্টিয়ান মিছনেৰী কেৰী, মার্চমেন আৰু ওৱার্ডক একেলগে ..... হিচাপে জনা গৈছিল।

৮.৪ স্বাধীনোত্তৰ কালত অসমৰ প্রাথমিক শিক্ষাৰ বিকাশ

ওপৰত কৰা আলোচনাৰ পৰা আমি অসমত স্বাধীনতাৰ আগৰ কালছোৱাত হোৱা প্রাথমিক শিক্ষাৰ বিকাশ সম্বন্ধে জানিবলৈ সক্ষম হ'লো।

ভাৰতবর্ষই 1947 চনৰ 15 আগষ্টত ইংৰাজ শাসনৰ অন্ত পেলায় স্বাধীনতা লাভ কৰে। শিক্ষা জনগণৰ মাজত সম্প্রসাৰণ কৰাটো ৰাষ্ট্র এখনৰ প্রধান দায়িত্ব। বিশেষকৈ নাগৰিকসকলক প্রাথমিক শিক্ষা দি ৰাষ্ট্রখন চলাই নিয়াত সহায় আগবঢ়োৱাত অৰিহণা যোগাব লাগিব। এনে এটা উদ্দেশ্যত উপনীত হোৱাৰ অর্থে ভাৰতবর্ষৰ সংবিধানত প্রাথমিক শিক্ষাৰ বাবে ব্যৱস্থা গ্রহণ কৰা হৈছে। এই ব্যৱস্থা বলবৎ হৈছে 1950 চনৰ 26 জানুৱাৰীৰপৰা।

অনুচ্ছেদ ৪৫ 'সংবিধানখন প্রৱর্তন কৰাৰ দহ বছৰৰ ভিতৰত ৰাষ্ট্রই চৈধ্য বছৰ বয়সলৈ সকলো ল'ৰা-ছোৱালীৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক প্রাথমিক শিক্ষা প্রৱর্তন কৰিব লাগিব।'

অনুচ্ছেদটোৰ মূল দিশকেইটা হ'ল—

- সকলো ল'ৰা-ছোৱালীৰ বাবে প্রাথমিক পর্যায়ৰ শিক্ষা বাধ্যতামূলক হ'ব লাগিব।
- চৈধ্য বছৰ বয়সলৈ শিশুসকলৰ শিক্ষাৰ ব্যৱস্থা ৰাষ্ট্রই কৰিব।
- এই লক্ষ্যত উপনীত হোৱাৰ বাবে 10 বছৰ সময় থাকিব অর্থাৎ 1960 চনলৈ।

5 জানি থোৱা ভাল

অনুচ্ছেদ ৪৫ত আমাৰ সংবিধানত ঘোষণা কৰা হৈছিল যে সংবিধানখন প্রৱর্তন কৰাৰ দহ বছৰৰ ভিতৰত ৰাষ্ট্রই চৈধ্য বছৰলৈ সকলো ল'ৰা-ছোৱালীৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক প্রাথমিক শিক্ষা প্রৱর্তন কৰিব লাগিব।

৮.৪.১ অসমৰ প্রাথমিক শিক্ষাৰ আইনগত ব্যৱস্থা

আমি এতিয়া অসমৰ প্রাথমিক শিক্ষাৰ আইনগত ব্যৱস্থাসমূহ আলোচনা কৰিম।

I অসম বুনিয়াদী শিক্ষা আইন, ১৯৫৪ (Assam Basic Education Act, 1954)ঃ

- এই আইনৰ মাধ্যমেৰে বিনামূলীয়া সার্বজনীন বুনিয়াদী শিক্ষা অসমত ক্রমান্বয়ে প্রৱর্তন কৰা হ'ব।
- সমগ্র অসমতে এই আইন প্রযোজ্য হ'ব আৰু ৰাজপত্রত আগতে জাননী দি এই আইন প্রৱর্তন কৰিব পৰা যাব।
- ৰাজ্যিক চৰকাৰে শিক্ষামন্ত্রীক সভাপতিৰূপে আৰু শিক্ষাধিকাৰক উপ-সভাপতি হিচাপে লৈ এখন ৰাজ্যিক বুনিয়াদী শিক্ষা বোর্ড গঠন কৰিব।

- এই বোৰ্ডে ৰাজ্য চৰকাৰক আঞ্চলিক শিক্ষাবোৰ্ডৰ কাম আৰু দায়িত্ব সম্পৰ্কে স্কুল বোৰ্ডত দিবলগা মঞ্জুৰীৰ বিষয়ে, শিক্ষক অৰ্হতা আৰু নিযুক্তি সংক্ৰান্তত আৰু পাঠ্যপুথি, পাঠ্যক্ৰম আদিৰ সন্দৰ্ভত উপদেশ দিব।
- ৰাজ্যিক বুনিয়াদি শিক্ষাবোৰ্ডে এটা নিধি ৰাখিব লাগিব আৰু এই নিধিৰ পৰিচালনাৰ ভাৰ শিক্ষাধিকাৰৰ ওপৰত থাকিব।
- প্ৰত্যেক জিলাৰ ডেপুটি ইন্সপেক্টৰৰ ক্ষেত্ৰাধিকাৰত একোখন আঞ্চলিক বুনিয়াদি শিক্ষাবোৰ্ড (School Board) গঠন হ'ব আৰু উপ-পৰিদৰ্শকজন ইয়াৰ সচিব হ'ব। লোকেল বোৰ্ড, মিউনিচিপাল বোৰ্ড, পঞ্চায়ত আৰু শিক্ষকৰ পৰা এই স্কুল বোৰ্ডত প্ৰতিনিধি থাকিব।
- নতুন বিদ্যালয় স্থাপন কৰা, পুৰণি বিদ্যালয় সংৰক্ষণ কৰা, সা-সঁজুলিৰ যোগান ধৰা, শিক্ষকৰ যোগান ধৰা, শিক্ষাৰ্থীসকলৰ স্বাস্থ্য পৰীক্ষা কৰোৱা, বিদ্যালয়ৰ উৎপন্ন বস্তু বিক্ৰি কৰাৰ বাবে দিহা কৰা আদি এই স্কুল বোৰ্ডৰ প্ৰধান কাম হ'ব। বোৰ্ডৰ এটা নিধি থাকিব আৰু উপ-পৰিদৰ্শকে এই নিধি পৰিচালনা কৰিব।
- সকলো স্বীকৃতিপ্ৰাপ্ত প্ৰাথমিক বিদ্যালয়, যিকোনো ব্যক্তিগত প্ৰাথমিক স্কুল, মজলীয়া বিদ্যালয়সমূহ (Middle Vernacular School) আৰু বুনিয়াদি বিদ্যালয় বুনিয়াদি শিক্ষাৰ অন্তৰ্গত হ'ব।
- উপৰোক্ত বিদ্যালয়বাৰত শিক্ষা বিনামূলীয়াকৈ দিয়া হ'ব।
- ৰাজ্য চৰকাৰে আগতে জাননী দি কিমান বয়সলৈকে বুনিয়াদী শিক্ষা বাধ্যতামূলক হ'ব সেইটো ঠিক কৰিব। বাধ্যতামূলক বুনিয়াদী শিক্ষা প্ৰৱৰ্তন হোৱা অঞ্চলত অভিভাৱকক, ল'ৰা-ছোৱালীক বিদ্যালয়লৈ যোৱাৰ বয়সত বিদ্যালয়লৈ পঠাবলৈ বাধ্য কৰা হ'ব। স্কুল বোৰ্ডৰ অনুমোদনক্ৰমে অৱশ্যে কোনো ব্যক্তিক এই বিষয়ত অব্যাহতি দিব পৰা যাব। অভিভাৱকসকলে বিদ্যালয়লৈ ল'ৰা-ছোৱালীক নপঠালে প্ৰথমতে 25 টকা আৰু পিছলৈ 100 টকাকৈ জৰিমণা ভৰিব লাগিব।
- ৰাজ্য চৰকাৰে এই আইন প্ৰৱৰ্তন কৰাৰ বাবে এটা শিক্ষা কৰ লগাব পাৰিব আৰু শিক্ষাৰ মান, পাঠ্যক্ৰম আদি সম্বন্ধে নিয়ম বান্ধি দিব পাৰিব।
- এই আইনখনৰ পিছৰেপৰা প্ৰাথমিক বিদ্যালয়বোৰৰ নাম বুনিয়াদী বিদ্যালয় আৰু উচ্চ প্ৰাথমিক বিদ্যালয়বোৰৰ নাম উচ্চ বুনিয়াদী বিদ্যালয় হিচাপে নামাকৰণ হ'ব।

আইনখনে চৰকাৰৰ ওচৰত অধিক শক্তি অনাৰ ক্ষেত্ৰত কিছুমান পৰিৱৰ্তন সম্ভৱ কৰি তুলিছিল। সকলোধৰণেৰে প্ৰচেষ্টা চলালেওঁ আনবোৰ প্ৰদেশৰ তুলনাত অসমত বুনিয়াদি শিক্ষাৰ সম্প্ৰসাৰণ নহ'ল। আধুনিক সমাজৰ ভাবধাৰাত এই শিক্ষা গ্ৰহণযোগ্য নহ'ল।

5 জানি থোৱা ভাল

- অসম বুনিয়াদি শিক্ষা আইন প্ৰণয়ন হয় 1954 চনত। এই আইনখনে 'ৰাজ্যিক উপদেষ্টা পৰিষদ' গঠন কৰি প্ৰাথমিক শিক্ষাৰ নিয়ন্ত্ৰণ আৰু ব্যৱস্থাপনাৰ ক্ষেত্ৰত উপদেশ দিয়াৰ ব্যৱস্থা কৰিছিল।
- এই আইনখনে বিভিন্ন ধৰণৰ প্ৰাথমিক বিদ্যালয়বোৰক বুনিয়াদি বিদ্যালয় হিচাপে স্বীকৃতি প্ৰদান কৰিছে। অসম বুনিয়াদি শিক্ষা আইনখনে প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত চৰকাৰক অধিক ক্ষমতা দিয়াৰ প্ৰতিশ্ৰুতিৰে কিছুমান পৰিৱৰ্তন সম্ভৱ কৰি তুলিছিল।

চিন্তা চৰ্চা কৰক ৮.১

- অসম প্ৰাথমিক শিক্ষা আইন 1926 আৰু 1954 চনৰ অসম বুনিয়াদি শিক্ষা আইনৰ মাজত থকা ব্যৱধান আৰু মিলখিনি নিৰ্ণয় কৰা।

.....

.....

- আইনখনে কোনবোৰ বিদ্যালয়ক বুনিয়াদি বিদ্যালয় হিচাপে স্বীকৃতি প্রদান কৰিছিল? নামবোৰ লিখক।

.....

.....

II. **অসম প্রাথমিক শিক্ষা আইন ১৯৬২** (Assam Primary Education Act 1962)ঃ

1962 চনত অসমৰ চৰকাৰে অসম প্রাথমিক শিক্ষা আইন নামৰ এখন আইন প্রণয়ন কৰে। আইনখনত তলত দিয়া চৰ্তখিনি সামৰি লোৱা হৈছে—

- অসম প্রাথমিক শিক্ষা আইনখন ৰাজ্যৰ স্বায়ত্ত শাসিত জিলাকেইখনৰ বাহিৰে সমগ্র অসমতে প্রযোজ্য হ'ব। অৱশ্যে গভর্ণৰৰ অনুমোদন সাপেক্ষে স্বায়ত্ত শাসিত জিলা কর্তৃপক্ষই প্রয়োজন অনুসৰি এই আইন নিজ এলেকাত প্রয়োগ কৰিব পাৰিব।
- আগৰ বুনিয়াদী শিক্ষাবোর্ডৰ দৰে এতিয়াও এখন 'ৰাজ্যিক শিক্ষাবোর্ড' গঠন কৰা হ'ব। প্রাথমিক শিক্ষাৰ সু-পৰিচালনাৰ বাবে গঠিত হোৱা এই শিক্ষাবোর্ডৰ সভাপতি হ'ব ৰাজ্যিক শিক্ষামন্ত্রী আৰু ইয়াৰ প্রধান বিষয়া হিচাপে থাকিব এই বোর্ডৰ সচিব।
- প্রাথমিক শিক্ষাৰ উন্নতিৰ বাবে উক্ত বোর্ডে এক বিশেষ নিধিৰ ব্যৱস্থা কৰিব আৰু প্রয়োজন অনুসৰি এই নিধিৰ টকা প্রাথমিক শিক্ষা প্রসাৰৰ ক্ষেত্রত খৰচ কৰিব পাৰিব।
- আইনখন প্রৱর্তন হোৱাৰ পিছত স্থানীয় কর্তৃপক্ষ অর্থাৎ লোকেল বোর্ড, মিউনিচিপাল বোর্ড অথবা পঞ্চায়তে নিজ নিজ এলেকাত ইয়াৰ প্রয়োগৰ ব্যৱস্থা কৰিব লাগিব।
- এই আইনৰ মতে প্রাথমিক শিক্ষা বিনামূলীয়া আৰু বাধ্যতামূলক হ'ব লাগিব। আইন অমান্যকাৰী অভিভাৱকক জৰিমণা কৰা হ'ব।
- প্রাথমিক শিক্ষাৰ প্রচাৰ আৰু প্রসাৰৰ দায়িত্ব ঘাইকৈ ৰাজ্য চৰকাৰৰ হাতত থাকিব। চৰকাৰে বিবেচনা কৰি পাঠ্যক্রম থিৰ কৰা, শিক্ষক নিযুক্তি দিয়া, শিক্ষকক প্রশিক্ষণ দিয়া ইত্যাদি সকলোৰে ব্যৱস্থা কৰিব লাগিব।
- চৰকাৰে আইনখন প্রণয়ন কৰাৰ অর্থে নীতি-নিয়ম প্রয়োগ কৰিব পাৰিব।

এই আইনখনে আগৰ আইনবোৰৰ উন্নতি সাধনতো সহায় আগবঢ়াইছে লগতে চৰকাৰক অধিকভাৱে প্রাথমিক শিক্ষাৰ দায়িত্বত সোমাই দিছে। আইনখনে প্রাথমিক শিক্ষাৰ ব্যৱস্থাপনা আৰু দায়িত্ব সংশ্লিষ্ট স্থানীয় কর্তৃপক্ষৰ হাতত দিয়াৰ কথাও দোহাৰিছে।

---

5 জানি থোৱা ভাল

- 1962 চনৰ প্রাথমিক শিক্ষা আইনে নির্ণয় কৰিছে যে প্রাথমিক এনে শ্রেণীৰ পর্যায়লৈ যিটো অষ্টম শ্রেণীৰ ওপৰত নহয়।
- আইনখনে স্থানীয় কর্তৃপক্ষ হিচাপে চিহ্নিত কৰিছে মিউনিচিপেলিটি, নগৰ সমিতি বা গাঁও পঞ্চায়তসমূহ যিবোৰ মিউনিচিপাল আইন আৰু অসম পঞ্চায়ত আইন 1959ৰ অধীনত।
- এই আইনখনে চৰকাৰক উপদেশ দিবলৈ প্রাথমিক শিক্ষাৰ কাৰণে 'ৰাজ্যিক পৰিষদ' গঠন কৰাৰ ব্যৱস্থা কৰিছে।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ 1962 চনৰ প্ৰাথমিক শিক্ষা আইনে প্ৰাথমিক শিক্ষাৰ কাৰণে গঠন কৰিবলৈ বিচৰা ৰাজ্যিক পৰিষদৰ সভাপতি কোন?

.....

প্ৰশ্ন নং ৬ ঃ প্ৰাথমিক শিক্ষা ৰাজ্যিক পৰিষদৰ চাৰিটা প্ৰধান কার্য লিখক।

.....

.....

প্ৰশ্ন নং ৭ ঃ ভাৰতীয় সংবিধানৰ '45নং অনুচ্ছেদৰ' ব্যৱস্থা সম্বন্ধে লিখক।

.....

.....

III. **অসম পঞ্চায়ত আইন ১৯৫৯** (The Assam Panchayat Act 1959) ঃ অসম পঞ্চায়তআইনে স্থানীয় কর্তৃপক্ষক উঠাই দি তাৰ ঠাইত পঞ্চায়তী ৰাজ স্থাপন কৰে। পঞ্চায়তী ৰাজ হ'ল তিনিখলপীয়া ব্যৱস্থা— গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদ।

IV. **অসম পঞ্চায়তী ৰাজ আইন ১৯৭২** (The Assam Panchayati Raj Act 1972) ঃ অসম পঞ্চায়তী ৰাজ আইনে আঞ্চলিক পঞ্চায়ত ব্যৱস্থাটো উঠাই দি পঞ্চায়তী ৰাজক দুখলপীয়া কৰে, যেনে— গাঁও পঞ্চায়ত আৰু মহকুমা পৰিষদ।

V. **অসমপঞ্চায়তী ৰাজ আইন ১৯৮৬** (The Assam Panchayati Raj Act 1986) ঃ এই আইনখনে পুনৰ তিনিখলপীয়া পঞ্চায়তী ৰাজ ব্যৱস্থাৰ প্ৰৱর্তন কৰে। খলপ তিনিটা হ'ল— গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদ। এই আইনখনে পঞ্চায়তবোৰক শৈক্ষিক, সাংস্কৃতিক আৰু সমাজ কল্যানমূলক কার্যসূচীৰ ক্ষেত্ৰত থকা কর্তব্য আৰু দায়িত্বসমূহ নির্ধাৰণ কৰি দিয়ে।

5 জানি থোৱা ভাল

- অসম প্ৰাথমিক শিক্ষা আইন 1962 স্থানীয় কর্তৃপক্ষসমূহক সংশ্লিষ্ট ক্ষেত্ৰত প্ৰাথমিক শিক্ষাৰ ব্যৱস্থাপনাৰ দায়িত্ব নির্ধাৰণ কৰি দিয়ে। স্থানীয় কর্তৃপক্ষবোৰ মানে হ'ল— মিউনিচিপাল পৰিষদ, নগৰ সমিতি বা গাঁও পঞ্চায়ত।
- অসম পঞ্চায়তী ৰাজ আইন 1986য়ে গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদৰ শিক্ষা, সংস্কৃতি আৰু সমাজ কল্যাণমূলক কার্যসূচীসমূহৰ ক্ষেত্ৰত নিজ নিজ এলেকাত থকা কর্তব্য আৰু দায়িত্ব নির্ধাৰণ কৰি দিয়ে।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ পঞ্চায়তী ৰাজ ব্যৱস্থাৰ খলপ তিনিটা কি কি?

.....

.....

প্ৰশ্ন নং ৯ ঃ কোনখন পঞ্চায়তী ৰাজ আইনে আঞ্চলিক পঞ্চায়ত ব্যৱস্থাটো উঠাই দিছিল?

.....

.....

৮.৫ প্রাথমিক শিক্ষা সার্বজনীনকৰণ

ওপৰত কৰা আলোচনাৰ পৰা আমি জানিব পাৰিলো যে সাংবিধানিক ব্যৱস্থাৰ 45 নং অনুচ্ছেদ আৰু আইনগত ব্যৱস্থাবোৰে অসমৰ প্রাথমিক শিক্ষাৰ বিকাশ আৰু সম্প্রসাৰণ ঘটাইছে।

আমি তলত ভাৰত চৰকাৰে 45 নং অনুচ্ছেদৰ মাধ্যমেৰে দিয়া নির্দেশনাত্মক নীতিখিনি কার্যকৰী কৰিবলৈ লোৱা প্রচেষ্টাসমূহ আলোচনা কৰিম। অনুচ্ছেদ নং 45ত কোৱা হৈছিল যে ভাৰতবর্ষৰ চৰকাৰে 14 বছৰ বয়সলৈ সকলো শিশুক মুক্ত আৰু বাধ্যতামূলক শিক্ষা দিব লাগিব।

৮.৫.১ ১৯৬৮ চনৰ ৰাষ্ট্রীয় শিক্ষানীতি

1964–66 চনৰ ৰাষ্ট্রীয় শিক্ষা আয়োগে পৰামর্শ দিছিল যে ভাৰতবর্ষৰ চৰকাৰে ৰাষ্ট্রীয় শিক্ষানীতিৰ ওপৰত এটা উক্তি প্রকাশ কৰিব লাগিব যিটোৰ মাধ্যমেৰে ৰাজ্যিক চৰকাৰ আৰু স্থানীয় কর্তৃপক্ষবোৰক শৈক্ষিক আঁচনিসমূহ প্রস্তুতকৰণ আৰু প্রয়োগকৰণৰ নির্দেশনা আগবঢ়াব। সেই অনুসৰে 1968 চনত ভাৰত চৰকাৰে ৰাষ্ট্রীয় শিক্ষানীতিৰ এটা প্রস্তাৱ আগবঢ়ায়। 1968 চনৰ ৰাষ্ট্রীয় শিক্ষানীতিত কোৱা হৈছিল যে সংবিধানৰ 45নং অনুচ্ছেদত উল্লেখ থকা 14 বছৰ বয়সলৈ সকলো শিশুক মুক্ত আৰু বাধ্যতামূলকভাৱে দিব লগা প্রাথমিক শিক্ষা দিয়াৰ বাবে থকা নির্দেশনা পূর্ণ কৰিবলৈ অহৰহ প্রচেষ্টা চলাব লাগিব। স্কুলবোৰত প্রচলিত হৈ থকা অপচয় আৰু অনুন্নয়নৰ হাৰ কমাবলৈ উপযুক্ত কার্যসূচীৰ বিকাশ ঘটাব লাগিব আৰু নিশ্চিত হ'ব লাগিব যাতে বিদ্যালয়ত নামভর্তি কৰা প্রত্যেকগৰাকী শিশুৱে তেওঁলোকৰ বাবে নির্ধাৰিত পাঠ্যক্রম সম্পূর্ণ কৰিব পাৰে।

৮.৫.২ ১৯৮৬ চনৰ ৰাষ্ট্রীয় শিক্ষানীতি আৰু প্রাথমিক শিক্ষা

1986 চনৰ ৰাষ্ট্রীয় শিক্ষানীতিত প্রাথমিক শিক্ষাক সার্বজনীন কৰাৰ ক্ষেত্রত সকলোধৰণৰ প্রচেষ্টা হাতত লোৱাৰ কথা কৈছে। শিক্ষানীতিত বিশেষকৈ কণ কণ ল'ৰা-ছোৱালীৰ বিকাশৰ ওপৰত অধিক গুৰুত্ব আৰোপ কৰা হৈছে। শিশুসকলে আনন্দমুখৰ পৰিৱেশৰ মাধ্যমত যাতে বিকশিত হ'ব পাৰে তাৰ ব্যৱস্থা লোৱাৰ অর্থে সুষম খাদ্য, স্বাস্থ্য আৰু সামাজিক, মানসিক আৰু শাৰিৰীক দিশৰ ওপৰত গুৰুত্ব দিব লাগিব। আগতীয়া বাল্যকালৰ তত্বাৱধান আৰু শিক্ষা (E.C.C.E.) ই এইক্ষেত্রত প্রাধান্য লাভ কৰিব লগতে 'সুসংহত শিশু শিক্ষা বিকাশ আঁচনি' (I.C.D.E.P.) সম্ভৱ হলে কার্যকৰী কৰা হ'ব। 'দিবা তত্বাৱধান' কেন্দ্রৰ ব্যৱস্থা কৰি প্রাথমিক শিক্ষাক সার্বজনীন কৰাৰ ব্যৱস্থা কৰা হ'ব। প্রাথমিক শিক্ষা সার্বজনীন কৰিবলৈ অঞ্চলভিত্তিক আৰু জনসংখ্যাভিত্তিক আঁচনি ল'ব লাগিব। শিক্ষাৰ ক্ষেত্রত অনগ্রসৰ হিচাপে চিহ্নিত হোৱা ৰাজ্যকেইখন হ'ল— অসম, অন্ধ্রপ্রদেশ, বিহাৰ, জম্মু আৰু কাশ্মীৰ, মধ্যপ্রদেশ, উৰিষ্যা, ৰাজস্থান, উত্তৰ প্রদেশ আৰু পশ্চিমবংগ। এই প্রদেশবোৰত শতকৰা 75 ভাগ ল'ৰা-ছোৱালী বিদ্যালয়ৰ বাহিৰত থাকে। অনগ্রসৰ ৰাজ্যবোৰৰ ভিতৰতে কিছুমান অঞ্চল আছে সেইদৰে অনুন্নত জনসংখ্যাও আছে। সেয়েহে নিম্নোক্ত দিশসমূহৰ ওপৰত গুৰুত্ব আৰোপ কৰা প্রয়োজন। দিশসমূহ হ'ল—

1. ৰাষ্ট্রৰ সকলো পৰিয়ালৰ ল'ৰা-ছোৱালীৰ বাবে উন্নত মানৰ প্রাথমিক শিক্ষাৰ ব্যৱস্থা কৰিব লাগিব।
2. ৰাষ্ট্রত থকা শিক্ষাগত বৈষম্য দূৰ কৰিব লাগিব। সেই উদ্দেশ্যে সমাজৰ স্বচ্ছল অৱস্থাৰ ল'ৰা-ছোৱালীৰ লগত শিক্ষাগত অর্হতা লাভ কৰিবলৈ কম অৱস্থাসম্পন্ন পৰিয়ালৰ ল'ৰা-ছোৱালীবোৰৰ বাবে বিশেষ ব্যৱস্থা হাতত ল'ব লাগিব।

3/4 সমগ্র ৰাষ্ট্রতে আনুষ্ঠানিক স্থবিৰতা আৰু সামাজিক উদাসীনতা দূৰ কৰিবলৈ বহুস্তৰ আৰু বিভিন্ন প্রকাৰৰ আঁচনি বিদ্যালয়ৰ উন্নতিৰ বাবে প্রস্তুত কৰিব লাগিব।

4/4 প্রাথমিক শিক্ষাক শিশুকেন্দ্রিক কৰি তুলিব লাগিব।

5/4 উন্নত মানৰ পূর্ণ প্রাথমিক বিদ্যালয়ৰ মাধ্যমেৰে শিশুৰে স্বাধীনতা আৰু মর্যদা লাভ কৰি সুস্থ বিকাশ সাধন কৰিব লাগিব।

6/4 শিক্ষাৰ মাধ্যমেৰে শিশুৰে কিছুমান ক্ষেত্রত যাতে অর্হতা আৰু দক্ষতা অর্জন কৰিব পাৰে তালৈ লক্ষ্য ৰাখিব লাগিব।

7/4 শিক্ষাৰ আঁচনিখনক বিকেন্দ্রীকৰণ কৰিব লাগিব। এইক্ষেত্রত শিক্ষক আৰু অভিভাৱকক জড়িত কৰিব লাগিব।

নতুন শিক্ষানীতিৰ মতে প্রাথমিক শিক্ষাৰ ক্ষেত্রত দুটা দিশৰ ওপৰত গুৰুত্ব দিয়া হ'ব।

ক) সার্বজনীন নামভর্তিকৰণ আৰু 14 বছৰ বয়সলৈ শিক্ষানুষ্ঠানত উপস্থিতি আৰু

খ) শিক্ষাৰ গুণগত দিশৰ বিষয়াত্মক উন্নীতকৰণ। বাধ্যতামূলক প্রাথমিক শিক্ষা অথবা সার্বজনীন শিক্ষা বিকাশৰ বাবে 'অনানুষ্ঠানিক শিক্ষা'ৰ ওপৰত গুৰুত্ব দিয়া হ'ব। সফলতা অর্জন কৰাৰ বাবে 'মাইক্রোপ্লেনিং'ৰ ব্যৱস্থা কৰা হ'ব। অসময়ত বিদ্যালয় সমাপ্ত নকৰাকৈ অহা শিক্ষার্থীৰ বাবে আনুষ্ঠানিক শিক্ষাৰ ব্যৱস্থা কৰা হ'ব আৰু সমাজৰ নিচেই সাধাৰণ শ্রেণীলৈ ইয়াৰ ব্যাপকতা বঢ়োৱা হ'ব। 1990 চনত 10 বছৰ সম্পূর্ণ কৰা প্রত্যেকজন শিশুৰে অনানুষ্ঠানিক যিকোনো এটা পদ্ধতিৰ মাধ্যমেৰে শিক্ষা লাভ কৰিব। 1995 চনত চৈধ্য বছৰ প্রাপ্তি হোৱা প্রত্যেকজন শিশুৰে বিনামূলীয়া শিক্ষালাভ কৰিব। সকলো প্রাথমিক বিদ্যালয়ক 'অপাৰেচন ব্লেক বোর্ড' আঁচনিৰ অন্তর্ভুক্ত কৰোৱা হ'ব।

'অপাৰেচন ব্লেক বোর্ডৰ ক্ষেত্রত অসমত লোৱা ব্যৱস্থাসমূহ (Measures under Operation Black Board Scheme in Assam) ঃ অসম চৰকাৰে 'অপাৰেচন ব্লেক বোর্ড' আঁচনি কার্যকৰীকৰণৰ অর্থে লোৱা ব্যৱস্থাসমূহ হ'ল তলত দিয়াধৰণৰ—

- বিভিন্ন প্রান্তৰ গাঁওসমূহত বিদ্যালয় স্থাপন কৰা।
- বিনামূলীয়া পাঠ্যপুথি আৰু আন সামগ্রীসমূহৰ যোগানৰ ব্যৱস্থা।
- বিদ্যালয়সমূহত দুটা অতিৰিক্ত শ্রেণীকোঠা নির্মাণ।
- বিদ্যালয়সমূহলৈ কৃষ্ণফলি যোগান।
- এজনীয়া শিক্ষকৰ বিদ্যালয়ত শিক্ষক নিযুক্তিকৰণ।
- প্রাথমিক বিদ্যালয়ৰ শিক্ষকৰ বাবে শিক্ষক প্রশিক্ষণ প্রতিষ্ঠান স্থাপন।
- উন্নত পৰিদর্শন আৰু পৰামর্শ দানৰ বাবে বিদ্যালয় পৰিদর্শকৰ অতিৰিক্ত পদৰ ব্যৱস্থাকৰণ।

৮.৫.৩ জিলা প্রাথমিক শিক্ষা আঁচনি

ডি পি ই পি-ৰ সম্পূর্ণ নাম হৈছে 'জিলা প্রাথমিক শিক্ষা আঁচনি' (District Primary Education Programme)। প্রাথমিক শিক্ষাৰ সার্বজনীনকৰণ প্রক্রিয়াৰ লগত এনে আঁচনিৰ সুদূৰপ্রসাৰী সম্পর্ক আৰু প্রভাৱ অনুভৱ কৰা হৈছে।

ভাৰতবর্ষৰ শিক্ষা জগতৰ আমূল পৰিৱর্তনৰ বাবে মাননীয় ৰাজীৱ গান্ধীৰ প্রধানমন্ত্রিত্বৰ কালত, 1986 চনৰ মে' মাহত সংসদত 'নতুন ৰাষ্ট্রীয় শিক্ষানীতি' (National Policy on Education চমুকৈ NPE) গ্রহণ কৰা হয়। 1986 চনৰ আগষ্ট মাহত, অর্থাৎ ৰাষ্ট্রীয় শিক্ষানীতি গ্রহণৰ দুমাহ পিছতে ৰাষ্ট্রীয় শিক্ষানীতিৰ কার্য ৰূপায়ণৰ বাবে 'বিস্তাৰিত কর্ম আঁচনি' (Programme of Action চমুকৈ POA) চৰকাৰৰ দ্বাৰা গ্রহণ কৰা হয়। ৰাষ্ট্রীয় শিক্ষানীতিৰ কার্য ৰূপায়ণৰ বাবে গ্রহণ কৰা কর্ম আঁচনিয়ে (The Programme of Action) স্পষ্টভাৱে মন্তব্য কৰি কৈছে যে, নতুন ৰাষ্ট্রীয় শিক্ষানীতিয়ে (NPE)

প্রাথমিক শিক্ষাক সার্বজনীনকৰণৰ বাবে (Universalisation of Elementary Education চমুকৈ UEE) চর্তবিহীন গুৰুত্ব প্রদান কৰিছে। প্রাথমিক শিক্ষাৰ ওপৰত দিয়া গুৰুত্বই মূলতঃ গুৰুত্ব প্রদান কৰিছে— (ক) 14 বছৰ বয়সলৈ সকলো ল'ৰা-ছোৱালী সার্বজনীন নামভর্তিকৰণ আৰু ধাৰণৰ ওপৰত (Universal Enrolment and retention) আৰু (খ) শিক্ষাৰ গুণগত মানদণ্ডৰ বাস্তৱিক উন্নতি সাধনৰ ওপৰত। ভাৰতবর্ষ স্বাধীন হোৱাৰ পিছত স্বাধীন ভাৰতবর্ষৰ বিকাশ আৰু প্রগতিৰ বাবে ৰাজনৈতিক শক্তিয়ে শাসন প্রণালী পৰিচালনা কৰাৰ বাবে সংবিধানখন গ্রহণ কৰা সময়ৰে পৰা পূর্ণ শতাংশ সাক্ষৰতাৰ লক্ষ্যত উপনীত হোৱাৰ বাবে নানাধৰণৰ উপায় আৰু প্রক্রিয়া গ্রহণৰ বাবে পৰামর্শ আগবঢ়াই অহা হৈছে। দুর্ভাগ্যবশতঃ নানা ধৰণৰ বাধা-বিপত্তিৰ বাবে প্রতিবাৰতে প্রাথমিক শিক্ষা সার্বজনীনকৰণৰ বাবে গ্রহণ কৰা ব্যৱস্থাৱলী অকৃতকার্য হৈ আহিছে। গতিকে, নতুন ৰাষ্ট্রীয় শিক্ষানীতি গ্রহণৰ সময়ত নানাধৰণৰ নতুন পথ আৰু উপায়, যেনে— অংশকালীন বিদ্যালয় স্থাপন আৰু আনুষ্ঠানিক শিক্ষাৰ কেন্দ্র স্থাপন কৰি জীৱিকা নির্বাহৰ নানা কার্যত জড়িত হৈ, স্বাভাৱিক প্রক্রিয়াৰে শিক্ষা লাভৰ সুবিধাৰ পৰা বঞ্চিত হোৱা ল'ৰা-ছোৱালীসকলৰ বাবে স্কুলীয়া সময় তালিকা নমনীয় কৰি অধিক সুবিধা প্রদানৰ দ্বাৰা এনে ল'ৰা-ছোৱালীসকলৰ শিক্ষাৰ সুবিধা নিশ্চিতকৰণৰ বাবে বিশেষ দৃষ্টি দিয়া হয়। এনেকৈ, 1986 চনত নতুন ৰাষ্ট্রীয় শিক্ষানীতি গ্রহণ আৰু এনে আঁচনিৰ কার্য ৰূপায়ণৰ বাবে কার্য আঁচনি প্রস্তুত কৰি তোলাৰ সময়ৰে পৰা অনানুষ্ঠানিক (Non-formal) শিক্ষাৰ ওপৰত বিশেষ প্রাধান্য প্রদান কৰি অহা হৈছে। শিক্ষাৰ অনানুষ্ঠানিক মাধ্যমসমূহৰ উপৰি ভাৰত চৰকাৰে প্রাথমিক শিক্ষা সার্বজনীন কৰা আৰু গুণগত মান উন্নতি কৰাৰ বাবে নানাধৰণৰ নতুন নতুন কর্ম আঁচনি আৰু পৰিকল্পনা যেনে— 'জিলা প্রাথমিক শিক্ষা আঁচনি' (District Primary Education Programme চমুকৈ DPEP), 'অপাৰেচন ব্লেক ব'র্ড' (Operation Black Board চমুকৈ OBB) 'সর্বশিক্ষা অভিযান' (Sarva Siksha Abhiyan চমুকৈ SSA) আদি গ্রহণ কৰিছে।

জিলা প্রাথমিক শিক্ষা আঁচনিৰ উদ্দেশ্য (Objectives of DPEP) ঃ জিলা প্রাথমিক শিক্ষা আঁচনিয়ে নিম্ন উল্লেখিত উদ্দেশ্যসমূহ বাস্তৱায়িত কৰাৰ লক্ষ্য নিৰূপণ কৰি উলিয়াইছে—

- ৰীতিসিদ্ধ শিক্ষাৰ মাধ্যম অথবা অনৌপচাৰিক শিক্ষাৰ মাধ্যমসমূহৰ মাধ্যমেৰে প্রাথমিক শিক্ষাৰ ক্ষেত্রলৈ সকলো শিশুৰে প্রৱেশৰ ব্যৱস্থা নিশ্চিত কৰা।
- নিয়োগ ব্যৱস্থা, শিক্ষণ সিদ্ধি লাভ, স্থবিৰতাৰ হাৰৰ ক্ষেত্রত লিংগভিত্তিক ব্যৱধানৰ হাৰ হ্রাস কৰাৰ ব্যৱস্থা, অতি কমেও শতকৰা 5 হাৰত ইত্যাদি নিশ্চিত কৰা।
- সকলো শিক্ষার্থীৰ বাবে সামগ্রিকভাৱে প্রাথমিক শিক্ষাৰ স্থবিৰতাৰ হাৰৰ হ্রাসকৰণ (প্রথম শ্রেণীৰ পৰা পঞ্চম শ্রেণীলৈ) অতি কমেও শতকৰা 10 ভাগ।
- অতি কমেও শতকৰা 25 ভাগৰ ওপৰত পৰিমাপণ আধাৰ শাৰীৰ পর্যায়ত, গড় সিদ্ধিলাভ পর্যায়ৰ বৃদ্ধিকৰণ, মূল সাক্ষৰতা সিদ্ধি লাভৰ নিশ্চিতকৰণ আৰু সকলো প্রাথমিক শিক্ষাৰ শিক্ষার্থীৰ দ্বাৰা অন্য দক্ষতাসমূহলৈ অতি কমেও শতকৰা 40 ভাগ সিদ্ধি লাভৰ পর্যায়লৈ নিয়া।

জিলা প্রাথমিক শিক্ষা আঁচনিৰ মূল লক্ষ্য (Main Aims of DPEP) ঃ জিলা প্রাথমিক শিক্ষা আঁচনিৰ মূল লক্ষ্যসমূহ তলত উল্লেখ কৰাধৰণৰ—

¼1½ প্রাথমিক পর্যায়ত শিশুৰ বিদ্যালয় এৰা প্রৱণতা শতকৰা 10% তকৈ কম কৰা।
¼2½ প্রাথমিক বিদ্যালয়ত শিক্ষার্থীৰ শিক্ষণ ক্ষমতা শতকৰা 25% বৃদ্ধি কৰা আৰু
¼3½ প্রাথমিক শিক্ষাত সামাজিক ব্যৱধান শতকৰা 5% তকৈ কম কৰা।

এই আঁচনিয়ে প্রাথমিক শিক্ষাত ল'ৰা আৰু ছোৱালীৰ সমান অংশ গ্রহণ কামনা কৰে।

অসমত জিলা প্রাথমিক শিক্ষা আঁচনি (DPEP in Assam) ঃ অসমত জিলা প্রাথমিক শিক্ষা আঁচনিৰ কাম 9খন জিলাত চলি আছে। সেইবোৰ হ'ল গোৱালপাৰা জিলাৰ দুধনৈ, কোকৰাঝাৰৰ

তিতাগুৰি, ধুবুৰীৰ আগমনি, বঙাইগাঁওৰ বইটামাৰী, বৰপেটাৰ চেঙা, দৰঙৰ দলগাঁও, শোণিতপুৰৰ নদুৱাৰ, মৰিগাঁওৰ লাহৰিঘাট আৰু কাৰ্বি আংলং জিলাৰ হাওৰাঘাট।

5 জানি থোৱা ভাল

- 1986 চনত ৰাষ্ট্ৰীয় শিক্ষানীতিয়ে শিশুসকলৰ 14 বছৰ বয়সলৈ সাৰ্বজনীন নামভৰ্তিকৰণ আৰু সাৰ্বজনীন উপস্থিতিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে আৰু গুণগত শিক্ষাৰ উন্নতি সাধনত প্ৰাধান্যতা দিছে।
- তেনে উদ্দেশ্য আগত ৰাখি অসম চৰকাৰে বিভিন্ন ধৰণৰ ব্যৱস্থা হাতত লোৱা দেখা যায় তাৰ ভিতৰত কৃষ্ণফলি আঁচনি আৰু শিক্ষক প্ৰশিক্ষণৰ বাবে জিলা পৰ্যায়ত 'জিলা শিক্ষক প্ৰশিক্ষণ প্ৰতিষ্ঠান' স্থাপনৰ ব্যৱস্থা কৰিছে।
- 'জিলা প্ৰাথমিক শিক্ষা আঁচনি' হ'ল কেন্দ্ৰীয়ভাৱে আধাৰিত এখন আঁচনি। অসমৰ 9খন জিলাত প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ বাবে প্ৰয়োগ হৈ আছে।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১০ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) 'অপাৰেচন ব্লেক বোৰ্ডে' ..... স্কুলবোৰক প্ৰয়োজনীয় সুবিধাবোৰ যোগান ধৰে।
খ) ভাৰত চৰকাৰে নতুন শিক্ষানীতি প্ৰৱৰ্তন কৰে ..... চনত।
গ) অসমৰ ..... জিলাত জিলা প্ৰাথমিক শিক্ষা আঁচনিৰ কাম চলি আছে।
ঘ) ইউ. ই. ই. মানে হ'ল .....।
ঙ) জিলা প্ৰাথমিক শিক্ষা আঁচনি ভাৰত চৰকাৰে ..... চনত প্ৰৱৰ্তন কৰে।

৮.৫.৪ সৰ্বশিক্ষা অভিযান

সৰ্বশিক্ষা অভিযানৰ মূল লক্ষ্য হ'ল 2010 চনৰ ভিতৰত 6–14 বছৰৰ ভিতৰৰ সকলো শিশুকে উপযোগী আৰু যুক্তিযুক্ত প্ৰাথমিক শিক্ষা আঞ্চলিক আৰু লিংগ বৈষম্য নোহোৱাকৈ প্ৰদান কৰাৰ সুব্যৱস্থা কৰা। ফলদায়ক, গুণসম্পন্ন আৰু প্ৰাসঙ্গিক শিক্ষা সম্প্ৰসাৰণ কৰিব পাৰিলেহে সমাজ তথা সম্প্ৰদায়ক সংহতিসম্পন্ন কৰিব পৰা যাব। এই আঁচনিৰ লক্ষ্যই শিশুসকলক প্ৰাকৃতিক পৰিৱেশৰ জ্ঞান লাভ কৰোৱাৰ লগে লগে ফলদায়ক পৰিৱেশৰ জ্ঞান লাভ কৰিবলৈ অনুমতি প্ৰদান কৰিছে। ইয়াৰ উপৰি শিশুসকলক প্ৰাথমিক শিক্ষাৰ মাধ্যমেৰে আধ্যাত্মিক আৰু বস্তুগতভাৱে সচেতন কৰি মানৰ সম্ভাৱনীয়তাসমূহ বিকাশপ্ৰাপ্ত কৰি তোলাৰ প্ৰয়াস কৰা হৈছে। এই আঁচনিৰ মাধ্যমেৰে প্ৰমূল্যভিত্তিক শিক্ষণৰ পিনে শিশুসকলক অনুধাবিত কৰিব খোজা হৈছে। ইয়াৰ উপৰি শিশুসকলৰ মাজত স্বাৰ্থজড়িত ধাৰণাৰ উন্মেষৰ পৰস্পৰ সহযোগিতাৰ মাধ্যমেৰে কৰ্ম সম্পাদন কৰাৰ সুবিধা প্ৰদান কৰাৰ উদ্দেশ্য আগত ৰখা হৈছে। এনেবোৰ ধাৰণা আগত ৰাখি কেইটামান আকাংক্ষিত ফল বিচাৰি সৰ্বশিক্ষা অভিযান কাৰ্যত প্ৰয়োগ কৰা হৈছে।

সৰ্বশিক্ষা অভিযানৰ উদ্দেশ্য (Objectives of SSA) ঃ

¼ সকলোবোৰ শিশুকে 6 বছৰৰ পৰা 14 বছৰ বয়সলৈকে 2003 চনৰ ভিতৰত বিদ্যালয়, শিক্ষা নিশ্চিত কেন্দ্ৰ, বিকল্প বিদ্যালয়, বিদ্যালয় প্ৰত্যাবৰ্তন শিবিৰ আদিত সামৰি লোৱা।

২/৪ সকলোবোৰ শিশুক 2007 চনৰ ভিতৰত, প্ৰাথমিক বিদ্যালয়ত পাঁচ বছৰীয়া শিক্ষা সমাপ্ত কৰাৰ সুযোগ দিয়া।

৩/৪ সকলোবোৰ শিশুকে 2010 চনৰ ভিতৰত আঠ বছৰীয়া প্ৰাথমিক শিক্ষা সম্পূৰ্ণ কৰাৰ সুযোগ দিয়া।

৪/৪ প্ৰাথমিক শিক্ষাক শিক্ষাৰ সন্তোষজনক কেন্দ্ৰ হিচাপে গঢ়ি তুলি এনে শিক্ষাক গুণসম্পন্ন শিক্ষা হিচাপে বিকাশপ্ৰাপ্ত কৰি গঢ়ি তুলি প্ৰতিজন শিশুৰ জীৱনৰ বাবে প্ৰয়োজনীয় শিক্ষা হিচাপে ইয়াৰ গুৰুত্ব বঢ়াই তোলা।

৫/৪ প্ৰাথমিক শিক্ষাৰ স্তৰত সৃষ্টি হোৱা সামাজিক আৰু লিংগ বৈষম্য 2010 চনৰ ভিতৰত আঁতৰ কৰাৰ ব্যৱস্থা কৰা।

৬/৪ প্ৰাথমিক শিক্ষাৰ ক্ষেত্ৰত 2010 চনৰ ভিতৰত সাৰ্বজনীন সংৰক্ষণ নিশ্চিত কৰা আৰু সকলো শিশুৰ শিক্ষা সম্পূৰ্ণ কৰা।

সৰ্বশিক্ষা অভিযানৰ বৈশিষ্ট্য (Characteristics of Sarva Siksha Abhiyan) ঃ সৰ্বশিক্ষা অভিযানৰ মূল বৈশিষ্ট্যসমূহ হৈছে—

১/৪ ৰাজ্যসমূহৰ অনুষ্ঠান সম্পৰ্কৰ সংস্কাৰ সাধন কৰাৰ ব্যৱস্থা কৰি বিদ্যালয়সমূহৰ মানদণ্ড ৰক্ষা কৰা।

২/৪ বিদ্যালয় পৰ্যায়লৈকে শিক্ষাৰ ফলপ্ৰসু বিকেন্দ্ৰীকৰণৰ ব্যৱস্থা কৰা।

৩/৪ শিক্ষা সম্পৰ্কৰ ধাৰণা ৰাইজৰ মাজত প্ৰচাৰ কৰাৰ ব্যৱস্থা কৰা। বিদ্যালয় তথা শিক্ষানুষ্ঠানবোৰ যে ৰাইজৰ তাক উপলব্ধি কৰোৱা।

৪/৪ বিদ্যালয়ৰ নিকটবৰ্তী অঞ্চলৰ ৰাইজক অংশীদাৰ হিচাপে লৈ তৃণমূল পৰ্যায়ৰপৰাই পৰিকল্পনাক ৰূপদান দিয়াৰ ব্যৱস্থা কৰা।

৫/৪ শিক্ষাৰ কাৰ্যসূচী শিথিলভাৱে গ্ৰহণযোগ্য কৰি তোলা। ভিন্ন ক্ষেত্ৰত ৰাজ্যৰ বিশেষভাৱে প্ৰয়োজন থকা ব্যৱস্থাসমূহক সমৰ্থন জনাই সহায় আগবঢ়োৱা।

৬/৪ শিক্ষাৰ ক্ষেত্ৰসমূহত নিৰ্দিষ্ট অঞ্চলৰ জনসাধাৰণক জড়িত কৰি লোৱাৰ লগতে খৰচ কম কৰি বিকাশৰ পথত অগ্ৰসৰ হ'ব পৰাৰ উপায়সমূহক উদ্‌গনি যোগোৱা।

৭/৪ শিক্ষাৰ ক্ষেত্ৰসমূহৰ মাধ্যমেৰে শিশুসকলক সুন্দৰভাৱে পৰিচালনা কৰাৰ লগতে শিক্ষকসকলৰ প্ৰশিক্ষণৰ ফলপ্ৰসূ কাৰ্যব্যৱস্থা গ্ৰহণৰ যোগেদি সক্ৰিয় কৰি তোলা।

সৰ্বশিক্ষা অভিযানৰ গাঁথনি (Framework of Sarva Siksha Abhiyan) ঃ সৰ্বশিক্ষা অভিযানৰ দুটা দিশ আছে। ইয়াৰে প্ৰথম দিশটোৱে প্ৰাথমিক শিক্ষাৰ আঁচনি ৰূপায়ণৰ বিস্তৃত গাঁথনিক সূচায় আৰু দ্বিতীয় দিশটোৱে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ লক্ষ্যত উপনীত হোৱাৰ বাবে আয়-ব্যয় সম্বন্ধীয় ব্যৱস্থাৰ কথা সূচোৱাৰ লগতে শক্তিশালী পদক্ষেপৰ বিষয়ে সূচায়। সৰ্বশিক্ষা অভিযানৰ গাঁথনিৰ এটা অংশ হিচাপে ৰাজ্যিক আৰু কেন্দ্ৰীয় আঁচনিৰ প্ৰতিফলন ঘটিছে য'ত প্ৰাথমিক শিক্ষা খণ্ডত বিশেষ বিনিয়োগ কৰা হৈছে। পৰবৰ্তী কেইটামান বছৰৰ ভিতৰতে প্ৰাথমিক শিক্ষাৰ সকলোবোৰ দিশ সৰ্বশিক্ষা অভিযান আঁচনিৰ লগত একত্ৰিত হ'ব। আঁচনি হিচাপে, সৰ্বশিক্ষা অভিযানে সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ কাৰণে অতিৰিক্ত সমল ব্যৱস্থাৰ প্ৰতিফলন ঘটোৱাৰ প্ৰচেষ্টা অব্যাহত ৰাখিছে।

সৰ্বশিক্ষা অভিযানৰ লগত জড়িত শিক্ষা সমিতিবোৰ হ'ল—

১/৪ বিদ্যালয় পৰিচালনা সমিতি (SMC)

২/৪ গাঁও শিক্ষা সমিতি (VEC)

৩/৪ চাহবাগান শিক্ষা সমিতি (IGEC)

৪/৪ খণ্ড শিক্ষা সমিতি (WEC)

৫/৪ গাঁও পঞ্চায়ত শিক্ষা সমিতি (GPEC)

সৰ্বশিক্ষা অভিযানে কমিটিবোৰক নিয়মীয়াভাৱে সমৰ্থন আগবঢ়ায় যাতে সমিতিবোৰে সাৰ্বজনীন নামভৰ্তিকৰণ আৰু সাৰ্বজনীন উপস্থিতি আৰু নিজ নিজ অঞ্চলৰ বিদ্যালয়ৰ বিকাশৰ ক্ষেত্ৰত দায়িত্ব লয়।

5 জানি থোৱা ভাল

- সৰ্বশিক্ষা অভিযান হ'ল সম্প্ৰদায়ভিত্তিক বিদ্যালয় শিক্ষা ব্যৱস্থাৰ দ্বাৰা প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ এক প্ৰচেষ্টা।
- সৰ্বশিক্ষা অভিযান হ'ল পঞ্চায়তী ৰাজ অনুষ্ঠানসমূহৰ মাধ্যমত সম্প্ৰদায়ৰ ব্যক্তিসকলক জড়িত কৰি বিদ্যালয় পৰিচালনা সমিতি, গাঁও আৰু চহৰৰ বস্তি অঞ্চল শিক্ষা সমিতি শিক্ষক-অভিভাৱক সংস্থা, মাতৃ-শিক্ষক সংস্থা, জনজাতি স্বায়ত্তশাসন পৰিষদ আৰু আন আন তৃণমূল পৰ্যায়ৰ গাঁথনিৰে প্ৰাথমিক শিক্ষা পৰিচালনা কৰা।
- অসমত 2001–02 শিক্ষাবৰ্ষৰ শেষৰফালে প্ৰাথমিক শিক্ষা বাধ্যতামূলক কৰাৰ কাৰণে সৰ্বশিক্ষা অভিযান আৰম্ভ কৰা হৈছিল।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১১ ঃ অসমত সৰ্বশিক্ষা অভিযান মিচনে গঠন কৰি দিয়া চাৰিটা জনসাধাৰণৰ সমিতিৰ নাম লিখক।

.....

.....

প্ৰশ্ন নং ১২ ঃ সৰ্বশিক্ষা অভিযানে কোন চাৰিটা পৰ্যায়ৰ শিশুৰ শিক্ষাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল।

.....

.....

৮.৫.৫ সাৰ্বজনীন প্ৰাথমিক শিক্ষাৰ সমস্যাসমূহ

ওপৰৰ আলোচনাসমূহৰ পৰা আমি জানিব পাৰিলো যে ভাৰত চৰকাৰে সংবিধানৰ 45নং অনুচ্ছেদৰ নিৰ্দেশনা নীতিখিনি কাৰ্যকৰী কৰিবলৈ সময়ে সময়ে কিছুমান ব্যৱস্থা হাতত লৈ আছে। নানাধৰণেৰে প্ৰচেষ্টা চলাই আছে যদিও আজিকোপতি অনুচ্ছেদটোৰ নিৰ্দেশনাখিনি কাৰ্যকৰী কৰিব পৰা নাই। বিভিন্নধৰণৰ সমস্যাৰ বাবে বাধ্যতামূলক প্ৰাথমিক শিক্ষাৰ ধাৰণাটো হেৰোৱা সপোনৰ দৰে হৈ আছে। তলত দিয়া তালিকাৰপৰা আমি স্বাক্ষৰতাৰ বিকাশৰ হাৰ 1951 চনৰপৰা 2001 চনলৈ পৰ্যবেক্ষন কৰিব পাৰো।

তালিকা-8.1 ঃ1951–2001 চনৰ ভাৰতৰ স্বাক্ষৰতাৰ হাৰ

পিয়ল বছৰ	পুৰুষ	মহিলা	মুঠ শতকৰা হাৰ
1951	27.16	08.86	18.33
1961	40.40	15.35	28.30
1971	45.96	21.97	34.45
1981	56.34	29.76	43.57

1991	64.13	39.29	52.21
2001	75.85	54.16	65.38
2011	82.14	65.46	74.04

তলৰ তালিকাখনৰ পৰা অসমৰ স্বাক্ষৰতাৰ বিকাশৰ হাৰৰ বিষয়ে বুজ ল'ব পাৰো।

তালিকা-8.2ঃ 1951-2001 চনলৈ অসমৰ স্বাক্ষৰতাৰ হাৰ সমল লোৱা হৈছে

পিয়ল বছৰ	পুৰুষ	মহিলা	মুঠ স্বাক্ষৰতাৰ হাৰ
1951	28.01	07.58	18.53
1961	44.28	18.62	32.95
1971	43.72	22.76	33.94
1981:	–	–	–
1991	61.87	43.03	52.89
2001	71.93	56.03	64.28
2011	78.81	67.27	73.18

লোকপিয়ল প্ৰতিবেদন - 2001 : 1981 চনত অসমত পিয়ল হোৱা নাই
(1951, 1961 আৰু 1971 চনৰ বাবে স্বাক্ষৰতাৰ হাৰ 5 বছৰ বয়সৰ জনসংখ্যা সম্বন্ধিত আৰু 1991, 2001 চনৰ বাবে স্বাক্ষৰতাৰ হাৰ 7 বছৰ আৰু ওপৰৰ বয়স সম্বন্ধিত)

সার্বজনীন প্রাথমিক শিক্ষাৰ সমস্যাসমূহ হ'ল তলত দিয়া ধৰণৰ—

➢ **অপচয় আৰু অনুন্নয়ন** (Wastage and Stagnation) ঃ প্রাথমিক শিক্ষাৰ সমস্যা অধিক। সমস্যাসমূহৰ ভিতৰত আটাইতকৈ গুৰুত্বপূর্ণ সমস্যা হ'ল 'অপচয়' আৰু 'অনুন্নয়ন'। অপচয় হ'ল শিক্ষা সম্পূর্ণ নকৰাকৈ শিক্ষানুষ্ঠানৰপৰা আঁতৰি যোৱা। প্রাথমিক শিক্ষাৰ স্তৰত এই সমস্যাটোৱে বর্তমানেওঁ গা কৰি থকা দেখা যায়। সাধাৰণতে দাৰিদ্রতা, অভিভাৱকৰ অজ্ঞানতা, ৰক্ষণশীলতা, অন্ধবিশ্বাস, ঋতুগত বেমাৰ-আজাৰ, প্রাকৃতিক দুর্যোগ, যোগাযোগ ব্যৱস্থাৰ দুৰাৱস্থা আৰু শিশু শ্রমিকৰ দৰে কাৰণবোৰে অপচয়ৰ অৱস্থাটো শক্তিশালী কৰি তোলে। 'অনুন্নয়নৰ' ধাৰণাটোও অতি তাৎপর্যপূর্ণ ধাৰণা। ইয়াৰ অর্থ হ'ল এটা শ্রেণীত বাৰে বাৰে অকৃতকার্য হৈ ৰৈ থকা। এই অৱস্থাটো সৃষ্টি হোৱাৰ মূল কাৰণবোৰ হ'ল— বিদ্যালয়ৰ আচবাবৰ দুৰাৱস্থা; প্রশিক্ষণহীন শিক্ষক, অনুপযুক্ত পাঠ্যক্রম, অভিৰোচনহীন শিক্ষাদান পদ্ধতি, অনিয়মীয়া উপস্থিতি আৰু সময়মতে পাঠ্যপুথি যোগান নধৰা ইত্যাদি।

- জনসংখ্যা বিস্ফোৰণ (Population Explosion)
- সুবিধা প্রদানৰ সামাজিক বৈষম্যতা (Social desperity in providing facility)
- ৰাজনৈতিক অস্থিৰতা (Political Instability)
- অভিভাৱকৰ নিৰক্ষৰতা (Illiteracy of Parents)
- আসোঁৱাহপূর্ণ পাঠ্যক্রম (Defective Curriculum)
- বিদ্যালয় গৃহৰ দুৰাৱস্থা (Detoriated condition of School building)
- শিক্ষাদানৰ সঁজুলিৰ অভাৱ (Shortage of Teaching Equipments)
- প্রশিক্ষণপ্রাপ্ত শিক্ষকৰ অভাৱ (Lack of trained teachers)

5 জানি থোৱা ভাল

অসমত প্রাথমিক শিক্ষা বাধ্যতামূলক কৰণত থকা প্রধান সমস্যাবোৰ হ'ল—

- অপচয়
- অনুন্নয়ণ
- জনসংখ্যাৰ বিস্ফোৰণ
- সুবিধা প্রদানত সামাজিক বৈষম্যতা
- পিতৃ-মাতৃৰ নিৰক্ষৰতা
- ৰাজনৈতিক অস্থিৰতা
- মহিলা শিশুৰ ক্ষেত্রত থকা বৈষম্যতা

t চিন্তা চর্চা কৰক ৮.২

- আপোনাৰ ওচৰৰ বিদ্যালয়সমূহৰ পৰা অপচয় আৰু অনুন্নয়ণ হোৱাৰ কাৰণবোৰ কি কি?

  .....

  .....

2 ৮.৬ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- এই অধ্যায়টো শিকাৰ পিছত আমি অসমৰ অতীত আৰু উত্তৰ ইংৰাজ শাসনৰ সময়ছোৱাৰ প্রাথমিক শিক্ষাৰ বিষয়ে বুজি পালো।
- ইংৰাজ ৰাজত্বকালত প্রাথমিক শিক্ষাৰ বিকাশৰ বাবে গঠিত হোৱা আয়োগসমূহে দিয়া পৰামর্শসমূহৰ বিষয়েও জানিবলৈ সক্ষম হ'লো। ভাৰতবর্ষৰ চৰকাৰে সংবিধানৰ নির্দেশনা নীতিসমূহ কার্যকৰীকৰণৰ বাবে চলোৱা প্রচেষ্টাসমূহৰ বিষয়ে অধ্যায়টোৰপৰা আমি বুজিবলে সক্ষম হ'লো।
- 1968 আৰু 1986 চনৰ ৰাষ্ট্রীয় শিক্ষানীতিৰ নীতিসমূহৰ প্রয়োগৰ লগতে প্রাথমিক শিক্ষা বাধ্যতামূলক কৰিবলৈ জিলা প্রাথমিক শিক্ষা আঁচনি গ্রহণ সম্বন্ধে জানিবলৈ সক্ষম হ'লো।
- ইয়াৰ উপৰি সর্বশিক্ষা অভিযানৰ কার্যসূচীয়ে কিদৰে প্রকৃত উদ্দেশ্যত উপনীত হোৱাত অৰিহণা যোগাই আছে সেই বিষয়েও জানিবলৈ সক্ষম হ'লো।
- অধ্যায়টো অধ্যয়ণৰ মাজেৰে আমি মুক্ত আৰু বাধ্যতামূলক প্রাথমিক শিক্ষা দিয়াৰ ক্ষেত্রত লোৱা আইনগত ব্যৱস্থাসমূহৰ বিষয়ে বুজি পালো।
- 1986 চনৰ ৰাষ্ট্রীয় শিক্ষানীতিৰ আধাৰত প্রয়োগ কৰা 'অপাৰেচন ব্লেক বোর্ড', জিলা প্রাথমিক শিক্ষা আঁচনি আৰু সর্বশিক্ষা অভিযানে অসমৰ 6–14 বছৰৰ শিশুসকলক বাধ্যতামূলক প্রাথমিক শিক্ষা লাভৰ ক্ষেত্রত কি ধৰণেৰে সহায় আগবঢ়াইছে সেইবিষয়ে জানিব পাৰিলো। অধ্যায়টোৱে ওপৰত উল্লেখ কৰা দিশসমূহ সামৰি লৈছে আৰু অসমত পুৰণি কালৰপৰা বর্তমানলৈ প্রাথমিক শিক্ষাৰ সম্প্রসাৰণ আৰু বিকাশ কি ধৰণেৰে হৈছে সেইবিষয়ে জনাত সহায় কৰিছে।

0 ৮.৭ অধিক জানিবলৈ

1] দাস, ড0 লক্ষহীৰা ঃ *অসমৰ শিক্ষা ব্যৱস্থা*

2] ডেকা, ড0 বীৰেন্দ্রআৰু আন আন লিখক ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস,* অসম বুক ডিপো, গুৱাহাটী

3] বৰদলৈ, ড0 অজন্তা ঃ *ভাৰতৰ শিক্ষাৰ বুৰঞ্জী*, লয়ার্চ বুক ষ্টল, গুৱাহাটী
4] বৰুৱা, অধ্যাপক যতীন ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস অধ্যয়ন*, লয়ার্চ বুক ষ্টল, গুৱাহাটী

K৮.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক) ভাস্কৰবর্মা, খ) 600 বছৰ ঊ 1228 খৃষ্টাব্দ, গ) শ্রীশ্রীশংকৰদেৱ আৰু শ্রীশ্রীমাধৱদেৱ
২ নং প্রশ্নৰ উত্তৰ ঃ পাঠশালা, টোলসমূহ, মকটাবসমূহ, সত্রসমূহ
৩ নং প্রশ্নৰ উত্তৰ ঃ ক) 1826, খ) সত্য, গ) অসত্য, ঘ) সত্য
৪ নং প্রশ্নৰ উত্তৰ ঃ ক) 1846, খ) মাইলছ ব্রনচন, গ) শ্রীৰামপুৰ ত্রয়
৫ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষামন্ত্রী।
৬ নং প্রশ্নৰ উত্তৰ ঃ ৰাজ্যিক প্রাথমিক শিক্ষা পৰিষদৰ প্রধান কামবোৰ হ'ল—

- স্থানীয় কর্তৃপক্ষবোৰক সহায়ক অনুদান আগবঢ়োৱা
- শিক্ষক নিয়োগৰ নীতি নির্ধাৰণ কৰা
- কর্মচাৰীসকলৰ সেৱাৰ অৱস্থা নির্ধাৰণ কৰা
- নতুন বিদ্যালয় স্থাপন, স্বীকৃতিদান, সম্প্রসাৰণ আৰু লগ লগোৱাৰ নীতিৰ ব্যৱস্থা কৰা।

৭ নং প্রশ্নৰ উত্তৰ ঃ অনুচ্ছেদ 45ৰ বিষয়বস্তু হ'ল— 'সংবিধানখন প্রৱর্তন কৰাৰ দহ বছৰৰ ভিতৰত ৰাষ্ট্রই চৈধ্য বছৰ বয়সলৈ সকলো ল'ৰা-ছোৱালীৰ বাবে বিনামূলীয়া আৰু বাধ্যতামূলক শিক্ষা প্রৱর্তন কৰিব লাগিব।'
৮ নং প্রশ্নৰ উত্তৰ ঃ গাঁও পঞ্চায়ত, আঞ্চলিক পঞ্চায়ত আৰু মহকুমা পৰিষদ।
৯ নং প্রশ্নৰ উত্তৰ ঃ অসম পঞ্চায়তী ৰাজ আইন 1972
১০ নং প্রশ্নৰ উত্তৰ ঃ ক) প্রাথমিক, খ) 1986, গ) 9 , ঘ) বাধ্যতামূলক প্রাথমিক শিক্ষা, ঙ) 1993
১১ নং প্রশ্নৰ উত্তৰ ঃ অসমত জনসাধাৰণৰ মাজৰপৰা গঠিত হোৱা সমিতি চাৰিটা হ'ল—

- বিদ্যালয় পৰিচালনা সমিতি (SMC)
- গাঁও শিক্ষা সমিতি (VEC)
- চাহ বাগান শিক্ষা সমিতি (TGEC)
- গাঁও পঞ্চায়ত শিক্ষা সমিতি (GPEC)

১২ নং প্রশ্নৰ উত্তৰ ঃ অসমৰ সর্বশিক্ষা অভিযান বিশেষভাৱে সামৰি লোৱা চাৰিবিধ শিশু হ'ল—

- ছোৱালী
- অনুসূচীত জনজাতিৰ শিশু (ST)
- অনুসূচীত জাতিৰ শিশু (SC)
- বিভিন্ন অৱস্থাৰ শিশু

M৮.৯ আহিঁ প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ পুৰণি অসমত প্রাথমিক শিক্ষা প্রকাশৰ বাবে থকা থলুৱা অনুষ্ঠানবোৰ কি কি?
প্রশ্ন ২ঃ শ্রীৰামপুৰত্রয় বুলিলে কি বুজে? শিক্ষা ক্ষেত্রখনত খ্রীষ্টিয়ান মিছনেৰী সকলৰ অৱদান কি আছিল?
প্রশ্ন ৩ঃ সর্বশিক্ষা অভিযানৰ উদ্দেশ্যবোৰ কি কি? অসমত সর্বশিক্ষা অভিযান আঁচনিৰ প্রয়োগৰ বিষয়ে চমু আলোচনা কৰক।

প্রশ্ন ৪ঃ 'জিলা প্রাথমিক শিক্ষা আঁচনি'ৰ বিষয়ে চমুকৈ লিখক।

(খ) ৰচনা ধর্মী প্রশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ অসম বাধ্যতামূলক প্রাথমিক শিক্ষা আইন 1926ৰ প্রধান নির্দেশনাসমূহ আলোচনা কৰক। এই আইনখন কিয় প্রয়োগ নহ'ল?

প্রশ্ন ২ঃ স্বাধীনতাৰ আগৰ অসমৰ প্রাথমিক শিক্ষাৰ বিকাশৰ বিষয়ে চমুকৈ আলোচনা কৰক।

প্রশ্ন ৩ঃ বাধ্যতামূলক প্রাথমিক শিক্ষাৰ ক্ষেত্রত 1986 চনৰ ৰাষ্ট্রীয় শিক্ষানীতিয়ে উল্লেখ কৰা প্রধান নীতিসমূহ উল্লেখ কৰক।

প্রশ্ন ৪ঃ অসমৰ প্রাথমিক শিক্ষাৰ ক্ষেত্রত থকা সমস্যাসমূহ আলোচনা কৰক।

অধ্যায় ৯ ঃ অসমত মাধ্যমিক শিক্ষাৰ বিকাশ

অধ্যায় গাঁথনি

9.1 উদ্দেশ্য
9.2 পৰিচয়
9.3 প্ৰাক্-স্বাধীনতাৰ সময়ছোৱাত অসমত মাধ্যমিক স্তৰৰ শিক্ষাৰ বিকাশ
9.4 স্বাধীনোত্তৰ কালত অসমত মাধ্যমিক স্তৰৰ শিক্ষাৰ বিকাশ
9.4.1 গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন আৰু অসমত মাধ্যমিক শিক্ষাৰ গঠনত ইয়াৰ প্ৰভাৱ
9.4.2 অসমৰ মাধ্যমিক শিক্ষা বিকাশৰ ওপৰত মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শসমূহৰ প্ৰভাৱ
9.4.3 অসমৰ মাধ্যমিক শিক্ষা বিকাশৰ ওপৰত কোঠাৰী আয়োগৰ প্ৰভাৱ
9.4.4 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু অসমৰ মাধ্যমিক শিক্ষা
9.4.5 অসমৰ মাধ্যমিক শিক্ষাৰ সমস্যাসমূহ
9.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
9.6 অধিক জানিবলৈ
9.7 অগ্ৰগতিৰ খতিয়ান
9.8 আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- প্ৰাক্ স্বাধীনতাৰ সময়ছোৱাত অসমৰ মাধ্যমিক শিক্ষাৰ বিকাশ সম্বন্ধে বৰ্ণনা কৰিবলৈ সমৰ্থ হ'ব।
- মাধ্যমিক শিক্ষা আয়োগৰ (1952–53) প্ৰধান পৰামৰ্শাৱলীসমূহ আৰু অসমৰ মাধ্যমিক শিক্ষাৰ ওপৰত পৰা ইয়াৰ প্ৰভাৱৰ বিষয়ে বৰ্ণনা কৰিবলৈ সক্ষম হ'ব।
- কোঠাৰী আয়োগৰ (1964–66) প্ৰধান পৰামৰ্শাৱলীসমূহ আৰু অসমৰ মাধ্যমিক শিক্ষাৰ ওপৰত পৰা ইয়াৰ প্ৰভাৱৰ বিষয়ে জানিব পাৰিব।
- 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ আধাৰত মাধ্যমিক শিক্ষাৰ সাম্প্ৰতিক বিকাশৰ বিষয়ে সবিশেষ জানিব পাৰিব।
- অসমৰ মাধ্যমিক শিক্ষাৰ সমস্যাসমূহৰ বিষয়ে বিতংভাবে আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

মাধ্যমিক শিক্ষা আৰম্ভ হয় প্ৰাথমিক শিক্ষাৰ পিছত আৰু শেষ হয় উচ্চশিক্ষাৰ আগতে। এইটো এনেকুৱা এটা পৰ্যায় যিটো পৰ্যায়ে শিশুসকলক আধুনিক জটিল সমাজখনৰ সদস্য হোৱাত সহায় কৰে। মাধ্যমিক শিক্ষা হ'ল প্ৰাথমিক শিক্ষা আৰু উচ্চশিক্ষাৰ মধ্যম পথ। প্ৰাথমিক আৰু উচ্চ শিক্ষাৰ পৰ্যায় দুটা মাধ্যমিক শিক্ষাৰ লগত গভীৰভাবে জড়িতআৰু ই সেতুৰ কাম সম্পাদন কৰে। মাধ্যমিক শিক্ষাই উচ্চ শিক্ষাৰ লগতে বৃত্তিমুখী শিক্ষাত সোমাই পৰাৰ পদক্ষেপ শিলা হিচাপে কৰ্ম সম্পাদন কৰে। এই অধ্যায়টোৱে আমাক অসমৰ প্ৰাক্ স্বাধীনতা আৰু স্বাধীনোত্তৰ কালৰ মাধ্যমিক শিক্ষাৰ লগত চিনাকী কৰি দিব।

৯.৩ মাধ্যমিক পর্যায়ত অসমৰ প্রাক্ স্বাধীনতা কালৰ মাধ্যমিক শিক্ষাৰ বিকাশ

ইংৰাজসকল অসমলৈ অহাৰ আগতে অসমত মাধ্যমিক শিক্ষাৰ প্রচলন নাছিল। অসমত মাধ্যমিক স্তৰৰ শিক্ষাৰ সূচনা 1835 চনতহৈছিল বুলি ক'ব পাৰি। 1835 চনত মেকলেৰ প্রতিবেদন লর্ড বেণ্টিংকে গ্রহণ কৰি শিক্ষানীতিৰ আদেশ জাৰি কৰে। বেণ্টিংকৰ শিক্ষানীতিত প্রাথমিক শিক্ষাতকৈ উচ্চ শিক্ষাত অধিক জোৰ দিয়া হৈছিল। এই নির্দেশ অনুযায়ী 'জেনেৰেল কমিটি অব পাব্লিক ইনষ্ট্রাকচনে' (General Committee of Public Instructions) জিলা স্কুল স্থাপন কৰিবলৈ সিদ্ধান্ত গ্রহণ কৰে। সেইমর্মে আমাৰ অসমতো কেপ্তেইন জেন্‌কিন্সে 1835 চনৰ 15 জুন তাৰিখে সর্বপ্রথম হাইস্কুলখন স্থাপন কৰে। তেতিয়া এই স্কুলখনৰ নাম আছিল 'গুৱাহাটী ছেমিনাৰী'। এই স্কুলখন খোলাৰ আন এটি প্রধান কাৰণ আছিল— সেইসময়ত অসম বংগদেশৰ অন্তর্গত আছিল। সেয়ে প্রথম অৱস্থাত শাসনকার্য চলাবলৈ এদল ইংৰাজী জনা কর্মচাৰীৰ আৱশ্যক হোৱাত বংগদেশৰপৰা বেছি দৰমহা দি শিক্ষিত বঙালী লোক আনি চৰকাৰী চাকৰিত নিযুক্তি দিছিল। কিন্তু পিছত এই ব্যৱস্থা ব্যয়বহুল হোৱাৰ কাৰণে অসমীয়া মানুহক ইংৰাজী শিক্ষা দিবলৈ অসমতে মাধ্যমিক স্কুল পতাৰ সিদ্ধান্ত ল'লে। এই গুৱাহাটী ছেমিনাৰী স্কুলখনকেই অসমৰ উচ্চ শিক্ষাৰ জন্মস্থান বুলি ক'ব পাৰি। কাৰণ ইয়াৰপৰাই কটন কলেজৰ জন্ম হয় আৰু ইয়াত শিক্ষা পোৱা অসমীয়া ডেকাসকলেই পাচলৈ অসমৰ সামাজিক আৰু ৰাজনৈতিক ক্ষেত্রত নেতৃত্বৰ দায়িত্ব গ্রহণ কৰে। বর্তমান গুৱাহাটীৰ সোঁমাজত থকা কটন কলেজিয়েট স্কুলখনেই হ'ল সেইসময়ৰ গুৱাহাটী ছেমিনাৰী। এই স্কুলৰ প্রথম প্রধান শিক্ষক হিচাপে মিঃ চিংগাৰ নামৰ এগৰাকী ইংৰাজক 150 টকীয়া দৰমহাত নিযুক্তি দিয়া হৈছিল। তাৰপিছত এই স্কুললৈ প্রধান শিক্ষক হৈ আহিছিল মিঃ ৰবিনচন। এই স্কুলখনেই অসমত প্রথম ইংৰাজী শিক্ষাৰ পাতনি মেলিছিল। 1835 চনত এই স্কুলত ছাত্রৰ সংখ্যা আছিল 58 জন। 1838 চনত 150 জনলৈ বৃদ্ধি পায় আৰু 1840 চনৰ শেষত ছাত্রৰ সংখ্যা হয় 340 জন। এই স্কুলে 1858 চনৰপৰা কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত এণ্ট্রেন্স পৰীক্ষা দিবলৈ অনুমতি পায় আৰু 1861 চনত প্রথমবাৰৰ বাবে দুজন ছাত্রই এই পৰীক্ষাত উত্তীর্ণ হয়। উল্লেখযোগ্য যে 1864 চনত এই স্কুলৰপৰা উত্তীর্ণ হোৱা চাৰিজন ছাত্র আছিল— আনন্দৰাম বৰুৱা, মাধব চন্দ্র বৰদলৈ, কর্ণেল শিৱৰাম বৰুৱা আৰু কর্ণেল জালনুৰ আলি আহমদ।

1841 চনত শিৱসাগৰত ইয়াৰ অনুৰূপ শিক্ষানুষ্ঠান স্থাপন কৰা হয়। শিৱসাগৰৰ বর্তমানৰ চৰকাৰী উচ্চতৰ মাধ্যমিক স্কুলখনেই এইখন স্কুল। গুৱাহাটী আৰু শিৱসাগৰ এই দুয়োখন স্কুলত পঢ়া সকলো ছাত্রকে চৰকাৰে ততালিকে চাকৰি দিয়াত অসমীয়া মানুহৰ ইংৰাজী শিক্ষাৰ প্রতি ধাউতি দিনকদিনে বাঢ়ি আহিল। 1865 চনত নগাঁৱত আন এখন ইংৰাজী স্কুল স্থাপন কৰা হয়। এনেকৈ অসমত মাধ্যমিক স্কুলৰ সংখ্যা বৃদ্ধি হৈ আহিবলৈ ধৰে। ইয়াৰ লগে লগে ছাত্রৰ সংখ্যাও বৃদ্ধি হৈ আহে। 1845 চনত অসমত ইংৰাজী হাইস্কুলৰ সংখ্যা আছিল 2 খন। এই সংখ্যা বৃদ্ধি হৈ 1873 চনত 7খন হয় আৰু 1899 চনত 20খনলৈ বৃদ্ধি পায়। এই স্কুলকেইখন বৃটিছ চৰকাৰে সেইসময়ত স্থাপন কৰিছিল। চৰকাৰী-বেচৰকাৰী আটাইবিলাক হাইস্কুল আলোচনাৰ মাজলৈ আনিলে তথ্যমতে দেখা যায় যে আৰম্ভণিতে চৰকাৰী হাইস্কুল বেচৰকাৰী হাইস্কুলতকৈ বেছি আছিল। 1874–75 চনত অসমত হাইস্কুলৰ সর্বমুঠ সংখ্যা আছিল 10খন। ইয়াৰে 9খন চৰকাৰী আৰু মাত্র এখন স্কুল বেচৰকাৰী আছিল।

1854 চনৰউডৰ ঘোষণামতে প্রতিখন প্রদেশত একোটা পৃথক শিক্ষাবিভাগ শিক্ষাধিকাৰৰ তলত স্থাপন কৰিব লাগিছিল। সেইসময়ত অসম বংগদেশৰ এটা অংশহে আছিল। অসমক বংগদেশৰপৰা পৃথক কৰাৰ পিছত 1874 চনত অসমত শিক্ষা বিভাগ স্থাপন কৰে। এই বিভাগটোৰ দায়িত্ব 1874 চনৰপৰা 1905 চনলৈ এজন স্কুল পৰিদর্শকৰ তলত আছিল। 1906 চনত প্রথমবাৰৰ বাবে এজন শিক্ষাধিকাৰ নিযুক্ত হয়। অসমৰ প্রথম শিক্ষাধিকাৰজনৰ নাম হ'ল— শ্বাৰপ্।

1854 চনৰ উডৰ নির্দেশনামা আৰু 1882 চনত হাণ্টাৰ আয়োগত যদিও অনুদানৰ ভেঁটিত মাধ্যমিক স্কুল পতা আৰু চৰকাৰক মাধ্যমিক শিক্ষাত প্রত্যক্ষ ভূমিকা লোৱাৰপৰা বিৰত থকাৰ পৰামর্শ আগবঢ়োৱা হৈছিল, তথাপি ৰাইজৰ উদাসীনতাৰ কাৰণে অসমৰ ক্ষেত্রত এই প্রস্তাৱ কার্যকৰী হৈ উঠা নাছিল। ইয়াৰ ঘাই কাৰণ হ'ল তেতিয়ালৈকে

অসমত বেচৰকাৰী প্ৰচেষ্টাৰে স্কুল গঠন কৰিবলৈ জনসাধাৰণ বা ব্যক্তিবিশেষ আগবাঢ়ি অহা নাছিল। যিকেইখন সাহায্যপ্ৰাপ্ত স্কুল আছিল, সেইকেইখনেও অনুদানৰ ধন নিচেই কমকৈ পোৱাৰ কাৰণে উন্নতি কৰিবপৰা নাছিল।

সেইসময়ত অসমৰ মাধ্যমিক শিক্ষাত তিনিধৰণৰ স্কুল আছিল; যেনে— মধ্য ইংৰাজী স্কুল, মধ্য অসমীয়া স্কুল, হাইস্কুল।

1899 চনত ভাৰতৰ বৰলাট হৈ অহা লর্ড কার্জনে মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰত দুইপ্ৰকাৰৰ নীতি অৱলম্বন কৰিছিল। যেনে— **মাধ্যমিক শিক্ষা বিস্তাৰৰ নিয়ন্ত্ৰণ আৰু এনে শিক্ষাৰ মান উন্নয়ন**। মাধ্যমিক স্কুলৰ অবাঞ্ছিত বৃদ্ধি ৰোধৰ কাৰণে তেওঁ অনুমোদন প্ৰথাৰ প্ৰৱৰ্তন কৰিছিল। প্ৰতি স্কুলে বিশ্ববিদ্যালয় আৰু শিক্ষা বিভাগৰপৰা স্বীকৃতি লাভ কৰিব লাগিব। অনুমোদিত স্কুলে চৰকাৰী অনুদান লাভ, মেট্ৰিকুলেছন পৰীক্ষালৈ ছাত্ৰ প্ৰেৰণৰ ক্ষমতা আৰু চৰকাৰী বৃত্তিভোগী ছাত্ৰ গ্ৰহণ আদি সুবিধাসমূহ লাভ কৰিব পাৰিব। সেই সময়ত কলিকতা বিশ্ববিদ্যালয়ে মেট্ৰিক পৰীক্ষা চলাইছিল।

কার্জনৰ বংগ বিভাজন নীতিৰ কাৰণে 1905 চনত অসমক পূৰ্ববংগৰ লগত চামিল কৰাত পুনৰ অতীতৰ অৱস্থা পায় আৰু এই প্ৰদেশৰ কেন্দ্ৰ ঢাকা হোৱাত অসমে সকলো ফালৰপৰা প্ৰয়োজনীয় মনোযোগ লাভ কৰাত ব্যৰ্থ হৈছিল।

1911 চনত কলিকতা বিশ্ববিদ্যালয়ে পাঠ্যক্ৰমৰ ক্ষেত্ৰত এক নতুন ব্যৱস্থা প্ৰৱৰ্তন কৰিছিল। এই ব্যৱস্থামতে ছয়টা বিষয় হাইস্কুলত থাকিব। তাৰে চাৰিটা বাধ্যতামূলক আৰু দুটা বিষয় নিজে বাছনি কৰি ল'ব লাগিব। বাধ্যতামূলক বিষয়কেইটা হ'ল— ইংৰাজী, অংক, নিজৰ মাতৃভাষা আৰু সংস্কৃতৰ এটি বিষয়। বুৰঞ্জী, ভূগোল, কাৰিকৰী বিষয়, উচ্চ ভাষা আৰু উচ্চখাপৰ অংক আদি বিষয়ৰপৰা যিকোনো দুটা বিষয় ছাত্ৰই নিজে বাছি ল'ব পাৰিব। এই ব্যৱস্থামতে অসমৰ স্কুলতো পাঠ্যক্ৰমৰ সালসলনি কৰা হৈছিল। কিন্তু বেছিভাগ স্কুলৰ আর্থিক দুৰৱস্থা আৰু শিক্ষকৰ সংখ্যা কম হোৱাৰ কাৰণে এই ব্যৱস্থা ফলৱতী হোৱা নাছিল।

1912 চনত পুনৰ অসমক পূৰ্ববংগৰপৰা পৃথক কৰি সুকীয়া ৰাজ্যৰ খিতাপ দিয়াত শিক্ষাৰ প্ৰতি পুনৰ আগ্ৰহ প্ৰদর্শন কৰাত সুবিধা হয়।

1919 চনৰ ভাৰত শাসন আইন প্ৰৱৰ্তনৰ পিছৰেপৰা অসমতো দ্বৈত শাসনৰ যোগেদি শিক্ষা বিষয়টোক হস্তান্তৰিত সূচীলৈ অনা হয়। 1929 চনত হাৰটগ কমিটিৰ প্ৰতিবেদন প্ৰকাশ হৈছিল। ইয়াৰে আধাৰত অসম চৰকাৰে 'শিক্ষাৰ পুনৰ গঠন' নামেৰে এখন আঁচনি, মাধ্যমিক স্কুলত ব্যৱহাৰিক শিক্ষাৰ সূচনাৰ বিষয়ক লৈ ভাৰত চৰকাৰলৈ প্ৰেৰণ কৰিছিল। কিন্তু, অসমৰ এই প্ৰচেষ্টাই চৰকাৰৰ ফালৰপৰা কোনো সঁহাৰি নাপালে।

অসমত মাধ্যমিক শিক্ষাৰ বিকাশৰ ধাৰাটোৱে উৎসাহ লাভ কৰিবলৈ ধৰে আৰু 1947 চনলৈ অসম মধ্য ইংৰাজী বিদ্যালয়, মধ্য অসমীয়া বিদ্যালয় হয়গৈ মুঠ 742খন আৰু উচ্চ বিদ্যালয় হয়গৈ 191খন।

5 জানি থোৱা ভাল

- অসমত মাধ্যমিক শিক্ষাৰ আৰম্ভণি হয় 1835 চনত।
- অসমত প্ৰথমখন ইংৰাজী উচ্চ বিদ্যালয় গুৱাহাটীত স্থাপন কৰে কেপ্তেইন জেন কিনচে 1835 চনত। তেওঁ অসমৰ আয়ুক্ত আছিল। বিদ্যালয়খনক গুৱাহাটী চেমিনাৰী বুলি জনা গৈছিল। গুৱাহাটী চেমিনাৰীখনেই অসমত মাধ্যমিক শিক্ষাৰ আৰম্ভণি হোৱা প্ৰথমখন বিদ্যালয় হিচাপে চিহ্নিত হৈছে।
- প্ৰাৰম্ভণিতে অসমখন বংগ প্ৰশাসনৰ তলত আছিল। অসমত সুকীয়া শিক্ষা বিভাগ নাছিল।
- 1874 চনত যেতিয়া অসমখন বংগ প্ৰশাসনৰ নিয়ন্ত্ৰণৰপৰা পৃথক হৈ আহে তেতিয়াহে অসমত শিক্ষা বিভাগ স্থাপন কৰা হয়।
- মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰখনলৈ হাণ্টাৰ আয়োগে আগবঢ়োৱা পৰামর্শসমূহ কার্যকৰী কৰিবপৰা নগ'ল। সেয়েহে উচ্চ বিদ্যালয় স্থাপন কৰাৰ বাবে স্বেচ্ছাসেৰী সংগঠনসমূহ আগ্ৰহী নহ'ল। ফলস্বৰূপে মাধ্যমিক শিক্ষাৰ বিকাশৰ ধাৰা লেহেমীয়া আছিল।

- লর্ড কার্জনৰ নিয়ন্ত্রণ নীতিয়ে অসমৰ মাধ্যমিক শিক্ষাৰ বিকাশৰ ধাৰাত বেয়াধৰণেৰে প্রভাৱ পেলায়।
- 1919 চনৰ ভাৰত চৰকাৰৰ আইনৰ মাধ্যমত প্রশাসনিক সংস্কাৰ প্রৱর্তন হোৱাত অসমত মাধ্যমিক শিক্ষাৰ বিকাশৰ ধাৰাটোৱে উৎসাহ লাভ কৰি সম্প্রসাৰণ হ'বলৈ ধৰে।
- 1947 চনলৈ অসমত মধ্য ইংৰাজী বিদ্যালয়, মধ্য অসমীয়া বিদ্যালয় হয়গৈ মুঠ 742খন আৰু উচ্চ বিদ্যালয় হয়গৈ 191খন।

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) গুৱাহাটী চেমিনাৰী আৰম্ভ হয় .....।

খ) 1899–1900 চনত মুঠ উচ্চ বিদ্যালয়ৰ সংখ্যা আছিল -.....।

গ) স্বাধীনতাৰ আগতে অসমৰ মেট্রিক পৰীক্ষা চলাইছিল .....।

৯.৪ স্বাধীনোত্তৰ কালত অসমৰ মাধ্যমিক পর্যায়ৰ শিক্ষাৰ বিকাশ

স্বাধীনতাৰ পিছত অসমৰ মাধ্যমিক শিক্ষাই বিশেষভাৱে বিকাশ লাভ কৰে। অসম চৰকাৰে মাধ্যমিক শিক্ষাৰ বিকাশ সাধন কৰিবলৈ নানাধৰণৰ ব্যৱস্থা গ্রহণ কৰে। মাধ্যমিক শিক্ষাৰ ক্ষেত্রত চৰকাৰে লোৱা প্রচেষ্টাসমূহ হ'ল প্রশাসন ব্যৱস্থাৰ পৰিৱর্তন, পাঠ্যক্রম সংশোধন, মূল্যায়ণ ব্যৱস্থাৰ পৰিৱর্তন, বিভিন্নধৰণৰ বিদ্যালয় স্থাপন ইত্যাদি। ভাৰত চৰকাৰে নিযুক্তি দিয়া মুদালিয়ৰ আয়োগ (1952–53), কোঠাৰী আয়োগ (1964–66) আৰু 1986 চনৰ ৰাষ্ট্রীয় শিক্ষানীতিৰ পৰামর্শসমূহে অসমৰ মাধ্যমিক শিক্ষাৰ বিকাশৰ ক্ষেত্রত ভাবিব নোৱাৰাধৰণে অৱদান আগবঢ়ায়।

আমি এতিয়া স্বাধীনতা লাভৰ পিছত অসমৰ মাধ্যমিক শিক্ষা বিকাশৰ অগ্রগতি কি কি হ'ল তাৰ বিষয়ে আলোচনা কৰিম।

৯.৪.১ গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন আৰু অসমৰ মাধ্যমিক শিক্ষাৰ গঠনত ইয়াৰ প্রভাৱ

অসমৰ হেজাৰ হেজাৰ জনগণই কৰা দীঘলীয়া আন্দোলনৰ ফলত 1948 চনৰ 26 জানুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হয়। আমি ইতিমধ্যে আলোচনা কৰিছো যে হাইস্কুলীয়া চূড়ান্ত পৰীক্ষা স্বাধীনতা লাভৰ আগতে কলিকতা বিশ্ববিদ্যালয়ে চলাইছিল কাৰণ অসমৰ মাধ্যমিক বিদ্যালয়বোৰ কলিকতা বিদ্যালয়ৰ লগত সংবদ্ধ আছিল। 1948 চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পিছত মাধ্যমিক পর্যায়ৰ বিদ্যায়তনিক দিশবোৰ নিয়ন্ত্রণ কৰাৰ দায়িত্ব গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনলৈ আহে। কলিকতা বিশ্ববিদ্যালয়ৰ অধীনৰপৰা মাধ্যমিক বিদ্যালয়ৰ চূড়ান্ত পৰীক্ষা নিয়ন্ত্রণৰ কর্তৃত্ব গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনলৈ অহাত অসমৰ মাধ্যমিক শিক্ষাৰ বিকাশৰ প্রতি ক্ষীপ্রতৰ হৈ পৰে।

৯.৪.২ অসমৰ মাধ্যমিক শিক্ষা বিকাশৰ ওপৰত মাধ্যমিক শিক্ষা আয়োগৰ পৰামর্শসমূহৰ প্রভাৱ

মাধ্যমিক শিক্ষাৰ সংস্কাৰ সাধন কৰিবলৈ 1952 চনত ভাৰত চৰকাৰে মাধ্যমিক শিক্ষা আয়োগ (1952–59) নিযুক্তি দিয়ে। ভাৰতবর্ষৰ মাধ্যমিক শিক্ষাৰ পুনৰ গঠনৰ বাবে আয়োগখনে বিভিন্ন দিশৰ

ওপৰত পৰামৰ্শ আগবঢ়ায়। আয়োগখনে পৰামৰ্শ দিয়ে যে গণতান্ত্রিক ৰাষ্ট্ৰৰ প্রয়োজনীয়তালৈ লক্ষ্য ৰাখি শিক্ষাৰ লক্ষ্য নির্ধাৰণ কৰিব লাগে। আয়োগখনে মাধ্যমিক শিক্ষাৰ তিনিটা প্রধান সংস্কাৰৰ পৰামৰ্শ আগবঢ়ায়—

- শিক্ষা গাঁথনিৰ পুনৰ গঠন
- মাধ্যমিক পাঠ্যক্রমৰ বিভাজিতকৰণ
- পৰীক্ষা ব্যৱস্থাৰ সংস্কাৰ সাধন

আয়োগৰ পৰামৰ্শ অনুসাৰে অসমত 11 বছৰীয়া স্কুলীয়া পাঠ্যক্রম প্রৱর্তন হৈছিল। মাধ্যমিক বিদ্যালয়বোৰক 10 বছৰৰ পৰা 11 বছৰলৈ উন্নীত কৰায় উচ্চতৰ মাধ্যমিক পর্যায়লৈ নিয়া হয় আৰু কিছুমানক বহুমুখী বিদ্যালয়লৈ ৰূপান্তৰিত কৰা হয়। মাধ্যমিক শিক্ষা আয়োগৰ পৰামৰ্শ অনুসাৰে 1962 চনত অসমত মাধ্যমিক শিক্ষা ৰাজ্যিক পৰিষদ গঠন কৰা হৈছিল।

1962 চনৰ আগতে অসমৰ মাধ্যমিক শিক্ষাৰ নিয়ন্ত্রণ গুৱাহাটী বিশ্ববিদ্যালয় আৰু অসম চৰকাৰে কৰিছিল। বিশ্ববিদ্যালয়ে বিদ্যাতনিক দিশবোৰ আৰু চৰকাৰে প্রশাসনীয় দিশবোৰ নিয়ন্ত্রণ কৰিছিল। দ্বৈত নিয়ন্ত্রণ ব্যৱস্থাই মাধ্যমিক শিক্ষা ব্যৱস্থাত বহুবোৰ সমস্যাৰ সৃষ্টি কৰিছিল। সেয়েহে চৰকাৰে 1961 চনত অসম মাধ্যমিক শিক্ষা আইন প্রণয়ন কৰে।

অসম মাধ্যমিক শিক্ষা আইন, ১৯৬১ চন (Secondary Education Act of Assam, 1961)ঃ এই আইনৰ মূল প্রস্তাৱসমূহ তলত সংক্ষেপে উল্লেখ কৰা হ'ল—

- এই আইন সমগ্র অসমতে বলৱৎ হ'ব।
- অসম চৰকাৰৰ দ্বাৰা স্বীকৃত সকলোবোৰ মাধ্যমিক স্কুলক বিশ্ববিদ্যালয় অথবা আন কোনো ব'র্ডে নিয়ন্ত্রণ কৰিব নোৱাৰিব।
- চৰকাৰে বিশেষ জাননীৰ জৰিয়তে মাধ্যমিক শিক্ষাৰ নিয়ন্ত্রণ, পৰিচালনা আৰু উন্নীতকৰণৰ অর্থে 'মাধ্যমিক শিক্ষা ব'র্ড' নামেৰে এখন ব'র্ড স্থাপন কৰিব। মাধ্যমিক শিক্ষা ব'র্ডখনৰ সভাপতি হ'ব শিক্ষাধিকর্তাগৰাকী।

ব'র্ডৰ ক্ষমতা আৰু কার্যসমূহ ঃ ব'র্ডৰ ক্ষমতা আৰু কার্য তলত দিয়াধৰণৰ হ'ব—

- ব'র্ডে মাধ্যমিক আৰু উচ্চ মাধ্যমিক শিক্ষাৰ বাবে পাঠ্যক্রম প্রস্তুত কৰিব।
- সেই পাঠ্যক্রমৰ আধাৰত পৰীক্ষাসমূহ পৰিচালনা কৰিব।
- কৃতকার্য হোৱা পৰীক্ষার্থীক প্রমাণ-পত্র প্রদান কৰিব।
- মাধ্যমিক আৰু উচ্চ মাধ্যমিক স্কুলক স্বীকৃতি দিয়াৰ নীতি-নিয়ম প্রস্তুত কৰা, স্বীকৃতি প্রদান কৰা আৰু প্রয়োজনসাপেক্ষে স্বীকৃতি উঠাই লোৱা আদিৰ দায়িত্ব ল'ব।
- ব'র্ডৰ দ্বাৰা প্রস্তুত কৰা নীতি-নিয়ম কোনো স্কুলে উলংঘা কৰিলে সেই স্কুলৰ কাৰণে শাস্তিমূলক ব্যৱস্থা ল'ব।
- স্বীকৃতিপ্রাপ্ত স্কুলৰ শিক্ষকসকলৰ আৱশ্যকীয় অর্হতা নির্ণয় কৰিব।

এই আইনখনৰ প্রণয়নৰ ফলত 1962 চনত অসম মাধ্যমিক শিক্ষা পৰিষদ গঠন হৈছিল। 1962 চনৰপৰা পৰিষদখনে অসমৰ মাধ্যমিক শিক্ষাৰ নিয়ন্ত্রণ ব্যৱস্থা আৰু পুনৰ গঠনৰ দায়িত্ব বহন কৰি আছে। আইনখন 1972 চনত সংশোধন কৰা হয় আৰু অসম পাঠ্যপুথি প্রণয়ন আৰু প্রকাশন নিগমৰ মাধ্যমেৰে পৰিষদে পাঠ্যপুথিৰ অতিৰিক্ত পুথি প্রকাশ কৰিবলৈ লয়। আইনখনৰ দ্বিতীয় সংশোধনী হয় 1973 চনত যিটোৱে এগৰাকী পূর্ণ পর্যায়ৰ অধ্যক্ষ নিয়োগৰ ব্যৱস্থা দিয়ে। পৰিষদত 1974 চনত এগৰাকী পূর্ণকালীন অধ্যক্ষ নিযুক্তি দিয়া হয়।

এনেধৰণৰ ব্যৱস্থাই অসমৰ মাধ্যমিক শিক্ষাৰ গঠন প্রক্রিয়া আৰু বিকাশত সহায় কৰে। 1969–

70 চনত অসমত উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ সংখ্যা আছিল 70খন আৰু মাধ্যমিক বিদ্যালয়ৰ সংখ্যা আছিল 1200খন।

5 জানি থোৱা ভাল

আমি জানিবলৈ সক্ষম হৈছো যে অসমত স্বাধীনতাৰ পিছত মাধ্যমিক শিক্ষাৰ বিকাশ বিশেষধৰণে হৈছিল।

- 1948 চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পিছত কলিকতা বিশ্ববিদ্যালয়ে বিদ্যায়তনিক দিশৰ নিয়ন্ত্রণৰ দায়িত্বসমূহ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ওপৰত এৰি দিয়ে।
- 1952 চনত ভাৰত চৰকাৰে মাধ্যমিক শিক্ষাৰ সংস্কাৰ সাধনৰ অর্থে মাধ্যমিক শিক্ষা আয়োগ নিযুক্তি দিয়ে।আয়োগখনে 1953 চনৰ প্রতিবেদন দাখিল কৰে।
- 1952-53 চনৰ আয়োগৰ পৰামর্শসমূহক ভিত্তি কৰি অসম চৰকাৰে মাধ্যমিক শিক্ষাৰ ক্ষেত্রখনত বিভিন্নধৰণৰ আঁচনি প্রয়োগ কৰে।
- বহুসংখ্যক উচ্চ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক পর্যায়লৈ উন্নীত কৰায় আৰু কিছুমানক বহুমুখী বিদ্যালয়লৈ ৰূপান্তৰিত কৰায়।
- 1961 চনত অসম মাধ্যমিক শিক্ষা আইন প্রণয়ন কৰা হয়।
- আইনখনৰ ব্যৱস্থা অনুযায়ী 1962 চনত অসম মাধ্যমিক শিক্ষা পৰিষদখন গঠন কৰা হয়। পৰিষদখনে মাধ্যমিক শিক্ষা ব্যৱস্থাটোক নিয়ন্ত্রণ কৰাৰ লগতে শিক্ষা পুনৰ গঠন কৰে।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ২ ঃ গুৱাহাটী বিশ্ববিদ্যালয় কোন চনত স্থাপিত হৈছিল?

.....

প্রশ্ন নং ৩ ঃ অসম মাধ্যমিক শিক্ষা আইন কোন চনত প্রণয়ণ কৰা হয়?

.....

প্রশ্ন নং ৪ ঃ অসম মাধ্যমিক শিক্ষা পৰিষদ কোন চনত গঠন কৰা হয়?

.....

প্রশ্ন নং ৫ ঃ অসম মাধ্যমিক শিক্ষা পৰিষদত কোন চনত পূর্ণকালীন অধ্যক্ষ নিযুক্তি দিয়া হয়?

.....

৯.৪.৩ অসমৰ মাধ্যমিক শিক্ষা বিকাশৰ ওপৰত কোঠাৰী আয়োগৰ প্রভাৱ

পৰামর্শসমূহৰ প্রভাৱ ভাৰত চৰকাৰে 1964 চনত কোঠাৰী আয়োগ নিযুক্তি দিয়ে আৰু ই 1966 চনত প্রতিবেদন দাখিল কৰে। আয়োগখনে মাধ্যমিক শিক্ষাৰ বিভিন্ন দিশৰ ওপৰত পৰামর্শ আগবঢ়ায়। যেনে—

- শৈক্ষিক গাঁথনি
- কর্ম অভিজ্ঞতাৰ মাধ্যমত শিক্ষা আৰু উৎপাদনৰ মাজত সম্বন্ধ স্থাপন কৰা।
- শিক্ষাক বৃত্তিমুখীকৰণ
- বিজ্ঞান আৰু প্রযুক্তিবিদ্যাৰ উন্নতি সাধন
- সাধাৰণ অভিভাৱকসকলৰ প্রয়োজনীয়তা পূৰণৰ বাবে 'সাধাৰণ বিদ্যালয়' স্থাপনৰ ব্যৱস্থা ইত্যাদি।

আয়োগখনে 10ÙÂ2ÙÂ3 শৈক্ষিক গাঁথনিটোৰ পৰামৰ্শ দিয়ে যিটোৱে তলৰ দিশসমূহ সামৰি লৈছে—

- প্ৰাক্-প্ৰাথমিক পৰ্যায় 1 বছৰৰপৰা 3 বছৰলৈ।
- প্ৰাথমিক পৰ্যায় 7–8 বছৰলৈ। ইয়াক দুটা উপ-পৰ্যায়স্বৰূপে ভাগ কৰি নিম্ন-প্ৰাথমিক 4–5 বছৰৰ আৰু উচ্চ-প্ৰাথমিক 3 বছৰৰ কৰিব লাগে।
- নিম্ন-মাধ্যমিক বা হাইস্কুলৰ সাধাৰণ শিক্ষা 3 বা 2 বছৰৰ আৰু বৃত্তীয় শিক্ষা 1 বছৰৰপৰা 3 বছৰৰ বাবে হ'ব লাগে।
- উচ্চতৰ মাধ্যমিকৰ সাধাৰণ শিক্ষা 2 বছৰৰ আৰু বৃত্তীয় শিক্ষা 1 বছৰৰপৰা 3 বছৰৰ হ'ব লাগে।
- উচ্চ শিক্ষা প্ৰথম ডিগ্ৰীৰ অধ্যয়নসূচী 3 বছৰ বা অধিক হ'ব লাগে আৰু দ্বিতীয় ডিগ্ৰী অথবা গৱেষণাৰ ডিগ্ৰী ভিন্ন সময়সাপেক্ষ হ'ব লাগে।

কোঠাৰী আয়োগৰ পৰামৰ্শ অনুসাৰে অসম মাধ্যমিক শিক্ষা সংসদে 1973–74 চনৰ শিক্ষাবৰ্ষৰ পৰা নতুন 10ÙÂ2ÙÂ3 শিক্ষাৰ গাঁথনিটো প্ৰয়োগ কৰিবলৈ লয় আৰু নতুন পাঠ্যক্ৰম প্ৰৱৰ্তন কৰে।অসম মাধ্যমিক শিক্ষা পৰিষদে 10 বছৰীয়া স্কুলীয়া শিক্ষা আৰু 12 বছৰীয়া উচ্চতৰ মাধ্যমিক পাঠ্যক্ৰম চলাই থাকে। যিহেতু সকলোবোৰ হাইস্কুলক উচ্চতৰ মাধ্যমিক পৰ্যায়লৈ উন্নীত কৰা হোৱা নাই সেয়েহে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সংবদ্ধ মহাবিদ্যালয়বোৰে 2 বছৰীয়া উচ্চতৰ মাধ্যমিক স্তৰটো চলাই থাকে। বৰ্তমান সময়ত অসমৰ বিভিন্ন প্ৰান্তত ব্যক্তিগত খণ্ডত কনিষ্ঠ মহাবিদ্যালয়সমূহ গঢ়ি উঠিছে আৰু সেইবোৰেওঁ 2 বছৰীয়া উচ্চতৰ মাধ্যমিক পৰ্যায়টোৰ শিক্ষাদান কৰি আছে।

5 জানি থোৱা ভাল

- সমগ্ৰ দেশখনত একেধৰণ শৈক্ষিক গাঁথনি তৈয়াৰ কৰাৰ অৰ্থে কোঠাৰী আয়োগে 10ÙÂ2ÙÂ3 সূত্ৰটো প্ৰয়োগ কৰাৰ পৰামৰ্শ দিছিল।
- অসমত 10ÙÂ2ÙÂ3 শিক্ষাৰ গাঁথনিটো অসম মাধ্যমিক শিক্ষা সংসদে 1973 চনত প্ৰয়োগ কৰিবলৈ লৈছিল।
- ÙÂ2 স্তৰটো প্ৰয়োগ কৰিবলৈ উচ্চ মাধ্যমিক বিদ্যালয়বোৰ উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰিছিল।
- সকলোবোৰ মাধ্যমিক বিদ্যালয় উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীতকৰণ সম্ভৱ হৈ নুঠা বাবে গুৱাহাটী আৰু ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ সংবদ্ধ মহাবিদ্যালয়-বোৰে দুবছৰীয়া উচ্চতৰ মাধ্যমিক পৰ্যায়টোৰ দাবী পূৰণৰ অৰ্থে ÙÂ2 পৰ্যায়টোৰ পাঠদানৰ দায়িত্ব লৈছিল।
- বৰ্তমান সময়ত অসমৰ বিভিন্ন প্ৰান্তত চৰকাৰী আৰু বেচৰকাৰী কনিষ্ঠ মহাবিদ্যালয়বোৰ স্থাপন হোৱাত ÙÂ2 স্তৰৰ শিক্ষা সম্প্ৰসাৰণত সহায়ক হৈছে।

কোঠাৰী আয়োগৰ পৰামৰ্শৰ আধাৰত 1984 চনত 'অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ' গঠিত হৈছিল। বৰ্তমান অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদক উচ্চতৰ মাধ্যমিক পৰ্যায়টো নিয়ন্ত্ৰণ কৰাৰ দায়িত্ব দিয়া হৈছে। পৰিষদৰ প্ৰধান কামবোৰ হ'ল—

- উচ্চতৰ মাধ্যমিক বিদ্যালয় স্থাপন কৰাৰ অনুমতি প্ৰদান আৰু স্বীকৃতি প্ৰদান।
- পাঠ্যক্ৰম প্ৰণয়ন
- পাঠ্যপুথি নিৰ্বাচন
- পৰীক্ষা অনুষ্ঠিতকৰণ
- প্ৰমাণপত্ৰ প্ৰদান

বিজ্ঞান আৰু অংকক বাধ্যতামূলক বিষয় হিচাপে ধাৰ্যকৰণ আৰু কৰ্ম অভিজ্ঞতাক গুৰুত্বপূৰ্ণ স্থানত স্থিতকৰণ।

অসম চৰকাৰে 1977 চনৰ 1 অক্টোবৰৰপৰা অসমৰ সকলোবোৰ মাধ্যমিক বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ক প্ৰাদেশিকৰণ কৰে যিবিলাকে ইতিমধ্যে ঘাটি মঞ্জুৰীৰ অনুদান লাভ কৰি আছিল। প্ৰাদেশিকৰণ বিদ্যালয়বোৰৰ উপৰিওঁ ব্যক্তিগত সংগঠনে চলাই থকা চৰকাৰী সাহায্য নোপোৱা কিছুমান মাধ্যমিক বিদ্যালয় আছে। কেন্দ্ৰীয় বিদ্যালয় সংগঠনৰ তলত কিছুমান কেন্দ্ৰীয় বিদ্যালয় আছে যিবিলাকে কেন্দ্ৰীয় মাধ্যমিক শিক্ষা পৰিষদৰ অধীনত দশমমান শ্ৰেণী আৰু দ্বাদশ শ্ৰেণীত দুটা পৰীক্ষা অনুষ্ঠিত কৰে। গোৱালপাৰাৰ মৰণৈত এখন 'সৈনিক বিদ্যালয়' আছে।

5 জানি থোৱা ভাল

- অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ গঠিত হয় 1984 চনত।
- 1984 চনৰপৰা অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদক উচ্চতৰ মাধ্যমিক পৰ্যায়টো নিয়ন্ত্ৰণ কৰাৰ দায়িত্ব দিয়া হয়।
- 1977 চনৰপৰা অসম চৰকাৰে সকলোবোৰ উচ্চ-মাধ্যমিক বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় যিবোৰে চৰকাৰৰপৰা ঘাটি মঞ্জুৰী পাই আছিল সেইবোৰক প্ৰাদেশিকৰণ কৰে।
- প্ৰাদেশিকৰণ বিদ্যালয়বোৰৰ উপৰিও ব্যক্তিগত খণ্ডৰ মাধ্যমিক বিদ্যালয়বোৰে অসমত মাধ্যমিক শিক্ষা সম্প্ৰসাৰণ কৰি আছে।
- ভাৰত চৰকাৰৰ 'কেন্দ্ৰীয় বিদ্যালয় সংস্থানৰ' তলত কিছুমান কেন্দ্ৰীয় বিদ্যালয় আছে।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) 10ÙÂ2ÙÂ3 শিক্ষাৰ নতুন গাঁথনিটো অসমত ..... শিক্ষাবৰ্ষৰ পৰা প্ৰৱৰ্তন কৰা হৈছিল।

খ) ..... চনত অসম চৰকাৰে সকলোবোৰ উচ্চ-বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ক প্ৰাদেশিকৰণ কৰিছিল।

গ) অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ ..... চনত গঠিত হৈছিল।

ঘ) 10ÙÂ2ÙÂ3 শিক্ষাৰ গাঁথনিটো ..... পৰামৰ্শ দিছিল।

ঙ) সৈনিক বিদ্যালয়খন ..... অৱস্থিত।

৯.৪.৪ ১৯৮৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু অসমৰ মাধ্যমিক শিক্ষাৰ বৰ্তমান অৱস্থা

1986 চনত নতুন শিক্ষানীতি প্ৰৱৰ্তন কৰাৰ ক্ষেত্ৰত বহুত নতুন প্ৰত্যাহ্বান আহি পৰিছিল চৰকাৰৰ সন্মুখত। বিদ্যালয় শিক্ষাৰ মানদণ্ড উন্নত কৰাৰ মানসেৰে আৰু ল'ৰা-ছোৱালীবোৰৰ দক্ষতা বৃদ্ধি কৰাৰ উদ্দেশ্যেৰে নতুন শিক্ষা নীতিয়ে 'নবোদয় বিদ্যালয়ৰ' ধাৰণা উদয় কৰে। নবোদয় বিদ্যালয়ৰ ধাৰণাটোৱে যিবিলাক ল'ৰা-ছোৱালীৰ বিশেষ মেধা আছে, দক্ষতা আছে, প্ৰৱণতা আছে তেওঁলোকক গুণগত শিক্ষা দিয়াৰ ব্যৱস্থা কৰিব। নতুন শিক্ষানীতিৰ প্ৰস্তাৱনা অনুসৰিয়েই দুখীয়া কিন্তু মেধাবী শিশুবোৰক শিক্ষা দিয়াৰ উদ্দেশ্যেৰে 'নবোদয় বিদ্যালয়' স্থাপন কৰাৰ ব্যৱস্থা কৰা হয়। বৰ্তমান সময়ত প্ৰত্যেকখন জিলাতে একোখন 'নবোদয় বিদ্যালয়' আছে।

1986 চনৰ নতুন শিক্ষানীতিয়ে ÙÂ2 স্তৰত সুন্দৰভাৱে পৰিকল্পিত আৰু পদ্ধতিগত আঁচনিযুক্ত বৃত্তিমুখী শিক্ষা প্ৰৱৰ্তন কৰাৰ প্ৰস্তাৱনা আগবঢ়ায়। বৃত্তিমুখী শিক্ষাই অকল অভিযান্ত্ৰিক আৰু কাৰিকৰী

শিক্ষা সম্প্রসাৰণতে সীমাবদ্ধ হৈ নাথাকি স্বাস্থ্য, কৃষি, গার্হস্থ বিজ্ঞান, আভ্যন্তৰীণ চিকিৎসা সেৱা, ব্যৱসায়, সমাজসেৱা আদিবোৰকো সামৰি ল'ব লাগে। ই 1990 চনৰ ভিতৰত শতকৰা 10í ভাগ শিক্ষার্থী আৰু 1995 চনৰ ভিতৰত শতকৰা 25í ভাগ শিক্ষার্থীক সামৰি লোৱাৰ প্রস্তাৱনা আগবঢ়াইছিল।

5 জানি থোৱা ভাল

- ভাৰত চৰকাৰে 1986 চনত নতুন শিক্ষানীতি প্রস্তুত কৰি প্রয়োগ কৰে।
- ৰাষ্ট্রীয় শিক্ষানীতিয়ে দুখীয়া আৰু মেধাবী শিশুবোৰৰ বাবে 'নবোদয় বিদ্যালয়' স্থাপনৰ প্রস্তাৱনা আগবঢ়ায়।
- 1986 চনৰ ৰাষ্ট্রীয় শিক্ষানীতিয়ে ÙÂ2 স্তৰত বৃত্তিমুখী শিক্ষা সম্প্রসাৰণ কৰাৰ অর্থে এখন সুন্দৰভাৰে পৰিকল্পিত আৰু পদ্ধতিগত আঁচনিৰ প্রস্তাৱ কৰে।

বর্তমান সময়ত অসমৰ মাধ্যমিক শিক্ষাৰ ছবিখন তলত দিয়াধৰণেৰে পর্যবেক্ষণ কৰিবপৰা যায়—

তালিকা 9.1

বছৰ	প্রাথমিক আৰু উচ্চ প্রথমিক বিদ্যালয়ৰ সংখ্যা	মাধ্যমিক বিদ্যালয়ৰ সংখ্যা	উচ্চতৰ মাধ্যামিক বিদ্যালয়ৰ সংখ্যা
2012–13	61689	6826	1579
2013–14	64171	7124	1633

সমল ঃ DISE 2013-14: Flash Statistics, NUEPA

আমি অসম মাধ্যমিক শিক্ষা পৰিষদে অনুষ্ঠিত কৰা উচ্চ-মাধ্যমিক চূড়ান্ত পৰীক্ষাত শিক্ষার্থীসকলে প্রদর্শন কৰা ফলাফল তলত দিয়া তালিকাখনৰ মাধ্যমত পর্যবেক্ষণ কৰিব পাৰো।

চন	**অৱতীর্ণৰ সংখ্যা**	**শতকৰা**
2004	1,84,771	49.79
2005	2,07,083	53.07
2006	1,99,786	53.54
2007	2,03,820	54.93
2008	2,39,606	58.68
2009	2,34,741	61.55
2010	2,70,930	63.21
2011	4,12,235	82.86
2012	4,39,863	85.19
2013	4,88,294	87.76
2014	5,28,228	89.87
2015	3,86,763	62.21
2016	3,81,585	62.79
2017	3,72,640	47.94
2018	3,50,000	54.44
2019	3,36,000	56.04

সমল ঃ অসম মাধ্যমিক শিক্ষা পৰিষদ

তালিকাখনৰপৰা দেখিবলৈ পোৱা গৈছে 2004 চনৰপৰা ক্ৰমাগতভাৱে মাধ্যমিক শিক্ষাৰ চূড়ান্ত পৰীক্ষাৰ ফলাফল উন্নতধৰণৰ হৈছে। ইয়াৰ প্ৰকৃত কাৰণ হ'ল পাঠ্যক্ৰম আৰু পৰীক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত হোৱা পৰিৱৰ্তন।

তলত দিয়া তালিকাখনৰপৰা 2004 চনৰপৰা 2014 চনলৈ উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাৰ ফলাফল পৰ্যবেক্ষণ কৰিবপৰা যায়। কলা, বিজ্ঞান আৰু বাণিজ্য শাখাক তালিকাত সামৰি লোৱা হৈছে।

তালিকা নং ৯.৩

বছৰ	কলা	বিজ্ঞান	বাণিজ্য
2004	53.79	66.79	64.70
2005	57.08	67.68	64.80
2006	57.11	72.52	62.55
2007	61.50	68.44	67.14
2008	65.33	80.73	69.96
2009	67.99	80.23	72.11
2010	68.66	85.15	73.32
2011	73.14	87.13	79.81
2012	70.23	85.58	81.87
2013	70.11	83.82	80.08
2014	73.91	85.31	82.70

সমল ঃ অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদ

তালিকাখনৰপৰা বুজিব পৰা গৈছে যে কলা শাখাত পৰীক্ষাৰ্থীৰ সংখ্যা বিজ্ঞান আৰু বাণিজ্য শাখাতকৈ বহুত বৃদ্ধি হৈছে। বিজ্ঞান শাখাত পৰীক্ষাৰ্থীসকলে তুলনামূলকভাবে কলা আৰু বাণিজ্য শাখাতকৈ ভাল ফল দেখুৱাইছে।

5 জানি থোৱা ভাল

- অসমত প্ৰাথমিক আৰু উচ্চ প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা 2013 লৈ 64171 হয় গৈ।
- মাধ্যমিক বিদ্যালয়ৰ সংখ্যা 2013-14 চনত হয়গৈ 7124খন।
- উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সংখ্যা 2013-14 চনত হয়গৈ 1633খন।
- হাইস্কুল শিক্ষান্ত পৰীক্ষাত 2004 চনত উত্তীৰ্ণৰ হাৰ আছিল 49.79% আৰু 2019 চনত ইবাঢ়ি হয় গৈ 56.04%।
- উচ্চতৰ মাধ্যমিক পৰীক্ষাত কলা শাখাত শিক্ষাৰ্থীসকলৰ 2004 চনত উত্তীৰ্ণৰ হাৰ আছিল 53.79ঁ আৰু 2014 চনত ইবাঢ়ি হয়গৈ 73.91ঁ।
- উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত বিজ্ঞান শাখাত 2004 চনত উত্তীৰ্ণৰ হাৰ আছিল 66.79ঁ গৰাকী আৰু 2014 চনত ইবাঢ়ি হয়গৈ 85.31ঁ গৰাকী।
- উচ্চতৰ মাধ্যমিক চূড়ান্ত পৰীক্ষাত 2004 চনত বাণিজ্য শাখাত উত্তীৰ্ণৰ হাৰ আছিল 64.70ঁ আৰু 2014 চনত বৃদ্ধি হৈ হৈছিলগৈ 82.70ঁ গৰাকী।

চিন্তা চৰ্চা কৰক ৯.১

- উচ্চ মাধ্যমিক চূড়ান্ত পৰীক্ষাত 2004 চনৰপৰা 2019 চনলৈ উত্তীৰ্ণ হোৱা শিক্ষাৰ্থীসকলৰ শতকৰা হাৰৰ এখন তালিকা প্ৰস্তুত কৰক।

.....

.....

৯.৪.৫ অসমৰ মাধ্যমিক শিক্ষাৰ সমস্যাসমূহ

ওপৰত কৰা আলোচনাৰপৰা আমি জানিব পাৰিছো যে স্বাধীনতাৰ পিছত অসমত মাধ্যমিক শিক্ষাৰ বিকাশ উল্লেখযোগ্যভাবে হৈছিল। শিক্ষাৰ পাঠ্যক্ৰম, পৰীক্ষা ব্যৱস্থা আদিত পৰিৱৰ্তন সাধন কৰাৰ লগতে 1953–54 চনৰ মাধ্যমিক শিক্ষা আয়োগ আৰু 1964–66 চনৰ কোঠাৰী আয়োগে আগবঢ়োৱা সাংগঠনিক ধাৰণাৰ পৰামৰ্শৰ ভিত্তিত মাধ্যমিক শিক্ষা উন্নতি সাধন কৰিবলৈ অসম চৰকাৰে নানাধৰণে প্ৰস্তুতি চলাইছিল। কিন্তু বিভিন্নধৰণৰ প্ৰচেষ্টাৰ পিছতো পৰ্যবেক্ষণ কৰি দেখা যায় যে অসমৰ মাধ্যমিক শিক্ষা ব্যৱস্থাই নিশ্চিত লক্ষ্যত উপনীত হ'বপৰা নাই আৰু ই সমস্যাবহুল হৈ আছে।

বৰ্তমান অসমৰ মাধ্যমিক শিক্ষাৰ ক্ষেত্ৰখনৰ সমস্যাবোৰ হ'ল তলত দিয়াধৰণৰ—

- পৰীক্ষাৰ ওপৰত দিয়া অপ্ৰয়োজনীয় গুৰুত্ব।
- বিশেষ বিষয়ৰ পাঠদানৰ বাবে প্ৰশিক্ষণপ্ৰাপ্ত শিক্ষকৰ অভাৱ।
- অনিয়মীয়া শিক্ষক নিয়োগ ব্যৱস্থা।
- কৰ্তৃপক্ষৰ দ্বাৰা নিয়মীয়া পৰিদৰ্শনৰ অভাৱ।
- প্ৰকাশনৰ হেমাহীৰ বাবে পাঠ্যপুথি বিতৰণত দেৰি হোৱা।
- অধিক সংখ্যক বিদ্যালয়ৰ আচবাবৰ অভাৱ।
- বৃত্তিমুখী পাঠ্যক্ৰমৰ অভাৱ।
- কৰ্ম অভিজ্ঞতা বাধ্যতামূলক কৰাত অকৃতকাৰ্যতা।
- সঘনাই হোৱা সামাজিক অস্থিৰতা, বন্ধ ইত্যাদি।
- বানপানী আৰু আন আন প্ৰাকৃতিক দুৰ্যোগ।
- শিক্ষক-অভিভাৱকৰ সহযোগিতাৰ অভাৱ।
- প্ৰকৃত শৈক্ষিক নিৰ্দেশনাৰ অভাৱ।
- শিক্ষাৰ্থীসকলৰ ব্যক্তিত্ব বিকাশৰ সুবিধাহীনতা।
- বিদ্যালয়ত নিয়মীয়া স্বাস্থ্য পৰীক্ষাৰ অভাৱ।
- মাধ্যমিক শিক্ষাৰ সমস্যা সম্বন্ধে গৱেষণাৰ অভাৱ।

চিন্তা চৰ্চা কৰক ৯.২

- অসমৰ মাধ্যমিক শিক্ষাৰ সমস্যাসমূহৰ এখনি তালিকা প্ৰস্তুত কৰক।

.....

.....

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ খালী ঠাই পূৰণ কৰক ঃ

ক) 1986 চনৰ ৰাষ্ট্রীয় শিক্ষানীতিয়ে দুখীয়া আৰু মেধাবী শিশুসকলৰ বাবে ..... বিদ্যালয় স্থাপনৰ প্রস্তাৱনা আগবঢ়াইছিল।

খ) 2004-05 চনত অসমত মাধ্যমিক বিদ্যালয়ৰ সংখ্যা আছিল ..... খন।

গ) 2014 চনত অসমৰ উচ্চতৰ মাধ্যমিক বিজ্ঞান শাখাৰ পৰীক্ষাত উত্তীর্ণৰ হাৰ আছিল শতকৰা .....।

ঘ) 2014 চনত উচ্চ মাধ্যমিক স্তৰৰ চূড়ান্ত পৰীক্ষাৰ উত্তীর্ণৰ হাৰ আছিল শতকৰা .....।

2৯.৫ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- অসমত মাধ্যমিক শিক্ষা ব্যৱস্থাৰ আৰম্ভণি হৈছিল 1835 চনত।
- 1835 চনত অসমৰ আয়ুক্ত কেপ্তেইন জেনকিনছে 'গুৱাহাটী চেমিনাৰী' নামেৰে এখন ইংৰাজী বিদ্যালয় স্থাপন কৰিছিল।
- অসমখন বংগদেশৰপৰা বেলেগ কৰাৰ ফলত 1874 চনত এটা সুকীয়া শিক্ষা বিভাগ গঠন কৰা হৈছিল।
- 1919 চনৰ ভাৰত চৰকাৰৰ আইনৰ পিছত প্রশাসনিক সংস্কাৰ সাধনৰ ফলত অসমৰ মাধ্যমিক শিক্ষা ব্যৱস্থাই বিকাশৰ বাবে উদগনি লাভ কৰে।
- 1948 চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হোৱাৰ পিছত অসমৰ মাধ্যমিক শিক্ষাৰ বিদ্যায়তনিক দিশবোৰৰ দায়িত্ব কলিকতা বিশ্ববিদ্যালয়ৰপৰা বিষয়ান্তকৰণ হৈ গুৱাহাটী বিশ্ববিদ্যালয়ৰ নিয়ন্ত্রণাধীন হয়।
- অসম চৰকাৰে 1952-53 চনৰ মাধ্যমিক শিক্ষা আয়োগৰ পৰামর্শ অনুসাৰে বিকাশৰ বাবে বিভিন্ন পন্থা হাতত লয়।
- 1961 চনত অসম মাধ্যমিক শিক্ষা আইন প্রণয়ন হয়।
- অসম মাধ্যমিক শিক্ষা পৰিষদ 1962 চনত গঠন হয়।
- 1964-66 চনৰ কোঠাৰী আয়োগৰ পৰামর্শ অনুসাৰে অসম মাধ্যমিক শিক্ষা পৰিষদে 10ÙÂ2ÙÂ3 সূত্রটোৰ স্কুল পর্যায়টো 1973-74 চনৰ শিক্ষাবর্ষৰ পৰা প্রৱর্তন কৰে।
- 1977 চনৰ অক্টোবৰ মাহৰপৰা অসম চৰকাৰে সকলোবোৰ উচ্চ মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় প্রাদেশিকৰণ কৰে যিবিলাকে ইতিমধ্যে চৰকাৰৰপৰা ঘাটি মঞ্জুৰী পাই আছিল।
- অসম উচ্চতৰ মাধ্যমিক শিক্ষা সংসদখন 1984 চনত গঠিত হৈছিল।
- সকলোবোৰ মাধ্যমিক বিদ্যালয়ক উচ্চতৰ মাধ্যমিক বিদ্যালয়লৈ উন্নীত কৰাটো সম্ভৱ হোৱা নাছিল বাবে গুৱাহাটী আৰু ডিব্রুগড় বিশ্ববিদ্যালয়ৰ সংবদ্ধ মহাবিদ্যালয়বোৰে দুবছৰীয়া উচ্চতৰ মাধ্যমিক পর্যায়টোৰ পাঠ্যক্রম চলাই আছে।
- বর্তমান সময়ত ব্যক্তিগত খণ্ডত গঢ়ি উঠা কনিষ্ঠ মহাবিদ্যালয়বোৰেও দুবছৰীয়া উচ্চ মাধ্যমিক পর্যায়টো চলাই আছে।
- 1986 চনৰ ৰাষ্ট্রীয় শিক্ষানীতিয়ে দুখীয়া আৰু মেধাবী শিশুসকলৰ বাবে 'নবোদয় বিদ্যালয়' স্থাপনৰ প্রস্তাৱনা আগবঢ়ায়।

O ৯.৬ অধিক জানিবলৈ

1] বৰুৱা, যতীন ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস অধ্যয়ন*, লয়ার্চ বুকচষ্টল, গুৱাহাটী-1
2] ডেকা, বীৰেন্দ্ৰ আৰু অন্যান্য ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, অসম বুক ডিপো, গুৱাহাটী-1
3] বৰদলৈ, অজন্তা ঃ *ভাৰতৰ শিক্ষাৰ বুৰঞ্জী*, লয়ার্চ বুকচষ্টল, গুৱাহাটী-1
4] দেবী, ৰেণু ঃ *অসমৰ শিক্ষা ব্যৱস্থা*

K ৯.৭ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক) 1835, খ) 20, গ) কলিকতা বিশ্ববিদ্যালয়

২ নং প্রশ্নৰ উত্তৰ ঃ 1948

৩ নং প্রশ্নৰ উত্তৰ ঃ 1961

৪ নং প্রশ্নৰ উত্তৰ ঃ 1962

৫ নং প্রশ্নৰ উত্তৰ ঃ 1974

৬ নং প্রশ্নৰ উত্তৰ ঃ ক) 1973-74, খ) 1 অক্টোবৰ 1977, গ) 1984 চন,
ঘ) কোঠাৰী আয়োগ [1964-66], ঙ) গোৱালপাৰাত

৭ নং প্রশ্নৰ উত্তৰ ঃ ক) নৱোদয়, খ) 64171, গ) 85.31í, ঘ) 89.87í

M ৯.৮ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ভাৰতবৰ্ষৰ জাতীয় শিক্ষা ব্যৱস্থাৰ ক্ষেত্রত কোঠাৰী আয়োগৰ মূল পৰামর্শ সমূহ কি কি?

প্রশ্ন ২ঃ উচ্চতৰ মাধ্যমিক স্তৰৰ বাবে ৰাষ্ট্রীয় শিক্ষা নীতিৰ মূল পৰামর্শসমূহ কি কি?

(খ) ৰচনা ধর্মী প্রশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ প্রাক্ স্বাধীনতাৰ সময়ত অসমৰ মাধ্যমিক শিক্ষাৰ বিকাশৰ বিষয়ে চমু আলোচনা কৰক।

প্রশ্ন ২ঃ 'মাধ্যমিক শিক্ষা হ'ল প্রাথমিক আৰু উচ্চশিক্ষা বিকাশৰ চাবিকাঠি'— ব্যাখ্যা কৰক।

প্রশ্ন ৩ঃ 1952-53 চনৰ মাধ্যমিক শিক্ষা আয়োগৰ পৰামর্শৰ পিছত অসমত মাধ্যমিক শিক্ষাৰ ক্ষেত্রত কেনেকুৱাধৰণৰ ব্যৱস্থা হাতত লোৱা হৈছিল? আলোচনা কৰক।

প্রশ্ন ৪ঃ শিক্ষার্থীসকলৰ সর্বাঙ্গীন বিকাশৰ ক্ষেত্রত হেঙাৰস্বৰূপে দেখা দিয়া অসমৰ মাধ্যমিক শিক্ষাৰ প্রধান সমস্যাসমূহ নির্ণয় কৰক।

অধ্যায় ১০ ঃ অসমত উচ্চ শিক্ষাৰ বিকাশ

অধ্যায় গাঁথনি

10.1 উদ্দেশ্য
10.2 পৰিচয়
10.3 অসমত উচ্চ শিক্ষাৰ বিকাশ
  10.3.1 ব্রিটিছৰ শাসনকালত অসমত উচ্চ শিক্ষাৰ বিকাশ নিম্ন স্নাতক পর্যায়ৰ
  10.3.2 স্বাধীনতাৰ সময়ৰে পৰা ভাৰতত উচ্চ শিক্ষাৰ পৰিৱর্তন
  10.3.3 স্বাধীনতাৰ পিচত অসমত নিম্ন স্নাতক পর্যায়ত উচ্চ শিক্ষাৰ বিকাশ
  10.3.4 স্বাধীনতাৰ পিচত অসমত স্নাতকত্তোৰ পর্যায়ত উচ্চ শিক্ষাৰ বিকাশ
  10.3.5 মুক্ত আৰু দূ�ৰত্ব শিক্ষাৰ মাজেদি অসমত উচ্চ শিক্ষাৰ বিকাশ
10.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
10.5 অধিক জানিবলৈ
10.6 অগ্রগতিৰ খতিয়ান
10.7 আর্হি প্রশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনিÐ

- ব্রিটিছ শাসন ব্যৱস্থাত অসমত উচ্চ শিক্ষাৰ বিকাশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব
- স্বাধীনতা লাভ কৰা দিনৰে পৰা ভাৰতত উচ্চ শিক্ষাৰ পৰিৱর্তনবোৰ ব্যাখ্যা কৰিব পাৰিব
- স্বাধীনতা লাভ কৰাৰ পিছত অসমত নিম্ন স্নাতক পর্যায়ত উচ্চ শিক্ষাৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব
- মুক্ত আৰু দূৰত্ব শিক্ষাৰ দ্বাৰা অসমত উচ্চ শিক্ষাৰ বিকাশৰ বিষয়ে আলোচনা কৰিব পাৰিব।

১০.২ পৰিচয়

ভাৰতত উচ্চ শিক্ষাৰ প্রচলনৰ এক দীঘলীয়া বুৰঞ্জী আছে। তক্ষশীলা, নালন্দা, বিক্রমশীলা আদি ঠাইবোৰ পুৰণি কালৰে পৰা উচ্চ শিক্ষাৰ বাবে বিখ্যাত। 19শ শতিকাৰ মাজভাগতহে ভাৰতত উচ্চ শিক্ষাৰ আধুনিক পদ্ধতি প্রৱর্তন হয়। ইং 1854 চনৰ উদৰ নির্দেশনামা মতে, ইং 1857 চনত বোম্বাই, কলিকতা আৰু মাদ্রাছত তিনিখন বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল।

মাধ্যমিক শিক্ষা ব্যৱস্থা প্রৱর্তন হোৱাৰ পিছত উচ্চ শিক্ষাৰ প্রচলন হয়। ইং 1947 চনৰ পূর্বে উচ্চ শিক্ষাৰ পদ্ধতি দেশৰ সকলো ঠাইতে সমমাত্রিক শিক্ষা (Uniform) ব্যৱস্থা আছিল। উপাধি বিষয়ক কলা আৰু বিজ্ঞান দুই বছৰৰ হব আৰু পিছৰ দুই বছৰত দ্বিতীয় উপাধি বিষয় হব যিটোক কোৱা হব স্নাতকোত্তৰ উপাধি। 10 Ù Â2 Ù Â3 বছৰীয়া পাঠ্যক্রম প্রচলিত হোৱাৰ পিছত প্রথম উপাধিস্তৰৰ সময়স্থিতি তিনি বছৰৰ কম হব নোৱাৰিব। বৃত্তিমূলক বিষয়ৰ উপাধি স্তৰৰ সময়সীমা চাৰি বা পাঁচ বছৰ সময় হোৱা উচিত। বর্তমান সময়ত উচ্চ শিক্ষাৰ বিশাল পদ্ধতি পোৱা যায়। উচ্চ শিক্ষাই ভাৰতৰ অর্থনৈতিক বিকাশ, সামাজিক উন্নতি, ৰাজনীতি, গণতন্ত্র আদি সকলো দিশতে তাৎপর্যপূর্ণভাৱে অবদান যোগাইছে। তথাপি, এই ক্ষেত্রত বিকাশ সমান ভাবে হোৱা নাই। আমাৰ প্রয়োজন মতে

উচ্চ শিক্ষাৰ দ্বাৰা যিখিনি সুবিধা প্রদান কৰা হৈছে, সেইখিনি যথেষ্ট নহয়। বিশ্ববিদ্যালয়ে প্রদান কৰা বিষয়বোৰৰ উপযোগিতা আৰু প্রাসংগিকতাই পৰিৱর্তনশীল সময়ৰ চাহিদাৰ লগত মিলিব পৰা নাই, যেয়ে আমাৰ মনত সদায় এই বিষয়বোৰ প্রশ্নবোধক হৈ ৰয়।এই অধ্যায়টোৰে ভাৰতে স্বাধীনতা লাভ কৰা দিনৰে পৰা উচ্চ শিক্ষাৰ ক্ষেত্রত কি কি পৰিৱর্তন আনিছে সেই বিষয়ে বুজাত সহায় কৰিব।

১০.৩ অসমত উচ্চ স্তৰত শিক্ষাৰ বিকাশ

ইং 1900 শতিকালৈ অসম উচ্চ শিক্ষাৰ ক্ষেত্রত পিচপৰি আছিল। ইং 1858 চনত গুৱাহাটী স্কুলখনে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত পৰীক্ষা দিয়াৰ বাবে অনুমোদন লাভ কৰিছিল। ইয়াৰ তিনি বছৰ পিছত অর্থাৎ ইং 1961 চনত দুজন পৰীক্ষার্থীয়ে সুখ্যাতিৰে এই প্রবেশিকা পৰীক্ষাত উত্তীর্ণ হৈছিল। ইং 1964 চনত বিদ্যালয়বোৰে পৰিদর্শক মিষ্টাৰ মৰেৰ (Mr. Murray) ই কলিকতা বিশ্ববিদ্যালয়ৰ প্রথম কলা (F.A.) বিষয়টো গুৱাহাটী স্কুলখনত শিকাবৰ বাবে বেংগল চৰকাৰৰ ওচৰত এটা প্রস্তাৱ আগবঢ়ায়। বেংগল চৰকাৰে এই প্রস্তাৱত অনুমোদন জনায় আৰু কেইমাহ মানৰ ভিতৰতে ভাৰত চৰকাৰৰ পৰা অনুমোদন গৃহীত হয়। ইং 1865 চনৰ জুলাই মাহত, গুৱাহাটী স্কুলক মহাবিদ্যালয় শাখালৈ উন্নত কৰিবৰ বাবে এটা আদেশ দিছিল যাতে এই স্কুলখনে নিজস্ব প্রদেশৰ দ্বায়িত্বৰ বিষয়ে প্রশিক্ষণ দিয়াব পাৰে। সেই মর্মে, ইং 1866 চনত কলা বিভাগত প্রথম পৰীক্ষা দিয়াৰ বাবে গুৱাহাটী স্কুলখন মহাবিদ্যালয় শাখালৈ অনুমোদন দিলে ইং 1874 চনত, মুখ্য আয়ুক্তৰ প্রদেশ সংবিধানখন লৈ কলিকতাৰ পৰা অসম পৃথক কৰা হয়। অসমৰ বাবে সূকীয়া এখন সঞ্চালকালয় গঠন হ'ল। অসমৰ প্রথম মুখ্য আয়ুক্ত হ'ল কোলোনেল কীটিংছ (Colonel Keatings)। কিন্তু দুর্ভাগ্যক্রমে বিভিন্ন কাৰণত কীটিংছে গুৱাহাটী স্কুলৰ মহাবিদ্যালয় শখাটো ইং 1876 চন বন্ধ কৰি দিয়ে। তাৰ কাৰণবোৰ হ'ল Ð

- বিশ্ববিদ্যালয়ৰ ফলাফল অত্যন্ত হতাশজনক হৈছিল। ইং 1872–1874 চনত বিশ্ববিদ্যালয়ৰ উত্তীর্ণৰ সংখ্যা একেবাৰে নাছিল।
- মহাবিদ্যালয় শাখাত ছাত্র-ছাত্রীক শিক্ষা দিয়াৰ খৰচ বৃদ্ধি পাইছিল।
- আনুপাতিকভাৱে মহাবিদ্যালয় শাখাত ছাত্র-ছাত্রীৰ নামভর্তি সঁচাকৈয়ে হতাশাজন আছিল।

5 জানি থোৱা ভাল

- ইং 1858 চনত, গুৱাহাটী স্কুলকখনে কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্রবেশিকা প্রবেশ পৰীক্ষা দিয়াৰ অনুমোদন পাইছিল।
- ইং 1861 চনত প্রবেশিকা পৰীক্ষাত গুৱাহাটী স্কুলৰ পৰা দুজন পৰীক্ষার্থী উত্তীর্ণ হৈছিল।
- ইং 1864 চনত স্কুলসমূহৰ পৰিদর্শক মিষ্টাৰ মুৰেৰ বেংগল চৰকাৰৰ ওচৰত এটা প্রস্তাৱ এইদৰে দাঙি ধৰে যে কলিকতা বিশ্ববিদ্যালয়ৰ প্রথম কলা বিষয়টো গুৱাহাটী স্কুলত শিকোৱাৰ বাবে গুৱাহাটী স্কুলৰ মানদণ্ড উন্নত কৰিব লাগে।
- ইং 1866 চনত গুৱাহাটী স্কুলত কলা শাখাৰ প্রথম পৰীক্ষাৰ অনুমোদন লৈ মহাবিদ্যালয় শাখা খোলা হৈছিল।
- ইং 1874 চনত, মুখ্য কমিচনাৰ প্রদেশ সংবিধানৰ সৈতে বেংগলৰ পৰা অসম বিভক্ত হৈছিল।
- ইং 1876 চনত দুর্ভাগ্যক্রমে অসমৰ মুখ্য আয়ুক্ত মিষ্টাৰ কীটিংছে গুৱাহাটী স্কুলৰ মহাবিদ্যালয় শাখাটো বন্ধ কৰি দিছিল।
- মহাবিদ্যালয় শাখাটো বন্ধ কৰি দিয়াৰ বহুতো কাৰণ আছে, যেনে— বিশ্ববিদ্যালয় পৰীক্ষাত ছাত্র-ছাত্রীৰ দুর্বল পাৰদর্শিতা, জনমূৰি খৰচ যথেষ্ট বেছি, মহাবিদ্যালয় শাখাত নিম্ন পর্যায়ৰ নামভর্তিকৰণ সংখ্যা ইত্যাদি।

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ খালী ঠাই পূৰ কৰক ঃ

ক) ..... চনত স্কুল কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত প্রবেশিকা পৰীক্ষা দিয়াৰ বাবে অনুমোদন লাভ কৰিছিল।

খ) গুৱাহাটী স্কুলৰ পৰা ইং 1962 চনত ..... পৰীক্ষার্থী উত্তীর্ণ হৈছিল।

গ) গুৱাহাটী স্কুলত প্রথম কলা বিষয়টো শিকাবৰ বাবে মান উন্নত কৰাত স্কুলসমূহৰ পৰিদর্শক ..... এটা প্রস্তাৰ আগবঢ়াইছিল।

ঘ) অসমৰ মুখ্য কমিচনাৰ জনৰ নাম .....।

ঙ) ..... চন গুৱাহাটী স্কুলৰ মহাবিদ্যালয় শখাটো বন্ধ কৰা হৈছিল।

১০.৩.১ ব্রিটিছ শাসনকালত অসমত নিম্ন স্নাতক পর্যায়ৰ শিক্ষাৰ বিকাশ

এতিয়া, ব্রিটিছ যুগত অসমত উচ্চ শিক্ষাৰ উন্নতিৰ বিষয়ে আমি অধ্যয়ন কৰিম। কলিকতাত গৈ অসমীয়া ছাত্র সমাজৰ অসুবিধাৰ কথা ভাবি জনসাধাৰণে পুনৰ গুৱাহাটী স্কুলত মহাবিদ্যালয় শাখা খোলাৰ কথাত জোৰ দিলে। তেতিয়াৰ অসমৰ মুখ্য আয়ুক্ত ছাৰ চালর্ছ ইলিয়টে (Sir Charles Elliot) উচ্চ শিক্ষাৰ প্রশ্নটো সহানুভূতি সহকাৰে বিবেচনা কৰিলে। ইং 1882 চনত যিবোৰ অসমীয়া ছাত্রই প্রবেশিকা পৰীক্ষাত উত্তীর্ণ হৈছিল তেওঁলোকক প্রতি মাহে 20 টকাকৈ বৃত্তি দিয়াৰ সিদ্ধান্তও ছাৰ চালর্ছ ইলিয়টে (Sir Charles Elliot) লৈছিল আৰু তেওঁলোক বেংগলৰ যিকোনো মহাবিদ্যালয়তে প্রথম কলা আৰু বি.এ. পৰীক্ষা দিবলৈ গৈছিল। তেওঁ পুনৰ ঘোষণা কৰিছিল যে যদি বিশ্ববিদ্যালয়ৰ ফলাফল সন্তোষ জনক হয় তেতিয়া পুনৰ গুৱাহাটী স্কুলত মহাবিদ্যালয় শ্রেণী খোলাৰ কথা বিবেচনা কৰা হব। কিন্তু ইং 1987 চনত যেতিয়া উইলিয়াম ৱার্ড (William Ward) মুখ্য আয়ুক্ত হিচাপে নিয়ুক্ত হয়, তেতিয়া তেওঁ উচ্চ শিক্ষাৰ বাবে অসমীয়া ছাত্র বৃত্তি প্রতি মাহে 20 টকাৰ পৰা 14 টকা কৰিলে আৰু সেই বৃত্তিও ছাত্র বুদ্ধি অনুযায়ী দিয়া হব বুলি ঘোষণা কৰিলে। এই কার্যৰ বাবে অসমৰ জনসাধাৰণ ক্ষুব্ধ হ'ল। এনে পৰিৱেশত অসমত মহাবিদ্যালয় স্থাপন কৰাৰ বাবে আন্দোলন আৰম্ভ পুনৰায় হ'ল। ইং 1899 চনলৈকে এই বিষয়ক লৈ অসম চৰকাৰে কোনো ব্যবস্থা হাতত নললে। তেতিয়া স্বর্গীয় মানিক চন্দ্র বৰুৱা (Manik Chandra Baruah)ৰ নেতৃত্বত গুৱাহাটীত মহাবিদ্যালয় স্থাপন কৰাৰ বাবে পুনৰায় দাবী উত্থাপিত হ'ল। লগতে এইটো উল্লেখ কৰা হ'ল যে, যদি চৰকাৰেভাৱে গুৱাহাটীত মহাবিদ্যালয় স্থাপন কৰাৰ এয়া উপযুক্ত সময় নহয়, তেন্তে অসম চৰকাৰে উচ্চ পৰীক্ষাৰ বাবে কলিকতাত পঢ়িব যোৱা অসমীয়া ছাত্রসমাজৰ বাবে এটা আবাসগৃহ স্থাপন কৰা হওক লগতে বৃত্তি দিয়াৰ মাচুল আৰু ছাত্রৰ সংখ্যাও বঢ়োৱাৰ বাবে অসম চৰকাৰক হেঁচা দিয়া হওক।

সমস্যাটোৰ প্রয়োজনীয়তাৰ কথা ভাবি সেই সময়ৰ মুখ্য আয়ুক্ত ছাৰ হেনৰি জন ষ্টেডম্যান (Sir Henry John Stedman Cotton) কটনে প্রস্তাৱটো জোৰৰে সমর্থন কৰিছিল ষ্টেডম্যানে নিজে এজন যথেষ্ট মানুহক ভাল পোৱা আৰু উদাৰ মনৰ ব্যক্তি আছিল। ছাৰ হেনিৰ ষ্টেডম্যান কটনে অবশেষত ইং 1900 চনত গুৱাহাটীত এখন দ্বিতীয় বর্গৰ চৰকাৰী মহাবিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত হৈছিল, ইং 1901 চনৰ 27 মে'ৰ দিনা আনুষ্ঠানিক ভাবে মহাবিদ্যালয়খন মুখ্য আয়ুক্তজনে উদ্বোধন কৰে আৰু এইখন মহাবিদ্যালয়েই পিচত কটন মহাবিদ্যালয় হিচাপে নাম লয়। কটন মহাবিদ্যালয়ৰ প্রথম অধ্যক্ষ আছিল ফ্রেডৰিক উইলিয়াম ছুড মাৰছেন(Frederick William Sudmersen)। এনেকৈয়ে, অসমত উচ্চ শিক্ষাৰ আৰম্ভণি হৈছিল।

এতিয়া, ইং 1901 চনৰ কটন মহাবিদ্যালয় স্থাপন হোৱাৰ পিচৰ পৰা অসমত উচ্চ শিক্ষাৰ বিকাশৰ স্বৰূপ কেনেকুৱা হৈছিল তাৰ বিষয়ে আলোচনা কৰা হ'ব। এই বিষয়ে নিঃসন্দেহে ক'ব পৰা যায় যে ৰাজ্যত উচ্চ শিক্ষাৰ বৃদ্ধিত গুণগত দিশত কটন মহাবিদ্যালয়ৰ অবদান উল্লেখনীয়। তলত ইং 1911 চনৰ পৰা ইং 1941 চনলৈকে প্ৰত্যেক পাঁচ বছৰৰ মূৰে মূৰে ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিৰ সংখ্যা দিয়া হৈছে।

তালিকা নম্বৰ ১০.১

31 মাৰ্চত নামভৰ্তিৰ সংখ্যা

বছৰ	1911	1916	1921	1926	1931	1936	1951
নামভৰ্তিৰ সংখ্যা	160	349	427	552	609	783	1045

(উৎস ঃ সোণালী জয়ন্তী সংখ্যা, কটন মহাবিদ্যালয়, ইং 1951-52, পৃষ্ঠা-47]

ইং 1929-30 চনত কটন মহাবিদ্যালয়ত প্ৰথম ছোৱালীৰ নামভৰ্তি হয়। আৰু পিছত ছোৱালীৰ সংখ্যা বাঢ়ি গৈ ইং 1940-41 চনত 75 গৰাকী হয়। কটন মহাবিদ্যালয় স্থাপন হোৱাৰ পিছত ইং 1914 চনৰ পৰা ইং 1935 চনলৈ অসমত তলত উল্লেখ কৰা মহাবিদ্যালয়বোৰ স্থাপন হয়।

- আৰ্ল ল মহাবিদ্যালয় (1924]
- জগন্নাথ বৰুৱা মহাবিদ্যালয়, যোৰহাট (1931]
- লেডী কেনী মহাবিদ্যালয়, চিলং (1935]

ইং 1948 চনলৈকে অসমত 16 খনকৈ মহাবিদ্যালয় স্থাপন হয় আৰু তাৰ ভিতৰত কটন মহাবিদ্যালয়খনেই হ'ল সেই সময়ৰ একমাত্ৰ চৰকাৰী মহাবিদ্যালয়।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ শুদ্ধ উত্তৰ দিয়ক ঃ

1) প্ৰৰেশিকা পৰীক্ষাত উত্তীৰ্ণ হোৱা অসমীয়া ছাত্ৰক প্ৰতি মাহে 20 টকাকৈ বৃত্তি দিবলৈ আৰু উচ্চ শিক্ষাৰ বাবে বেংগললৈ পঠিয়াইছল।
   ক) উইলিয়াম ৱার্ড খ) ছাৰ চার্লছ ইলিয়ট।
2) কটন মহাবিদ্যালয় স্থাপন হৈছিল।
   ক)ইং 1900 চনৰ 20 জুন খ) ইং 1901 চনৰ 27 মে'।
3) প্ৰথম অধ্যক্ষজন নাম।
   ক) মিষ্টাৰ ফ্ৰেডৰিক উইলিয়াম ছুদমাৰছন
   খ) ছাৰ হেনৰী জ. এছ. কটন।
4) জগন্নাথ বৰুৱা মহাবিদ্যালয় যোৰহাটত স্থাপিত হৈছিল।
   ক)ইং 1931 চনত খ)ইং 1935 চনত।

১০.৩.২ ভাৰতত স্বাধীনতা লাভ কৰাৰ পৰা উচ্চ শিক্ষাৰ পৰিৱৰ্তন

ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত ভাৰত চৰকাৰে বৰ্তমান যুগৰ প্ৰয়োজনীয়তাক লক্ষ্য ৰাখি সময়ে সময়ে উচ্চ শিক্ষাৰ বিকাশৰ বাবে বিভিন্ন উপায় গ্ৰহণ কৰি আহিছে। এই উপায়বোৰে স্বাধীনতাৰ পিছত অসমৰ উচ্চ শিক্ষাৰ বিকাশত বাৰুকৈয়ে প্ৰভাব পেলাইছে।

বিশ্ববিদ্যালয় শিক্ষা আয়োগ (ইং ১৯৪৮-৪৯)»ঃ ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত ভাৰতৰ ৰাজনৈতিক, অর্থনৈতিক, সামাজিক আদি বিভিন্ন দিশত পৰিৱর্তন আহিছিল। বিশ্ববিদ্যালয়ত উচ্চ শিক্ষা লাভ কৰি বিভিন্ন ক্ষেত্ৰত শিক্ষার্থীসকলে যাতে দেশক প্ৰথম শ্ৰেণীৰ নেতৃত্ব প্ৰদান কৰিব পাৰে তাৰ প্ৰতি বিশ্ববিদ্যালয় সদায় সচেষ্ট থাকিব লাগিব আৰু গুৰুত্ব দিব লাগিব। সেয়ে শিক্ষাৰ বর্ধিত চাহিদাৰ প্ৰতি সঁহাৰি জনাই আন্তঃ-বিশ্ববিদ্যালয় আৰু কেন্দ্ৰীয় শিক্ষা উপদেষ্টা ব'র্ড দুখনে লগ হৈ ভাৰত চৰকাৰক ভাৰত বিশ্ববিদ্যালয় শিক্ষাৰ ওপৰত এখন আয়োগ গঠন কৰিবলৈ পৰামর্শ জনালে। লগতে দেশখনৰ বর্তমান আৰু ভবিষ্যত পৰিস্থিতিৰ লগত খাপ খুৱাই উন্নতি কৰিবলৈ কিছুমান উপায় বা পৰামর্শও আগবঢ়ায়। সেই পৰামর্শ মতে ইং 1948 চনৰ নৱেম্বৰ মাহত ড0 সর্বপল্লী ৰাধাকৃষ্ণণ (Dr. Sarvepalli Radhakrishnan)ৰ নেতৃত্বত ভাৰতীয় বিশ্ববিদ্যালয় আয়োগ গঠন হয় আৰু এই আয়োগে ইং 1949 চনৰ আগষ্ট মাহত তেওঁলোকৰ প্ৰতিবেদন দাখিল কৰে।

স্বাধনীতা লাভ কৰা পিছত বিশ্ববিদ্যালয় শিক্ষাৰ বিকাশত এই আয়োগৰ প্ৰতিবেদনৰ অবদান যথেষ্ট আৰু ভাৰতীয় শিক্ষা ব্যৱস্থাত আয়োগৰ প্ৰতিবেদনখন এক অতি বৈশিষ্ট্যপূর্ণ দলিলৰ ৰূপ লয়। ৰাধাকৃষ্ণণ আয়োগৰ পৰামর্শ ক্ৰমে স্বৰাজোত্তৰ ভাৰতত ইং 1943 চনত বিশ্ববিদ্যালয় অনুদান আয়োগ (UGC)ৰ বিকাশ ঘটে আৰু এই আয়োগে ইং 1953 চনত সংসদত এখন স্বায়ত্ব স্বীকৃত হয়। এই বিশ্ববিদ্যালয় অনুদান, আয়োগে উচ্চ শিক্ষাৰ মান আৰু সংগতি ৰক্ষাৰ উদ্দেশ্য সৃষ্টি হৈছিল। কেন্দ্ৰীয় চৰকাৰে বিশ্ববিদ্যালয়ৰ অনুদান আয়োগৰ পুজি যোগান ধৰে আৰু এই আয়োগে বিশ্ববিদ্যালয় সমূহলৈ পুঁজি নির্ধাৰণ আৰু যোগান ধৰে।

শিক্ষা আয়োগ (ইং ১৯৬৪-৬৬) ঃ সকলো দিশ আৰু সকলো স্তৰতে শিক্ষাৰ বিকাশৰ লগতে শিক্ষাৰ পুনৰ গঠন আৰু সংস্কাৰৰ বাবে ইং 1964 চনৰ 14 জুলাই তাৰিখে ভাৰত চৰকাৰে এখন শিক্ষা আয়োগ গঠন কৰে। এই আয়োগৰ সভাপতি আছিল ডাঃ ডি. এছ. কোঠাৰী। তেওঁৰ নামেৰেই এই আয়োগৰ নাম কোঠাৰী শিক্ষা আয়োগ বুলি জনা যায়। শিক্ষাৰ সকলো দিশ সামৰি লৈ এই আয়োগে ইং 1966 চনৰ 29 জুনত প্ৰতিবেদন দাখিল কৰে।

ৰাষ্ট্ৰীয় শিক্ষা নীতি ঃ ভাৰত চৰকাৰে ইং 1967 চনত সংসদৰ সদস্যৰ দ্বাৰা শিক্ষা সমিতিৰ (1964-66]ৰ প্ৰতিবেদনখন বিবেচনা কৰিবলৈ এখন সমিতি গঠন কৰে আৰু ইয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতি নাম লৈ খচৰা প্ৰস্তুত কৰি উলিয়ায়। শিক্ষা আয়ুক্তৰ পৰামর্শাৱলী আৰু সংসদৰ দ্বাৰা গঠিত সমিতিৰ প্ৰতিবেদনৰ ওপৰত আলোচনা কৰি ইং 1968 চনৰ জুলাই মাহৰ 24 তাৰিখে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ ওপৰত এটা সিদ্ধান্ত গ্ৰহণ কৰে। স্বাধীনতা লাভ কৰাৰ পিছত ভাৰতৰ শিক্ষা জগতত ইং 1968 চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে এক তাৎপর্যপূর্ণ ভেটি তৈয়াৰ কৰে। যাৰ ফলত সমগ্ৰ ভাৰততে একেধৰণৰ উমৈহতীয়া শিক্ষানীতিৰ প্ৰচলন হয় আৰু 10ÙÂ2ÙÂ3 পদ্ধতি গ্ৰহণ কৰা হয়।

একৈশ শতিকাৰ বিভিন্ন দিশত সামাজিক প্ৰয়োজনীয়তা লক্ষ্য আগত লৈ ভাৰত চৰকাৰে সমগ্ৰ দেশতে নতুন শিক্ষানীতি গঠন কৰি প্ৰৱর্তন কৰে। এই নতুন শিক্ষানীতিৰ বিষয়ে সেইসময়ৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে ইং 1985 চনৰ 5 জানুৱাৰীৰ দিনা জাতিৰ উদ্দেশ্যে মে' মাহত সংসদৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি গৃহীত কৰে আৰু ইং 1986 চনৰ আগষ্ট মাহত সংসদৰ এই নাতিৰ কার্যকৰীৰূপ লয়।

পুনৰ ইং 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতি পৰিচালনা কৰাৰ বাবে আচার্য্য ৰামমূর্ত্তিক লৈ ইং 1990 চনৰ 7 মে' তাৰিখে ভি. পি. সিঙৰ নেতৃত্বত জাতীয় জনতা দল চৰকাৰে এখন সমিতি গঠন কৰে। এই সমিতিয়ে নীতিসমূহ পর্য্যালোচনা কৰি নতুন কিছুমান নীতি সংযোজন কৰিছিল। সেইবোৰ প্ৰয়োগ কৰাৰ বাবে দৰকাৰী কার্যপন্থাও হাতত লোৱাৰ ব্যৱস্থা কৰিছিল। ইং 1991 চনৰ 26 ডিচেম্বৰত ৰামমূর্তিৰ প্ৰতিবেদন চৰকাৰৰ ওচৰত দাখিল কৰিছিল আৰু সংসদৰ দুয়ো সদনতে ইং 1991 চনৰ জানুৱাৰী মাহত উত্থাপিত হৈছিল।

ইং 1991 চনৰ 8 আৰু 9 মার্চত কেন্দ্রীয় শিক্ষা উপদেষ্টা ব'র্ডৰ সভা অনুষ্ঠিত হৈছিল। তাত শিক্ষা পর্য্যালোচনা সমিতি নামেৰে ৰাষ্ট্রীয় শিক্ষানীতিৰ ওপৰত পর্য্যালোচনা কৰিবলৈ এখন সমিতি গঠন কৰা হয়। অন্ধ্রপ্রদেশৰ মুখ্যমন্ত্রী শ্রীজনার্ধন ৰেড্ডীক (Sri N. Janardhana Reddy) অধ্যক্ষ হিচাপে লৈ ইং 1991 চনৰ 31 জুলাইত এখন সমিতি গঠন কৰা হয়। ইং 1986 চনৰ ৰাষ্ট্রীয় শিক্ষানীতিৰ বিভিন্ন দিশ প্রয়োগ কৰাটোৱেই এই সমিতিৰ প্রধান উদ্দেশ্য। অৱশ্যে এই সমিতিখনে ৰাষ্ট্রীয় শিক্ষানীতি গঠন হোৱাৰ দিনৰে পৰা তেতিয়ালৈকে কোনোধৰণৰ শিক্ষা জগতত বিকাশ ঘটাইছিল তাকো বিচাৰ কৰিছিল। অবশেষত, ইং 1992 চনৰ জানুৱাৰী মাহত ৰাষ্ট্রীয় শিক্ষানীতিৰ সংশোধিত ৰূপত প্রতিবেদন দাখিল কৰে। কেন্দ্রীয় শিক্ষা উপদেষ্টা জনার্ধন ৰেড্ডী সমিতিৰ আবেদন বিবেচনা কৰি সংশোধিত ৰাষ্ট্রীয় শিক্ষানীতি সম্পূর্ণ কৰি তোলে আৰু এই নীতি ইং 1992 চনৰ 7 মে'ত সংসদৰ দুয়োটা সদনতে উত্থাপিত হয়। এই সংশোধিত ৰাষ্ট্রীয় শিক্ষানীতিৰ এখন কর্ম আঁচনি প্রস্তুত কৰে আৰু শিক্ষাৰ বিভিন্ন ক্ষেত্রত 22টা কামৰ ভাৰ হাতত লয়। ইং 1992 চনৰ 3 আৰু 4 আগষ্টত অনুষ্ঠিত ৰাজ্যিক সচিবালয় আৰু শিক্ষাৰ পৰিচালক সন্মিলনত কর্ম আঁচনিখনৰ বিষয়ে আলোচনা হয়। সমিতিখনক কর্ম আঁচনিক চকু দিবলৈ আন এখন আৰু পৰিচালনা সমিতি গঠন কৰা হয়। কেন্দ্রীয় শিক্ষা উপদেষ্টা বোর্ডে ইং 1992 চনৰ আগষ্ট মাহৰ 8 তাৰিখে নথি-পত্রবোৰ অনুমোদন কৰে। ৰাষ্ট্রীয় শিক্ষানীতিৰ কর্ম আঁচনি (1992] খনে উচ্চ শিক্ষাকে সামৰি 23টা বিষয়ৰ ওপৰত বিভিন্ন কৌশলৰে আঁচনিখন প্রয়োগ কৰিবলৈ চেষ্টা কৰে।

ৰাষ্ট্রীয় জ্ঞান সমিতি ঃ ইং 2005 চনৰ 13 জুনত তিনি বছৰৰ বাবে (2005ৰ পৰা 2008ৰ 2 অক্টোবৰ) ৰাষ্ট্রীয় জ্ঞান সমিতি গঠন (National Knowledge Commission) হয়, উচ্চ শিক্ষাৰ সংস্কাৰ আৰু পৰিৱর্তনৰ আৱশ্যকতা অনুভব কৰি। ৰাষ্ট্রীয় জ্ঞান সমিতিয়ে উচ্চ শিক্ষাৰ তিনিটা বিশেষ দিশত গুৰুত্ব দিয়ে। সেই তিনিটা হ'ল— (1] প্রসাৰ (2] দক্ষতা (3] অন্তর্ভুক্তি ৰাষ্ট্রীয় সমিতিয়ে মুক্ত আৰু দুৰত্ব শিক্ষা পদ্ধতিৰ (Open and distance education) গুণগত মানৰ ওপৰত গুৰুত্ব দি যাতে এই মুক্ত আৰু দূৰত্ব শিক্ষাই উচ্চ শিক্ষাৰ উদ্দেশ্য— প্রসাৰ, দক্ষতা আৰু অন্তর্ভুক্তিক সামৰি লয়।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ শুদ্ধ উত্তৰটো দিয়ক ঃ

1) বিশ্ববিদ্যালয় শিক্ষা আয়োগৰ (1948-49] অধ্যক্ষ আছিল—
   ক) ড0 ডি. এছ. কোঠাৰী, খ) ড0 এছ. ৰাধাকৃষ্ণণ, খ) ড0 জাকিৰ হুছেইন
2) বিশ্ববিদ্যালয় অনুদান আয়োগ গঠন হৈছিল—
   ক) 1953 চনত, খ) 1956 চনত, গ) 1964 চনত
3) নতুন শিক্ষানীতি প্রধানমন্ত্রী ৰাজীৱ গান্ধীয়ে প্রৱর্তন কৰিছিল—
   ক) 1985 চনত, খ) 1986 চনত, গ) 1964 চনত
4) জনার্ধন ৰেড্ডী সমিতি গঠিন হৈছিল—
   ক) 1990 চনত 7 মে'ত, খ) 1991 চনত 9 জানুৱাৰীত,
   গ) 1992 চনৰ জানুৱাৰীত
5) সংশোধিত ৰাষ্ট্রীয় শিক্ষানীতি চূড়ান্ত সিদ্ধান্ত গৃহীত হৈছিল—
   ক) 1968 চনত, খ) 1986 চনত, গ) 1992 চনত
6) ভাৰত চৰকাৰৰ দ্বাৰা ৰাষ্ট্রীয় জ্ঞান সমিতি গঠন হৈছিল—
   ক) 2005 চনত, খ) 2007 চনত, গ) 2008 চনত

১০.৩.৩ স্বাধীনতাৰ পিছত অসমত নিম্ন স্নাতক পর্যায়ত উচ্চ শিক্ষাৰ বিকাশ

স্বাধীনতা লাভ কৰা দিনৰে পৰা অসমত উচ্চ শিক্ষাৰ দ্রুত বিকাশ হৈছে। ইং 1948 চনৰ 26 চনৰ 1ম জুলাইত ডিব্রুগড় বিশ্ববিদ্যালয় স্থাপন হয় আৰু অসমৰ উচ্চ শিক্ষাৰ ভেটি সুদৃঢ় কৰি তাৰ প্রসাৰত যথেষ্ট অবদান যোগায়। তলত উল্লেখ কৰা তালিকাই অসমত ইং 1947–48 চনৰ পৰা ইং 1990–91 চনলৈকে উচ্চ শিক্ষাৰ সম্প্রসাৰণ দেখাইছে।

তালিকা ১০.২

বছৰ	মহাবিদ্যালয়ৰ সংখ্যা	নামভর্তিৰ সংখ্যা	শিক্ষকৰ সংখ্যা
1947–48	16	5,439	Ð
1950–51	19	7,149	271
1960–61	35	25,243	855
1970–71	99	54,575	2,854
1980–81	139	1,11,075	4,291
1990–91	186	2,09,967	5,585

উৎস ঃ 1992 চনৰ অসমৰ উচ্চ শিক্ষাৰ হস্তপুথি

চৰকাৰে লোৱা বিভিন্ন পদক্ষেপৰ বাবে দিনে দিনে অনুষ্ঠান বা বিদ্যালয়সমূহৰ সংখ্যা বাঢ়ি অহা দেখা গৈছে। 2011–2012 চনত অসমৰ মুঠ উচ্চ শৈক্ষিক অনুষ্ঠানৰ সংখ্যা 494 আৰু সেই অনুষ্ঠানৰ নামভর্ত্তিৰ সংখ্যা হ'ল 521396।

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ খালী ঠাই পূৰ কৰক ঃ

ক) গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন হৈছিল ..... চনত।

খ) ডিব্রুগড় বিশ্ববিদ্যালয় স্থাপন হৈছিল ..... চনত।

গ) 1990–91 চনত অসমত মহাবিদ্যালয়ৰ সংখ্যা আছিল .....।

১০.৩.৪ স্বাধীনতাৰ পিছত অসমত স্নাতকোত্তৰ পর্যায়ত উচ্চ শিক্ষাৰ বিকাশ

তলত অসমৰ বিভিন্ন বিশ্ববিদ্যালয়ত উচ্চ শিক্ষাৰ সুবিধাবিলাক আলোচনা কৰিবলৈ লোৱা হৈছে।

গুৱাহাটী বিশ্ববিদ্যালয় ঃ আগতেই উল্লেখ কৰা হৈছে যে, গোটেই অসমত ছাত্র-ছাত্রীৰ উচ্চ শিক্ষাৰ প্রয়োজনীয়তাখিনি কলিকতা বিশ্ববিদ্যালয়ে পূৰণ কৰি আহিছিল। স্বাভাৱিকততে অসমৰ পৰা যোৱা ছাত্র আসনৰ সংখ্যা সীমিত আছিল এই কাৰণে উচ্চ শিক্ষা আহৰণ কৰিব খোজা অসমৰ ছাত্র সকলৰ মাজত অসন্তুষ্টি প্রকাশ কৰিছিল। সেয়ে অসম প্রদেশত উচ্চ শিক্ষাৰ অনুষ্ঠান এটা গঢ় দিয়াৰ বাবে বহু বছৰ ধৰি আন্দোলন কৰিব লগা হৈছিল। গুৱাহাটী বিশ্ববিদ্যালয় আইন (1947) ৰ অধীনত যেতিয়া ইং 1948 চনৰ 26 জানুৱাৰীৰ দিনা গুৱাহাটী বিশ্ববিদ্যালয় অসমত স্থাপন হৈছিল, তেতিয়াহে অসমীয়া জনসাধাৰণৰ সপোন বাস্তৱায়িত হৈছিল। কৃষ্ণকান্ত সন্দিকৈদেৱক প্রথম উপাচার্য হিচাপে লৈ গুৱাহাটী বিশ্ববিদ্যালয়ে সংবদ্ধধর্মী আৰু আবাসিক বিশ্ববিদ্যালয়ৰূপে শিক্ষা দিবলৈ শিক্ষা পৰিচালনাৰ দায়িত্ব ললে। বর্তমান গুৱাহাটী বিশ্ববিদ্যালয়ত 38 টা বিষয়ৰ স্নাতকোত্তৰ শাখা থকাৰ উপৰিও

কোকৰাঝাৰত এটা বিশ্ববিদ্যালয়ৰ ছেটেলাইট চৌহদ, আইন মহাবিদ্যালয়, স্নাতকোত্তৰ যোগাযোগ পাঠ্যক্রম বিদ্যালয় আছে। তাৰোপৰি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত 205 খনতকৈ অধিক সংবদ্ধধর্মী মহাবিদ্যালয় আছে যিবোৰ মহাবিদ্যালয় কলা, বিজ্ঞান, বাণিজ্য, আইন, মেডিকেল আদি বিভিন্ন শাখাত শিক্ষা প্রদান কৰে। এই মহাবিদ্যালয়বোৰ কিছুমানে আকৌ গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ শাখাও পৰিচালনা কৰে। গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত থকা বিভিন্ন বিষয় আৰু কার্যসুচী হ'ল Ð

অসমীয়া, আৰবী, বড়ো, ইংৰাজী, অর্থনীতি, শিক্ষা, হিন্দী, বুৰঞ্জী, জার্ণেলিজম, গণমাধ্যম, ভাষা-সাহিত্য, দর্শন, ৰাজনীতি, পার্চীয়ান, মনোবিজ্ঞান আৰু সংস্কৃত আদিত এম.এ. পাঠ্যক্রমৰ ব্যৱস্থা আছে। নৃতত্ব, উদ্ভিদ, ৰসায়ণ, কম্পিউটাৰ বিজ্ঞান, ভূতত্ব, ভূগোল, জীব বিজ্ঞান, পৰিসংখ্যা, সংখ্যা বিজ্ঞান আদিত এম.এ.উপাধি প্রদান কৰা হয়।

- বাণিজ্যত মাষ্টাৰ, বাণিজ্যিক প্রশাসনত এম.বি.এ. উপাধি (Master in Commerce, Master in Business Administration)
- আইনত এল.এল.এম. উপাধি (LLM in Law)
- শিক্ষাত এম.এড্ (M. Ed. in Education)
- পুথিভৰাল আৰু তথ্য-প্রযুক্তিবিদ্যাত মাষ্টাৰ ডিগ্রী (Master in library and Information Science)
- এম.ফিল. আৰু পি.এইচ.ডি. (M. Phil and Ph. D.)
- ওমেন ষ্ট্যাডিজ (Women Studies)

উমৈহতীয়া বিশ্ববিদ্যালয় সংস্থা আৰু ভাৰতীয় বিশ্ববিদ্যালয় সংস্থাৰ গুৱাহাটী বিশ্ববিদ্যালয়ো সদস্য। অসম চৰকাৰ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা গুৱাহাটী বিশ্ববিদ্যালয়ে বছৰেকীয়া পুঁজি লাভ কৰে। ইয়াৰ দ্বাৰা এম.ফিল. আৰু পি.এইচ.ডি. কার্যসূচীৰ সুবিধা লাভ কৰে।

ডিব্রুগড় বিশ্ববিদ্যালয় ঃ ইং 1965 চনত ডিব্রুগড় বিশ্ববিদ্যালয় স্থাপিত হয়। এইখন সংবদ্ধধর্মী, আবাসিক বিশ্ববিদ্যালয়। অসমৰ 7খন জিলাক ডিব্রুগড় বিশ্ববিদ্যালয়ে সাঙুৰি লৈছে। সেই কেইখন হ'ল— ডিব্রুগড়, তিনিচুকীয়া, শিবসাগৰ, যোৰহাট, গোলাঘাট, ধেমাজি, লক্ষ্মীমপুৰ। ডিব্রুগড় বিশ্ববিদ্যালয়ে নিম্ন উল্লেখিত বিষয়বোৰত পাঠদান কৰেÐ

- অসমীয়া, ইংৰাজী, বুৰঞ্জী, ৰাজনীতি বিজ্ঞান, সমাজ বিজ্ঞান আদি বিষয়ত এম.এ. ডিগ্রীৰ ব্যৱস্থা।
- নৃতত্ব, ব্যৱহাৰিক ভূ-তত্ব, ৰসায়ণ, জীব বিজ্ঞান, গণিত, পদার্থ বিজ্ঞান, পৰিসংখ্যা, পেট্রোলিয়াম টেকনোলজি আদি পাঠ্যক্রমত এম.এচ.চি. প্রদান।
- বাণিজ্য বিষয়ত এম. কম।
- বি.এড., এম.এড.।
- এম.ফিল., পি.এইচ.ডি.।
- ওমেন ষ্ট্যাডিজ।

তেজপুৰ বিশ্ববিদ্যালয় ঃ তেজপুৰ বিশ্ববিদ্যালয়খন একক ধৰণৰ বিশ্ববিদ্যালয়। কেন্দ্রীয় বিশ্ববিদ্যালয় খনত স্নাতক, স্নাতকোত্তৰ, ডক্টৰেট ডিগ্রী বিভিন্ন বিষয়ত প্রদান কৰা হয়। তেজপুৰ বিশ্ববিদ্যালয়ত শিক্ষা প্রদান কৰা ভাগবোৰ হ'লÐ

- বিজ্ঞান আৰু কাৰিকৰী বিদ্যালয়
- সমাজ বিজ্ঞান আৰু মানবীয়তাৰ বিদ্যালয়
- শক্তি, পৰিৱেশ আৰু প্রাকৃতিক সম্পদৰ বিদ্যালয়
- মেনেজমেণ্ট বিজ্ঞানৰ বিদ্যালয়
- অভিযান্ত্রিক বিদ্যালয়।

অসম কৃষি বিশ্ববিদ্যালয় ঃ ইং 1968 চনত অসম কৃষি বিশ্ববিদ্যালয় আইন অনুযায়ী ইং 1969 চনত অসম কৃষি বিশ্ববিদ্যালয় স্থাপিত হয়। বিশ্ববিদ্যালয়ৰ পৰিসীমা অনুযায়ী সমগ্ৰ অসমতে কৃষি আৰু কৃষি সম্বন্ধীয় বিজ্ঞানৰ শিক্ষণ, গৱেষণা আৰু বৃদ্ধি তথা প্ৰসাৰত গুৰুত্ব প্ৰদান কৰি আহিছে। যোৰহাটত মুখ্য কাৰ্যালয় হিচাপে লৈ বিশ্ববিদ্যালয়ৰ কেবাঠাইটো চৌহদ আছে।

অসম বিশ্ববিদ্যালয় ঃ ইং 1989 চনৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় আইনৰ অধীনত 1994 চনত অসম বিশ্ববিদ্যালয় স্থাপন হয়। এই বিশ্ববিদ্যালয় শিলচৰত অবস্থিত। এই বিশ্ববিদ্যায়ৰ উচ্চ শিক্ষাৰ বাবে বিভিন্ন প্ৰস্তাৱ আছে। অসম বিশ্ববিদ্যালয়ৰ পৰিসীমাই 5খন জিলাক সামৰি লৈ মুঠ 51খন স্নাতক পৰ্যায়ৰ মহাবিদ্যালয়ক অন্তৰ্ভুক্ত কৰিছে। অসম বিদ্যালয়ৰ শিক্ষাৰ লগতে সংবদ্ধধৰ্মী বিশ্ববিদ্যালয়। গৱেষণা কাৰ্য আৰু শিকণৰ বাবে সুস্থ পৰিৱেশ সৃষ্টি কৰিবলৈ অসম বিশ্ববিদ্যালয়ে আবাসিক বিশ্ববিদ্যালয় হিচাপে গঢ় লৈ উঠিছে। অসম বিশ্ববিদ্যালয়ৰ অধীনত 9খন স্কুল পোৱা যায়। সেইবোৰ হ'লÐ

- পৰিৱেশ বিজ্ঞান সম্পৰ্কীয় স্কুল
- শাৰিৰীক বিজ্ঞান সম্পৰ্কীয় স্কুল
- মানবীয় বিষয় সম্পৰ্কীয় স্কুল
- কাৰিকৰী বিষয়ৰ স্কুল
- তথ্য-প্ৰযুক্তি, জনসংযোগ সম্পৰ্কীয় স্কুল
- জীৱ বিজ্ঞান সম্পৰ্কীয় স্কুল
- মেনেজমেণ্ট স্কুল।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ শুদ্ধ উত্তৰ দিয়ক ঃ

ক) ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপিত হৈছিল .....।
1965û1969 চনত

খ) তেজপুৰ বিশ্ববিদ্যালয় এখন .....।
কেন্দ্ৰীয়ûৰাজ্যিক বিশ্ববিদ্যালয়

গ) অসম কৃষি বিশ্ববিদ্যালয়ৰ মুখ্য কাৰ্যালয় .....।
গুৱাহাটীûযোৰহাট

ঘ) অসম বিশ্ববিদ্যালয় স্থাপিত হৈছিল .....।
1989û1994 চনত

ঙ) গুৱাহাটী বিশ্ববিদ্যালয়ত স্নাতকোত্তৰ পৰ্যায়ৰ বিভাগৰ সংখ্যা .....।
83û38

চ) তেজপুৰ বিশ্ববিদ্যালয় অধীনত থকা শিক্ষা প্ৰদানৰ বিভাগৰ সংখ্যা .....।
5û9

১০.৩.৫ মুক্ত আৰু দূৰত্ব শিক্ষাৰ মাজেদি প্ৰদান কৰা উচ্চ শিক্ষাত অসমৰ বিকাশ

মুক্ত আৰু দূৰত্ব শিক্ষা হৈছে বৰ্তমান শিক্ষা পদ্ধতিত এক নতুন ধাৰা। এই শিক্ষাৰ উদ্দেশ্য হ'ল— যিসকল লোকে আনুষ্ঠানিকভাৱে শিক্ষা গ্ৰহণৰ সুবিধা লাভ কৰিবলৈ নোৱাৰে তেনে লোকক এইবিধ শিক্ষাৰ দ্বাৰা শিক্ষা প্ৰদান কৰা হয়। বয়স, ল'ৰা-ছোৱালী, সামাজিক, অৰ্থনৈতিক আদি দিশত গুৰুত্ব নিদি দূৰত্ব শিক্ষাই আধুনিক যোগাযোগৰ মাধ্যমেদি শিক্ষা প্ৰদান কৰিছে।

এইক্ষেত্রত অসমত এনে মুক্ত আৰু দূ�ৰত্ব শিক্ষাৰ প্রসাৰণ ঘটে, গুৱাহাটীত স্থাপিত ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয় (IGNOU)ৰ যোগেদি, ইয়াৰ আঞ্চলিক কেন্দ্র গুৱাহাটীত অবস্থিত। তলৰ তালিকাখনে ইং 2006 চনৰ জুলাইৰ পৰা ইং 2008 চনৰ জানুৱাৰী মাহলৈকে অসমৰ ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয়ৰ ছাত্র-ছাত্রীৰ নাম ভর্তিৰ বিষয়ে স্পষ্টভাৱে ডাঙি ধৰিছে।

তালিকা নং ১০.৩

সময়	মুঠ নামভর্তিৰ সংখ্যা	উৎস
জুলাই06–জানুৱাৰী 07	5941	ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয়ৰ 18 নং সমাৱর্তনৰ প্রতিবেদন।
জুলাই07–জানুৱাৰী 08	9762	ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয়ৰ 19 নং সমাৱর্তনৰ প্রতিবেদন।
জুলাই12–জানুৱাৰী 13	10506	ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয়ৰ 29 নং সমাৱর্তনৰ প্রতিবেদন।

(উৎস ঃ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যি মুক্ত বিশ্ববিদ্যালয়ৰ প্রতিবেদন, 2019–20]

ইং 1998 চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত মুক্ত আৰু দূৰত্ব শিক্ষাৰ প্রতিষ্ঠান স্থাপন হয়। অসমত এই মুক্ত আৰু দূৰত্ব শিক্ষাই যথেষ্ট জনপ্রিয়তা লাভ কৰিছে। এই অনুষ্ঠানৰ তলত দিয়া বিভাগবোৰ আছে Ð

- অসমীয়া, বঙালী, বড়ো, ইংৰাজী, বুৰঞ্জী, দর্শন, ৰাজনীতি বিজ্ঞান আদি বিষয়ত এম.এ. ডিগ্রী।
- অর্থনীতি আৰু গণিত শাস্ত্রত এম.এচ.চি. ডিগ্রী।
- বাণিজ্যত এম.কম.।
- জনসংযোগ আৰু সংবাদ মাধ্যমত মাষ্টাৰ ডিগ্রী।
- সংবাদ আৰু গণমাধ্যম, চেলচ্ আৰু মার্কেটিং মেনেজমেণ্ট, বিজনেছ মেনেজমেণ্ট, ফ্যানিষচিয়েল, কম্পিউটাৰ, বেংক, জীৱন বীমা মেনেজমেণ্ট, হিউমেন ৰিছোর্চ মেনেজণ্টে আদিত স্নাতক ডিপ্লোমা প্রদান।

মুক্ত আৰু দূৰৱর্ত্তী শিক্ষাৰ আন এটা উল্লেখযোগ্য অনুষ্ঠান হ'ল কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়, যি সকল ব্যক্তি উচ্চ শিক্ষা লাভ কৰাৰ বাবে আগ্রহী অথচ কিছু কাৰণত উচ্চ শিক্ষা লাভ কৰাৰ পৰা আঁতৰি থাকিবলগীয়া হৈছিল, সেইসকল ব্যক্তিৰ উদ্দেশ্যে 2005 চনত কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় স্থাপন কৰা হয়। 2007–08 চনত, এই বিশ্ববিদ্যালয়ত নামভর্তিৰ সংখ্যা 3500 তকৈও অধিক হয়। যিসকলে উচ্চ শিক্ষা লবৰ বাবে ডিগ্রী সাজু আঁচনি (B.P.P.) ভর্তি হয়। 2008–2009 চনৰ সময়চোৰাত শিকাৰুৰ সংখ্যা ডিগ্রী সাজু আঁচনি (B.P.P.)ত প্রায় 4192 আৰু ডিগ্রীপ্রাপ্ত বিষয়বোৰতপ্রায় 4881 জন হয়। 2014–2015 চনত

ডিগ্রী সাজু আঁচনি (B.P.P.) হয় 6655, ডিগ্রীপ্রাপ্ত বিষয়বোৰতনামভর্তিৰ সংখ্যা 19643 আৰু স্নাতকোওৰ বিষয়সমূহত, মুঠ নামভর্তিৰ সংখ্যা হয়গৈ 3925 ¼ 2019–20 চনত ডিগ্রীপ্রাপ্ত বিষয়বোৰতনামভর্তিৰ সংখ্যা হয়গৈ 10, 633 ¼\

এই বিশ্ববিদ্যালয়ে প্রদান কৰা বিভাগবোৰ হ'ল Ð

- কলাৰ স্নাতক, বি.এ. (B.A.) বাণিজ্যৰ স্নাতক, বি কম (B. Com.), গণসংযোগৰ স্নাতক, বি.এম.চি. (B.M.C.) বাণিজ্যিক প্রশাসনৰ স্নাতক, বি.বি.এ. (B.B.A.), প্রায়োগিক শিক্ষাৰ স্নাতক, বি.চি.এ. (B.C.A.)
- স্নাতক প্রস্তুতি পাঠ্যক্রম (BPP)

- ভাষা সাহিত্য সমাজ বিজ্ঞান আৰু বৃত্তিমুখী বিষয়ত ডক্টৰেল ডিগ্ৰী (Ph. D.) পাঠ্যক্ৰম,
- স্নাতকোওৰ বিষয়সমূহ, আৰু
- বিভিন্ন বিষয়ত ডিপ্লোমা (Diploma) আৰু চার্টিফিকেট (Certificate) পাঠ্যক্ৰম আদি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ আন এটা অংগ হ'ল দূৰত্ব শিক্ষাৰ সঞ্চালকালয় যাৰ দ্বাৰা গোটেই ৰাজ্যতে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ প্ৰসাৰ কৰি আহিছে। ইয়াৰ তলত দিয়া কাৰ্যসূচীবোৰ আছে Ð
- অসমীয়া, অৰ্থনীতি, ইংৰাজী, গণিত, ৰাজনীতি বিজ্ঞান, সমাজ বিজ্ঞান আদিত এম.এ. পাঠ্যক্ৰম।
- গণিত শাস্ত্ৰত এম.এচ.চি. প্ৰদান
- বাণিজ্যত এম.কম.
- মার্কেটিং মেনেজমেণ্টত স্নাতক ডিপ্লোমা প্ৰদান
- সংবাদ আৰু গণ মাধ্যমত স্নাতক ডিপ্লোমা প্ৰদান

tচিন্তা চৰ্চা কৰক ১০.১

- অসমত মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ মাজেদি প্ৰসাৰিত উচ্চ শিক্ষাৰ ক্ৰমবিকাশৰ বিষয়ে চমুকৈ লিখক।

  .....

  .....

2১০.৪ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- ইং 1858 চনত, কলিকতা বিশ্ববিদ্যালয়ৰ অধীনত গুৱাহাটী স্কুলে প্ৰবেশিকা পৰীক্ষা দিয়াৰ অনুমোদন লাভ কৰিছিল।
- ইং 1864 চনত,বিদ্যালয় সমূহৰ পৰিদৰ্শক মিষ্টাৰ মুৰেৰ (Mr. Murray)বেংগল চৰকাৰৰ ওচৰত এনেধৰণে এটা প্ৰস্তাৱ দাঙি ধৰিছিল যে গুৱাহাটী স্কুলত কলিকতা বিশ্ববিদ্যালয়ৰ বিষয় প্ৰথম কলা (F.A.) শিকাবৰ বাবে মান উন্নত কৰিব লাগে।
- ইং 1866 চনত, গুৱাহাটী স্কুলত কলা বিভাগত প্ৰথম পৰীক্ষা পতাৰ বাবে মহাবিদ্যালয় শাখা খোলা হৈছিল।
- দুৰ্ভাগ্যক্ৰমে ইং 1876 চনত অসমৰ মুখ্য আয়ুক্ত মিষ্টাৰ কীটিংচে (Mr. Keatings) গুৱাহাটী স্কুলৰ মহাবিদ্যালয় শাখাটো উঠাই দিছিল।
- ছাৰ চার্লছ ইলিয়টট (Sir Charles Elliot) সকলো অসমীয়া ছাত্ৰক প্ৰতি মাহে 20 টকাকৈ বৃত্তি দিবলৈ সিদ্ধান্ত কৰিছিল যিসকলে প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈছিল আৰু বেংগলত বি.এ. আৰু এফ.এ. পৰীক্ষাৰ বাবে গৈছিল।
- ইং 1899 চনত স্বৰ্গীয় মানিক চন্দ্ৰ বৰুৱাদেবে (Manik Ch. Baruah) গুৱাহাটী এখন মহাবিদ্যালয় স্থাপনৰ বাবে শক্তিশালী দাবী উত্থাপিত কৰিছিল।
- মুক্ত মনৰ গৰাকী, স্বভাবতে লোকক ভাল পোৱা ছাৰ হেনৰী জন ষ্টেডম্যান কটনদেবে (Sir Henry John Stedman Cotton) অসমত মুখ্য আয়ুক্ত হিচাপে নিযুক্ত হোৱাৰ পিছত অসমত এখন মহাবিদ্যালয় স্থাপন কৰে।

- মহাবিদ্যালয় স্থাপনৰ বাবে পুঁজিখিনি ৰাণী নিযুক্ত ৰাজ্যৰ সম্পাদকৰ পৰা ইং 1900ৰ 20 জুন তাৰিখে পাইছিল।
- ইং 1901 চনৰ 27 মে'ৰ দিনা ছাৰ হেনৰী জন ষ্টেডম্যান কটনদেবে আনুষ্ঠানিক ভাবে মহাবিদ্যালয়খন খোলে আৰু এই মহাবিদ্যালয়খনে পিছত কটন মহাবিদ্যালয় নামে জনা হয়।
- ইং 1947-48 চনৰ পৰা ইং 1990-91 চনলৈকে অসমত মহাবিদ্যালয়ৰ সংখ্যা 16খন হয়।
- ইং 1948 চনত ভাৰত চৰকাৰে ভাৰতীয় বিশ্ববিদ্যালয়ৰ সমস্যাবোৰ উলিয়াবলৈ আৰু বিশ্ববিদ্যালয় বিকাশৰ বাবে উপদেশ দিবলৈ এখন ভাৰতীয় বিশ্ববিদ্যালয় আয়োগ নিযুক্ত কৰে।
- ইং 1964 চনত ভাৰত চৰকাৰে সকেলা স্তৰতে আৰু সকলো দিশতে জাতীয়কৰণৰ বাবে নীতি, পদ্ধতি আৰু ক্ৰমবিকাশৰ বাবে চৰকাৰক উপদেশ দিবলৈ শিক্ষা আয়োগ নিযুক্ত কৰে।
- ইং 1968 চনৰ 24 জুলাইত ভাৰত চৰকাৰৰ দ্বাৰা ৰাষ্ট্ৰীয় শিক্ষানীতি প্ৰৱৰ্তন হয়।
- একৈশ শতিকাৰ প্ৰতিদ্বন্দ্বিতাপূৰ্ণ কৰাৰ উদ্দেশ্যে তেতিয়াৰ প্ৰধানমন্ত্ৰী ৰাজীৱ গান্ধীয়ে ইং 1985 চনত সংসদত নতুন শিক্ষা নীতিৰ ব্যৱস্থা কৰে।
- ইং 1985 চনৰ মে' মাহত সংসদত এই নতুন শিক্ষানীতি উত্থাপিত হয় আৰু 1986 চনৰ আগষ্ট মাহত কাৰ্যকৰী হয়।
- আচাৰ্য ৰামমূৰ্তিৰ অধ্যক্ষতাত ইং 1990 চনৰ মে' মাহত এখন সমিতি গঠন হয় আৰু এই সমিতিয়ে 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ পৰ্য্যালোচনা কৰিছিল।
- ইং 1991 চনত এন. জনাৰ্ধন ৰেড্ডীৰ অধ্যক্ষতাত কেন্দ্ৰীয় শিক্ষা উপদেষ্টা সমিতিয়ে এখন সমিতি গঠন কৰে। এই নতুন সমিতিৰ মূল লক্ষ্য আছিল ইং 1990 চনৰ সংশোধিত শিক্ষানীতি বিবেচনা কৰা আৰু ইং 1986 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰণোদিত বিভিন্ন কাৰ্যসূচীসমূহৰ পৰ্যালোচনা।
- ইং 1992 চনৰ আগষ্ট মাহত কেন্দ্ৰীয় শিক্ষা উপদেষ্টা সমিতিয়ে এই নীতিৰ কাৰ্যকৰীৰূপ অনুমোদন কৰে।
- ৰাষ্ট্ৰীয় জ্ঞান সমিতি (2005-2008] উচ্চ শিক্ষাৰ তিনিটা দিশ সম্প্ৰসাৰণ, দক্ষতা, অন্তৰ্ভুক্তিত গুৰুত্ব দিয়ে।
- ইং 1948 চনৰ 26 জানুৱাৰীত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হয়। ইয়াৰ 38 টা স্নাতকোত্তৰ বিভাগ আছে। লগতে এই বিশ্ববিদ্যালয়ৰ অধীনত কোকৰাঝাৰত এটা চৌহদ, স্নাতকোত্তৰ যোগাযোগ বিদ্যালয়, এখন আইন মহাবিদ্যালয় আছে।
- ইং 1965 চনৰ ডিব্ৰুগড় বিশ্ববিদ্যালয় আইনৰ সুবিধাৰ্থে ইং 1965 চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপিত হয়। শিক্ষণ, সংবদ্ধধৰ্মী, আবাসিক বিশ্ববিদ্যালয় হিচাপে অসমৰ 7 খন জিলাক সাঙুৰি লৈছে।
- তেজপুৰ বিশ্ববিদ্যালয় এখন একক ধৰণৰ বিশ্ববিদ্যালয়। এই বিশ্ববিদ্যালয়ে স্নাতক, স্নাতকোত্তৰ, ডক্টৰেট আদিকে ধৰি পাঁচটা শৈক্ষিক শিতান আছে।
- ইং 1968 চনত অসম কৃষি বিশ্ববিদ্যালয়ৰ অধীনত ইং 1969 চনত যোৰহাটত অসম কৃষি বিশ্ববিদ্যালয় স্থাপন হয়। কৃষি আৰু বিজ্ঞানত শিক্ষণ, গৱেষণা, সম্প্ৰসাৰণ ঘটাই সমগ্ৰ অসমত ইয়াৰ পৰিসীমা বৃদ্ধি কৰিছে।
- ইং 1989 চনৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয় আইনৰ অধীনত ইং 1994 চনত অসম বিশ্ববিদ্যালয় শিলচৰত প্ৰতিষ্ঠা কৰা হয়। বৰাক উপত্যকাৰ পাঁচখন জিলাক সামৰি লৈ এই বিশ্ববিদ্যালয় এখন শিক্ষণ আৰু সংবদ্ধধৰ্মী বিশ্ববিদ্যালয়। এই বিশ্ববিদ্যালয়ৰ অধীনত 9টা শৈক্ষিক বিভাগ আছে।
- ৰাষ্ট্ৰীয় ইন্দিৰা গান্ধী মুক্ত বিশ্ববিদ্যালয়ৰ আঞ্চলিক কেন্দ্ৰ, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত থকা মুক্ত আৰু দূ�ৰৱৰ্ত্তী শিক্ষানুষ্ঠান, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অধীনত দূ�ৰত্ব শিক্ষাৰ সঞ্চালকালয়, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় আদিয়ে মুক্ত আৰু দূৰৱৰ্ত্তী শিক্ষাৰ মাজেদি উচ্চ শিক্ষাৰ সুবিধা প্ৰদানত উল্লেখনীয় ভূমিকা লৈ আহিছে।

১০.৫ অধিক জানিবলৈ

1] ড0 লক্ষহীৰা দাস, *'অসমত শিক্ষা'*।
2] *হেণ্ডবুক অন হাইয়াৰ এডুকেশ্বন ইন আসাম,* ডাইৰেক্টৰেট অব হাইয়াৰ এডুকেশ্বন, গৰ্ভৰমেণ্ট অৰ আসাম, 1992¼
3] *স্বৰ্ণ জয়ন্তী সংখ্যা,* কটন মহাবিদ্যালয়, 1951-52¼

১০.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ ক) ইং 1858 চন, খ) দুই, গ) মিষ্টাৰ মুৰে, ঘ) কোল কীটিংছ, ঙ) ইং 1876

২ নং প্রশ্নৰ উত্তৰ ঃ 1) (খ) ছাৰ চালর্ছ ইলিয়ট 2) (খ) ইং 1901 চনৰ 27 মে'
3) (ক) মিষ্টাৰ উইলিয়াম ছুডমার্চেন 4) ক) ইং 1931 চন।

৩ নং প্রশ্নৰ উত্তৰ ঃ 1) (খ) ড0 এছ. ৰাধাকৃষ্ণন 2) (খ) ইং 1956 3) (ক) ইং 1985
4) (গ) ইং 1992 চনৰ জানুৱাৰী 5) (ক) ইং 2005

৪ নং প্রশ্নৰ উত্তৰ ঃ ক) ইং 1948 চনৰ 26 জানুৱাৰী, খ) ইং 1965 চনৰ 1ম জুলাই, গ) 186

৫ নং প্রশ্নৰ উত্তৰ ঃ ক) ইং 1965, খ) কেন্দ্রীয় বিশ্ববিদ্যালয়, গ) যোৰহাট, ঘ) ইং 1994, ঙ) 38, চ) 5

১০.৭ আৰ্হি প্রশ্ন

(ক) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ উচ্চ শিক্ষাৰ প্রাসংগিকতা কি কি?

প্রশ্ন ২ঃ ভাৰতবর্ষত শিক্ষা ব্যৱস্থাত শিক্ষাৰ সুবিধা আৰু সমতা ৰক্ষাৰ ক্ষেত্রত মুক্ত আৰু দূ�ৰৱর্ত্তী শিক্ষা ব্যৱস্থাই ভূমিকা পালন কৰে বুলি আপুনি কিয় ভাৰে?

প্রশ্ন ৩ঃ অসমত উচ্চ শিক্ষানুষ্ঠানৰ সম্প্রসাৰণৰ আঁৰৰ মূল কাৰণ কি?

(খ) ৰচনা ধর্মী প্রশ্ন (৩০০ - ৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ ব্রিটিছ যুগত অসমত উচ্চ শিক্ষাৰ পদ্ধতিৰ পৰিচয় দাঙি ধৰা উপায়বোৰ চমুকৈ লিখক।

প্রশ্ন ২ঃ ইং 1900-1947 চনলৈকে অসমত উচ্চ শিক্ষাৰ বিকাশৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৩ঃ ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছত স্নাতক পর্যায়ত উচ্চ শিক্ষাৰ বিকাশৰ বিষয়ে আলোচনা কৰক।

প্রশ্ন ৪ঃ অসমত উচ্চ শিক্ষাৰ বিকাশত বিশ্ববিদ্যালয়সমূহৰ অবদানৰ বিষয়ে ব্যাখ্যা কৰক।

প্রশ্ন ৫ঃ অসমত উচ্চ শিক্ষাৰ সম্প্রসাৰণত মুক্ত আৰু দূৰৱর্ত্তী শিক্ষা ব্যৱস্থা লোৱা ভূমিকাৰ বিষয়ে আলোচনা কৰক।

অধ্যায় ১১ ঃ অসমত মহিলা শিক্ষাৰ বিকাশ

অধ্যায় গাঁথনি

11.1 উদ্দেশ্য
11.2 পৰিচয়
11.3 মহিলা শিক্ষাৰ ধাৰণা
  11.3.1 মহিলা শিক্ষাৰ গুৰুত্ব
  11.3.2 অসমত মহিলা শিক্ষাৰ প্ৰগতি আৰু বিকাশ
  11.3.3 অসমত ছোৱালীসকলৰ প্ৰাথমিক শিক্ষাৰ বিকাশ
  11.3.4 অসমত ছোৱালীৰ উচ্চ শিক্ষা
11.4 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
11.5 অধিক জানিবলৈ
11.6 অগ্ৰগতিৰ খতিয়ান
11.7 আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- মহিলা শিক্ষাৰ অৰ্থ বৰ্ণনা কৰিব পাৰিব
- মহিলা শিক্ষাৰ গুৰুত্ব চিনাক্ত কৰিব পাৰিব
- বিভিন্ন সময়ত মহিলা শিক্ষাৰ বিকাশ উপলব্ধি কৰিব পাৰিব
- অসমত ছোৱালীৰ বাবে প্ৰাথমিক শিক্ষা আৰু উচ্চ শিক্ষাৰ বিকাশ আলোচনা কৰিব পাৰিব।

১১.২ পৰিচয়

ছোৱালী আৰু মহিলাৰ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ লগত সম্বন্ধিত জটিল বিষয়বোৰৰ ক্ষেত্ৰত মহিলা শিক্ষা শব্দটোৰ প্ৰয়োগ কৰা হয়। ই লিংগ সমতা আৰু শিক্ষাৰ প্ৰাপ্তি, দৰিদ্ৰতা নিৰ্মূলকৰণ আৰু জাতীয় কল্যাণৰ দিশবোৰক অন্তৰ্ভুক্ত কৰে। শিক্ষাক মানৱ সমাজৰ বিকাশৰ এক প্ৰধান চাবিকাঠি স্বৰূপে বিবেচনা কৰা হয় আৰু বিভিন্ন জাতি, শ্ৰেণী, জনজাতীয় দল আৰু বৰ্ণৰ সমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ক্ৰমাগতভাৱে শিক্ষাই গুৰুত্ব প্ৰদান কৰা তালিকাত লিংগ ধাৰণাটোও যোগ হৈছিল যাৰ ফলত শিক্ষাৰ সমান সুযোগ পুৰুষ আৰু মহিলাক প্ৰদান কৰিব পৰা যায় আৰু লিংগ সমতাৰ চাহিদা পূৰণ কৰিব পৰা যায়। এখন দেশৰ মৰ্যাদা সেই দেশৰ মহিলাসকলৰ বৰঙণিৰ দ্বাৰা পৰিমাপ কৰা হয়। মহিলা সৱলীকৰণৰ বাবে মহিলা শিক্ষা অপৰিহাৰ্য। ভাৰতবৰ্ষত স্বাধীনতাৰ পিছত পৰিকল্পনাকাৰীসকলে মহিলা শিক্ষাৰ ওপৰত উপযুক্ত মনোযোগ প্ৰদান কৰিছিল আৰু মহিলা সবলীকৰণৰ বাবে ইয়াক প্ৰস্তাৱনা বুলি গণ্য কৰিছিল। এই অধ্যায়ত অসমৰ মহিলা শিক্ষাৰ বিভিন্ন দিশৰ বিষয়ে আলোচনা কৰা হ'ব।

১১.৩ মহিলা শিক্ষাৰ ধাৰণা

সাধাৰণ জ্ঞান, কৌশল আৰু মনোভাৱৰ বিকাশৰ উদ্দেশ্যেৰে বিভিন্ন প্ৰকাৰ আৰু পৰ্যায়ৰ শিক্ষাত মহিলা আৰু ছোৱালীসকলক প্ৰদান কৰা শিক্ষায়ে হ'ল মহিলা শিক্ষা। ভাৰতীয় সংবিধানে পুৰুষ আৰু মহিলা সকলোৰে বাবে

শিক্ষাৰ অধিকাৰৰ ব্যৱস্থা কৰিছে। ছোৱালীসকলৰ শিক্ষাই আমাৰ দেশৰ শিক্ষা আৰু আৰ্থ-সামাজিক ক্ষেত্ৰত ব্যাপক পৰিৱৰ্তনৰ সূচনা কৰে। ইয়ে সুস্থ, সন্তোষজনক আৰু সম্পূৰ্ণ জীৱন-যাপনত সহায় কৰে আৰু ভৱিষ্যতে ই দেশৰ বিকাশতো অৰিহণা যোগায়। মহিলাসকলৰ বাবে শিক্ষা অতি প্ৰয়োজনীয়, কিয়নো ই মহিলাসকলক নিজৰ লগতে সমগ্ৰ সমাজৰ উপকাৰত অহা বিভিন্ন বিকাশৰ প্ৰক্ৰিয়াত অংশগ্ৰহণৰ সুবিধা প্ৰদান কৰে। এগৰাকী শিক্ষিতা মাতৃয়ে পৰিয়ালৰ সাক্ষৰতাৰ কৌশল বিকশাই তুলিব পাৰে, উপযুক্ত স্বাস্থ্য বিজ্ঞান প্ৰদান কৰিব পাৰে, বৃত্তিমূলক শিক্ষা প্ৰদানৰ দ্বাৰা পৰিয়ালৰ আৰ্থিক অৱস্থা স্বচ্ছল কৰিব পাৰে, বাধাগ্ৰস্ততা আৰু পক্ষপাতিতা নিৰ্মূল কৰিব পাৰে আৰু বিভিন্ন প্ৰকাৰৰ শোষণৰ বিৰুদ্ধে যুঁজ দিব পাৰে। সেয়ে মহিলা শিক্ষাক এখন দেশৰ বিকাশৰ এক গুৰুত্বপূৰ্ণ সূচকৰূপে গণ্য কৰা হয়।

১১.৩.১ মহিলা শিক্ষাৰ গুৰুত্ব

তলত দিয়া দৃষ্টিভংগীবোৰৰ বাবে মহিলা শিক্ষা গুৰুত্বপূৰ্ণ—

- **অৰ্থনৈতিক বিকাশ আৰু সমৃদ্ধি ঃ** শিক্ষাই মহিলাসকলক সৱলীকৃত কৰি তেওঁলোকৰ ধাৰণা আৰু বৰঙনি ভাৰতৰ সমৃদ্ধিৰ বাবে প্ৰয়োগ কৰে।
- **অৰ্থনৈতিক সবলীকৰণ ঃ** যদি মহিলাসকল অনগ্ৰসৰ আৰু আৰ্থিকভাৱে পুৰুষৰ ওপৰত নিৰ্ভৰ কৰিব লগা হয় তেন্তে তেওঁলোক সদায় সহায়হীন হৈ থাকিব আৰু কোনো দিনেই আভ্যন্তৰীণ আকাংক্ষা আৰু দৃষ্টি উপলব্ধি কৰিব নোৱাৰিব।
- **প্ৰগতিশীল জীৱন ঃ** শিক্ষাই মহিলাসকলক এক সুস্থ আৰু সম্পূৰ্ণ জীৱন-যাপন কৰাত সহায় কৰিব। যিয়ে তেওঁলোকক এক নতুন পৰিচয় দিব, নিজৰ বাবে যুঁজ কৰিবৰ শক্তি দিব আৰু নিজৰ অৱস্থাৰ উন্নতি সাধন কৰিব। নিজৰ অধিকাৰবোৰ সংৰক্ষিত কৰিবৰ বাবে তেওঁলোক দক্ষ হ'ব।
- **স্বাস্থ্যৰ উন্নতি সাধন ঃ** শিক্ষাই স্বাস্থ্য আৰু স্বাস্থ্য বিজ্ঞানৰ ক্ষেত্ৰত সজাগতা বৃদ্ধি কৰে যাৰ যোগেদি মহিলাই নিজৰ লগতে পৰিয়ালৰ যত্ন ল'ব পাৰে। পুষ্টিকৰ খাদ্য প্ৰস্তুত কৰিব পাৰে আৰু নিজৰ ঘৰৰ চৌপাশ পৰিস্কাৰ কৰি ৰাখিব পাৰে।
- **মৰ্যাদা, ন্যায় আৰু সন্মান ঃ** শিক্ষিতা মহিলা অনুপ্ৰেৰণাৰ উৎস আৰু আন বহুতো ছোৱালীৰ বাবে আৰ্হিস্বৰূপ। বৃত্তিগত বা জীৱনৰ বিভিন্ন ক্ষেত্ৰত সফলতা লাভ কৰা মহিলাসকলে নিজৰ অধিকাৰ আৰু কৰ্তব্যৰ ক্ষেত্ৰত সজাগ আৰু এইবোৰ সংৰক্ষণৰ বাবে থিয় দিব পাৰে। বিভিন্ন অসুস্থ অনুশীলন আৰু অন্যায় যেনে— যৌতুক, বাল্য বিবাহ বা পতিতা, মহিলা ভ্ৰূণ হত্যা আদিবোৰ মহিলাসকলৰ শিক্ষাৰ দ্বাৰা নিৰাময় কৰিব পাৰি।
- **দৰিদ্ৰতা নিৰ্মূলকৰণ আৰু অৰ্থনৈতিক বৰঙণি ঃ** শিক্ষিত মহিলাসকল জীৱনৰ বিভিন্ন ক্ষেত্ৰত সফলৰূপে প্ৰমাণিত হৈছে, যেনে— মহাকাশ বিজ্ঞানী, নার্চ, শিক্ষয়িত্ৰী, অভিযন্তা, চিকিৎসক, ৰান্ধনী, বিমান পৰিচালিকা আদি। এইবোৰৰ যোগেদি তেওঁলোকে সমান অধিকাৰ আৰু সুযোগ লাভ কৰিব পাৰে। ইয়াৰ যোগেদি তেওঁলোকে পৰিয়ালৰ আয়ৰ লগতে জাতীয় বিকাশত বৰঙণি আগবঢ়াব পাৰে। দৰিদ্ৰতা নিৰ্মূলকৰণত মহিলাসকলে সমান দায়িত্ব পালন কৰিব পাৰে।

5 জানি থোৱা ভাল

সাধাৰণ জ্ঞান, কৌশল আৰু মনোভাৱেৰে উদ্দেশ্যেৰে বিভিন্ন প্ৰকাৰ আৰু পৰ্যায়ৰ শিক্ষাত মহিলা আৰু ছোৱালীসকলক প্ৰদান কৰা শিক্ষা হ'ল মহিলা শিক্ষা। ছোৱালী আৰু মহিলাৰ প্ৰাথমিক, মাধ্যমিক আৰু উচ্চ শিক্ষাৰ লগত সম্বন্ধিত জটিল বিষয়বোৰৰ ক্ষেত্ৰত মহিলা শিক্ষা শব্দটোৰ প্ৰয়োগ কৰা হয়। অৰ্থনৈতিক বিকাশ

আৰু সমৃদ্ধি, অর্থনৈতিক সবলীকৰণ, প্রগতিশীল জীৱন, স্বাস্থ্যৰ উন্নতি সাধন, মর্যাদা, ন্যায় আৰু সন্মান তথা দৰিদ্রতা নির্মূলকৰণ আৰু অর্থনৈতিক বৰঙণিৰ দৃষ্টিভংগীৰে মহিলা শিক্ষা গুৰুত্বপূর্ণ।

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ মহিলা শিক্ষা কিয় গুৰুত্বপূর্ণ?

.....

প্রশ্ন নং ২ ঃ মহিলা শিক্ষাই কেনেকৈ প্রগতিশীল জীৱন বিকশাব পাৰে?

.....

১১.৩.২ অসমত মহিলা শিক্ষাৰ প্রগতি আৰু বিকাশ

অসমত মহিলা শিক্ষাৰ বিকাশে এক দীঘল পৰিক্রমা সামৰি লৈছে। ইয়াক তলত দিয়া ধৰণেৰে বিভাজিত কৰিব পাৰি—

- আহোম শাসন কালত শিক্ষা
- বৃটিছ শাসন কালত শিক্ষা
- স্বাধীনোত্তৰ কালত শিক্ষা

- **আহোম শাসন কাল ঃ** আহোম শাসন কালত মহিলাসকলে সমাজত এক গুৰুত্বপূর্ণ স্থান অধিকাৰ কৰিছিল। আনকি কিছুসংখ্যক মহিলাই অস্ত্র হাতত লৈ যুদ্ধক্ষেত্রলৈও গৈছিল আৰু শত্রুৰ বিৰুদ্ধে যুদ্ধ কৰিছিল। ব্যক্তিগত পর্যায়ক বাদ দি শিক্ষাৰ কিন্তু বিশেষ প্রসংগ এই সময়ছোৱাত দেখা নগৈছিল। আহোম শাসন কালত ছোৱালীসকলৰ বাবে গৃহ শিক্ষকৰ ব্যৱস্থা আছিল য'ত প্রধান গুৰুত্ব প্রদান কৰা হৈছিল ঘৰুৱা কাম-কাজত ছোৱালীৰ দক্ষতা বৃদ্ধি কৰাত।
- **বৃটিছ শাসন কাল ঃ** ইয়াণ্ডাবু সন্ধিৰ পিছত অসম বৃটিছ শাসনৰ অধীনস্থ হোৱাৰ পিছত অসমত শিক্ষাৰ আধুনিক যুগ আৰম্ভ হৈছিল। 1826 চনত শ্রীৰামপুৰ মিছনেৰীৰ এটা শাখা গুৱাহাটীত স্থাপন কৰিছিল। 1836 চনত ৰেভাৰেণ্ড নাথান ব্রাউনৰ নেতৃত্বত আমেৰিকান বেপ্তিষ্ট মিছন ফৰেইন ছ'চাইটিৰ এটা দল শদিয়ালৈ পঠিয়ায় য'ত প্রথম ছপাশাল স্থাপন কৰা হৈছিল। ড^{0} ব্রুন্সন, নামৰ আন এগৰাকী মিছনেৰী অসমলৈ আহে আৰু জয়পুৰৰ ওচৰৰ এখন গাঁৱত নগাসকলৰ মাজত কাম আৰম্ব কৰিছিল। বৃটিছ শাসনৰ আৰম্ভণিতে অসমত মহিলাসকলৰ শিক্ষা আৰম্ভ কৰিছিল বিদেশী মিছনেৰীসকলৰ পত্নীসকলে। তেওঁলোকে যুৱতীসকলৰ বাবে জানানা স্কুল স্থাপন কৰিছিল। সেই সময়ৰ অসমৰ সাধাৰণ সচিব কেপ্টেইন জেনকিন্চৰ আমন্ত্রণক্রমে শদিয়ালৈ আহি 1839 চনৰ মার্চ মাহৰ পৰা তেওঁলোকে কার্য আৰম্ভ কৰিছিল। প্রথম বিদ্যালয় শদিয়াত স্থাপন কৰিছিল আৰু এই প্রক্রিয়া গুৱাহাটী, গোলাঘাট, শিৱসাগৰ, উত্তৰ লখিমপুৰ, তুৰা, শ্বিলং আৰু অন্যান্য স্থানলৈ সম্প্রসাৰিত হৈছিল। ছোৱালীসকলক বিশেষকৈ বিবাহিতা মহিলাসকলক শ্রেণীলৈ আনিবৰ বাবে মিছনেৰী পত্নীসকলে ঘৰে ঘৰে যাব লগা হোৱা বাবে বিভিন্ন জটিলতাৰ সন্মুখীন হৈছিল।

  অসমৰ প্রথমখন ছোৱালী বিদ্যালয় 1840 চনত গুৱাহাটীত স্থাপন কৰা হৈছিল। অসমৰ ইতিহাসত ডব্লিউ. ৰবিনচন হ'ল প্রথমজন বিদ্যালয়ৰ পৰিদর্শক। ইয়াৰ ফলশ্রুতিত, চৰকাৰ আৰু অন্যান্য ব্যক্তিগত প্রতিষ্ঠানবোৰে নতুন স্কুল খুলিবৰ বাবে আগ্রহী হৈছিল। ৰাজ্যৰ বিভিন্ন স্থানত ইংৰাজী, মধ্য-ইংৰাজী আৰু স্থানীয় ভাষাৰ স্কুল খোলা হৈছিল। মিছনেৰীসকলে অসমৰ বিভিন্ন ঠাইত কিছুসংখ্যক স্কুল আৰু কলেজ খুলিছিল। এই স্কুল আৰু কলেজবোৰে এতিয়াও বহুতো ছাত্র-ছাত্রীক আকর্ষিত কৰে। অসমৰ পাহাৰীয়া অঞ্চলক সামৰি বিভিন্ন ঠাইত প্রাথমিক বিদ্যালয় স্থাপনত বিভিন্ন খ্রীষ্টান

মিছনেৰীয়ে উৎকৃষ্ট কাম কৰিছিল। 1875 চনৰ ভিতৰত অসমত শিক্ষানুষ্ঠান বাঢ়ি হৈছিল 1293 খন আৰু ছাত্ৰ-ছাত্ৰীৰ সংখ্যা আছিল 31,462 জন। ইয়াৰ উপৰি কেতবোৰ নৰ্মাল স্কুলো স্থাপন কৰা হৈছিল। 1892 চনত চিলেটত এখন কলেজ খোলা হৈছিল। ডিব্ৰুগড়ত এখন মেডিকেল কলেজ স্থাপন কৰা হৈছিল আৰু 1900 চনৰ সময়ছোৱাত গুৱাহাটীত এখন অভিযান্ত্ৰিক কলেজ আৰু আইনৰ শ্ৰেণীবোৰ আৰম্ভ হৈছিল।

গতিকে, 19 শতিকাৰ শেষৰফালে অসমত শিক্ষাৰ এক সন্তোষজনক সম্প্ৰসাৰণ পৰিলক্ষিত হৈছিল। 1905 চনত অসমত শিক্ষা বিভাগ স্থাপন কৰা হৈছিল। প্ৰাক্-স্বাধীনতা কালত ল'ৰা আৰু ছোৱালীৰ প্ৰাথমিক শিক্ষাৰ কিছু পৰিমাণে প্ৰগতি হৈছিল। অসমৰ প্ৰথমখন মাধ্যমিক বিদ্যালয়, 1835 চনৰ 15 জুনত গুৱাহাটীত স্থাপন কৰা হৈছিল যিখনক গৌহাটী চেমিনাৰী নামে জনা গৈছিল। 1866 চনৰ পৰা গৌহাটী চেমিনাৰীত ইণ্টাৰমিডিয়েট শাখা খোলা হৈছিল। 19 শতিকাৰ শেষলৈ অসমৰ প্ৰতিখন জিলাৰ প্ৰতিটো সদৰতে একোখনকৈ হাইস্কুল আছিল।

- **স্বাধীনোত্তৰ কালত ঃ** আৰম্ভণিৰ পৰা অসমত মহিলা শিক্ষাৰ বিকাশ অতি পিচপৰা আছিল। ছোৱালী আৰু মহিলাসকলৰ সাক্ষৰতাৰ হাৰ নিম্নমানৰ আছিল। 1961 চনৰ লোকপিয়লৰ তথ্য অনুসৰি, অসমত সাক্ষৰতাৰ হাৰ আছিল 27.4í য'ত ল'ৰাৰ সাক্ষৰতাৰ হাৰ আছিল 37.3í আৰু ছোৱালীৰ আছিল 16.0í। স্বাধীনতাৰ আগত অসমৰ মহিলা শিক্ষাৰ অৱস্থা সন্তোষজনক নাছিল। সেয়ে, স্বাধীনতাৰ পিছত, প্ৰাথমিক শিক্ষাই অধিক গুৰুত্ব লাভ কৰিছিল। বৰ্তমান সময়ত ছোৱালী শিক্ষাৰ সম্প্ৰসাৰণ সন্তোষজন আৰু ভাৰতৰ অন্যান্য ৰাজ্যৰ লগত একেলগে বিকাশৰ পথত আগুৱাইছে। 2011 চনত অসমৰ সাক্ষৰতাৰ হাৰ হ'ল 73.18í।পুৰুষৰ সাক্ষৰতাৰ হাৰ আছিল 78.81í আৰু মহিলাৰ সাক্ষৰতাৰ হাৰ আছিল 67.27í। আঞ্চলিক শিক্ষা বোৰ্ডৰ অধীনত শ্বিলঙত এখন প্ৰাথমিক শিক্ষা বোৰ্ড স্থাপন কৰা হৈছিল। 1948 চনত অসমৰ শিক্ষাৰ ক্ষেত্ৰত এক কোটিতকৈ অলপ কম টকা ধাৰ্য কৰা হৈছিল। দেখা গৈছিল যে 1948 চনত প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা আছিল 7574 খন য'ত ছোৱালীৰ বিদ্যালয়ৰ সংখ্যা আছিল 835 খন আৰু 1965 চনত এইসংখ্যা বাঢ়ি হৈছিল 18,953 খন। 2015-16 চনত প্ৰাথমিক বিদ্যালয়ৰ সংখ্যা আছিল 48529 খন আৰু উচ্চ প্ৰাথমিক বিদ্যালয় আছিল 13451 খন।

5 জানি থোৱা ভাল

অসমত মহিলা শিক্ষাৰ বিকাশে এক দীঘল পৰিক্ৰমা সামৰি লৈছে। ইয়াক তিনিটা ভাগত ভগাব পাৰি।

1) আহোম শাসন কালত শিক্ষা।
2) বৃটিছ শাসন কালত শিক্ষা।
3) স্বাধীনোত্তৰ কালত শিক্ষা

বৃটিছ শাসন কালৰ আৰম্ভণিতে অসমত মহিলাসকলৰ শিক্ষা আৰম্ভ কৰিছিল বৃটিছ মিচনেৰীসকলৰ পত্নীসকলে। তেওঁলোকে যুৱতীসকলৰ বাবে জানানা স্কুল স্থাপন কৰিছিল। 1839 চনত শদিয়াত আহি মিছনেৰীসকলে কাৰ্য আৰম্ভ কৰিছিল। অসমৰ প্ৰথমখন ছোৱালী বিদ্যালয় 1840 চনত গুৱাহাটীত স্থাপন কৰা হৈছিল। 1905 চনত অসমত শিক্ষা বিভাগ স্থাপন কৰা হৈছিল। প্ৰাক্-স্বাধীনতা কালত ল'ৰা আৰু ছোৱালীৰ প্ৰাথমিক শিক্ষাৰ কিছু পৰিমাণে প্ৰগতি হৈছিল। অসমৰ প্ৰথমখন মাধ্যমিক বিদ্যালয় 1835 চনৰ 15 জুনত স্থাপন কৰা হৈছিল। যিখনক গৌহাটী চেমিনাৰী নামেৰে জনা গৈছিল। স্বাধীনতাৰ পিছত প্ৰাথমিক শিক্ষাই বিশেষ গুৰুত্ব লাভ কৰিছিল। বৰ্তমান সময়ত ছোৱালী শিক্ষাৰ সম্প্ৰসাৰণ সন্তোষজনক আৰু ই ভাৰতৰ অন্যান্য ৰাজ্যৰ লগত একেলগে বিকাশৰ পথত আগুৱাইছে।

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৩ ঃ অসমৰ মহিলা শিক্ষাৰ বিকাশ কেইটা পর্যায়ত বিভক্ত কৰা হৈছে?

.....

.....

প্রশ্ন নং ৪ ঃ অসমৰ প্রথমখন ছোৱালীৰ বিদ্যালয় কেতিয়া আৰু ক'ত স্থাপন কৰা হৈছিল?

.....

.....

১১.৩.৩ অসমত ছোৱালীসকলৰ প্রাথমিক শিক্ষাৰ বিকাশ

প্রাথমি শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনে আগবঢ়োৱা শিক্ষাৰ নীতিয়ে অসমৰ প্রাথমিক শিক্ষাত বিশেষ প্রভাৱ পেলাইছিল। 1919 চনৰ ভাৰত চৰকাৰৰ প্রস্তাৱ অনুসৰি শিক্ষাৰ দায়িত্ব স্থানীয় কর্তৃপক্ষৰ হাতলৈ হস্তান্তৰিত কৰা হয়। সেয়েহে অসম চৰকাৰে স্থানীয় কর্তৃপক্ষ আৰু মিউনিচিপেলিটিৰ দ্বাৰা অসমত ক্রমাগত প্রাথমিক শিক্ষা বাধ্যতামূলক কৰিব বিচাৰিছিল। প্রাথমিক মজলীয়া আৰু মাধ্যমিক পর্যায়ত ছোৱালী আৰু সহশিক্ষাৰ প্রতিষ্ঠানবোৰত কেতবোৰ বিশেষ সুবিধা প্রদান কৰিছিল।

তৃতীয় পৰিকল্পনাৰ সময়ছোৱাত গাঁও আৰু অনুন্নত অঞ্চলবোৰত মহিলা শিক্ষয়িত্রীৰ বাবে স্থায়ীভাৱে থকাৰ সুবিধা প্রদান কৰিছিল। 1966–67 চনৰ সময়ছোৱাত দূৰৱর্তী অঞ্চলবোৰত চাকৰি কৰা মহিলা শিক্ষয়িত্রীসকলক নগৰীয়া অঞ্চলত চাকৰি কৰাসকলৰ তুলনাত বিশেষ ভাট্টা প্রদান কৰিছিল। ৰাজ্যত মজলীয়া আৰু মাধ্যমিক বিদ্যালয়ত অধ্যয়ন কৰা ছোৱালীসকলৰ বাবে হস্পিতাল স্থাপন কৰা হৈছিল। গার্হস্থ্য বিজ্ঞান, সুকুমাৰ কলা, সংগীত, সমাজ বিজ্ঞান আদিৰ অধ্যয়নৰ বাবে অসম চৰকাৰে ছোৱালীসকলক বিভিন্ন ধৰণৰ বৃত্তি প্রদান কৰিছিল। প্রশিক্ষণ যেতিয়া শেষ হ'ব তেতিয়া চৰকাৰে ৰাজ্যৰ প্রাথমিক আৰু মাধ্যমিক বিদ্যালয়বোৰত নিয়োগৰ সুবিধা প্রদান কৰিব লাগে। ছোৱালীৰ শিক্ষাই বিশেষ মনোযোগ লাভ কৰিব লাগে আৰু মহিলা শিক্ষাৰ ৰাষ্ট্রীয় কমিটীৰ পৰামর্শ অনুসৰি বিকশাই তুলিব লাগে।

1967–68 চনৰ সময়ছোৱাত, প্রাথমিক শিক্ষাত খৰচৰ বাবে 16.70 লাখ টকা আবণ্টন দিয়া হৈছিল। এই টকা মহিলা শিক্ষকৰ আবাস গৃহ, ছোৱালীৰ হোষ্টেল, বেতন, বিদ্যালয়ৰ ইউনিফর্ম, আচবাব, শিক্ষাদান সজুলি আদিৰ ক্ষেত্রত খৰচ কৰিছিল। অসম চৰকাৰে বহুতো ছোৱালীৰ উচ্চ মাধ্যমিক বিদ্যালয় উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু বহুমুখী মাধ্যমিক বিদ্যালয়লৈ ৰূপান্তৰিত কৰিছিল। 1948 চনত অসমত 31,000 ছাত্র-ছাত্রীৰ সৈতে 191খন মাধ্যমিক বিদ্যালয় আছিল। 1965 চনত উচ্চউচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়ৰ সংখ্যা বাঢ়ি 983 খন হয়গৈ। 1965 চনত অসম চৰকাৰে অসমত মহিলা শিক্ষাৰ বাবে এজন বিশেষ বিষয়াক নিযুক্তি দিছিল। অসমত মহিলাসকলৰ শিক্ষাৰ আগ্রহ বৃদ্ধি কৰিবৰ বাবে এখন মহিলা শিক্ষাৰ ৰাজ্যিক পৰিষদ গঠন কৰা হৈছিল। ৰাজ্যত মহিলা শিক্ষাৰ সম্প্রসাৰণৰ বাবে মহিলা শিক্ষাৰ ৰাজ্যিক পৰিষদে 1963 চনত কেতবোৰ পৰামর্শ আগবঢ়াইছিল। গুৰুত্বপূর্ণ পৰামর্শবোৰ হ'ল—

- ছোৱালীৰ বাবে পৃথক বিদ্যালয়ৰ ব্যৱস্থা কৰি মাধ্যমিক পর্যায়ৰ শিক্ষাৰ সম্প্রসাৰণৰ বাবে ব্যৱস্থা কৰিব লাগে।
- অসমত অর্থনৈতিক হেঁচাৰ বাবে মহিলা শিক্ষা কোনো বিলাসিতাৰ কাৰণ নহয়। গ্রাম্য অঞ্চলৰ বাবে এক প্রয়োজনীয় অংশ হোৱা উচিত।
- প্রাথমিক শিক্ষাৰ সম্প্রসাৰণৰ বাবে, বিশেষকৈ গ্রামাঞ্চলত অধিক মহিলা শিক্ষয়ত্রী, অধিক প্রশিক্ষণৰ সুবিধা, বিনামূলীয়া পাঠ্যপুথি বিতৰণ, প্রাথমিক বিদ্যালয়ৰ বাবে আবাসৰ ব্যৱস্থাৰ লগতে প্রাথমিক বিদ্যালয়বোৰত প্রাক্-প্রাথমিক শাখা সংলগ্ন কৰিব লাগে।

- প্রতিটো সদৰ কেন্দ্রত উচ্চ মাধ্যমিক বিদ্যালয় বা উচ্চতৰ মাধ্যমিক বিদ্যালয়বোৰক বিশেষকৈ ছোৱালীৰ বিদ্যালয়বোৰ অতি শীঘ্রে প্রাদেশিকৃত কৰিব লাগে।
- কলেজীয়া শিক্ষাক উৎসাহ প্রদানৰ বাবে প্রতিখন জিলাতে কলা আৰু বিজ্ঞানৰ এখনকৈ কলেজৰ ব্যৱস্থা কৰি প্রাদেশিকৃত কৰিব লাগে।
- ছোৱালীৰ বাবে স্নাতকোত্রৰ বৃত্তীয় পৰিমাণ বৃদ্ধি কৰিব লাগে।

5 জানি থোৱা ভাল

প্রাথমিক শিক্ষাৰ ক্ষেত্রত লর্ড কার্জনে আগবঢ়োৱা শিক্ষাৰ নীতিয়ে অসমৰ প্রাথমিক শিক্ষাত বিশেষ প্রভাৱ পেলাইছিল। প্রাথমিক, মজলীয়া আৰু মাধ্যমিক পর্যায়ত ছোৱালী আৰু সহশিক্ষাৰ প্রতিষ্ঠানবোৰত কেতবোৰ বিশেষ সুবিধা প্রদান কৰিছিল।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ 1919 চনত চৰকাৰে কি প্রস্তাৱ গ্রহণ কৰিছিল?

.....

.....

প্রশ্ন নং ৬ ঃ মহিলা শিক্ষাৰ ৰাজ্যিক পৰিষদ কেতিয়া গঠন কৰা হৈছিল আৰু ইয়াৰ উদ্দেশ্য কি আছিল?

.....

.....

১১.৩.৪ অসমত ছোৱালীৰ উচ্চ শিক্ষা

ভাৰতে স্বাধীনতা লাভ কৰা সময়ৰ পৰা অসমৰ কলেজীয়া শিক্ষা সংখ্যাগত প্রগতি হৈছিল। 1947 চন ভাতৰ জাতীয় চৰকাৰ শাসনত অহাৰ পিছত স্বাভাৱিকতে বিভিন্ন নীতি অনুসৰণ কৰা হৈছিল আৰু অসমৰ উচ্চ শিক্ষাৰ সম্প্রসাৰণ কৰিব বিচৰা হৈছিল। সেয়ে, ভাৰতে স্বাধীনতা লাভ কৰাৰ পিছতেই অসমৰ প্রথমখন বিশ্ববিদ্যালয় গুৱাটী বিশ্ববিদ্যায় 1948 চনত স্থাপন কৰা হৈছিল। প্রাক্ স্বাধীনতা কালত দুখন বৃত্তিগত কলেজৰ লগতে মুঠ ওঠৰখন কলেজহে অসমত আছিল।

অসমত 1960 চনৰ সময়লৈকে দুখন বিশ্ববিদ্যায়ৰ অধীনত সকলো বিষয়ৰ 100খন কলেজ আছিল। বর্তমান সময়ত এখন মহিলা বিশ্ববিদ্যায়কে ধৰি 21খন বিশ্ববিদ্যালয় অসমত আছে। 2017–18 চনৰ তথা (AISHE) অনুসৰি মুঠ 512খন মহাবিদ্যায় (কলা, বিজ্ঞান আৰু বাণিজ্য) অসমত আছে। স্বাধীনতা পিছত অসমত মহিলা শিক্ষাৰ প্রগতি উল্লেখযোগ্য আছিল। কিন্তু তথাপিও কলেজীয়া পর্যায়ত ল'ৰাৰ তুলনাত ছোৱালীৰ নামভর্তিৰ সংখ্যা বহুত কম আছিল। ছোৱালীৰ উচ্চ শিক্ষাৰ সম্ভাৱনীয়তা আশাব্যঞ্জক আছিল আৰু ইয়াৰ চাহিদা দিনক দিনে বৃদ্ধি পাইছিল।

চৰকাৰ আৰু জনসাধাৰণৰ ফালৰ পৰা ছোৱালীৰ শিক্ষাই বিশেষ মনোযোগ লাভ কৰিছিল। স্বাধীনতাৰ আগত অসমত কেৱল তিনিখন ছোৱালী মহাবিদ্যালয় আছিল। 1962 চনৰ ফেব্রুৱাৰী মাহত অনুষ্ঠিত হোৱা দুদিনীয়া মহিলা শিক্ষাৰ অসম ৰাজ্যিক আলোচনা চক্রত পৰামর্শ আগবঢ়াইছিল যে প্রাক্ স্নাতক শ্রেণীত গার্হস্থ্য বিজ্ঞান বিষয়টো অন্তর্ভুক্ত কৰিব লাগে আৰু অসমত দুখন মহিলা মহাবিদ্যালয় স্নাতক পর্যায়ত অন্তর্ভুক্ত কৰিব লাগে। আকৌ পৰামর্শ আগবঢ়াইছিল যে গার্হস্থ্য বিজ্ঞানৰ ডিপ্লোমা পাঠ্যক্রমবো

ব্যৱস্থা কৰিব লাগে। আলোচনা চক্ৰৰ আন পৰামৰ্শবোৰ আছিল— ভৱিষ্যতৰ নামভৰ্তিত উৎসাহ যোগাবৰ বাবে চতুৰ্থ শ্ৰেণীৰ ছাত্ৰীক প্ৰতিভা আৰু দৰিদ্ৰতাৰ বাবে বৃত্তি প্ৰদান কৰিব লাগে আৰু ছোৱালীসকলৰ লগতে মহিলা শিক্ষকৰ বাবে আবাস গৃহৰ ব্যৱস্থা কৰিব লাগে।

স্বাধীনতাৰ পিছত মহিলাসকলৰ মাজত উচ্চ শিক্ষাৰ বিকাশ সন্তোষজনক আছিল। 1948 চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হোৱাৰ পিছত বহুতো ছোৱালীয়ে স্নাতকোত্তৰ পাঠ্যক্ৰমৰ শিক্ষা লাভ কৰিছিল। কেতবোৰ বিভাগ যেনে— অসমীয়া, শিক্ষা, দৰ্শন আদিত বৰ্তমানেও ল'ৰাৰ তুলনাত ছোৱালীৰ সংখ্যা বেছি। বহুতো ছোৱালীয়েও শিক্ষা লাভৰ বাবে ৰাজ্যৰ বাহিৰলৈও যোৱা দেখা গৈছে।

নাৰ্ছিং শিক্ষা মহিলাসকলৰ বাবে প্ৰধানতঃ একচেটীয়া আছিল। ভাৰতৰ কেতবোৰ স্থানত উচ্চ পৰ্যায়ৰ প্ৰশিক্ষণ স্বৰূপ নাৰ্ছিঙৰ বি এছ চি ডিগ্ৰীৰ পাঠ্যক্ৰম আৰম্ভ হৈছিল। বৰ্তমান সময়ত, সমগ্ৰ দেশতে মহিলাসকলৰ বাবে বয়নৰ প্ৰশিক্ষণ, এম্ব্ৰডাৰী আৰু ফল সংৰক্ষণৰ প্ৰশিক্ষণৰ বাবে চৰকাৰে বহুসংখ্যক প্ৰশিক্ষণ প্ৰতিষ্ঠান স্থাপন কৰিছিল। আন এটা প্ৰগতি আছিল ভাৰতৰ সম্প্ৰদায়ৰ বিকাশৰ বাবে গ্ৰাম-সেৰিকা আৰু গাঁও পৰ্যায়ৰ কৰ্মীসকলক প্ৰশিক্ষণ প্ৰদান। বৰ্তমান সময়ত আইনৰ পাঠ্যক্ৰমো মহিলাসকলৰ মাজত জনপ্ৰিয়। আকৌ বৰ্তমান মহিলাৰ বাবে 5000 তকৈ অধিক প্ৰাপ্তবয়স্ক শিক্ষাৰ কেন্দ্ৰ আছে আৰু মহিলাসকলে য'তেই সুবিধা পাইছে তাৰ পৰাই উপযোগিতা লাভ কৰিছে। 1955 চনত প্ৰথমখন অভিযান্ত্ৰিক মহাবিদ্যালয়, 1960 চনত যোৰহাটত আৰু তৃতীয়খন শিলচৰত স্থাপন কৰা হয়। এই প্ৰযুক্তিক প্ৰতিষ্ঠানবোৰ সহ-শিক্ষা প্ৰকৃতিৰ আছিল। ছোৱালীৰ বাবে উচ্চ শিক্ষা আগতে মানৱীয় বিষয়বোৰৰ মাজতে সীমাৱদ্ধ আছিল। কিন্তু বৰ্তমান সময়ত বহুতো ছোৱালীয়ে আইন, বাণিজ্য, বিজ্ঞান, অভিযন্তা, চিকিৎসাবিদ্যা আৰু অন্যান্য বিষয়ত নামভৰ্তি কৰিছে। 1964 চনত গুৱাহাটীৰ চান্দমাৰিত ছোৱালীৰ বাবে পলিটেকনিক প্ৰতিষ্ঠান এখন আৰম্ভ কৰা হৈছিল। অসমত এখন কৃষি বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল আৰু গুৱাহাটীৰ খানাপাৰাত এখন পশু চিকিৎসা মহাবিদ্যালয় স্থাপন কৰা হৈছিল। যোৰহাটৰ কৃষি বিশ্ববিদ্যালয়ত বিশেষভাৱে মহিলাসকলৰ বাবে গাৰ্হস্থ্য বিজ্ঞানৰ শ্ৰেণী আৰম্ভ কৰা হৈছিল আৰু বৰ্তমান সময়ত আন কিছুমান ছোৱালী মহাবিদ্যালয়ত গাৰ্হস্থ্য বিজ্ঞান অধ্যয়নৰ বাবে সুবিধা প্ৰদান কৰা হৈছে।

স্নাতকোত্তৰ শিক্ষাৰ ক্ষেত্ৰত, 1948 চনত গুৱাহাটী বিশ্ববিদ্যালয় স্থাপিত হৈছিল আৰু তৃতীয় পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শেষৰফালে 1965 চনত ডিব্ৰুগড় বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। এই দুখন বিশ্ববিদ্যালয়ৰ বাহিৰেও তেজপুৰ বিশ্ববিদ্যালয় আৰু অসম বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। বৰ্তমান সময়ত অসমত স্থাপিত হোৱা আন কেতবোৰ বিশ্ববিদ্যালয় হ'ল— শংকৰদেৱ বিশ্ববিদ্যালয়, কটন বিশ্ববিদ্যালয়, ৰাজীৱ গান্ধী সমবায় সঞ্চালন বিশ্ববিদ্যালয়, অসম মহিলা বিশ্ববিদ্যালয় আদি। এইবোৰৰ বাদেও, হাজাৰ হাজাৰ ছোৱালী আৰু মহিলাক উচ্চ শিক্ষা লাভৰ সুবিধা প্ৰদান কৰিছে দূ�ৰত্ব শিক্ষা ব্যৱস্থাই। গুৱাহাটী বিশ্ববিদ্যালয়ৰ দূ�ৰৱৰ্তী আৰু মুক্ত শিক্ষাৰ প্ৰতিষ্ঠান (GU-IDOL), কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয় (KKHSOU), IGNOU ৰ আঞ্চলিক কেন্দ্ৰ ইত্যাদিৰ দৰে মুক্ত আৰু দূৰত্ব শিক্ষাৰ প্ৰতিষ্ঠানৰ যোগে বহুসংখ্যক ছোৱালীয়ে উচ্চ শিক্ষা লাভ কৰি আছে। শিক্ষিতা মহিলাসকলে পৌৰ, সামাজিক, ৰাজনৈতিক আৰু অৰ্থনৈতিক অধিকাৰবোৰ অনুশীলন কৰিব লাগে যাতে সমাজৰ সামগ্ৰিক অৱস্থাৰ উন্নতি সাধন কৰিব পাৰে।

5 জানি থোৱা ভাল

1947 চনৰ পৰা ভাৰত চৰকাৰ শাসনত আহিছিল। স্বাভাৱিকতে ইয়াৰ ফলত বিভিন্ন নীতি অনুসৰণ কৰা হৈছিল আৰু উচ্চ শিক্ষাৰ সম্প্ৰসাৰণৰ যোগে ভাৰতবৰ্ষক বিকশাই তুলিব বিচৰা হৈছিল। সেয়েহে ভাৰতবৰ্ষৰ স্বাধীনতাৰ পিছতেই 1948 চনত অসমৰ প্ৰথমখন বিশ্ববিদ্যালয় হিচাপে গুৱাহাটী বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। আগতে

ছোৱালীৰ উচ্চ শিক্ষা কেৱল মানৱীয় বিষয়বোৰৰ মাজতে সীমাৱদ্ধ আছিল। কিন্তু বর্তমান সময়ত বহুতো ছোৱালীয়ে আইন, বাণিজ্য, বিজ্ঞান, অভিযন্তা, চিকিৎসাবিদ্যা আৰু অন্যান্য বিষয়ত নামভর্তি কৰিছে। ইয়াৰ বাহিৰেও দূৰত্ব শিক্ষা ব্যৱস্থাইও মহিলাসকলক উচ্চ শিক্ষা লাভৰ বহুতো সুবিধা প্রদান কৰিছে।

Wঅগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৭ ঃ সহ-শিক্ষাৰ ব্যৱস্থা থকা অসমৰ প্রথম দুখন বিশ্ববিদ্যালয় কি আছিল?

.....

.....

প্রশ্ন নং ৮ ঃ পাঠ্যবিষয়ৰ অধ্যয়নৰ বাবে মহিলাসকলে গ্রহণ কৰিব পৰা বিভিন্ন ক্ষেত্রবোৰ কি কি?

.....

.....

tচিন্তা চর্চা কৰক ১১.১

আপোনাৰ ৰাজ্যৰ মানুহৰ বিশেষকৈ মহিলাসকলৰ জীৱনৰ মূল্যবোধ শিক্ষাই কেনেকৈ বিকশাই তুলিব পাৰে? আপোনাৰ মতামত আগবঢ়াওক।

.....

.....

.....

.....

2১১.৪ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- শিক্ষাক মানৱ সমাজৰ বিকাশৰ চাবিকাঠি স্বৰূপে বিবেচনা কৰা হয় আৰু বিভিন্ন জাতি, শ্রেণী, জনজাতীয় দল আৰু বর্ণৰ সমতাৰ ওপৰত গুৰুত্ব আৰোপ কৰে।
- ক্রমাগতভাৱে শিক্ষাই গুৰুত্ব প্রদান কৰা তালিকাত লিংগ ধাৰণাটোও যোগ হৈছিল যাৰ ফলত শিক্ষাৰ সমান সুযোগ পুৰুষ আৰু মহিলাক প্রদান কৰিব পৰা যায় আৰু লিংগ সমতাৰ চাহিদা পূৰণ কৰিব পৰা যায়। এখন দেশৰ মর্যাদা সেই দেশৰ মহিলাসকলৰ বৰঙণিৰ দ্বাৰা পৰিমাপ কৰা হয়।
- সাধাৰণ জ্ঞান, কৌশল আৰু মনোভাৱৰ বিকাশৰ উদ্দেশ্যেৰে বিভিন্ন প্রকাৰ আৰু পর্যায়ৰ শিক্ষাত মহিলা আৰু ছোৱালীসকলক প্রদান কৰা শিক্ষায়ে হ'ল মহিলা শিক্ষা। ভাৰতীয় সংবিধানে পুৰুষ আৰু মহিলা সকলোৰে বাবে শিক্ষাৰ অধিকাৰৰ ব্যৱস্থা কৰিছে।
- অর্থনৈতিক বিকাশ আৰু সমৃদ্ধি, অর্থনৈতিক সৱলীকৰণ, প্রগতিশীল জীৱন, স্বাস্থ্যৰ উন্নতি সাধন, মর্যাদা, ন্যায় আৰু সন্মান তথা দৰিদ্রতা নির্মূলকৰণ আৰু অর্থনৈতিক বৰঙণিৰ দৃষ্টিভংগীৰে মহিলা শিক্ষা গুৰুত্বপূর্ণ।
- অসমত মহিলা শিক্ষাৰ বিকাশে এক দীঘল পৰিক্রমা সামৰি লয়। ইয়াত তিনিটা ভাগত ভগাব পাৰি। সেয়া হ'ল— আহোম শাসন কালত শিক্ষা, বৃটিছ শাসন কালত শিক্ষা আৰু স্বাধীনোত্তৰ কালত শিক্ষা।

১১.৫ অধিক জানিবলৈ

1] Taj, Haseen (2011), *Current Challenges in Education.* Hyderabad: Neelkamal Publications Pvt. Ltd.
2] Ravi, S. Samuel. (2015), *Education in Emerging India.* Delhi: PHI Learning Pvt. Ltd.
3] Thakur & Thakur (2014/15). *Development of Education System in India: Problems and Prospects.* Agra: Agrawal Publications.

১১.৬ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ বিভিন্ন বিকাশমূলক প্রক্রিয়াত মহিলাসকলৰ অংশগ্রহণৰ বাবে শিক্ষা অতি প্রয়োজনীয়। যাৰদ্বাৰা মহিলাসকলৰ লগতে সমাজখনো উপকৃত হ'ব। এগৰাকী শিক্ষিতা মাতৃয়ে পৰিয়ালৰ সাক্ষৰতাৰ কৌশল বিকশাব পাৰিব, উপযুক্ত স্বাস্থ্য বিজ্ঞান প্রদান কৰিব পাৰিব, বৃত্তিমূলক শিক্ষা প্রদানৰ যোগে পৰিয়ালৰ আর্থিক অৱস্থা স্বচ্ছল কৰিব পাৰিব, বাধাগ্রস্থতা আৰু পক্ষপাতিত্ব নির্মূল কৰিব পাৰিব আৰু বিভিন্ন প্রকাৰৰ শোষণৰ বিৰুদ্ধে যুঁজ দিব পাৰিব। সেয়ে মহিলা শিক্ষাক এখন দেশৰ বিকাশৰ এক গুৰুত্বপূর্ণ সূচকৰূপে গণ্য কৰা হয়। মহিলাসকলৰ শিক্ষা অতি গুৰুত্বপূর্ণ কিয়নো মহিলাসকলক সবলীকৃত, যুক্তিপূর্ণ আৰু উপযুক্ত জীৱন-যাপনৰ বাবে পথ পৰিদর্শকৰ ক্ষেত্রত সহায় কৰে।

২ নং প্রশ্নৰ উত্তৰ ঃ শিক্ষাই মহিলাসকলৰ এক সুস্থ আৰু সম্পূর্ণ জীৱন-যাপন কৰাত সহায় কৰিব যিয়ে তেওঁলোকক এক নতুন পৰিচয় দিব। নিজৰ বাবে যুঁজ কৰিবৰ বাবে শক্তি দিব আৰু নিজৰ অৱস্থাৰ উন্নতি সাধন কৰিব। নিজৰ অধিকাৰবোৰ সংৰক্ষিত কৰিবৰ বাবে তেওঁলোক দক্ষ হ'ব।

৩ নং প্রশ্নৰ উত্তৰ ঃ অসমত মহিলা শিক্ষাৰ বিকাশে এক দীঘল পৰিক্রমা সামৰি লৈছে। ইয়াক তিনিটা ভাগত ভগাব পাৰি—

1) আহোম শাসন কালত শিক্ষা।
2) বৃটিছ শাসন কালত শিক্ষা।
3) স্বাধীনোত্তৰ কালত শিক্ষা।

৪ নং প্রশ্নৰ উত্তৰ ঃ অসমৰ প্রথমখন ছোৱালী বিদ্যালয় 1840 চনত গুৱাহাটীত স্থাপন কৰা হৈছিল।

৫ নং প্রশ্নৰ উত্তৰ ঃ 1919 চনত ভাৰত চৰকাৰৰ প্রস্তাৱ অনুসৰি শিক্ষাৰ দায়িত্ব স্থানীয় কর্তৃপক্ষই গ্রহণ কৰিছিল।

৬ নং প্রশ্নৰ উত্তৰ ঃ 1963 চনত অসমত মহিলা শিক্ষাৰ ৰাজ্যিক পৰিষদ গঠন কৰা হয়। ইয়াৰ উদ্দেশ্য আছিল ছোৱালী শিক্ষাৰ আগ্রহ চোৱাচিতা কৰা আৰু ৰাজ্যত মহিলা শিক্ষাৰ সম্প্রসাৰণৰ বাবে পৰামর্শ প্রদান কৰা।

৭ নং প্রশ্নৰ উত্তৰ ঃ 1948 চনত গুৱাহাটী বিশ্ববিদ্যালয় আৰু 1965 চনত ডিব্রুগড় বিশ্ববিদ্যালয় স্থাপন কৰা হৈছিল। তাৰ পিছৰ পৰা বৃহৎ সংখ্যক ছোৱালীয়ে স্নাতকোত্তৰ শিক্ষা লাভ কৰিবলৈ আগবাঢ়ি আহিছিল। অসমীয়া, শিক্ষা, দর্শন ইত্যাদিৰ দৰে কেতবোৰ বিষয়ত ল'ৰাৰ তুলনাত ছোৱালীৰ সংখ্যা বেছি।

৮ নং প্রশ্নৰ উত্তৰ ঃ মানৱীয় বিষয়, সমাজ বিজ্ঞান, আইন, বাণিজ্য, বিজ্ঞান, অভিযান্ত্রিক বিজ্ঞান, চিকিৎসা বিজ্ঞান আৰু অন্যান্য কৌশল বিকাশৰ পাঠ্যক্রম।

M১১.৭ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ মহিলা শিক্ষা গুৰুত্বপূৰ্ণ বুলি আপুনি কিয় ভাৱে?

প্ৰশ্ন ২ ঃ আহোম কালত মহিলা শিক্ষাৰ স্থান কেনে আছিল?

প্ৰশ্ন ৩ ঃ বৃটিছ শাসন কালত মহিলা শিক্ষাৰ অৱস্থা চমুকৈ বৰ্ণনা কৰক।

প্ৰশ্ন ৪ ঃ স্বাধীনোত্তৰ ভাৰতবৰ্ষত উচ্চ শিক্ষাৰ অৱস্থা আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ অসমৰ মহিলাসকলৰ মৰ্যাদা আৰু মনোভাৱ কেনেকৈ পৰিৱৰ্তিত কৰিব পাৰে আলোচনা কৰক।

অধ্যায় ১২ ঃ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান

অধ্যায় গাঁথনি

12.1 উদ্দেশ্য
12.2 পৰিচয়
12.3 ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ ধাৰণা
  12.3.1 ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ নিৰীক্ষণ
  12.3.2 ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ লক্ষ্য
  12.3.3 ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ উদ্দেশ্য
12.4 ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ অধীনত মাধ্যমিক পর্যায়ৰ দৃষ্টিভংঙ্গী আৰু কৌশল
12.5 ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ অধীনত মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষাৰ গুণগত মানদণ্ডৰ উন্নীতকৰণ
12.6 আঁচনিখনৰ নির্দিষ্ট মানদণ্ডৰ সংস্কৰণ
12.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
12.8 অধিক জানিবলৈ
12.9 অগ্রগতিৰ খতিয়ান
12.10 আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- RMSAৰ ধাৰণা ব্যাখ্যা কৰিবলৈ সক্ষম হ'ব
- RMSAৰ লক্ষ্যবোৰ আলোচনা কৰিব পাৰিব
- RMSAৰ উদ্দেশ্যবোৰ আলোচনা আৰু তালিকাকৰণ কৰিবলৈ সক্ষম হ'ব
- RMSAৰ অধীনত মাধ্যমিক পর্যায়ৰ বিভিন্ন দৃষ্টিভংগী আৰু কৌশলবোৰ তালিকাকৰণ আৰু বিশ্লেষণ কৰিবলৈ সমর্থন হ'ব
- মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পর্যায়ৰ গুণগত মানদণ্ডৰ উন্নীতকৰণৰ দিশত RMSAৰ পদক্ষেপবোৰ আলোচনা আৰু বিশ্লেষণ কৰিব পাৰিব
- আঁচনিখনৰ সংস্কৰণকৃত মানদণ্ড আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

প্রাথমিক শিক্ষাৰ ক্ষেত্রত ভাৰত-চৰকাৰে সর্বশিক্ষা অভিযান আঁচনিৰ জৰিয়তে গ্রহণ কৰা প্রচেষ্টা সম্পর্কে আপোনালোকে নিশ্চিতভাৱে অৱগত হোৱাৰ প্রয়োজন। সর্বশিক্ষা অভিযানে ভাৰতৰ প্রাথমিক শিক্ষাৰ ক্ষেত্রত শক্তিশালী বুনিয়াদ তৈয়াৰ কৰি প্রাথমিক শিক্ষাক সার্বজনীনকৰণৰ প্রক্রিয়া বাস্তৱায়িত কৰাত সক্ষমতাৰ পৰিচয় দাঙি ধৰিছে। সর্বশিক্ষা অভিযানৰ সফল ৰূপায়ণৰ পিচত ভাৰত চৰকাৰৰ বিদ্যালয় শিক্ষা আৰু মানৱ সম্পদ উন্নয়ন মন্ত্রালয়ৰ সাক্ষৰতাৰ বিভাগে মাধ্যমিক শিক্ষাৰ গুণগত মানদণ্ড ৰক্ষাকৰণ আৰু সার্বজনীনকৰণৰ অভিপ্রায়েৰে

ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ শুভাৰম্ভ কৰে। শৈক্ষিক পৰিকাঠামোৰ ক্ষেত্ৰত মাধ্যমিক শিক্ষা মূলত দুটা কাৰণত বিশেষভাৱে গুৰুত্বপূৰ্ণ—

প্ৰথমটো হ'ল শিক্ষাৰ্থীসকলক ভৱিষ্যতৰ উচ্চ শিক্ষাৰ বাবে প্ৰস্তুত কৰি তোলা আৰু দ্বিতীয়টো হ'ল কৰ্মৰ পৃথিৱীখনত চাহিদা অনুযায়ী দক্ষ মানৰ সম্পদৰ যোগান ধৰা। শিক্ষাৰ্থীসকল আপোনালোকে এই কথা জানে যে মাধ্যমিক পৰ্যায়ৰ শিক্ষাই নৱম আৰু দশম শ্ৰেণীক সামৰি লোৱাৰ লগতে উচ্চতৰ মাধ্যমিক শিক্ষাই একাদশ আৰু দ্বাদশ শ্ৰেণীক সামৰি লয়। স্বাভাৱিকতে মাধ্যমিক স্তৰৰ শিক্ষাই 14–16 বছৰৰ শিক্ষাৰ্থীসকলক সামৰি লোৱাৰ পৰিৱৰ্তে উচ্চতৰ মাধ্যমিক শিক্ষাই 16–18 বছৰৰ শিক্ষাৰ্থীসকলক সামৰি লয়। ভাৰতীয় প্ৰেক্ষাপটত মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষাই হ'ল মজবুত ভেঁটি যিয়ে শিক্ষাৰ্থীসকলক পৰিৱৰ্তি পৰ্যায়ৰ উচ্চ শিক্ষাৰ বাবে প্ৰস্তুত কৰি তোলাৰ লগতে গোলকীয় বজাৰখনতো দক্ষতাৰে প্ৰৱেশ কৰাৰ পথ সুচল কৰি তোলে। সেয়েহে মাধ্যমিক পৰ্যায়ৰ শিক্ষাত ব্যাপক সুগমতা আৰু গুণগত মানদণ্ড বাহাল ৰাখি এই পৰ্যায়ৰ শিক্ষা ব্যৱস্থাক শক্তিশালী কৰাটো অত্যন্ত জৰুৰী।

এই অধ্যায়টিত আমি ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ ওপৰত বিতংভাৱে আলোকপাত কৰিম। ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ ধাৰণা, লক্ষ্য আৰু উদ্দেশ্য আদিৰ ওপৰতো যথোচিতভাৱে গুৰুত্ব প্ৰদান কৰা হ'ব। ইয়াৰোপৰি মাধ্যমিক শিক্ষাক সাৰ্বজনীন কৰাৰ বাবে ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ দ্বাৰা বিবেচিত মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পৰ্যায়ৰ বিভিন্ন পদ্ধতি আৰু কৌশলসমূহৰ লগতে গুণাত্মক দিশৰ উৎকৰ্ষ সাধনত সহায়কাৰী বিভিন্ন উপায়সমূহৰ ব্যাখ্যা আগবঢ়োৱা হ'ব। অধ্যায়টিৰ শেষাংশত লিংগ, সামাজিক, অৰ্থনৈতিক আৰু অক্ষমতা আদিৰ ক্ষেত্ৰত ন্যায্যতা প্ৰতিষ্ঠাৰ অভিপ্ৰায়েৰে আঁচনিখনৰ কেতবোৰ সংস্কৰণকৃত মানদণ্ড সম্পৰ্কীয় আলোচনা কৰা হ'ব।

১২.৩ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ ধাৰণা

গোলকীয়ভাৱে বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ দ্ৰুত আগ্ৰাসনে মানৱ জীৱনৰ সকলো দিশতে আমূল পৰিৱৰ্তনৰ সূচনা কৰিছে। ইয়াৰোপৰি ভাৰতীয় অৰ্থনীতিত হোৱা উদাৰীকৰণ আৰু গোকীয়কৰণৰ প্ৰভাত মানুহৰ জীৱনশৈলী, কৰ্ম পদ্ধতি প্ৰয়োজন ইত্যাদিৰ পৰিৱৰ্তন হৈছে আৰু পৰিণতিস্বৰূপে জীৱন ধাৰণৰ গুণগত মানদণ্ড প্ৰয়োজনীয়তা গভীৰভাৱে উপলব্ধি কৰা হৈছে। সেয়েহে বিশ্ব পৰিস্থিতিৰ সৈতে প্ৰতিযোগিতাত লিপ্ত হোৱাৰ বাবে বিদ্যালয় ত্যাগ কৰা শিক্ষাৰ্থীসকলক জীৱনৰ বাবে প্ৰয়োজনীয় উচ্চস্তৰীয় জ্ঞান প্ৰদান কৰাটো অত্যন্ত জৰুৰী, বিশেষকৈ এইটো বিবেচনাযোগ্য যে মাধ্যমিক বিদ্যালয়ৰ চাৰ্টিফিকেটধাৰী এজন ব্যক্তিৰ গঢ় উপাৰ্জন যাতে কেৱল মাত্ৰ অষ্টম শ্ৰেণীলৈকে পঢ়া ব্যক্তি এজনৰ তুলনাত উল্লেখনীয়ভাৱে অধিক হয়। মাধ্যমিক পৰ্যায়ত কিছুসংখ্যক শিক্ষাৰ্থীক কৰ্মসংস্থাপনৰ সুবিধা প্ৰদানৰ বাবে প্ৰয়োজনীয় বৃত্তিমূলক জ্ঞান আৰু দক্ষতা বিকাশৰ সুযোগ প্ৰদান কৰাটোও বিশেষভাৱে জৰুৰী।

শিক্ষাৰ্থীসকল, যদিও 1986 চনৰ National Policy on Education (NPE) 1992 চনৰ Programme of Action আদিয়ে মাধ্যমিক শিক্ষাৰ ওপৰত বিশেষভাৱে গুৰুত্ব আৰোপ কৰিছে। তথাপিও মাধ্যমিক শিক্ষাত প্ৰৱেশৰ শিথিলতা প্ৰদান আৰু ন্যায্যতা প্ৰাপ্তি এতিয়াও সম্ভৱ হৈ উঠা নাই। সেয়েহে মাধ্যমিক শিক্ষাক সাৰ্বজনীনকৰণৰ প্ৰক্ৰিয়াক বাস্তৱায়িত কৰাৰ দিশত এই দৃষ্টি আগবঢ়াই নিয়াটো নিতান্তই প্ৰয়োজন।

১২.৩.১ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ নিৰীক্ষণ

শিক্ষাৰ্থীসকল ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান আঁচনিখন 2009 চনৰ মাৰ্চ মাহত শিক্ষা অভিযান আঁচনিখন 2009 চনৰ মাৰ্চ মাহত মাধ্যমিক শিক্ষাত সুগমতা আৰু গুণগত মানদণ্ড উন্নীতকৰণৰ উদ্দেশ্যৰে

আৰম্ভ কৰা হয়। এই আঁচনিখন 2009–10 চনৰ পৰা কাৰ্যকৰীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। আঁচনিখনৰ জৰিয়তে এইটো আশা কৰা হয় যে মানুহৰ বসতি স্থানৰ পৰা এক নিৰ্দিষ্ট দূৰত্বৰ মূৰে মূৰে মাধ্যমিক শিক্ষা লাভৰ সুবিধা প্ৰদানৰ জৰিয়তে 2005–06 চনৰ ভিতৰত মাধ্যমিক পৰ্যায়ৰ নামভৰ্তিকৰণ 52.25ঃৰ পৰা 75ঃ লৈ বৃদ্ধিত সফলতা লাভ কৰা। ইয়াৰোপৰি এই অভিযানে মাধ্যমিক বিদ্যালয়ৰ মানদণ্ড নিৰূপণ কৰি লিংগ বৈষম্য, সামাজিক, অৰ্থনৈতিক আৰু অক্ষমলোকৰ ক্ষেত্ৰত থকা বাধাৰ প্ৰাচীৰ ভাঙি 2017 চনৰ ভিতৰত সাৰ্বজনীন নামভৰ্তিকৰণৰ ব্যৱস্থা কৰি মাধ্যমিক শিক্ষাৰ গুণগত মান উন্নত কৰাৰ লক্ষ্য স্থিৰ কৰে 2020 চনৰ ভিতৰত আৰু দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাৰ শেষত সাৰ্বজনীন সংৰক্ষণৰ ব্যৱস্থা কৰাত এই অভিযানৰ লক্ষ্য। ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ দ্বাৰা যোগান ধৰা লাগতিয়াল ভৌতিক সম্পদবোৰ তলত দিয়া ধৰণৰ—

- অতিৰিক্ত শ্ৰেণীকোঠা।
- পৰীক্ষাগাৰ।
- পুথিভঁৰাল।
- কলা আৰু শিল্প কোঠাৰ নিৰ্মাণ।
- শৌচাগাৰ নিৰ্মাণ।
- খোৱা পানীৰ ব্যৱস্থা।
- দুৰ্গম অঞ্চলৰ শিক্ষকসকলৰ বাবে আবাসগৃহ

ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানে মাধ্যমিক শিক্ষাৰ গুণগত মানদণ্ড উন্নীতকৰণৰ নিমিত্তে আগবঢ়োৱা কেতবোৰ গুণগত প্ৰচেষ্টা হ'ল এনেধৰণৰ—

- শিক্ষক ছাত্ৰৰ অনুপাত 30 ঃ 1 লৈ সংকোচন কৰাৰ বাবে অতিৰিক্ত শিক্ষকৰ নিযুক্তি প্ৰদান।
- বিজ্ঞান, অংক আৰু ইংৰাজী শিক্ষাৰ ওপৰত অধিক গুৰুত্ব প্ৰদান।
- চাকৰিকালীন শিক্ষকৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা।
- ICT ৰ যোগ্যতা সম্পন্ন শিক্ষা।
- পাঠ্যক্ৰমৰ পুনৰ সংস্কাৰ।
- শিক্ষাদান আৰু শিক্ষা গ্ৰহণ প্ৰক্ৰিয়াৰ সংস্কাৰ সাধন।

এই আঁচনিখনে মাধ্যমিক পৰ্যায়ত নায্যতা প্ৰতিষ্ঠাৰ বাবে যথেষ্ট গুৰুত্ব আৰোপ কৰে। আঁচনিখনে যোগান ধৰা কেতবোৰ সমতাগত প্ৰচেষ্টা হ'ল এনেধৰণৰ—

- অনুপৰিকল্পনাৰ ওপৰত বিশেষ গুৰুত্ব আৰোপ।
- উন্নীতকৰণৰ বাবে আশ্ৰম বিদ্যালয় বিলাকক প্ৰাধান্য দিয়া।
- বিদ্যালয় খুলিব বা স্থাপন কৰিবৰ বাবে অনুসূচীত জাতি, জনজাতি তথা সংখ্যালঘু অধ্যুষিত অঞ্চলত অধিক গুৰুত্ব প্ৰদান।
- দুৰ্বল শ্ৰেণীৰ বাবে বিশেষ নামভৰ্তিৰ ব্যৱস্থা।
- বিদ্যালয়ত অধিক সংখ্যক মহিলা শিক্ষয়িত্ৰী নিয়োগ কৰা।
- ছোৱালীৰ বাবে সুকীয়া শৌচাগাৰ আৰু প্ৰস্ৰাৱগাৰৰ সুবিধা প্ৰদান কৰা।

এই আঁচনিখন ৰাজ্যিক চৰকাৰৰ সংস্থা বা সমাজে কাৰ্যকৰীকৰণ কৰিব পাৰিব। আঁচনিখন কাৰ্য ৰূপায়িত কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰে পাবলগীয়া অংশ সংশ্লিষ্ট সংস্থালৈ মুকলি কৰি দিয়ে। ৰাজ্য চৰকাৰেও আঁচনিখন ৰূপায়ণৰ দায়িত্বত থকা সংস্থাক ৰাজ্যিক অংশটো মোকলাই দিয়ে।

১২.৩.২ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ লক্ষ্য

দেশৰ প্ৰতিজন 14–18 বছৰৰ বয়সৰ যুৱক-যুৱতীৰ বাবে শিক্ষাৰ সমতা, সহজলভ্যতা, প্ৰৱেশযোগ্যতা নিশ্চিত কৰাটো হ'ল ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ মূল লক্ষ্য। এই লক্ষ্যত উপনীত হোৱাৰ বাবে আঁচনিখনে নিম্ন প্ৰদত্ত দিশসমূহ আহৰণ কৰাটো অতীব প্ৰয়োজনীয়।

- যিকোনো বসতিস্থানৰ পৰা মাধ্যমিক বিদ্যালয়ৰ বাবে 5 কিলোমিটাৰ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাবে 5 কিলোমিটাৰ আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাবে 7–10 কিলোমিটাৰৰ যুক্তিসংগত দূৰত্ব হোৱা উচিত।
- 2017 চনৰ ভিতৰত মাধ্যমিক শিক্ষাত সাৰ্বজনীন প্ৰৱেশ অৰ্থাৎ মুঠ নাম ভৰ্তিকৰণ অনুপাত (GER) 100í নিশ্চিতকৰণ।
- 2020 চনৰ ভিতৰত সাৰ্বজনীন সংৰক্ষণ লাভ কৰা।
- অৰ্থনৈতিকভাৱে দুৰ্বললোক, শৈক্ষিকভাৱে পিছপৰা লোক, গ্ৰাম্যাঞ্চলত বসবাস কৰা বিশেষভাৱে সক্ষম ল'ৰা-ছোৱালী, অনুসূচীত জাতি জনজাতি শৈক্ষিকভাৱে অনগ্ৰসৰ সংখ্যালঘু আৰু অন্যান্য পিছপৰা শ্ৰেণীৰ লোকসকলক মাধ্যমিক শিক্ষা লাভ কৰাত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰিব লাগে।

১২.৩.৩ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ উদ্দেশ্য

মাধ্যমিক শিক্ষাক সাৰ্বজনীন কৰা সপোন কাৰ্যত ৰূপায়িত কৰাৰ দিশত থকা প্ৰত্যাহ্বানবোৰ মোকাবিলা কৰিবলৈ হ'লে মাধ্যমিক শিক্ষাৰ ধাৰণামূলক নক্সাক ৰূপান্তৰ কৰিব লাগিব।

এই ক্ষেত্ৰত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ দিগ্‌দৰ্শনকাৰী নীতিসমূহ হ'ল—

- মাধ্যমিক শিক্ষাত সাৰ্বজনীন প্ৰৱেশ যোগ্যতা, সমতা আৰু সামাজিক ন্যায়।
- মাধ্যমিক শিক্ষাত প্ৰাসংগিকতাৰ বিকাশ।
- মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমিক আৰু গাঁথনিগত দিশ।

আপোনালোকক ইতিমধ্যে অৱগত কৰা হৈছে যে ব্যাপক দৃষ্টিত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ লক্ষ্য মাধ্যমিক শিক্ষাত প্ৰৱেশযোগ্যতা সুচল কৰা আৰু গুণগত মানদণ্ডৰ উন্নীতকৰণ। মাধ্যমিক শিক্ষাৰ সাৰ্বজনীনকৰণে মাধ্যমিক শিক্ষাৰ সুবিধাসমূহ সকলোৰে বাবে সহজে উপলব্ধ কৰাৰ লগতে ন্যায্যতা প্ৰাপ্তিৰ দিশতো সহায় কৰিব।

এই ক্ষেত্ৰত উমৈহতীয়া বিদ্যালয়ৰ ভূমিকা বিশেষভাৱে লেখত ল'বলগীয়া। এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য যে অ-সাহায্যপ্ৰাপ্ত ব্যক্তিগত খণ্ডৰ বিদ্যালয়কে ধৰি সকলো প্ৰকাৰৰ বিদ্যালয়কে কম সুবিধা প্ৰাপ্ত সমাজ আৰু দৰিদ্ৰ সীমাৰেখাৰ তলত জীৱননিৰ্বাহ কৰি থকা পৰিয়ালৰ ল'ৰা-ছোৱালীবিলাকক পৰ্যাপ্ত পৰিমাণে নামভৰ্তিকৰণ সুনিশ্চিত কৰি মাধ্যমিক শিক্ষা সাৰ্বজনীনকৰণৰ দিশত অৱদান আগবঢ়াব লাগে।

ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ ব্যাপক উদ্দেশ্যক কেতবোৰ বিশেষ উদ্দেশ্যত বিভক্ত কৰা যাতে সেইবোৰে সহজে প্ৰাপ্ত হয়। এই বিশেষ উদ্দেশ্যবোৰ হ'ল এনেধৰণৰ—

- সকলো মাধ্যমিক বিদ্যালয়ৰ চৰকাৰী, স্থানীয় নিকায় আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত বিদ্যালয় আৰু অন্যান্য বিদ্যালয়ৰ ক্ষেত্ৰত উপযুক্ত নিয়ন্ত্ৰক ব্যৱস্থাৰ দিশত বিত্তীয় সহায়ৰ দ্বাৰা অতি কমেও নিৰ্ধাৰিত মানদণ্ড অনুসৰি বৈষয়িক সুবিধাসমূহ, কৰ্মচাৰী যোগান নিশ্চিত কৰা।
- মাধ্যমিক শিক্ষাৰ প্ৰৱেশযোগ্যতা উন্নীতকৰণৰ যোগেদি সকলো যুৱক-যুৱতীকে এক নিৰ্ধাৰিত মানদণ্ড অনুযায়ী এই শিক্ষালাভৰ এক সুন্দৰ বাতাৱৰণ ৰচনা কৰিব লাগে। ইয়াৰ বাবে মুক্ত

বিদ্যালয়কে আদি কৰি স্থানীয় পৰিস্থিতিৰ ভিত্তিত 5 কিলোমিটাৰ দূৰত্বত মাধ্যমিক বিদ্যালয়ৰ সুবিধা, 7–10 কিলোমিটাৰৰ দূৰত্বত উচ্চতৰ মাধ্যমিক বিদ্যালয়, নিৰাপদ পৰিবহন ব্যৱস্থা, আবাসিক সুবিধা ইত্যাদি সকলোবোৰৰ সু-ব্যৱস্থা থকাটো প্ৰয়োজন।

- কোনো শিশুৱে যাতে লিংগ, অৰ্থনৈতিক, সামাজিক, বিকলাঙ্গতা আৰু অন্যান্য প্ৰতিবন্ধকতাৰ ভিত্তিত গুণগত মাধ্যমিক শিক্ষা লাভৰ পৰা বঞ্চিত নহয় সেয়া নিশ্চিত কৰা।
- বৌদ্ধিক সামাজিক আৰু সাংস্কৃতিক শিক্ষণৰ উন্নতিৰ বাবে মাধ্যমিক সিক্ষাৰ গুণগত মানৰ উন্নতি সাধন কৰা।
- সকলো শিক্ষার্থীয়ে যাতে ভাল গুণসম্পন্ন অথবা উপযুক্ত মানদণ্ডৰ মাধ্যমিক শিক্ষা লাভ কৰিব পাৰে তাৰ নিশ্চিতি প্ৰদান কৰা।

গতিকে উপৰোক্ত উদ্দেশ্যসমূহৰ সফলতাই উমৈহতীয়া বিদ্যালয় ব্যৱস্থাৰ দিশত এক তাৎপৰ্যপূৰ্ণ বিকাশৰ ইংগিত বহন কৰে বুলি আমি অনুভৱ কৰিব পাৰো।

5 জানি থোৱা ভাল

উমৈহতীয়া বিদ্যালয় ব্যৱস্থা ঃ ডক্টৰ ডি এচ কোঠাৰী সভাপতিত্বত কোঠাৰী আয়োগৰ দ্বাৰা উমৈহতীয়া বিদ্যালয় ব্যৱস্থাৰ ধাৰণাটো আবির্ভাৱ হয়। 1986 আৰু 1992 চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়েও ইয়াৰ বাবে পৰামর্শ আগবঢ়ায়। অৱশ্যে এই পৰামর্শ বাস্তৱত ৰূপায়িত নহ'ল। 1990 চনত বিশেষ শীর্ষ স্থানীয় কেন্দ্ৰীয় উপদেষ্টা বোর্ডে উমৈহতীয়া বিদ্যালয়ৰ দিশত চৰকাৰৰ কার্যকৰী পদক্ষেপ আৰু দৃঢ় সংকল্পৰ কথা পুনৰ শক্তিশালী ৰূপত উত্থাপন কৰে। কিয়নো শিক্ষাত ন্যায় লাভৰ বাবে এই পদক্ষেপ হ'ল নিঃসন্দেহে এক বুনিয়াদী কৌশল বা ৰণনীতি স্ৱৰূপ।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ সঁচা নে মিছা চিনাক্ত কৰক।

(ক) RMSA 2009 চনৰ মার্চ মাহত আৰম্ভ কৰা হৈছিল। (সঁচা/মিছা)

.....

(খ) SSA ৰ লক্ষ্য হ'ল মাধ্যমিক শিক্ষাক সার্বজনীন কৰা। (সঁচা/মিছা)

.....

(গ) RMSA ৰ লক্ষ্য হ'ল 2017 চনৰ ভিতৰত সার্বজনীন সংৰক্ষণ লাভ কৰা। (সঁচা/মিছা)

.....

প্ৰশ্ন নং ২ ঃ শৈক্ষিক ক্ৰমপর্যায়ত মাধ্যমিক শিক্ষাক কিয় এক গুৰুত্বপূৰ্ণ পর্যায় হিচাপে বিবেচনা কৰা হয়?

.....

.....

প্ৰশ্ন নং ৩ ঃ RMSA ৰ দিগ্‌দর্শনকাৰী নীতিসমূহ কি কি?

.....

.....

১২.৪ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ অধীনত মাধ্যমিক পর্যায়ৰ দৃষ্টিভংগী আৰু কৌশল

সংখ্যাগত, বিশ্বাসযোগ্যতা আৰু গুণগত মানদণ্ড ইত্যাদি বিভিন্ন দিশত থকা প্ৰত্যাহ্বানবোৰ মোকাবিলা কৰি মাধ্যমিক শিক্ষাক সার্বজনীন কৰাৰ বাবে অতিৰিক্ত বিদ্যালয়, অতিৰিক্ত শ্ৰেণীকোঠা, শিক্ষক আৰু অন্যান্য

সুবিধাবোৰৰ ক্ষেত্ৰত দূৰদৰ্শী দৃষ্টিভংগীৰে ব্যাপক পৰিমাণৰ গুণগত ইনপুটৰ যুগুতকৰণ একপ্ৰকাৰৰ বাধ্যতামূলক হিচাপে চিহ্নিত হৈছে। শৈক্ষিক প্ৰয়োজন, বৈষয়িক আন্তঃগাঁথনি, মানৰ সম্পদ, বিদ্যালয়তনিক ইনপুট আৰু আঁচনিখনৰ কাৰ্যকৰী নিৰীক্ষণ আৰু প্ৰয়োগকৰণৰ দিশত নিশ্চিতভাৱে মূল্যায়নৰ প্ৰয়োজনীয়তা গভীৰভাৱে অনুভৱ কৰিব পাৰি। যদিও প্ৰাথমিক পৰ্যায়ত আঁচনিখনে দশম শ্ৰেণীলৈ সামৰি লৈছিল, কিন্তু পৰৱৰ্তী পৰ্যায়ত উচ্চতৰ মাধ্যমিক পৰ্যায়কো ইয়াৰ পৰিধিভুক্ত কৰি লয়। মাধ্যমিক শিক্ষাৰ গুণগত মানদণ্ড অক্ষুণ্ণ ৰাখি ইয়াক সাৰ্বজনীনভাৱে উপলব্ধকৰণৰ বাবে প্ৰয়োজনীয় কৌশলবোৰ নিম্নপ্ৰদত্ত ধৰণৰ—

- **সুগমতা ঃ** ভাৰতীয় প্ৰেক্ষাপটত শৈক্ষিক সা-সুবিধাসমূহৰ ক্ষেত্ৰত বিভিন্ন অঞ্চলভেদে ব্যাপক অসমতা দেখিবলৈ পোৱা যায়। ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ মাজত ভিন্নতা থকাৰ লগতে ব্যক্তিগত খণ্ডৰ বিদ্যালয়সমূহৰ মাজতো আন্তঃ বিৰোধ অথবা পাৰস্পৰিক অসমতা থকাটো দৃষ্টিগোচৰ হয়। ভাৰতবৰ্ষত গুণগত মানদণ্ডৰ প্ৰতি লক্ষ্য ৰাখি মাধ্যমিক শিক্ষাক সাৰ্বজনীনভাৱে উপলব্ধিকৰণ প্ৰক্ৰিয়া বাস্তৱমুখী কৰি তুলিবলৈ হ'লে ভৌগলিক পৰিসীমা, সামাজিক দিশ, সাংস্কৃতিক দিশ, সাংস্কৃতিক দিশ, ভাষিক ভিন্নতা, জনসংখ্যাজনিত অৱস্থিতি ইত্যাদি সকলোবোৰ কথা গভীৰভাৱে বিচাৰ বিশ্লেষণ কৰি প্ৰতিখন ৰাজ্যঞ্চকেন্দ্ৰীয়শাসিত অঞ্চল আৰু প্ৰয়োজন সাপেক্ষে স্থানীয় অৱস্থিতিৰ সম্বন্ধেও বুজ লৈ ৰাষ্ট্ৰীয় পৰ্যায়ত এক বিশেষভাৱে প্ৰয়োগযোগ্য আৰু বিস্তৃত আদৰ্শঞ্চমানদণ্ড তৈয়াৰ কৰাটো অতীব প্ৰয়োজনীয়। মাধ্যমিক শিক্ষাৰ মানদণ্ড সাধাৰণভাৱে কেন্দ্ৰীয় বিদ্যালয়ৰ মানদণ্ডৰ লগত তুলনা কৰিব পৰা ধৰণৰ হোৱাটো উচিত। মাধ্যমিক শিক্ষাৰ পৰ্যায়ত বৈষয়িক সা-সুবিধাসমূহ আৰু শৈক্ষিক সমলসমূহৰ উন্নতি সাধনৰ বাবে ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানে নিম্নোলিখিত উপায়সমূহ আঙুলিয়াই দিয়ে—
  - সম্প্ৰতি অধিষ্ঠিত মাধ্যমিক বিদ্যালয় আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ সম্প্ৰসাৰণৰ কৌশল অৱস্থিত বিদ্যালয়সমূহলৈ স্থানান্তৰিত কৰা।
  - প্ৰয়োজনীয় সকলো প্ৰকাৰৰ বুনিয়াদী সুবিধা আৰু শিক্ষক সমন্বিতে অনুপৰিকল্পনাৰ ওপৰত ভিত্তি কৰি উচ্চ প্ৰাথমিক বিদ্যালয়সমূহৰ উন্নীতকৰণৰ বেলিকা আশ্ৰমিক বিদ্যালয়বোৰক প্ৰাধান্যতা প্ৰদান কৰা হ'ব।
  - প্ৰয়োজনীয়তাৰ ভিত্তিত মাধ্যমিক বিদ্যালয়সমূহক উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহলৈ উন্নীত কৰা।
  - সংৰক্ষিত এলেকাত স্কুল মেপিং অনুশীলনৰ আধাৰত নতুন মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় মুকলি কৰণ।
  - ইয়াত নিৰ্মিত বিল্ডিংসমূহত পানী সংগ্ৰহৰ বাধ্যতামূলক ব্যৱস্থা থাকিব আৰু বিল্ডিংমসূহ বিকলাঙ্গৰ বাবে অনুকূল ধৰণে নিৰ্মাণ কৰা হ'ব।
  - স্কুলৰ বিল্ডিংসমূহত বৰষুণৰ পানী সংৰক্ষণৰো সু-ব্যৱস্থা কৰা।
  - সম্প্ৰতি অৱস্থিত বিদ্যালয়সমূহো বিকলাঙ্গৰ অনুকূল সূচী ধৰণে তৈয়াৰ কৰিব লাগে।
  - PPP ৰ আৰ্হিত (Public, Private and Partnership) নতুন বিদ্যালয়সমূহ প্ৰতিষ্ঠা কৰা হ'ব।
- **গুণমান ঃ** গুণমান কোনো বস্তুৰ অন্তৰ্নিহিত বিশেষ বিশেষত্ব, স্বতন্ত্ৰ ইত্যাদি পৰিভাষাৰ সুত্ৰায়িত কৰিব পাৰি। শৈক্ষিক ক্ষেত্ৰখন বিভিন্ন পৰ্যায়ত গুণমানৰ প্ৰশ্ন গভীৰভাৱে সাঙুৰখাই আছে। কাৰণ গুণাত্মক দিশৰ লগতে শিক্ষাৰ্থীৰ জ্ঞান স্তৰ, ক্ৰিয়াত্মক দক্ষতা আৰু সামগ্ৰীকভাৱে ভৱিষ্যত ৰাষ্ট্ৰৰ ফলাফল নিৰ্ভৰ কৰে। ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান আঁচনিখনৰ লগত সংশ্লিষ্ট গুণাত্মক দিশবোৰ তলত উল্লেখ কৰা হ'ল—
  - প্ৰয়োজনীয় বৈষয়িক সুবিধাসমূহৰ যোগান ধৰা যেনে— ব্লেকবোৰ্ড, আচবাব, পুথিভঁড়াল, বিজ্ঞান আৰু গণিত বিষয়ৰ বাবে পৰীক্ষাগাৰ, কম্পিউটাৰ, লেব, শৌচাগাৰৰ সু-ব্যৱস্থা ইত্যাদি।
  - অতিৰিক্ত শিক্ষক নিযুক্তি আৰু চাকৰিকালীন শিক্ষকৰ প্ৰশিক্ষণ।
  - অষ্টম শ্ৰেণী পাছ কৰা শিক্ষাৰ্থীসকলৰ শিকন সামৰ্থতা বৃদ্ধি কৰাৰ বাবে Bridge courseৰ ব্যৱস্থা কৰা।

- National Curriculum Framework, 2005 ৰ আৰ্হি অনুসৰি পাঠ্যক্ৰম প্ৰস্তুতিৰ বাবে পাঠ্যক্ৰমৰ পুনঃনিৰীক্ষণ কৰা।
- গ্ৰাম্যাঞ্চল আৰু দুৰ্গম পাহাৰীয়া এলেকাৰ শিক্ষকসকলৰ বাবে আবাসৰ সু-ব্যৱস্থা কৰা। মহিলা শিক্ষয়ত্ৰীবোৰৰ আবাস সুবিধা প্ৰদানৰ ক্ষেত্ৰত অগ্ৰাধিকাৰ দিয়া হ'ব।

- **নায্যতা ঃ** শিক্ষাৰ্থীসকল, ন্যায্যতা শব্দটোৰ দ্বাৰা সাধাৰণতে শিকাৰ ক্ষেত্ৰত সততাঁনিৰপেক্ষতা আৰু শিকা প্ৰাপ্তিৰ ন্যায়সংগত সুযোগ প্ৰদানৰ ব্যৱস্থাকৰণকে বুজোৱা হয়। নিৰপেক্ষতাঁসততা (Fairness) অৰ্থাৎ ব্যক্তিগত স্থিতিৰ লগত জৰিত বিশেষ উপাদানৰ হেতু এজন ব্যক্তিৰ শৈক্ষিক সফলতাৰ সক্ষমতাৰ বাধাগ্ৰস্ত হোৱাটো অনুচিত আৰু অন্তৰ্নিবেশ (Inclusion) অৰ্থাৎ এক নিৰ্দিষ্ট শৈক্ষিক পৰিৱেশত প্ৰত্যেকৰে বাবে উপলব্ধ কৰোৱা এক সামূহিক আদৰ্শ বা মান হ'ল সামগ্ৰীকভাৱে শৈক্ষিক সফলতাৰ পথ সূচল কৰিবৰ বাবে ন্যায্যতাৰ লগত গভীৰভাৱে আন্তঃসম্পৰ্কিত দুটা মৌলিক উপাদান। তলত আমি মাধ্যমিক পৰ্যায়ৰ শিক্ষা ব্যৱস্থাত নায্যতা প্ৰাপ্তিৰ বাবে প্ৰয়োজনীয় বিভিন্ন ব্যৱস্থাবোৰ আলোচনা কৰোহঁক।
  - অনুসূচিত জাতি, জনজাতি, অন্যান্য পিছপৰা শ্ৰেণীৰ লোক আৰু সংখ্যালঘু সম্প্ৰদায়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বিনামূলীয়াকৈ থকা খোৱাৰ সু-ব্যৱস্থা কৰা।
  - ছোৱালীসকলৰ বাবে ছাত্ৰীবাস, আবাসিক বিদ্যালয়, নগদ প্ৰণোদন, ঐক্য পোছাক, কিতাপ, পৃথক শৌচাগাৰৰ ব্যৱস্থা।
  - মাধ্যমিক পৰ্যায়ত মেধাবী আৰু অভাবী শিক্ষাৰ্থীসকলৰ বাবে জলপানী প্ৰদান।
  - অন্তৰ্ভুক্তিকৃত শিক্ষাক সকলো কাৰ্যৱলীৰ বাবে প্ৰাণকেন্দ্ৰ স্বৰূপ হিচাপে চিহ্নিত কৰা হ'ব। সকলোধৰণৰ বিদ্যালয়তে বিশেষভাৱে সক্ষম শিক্ষাৰ্থীসকলৰ বাবে সকলো প্ৰকাৰৰ সা-সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব।
  - বৰ্তমান সময়ত মুক্ত আৰু দূ�ৰত্ব শিক্ষা সম্প্ৰসাৰণ প্ৰয়োজনীয়তা গভীৰভাৱে উপলব্ধি কৰা হৈছে। বিশেষকৈ যিসকলে মাধ্যমিক শিক্ষাত নিজকে সম্পূৰ্ণৰূপে নিয়মিতভাৱে চামিল কৰিব নোৱাৰে। এনেক্ষেত্ৰত এইধৰণৰ বিকল্প শৈক্ষিক স্পৃহা তৃপ্ত কৰাত এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰিব।

- **প্ৰতিষ্ঠানিক সংস্কাৰ সাধন আৰু সমল প্ৰতিষ্ঠানসমূহ শক্তিশালীকৰণ ঃ** প্ৰত্যেকখন ৰাজ্যই কেন্দ্ৰীয় চৰকাৰৰ পৰা অনুদান লাভৰ নিমিত্তে প্ৰশাসনিক দিশৰ প্ৰয়োজনীয় সংস্কাৰ সাধন কৰিব লাগিব। এই সংস্কাৰমূলক দিশবোৰ তলত উল্লেখ কৰা হ'ল—
  - বিদ্যালয় প্ৰশাসনৰ সংস্কাৰ সাধন, বিদ্যালয়ৰ ব্যৱস্থাপনা আৰু দায়িত্বৰ বিকেন্দ্ৰীকৰণৰ দ্বাৰা বিদ্যালয়ৰ কাৰ্যদক্ষতা উন্নীত কৰা।
  - শিক্ষক নিয়োগকৰণ, প্ৰশিক্ষণ, পা�ৰিশ্ৰমিক প্ৰদান আৰু কৰ্মজীৱনৰ অগ্ৰগতিৰ বাবে এক যৌক্তিক নীতি গ্ৰহণ কৰা।
  - আধুনিকীকৰণ, ই-প্ৰশাসন (E-governance) প্ৰতিনিধি মণ্ডল, বিকেন্দ্ৰীকৰণ সমন্বিতে শৈক্ষিক প্ৰশাসনৰ দিশত ব্যাপক সংস্কাৰ সাধন কৰা।
  - মাধ্যমিক শিক্ষাৰ সকলো পৰ্যায়তে বিশেষকৈ বিদ্যালয় পৰ্যায়ৰ পৰা পৰৱৰ্তি পৰ্যায়লৈকে পেচাদাৰী আৰু বিদ্যায়তনিক ইনপুটৰ ব্যৱস্থা কৰা।
  - অনুদান প্ৰক্ৰিয়াৰ তাৎক্ষণিক প্ৰবাহ আৰু সৰ্বোত্তৰ ব্যৱহাৰৰ হকে আৰ্থিক পদ্ধতি সু-সংগঠিত কৰা।
  - বিভিন্ন পৰ্যায়ত সমল প্ৰতিষ্ঠানসমূহক শক্তিশালীকৰণ।
  - ৰাষ্ট্ৰীয় পৰ্যায়ত NCERT (RIEs), NIEPA আৰু NIOS ।
  - ৰাজ্যিক পৰ্যায়ত SCERTs, State Open Schools, SIEMATs ইত্যাদি।
  - বিশ্ববিদ্যালয় শিক্ষা বিভাগ (University Department of Education), বিজ্ঞান (Science), সমাজ বিজ্ঞান (Social Science), মানৱিক শিক্ষাৰ (Humanities Education) প্ৰতিষ্ঠিত

অনুষ্ঠানবোৰ, শিক্ষক শিক্ষাৰ মহাবিদ্যালয় (Colleges of Teacher Education) শিক্ষাত উন্নত অধ্যয়নৰ প্ৰতিষ্টানসমূহে শিক্ষকৰ শিক্ষাৰ কেন্দ্ৰীয় প্ৰয়োজিত আঁচনিত কৰা বিত্তীয় অৱদান।

- বিভিন্ন আঁচনিঃসংস্থাঃসম্প্ৰদায় ব্যক্তিৰ সমাৱেশ মাধ্যমিক শিক্ষাক পৰিশোধন, সংস্কৰণ আৰু সবলীকৰণ হেতু ইয়াৰ ব্যৱস্থাপনামূলক প্ৰক্ৰিয়াত পঞ্চায়ত ব্যৱস্থা, নগৰপালিকা সম্প্ৰদায়, শিক্ষক অভিভাৱক আৰু অন্যান্য ব্যক্তিসকলবো সক্ৰিয় অংশগ্ৰহণ নিশ্চিতভাৱে অৱদানযোগ্য। বিদ্যালয়ৰ পৰিচালনা সমিতি, শিক্ষক অভিভাৱক সন্মিলন আদিৰ সক্ৰিয় প্ৰচেষ্টা শিক্ষাৰ পৰিকল্পনা পৰ্যায়ত কাৰ্যকৰীকৰণ পৰ্যায়ত আৰু নিৰীক্ষণ আৰু মূল্যায়ণৰ পৰ্যায়তো যথেষ্ট পৰিমাণে আদৰণীয়।
- **নতুন আঁচনিৰ লগত অৱস্থিত আঁচনিসমূহ অন্তৰ্ভুক্তিকৰণ ঃ** কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা প্ৰ-কল্পিত চাৰিখন ৰাষ্ট্ৰীয় পৰ্যায়ৰ আঁচনি হ'ল— (1) বিদ্যালয়ৰ বাবে ICT (2) বিকলাংগ শিশুসকলৰ বাবে সংহতিপূৰ্ণ শিক্ষা (3) মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছোৱালী শিক্ষাৰ্থীসকলৰ বাবে থকা খোৱাৰ ব্যৱস্থা উন্নীতকৰণ (4) উক্ত আঁচনিসমূহ ধনাত্মক দিশৰ উৎকৰ্ষতাৰ বাবে নতুন আঁচনিৰ লগত বৰ্তমানৰ ৰূপত অথবা সংশোধিত ৰূপত অন্তৰ্গত কৰা হ'ব। আহক এই চাৰিখন আঁচনি ওপৰত সম্যক ধাৰণা লওঁহক—
  - **বিদ্যালয়ৰ বাবে তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা ঃ** ৰাজ্য চৰকাৰক কম্পিউটাৰ শিক্ষাৰ সহায়ৰ হাত আগবঢ়োৱা আৰু মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত কম্পিউটাৰ সহায়ক শিক্ষাদানৰ ব্যৱস্থা।
  - **সংহতি পূৰ্ণ শিক্ষা ঃ** ৰাজ্য চৰকাৰ আৰু বে-চৰকাৰী সংগঠনসমূহক বিকলাংগ শিশুসকলক বিদ্যালয়ৰ মূল সূঁতিলৈ স্থানান্তৰিতকৰণৰ দিশত পথ প্ৰদৰ্শন কৰা।
  - **মাধ্যমিক আৰু উচ্চ মাধ্যমিক পৰ্যায়ৰ ছোৱালী শিক্ষাৰ্থীসকলৰ বাবে থকা খোৱাৰ ব্যৱস্থা শক্তিশালীকৰণ ঃ** (সুগমতা আৰু নায্যতা) গ্ৰাম্যাঞ্চলৰ ছাত্ৰীবাসসমূহ সু-নিয়াৰিকৈ পৰিচালনাৰ বাবে বে-চৰকাৰী সংগঠনসমূহক সহায় আগবঢ়োৱা।
  - **বিদ্যালয়সমূহৰ গুণাত্মক দিশৰ উৎকৰ্ষসাধন ঃ** বিদ্যালয়সমূহত যোগ বিষয়ৰ সূচনা, বিজ্ঞান শিক্ষাৰ উন্নতি, পাৰিপাৰ্শ্বিক শিক্ষা, জনসংখ্যা শিক্ষা, ইয়াৰোপৰি আন্তঃৰাষ্ট্ৰীয় বিজ্ঞান অলিম্পিয়াডক কৰাৰবাবে ৰাজ্যসমূহক সহায় প্ৰদানৰ ব্যৱস্থাসমূহক সাঙুৰি লয়।
- **শিক্ষণৰ সমান্তৰালভাৱে উপাৰ্জনৰ ব্যৱস্থা ঃ** এই ব্যৱস্থাটো মূলক অৰ্থনৈতিকভাৱে দুৰ্বল ল'ৰা-ছোৱালীসকলৰ বাবে বিশেষভাৱে সহায়কাৰী হৈ উঠিব বুলি আশা কৰা হয় য'ত তেওঁলোকে স্ব-নিয়োগযোগ্য কৰি তুলিব পাৰিব কিম্বা অংশকালীনভাৱেও কৰ্মৰত হোৱাৰ সুযোগ লাভ কৰিব। জিলা পৰ্যায়ত, ব্লক পৰ্যায়ত বিভিন্ন বৃত্তিমূলক প্ৰশিক্ষণ কেন্দ্ৰ আৰু প্ৰতিষ্ঠান নিৰ্মাণৰ বাবে ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে চিন্তা কৰিব পাৰে।
- **কেন্দ্ৰীয় বিদ্যালয় আৰু জৱাহৰ নবোদয় বিদ্যালয়ৰ সংখ্যা ঃ** এই আঁচনিখনে কেন্দ্ৰীয় বিদ্যালয় আৰু জৱাহৰ নবোদয় বিদ্যালয়ৰ সংখ্যা বৃদ্ধি আৰু তাৰ ভূমিকা সবলীকৰণৰ ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰে।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৪ ঃ খালী ঠাই পূৰ কৰক।

(ক) প্ৰাথমিক স্তৰত RMSA য়ে সামৰি লয় .....

(খ) মাধ্যমিক বিদ্যালয়ৰ বাবে মানদণ্ড ..... ৰ ওপৰত নিৰ্ভৰ কৰে।

(গ) ..... ক অত্যন্ত লাগতিয়াল বিশেষত্ব সংলক্ষণ হিচাপে সূত্ৰায়িত কৰিব পাৰি।

(ঘ) নিৰপেক্ষতা আৰু অন্তর্নিবেশ হ'ল ..... ৰ দুটা মূল উপাদান।

প্ৰশ্ন নং ৫ ঃ মাধ্যমিক শিক্ষাত নায্যতা ৰক্ষাৰ বাবে তিনিটা ব্যৱস্থা উল্লেখ কৰা।

.....

.....

প্ৰশ্ন নং ৬ ঃ কেন্দ্ৰীয় চৰকাৰৰ ৰাষ্ট্ৰীয় পর্যায়ত প্ৰকল্পিত আঁচনি চাৰিখন কি কি?

.....

.....

১২.৫ ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ অধীনত মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষাৰ গুণগত মানদণ্ডৰ উন্নীতকৰণ

ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ অধীনত মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক পর্যায়ত গুণাত্মক শিক্ষা সার্বজনীনকৰণৰ দিশত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান চমুকৈ RMSA বিশেষভাৱে প্ৰতিজ্ঞাবদ্ধ। সেয়েহে ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান মাধ্যমিক পর্যায়ৰ শিক্ষাত গুণগত আন্তঃগাঁথনি, পৰিচালন তথ্য ব্যৱস্থা, পাঠ্যক্ৰমৰ বিকাশ, শিক্ষণীয় সমল শিক্ষকৰ যোগ্যতা, বিষয়ভিত্তিক শিক্ষকৰ নিয়োগকৰণ, প্ৰধান শিক্ষক আৰু শিক্ষকসকলৰ চাকৰিকালীন প্ৰশিক্ষণ, বিদ্যায়তনিক সহায়তা পৰিদর্শন ইত্যাদি বিভিন্ন দিশৰ বিষদ বিশ্লেষনেৰে কেতবোৰ এনেধৰণৰ কৌশলৰ ওপৰত গুৰুত্ব আৰোপ কৰে যিয়ে মাধ্যমিক পর্যায়ৰ ভিন্নমুখী তাগিদাবোৰ চৰিতার্থ কৰিব পাৰিব।

ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ এনে বিস্তৃত দৃষ্টিভংগীয়ে ৰাজ্যসমূহৰ ল'ৰা-ছোৱালীসকলক সর্বতোমুখী বিকাশৰ বাবে খেলা-ধূলা, সাংস্কৃতিক কার্যাৱলী, প্ৰকল্প, সামাজিক আৰু পাৰিপার্শ্বিক কার্যাৱলীসমূহত অংশগ্ৰহণ, স্বাস্থ্য, পুষ্টিসাধন, পেচা আদিৰ বাবে জীৱন নিপুনতা বিকাশ ইত্যাদি বিভিন্ন দিশক উৎসাহিত কৰাত সহায় কৰে। কর্ম অভিজ্ঞতাক সামাজিক আৰু পাৰিপার্শ্বিক পৰিস্থিতিৰ ভিত্তিত উৎসাহিত কৰি পাণ্ডিত্য অর্জন কৰিবলৈ হ'লে ল'ৰা-ছোৱালীবোৰক বিভিন্ন পেচাদাৰী লোকৰ সৈতে কৃষক আৰু শিল্পীৰ সৈতে সংস্পর্শ ৰক্ষা কৰা আঁচনিখনে তলত দিয়া দিনসমূহ উল্লেখ কৰে—

- মাধ্যমিক বিদ্যালয়ৰ শিক্ষা পৰিচালনা তথ্য পদ্ধতি আৰু মাধ্যমিক বিদ্যালয়ৰ ব্যৱস্থাৰ নক্সা বা মেপিং।
- পাঠ্যক্ৰম সামগ্ৰীক প্ৰস্তুতি আৰু গঠন।
- শিক্ষণীয় সমল।
- কলা আৰু শিল্পশিক্ষা।
- শিক্ষণ সমল কেন্দ্ৰ।
- কৈশোৰৰ শিক্ষা আঁচনি।
- শিক্ষার্থীৰ মূল্যায়ন আৰু পৰীক্ষাৰ সংস্কাৰ।
- নির্দেশনা আৰু পৰামর্শদান।
- শিক্ষক আৰু সামর্থতা বৃদ্ধি।
- ৰাজহুৱা ব্যক্তিগত বন্ধুত্বপূর্ণতা।
- বিদ্যালয় শিক্ষাৰ গাঁথনি।
- গুণগত মানৰ নিশ্চিতি প্ৰদান।

আহক এতিয়া আমি ওপৰোক্ত দিশবোৰ এটা এটাকৈ আলোচনা কৰো।

- **মাধ্যমিক শিক্ষা পৰিচালন পদ্ধতি সৃষ্টি আৰু মাধ্যমিক বিদ্যালয়ৰ মেপিং (SEMIS)**

মাধ্যমিক পর্যায়ত গুণগত শিক্ষা সার্বজনীনকৰণ প্ৰক্ৰিয়া সার্থক কৰাৰ বাবে মাধ্যমিক বিদ্যালয়ৰ ব্যৱস্থাসমূহৰ বিস্তৃত মেপিং, পাঠ্যক্ৰমৰ মেপিং আৰু মাধ্যমিক শিক্ষাৰ ডাটাবেচৰ পুনৰ গঠন কৰাটো অতি গুৰুত্বপূর্ণ।

সাম্প্ৰতিক সময়ত দেশত অৱস্থিত মাধ্যমিক শিক্ষাৰ বিশেষ পৰিস্থিতিৰ প্ৰতি লক্ষ্য ৰাখি মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহৰ দুৰ্বলতাবোৰ চিহ্নিত কৰা, উচ্চ প্ৰাথমিক বিদ্যালয়সমূহৰ উন্নীতকৰণ, ভিতৰুৱা অঞ্চলত নতুন স্কুল প্ৰতিষ্ঠাপন, বে-চৰকাৰী বিদ্যালয়সমূহ সু-সংগঠিত কৰা, ৰাজ্য বিশেষে ভৌতিক সুবিধাসমূহৰ উন্নীত কৰা ইত্যাদি দিশৰ সামগ্ৰীক পৰিচালনা আৰু কাৰ্যকৰীকৰণৰ বাবে মাধ্যমিক শিক্ষা ব্যৱস্থাপনাৰ তথ্য পদ্ধতিৰ দ্বাৰা ৰাজ্যিক, জিলা, ব্লক আৰু বিদ্যালয় পৰ্যায়ৰ কেতবোৰ বলিষ্ঠ পদক্ষেপ গ্ৰহণ কৰিব পৰা যায়।

প্ৰতিখন মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পূৰ্বনিৰ্ধাৰিত নিয়মানুসাৰে সমস্ত পৰ্যায়ক্ৰমিক তথ্য এই বিশেষ 'Secondary Education Management System' (SEMIS) পদ্ধতিৰ দ্বাৰা একত্ৰীকৰণ কৰিব পৰা যায়। এই প্ৰণালী বা পদ্ধতিটো প্ৰাথমিক পৰ্যায়ৰ তথ্য মজুতকৰণৰ বাবে ব্যৱহাৰ কৰা 'District Information System for Education (DISE)ৰ লগত সাদৃশ্যযুক্ত। সংগৃহীত তথ্য প্ৰতিখন গ্ৰাম পঞ্চায়তত সংৰক্ষিত পাৰিবাৰিক। ঘৰুৱা তথ্যৰ সৈতে পাৰস্পৰিক পৰীক্ষণ কৰিব লাগে। সাৰ্বজনীন মাধ্যমিক শিক্ষাৰ লক্ষ্য অনুসৰিয়ে ৰাজ্য আৰু স্তানীয় মানদণ্ড নিৰ্মাণ কৰা হয়। তদুপৰি উক্ত আঁচনিখন কাৰ্য ৰূপায়িত হোৱাৰ প্ৰথম বাৰ্ষিকৰ ভিতৰতে নতুন পাঠ্যক্ৰমৰ প্ৰস্তুতি আৰু বিকাশৰ কাৰ্যকলাপ সমাপন হ'ব বুলি আশা প্ৰকাশ কৰা হয়।

পাঠ্যক্ৰমৰ প্ৰস্তুতি আৰু নিৰ্মাণ ঃ শিক্ষাৰ ক্ষেত্ৰত ৰাষ্ট্ৰীয় আৰু ৰাজ্যিক স্তৰত থকা সন্তাসমূহৰ বাবে বিভিন্ন দায়িত্ব আৰু পৰিকল্পিত ভূমিকাসমূহৰ লগতে পাঠ্যক্ৰমৰ প্ৰস্তুতি আৰু নিৰ্মাণ কাৰ্যৰ এক বিশেষ স্থান আছে। দেশত জাতীয় শিক্ষাৰ স্বৰূপ ৰক্ষা কৰাৰ ক্ষেত্ৰত 1986 চনৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতিৰ 1992 চন প্ৰগ্ৰেম অফ এপ্ৰন (POA) আদিক এক মহত্বপূৰ্ণ মাধ্যম হিচাপে বিবেচনা কৰা হয়। এইখিনিতে উল্লেখযোগ্য যে এক বিস্তৃত আলাপ-আলোচনা আৰু প্ৰক্ৰিয়াৰ সহায়ত NCERT ৰ দ্বাৰা শিক্ষাৰ কেন্দ্ৰীয় উপদেষ্টা ব'ৰ্ডৰ অনুমোদন মৰ্মে National Curriculum Framwork 2005 তৈয়াৰ কৰা হয়। প্ৰতিখন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলতে নতুন পাঠ্যক্ৰমৰ প্ৰস্তুতিৰ বাবে এনেদৰণৰ গাঁথনি বনোৱাৰ প্ৰয়োজন।

শিক্ষনীয় সমলসমূহ ঃ শৈক্ষিক সমলবোৰ হ'ল সকলো প্ৰকাৰৰ শৈক্ষিক ব্যৱস্থাৰে মূল উপাদান যাৰ ওপৰত ভিত্তি কৰি শৈক্ষিক ব্যৱস্থাৰ মূল্যায়ন কৰা হয়। ইংৰাজী বি,য়ত থকা দুৰ্বলতা, গণিত আৰু বিজ্ঞান বিষয়ৰ সীমিত বোধন অধিক সংখ্যক শিক্ষাৰ্থীৰ বাবে শৈক্ষিক অকৃতকাৰ্যতাৰ মূল কাৰণ National Curriculum Framwork 2005 য়ে এই বিষয়টো সজোৰে উত্থাপন কৰে। বাহ্যিক পৰীক্ষাৰ গুৰুত্ব হ্ৰাস কৰি পৰীক্ষামূলক সংস্কৃতিৰ উত্থানৰ বাবে বিদ্যালয় গ্ৰন্থাগাৰ, পৰীক্ষাগাৰ আৰু কৰ্মশালাৰ উন্নতিৰ বাবে যথাৰ্থ পৰিকল্পনা আৰু পৰ্যাপ্ত বিনিয়োগৰ আৱশ্যকতা আছে। ইয়াৰোপৰি জনতাৰ ফালৰ পৰা কম্পিউটাৰ ইণ্টাৰফেচ্দ পৰীক্ষা আৰু প্ৰকল্প সপল ৰূপায়ণৰ ডাটাবেচ থকাটোও আৱশ্যক।

RMSA গুৰুত্ব আৰোপ কৰা ক্ষেত্ৰসমূহ—

- পৰীক্ষাগাৰ আৰু ইয়াৰ সজুলিসমূহৰ গুণগত মান উন্নীত কৰা।
- যুৱ প্ৰজন্মৰ মাজত স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা, কলা আৰু শিল্পকেন্দ্ৰীক শিক্ষা আদিৰ প্ৰতি বৌদ্ধিক সংবেদনশীলতাৰ সৃষ্টি কৰা।

সমাজ বিজ্ঞানৰ শিক্ষণশৈলীৰ গুণগত মান উন্নত কৰা আৰু যুৱ শিক্ষাৰ্থীসকলৰ বাবে ইয়াক অধিক প্ৰাসংগিক আৰু জীৱন্ত ৰূপত উপস্থাপন কৰা।

প্ৰতিখন বিদ্যালয়তে উপলব্ধ সমল আৰু ভৌতিক এলেকা অনুসৰি আৱশ্যকীয় আন্তঃগাঁথনি শক্তিশালী কৰি তোলা।

ওপৰোক্ত আলোচনাৰ পৰিপ্ৰেক্ষিতত এই কথা অতি সহজে বোধগম্য যে প্ৰতিখন মাধ্যমিক বিদ্যালয়তে অন্ততঃ বিজ্ঞানাগাৰ, কলা আৰু শিল্পৰ বাবে পৰীক্ষাগাৰ আৰু প্ৰয়োজনীয় সজুলিসমূহৰ যোগান ধৰিব লাগে মাধ্যমিক বিদ্যালয়ৰ ক্ষেত্ৰত এটা মাত্ৰ বিজ্ঞানাগাৰৰ ব্যৱস্থা কৰিলেও কিন্তু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাবে তিনিটা বিজ্ঞান বিষয়ৰ বাবে পৰীক্ষাগাৰৰ লগতে এটা কলা আৰু শিল্পৰ বাবে পৰীক্ষাগাৰ থকাটো জৰুৰী। কলা আৰু শিল্প পৰীক্ষাগাৰটো সমাজ বিজ্ঞান কলা আৰু ঐতিহ্য শিল্প, স্বাস্থ্য আৰু শাৰীৰিক শিক্ষা, কৰ্মভিত্তিক শিক্ষা আদি বিষয়সমূহৰ লগত জৰিত বিভিন্ন কাৰ্যকলাপ পৰিচালনা কৰাৰ বাবে ব্যৱহাৰ কৰা উচিত। মাধ্যমিক বিদ্যালয়

আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰীক্ষাগাৰসমূহৰ সকলো কার্যাৱলীবোৰ পৰিচালনা কৰাৰ বাবে অন্ততঃ মাধ্যমিক বিদ্যালয়ৰ বাবে এজন পৰীক্ষাগাৰ পৰিচালক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ বাবে তিনিজন পৰিচালক নিয়োগ কৰাটো উচিত।

কলা আৰু শিল্প শিক্ষা ঃ মাধ্যমিক পর্যায়ৰ শিক্ষার্থীসকলৰ বাবে চিন্তা আৰু কলাসুলভ অভিজ্ঞতাৰ অতি প্রয়োজন। ৰাষ্ট্রীয় মাধ্যমিক শিক্ষা অভিযানে ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু বিচিত্রতাৰ প্রতি সজাগতা সৃষ্টিৰ বাবে এনেধৰণৰ অভিজ্ঞতাক বিশেষভাৱে প্রয়োজনীয় হিচাপে চিনাক্ত কৰে। সংস্কৃতিৰ ওপৰত CABE কমিটীৰ প্রতিবেদন আৰু National Focus Group য়ে কলাৰ শিক্ষা যেনে— সংগীত থিয়েটাৰ, ভিজুৱেল আর্টচ আৰু নৃত্য আৰু ঐতিহ্য শিল্পৰ দিশত পৰামর্শ দানৰ মাধ্যমেৰে ৰাষ্ট্রীয় মাধ্যমিক শিক্ষা অভিযানক পথ প্রদর্শন কৰে। কলা শিক্ষাৰ বাবে NCERTৰ দ্বাৰা প্রস্তুত কৰি উলিওৱা পাঠ্য বিষয়সমূহ বিদ্যালয়সমূহৰ দ্বাৰা অনুসৰণ কৰাৰ লগতে কলা শিক্ষাৰ বাবে উপযুক্ত প্রশিক্ষণ প্রাপ্ত শিক্ষক নিযুক্তি কৰাটো দৰকাৰ। কলা বিষয়ক বহিঃ পাঠ্যক্রমিক কার্যাৱলীৰ পৰিৱর্তে পাঠ্যক্রমৰ এক অংশৰ ৰূপেহে বিবেচনা কৰিব লাগে। NCF 2005 ৰ পৰামর্শ মর্মে শিল্প শিক্ষাই সকলো বিষয়ৰ শিক্ষণ অভিজ্ঞতাক চহকী কৰাৰ লগতে প্রতিখন বিদ্যালয়তে দশম শ্রেণী পর্যন্ত এটা বিষয় হিচাপে শিকোৱাৰ প্রয়োজন।

শিক্ষন সমল কেন্দ্র ঃ শিক্ষার্থীসকলৰ সর্বোতমুখী বিকাশৰ বাবে শৈক্ষিক প্রক্রিয়া পাঠ্যক্রম কেন্দ্রীক হোৱাৰ পৰিৱর্তে কার্যভিত্তিক হোৱাৰ প্রয়োজন। ইয়াৰোপৰি মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয় গুণগতমান নিশ্চিতিকৰণৰ বাবে শিক্ষণ কার্য মুখস্থ স্মৃতিৰ পৰা স্তানান্তৰ কৰা হয়, সকলো বিদ্যালয়বোৰে নিম্নোল্লিখিত ইনপুটবিলাকৰ সৈতে শিক্ষণ সমল কেন্দ্র বিলাকৰ দ্বাৰা সু-সজ্জিত হোৱাৰ প্রয়োজন—

- গ্রন্থগাৰ।
- ICT সহায়তাৰ ব্যৱস্থা।
- EDUSAT ৰ লগত সমন্বয় সাধন।

বিদ্যালয়ৰ ICT গৱেষণাৰ কোঠা আৰু গ্রন্থগাৰ এটা ডাঙৰ কোঠাত স্থাপন কৰিব পৰা যায় অন্যথা ইয়াক দুটা নিকটৱর্তী কোঠাত স্থাপন কৰিব পৰা যায়। গ্রন্থবিলাকত পুথি সংগ্রহৰ পৰা আদি কৰি সকলোবিলাক কার্যকলাপ কম্পিউটাৰৰ মাধ্যমত সম্পাদিত হোৱা উচিত। শিক্ষণ সমল কেন্দ্রসমূহে শিক্ষার্থীসকলৰ এনেবোৰ কার্যত সুবিদা প্রদানৰ জৰিয়তে জ্ঞানৰ ভঁৰাল চহকী কৰাৰ লগতে সফলতা প্রাপ্তিৰ পথ সূচল কৰি তোলে। এই ক্ষেত্রত এজন নিয়মীয়া গ্রন্থাগাৰিকসহ কম্পিউটাৰ নির্দেশক নিয়োগ কৰিব লাগে। যিয়ে গ্রন্থাগাৰ আৰু তথ্য আৰু যোগাযোগ প্রযুক্তিবিদ্যাৰ লগত জৰিত সকলোবোৰ কাম-কাজ চোৱা চিতা কৰিব।

কৈশোৰৰ শিক্ষা আঁচনি ঃ কিশোৰ কিশোৰীসকলৰ সামগ্রীক ব্যক্তিত্বৰ সর্বোত্তম বিকাশৰ লক্ষ্য আগত ৰাখি কৈশোৰৰ শিক্ষা আঁচনিয়ে তেওঁলোকৰ স্বাস্থ্য ৰক্ষাৰ ওপৰত প্রাধান্যতা প্রদান কৰি খেল-ধূলা, শাৰীৰিক শিক্ষা, এইড্চ, জীৱন নিপুণতাৰ শিক্ষা আদি সকলোবোৰ দিশকে পৰিধিভুক্ত কৰি লয়।

কৈশোৰৰ শিক্ষা আঁচনিয়ে গুৰুত্ব আৰোপ কৰিবলগীয়া আন কিছু দিশ হ'ল এনেধৰণৰ—

- সকলো ৰাজ্য, কেন্দ্রীয় শাসিত অঞ্চলসমূহ প্রতিখন বিদ্যালয়ৰ প্রয়োজনীয় সকলোবোৰ ইনপুট উদাহৰণ স্বৰূপে পৰামর্শদাতা হিচাপে শিক্ষকৰ প্রশিক্ষণ সহায়ত কৈশোৰৰ শৈক্ষিক আঁচনিৰ ৰূপায়ণ কৰা।
- অধ্যয়নৰ বেলিকা কৈশোৰ কালৰ শিক্ষা ব্যৱস্থাৰ উপাদানবোৰৰ দ্বাৰা পাঠ্যক্রম একত্রীকৰণ।
- শিক্ষক শিক্ষাৰ উভয় ব্যৱস্থাতে প্রাক্ চাকৰিকালীন আৰু চাকৰিকালিন ক্ষেত্রত পাঠ্যক্রমৰ একত্রীকৰণ।

শিক্ষার্থীৰ মূল্যায়ন আৰু পৰীক্ষা ব্যৱস্থাৰ সংস্কৰণ

সময়সীমা, ক্রেডিট সংগ্রহ, নির্ধাৰিত সময়ত হোৱা পৰীক্ষা দূৰীকৰণ ইত্যাদি বিভিন্ন দিশৰ প্রতি চিন্তাশীল দৃষ্টিভংগী গ্রহণ কৰি শিক্ষাত নমনীয়তা প্রদান আৰু পাঠ্যক্রমিক সংস্কৰণৰ প্রয়োজনীয়তাৰ বাবে বর্তমান শিক্ষা ক্ষেত্রত দাৰাবাহিক আৰু সামগ্রিক মূল্যায়নৰ প্রণালী গ্রহণ কৰা হয় যাতে পৰীক্ষা ব্যৱস্থাই সৃষ্টি কৰা মানসিক পীড়া আতৰ হয়। শিক্ষার্থীসকলে বিভিন্ন বিষয়ত লাভ কৰা নম্বৰৰ তালিকা অথবা মার্কচিটৰ পৰিৱর্তে ব্যৱহাৰিক

জীৱনৰ বাবে প্ৰয়োজনীয় ব্যক্তিত্বৰ সংলক্ষণ, জীৱন নিপুণতা, বিদ্যায়তনিক আৰু অ-বিদ্যায়তনিক ক্ষেত্ৰত প্ৰদৰ্শন কৰা পাৰদৰ্শিতা, বৃত্তিমূলক প্ৰশিক্ষণ ইত্যাদি বিষয়ৰ প্ৰতিহে অধিক আগ্ৰহসীল হোৱাৰ প্ৰয়োজন। শিক্ষাৰ্থীসকল পূৰ্ণ ব্যক্তিত্বৰ প্ৰকাশৰ বাবে পোৰ্টফলিও সামগ্ৰিক বিধৰ হোৱা উচিত।

পৰীক্ষা ব্যৱস্থাৰ দ্বাৰা শিক্ষাৰ্থীসকলৰ বোধগম্যতা বিকাশৰ বাবে বিশ্লেষণমূলক লিখনি আৰু সমস্যা সমাধান কৌশলৰ ওপৰত গুৰুত্ব প্ৰদান কৰিব লাগে। ইয়াৰোপৰি পৰীক্ষা ব্যৱস্থাত চমু প্ৰশ্নত্তোৰৰ পৰিৱৰ্তে চিন্তশীল প্ৰশ্ন, একাধিক পচন্দ প্ৰশ্ন আদি সংযুক্ত কৰিব লাগে। শিক্ষকসকলক এনেধৰণৰ প্ৰশ্ন আৰ্হিসমূহৰ লগত পৰিচয় কৰাৰ বাবে দিক্ বিন্যাস কাৰ্যসূচী সংগঠিক কৰাৰ প্ৰয়োজন। ইয়াৰোপৰি এই আঁচনিখনে বৰ্তমান কিছুমান বিদ্যালয়ৰ দ্বাৰা গৃহীত প্ৰশ্নকাকতসমূহত হোৱা ব্যাপক জালিয়াতিৰ ওপৰতো গুৰুত্ব আৰোপ কৰে। এনেধৰণৰ জালিয়াতি হ্ৰাস কৰাৰ বাবে বিদ্যালয়ভিত্তিক মূল্যায়নত আভ্যন্তৰিণভাৱে গ্ৰেড প্ৰদান কৰা উচিত। কিন্তু বাহ্যিকভাৱে সংশোধন কৰিব লাগে।

- **নিৰ্দেশনা আৰু পৰামৰ্শদান ঃ** মাধ্যমিক শিক্ষা সাৰ্বজনীনকৰণৰ দিশত নিৰ্দেশনা আৰু পৰামৰ্শদান হ'ল এক অতি লাগতিয়াল কৌশল। এই নিৰ্দেশনা আৰু পৰামৰ্শদান কৌশলে শিক্ষাৰ্থীসকলৰ বিদ্যায়তনিক পাৰদৰ্শিতা বৃদ্ধি কৰা, সুস্থ সমায়োজনৰ আদব-কায়দা আয়ত্বকৰণ, কৰ্মজীৱনৰ অগ্ৰগতি শিক্ষাৰ্থী সংৰক্ষণৰ ব্যৱস্থা, অধ্যয়নৰ প্ৰতি, নিজৰ প্ৰতি, কৰ্ম আৰু আনৰ প্ৰতি ইতিবাচক মনোভাৱ গঠন ইত্যাদি ক্ষেত্ৰত সহায় কৰিব পাৰে।

মাধ্যমিক পৰ্যায়ৰ শিক্ষা মানৰ জীৱনৰ ধুমুহা আৰু পীড়নৰ কালছোৱাৰ লগত জৰিত। বিদ্যালয়ৰ পৰিস্থিতি, পৰিয়াল, সমনীয়া দল আদিৰ লগত যোগ্যতাৰে সমায়োজিত হোৱাৰ প্ৰয়োজনীয়তা ব্যক্তিগত, সামাজিক আৰু আবেগিক জীৱনত বিভিন্ন সংকটময় অৱস্থাৰ সৃষ্টি কৰে। মূলতঃ প্ৰাপ্ত নিৰ্দেশনা আৰু পৰামৰ্শদানৰ ক্ষেত্ৰত সু-প্ৰশিক্ষণপ্ৰাপ্ত পৰামৰ্শদাতা হৈহে শিক্ষাৰ্থীসকলক শৈক্ষিক, ব্যক্তিগত, সামাজিক আৰু কৰ্মজীৱনৰ লগত জৰিত এনে ভিন্নমুখী সমস্যাসমূহৰ কবলৰ পৰা মুক্ত হোৱাৰ বাবে লাগতিয়াল যোগ্যতা আৰু ধনাত্মক দৃষ্টিভংগীৰ বিকাশত সহায় কৰিব পাৰে। এনেধৰণৰ বিশেষ ব্যৱস্থাসমূহ বিদ্যালয় পৰ্যায়ত সু-সংগঠিত কৰি শিক্ষাৰ্থীসকলক ক্ৰমবৰ্ধিত বিদ্যায়তনিক আৰু সামাজিক চাপপূৰ্ণ অৱস্থাৰ লগত সমায়োজিত হোৱাৰ সহায় কৰিব পাৰে।

শিক্ষক আৰু সামৰ্থকতাৰ বিকাশ ঃ প্ৰত্যেক বিদ্যালয় মাধ্যমিক আৰু উচ্চ মাধ্যমিক পৰ্যায়ৰ বাবে বিষয় শিক্ষকৰ নিযুক্তিৰ প্ৰয়োজন। ইয়াৰোপৰি কলা আৰু শিল্প শিক্ষা শাৰীৰিক শিক্ষা সাংস্কৃতিক শিক্ষা আদিৰ বাবে বিশেষ শিক্ষকৰ নিযুক্তি হ'ব লাগে। শিক্ষকসকলৰ সামৰ্থতা বিকাশৰ বাবে এই আঁচনিখনে গুৰুত্ব আৰোপ কৰা দুটা বিশেষ ব্যৱস্থা সম্পৰ্কে তলত আলোচনা কৰা হ'ল—

- মাধ্যমিক বিদ্যালয়ৰ শিক্ষকসকলৰ বাবে দিকবিন্যাস।
- শৈক্ষিক পৰিকল্পনাকাৰী আৰু প্ৰশাসকসকলৰ বাবে দিক্‌বিন্যাস। তলত উক্ত দুয়োটা ব্যৱস্থা সম্পৰ্কে চমুকৈ আলোচনা কৰা হ'ল।

মাধ্যমিক বিদ্যালয়ৰ শিক্ষকসকলৰ বাবে দিক্‌বিন্যাস ঃ বিদ্যালয়ৰ শিক্ষাত শিক্ষকৰ গুৰুত্ব প্ৰাতঃস্মৰণীয়। সেয়েহে শিক্ষকৰ গুণাৱলীৰ গতিশীল উন্নয়নৰ বাবে বি এডৰ দৰে প্ৰাক্-চাকৰিকালীন প্ৰশিক্ষণৰ উপৰিও চাকৰিকালীন প্ৰশিক্ষণ আৰু বিভিন্ন পদক্ষেপ গ্ৰহণ কৰা উচিত। দেশত মাধ্যমিক বিদ্যালয়ৰ প্ৰশিক্ষণৰ বেলিকা যথেষ্ট পৰিমাণে আঞ্চলিক বৈষম্যৰ উপস্থিতি অনুভৱ কৰা হয়। শিক্ষাৰ্থীসকল আপোনালোকে এইটো মন কৰিব যে অন্যান্য ৰাজ্যসমূহৰ তুলনাত আমাৰ উত্তৰ পূৰ্বাঞ্চলৰ অঞ্চলসমূহত শিক্ষক প্ৰশিক্ষণৰ সুবিধা যথেষ্ট পৰিমাণে কম চাহিদা অনুযায়ী প্ৰশিক্ষণ প্ৰাপ্ত শিক্ষকৰ সংখ্যা বৃদ্ধি আৰু শিক্ষকসকলৰ জ্ঞানৰ ধাৰাবাহিক নবীকৰণৰ বাবে ৰাজ্যিক পৰ্যায়ত একধৰণৰ যৌক্তিক পৰিকল্পনাৰ প্ৰয়োজন।

শৈক্ষিক পৰিকল্পনাকাৰী আৰু প্ৰশাসকৰ দিক্‌বিন্যাস ঃ

- **শৈক্ষিক নেতৃত্ব ঃ** শৈক্ষিক নেতৃত্বই পেচাদাৰী জ্ঞানৰ লগতে শিক্ষণ শিকন প্ৰক্ৰিয়াৰ ক'লাসুলভ দৃষ্টিভংগীকো আকোৱালী লয় যাতে উৎসাহিত বিদ্যায়তনিক প্ৰচেষ্টাক উৎসাহিত কৰাৰ উপৰিও শিক্ষাৰ্থীসকলৰ বাবে গুণাত্মক ফলাফলৰ ব্যৱস্থা কৰিব পাৰে।

- **ব্যক্তিগত নেতৃত্ব ঃ** ব্যক্তিগত নেতৃত্ব হৈছে এক আভ্যন্তৰীণ শক্তি যিয়ে জটিল পৰিস্থিতিৰ মুখামুখী হোৱাৰ সাহস দান কৰে আৰু ব্যক্তিগত আৰু পেচাদাৰী জীৱনৰ মাজত ভাৰসাম্য ৰক্ষা কৰাৰ সামর্থতা বৃদ্ধিৰ লগতে আনকো তেনে আৰ্হিত গড়ি তুলিব পাৰে।
- **যুক্তি সম্পন্ন নেতৃত্ব ঃ** বিভিন্ন মানুহৰ সৈতে গুণগত সম্পর্ক অক্ষুণ্ণ ৰখাৰ বাবে ই হ'ল আন্তঃসম্পর্কিত অথবা পাৰস্পিৰিক যোগাযোগ স্থাপনৰ কৌশল।
- **বৌদ্ধিক নেতৃত্ব ঃ** বৌদ্ধিক নেতৃত্বই চাতুর্যপূর্ণ চিন্তন যুক্তি সম্পন্ন বিচাৰ ক্ষমতা আৰু উচিত সিদ্ধান্ত গ্রহণকে বুজায়। অধ্যক্ষবোৰে কৌশলগত এজেণ্ডাবোৰ বুজা আৰু প্রভাৱিত কৰাৰ বাবে উদীয়মান স্থানীয়, ৰাষ্ট্রীয় আন্তঃৰাষ্ট্রীয় প্রবাহক চিনাক্ত কৰাৰ প্রয়োজন।
- **সাংগঠনিক নেতৃত্ব ঃ** বিদ্যালয়ৰ ভৌতিক, বিত্তীয় আৰু মানৰ সম্পদসমূহৰ সুদক্ষ পৰিচালনাৰ বাবে এই সাংগঠনিক নেতৃত্বই বিদ্যালয় উন্নীতকৰণ প্রক্রিয়াত ধাৰাবাহিকভাৱে সহায় কৰিব পাৰে।
- **ৰাজহুৱা ব্যক্তিগত বন্ধুত্বপূর্ণতা ঃ** বিদ্যালয়ত প্রদান শিক্ষা ব্যৱস্থাৰ সামগ্রীক গুণগত মানৰ ক্ষেত্রত অৱদান আগবঢ়াবৰ বাবে RMSAয়ে PPP (public private partnership) আৰ্হিৰ জৰিয়তে কেতবোৰ বিশেষ দিশৰ গুণাত্মক উৎকর্ষ সাধনত গুৰুত্ব দিয়ে বন্ধুত্বপূর্ণ (partnership) আৰ্হিক বিদ্যালয়সমূহত বিজ্ঞান কলা, খেলা-ধূলা ICT দৃশ্য প্রাকশিক্ষা আদিৰ দৰে আন্তঃগাঁথনিক শক্তিশালী কৰাৰ বাবে ব্যৱহাৰ কৰিব পাৰি। বিদ্যালয়ৰ আন্তঃগাঁথনিক পুথিভঁৰাল, বিজ্ঞানাগাৰ, দৃশ্য শ্রাব্য সজুলি ICT ৰ সুবিধা, কলা কর্মশালা, খোৱা পানীৰ ব্যৱস্থা, শৌচাগাৰৰ সুবিধা, খেল-ধেমালীৰ ব্যৱস্থা ইত্যাদি দিশত ব্যক্তিগত সংস্থাসমূহে মানৰ হিতৈষী অভিপ্রায়ৰে বিনিয়োগ কৰাটো উচিত। এইটো আশা কৰা হয় যে ল'ৰা-ছোৱালীৰ প্রয়োজনৰ সন্দর্ভত গ্রাম্য বজাৰৰ আকাৰ আৰু বিচিত্রতাৰ বাবে পেইণ্ট, ক্রেয়ন, ৰেকেট, বল, জোতা আদিৰ সামগ্রীসমূহ উপলব্ধ হোৱাটোৱে ধনাত্মক প্রভাৱ পেলাব। এই পৰিপ্রেক্ষিতত ওপৰোক্ত অঞ্চলসমূহত বিদ্যালয়ৰ আন্ত-গাঁথনি আৰু শিশুসকলৰ প্রয়োজনীয়তাৰ ক্ষেত্রত বিনিয়োগ আকর্ষণ কৰাৰ বাবে ৰাজ্যসমূহৰ দ্বাৰা কৰ প্রনোদন কৰিব পৰা যায়।

  ইয়াৰোপৰি এই আঁচনিখনৰ সফলতা বহুলাংশে নির্ভৰ কৰে শিক্ষক প্রশিক্ষণৰ প্রতিষ্ঠানসমূহ যেনে— DIETs, CTEs, IASEs, আৰু প্রয়োজনীয় আন্তঃগাঁথনি, শিক্ষকসকলৰ প্রয়োজনীয় শিক্ষাদানৰ সঁজুলি আদিৰ পর্যাপ্ততাৰ ওপৰত। এই প্রসংগত শিক্ষক প্রশিক্ষণ প্রতিষ্ঠানসমূহত উপলব্ধ বুনিয়াদী সা-সুবিধাসমূহৰ গুণগতমান বর্ধনৰ ক্ষেত্রত PPP আৰ্হিয়ে এক বলিষ্ঠ ভূমিকা গ্রহণ কৰে।
- **বিদ্যালয় শিক্ষাৰ গাঁথনি ঃ** ভাৰতবর্ষত মাধ্যমিক শিক্ষাৰ গাঁথনি সকলো ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চলসমূহত একে নহয়। উদাহৰণস্বৰূপে অৰুণাচল প্রদেশ, হাৰিয়ানা, হিমাচল প্রদেশ, জম্মু আৰু কাশ্মীৰ, মধ্যপ্রদেশ, মণিপুৰ, নাগালেণ্ড, পঞ্জাৰ, ৰাজস্থান, চিকিম, তামিলনাড়ু, ত্রিপুৰা, উত্তৰ প্রদেশ, ৰেষ্ট বেংগল, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, চণ্ডীগড়, দিল্লী আৰু পণ্ডীচেৰীৰ কাৰাক কাল অঞ্চল এই ১9খন ৰাজ্য। কেন্দ্রীয় শাসিত অঞ্চলত মাধ্যমিক শিক্ষা নৱম আৰু দশম শ্রেণীলৈকে সীমাবদ্ধ। অন্যহাতে অন্ধ্রপ্রদেশ, অসম গোৱা, গুজৰাট, কর্ণাটক, কেৰেলা, মহাৰাষ্ট্র, মেঘালয়, মিজোৰাম, উৰিষ্যা, দদৰা, নগৰ হাফেলী, দমন আৰু ডিউ, লক্ষ্যদ্বীপ আৰু পণ্ডিচেৰীৰ মৈহে আৰু যনম অঞ্চল এই ১3খন ৰাজ্যûকেন্দ্রীয় শাসিত অঞ্চলসমূহৰ মাধ্যমিক পর্যায়ৰ শিক্ষা ব্যৱস্থাই অষ্টমৰ পৰা দশম শ্রেণী পর্যন্ত সামৰি লয় যদিও সকলো ৰাজ্যûকেন্দ্রীয় শাসিত অঞ্চলসমূহত ÙÂ2 স্কুলীয়া পর্যায়ৰ ব্যৱস্থা আছে। কিন্তু কিছুমান নির্দিষ্ট ৰাজ্যûকেন্দ্রীয় শাসিত অঞ্চলসমূহ এই ÙÂ2 পর্যায়টো মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়সমূহৰ লগত সংশ্লিষ্ট হৈ আছে। ইয়েই মাধ্যমিক পর্যায়ৰ শিক্ষা ব্যৱস্থাৰ গাঁথনিৰ ক্ষেত্রত থকা ভিন্নতাৰ ছবি বহন কৰে।

সেয়েহে ৰাষ্ট্রীয় মাধ্যমিক শিক্ষা অভিযানে সকলো ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চলসমূহত মাধ্যমিক শিক্ষাৰ উমৈহতীয়া গাঁথনিৰ বাবে 8ÙÂ2ÙÂ2 পদ্ধতিটো গ্রহণ কৰাৰ বাবে পৰামর্শ আগবঢ়ায়।

ইয়াৰোপৰি ৰাষ্ট্রীয় মাধ্যমিক শিক্ষা অভিযানে মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক শিক্ষা প্রশাসনৰ গুণগত

মানদণ্ড উন্নত কৰা, শিক্ষক আৰু পৰিদৰ্শকসকলৰ বাবে পাঠ্যক্ৰমিক কাৰ্যৱলীৰ সফল পৰিচালনা আৰু সামৰ্থতা বৃদ্ধিৰ কাৰ্যসূচী, শিক্ষাৰ্থীসকল আন্তঃৰাজ্যিক গতিশালতা ইত্যাদি দিশক বিশেষ গুৰুত্ব সহকাৰে বিবেচনা কৰে।

গুণগত মানদণ্ড নিশ্চিতকৰণ

সম্প্ৰতি বিশ্বায়নৰ প্ৰতিযোগিতামূলক পৰিস্থিতিত অন্যান্য সকলোবোৰ দিশৰ ভিতৰতে গুণগত মানদণ্ড নিশ্চিতকৰণৰ দিশটোৱে সৰ্বাধিক প্ৰাধান্যতা লাভ কৰিছে। বিদ্যালয় শিক্ষাৰ বিভিন্ন গুণগত মান নিৰ্দেশকৰ বাবে আনুষ্ঠানিক শিক্ষাত NCERT আৰু মুক্ত শিক্ষাত NIOSয়ে মূল ভূমিকা গ্ৰহণ কৰে। বৰ্তমান সময়ত বিদ্যালয় শিক্ষাৰ সকলো দিশতে গুণগত মান নিশ্চিতকৰণ হ'ল মূল প্ৰয়োজনীয়তা। যি পাঠ্যক্ৰম প্ৰণয়ন, শিক্ষক শিকন প্ৰক্ৰিয়া পদ্ধতি আৰু কৌশল, শিক্ষাৰ্থীৰ মূল্যায়ন পৰিকল্পনা, কাৰ্যকৰীকৰণৰ নিৰীক্ষণ ভৌতিক সা-সুবিধা, কৰ্মচাৰীবৃন্দৰ প্ৰশিক্ষণ আদিক সামৰি লয়।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৭ ঃ শুদ্ধ উত্তৰটো নিৰ্বাচন কৰক —

(ক) SEMIS ৰ সম্পূৰ্ণ ৰূপটো হ'ল Secondary Education Management Information System/Secondary Education Management Server.

.....

(খ) National Curriculum Framework, 2005 হ'ল এক সংস্থা যি CABE/NCERT ৰ দ্বাৰা অনুমোদিত।

.....

(গ) মাধ্যমিক বিদ্যালয়ৰ বাবে বিজ্ঞান পৰীক্ষাগাৰ এটা□তিনিটা হ'ব লাগে।

.....

(ঘ) এজন নিয়মীয়া□অংশকালীন গ্ৰন্থাগাৰিকসহ কম্পিউটাৰ নিৰ্দেশক নিয়োগ কৰিব লাগে। যিয়ে ICT আৰু পুথিভঁৰাল জৰিত সকলোবোৰ কাৰ্য চোৱা-চিতা কৰিব।

.....

(ঙ) ভাৰতত মাধ্যমিক পৰ্যায়ৰ শিক্ষা গাঁথনি সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ একে□একে নহয়।

.....

প্ৰশ্ন নং ৮ ঃ NCF-2005 অনুসৰি কলা শিক্ষাৰ প্ৰকৃতি কেনেকুৱা হোৱা উচিত?

.....

.....

প্ৰশ্ন নং ৯ ঃ IRC সু-সজ্জিত কৰাৰ বাবে সকলো বিদ্যালয়তে কি কি ইনপুট প্ৰয়োজন?

.....

.....

১২.৬ আঁচনিখনৰ নিৰ্দিষ্ট মানদণ্ডৰ সংস্কৰণ

শিক্ষাৰ্থীসকল আপোনালোকে ইতিমধ্যে মাধ্যমিক শিক্ষা সাৰ্বজনীন কৰাৰ বাবে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা উন্মোচিত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ সন্দৰ্ভত ভালেখিনি জ্ঞান আহৰণ কৰিছে। মাধ্যমিক শিক্ষাৰ সাৰ্বজনীন প্ৰৱেশযোগ্যতা আৰু গুণাত্মক দিশৰ উৎকৰ্ষ সাধনৰ লক্ষ্যৰে 2009 চনত RMSA আঁচনিখনৰ শুভাৰম্ভ কৰা

হৈছিল। এই আঁচনিখনৰ মূল উদ্দেশ্য হ'ল মাধ্যমিক বিদ্যালয়ৰ আধাতে শিক্ষা ত্যাগ কৰাৰ অনুপাত কমোৱা আৰু অধিকতকৈ অধিক শিক্ষার্থীসকল অবিৰত শিক্ষা লাভৰ প্ৰতি উৎসাহিত কৰা। এই আঁচনিখনৰ কিছুমান মানদণ্ড 1û4û2013 চনৰ পৰা সংস্কৰণ আৰু প্ৰয়োগ কৰা হয়। আঁচনিখনৰ অধীনত আৰ্থ সামাজিক, বিকলাংগতা আৰু লিংগ ভিত্তিক বাধ্যসমূহ দূৰ কৰাত বিশেষভাৱে মনোনিৱেশ কৰা হয়।

1û4û2013 ৰ পৰা ভাৰত চৰকাৰে নিম্ন প্ৰদত্ত সংস্কৰণকৃত মানদণ্ডবোৰ গ্ৰহণ কৰে—

- ৰাজ্য চৰকাৰ আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ দ্বাৰা নাগৰিকৰ কার্যসমূহ নির্মাণৰ বাবে RMSA ৰ অধীনত SSOR Rate নাইবা CPWD ক ব্যৱহাৰৰ অনুমতি দিব পাৰে।
- আঁচনিখনৰ অধীনত পৰিচালন ব্যৱস্থা নিৰীক্ষণ প্ৰক্ৰিয়া, মূল্যায়ন আৰু গৱেষণামূলক কার্যবৃদ্ধিৰ হেতু মুঠ ব্যয়ৰ 2.2 শতাংশৰ পৰা 4 শতাংশ লৈ বৃদ্ধি হয় আকৌ ৰাষ্ট্ৰীয় পর্যায়ত নির্ধাৰিত 4 শতাংশৰ 0.5í আৰু বাকী 3.5í ৰাজ্য আবণ্টনৰ অংশস্বৰূপে থাকে। যি সমূহ ৰাজ্যৰ ক্ষেত্ৰত এই বর্ধিত 3.5 শতাংশ আবণ্টন পর্যাপ্ত নহয় সেই ৰাজ্যসমূহত MMER পর্যাপ্ত নহ'ব আৰু বিভিন্ন কার্যকলাপৰ ক্ষেত্ৰত বাধা প্ৰদান কৰিব। পৰৱর্তীকালত সামগ্ৰীকভাৱে ৰাজ্যিক MMER উপাদানৰ 3.5 শতাংশৰ ভিতৰত বিভিন্ন ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলসমূহৰ ভিন্নতা অনুসৰি ব্যয়ৰ পৰিমাণত ভিন্নতা হ'বলগীয়াটো PAB ৰ দ্বাৰা অনুমোদিত হয়। অৱশ্যে এইখিনিতে উল্লেখযোগ্য যে কোনো এক বিশেষ ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চলত এই ব্যয়ৰ সর্বাধিক পৰিমাণ 5í হ'ব।
- কেন্দ্ৰীয়ভাৱে প্ৰকল্পিত বিভিন্ন আঁচনিসমূহ যেনে— তথ্য আৰু যোগাযোগ প্ৰযুক্তিবিদ্যা (ICT), ছোৱালীৰ হোষ্টেল মাধ্যমিক পর্যায়ত বিকলাংগৰ বাবে অন্তর্ভুক্তিকৃত শিক্ষা (IEDSS) আৰু বৃত্তিমূলক শিক্ষা ইত্যাদি মাধ্যমিক শিক্ষাৰ লগত জৰিত আঁচনিসমূহক RMSA ৰ ব্যাপক পৰিধিৰ ভিতৰত অন্তর্ভুক্ত কৰি লোৱা হয়।
- RMSA ৰ বিস্তৃত প্ৰকল্পৰ উপাদান অনুসৰি সাহায্যপ্ৰাপ্ত বিদ্যালয়সমূহৰ গুণাত্মক দিশৰ প্ৰতি লক্ষ্য ৰাখি আঁচনিখনৰ সুবিধাসমূহ সম্প্ৰসাৰিত কৰা।
- দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনাৰ Non-NER ৰাজ্য (উত্তৰ পূব ৰাজ্যসমূহৰ বাহিৰে) আৰু চিকিমকে ধৰি NER ৰাজ্যসমূহৰ 90 ঃ 30 আৰু বাকীবোৰৰ বাবে 72.25ৰ অনুদান প্ৰদানৰ গাঁথনি বাহাল ৰখা।
- ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান প্ৰকল্পৰ অনুমোদন বোর্ডক মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ অনুমোদনৰ বাবে বিবেচনা কৰাৰ কাৰণে RMSA ৰ বিস্তৃত প্ৰকল্পৰ ভিতৰত চাৰিখন কেন্দ্ৰীয়ভাৱে উন্মোচিত আঁচনি গ্ৰহণ কৰা হয়।
- ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ বিস্তৃত প্ৰকল্পৰ প্ৰত্যেকটো উপাদানৰ কাৰণে RMSA State Implementation ক প্ৰত্যক্ষভাৱে অনুদান মুকলিকৰণৰ ক্ষমতা প্ৰদান কৰে।

২ ১২.৭ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- 2009 চনৰ মার্চ মাহত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান আঁচনিখন মাধ্যমিক শিক্ষাত সুগমতা বৃদ্ধি আৰু সার্বজনীনকৰণৰ বাবে শুভাৰম্ভ কৰা হয়। এই আঁচনিখনে 2009–10 চনৰ পৰা ইয়াৰ কার্যাৱলীসমূহ বাস্তৱত ৰূপায়িত কৰাৰ কাম আৰম্ভ কৰে।
- মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়সমূহত এই আঁচনিখনে নিম্নোক্ত ভৌতিক সুবিধাসমূহ প্ৰদান কৰে।—
  - অতিৰিক্ত শ্ৰেণীকোঠা।
  - পৰীক্ষাগাৰ।
  - গ্ৰন্থাগাৰ।

- কলা আৰু শিল্পৰ বাবে কোঠা।
- শৌচাগাৰৰ ব্যৱস্থা।
- খোৱা পানীৰ ব্যৱস্থা।
- দুৰ্গম অঞ্চলত শিক্ষকসকলৰ বাবে আবাসিক সুবিধা।

- RMSA ৰ মূল লক্ষ্য হ'ল 14–18 বছৰ বয়সৰ সকলো যুৱক-যুৱতীৰ বাবে গুণগত শিক্ষা সহজে উপলব্ধ। প্ৰৱেশযোগ্য আৰু ব্যয়যোগ্য কৰি তোলা।
- মাধ্যমিক শিক্ষাত সাৰ্বজনীন সুগমতা, সফলতা আৰু সামাজিক ন্যায়ৰ দিশত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান আঁচনিয়ে কেতবোৰ মাৰ্গদৰ্শনকাৰী নীতি গ্ৰহণ কৰে। ইয়াৰোপৰি মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমিক গাঁথনি, প্ৰাসংগিকতা আৰু বিকাশমূলক দিশৰ ওপৰতো গুৰুত্ব আপোৰ কৰে।
- ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযানৰ অধীনত মাধ্যমিক শিক্ষাৰ বাবে দৃষ্টিভংগী আৰু কৌশল সংখ্যাগত, বিশ্বাসযোগ্যতা আৰু গুণগত মানদণ্ড ইত্যাদি বিভিন্ন দিশত থকা প্ৰত্যাহ্বানবোৰ মোকাবিলা কৰি মাধ্যমিক শিক্ষাক সাৰ্বজনীন কৰাৰ বাবে অতিৰিক্ত বিদ্যালয়, অতিৰিক্ত শ্ৰেণীকোঠা, শিক্ষক আৰু অন্যান্য সুবিধাবোৰৰ ক্ষেত্ৰত দূৰদৰ্শী দৃষ্টিভংগীৰে ব্যাপক পৰিমাণৰ গুণগত ইনপুতৰ যুগুতকৰণ এক প্ৰকাৰৰ বাধ্যতামূলক হিচাপে চিহ্নিত কৰিব পাৰি।
- মাধ্যমিক শিক্ষাৰ গুণমানৰ উৎকৰ্ষ সাধন আৰু সকলোৰে বাবে এই শিক্ষা সহজলভ্য কৰিবৰ বাবে RMSA গাঁথনিৰ অধীনত অন্তৰ্ভুক্ত হৈ থকা কৌশলবোৰ হ'ল— গুণগত মানদণ্ড, নাম্যতা, সমল অনুষ্ঠানসমূহৰ সংস্কাৰ সাধন আৰু সবলীকৰণ, সম্প্ৰদায়ৰ লোক, সংস্থা, আঁচনি আদিৰ অৱদান, নতুন আঁচনিসমূহৰ সৈতে চলিত আঁচনিসমূহ চামিলকৰণ, কাম আৰু শিক্ষাগ্ৰহণ একেলগে চলাই নিয়াৰ ব্যৱস্থা, KVS আৰু JNVS ৰ সংখ্যা বৃদ্ধি ইত্যাদি।
- মাধ্যমিক আৰু উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ গুণগত মান উন্নীতকৰণৰ বাবে RMSA আঁচনিয়ে বিবেচনা কৰা মূল উপায়বোৰ হ'ল—
  - মাধ্যমিক বিদ্যালয়ৰ শিক্ষা পৰিচালনা তথ্য পদ্ধতি আৰু মাধ্যমিক বিদ্যালয়ৰ নক্সা বা মেপিং।
  - পাঠ্যক্ৰমৰ সামগ্ৰীক প্ৰস্তুতি আৰু গঠন।
  - শিক্ষণীয় সমল।
  - কলা আৰু শিল্প শিক্ষা।
  - শিক্ষণ সমল কেন্দ্ৰ।
  - কৈশোৰৰ শিক্ষাৰ আঁচনি।
  - ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডৰ বন্ধুত্বপূৰ্ণতা।
  - গুণমান নিশ্চিতি প্ৰদান।
  - বিদ্যালয় শিক্ষাৰ গাঁথনি।
- RMSA ৰ আঁচনিখন যদিও 2009 চনত আৰম্ভ কৰা হৈছিল, কিন্তু পৰৱৰ্তী পৰ্যায়ত কিছুমান নিৰ্দিষ্ট মানদণ্ডৰ সংস্কৰণ ঘটাই আৰ্থ সামাজিক, লিংগ ভিত্তিক, বিকলাঙ্গতো আদিৰ প্ৰতিবন্ধকতা দূৰ কৰাৰ বাবে 1û4û2013 চনৰ পৰা ইয়াক কাৰ্যত কৰা হয়।

১২.৮ অধিক জানিবলৈ

1] E-Resource : Rastriya Madhyamik Shiksha Abhiyan (RMSA)Search Domain : https//mhrd.gov.infrmsa.

K১২.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সঁচা (খ) মিছা (গ) মিছা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ইয়ে শিক্ষাৰ্থীসকলক উচ্চ শিক্ষাৰ বাবে প্ৰস্তুত কৰি তোলে।

(খ) ইয়ে নিয়োগৰ বজাৰখনলৈ মানৱ সম্পদৰ যোগান ধৰে।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ RMSA ৰ মাৰ্গ দৰ্শনকাৰী নীতিসমূহ হ'ল—

- মাধ্যমিক শিক্ষাৰ সাৰ্বজনীন সুগমতা, সমতা আৰু সামাজিক ন্যায়।
- মাধ্যমিক শিক্ষাৰ প্ৰাসংগিকতা আৰু বিকাশ।
- মাধ্যমিক শিক্ষাৰ পাঠ্যক্ৰমিক আৰু গাঁথনিমূলক দিশ।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) নৱম শ্ৰেণী (খ) কেন্দ্ৰীয় বিদ্যালয়

(গ) গুণগত মানদণ্ড (ঘ) নায্যতা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ মাধ্যমিক শিক্ষাৰ নায্যতা ৰক্ষা কৰিব পৰা তিনিটা ব্যৱস্থা—

- অনুসূচিত জাতি জনজাতি, অন্যান্য পিছপৰা জাতি আৰু সংখ্যালঘু সম্প্ৰদায়ৰ শিক্ষাৰ্থীসকলৰ বাবে বিনামূলীয়া খোৱা লোৱাৰ ব্যৱস্থা কৰা।
- ছোৱালীসকলৰ বাবে হোষ্টেলঅাবাসিক স্কুল, নগদ প্ৰণোদন, ঐক্য পোছাক, কিতাপ, পৃথক শৌচাগাৰ আদি।
- মাধ্যমিক পৰ্যায়ত — অভাবী আৰু মেধাবী শিক্ষাৰ্থীসকলক জলপানী যোগান।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ কেন্দ্ৰীয় চৰকাৰৰ চাৰিখন গুৰুত্বপূৰ্ণ আঁচনি হ'ল—

(ক) বিদ্যালয়ৰ বাবে ICT।

(খ) বিকলাঙ্গ শিশুসকলৰ বাবে সংহতিপূৰ্ণ শিক্ষা।

(গ) মাধ্যমিক আৰু উচ্চ মাধ্যমিক বিদ্যালয়বোৰত ছোৱালীসকলৰ বাবে থকা খোৱা লোৱা, হোষ্টেলৰ সা-সুবিধা উন্নত কৰা।

(ঘ) সকলোবোৰ আঁচনিৰ গুণগত মানৰ ক্ষেত্ৰত উৎকৰ্ষ সাধনৰ বাবে বৰ্তমান অৱস্থিত আঁচনিসমূহক নতুন আঁচনিৰ সংশোধিত ৰূপৰ ভিতৰত চামিল কৰিব লাগে।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) মাধ্যমিক শিক্ষা পৰিচালনা তথ্য পদ্ধতি (খ) CABE,

(গ) তিনিটা, (ঘ) নিয়মীয়া (ঙ) এনে নহয়।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ কলা শিক্ষা সকলো বিষয়তে শিক্ষা লাভ কাৰ্যক সংবৰ্দ্ধন কৰা এক আহিলা হোৱাৰ লগতে নিজেও এক সুকীয়া বিষয় হিচাপে প্ৰতিখন বিদ্যালয়তে শিকোৱা উচিত। ইয়াৰ প্ৰতিখন বিদ্যালয়কে পৰ্যাপ্ত সুবিধাসমূহো প্ৰদান কৰিব লাগে।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ পুথিভঁৰাল, ICT সহায়তাৰ বাবে ব্যৱস্থা আৰু EDUSAT ৰ লগত সমন্বয়।

M১২.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ RMSA কি? RMSA সামগ্ৰীক নিৰীক্ষণৰ ওপৰত এটি টোকা লিখক।

প্ৰশ্ন ২ ঃ RMSA ৰ উদ্দেশ্যবোৰৰ তালিকাকৰণ কৰাৰ লগতে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ মাধ্যমিক শিক্ষাক সাৰ্বজনীন কৰাৰ বাবে RMSA ৰ দ্বাৰা বিবেচনা কৰা বিভিন্ন দৃষ্টিভংগী আৰু কৌশলবোৰ আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ RMSA ৰ দিগ্ দৰ্শনকাৰী নীতিসমূহ উল্লেখ কৰক।

প্ৰশ্ন ৫ ঃ তলত দিয়া বিষয়সমূহৰ ওপৰত চমুটোকা লিখক—

(ক) কলা আৰু শিল্প শিক্ষা।

(খ) নিৰ্দেশনা আৰু পৰামৰ্শদান।

(গ) শিক্ষণ সমল কেন্দ্ৰ।

(ঘ) ৰাজহুৱা খণ্ড আৰু ব্যক্তিগত খণ্ডৰ বন্ধুত্বপূৰ্ণতা।

অধ্যায় ১৩ ঃ ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান আৰু উচ্চ শিক্ষা

অধ্যায় গাঁথনি

13.1 উদ্দেশ্য
13.2 পৰিচয়
13.3 ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান RUSA ৰ ধাৰণা
  13.3.1 বিহংগম দৃষ্টিত RUSA
  13.3.2 RUSA ৰ বৈশিষ্ট্যসমূহ
  13.3.3 RUSA ৰ উদ্দেশ্যসমূহ
  13.3.4 RUSA ৰ পৰিসৰ
13.4 RUSA ৰ মূল উপাদানসমূহ
13.5 RUSA ৰ নির্দেশনা নীতিসমূহ
13.6 RUSA ৰ আনুষ্ঠানিক গঠন
  13.6.1 কেন্দ্ৰীয় পর্যায়ৰ গাঁথনি
  13.6.2 ৰাজ্যিক পর্যায়ৰ গাঁথনি
  13.6.3 আনুষ্ঠানিক পর্যায়ৰ গাঁথনি
13.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
13.8 অধিক জানিবলৈ
13.9 অগ্রগতিৰ খতিয়ান
13.10 আৰ্হি প্রশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- RUSA ৰ ধাৰণা বর্ণনা কৰিব পাৰিব
- RUSA ৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিব পাৰিব
- RUSA ৰ উদ্দেশ্যসমূহ তালিকাকৰণ আৰু আলোচনা কৰিব পাৰিব
- RUSA ৰ উপাদানসমূহ তালিকাকৰণ আৰু ব্যাখ্যা কৰিব পাৰিব
- RUSA ৰ নির্দেশনাত্মক নীতি তালিকাকৰণ আৰু বিশ্লেষণ কৰিব পাৰিব
- RUSA ৰ আনুষ্ঠানিক গঠন ব্যাখ্যা কৰিব পাৰিব।

১৩.২ পৰিচয়

আপোনালোকে ইতিমধ্যে আগৰ অধ্যায়ত ৰাষ্ট্ৰীয় মাধ্যমিক শিক্ষা অভিযান (RUSA) বিষয়ে অধ্যয়ন কৰিছে। এই ক্ষেত্ৰত আগভাগ লৈ ভাৰত চৰকাৰৰ মানৱ সম্পদ বিকাশ (MHRD) মন্ত্ৰালয়ে সমগ্ৰ ভাৰতৰ মাধ্যমিক স্কুলৰ বিকাশ কৰিছিল। ভাৰত চৰকাৰৰ সর্ব শিক্ষা আঁচনিৰ বিষয়েও আপোনালোক জ্ঞাত। SSA আৰু RUSA ৰ সফলতাই ভাৰতৰ প্রাথমিক আৰু মাধ্যমিক শিক্ষাৰ ভেটি সবল কৰি থৈ গৈছে। যি নহওঁক, SSA আৰু RMSA ৰ সফল প্রয়োগৰ

পিছতো উচ্চ শিক্ষাই সুবিধা বা গুণমান উন্নত কৰাৰ কোনো মিলিত চেষ্টা চলোৱা দেখা নাযায়। যোৱা কেইদশকৰ ভিতৰত উচ্চ শিক্ষাৰ অনুষ্ঠান আৰু লগতে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা যথেষ্ট বৃদ্ধি পাইছে। সেইবাবে বৰ্তমান উচ্চ শিক্ষাৰ ক্ষেত্ৰত গুণগত মানদণ্ড বৃদ্ধি বাবে প্ৰচেষ্টা হাতত লোৱাৰ প্ৰয়োজনীয়তা আহি পৰিছে। তেতিয়াহে আমাৰ দেশে শিক্ষিত আৰু উৎপাদনশীল কৰ্মচাৰীৰ সৃষ্টি কৰিব পাৰিব।

দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত উচ্চ শিক্ষাৰ মূল্যবোধ অভিগমনত প্ৰাধান্য দিয়া হৈছিল। এই পৰিকল্পনাই ৰাজ্যৰ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহ উন্নত কৰা, অন্য বিভিন্ন তথ্যসমূহ যেনে— সুবিধা আৰু ন্যায়, শিক্ষণ-শিকন প্ৰক্ৰিয়া, গৱেষণা, শাসন, অৰ্থযোগান আৰু পৰ্যবেক্ষণ, বিশেষ ফলাফল আৰু ইচ্ছাকৃত প্ৰভাৱক অৰ্থযোগানৰ শাখাৰ সৈতে সংযোগ কৰে। ভাৰতবৰ্ষৰ পৰিকল্পনা আয়োগে পৰামৰ্শ দিছিল যে কেন্দ্ৰীয় অৰ্থৰ কৌশলপূৰ্ণ উপযোগ কৰেনে ৰাজ্যিক পৰ্যায়ত বিস্তৃত আৰু সৰ্বোত্তম পৰিকল্পনা কৰিব লাগে। পৰৱৰ্তী সময়ত কেন্দ্ৰীয় চৰকাৰে এক নতুন বৈপ্লৱিক আঁচনি উলিয়াই যাক ৰাষ্ট্ৰীয় উচ্চতৰ শিক্ষা অভিযান (RUSA) স্বৰূপে জনা যায়। ইয়াৰ জৰিয়তে ৰাজ্যিক পৰ্যায়ত উচ্চ শিক্ষাৰ সুবিধা, ন্যায় আৰু গুণমান বৃদ্ধি কৰিবলৈ বিচৰা হৈছিল। ই হৈছে ছাতি সদৃশ আঁচনি যিখন 2020 চনলৈ চলিব। এই আঁচনিখনে ৰাজ্যৰ উচ্চ শিক্ষা ব্যৱস্থাৰ বৃদ্ধি আৰু পুনৰ গঠনৰ ওপৰত গুৰুত্ব দিছে। আৰু সেইবাবে এই আঁচনিখনে পৰিকল্পনাৰ আনুষ্ঠানিক গঠন আৰু ৰাজ্যিক পৰ্যায়ত উচ্চ শিক্ষা ব্যৱস্থাৰ পৰিদৰ্শনত গুৰুত্ব দিছে। ই ৰাজ্যৰ বিশ্ববিদ্যালয়সমূহৰ স্বায়ত্ব শাসনক সমৰ্থন কৰে আৰু অনুষ্ঠানবোৰৰ শাসনক অন্তৰ্ভুক্ত কৰে। এই আঁচনিখন কিছুমান ব্যক্তিৰ দ্বাৰা প্ৰয়োগ কৰা হয় আৰু ইয়াৰ ৰাষ্ট্ৰীয়, ৰাজ্যিক আৰু আনুষ্ঠানিক স্তৰত স্পষ্টভাৱে উল্লেখিত ভূমিকা আৰু কাৰ্য আছে।

এই অধ্যায়টোত, RUSA আঁচনিখনৰ বিষয়ে বিশদভাৱে আলোচনা কৰিম। RUSAৰ উদ্দেশ্যসমূহ, পৰিসৰ, উপাদান আৰু নিৰ্দেশনাত্মক নীতি বিষয়ে গুৰুত্ব প্ৰদান কৰিম। যিয়েই নহওক, আমি RUSA ৰ আনুষ্ঠানিক গঠনৰ বিষয়ে আলোচনা কৰিম, যিটো এই আঁচনিখন প্ৰৱৰ্তন উচ্চ শিক্ষা ব্যৱস্থাৰ পুনৰীক্ষণ আৰু পুনৰ গঠনৰ বাবে অতি গুৰুত্বপূৰ্ণ।

১৩.৩ RUSA ৰ ধাৰণা

ভাৰতবৰ্ষৰ নিচিনা দেশবোৰৰ কেন্দ্ৰৰ সাহায্যপ্ৰাপ্ত অনুষ্ঠানসমূহে কেন্দ্ৰৰ পৰা যথেষ্ট পৰিমাণে অৰ্থ লাভ কৰে, কিন্তু এনে অনুষ্ঠানসমূহত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিকৰণ অতি সীমিত। অন্যহাতে, উচ্চ শিল্পৰ ৰাজ্যিক অনুষ্ঠানবোৰক অতি কম অৰ্থ প্ৰদান কৰা হয়, তেওঁলোকে কেন্দ্ৰৰ অনুষ্ঠানবোৰৰ তুলনাত এক সৰু অংশহে লাভ কৰে। কিন্তু প্ৰকৃত সত্যটো হৈছে প্ৰায় 94í ছাত্ৰ-ছাত্ৰীয়ে এনে ৰাজ্যিক উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত নামভৰ্তি কৰে। বিশ্ববিদ্যালয় অনুদান আয়োগেও এক সীমিত সংখ্যক অনুষ্ঠানক অৰ্থ প্ৰদান কৰে। 30û3û2019 চনত প্ৰকাশিত বিশ্ববিদ্যালয় অনুদান আয়োগৰ তালিকাৰ মতে 400খন বিশ্ববিদ্যালয়ৰ ভিতৰত কেৱল মাত্ৰ ২২৯খন বিশ্ববিদ্যালয়হে অৰ্থ অনুদান পাবৰ বাবে সক্ষম হৈছিল। যি নহওঁক, বিশ্ববিদ্যালয় অনুদান আয়োগক ৰাজ্যিক চৰকাৰ বা অনুষ্ঠানৰ বাহিৰে আন কাকো অৰ্থ প্ৰদান কৰিবলৈ দিয়া নহয়। এনেদৰে, ৰাজ্যবোৰে কেন্দ্ৰীয় চৰকাৰ দ্বাৰা যোগান ধৰা অৰ্থৰ বিষয়ে অবগত নহয় বাবে এই ক্ষেত্ৰত আপত্তি কৰে।

সেইবাবে, নতুন আনুষ্ঠানিক নীতিৰ প্ৰয়োজন যিয়ে প্ৰত্যক্ষভাৱে ৰাজ্যিক পৰ্যায়ৰ অনুষ্ঠানবোৰক প্ৰয়োজনীয় অৰ্থ শিক্ষাৰ ৰূপান্তৰ প্ৰক্ৰিয়াৰ অংশ হিচাবে ল'ব লাগে। কেন্দ্ৰীয়ভাৱে অৰ্থ প্ৰাপ্ত আঁচনি RUSA ক আৰম্ভ কৰা হয়, যিখন ৰাজ্যিক উচ্চ শিক্ষা অনুষ্ঠানৰ বাবে সম্পূৰ্ণভাৱে এক নতুন অভিগমন। RUSA অধীনত ধাৰ্য কৰা অৰ্থ উপযুক্তভাৱে বিচাৰ্য্য আৰু নিৰ্দিষ্ট নীতিৰ ওপৰত প্ৰতিষ্ঠিত আৰু বিদ্যায়তনিক, প্ৰশাসনিক আৰু শাসন পুনৰীক্ষণৰ সৈতে জড়িত। যি হওঁক RUSA অধীনৰ ভৱিষ্যতৰ অৰ্থ পাৰদৰ্শিতা আৰু ফলাফল ভিত্তিক এনেদৰে RUSA ই ৰাজ্যিক অনুষ্ঠানবোৰৰ ক্ষেত্ৰত স্বনিৰ্ভৰশীল লক্ষ্যৰে অতি দায়িত্বশীল আৰু স্বায়ত্ব শাসন সৃষ্টি কৰিব বিচাৰে আৰু দেশৰ শিক্ষাৰ গুণমান আৰু সহজলভ্যতা উন্নত কৰি তুলিব বিচাৰে।



চিত্ৰ- ১ RUSA

১৩.৩.১ বিহংগম দৃষ্টিত RUSA

আপোনালোকে ইতিমধ্যে জানিলে যে RUSA হৈছে ৰাজ্যিক বিশ্ববিদ্যায়সমূহক অর্থ যোগানৰ আঁচনি, যাৰ জৰিয়তে সমতা, সুবিধা আৰু উৎকর্ষতা লাভ কৰিব পাৰি। এই ব্যৱস্থাটো ভাৰত চৰকাৰ মানৱ সম্পদ বিকাশ মন্ত্রালয়ে আৰম্ভ কৰিছিল। 2013 চনত এই আঁচনিখন ঘোষণা কৰা হৈছিল। এই আঁচনিখনে ৰাজ্যৰ সকলো বিশ্ববিদ্যালয় আৰু ইয়াৰ অনুমোদিত কলেজসমূহৰ সৈতে কাম কৰি অনুষ্ঠানৰ আন্তঃগাঁথনি আৰু জীৱনৰ মানদণ্ড উন্নত কৰাৰ লক্ষ্য ৰাখিছিল। যি নহওঁক, ইয়াৰ লক্ষ্য আছিল ৰাজ্যৰ যোগ্যতা সম্পন্ন বিশ্ববিদ্যালয়সমূহক অর্থ প্রদান কৰা। ই শিক্ষণ-শিকনৰ প্রক্রিয়া উন্নত কৰাত গুৰুত্ব দিছিল যাতে শিক্ষাই কর্মক্ষম আৰু প্রতিযোগিতা সম্পন্ন স্নাতক, স্নাতকোত্তৰ আৰু পি এইচ ডিগ্রীধাৰী সৃষ্টি কৰিব পাৰে। এই আঁচনিখন সোমাব দেশত দ্বাদশ আৰু ত্রয়োদশ পঞ্চবার্ষিক পৰিকল্পনাৰ সময়ছোৱাত বর্ধিতকৰণ কৰা হয় আৰু নীতি আয়োগৰ সময়ছোৱাত। ই ৰাজ্যৰ উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰত গুৰুত্ব প্রদান কৰে আৰু সমগ্র ৰাষ্ট্রৰ কলেজ আৰু বিশ্ববিদ্যালয়সমূহৰ জৰিয়তে উপযুক্ত ব্যৱস্থা প্রচলিত হোৱাত গুৰুত্ব প্রদান কৰে। সেইবাবে শিক্ষার্থীসকল—

- RUSA হৈছে ৰাজ্যিক বিশ্ববিদ্যালয়সমূহক অর্থৰ যোগান ধৰা আঁচনি, ইয়াৰ লক্ষ্য হৈছে ন্যায়, সুবিধা আৰু উৎকর্ষতা লাভ কৰা।
- ই হৈছে MHR ৰ এক ছাতি সদৃশ আৱৰি থকা উচ্চ শিক্ষাৰ আঁচনি।
- এই আঁচনিখনক 2012 চনত কেন্দ্রীয় শিক্ষা উপদেষ্টা পৰিষদে (CBSE) স্বীকৃতি প্রদান কৰিছিল।
- 2013 চনৰ 20 জুনত কেবিনেটত স্বীকৃতি পাইছিল।
- দ্বাদশ পঞ্চবার্ষিক পৰিকল্পনাৰ অংশ হিচাবে ৰাষ্ট্রীয় বিকাশ সাংসদে (NDC) ইয়াক স্বীকৃতি প্রদান কৰিছিল।
- 2013 চনৰ 21 ফেব্রুৱাৰীত ভাৰতৰ ৰাষ্ট্রপতিয়ে তেওঁৰ ভাষণত এই আঁচনিখন ঘোষণা কৰিছিল।
- শেষত 2013 চনৰ 3 অক্টোবৰত অর্থনৈতিক ক্ষেত্রৰ কেবিনেট কমিটীয়ে এই আঁচখিনক স্বীকৃতি প্রদান কৰে।
- উচ্চ শিক্ষাৰ ৰাজ্যিক পৰিকল্পনা মতে- ৰাজ্যই ন্যায়, সুবিধা আৰু উৎকর্ষৰ কৌশল গ্রহণ কৰে, কেন্দ্রীয় চৰকাৰে ইয়াৰ অর্থ যোগান ধৰে।
- এই অর্থৰ যোগানৰ অনুপাত সাধাৰণ শ্রেণীৰ ৰাজ্যৰ বাবে 60 ঃ 40, বিশেষ শ্রেণীৰ ৰাজ্যৰ বাবে 90 ঃ20 আৰু স্বায়ত্ব শাসিত অঞ্চলসমূহৰ বাবে 200i।
- কেন্দ্রীয় অর্থৰ যোগান মানদণ্ড ভিত্তিক আৰু ৰাজ্যৰ ফলাফলৰ ওপৰত নির্ভৰশীল।
- RUSA ৰ অধীনত ৰাজ্যৰ বিশ্ববিদ্যালয়সমূহে অর্থ লাভ কৰিবলৈ কিছুমান বিদ্যায়তনিক, প্রশাসনিক আৰু শাসন সম্বন্ধীয় সংশোধন বাধ্যতামূলক।

এনেদৰে, এই প্ৰকল্পটোৱে সমগ্ৰ দেশৰ ৰাজ্যিক বিশ্ববিদ্যালয়সমূহ আৰু কলেজসমূহ তথা স্বায়ত্ব শাসিত অঞ্চলসমূহক সমৰ্থন আগবঢ়ায়। এই প্ৰকল্পই ৰাজ্যৰ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহৰ স্নাতকসকলৰ শিক্ষণ ফলাফল, নিয়োগ আৰু গৱেষণা মাপকৰণ, বিকাশ আৰু নতুনত্বৰ দিশত উন্নত কৰাত সমৰ্থন জনায়। তাৰোপৰি, ই অনুষ্ঠানসমূহৰ নীতি, বিদ্যায়তনিক আৰু পৰিচালনা অনুশীলনৰ উন্নতিৰ প্ৰতি সমৰ্থন জনায়। RUSA ৰ অধীনৰ আন্তঃগাঁথনি আৰু গুণগত মানদণ্ড উন্নতিৰ বাবে অৰ্থ সুবিধা কৰা। অৰ্থ পাবৰ বাবে প্ৰত্যেক অনুষ্ঠানে সকলো উপাদানৰ কিছুমান পৰিকল্পনা প্ৰস্তুত কৰিব লাগে। যিবোৰ তেতিয়া ৰাজ্যিক পৰ্যায়ত সমপৰ্যায়ৰ আছিল। পিছত সংশ্লিষ্ট উপাদান ৰাজ্যিক পৰ্যায়ত দিয়া হৈছিল।

১৩.৩.২ RUSA ৰ বৈশিষ্ট্যসমূহ

বৰ্তমান আমাৰ দেশত মুঠ 911খন বিশ্ববিদ্যালয় আছে(5.7.2019 চনত)। ইয়াৰ ভিতৰত 400খন হৈছে ৰাজ্যিক বিশ্ববিদ্যালয়, 126খন ডীম বিশ্ববিদ্যালয়, ৪৮খন কেন্দ্ৰীয় বিশ্ববিদ্যালয় আৰু 377খন ব্যক্তিগত বিশ্ববিদ্যালয়। দেশৰ উপযুক্ত বিকাশৰ বাবে এইবোৰৰ সবলীকৰণ অপৰিহাৰ্য, এনেদৰে কেন্দ্ৰীয় সাহায্যপ্ৰাপ্ত আঁচনি RUSA ই শিক্ষনৰ সুবিধা আগবঢ়ায়, লগতে উপযুক্ত গৱেষণা আৰু উচ্চ শিক্ষাত নতুনত্ব অনাত সহায় কৰে। আমি অনুভৱ কৰো যে জীৱনৰ সকলো গুৰুত্বপূৰ্ণ কথা শ্ৰেণীকোঠাৰ ভিতৰত শিকিব নোৱাৰে, জীৱনৰ আটাইতকৈ গুৰুত্বপূৰ্ণ শ্ৰেণীকোঠাৰ বাহিৰতহে শিকা হয়। ভাল শিক্ষাই ছাত্ৰ-ছাত্ৰী সফল হোৱাৰ বাবে কিছুমান দিশত গুৰুত্ব আৰোপ কৰিব লাগে, সেইবোৰ হৈছে পুঁথিভৰাল আৰু কম্পিউটাৰ প্ৰয়োগশালা, ক্ৰীড়াৰ সুবিধা পৰিচালনা, স্বায়ত্ব শাসিত কলেজবোৰৰ উন্নতি বা তেওঁলোকৰ সবলতাসমূহ একত্ৰীকৰণ ইত্যাদি।

শিক্ষাৰ্থীসকল, এতিয়া আমি RUSA ৰ বৈশিষ্ট্যসমূহ আলোচনা কৰিম। এই আঁচনিখনৰ বিষয়ে উপযুক্ত ধাৰণা কৰিবলৈ ইয়াৰ বৈশিষ্ট্যসমূহ বিশদভাৱে পঢ়িব।

- **অন্তৰ্ভুক্ত এলেকা ঃ** এই আঁচনিৰ দ্বাৰা চৰকাৰী আৰু চৰকাৰী সাহায্যপ্ৰাপ্ত ৰাজ্যিক উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহক সামৰি লোৱা হয়। এই আঁচনিৰ অধীনত মুক্ত বিশ্ববিদ্যালয়সমূহ চিকিৎসা, কৃষি, পশু চিকিৎসা বিজ্ঞানৰ অনুষ্ঠানবোৰক RUSA ৰ অধীনত সামৰি লোৱা নহয়। তাৰোপৰি অভিন্ন-শৃংখলবদ্ধ অনুষ্ঠানবোৰক এই আঁচনিৰ অধীনত কম অগ্ৰাধিকাৰ দিয়া হয়।
- **পূৰ্বচৰ্ত ঃ** ৰাজ্যসমূহে কিছুমান পূৰ্বচৰ্ত পূৰণ কৰিব লাগিব তেতিয়াহে RUSA ৰ অধীনত অৰ্থ লাভ কৰিবলৈ যোগ্যতা অৰ্জন কৰিব। এনে পূৰ্ব চৰ্তসমূহ হৈছে বিদ্যায়তনিক, প্ৰশাসনিক আৰু শাসন সংশোধন এইবোৰ দুটা স্তৰত থাকে, সেই দুটা হৈছে অনুষ্ঠানসমূহে ৰাজ্যবোৰক প্ৰদান কৰা প্ৰতিশ্ৰুতি আৰু ৰাজ্যসমূহে কেন্দ্ৰক দিয়া প্ৰতিশ্ৰুতি। এনে প্ৰতিশ্ৰুতিসমূহ পূৰণ নকৰিলে ৰাজ্য আৰু অনুষ্ঠানসমূহে RUSA ৰ অধীনত অৰ্থ লাভ কৰিবলৈ সক্ষম নহয়।
- **তল-ওপৰ অভিগমন ঃ** RUSA ই তল-ওপৰ অভিগমনৰ দ্বাৰা পৰিকল্পনা আৰু বাজেট প্ৰস্তুত কৰি প্ৰয়োজন ভিত্তিক উন্নীতকৰণ আৰু অসমতা দূৰ কৰে। ৰাজ্যসমূহক কৌশলপূৰ্ণ চিন্তা আৰু ভৱিষ্যত প্ৰয়োজনীয়তাৰ পৰিকল্পনা উচ্চ শিক্ষাৰ বাবে উৎসাহিত কৰিব লাগে। ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিকল্পনাই (SHEP) চাহিদা আৰু যোগান দুয়োটা দিশৰ প্ৰত্যাহ্বানত হেঁচা প্ৰদান কৰিব লাগে।
- **বৰ্তমানৰ আঁচনিৰ অন্তৰ্ভুক্তকৰণ ঃ** প্ৰথম পৰ্যায়ত, দুখন কেন্দ্ৰীয় সাহায্য প্ৰাপ্ত আঁচনি আছিল, সেই দুখন আছিল মডেল ডিগ্ৰী কলেজ আৰু পলিটেকনিকৰ শাখা মিচন RUSA ৰ অধীনত আছিল। কিছুমান আঁচনি যেনে ৰাজ্যিক বিশ্ববিদ্যালয়সমূহ আৰু কলেজসমূহৰ বিকাশৰ অনুদান, বিশ্ববিদ্যালয় অনুদান আয়োগৰ এবাৰৰ অনুদান লোৱা ইত্যাদিবোৰ RUSA ৰ সৈতে মিলিত হয়। যিহওঁক, ব্যক্তিৰ সৈতে জড়িত আঁচনি যেনে- শিক্ষক, ছাত্ৰ-ছাত্ৰী ইত্যাদিৰ আঁচনি বিশ্ববিদ্যালয় অনুদান আয়োগে পৰিচালনা কৰে।

RUSA ৰ দ্বিতীয় পৰ্যায়ত, বিশ্ববিদ্যালয় আৰু কলেজসমূহৰ উৎকৰ্ষতাৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগে গ্ৰহণ কৰা বিভিন্ন আঁচনি RUSA 2.0 ৰ সৈতে মিলিত হৈছে। যিহেতু RUSA ই নিৰ্বাচিত ৰাজ্যিক বিশ্ববিদ্যালয় আৰু স্বায়ত্ব শাসিত কলেজসমূহৰ উৎকৰ্ষতা লক্ষ্য ৰাখি আগবাঢ়ে।

- **প্ৰস্তুতিমূলক অনুদান (আনুষ্ঠানিক পুনৰ গঠনৰ অধীনত, ধাৰণ ক্ষমতা আৰু সংশোধন) ঃ** ৰাজ্য চৰকাৰলৈ এক প্ৰস্তুতিমূলক অনুদান আগবঢ়োৱা হয় যাতে তেওঁলোকে RUSA ৰ অনুদান লাভৰ প্ৰয়োজনীয় পূৰ্বচৰ্তসমূহ পূৰণ কৰি নিজকে শক্তিশালী কৰি তুলিব পাৰে। এনে অৰ্থসমূহ ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিষদ (SHEC), ৰাজ্যিক প্ৰকল্প পৰিচালক আৰু ৰাজ্যিক সম্পদ কেন্দ্ৰ আদিক শক্তিশালী কৰি গঢ়ি তোলাত ব্যৱহাৰ কৰা হয় আৰু সেইবোৰৰ ধাৰণ ক্ষমতা বৃদ্ধিৰ বাবে জৰীপকৰণ কৰা হয়।
- **সম্পদৰ খাম ঃ** সম্পদৰ খাম হৈছে এটা অৰ্থনৈতিক বছৰত বিশেষ এখন ৰাজ্যলৈ ধাৰ্য কৰা সম্পদৰ পৰিমাণ। ই ৰাজ্যখনৰ ভেটি আৰু পাৰদৰ্শিতা ভিত্তিক অৰ্থ যোগানৰ ওপৰত নিৰ্ভৰ কৰে আৰু তাৰোপৰি ই সংশোধনৰ চৰ্তসমূহৰ সৈতে সম্পৰ্কিত।
- **আনুষ্ঠানিক বিকাশৰ পৰিকল্পনা আৰু ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিকল্পনা ঃ** আনুষ্ঠানিক বিকাশৰ পৰিকল্পনাৰ প্ৰস্তুতি সকলো অনুষ্ঠানৰ বাবে বাধ্যতামূলক। এই পৰিকল্পনাই আৰ্থিক প্ৰস্তাৱৰ সকলো উপাদানৰ লগতে প্ৰয়োজন ভিত্তিক চৰ্তসমূহ সামৰি ল'ব লাগে। ৰাজ্যসমূহে উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহে আগবঢ়োৱা আনুষ্ঠানিক বিকাশৰ পৰিকল্পনাবোৰক সংযুক্ত কৰে আৰু এইবোৰ ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিকল্পনাৰ সৈতে একত্ৰিত কৰি তোলে লগতে ইয়াত ৰাজ্যৰ সৈতে জড়িত উপাদানসমূহ আৰোপ কৰে।
- **SHEP ৰ গুণগ্ৰাহিতা ঃ** ৰাজ্যসমূহৰ অৰ্থ যোগান ব্যৱস্থা SHEP ৰ কঠোৰ পুনৰীক্ষণৰ ভিত্তিত গঢ়ি উঠে, যিটো কেন্দ্ৰত প্ৰাযুক্তিক সমৰ্থন দলৰ (TSG) সহায়ত কৰা হয়। উপাদানসমূহৰ অগ্ৰাধিকাৰ ৰাজ্যৰ সম্পদ খামৰ ভেটিত গঢ় লয় যিটো ৰাজ্য আৰু TSG ৰ দুয়োটাৰ সহযোগত RUSA ৰ বিশেষ প্ৰয়োজনৰ প্ৰতি আনুগত্য দেখুওৱা হয়। অগ্ৰাধিকাৰৰ উপাদানসমূহ একেলগে প্ৰকল্প অনুমোদন বোৰ্ড (PAB) ৰ সমুখত অনুমোদনৰ উপস্থাপন কৰা হয়।
- **RUSA ৰ অধীনত অৰ্থৰ যোগান ঃ** RUSA ৰ অধীনৰ সকলো অৰ্থ যোগান হৈছে মানদণ্ড ভিত্তিক। RUSA ৰ ভৱিষ্যত অনুদানসমূহ অনুষ্ঠানৰ ফলাফলৰ ওপৰত নিৰ্ভৰশীল। কেন্দ্ৰীয় অৰ্থ যোগান হৈছে অৰ্থপূৰ্ণ আৰু SHEP ভিত্তিক। ৰাজ্য আৰু ইয়াৰ অনুষ্ঠানসমূহৰ পাৰদৰ্শিতাৰ ভিত্তিত কৰা ভাগসমূহৰ বিপক্ষে ই এক আদৰ্শ মাপকাঠি সদৃশ। কেন্দ্ৰ-ৰাজ্যৰ অৰ্থযোগান অনুপাত উত্তৰ-পূবৰ ৰাজ্য, চিকিম, জম্মু কাশ্মীৰ, হিমাচল প্ৰদেশ আৰু উত্তৰাখণ্ডৰ বাবে 90 ঃ 10 আৰু অন্য ৰাজ্যসমূহ তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ বাবে ইয়াৰ অনুপাত হৈছে 60 ঃ 40। আইন সভা নোহোৱা কেন্দ্ৰীয় শাসিত অঞ্চলসমূহে RUSA ৰ অধীনত 100í অৰ্থ সাহায্য লাভ কৰিব লাগে।
- **অৰ্থৰ প্ৰবাহ ঃ** কেন্দ্ৰৰ অৰ্থ যোগান NHRD ৰ পৰা উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহলৈ ৰাজ্য চৰকাৰ মাধ্যমেৰে আহে। কেন্দ্ৰীয় সাহায্য বিতৰণৰ ক্ষেত্ৰত ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিষদে দায়িত্ব গ্ৰহণ কৰিব লাগে, যিবোৰ অনুষ্ঠানে অনুমোদন লাভ কৰে।
- **ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিষদ ঃ** ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিষদ হৈছে ৰাজ্যিক স্তৰৰ মূল অনুষ্ঠান। ইয়াৰ দায়িত্ব হৈছে ৰাজ্যৰ বাজেটৰ পৰা সম্পদ অনুষ্ঠানসমূহলৈ প্ৰেৰণ কৰা। ইয়াৰ অন্য দায়িত্বসমূহ যেনে পৰিদৰ্শন আৰু সামৰ্থৰ কাৰ্যৰ উপৰিও SHEC ৰ যে পৰিকল্পনাৰ প্ৰক্ৰিয়া আৰু মূল্যায়নবোৰ দায়িত্ব গ্ৰহণ কৰে।

১৩.৩.৩ RUSA ৰ উদ্দেশ্যসমূহ

RUSA ৰ লক্ষ্য হৈছে সকলো উচ্চ শিক্ষা অনুষ্ঠানক বিকাশৰ সমান সুবিধা প্ৰদান কৰা আৰু উচ্চ শিক্ষা ব্যৱস্থাৰ দুৰ্বলতাসমূহৰ সংস্কাৰ সাধন কৰা। RUSA ৰ নামভৰ্তিকৰণৰ ক্ষেত্ৰত মূল লক্ষ্য ধাৰ্য্য কৰিছিল 32í লৈ বৃদ্ধি কৰা 2017 চনৰ দ্বাদশ পঞ্চবাৰ্ষিক পৰিকল্পনাত। ইয়াৰ প্ৰধান উদ্দেশ্যবোৰ হৈছে

ৰাজ্যিক পৰ্যায়ত উচ্চ শিক্ষাৰ সুবিধা, সমতা আৰু গুণমান উন্নত কৰি তোলা। এনেবোৰ উদ্দেশ্যত উপনীত হ'বলৈ কিছুমান পৰিকল্পিত বিকাশমূলক কাৰ্যসমূহ যেনে- নতুন বিদ্যায়তনিক অনুষ্ঠানৰ সৃষ্টি, বৰ্তমানবোৰৰ উন্নতকৰণ আৰু বিস্তৃতকৰণ, গুণমান সম্পন্ন অনুষ্ঠানবোৰৰ বিকাশ, বৃত্তিগতভাৱে পৰিচালিত আৰু গৱেষণাৰ দিশৰ প্ৰতি ঢালখোৱা, ৰাষ্ট্ৰ তথা ছাত্ৰৰ-ছাত্ৰীক উপযুক্ত শিক্ষা প্ৰদান ইত্যাদিবোৰ RUSA ই গ্ৰহণ কৰে। শিক্ষাৰ্থীসকল, আহকচোন আমি ইয়াৰ প্ৰধান উদ্দেশ্যসমূহ আলোচনা কৰো।

RUSA ৰ প্ৰধান উদ্দেশ্যসমূহ হৈছে—

- ৰাজ্যৰ অনুষ্ঠানসমূহৰ সামগ্ৰীক উন্নতি কৰা, উপযুক্ত মানদণ্ড আৰু গুণমান উন্নত কৰাৰ বাবে স্বীকৃতি বাধ্যতামূলক কৰা।
- বিদ্যায়তনিক আন্তঃ গাঁথনি উন্নীতকৰণৰ বাবে বিশ্ববিদ্যালয় বা আৰ্হি মহাবিদ্যালয়সমূহৰ গুণমান উন্নত কৰাত গুৰুত্ব দিয়া আৰু ছাত্ৰ-ছাত্ৰীক শিক্ষণ-শিকনৰ বাবে উপযুক্ত পৰিৱেশ প্ৰদান কৰা।
- ৰাজ্য চৰকাৰৰ চেষ্টাৰ দ্বাৰা উচ্চ শিক্ষাৰ আন্তঃগাঁথনিৰ ব্যৱধান চিনাক্ত কৰা। এই উদ্দেশ্যসমূহ বিশ্ববিদ্যালয়সমূহ আৰু কলেজসমূহলৈ প্ৰদান কৰা আন্তঃগাঁথনিৰ অনুদানৰ দ্বাৰা পূৰণ কৰিব পাৰি, য'ত অনুদানসমূহ নতুন নিৰ্মাণ, পুনৰ নিৰ্মাণ বা সা-সঁজুলি কিনাৰ দ্বাৰা আন্তঃগাঁথনি উন্নত কৰাৰ ক্ষেত্ৰত ধাৰ্য্য কৰা হয়।
- সকলো উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত অৰ্হতা সম্পন্ন শিক্ষাক থকাটো নিশ্চিত কৰা। ৰাজ্যসমূহে খালী থকা অনুমোদন প্ৰাপ্ত পদসমূহ পূৰণ কৰিব লাগে আৰু তাৰোপৰি শিক্ষক শিক্ষাৰ্থীৰ 20 ঃ 1 অনুপাত পূৰণ কৰিবলৈ RUSA ৰ অধীনত অৰ্থ দাবীৰে অতিৰিক্ত পদ পূৰণ কৰিব লাগে।
- ৰাজ্যৰ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহক গৱেষণা আৰু উদ্ভাৱনৰ দিশত সুবিধা প্ৰদান কৰিব লাগে। ৰাজ্য চৰকাৰে বিশদভাৱে গৱেষণা আৰু উদ্ভাৱনৰ পৰিকল্পনা প্ৰদান কৰাটো বাধ্যতামূলক।
- অনুসূচিত জাতিঁজনজাতি আৰু সামাজিক তথা শৈক্ষিকভাৱে পিচপৰা শ্ৰেণীৰ লোকক উচ্চ প্ৰদানেৰে সুবিধা আৰু ন্যায় উন্নত কৰি তোলা আৰু লগতে উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত মহিলা, সংখ্যালঘু আৰু বিশেষভাৱে সক্ষম ব্যক্তিসকলক অন্তৰ্ভুক্তিৰে উচ্চ শিক্ষাত সমতা প্ৰদান কৰা।
- নতুন অনুষ্ঠান স্থাপনেৰে মুঠ নামভৰ্তিৰ লক্ষ্য 32i পূৰণ কৰিবৰ বাবে অনুষ্ঠানসমূহৰ প্ৰসাৰ কৰি তোলা।
- ৰাজ্যৰ উচ্চ শিক্ষা ব্যৱস্থাৰ ৰূপান্তৰ কৰি সংশোধনেৰে ৰাজ্যিক পৰ্যায়ত আনুষ্ঠানিক পৰ্যায়ৰ পৰিকল্পনা আৰু পৰ্যবেক্ষণ (SHEC) কৰা, ইয়াৰ দ্বাৰা ৰাজ্যিক বিশ্ববিদ্যালয়বোৰৰ স্বায়ত্ব শাসনৰ ব্যৱস্থা আৰু অনুষ্ঠানসমূহৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা।
- বিদ্যায়তনিক, পৰীক্ষা ব্যৱস্থা আৰু অনুমোদনৰ ক্ষেত্ৰত ৰাজ্যসমূহে সংশোধন কৰাটো নিশ্চিত কৰি তোলা। বিদ্যায়তনিক দিশৰ সংশোধন হৈছে যান্মাষিক ব্যৱস্থাৰ প্ৰয়োগ, CBCS, পাঠ্যক্ৰম বিকাশ, ইত্যাদি আৰু পৰীক্ষা সংশোধনে উচ্চ শিক্ষাৰ অনুষ্ঠানত আন্তঃ মূল্যায়নৰ সংশোধন, যান্মাষিকৰ শেষৰ মূল্যায়ন আদিক অন্তৰ্ভুক্ত কৰে। তাৰোপৰি, RUSA ই অনুমোদন প্ৰক্ৰিয়াৰ সংশোধনৰ সুযোগ প্ৰদান কৰে, যাতে অনুমোদন প্ৰাপ্ত কলেজসমূহৰ প্ৰয়োজনীয়তাসমূহ উপযুক্তভাৱে পূৰণ হয়। ৰাজ্যসমূহে বিশ্ববিদ্যালয়ৰ অধীনত অনুমোদনপ্ৰাপ্ত কলেজৰ সংখ্যা 100 সীমাবদ্ধ ৰাখি এই ব্যৱস্থাত কিছু সংশোধন আনে।
- ৰাজ্য চৰকাৰ, উচ্চ শিক্ষা পৰিষদ আৰু অনুষ্ঠানসমূহৰ ভূমিকা ব্যাখ্যা কৰা।

১৩.৩.৪ RUSA ৰ পৰিসৰ

RUSA ৰ ধাৰণাৰ লক্ষ্যই ৰাজ্যবোৰ সমৰ্থ বিকাশৰ সুবিধা প্ৰদান কৰে। প্ৰকৃততে, উপাচাৰ্য, অধ্যাপক, শিক্ষাবিদ-শিক্ষা নবীচ, উদ্যোগ আদিয়ে প্ৰায়ে মন্তব্য দিয়ে যে উচ্চ শিক্ষা অৰ্থপূৰ্ণ নহয়। এইটো

লক্ষ্য কৰা হৈছে যে বিশ্ববিদ্যালয়সমূহ নিয়ন্ত্রণ কৰা আঁচনিসমূহ, ব্যৱস্থা আৰু নীতিবোৰ পুৰণি আৰু সেই বাবে এইবোৰ আধুনীকিকৰণ কৰিব লাগে আৰু পুনৰ গঠন কৰিব লাগে। প্রচলিত শাসন আৰু নিয়ন্ত্রণ ব্যৱস্থাৰ কেৱল সাল-সলনি আৰু ৰূপান্তৰকৰণে ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ সমর্থৰ বিকাশ ঘটাব পাৰে। RUSA অধীনত আৰম্ভ কৰা সংশোধনসমূহে ৰাজ্যৰ উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰৰ স্ব-নির্ভৰশীলতাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছিল। এইবোৰে বিশেষ দায়িত্ব আৰু স্বায়ত্ব শাসনৰ পৰিৱেশ প্রদান কৰে আৰু শেষত তেওঁলোকে শিক্ষাৰ গুণমান আৰু আন্তঃ গাঁথনি উন্নত কৰিব পাৰে। আহকচোন আমি ইয়াৰ পৰিসৰ সম্পর্কে আলোচনা কৰো।

সকলো ৰাজ্য আৰু কেন্দ্রীয় শাসিত অঞ্চলসমূহৰ সকলো ৰাজ্যিক বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহক RUSA ই সামৰি ল'ব পাৰে। যোগ্যতা অনুসৰি 384খন ৰাজ্যিক বিশ্ববিদ্যালয় আৰু 8500খন মহাবিদ্যালয়সমূহক (চৰকাৰী আৰু চৰকাৰী সাহায্যপ্রাপ্ত) এই আঁচনিৰ অধীনত সামৰি লোৱা হয়। ইয়াৰ জৰিয়তে গৱেষণা, বিকাশ আৰু উদ্ভাৱনসমূহৰ উন্নতি কৰা হয়।

এই প্রকল্পই অনুষ্ঠানসমূহৰ নীতি, বিদ্যায়তনিক আৰু পৰিচালনা আদিৰ উন্নতকৰণৰ ক্ষেত্রত সমর্থন আগবঢ়ায়। জনসাধাৰণৰ অর্থৰ দ্বাৰা পৰিচালিত বিশ্ববিদ্যালয় আৰু মহাবিদ্যালয়সমূহ সকলো উপাদানৰ ক্ষেত্রত যোগ্য, কিন্তু এইবোৰ মাত্র আন্তঃগাঁথনি আৰু গুণমান উন্নতকৰণৰ বাবেহে প্রযোজ্য।

ব্যক্তিগত খণ্ডৰ মহাবিদ্যালয়ৰ বাবে অর্থ প্রদানৰ অনুপাত 50 ঃ 50 হ'ব লাগে। তাৰোপৰি, এনেবোৰ মহাবিদ্যালয়ৰ অর্থ প্রদান তেওঁলোকৰ প্রাসংগিকতাৰ ওপৰত ভিত্তি কৰি স্থিৰ কৰা হয়। প্রত্যেক অনুষ্ঠানে এখন সাম্ভাব্য পৰিকল্পনা প্রস্তুত কৰিব লাগে, যিখন ৰাজ্যিক পর্যায়ত সংযুক্ত কৰা হয় পিছত ৰাজ্যৰ প্রাসংগিক উপাদানৰ ভিত্তিত ইয়াক প্রয়োগ কৰা হয়।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ১ ঃ শুদ্ধ বিকল্প বাচি উলিয়াওক ঃ

(ক) RUSA ৰ লক্ষ্য হৈছে ৰাষ্ট্রীয় পর্যায়ত উচ্চ শিক্ষা সুবিধা, ন্যায় আৰু গুণমান উন্নত কৰা। (শুদ্ধ/অশুদ্ধ)

.....

(খ) এই আঁচনিখন মিছনৰ দ্বাৰা 2020 চনৰ মার্চলৈ চলিব। (শুদ্ধ/অশুদ্ধ)

.....

(গ) কেন্দ্রীয় অর্থ যোগান মানদণ্ডৰ ওপৰত নির্ভৰ কৰে আৰু ৰাজ্যৰ ফলাফলৰ ওপৰত নির্ভৰ নকৰে। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন নং ২ ঃ তলত দিয়াবোৰ মিলাওক।

(ক) ৰাষ্ট্রীয় মাধ্যমিক শিক্ষা অভিযান	(1) উচ্চ শিক্ষা
(খ) সর্বশিক্ষা অভিযান	(2) মাধ্যমিক শিক্ষা
(গ) ৰাষ্ট্রীয় উচ্চতৰ শিক্ষা অভিযান	(3) প্রাথমিক শিক্ষা

প্রশ্ন নং ৩ ঃ RUSA ৰ তিনিটা উদ্দেশ্য উল্লেখ কৰক।

.....

.....

প্রশ্ন নং ৪ ঃ RUSA ৰ ওপৰত এটি চমুটোকা লিখক।

.....

.....

১৩.৪ RUSA ৰ মূল উপাদানসমূহ

RUSA প্ৰধান উদ্দেশ্য আছিল বৰ্তমানৰ স্বায়ত্বশাসিত উন্নীতকৰণৰ দ্বাৰা নতুন বিশ্ববিদ্যালয় স্থাপন কৰা আৰু কলেজসমূহক এটা গোটলৈ পৰিৱৰ্তন কৰা। এই আঁচনিৰ কিছুমান গুৰুত্বপূৰ্ণ দিশ হৈছে নতুন আৰ্হি কলেজ স্থাপন, শিক্ষক নিয়োগৰ ক্ষেত্ৰত সুবিধা প্ৰদান আৰু কাৰ্যসূচীবোৰৰ উন্নীতকৰণ, শৈক্ষিক প্ৰশাসনিক বিষয়াসমূহৰ নেতৃত্ব গুণমান বিকাশ ক্ষেত্ৰত সমৰ্থন আগবঢ়োৱা আদি। তাৰোপৰি দক্ষত বিকাশৰ ক্ষেত্ৰত বৰ্তমান প্ৰচলিত পলিটেকনিকে RUSA ৰ সৈতে কাৰ্য কৰে।

RUSA ই পৃথক উপাদান সংযোজনৰে উচ্চ শিক্ষাত বৃত্তীয় শিক্ষাক অন্তৰ্ভুক্ত কৰে। এনে দিশসমূহৰ উপৰিও, RUSA ই পুনৰীক্ষণ, পুনৰ গঠন আৰু অংশগ্ৰহণকাৰী ৰাজ্যৰ অনুষ্ঠানসমূহৰ সমৰ্থ বিকাশ আদিক সমৰ্থন কৰে। শিক্ষাৰ্থীসকল, এতিয়া RUSA ৰ প্ৰাথমিক উপাদানসমূহে সামৰি লোৱা গুৰুত্বপূৰ্ণ দিশবোৰ চমুকৈ দাঙি ধৰা হ'ল।

- **উপাদান ১ ঃ** বৰ্তমানৰ স্বায়ত্ব শাসিত কলেজসমূহক উন্নীত কৰি বিশ্ববিদ্যালয়সমূহ সৃষ্টি।
- **উপাদান ২ ঃ** কলেজসমূহৰ গোট পৰিৱৰ্তন কৰি বিশ্ববিদ্যালয় সৃষ্টি।
- **উপাদান ৩ ঃ** বিশ্ববিদ্যালয়সমূহলৈ আন্তঃগাঁথনিৰ অনুদান প্ৰদান।
- **উপাদান ৪ ঃ** নিৰ্বাচিত ৰাজ্যিক বিশ্ববিদ্যালয় (নতুন)সমূহৰ গুণমান আৰু উৎকৰ্ষতা সাধন।
- **উপাদান ৫ ঃ** নতুন আৰ্হিৰ স্নাতক কলেজ স্থাপন।
- **উপাদান ৬ ঃ** বৰ্তমানৰ স্নাতক কলেজসমূহক আৰ্হি কলেজলৈ উন্নীতকৰণ।
- **উপাদান ৭ ঃ** নতুন কলেজসমূহ (বৃত্তিগত)।
- **উপাদান ৮ ঃ** নিৰ্বাচিত স্বায়ত্ব শাসিত কলেজৰ গুণমান আৰু উৎকৰ্ষতা সাধন।
- **উপাদান ৯ ঃ** কলেজসমূহলৈ আন্তঃগাঁথনিৰ বাবে অনুদান।
- **উপাদান ১০ ঃ** গৱেষণা, উদ্ভাৱন আৰু গুণমান উন্নতকৰণ।
- **উপাদান ১১ ঃ** ন্যায়ৰ প্ৰাৰম্ভিকৰণ।
- **উপাদান ১২ ঃ** শিক্ষক নিয়োগৰ সমৰ্থন।
- **উপাদান ১৩ ঃ** শিক্ষক উন্নতকৰণ।
- **উপাদান ১৪ ঃ** আনুষ্ঠানিক পুনৰগঠন, সমৰ্থৰ সংযোজন আৰু সংশোধন

আহকচোন এতিয়া এনেবোৰ উপাদান চমুকৈ আলোচনা কৰো আহকচোন ঃ

- **উপাদান ১ ঃ বৰ্তমানৰ স্বায়ত্ব শাসিত কলেজসমূহক উন্নতকৰণ কৰি বিশ্ববিদ্যালয় সৃষ্টি ঃ** তিনিখন স্বায়ত্ব শাসিত কলেজ যিবোৰ প্ৰয়োজনীয় আন্তঃগাঁথনিৰ সুবিধা আছে, শিকনৰ সবলতা আছে আৰু উন্নীতকৰণৰ বাবে বিদ্যায়তনিক গুণবোৰ বিবেচনা কৰা হ'ব। প্ৰত্যেক অনুষ্ঠানকে সৰ্বাধিক 55 কোটি টকা অনুদান দিয়া হয়।
- **উপাদান ২ ঃ কলেজসমূহক গোটলৈ পৰিৱৰ্তন কৰি বিশ্ববিদ্যালয়ৰ সৃষ্টি ঃ** তিনিখন বিশ্ববিদ্যালয় লগ লগাই গড় হিচাবত 55 কোটি টকা প্ৰত্যেক বিশ্ববিদ্যালয়ক ধাৰ্য কৰা হয়। যিবোৰ বৰ্তমানৰ চৰকাৰী অনুমোদনপ্ৰাপ্ত। এনেবোৰ বিশ্ববিদ্যালয়ৰ অধীনত ৩খনৰ পৰা ৫ কলেজ ল'ব লাগে। যিবোৰৰ প্ৰয়োজনীয় বিদ্যায়তনিক, শাৰীৰিক আৰু .....
- **উপাদান ৩ ঃ বিশ্ববিদ্যালয়সমূহলৈ আন্তঃগাঁথনিৰ অনুদান প্ৰদান ঃ** 50খন চৰকাৰী বিশ্ববিদ্যালয়ক প্ৰয়োজনীয় আন্তঃগাঁথনিৰ অভাৱ পূৰণ কৰিবলৈ প্ৰত্যেককে 20 কোটি টকাকৈ অনুদান প্ৰদান।
- **উপাদান ৪ ঃ নিৰ্বাচিত ৰাজ্যিক বিশ্ববিদ্যালয়সমূহক গুণমান আৰু উৎকৰ্ষ সাধন ঃ** যিবোৰ বিশ্ববিদ্যালয় NAAC CGPA 3.51 থাকে আৰু 2018ৰ UGC স্বায়ত্ব শাসনৰ নীতিৰ ভিতৰত থাকে তেনেবোৰক মানদণ্ড, শিক্ষণ আৰু গৱেষণাৰ দিশত সমৰ্থন আগবঢ়াব লাগে।

- **উপাদান ৫ ঃ নতুন আৰ্হিৰ স্নাতক কলেজ ঃ** এই উপাদানৰ অধীনত নতুন কলেজসমূহ স্থাপন কৰি সেইবোৰক প্ৰয়োজনীয় আন্তঃগাঁথনি যেনে— শ্ৰেণীকোঠা, পুথিভঁৰাল, প্ৰয়োগশালা, শিক্ষকৰ কোঠা, শৌচাগাৰ আৰু অত্যাধুনিক সুবিধাসহ অন্য প্ৰয়োজনীয় সুবিধাসমূহ 70খন উচ্চকাংক্ষা অসংৰক্ষিত জিলা আৰু হিমালয় আৰু উত্তৰ-পূবৰ অঞ্চলৰ প্ৰদান কৰিব লাগে। এনেবোৰ অঞ্চল নীতি আয়োগৰ দ্বাৰা চিনাক্ত কৰা হ'ব।
- **উপাদান ৬ ঃ বৰ্তমানৰ স্নাতক কলেজসমূহক আৰ্হি কলেজলৈ উন্নীতকৰণ ঃ** বৰ্তমানৰ স্নাতক কলেজসমূহক অৰ্থ প্ৰদানেৰে আৰ্হি কলেজলৈ পৰিৱৰ্তন কৰা হ'ব। যিবোৰ কলেজ দেশৰ উচ্চকাংক্ষা থকা অঞ্চলত অৱস্থিত। তাৰোপৰি, যিবোৰ জিলাত নতুন আৰ্হি কলেজসমূহ UGC/RVSA স্থাপন হোৱা নাই তেনেবোৰ জিলাক এই ক্ষেত্ৰত অগ্ৰাধিকাৰ দিব লাগে। সৰ্বাধিক 75খন কলেজক আৰ্থিক অনুদান দিয়া হ'ব আৰু প্ৰত্যেক কলেজক 4 কোটিকৈ প্ৰদান কৰা হ'ব।
- **উপাদান ৭ ঃ নতুন কলেজসমূহ (বৃত্তিগত) ঃ** এই উপাদানটোত কোৱা হৈছে যে দেশৰ কিছুমান অঞ্চল আৰু জিলাত 8খন নতুন বৃত্তিগত কলেজ স্থাপন কৰা হ'ব, যিবোৰ ঠাইত ৰাষ্ট্ৰীয় গড় হিচাবে প্ৰাযুক্তিক আৰু বৃত্তিগত শিক্ষাৰ অনুষ্ঠানৰ ঘনত্ব কম আৰু এইবোৰ প্ৰত্যেককে 26 কোটিকৈ প্ৰদান কৰা হ'ব। এই উপাদানটোৱে দেশৰ অভিযান্ত্ৰিক আৰু বৃত্তিগত শিক্ষাত নামভৰ্তিৰ অনুপাত বৃদ্ধি কৰাৰ লক্ষ্য হাতত লয়, যিবোৰ অঞ্চলত প্ৰায় এনেবোৰ সুবিধাৰ অভাৱ দেখা যায়।
- **উপাদান ৮ ঃ নিৰ্বাচিত স্বায়ত্ব শাসিত কলেজসমূহৰ গুণগত মানদণ্ড আৰু উৎকৰ্ষ সাধন ঃ** যিবোৰ কলেজৰ NAAC ৰ CGPA 3.51 থাকে 2018 চনৰ বিশ্ববিদ্যালয় অনুদান আয়োগৰ স্বায়ত্ব শাসনৰ অধীনত থাকে তেনেবোৰক গুণমান বৃদ্ধি, শিকন আৰু গৱেষণাৰ দিশত সমৰ্থন আগবঢ়োৱা হয়। এই উপাদানৰ অধীনত 70 খন ভাল ফল দেখুওৱা স্বায়ত্ব শাসিত কলেজলৈ সমৰ্থন আগবঢ়োৱা হয়।
- **উপাদান ৯ ঃ কলেজবোৰলৈ আন্তঃগাঁথনিৰ অনুদান ঃ** এইটো উপাদানৰ অধীনত অনুসূচীত জাতি, জনজাতি আৰু ছোৱালীবোৰৰ আবাস নিৰ্মাণৰ বাবে অনুদান আগবঢ়োৱা হয়। সকলো ৰাজ্যিক বিশ্ববিদ্যালয় আৰু কলেজসমূহে এনে অনুদান পাবলৈ যোগ্য। নতুনত্বৰ অভিগমনঅাঁচনি আদিক অগ্ৰাধিকাৰ প্ৰদান কৰা হয়। প্ৰত্যেক ৰাজ্যকে 5 কোটিকৈ দিয়া হ'ব।
- **উপাদান ১০ ঃ গৱেষণা, উদ্ভাৱন আৰু গুণমান উন্নীতকৰণ ঃ** 20খন ৰাজ্যিক বিশ্ববিদ্যালয়ৰ যিবোৰে দুটা বা তিনিটা দিশত উৎকৰ্ষ দেখুৱাব পাৰে সেইবোৰৰ প্ৰত্যেককে 50 কোটিকৈ দিয়া হ'ব। এনেবোৰ সুবিধা প্ৰকল্পভিত্তিক অৰ্থযোগানৰ দ্বাৰা দিয়া হ'ব আৰু নিৰ্বাচন প্ৰক্ৰিয়াত তাত্ত্বিক আৰু প্ৰয়োগিক গৱেষণাত অগ্ৰাধিকাৰ দিয়া হ'ব।
- **উপাদান ১১ ঃ ন্যায়ৰ প্ৰাৰম্ভিকৰণ ঃ** 15 ৰাজ্যৰ অনুসূচিত জাতি, জনজাতি আৰু ছোৱালীৰ বাবে আবাস নিৰ্মাণৰ অৰ্থ এনে উপাদান অধীনত পাব। ন্যায়ৰ প্ৰাৰম্ভিকৰণৰ বাবে সকলো বিশ্ববিদ্যালয় আৰু কলেজে এনে অনুদান লাভ কৰিবলৈ যোগ্য। নতুনত্বৰ উদ্ভাৱনঅাঁচনিসমূহে অগ্ৰাধিকাৰ পাব। প্ৰত্যেক ৰাজ্যকে 5 কোটিকৈ দিয়া হ'ব।
- **উপাদান ১২ ঃ শিক্ষক নিয়োগৰ সমৰ্থন ঃ** সপ্তম দৰমহা আয়োগৰ নীতি অনুসৰি নিয়মিত আৰু স্থায়ী সহকাৰী অধ্যাপকঅপ্ৰবক্তাসকলে 2020 চনৰ মাৰ্চৰ ভিতৰত দৰমহা পাব। এই আঁচনিৰ শেষত ৰাজ্য চৰকাৰসমূহে এনেবোৰ দায়িত্ব বহন কৰিব লাগিব।
- **উপাদান ১৩ ঃ শিক্ষক উন্নতকৰণ ঃ** মানৱ সম্পদ বিকাশৰ কেন্দ্ৰ (HRDC) বা একাডেমিক ষ্টাফ কলেজসমূহক আন্তঃগাঁথনি আৰু সম্পদৰ প্ৰশিক্ষণৰ বাবে অৰ্থ প্ৰদান কৰা হ'ব। যাতে শিক্ষকৰ উপযুক্ত প্ৰশিক্ষণ হয়। সৰ্বমুঠ 8খন ৰাজ্যৰ প্ৰত্যেকে 7 কোটিকৈ পাব।
- **উপাদান ১৪ ঃ আনুষ্ঠানিক পুনৰ গঠন, সমৰ্থৰ সংযোজন আৰু সংশোধন ঃ** 30খন ৰাজ্যলৈ আৰু কেন্দ্ৰীয় শাসিত অঞ্চললৈ আৰ্থিক অনুদান আগবঢ়োৱা হ'ব, যাতে তেওঁলোকে উপযুক্ত সংশোধন কৰি প্ৰয়োজনীয় আনুষ্ঠানিক গঠন শক্তিশালী কৰিব পাৰে, ইয়াৰ বাবে 3 কোটি টকা ধাৰ্য কৰা হয়। এনেবোৰ অনুদানৰ দ্বাৰা

ৰাজ্যিক উচ্চ শৈক্ষিক পৰিষদ, ৰাজ্যিক সম্পদ কেন্দ্ৰ আৰু ৰাজ্যিক প্ৰকল্প কাৰ্যালয় গঠন বা শক্তিশালী কৰি তুলিব পাৰি।

১৩.৫ RUSA ৰ নিৰ্দেশনা নীতিসমূহ

RUSA ৰ প্ৰধান উদ্দেশ্য হৈছে ৰাজ্যৰ উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰৰ গুণগত মানদণ্ড উননত কৰি তোলা। সকলোৱে উচ্চমান সম্পন্ন উচ্চ শিক্ষা লাভ কৰাটোত RUSA ই গুৰুত্ব আৰোপ কৰিছিল। উচ্চ শিক্ষাৰ সকলো অনুষ্ঠানে NAAC ৰ দ্বাৰা মূল্যায়ন কৰাটো বাধ্যতামূলক হ'ব লাগে। ৰাজ্যসমূহে বিভিন্ন প্ৰকাৰৰ সংশোধন যেনে— পৰিচালনা সংক্ৰান্তীয়, বিদ্যায়তনিক আৰু অনুমোদন আদিৰ জৰিয়তে উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰৰ মানদণ্ড উন্নত কৰি তুলিব লাগে। ৰাজ্যসমূহক উচ্চ শিক্ষাৰ অনুষ্ঠানত গৱেষণা আৰু উদ্ভাৱনৰ কিছুমান আঁচনি প্ৰদান কৰি উৎসাহিত কৰিব লাগে। গৱেষণাৰ মূল্যায়নৰ ক্ষেত্ৰত আন্তঃ আৰু বহিঃ দুয়ো প্ৰকাৰৰ নিৰ্দেশনা সমানেই গুৰুত্বপূৰ্ণ। ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিকল্পনা (SHEP) এই দুয়োটা দিশতে সমতা বজাই ৰখাটো আশা কৰা হয়। সকলো ৰাজ্য আৰু তাৰ উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰে সৎ ভাৱে তেওঁলোকৰ বৰ্তমান স্থিতি ঘোষণা কৰাটো আশা কৰা হয় আৰু উন্নতিৰ বাবে বিশেষ কিছুমান কৌশল যেনে তথ্য আৰু যোগাযোগ প্ৰযুক্তি, উন্নতিৰ বাবে বিশ্ববিদ্যালয়সমূহক সম্পদ ধাৰ্যকৰণ অবলম্বন কৰি গুণমান সম্পন্ন গৱেষণা কৰা হয়। শিক্ষকসকলৰ পদোন্নতিৰ বাবে কিছুমান সংলক্ষণ যেনে- গৱেষণামূলক প্ৰকাশ, ফলাফল কাৰক থকা আলোচনী য'ত গৱেষণা পত্ৰ প্ৰকাশ হয় গৱেষণাৰ অৰ্থ যোগান ইত্যাদিবোৰ ধাৰ্য্য কৰা হয়।

- **গুণমান আৰু গৱেষণাত গুৰুত্ব ঃ** ৰাজ্যৰ উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰৰ উপযুক্ত গুণমান ৰক্ষাত RUSA ই গুৰুত্ব প্ৰদান কৰিছিল।
- **মানদণ্ড ভিত্তিক আৰু ফলাফল নিৰ্ভৰশীল অনুদান ঃ** RUSA ই আগবঢ়োৱা অনুদান মানদণ্ড ভিত্তিক আৰু ৰাজ্যৰ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহৰ ফলাফলৰ ওপৰত ভৱিষ্যতৰ অনুদান নিৰ্ভৰশীল। কেন্দ্ৰীয় অনুদান কৌশলপূৰ্ণ আৰু SHEP ৰ ওপৰত নিৰ্ভৰশীল। ই হৈছে এক মাইলৰ খুটি সদৃশ যাৰ ওপৰত ভিত্তি কৰি ৰাজ্য আৰু ইয়াৰ অনুষ্ঠানবোৰ পাৰদৰ্শিতাৰ শ্ৰেণীকৰণ কৰা হয়। ভৱিষ্যতৰ অনুদান অতীতৰ সফলতাৰ স্তৰৰ ভিত্তিত আৰু MHRD ত পঠোৱা অনুদানৰ ব্যৱহাৰৰ ভিত্তিত কৰা হয়।
- **উদ্দীপনা যোগোৱা আৰু নিৰুৎসাহ কৰা ঃ** ৰাজ্যৰ কাৰ্য আৰু আঁচনিসমূহক RUSA ই উদ্দীপনা যোগায় আৰু কিছুক্ষেত্ৰত নিৰুৎসাহ কৰে। ইয়াৰ নীতি-নিয়ম মানি চলাবোৰক RUSA ই উদ্দীপনা যোগায়। অন্যহাতে, যেতিয়া ৰাজ্য আৰু অনুষ্ঠানসমূহে পূৰ্বচৰ্তবোৰ পূৰণ নকৰে আৰু ভাল পাৰদৰ্শিতা নেদেখুৱাই তেতিয়া ইয়াৰ আৰ্থিক অনুদানবোৰ কমাই দিয়ে। ই চাহিদা অনুযায়ী প্ৰতিযোগিতাৰ ভিত্তি কামবোৰ আগু�ৱাই নিয়ে। ৰাজ্য আৰু ইয়াৰ অনুষ্ঠানসমূহে RUSA দ্বাৰা উপকৃত হ'বলৈ ই ধাৰ্য কৰা নীতিবোৰ প্ৰত্যেকে পালন কৰে।
- **ৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ ঃ** RUSA ৰ এক মৌলিক নীতি হৈছে তেওঁলোকে গ্ৰহণ কৰা সিদ্ধান্তসমূহ সদায় অৰাজনৈতিক, নিৰপেক্ষ আৰু পেশাগত। এইটো কৰা হয় SHEPৰ ওপৰত ভিত্তি কৰি আৰু ৰাজ্যবোৰক আগতে ধাৰ্য কৰি দিয়া নীতি অনুসৰি। সিদ্ধান্ত গ্ৰহণ প্ৰক্ৰিয়া আৰু ইয়াৰ প্ৰভাৱ হৈছে স্বচ্ছ আৰু নিৰপেক্ষ। এইটো আশা কৰা হয় ৰাজ্যিক পৰ্যায়ত গ্ৰহণ কৰা পৰিকল্পনা আৰু নিয়ন্ত্ৰণ যাতে নিৰপেক্ষ আৰু অৰাজনৈতিক বিধৰ হয়। সংশোধনসমূহ উপযুক্তভাৱে প্ৰয়োগ কৰিবলৈ, উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহৰ নেতৃত্বৰ নিৰ্বাচনত যোগ্যতা আৰু পাৰদৰ্শিতাক নিৰ্বাচন কৰিব লাগে।
- **স্বায়ত্ব শাসন ঃ** সমতা আৰু দায়িত্ব কাৰণে, এখন অনুষ্ঠানৰ স্বায়ত্ব শাসন এক গুৰুত্বপূৰ্ণ চৰ্ত। RUSA অনুষ্ঠানসমূহক সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত স্বায়ত্ব শাসন প্ৰদান কৰে। অনুষ্ঠানবোৰৰ বিশেষ প্ৰয়োজন আৰু চৰ্তসমূহৰ ক্ষেত্ৰত, তেওঁলোকৰ বিশেষ পৰিকল্পনা গ্ৰহণৰ স্বাধীনতা থাকে।
- **প্ৰকাশৰ ভিত্তিত নিয়ন্ত্ৰণ ঃ** প্ৰত্যেক অনুষ্ঠানে ইয়াৰ সিদ্ধান্ত আৰু ফলাফলৰ ক্ষেত্ৰত প্ৰকাশ ভিত্তিক নিয়ন্ত্ৰণ মানি চলিব লাগে। উচ্চ শিক্ষাত সম্পূৰ্ণ স্পষ্ট নিয়ন্ত্ৰণ আৰু প্ৰকাশৰ নীতি গ্ৰহণ কৰিব লাগে।

- **ন্যায় ভিত্তিক বিকাশ ঃ** উচ্চ শিক্ষাৰ ক্ষেত্ৰত যিকোনো বিকাশ মহিলা, পিছপৰা শ্ৰেণী আৰু বিশেষভাৱে সক্ষম লোকসকলৰ ক্ষেত্ৰত সমান সুবিধা সৃষ্টি কৰিব লাগে। গাঁও আৰু অনুসূচিত জনজাতিৰ অঞ্চলসমূহৰ বিকাশত অধিক গুৰুত্ব আৰোপ কৰিব লাগে। সেইবাবে ৰাজ্য আৰু অনুষ্ঠান পৰ্যায়ৰ বিকাশ ন্যায়ৰ ভিত্তিত হোৱাতো গুৰুত্বপূৰ্ণ। যেতিয়া অনুদান ধাৰ্য কৰা হয় তেতিয়া পৰিকল্পনাকাৰীসকলে এনেবোৰ দিশ বিবেচনা কৰা উচিত।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ RUSA ৰ কমেও 5টা উপাদান উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৬ ঃ RUSA ৰ অধীনত শিক্ষক নিযুক্তি কিছুমান গুণাৱলী লিখক।

.....

.....

প্ৰশ্ন নং ৭ ঃ সঁচা বা মিছা নিৰ্ণয় কৰক।

(ক) ৰাজ্যৰ সকলো উচ্চ শিক্ষাৰ অনুষ্ঠানবোৰে NAAC ৰ দ্বাৰা মূল্যায়ন কৰোৱাতো গুণগত মানদণ্ডৰ বাবে বাধ্যতামূলক। (সঁচা/মিছা)

.....

(খ) সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত RUSA ই অনুষ্ঠানবোৰক স্বায়ত্ব শাসন প্ৰদান নকৰে। (সঁচা/মিছা)

.....

(গ) উচ্চ শিক্ষাৰ শাখাৰ যিকোনো বিকাশে বিশেষভাৱে সক্ষম লোকতকৈ মহিলাসকলক বিশেষ সুবিধা প্ৰদান কৰে।

.....

১৩.৬ RUSA ৰ আনুষ্ঠানিক গঠন

শিক্ষাৰ্থীসকল, আপোনালোকে জানে যে RUSA হৈছে ৰাজ্যিক পৰ্যায়ৰ উচ্চ শিক্ষাৰ ন্যায়, গুণমান, সুবিধা পৰিকল্পিতভাৱে বিকাশ কৰা কেন্দ্ৰীয় চৰকাৰৰ এক উদ্যোগ। সেইবাবে, ইয়াৰ বাবে দায়িত্ব আৰু ক্ষমতা অনুসৰি তিনিটা পৰ্যায়ত ইয়াৰ আনুষ্ঠানিক গঠন থকা দৰকাৰ। কেন্দ্ৰীয়, ৰাজ্যিক আৰু আনুষ্ঠানিক স্তৰ। তলত ইয়াৰ বিষয়ে দাঙি ধৰা হ'ল।

ৰাষ্ট্ৰীয় পৰ্যায় সংগঠন ঃ

RUSA হৈছে ৰাষ্ট্ৰীয় পৰ্যায়ৰ সংগঠন। এই অভিযানৰ অধ্যক্ষ হৈছে মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ মন্ত্ৰী। RUSA ই প্ৰকল্প অনুমোদন বোৰ্ডৰ নীতি, পৰিকল্পনা কাৰ্যাৱলীসমূহ সামগ্ৰীকভাৱে পৰ্যবেক্ষণ কৰে। ৰাজ্যিক উচ্চ শিক্ষাক অনুমোদন দিয়া সম্পাদকে (উচ্চ শিক্ষা) প্ৰকল্প অনুমোদন বোৰ্ডৰ অধ্যক্ষতা কৰে, ৰাজ্য আৰু অনুষ্ঠানবোৰৰ আৰ্থিক অনুদান অনুমোদন কৰে। ৰাষ্ট্ৰীয় প্ৰকল্পৰ পৰিচালনা দপ্তৰ যাৰ মুৰব্বী যুটীয়া সম্পাদক (উচ্চ শিক্ষা) তেঁৱেই ৰাষ্ট্ৰীয় অভিযানৰ অধ্যক্ষ হয়। ইয়াৰ দুটা সংগঠনক প্ৰযুক্তি সমৰ্থন দলে সহায় কৰে যিয়ে SHEP ক পৰীক্ষা কৰে, আৰ্থিক অনুদানত লক্ষ্য ৰাখে আৰু সকলো প্ৰযুক্তি, পৰিচালনা, যৌক্তিক দিশবোৰক সুবিধা প্ৰদান কৰে।

ৰাজ্যিক পৰ্যায়ৰ সংগঠন ঃ


এই আঁচনিখন প্ৰত্যেক ৰাজ্য বা কেন্দ্ৰীয় শাসিত অঞ্চললৈ ৰাজ্যিক উচ্চ শিক্ষা পৰিষদৰ জৰিয়তে যায়।

প্ৰকল্প নিৰ্দেশক আৰু TSG য়ে SHEC বোৰক সমৰ্থন আগবঢ়ায়। এনে সংগঠনসমূহ পৰিচালনা, সমন্বয়, প্ৰয়োগ আৰু নিৰীক্ষণৰ বাবে দায়বদ্ধ, যিবোৰ প্ৰকল্প ৰাজ্যিক আৰু কেন্দ্ৰীয় শাসিত অঞ্চলত থাকে।

SHEC ৰ ৰাজ্যিক পৰ্যায়ত উচ্চ শিক্ষাৰ পৰিকল্পনা আৰু অনুদানৰ প্ৰাথমিক স্তৰ নিৰ্ধাৰণ কৰে। ৰাজ্যিক বিশ্ববিদ্যালয়সমূহ আৰু তাৰ বৃহৎসংখ্যক শিক্ষাৰ্থী, ৰাজ্যবোৰ হৈছে RUSA ৰ অধীনৰ পৰিকল্পনাৰ গোট আৰু SHEC য়ে কেন্দ্ৰ বা ৰাজ্যত সংগঠন সৃষ্টি কৰিব লাগে আৰু ৰাজ্যিক পৰ্যায়ত পৰিকল্পনা, নিৰীক্ষণ, গুণমান নিয়ন্ত্ৰণ আৰু সমন্বয়ৰ ৰক্ষা কৰিবৰ বাবে কেন্দ্ৰ আৰু ৰাজ্য দুয়োটাতে SHEC সৃষ্টি কৰাটো প্ৰয়োজনীয়। ৰাজ্যিক প্ৰকল্প দপ্তৰত ৰাজ্যিক প্ৰকল্প নিৰ্দেশক আৰু তাৰ সদস্যবোৰ অন্তৰ্ভুক্ত হয় যাৰ দ্বাৰা ৰাজ্যিক প্ৰকল্প দপ্তৰে উপযুক্তভাৱে কাৰ্য কৰে।

আনুষ্ঠানিক পৰ্যায়ৰ সংগঠন ঃ

আনুষ্ঠানিক পৰ্যায়ৰ প্ৰকল্প দুটা সংগঠনৰ দ্বাৰা পৰিচালিত হয়— বোৰ্ড অফ গৱৰ্নৰ (BOG) আৰু প্ৰকল্প নিৰীক্ষক গোটা BOG য়ে উপযুক্তভাৱে আৰু সময় অনুযায়ী আৰু সামগ্ৰীক সকলো দিশৰ বিকাশৰ বাবে নীতি সিদ্ধান্ত গ্ৰহণ কৰে। প্ৰকল্প নিৰীক্ষণ গোটক বিদ্যায়তনিক বিষয়া, শিক্ষক, প্ৰশাসনিক বিষয়াই প্ৰতিনিধিত্ব কৰে আৰু আনুষ্ঠানিক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীসকল প্ৰকল্প নিৰীক্ষণৰ ক্ষেত্ৰত দায়বদ্ধ যাতে RUSA ৰ অধীনত সংশোধিত প্ৰকল্পৰ প্ৰয়োগ হয়।



চিত্ৰ – 2 ঃ RUSA ৰ আনুষ্ঠানিক সংগঠন

এতিয়া, তলৰ শাখাবোৰ ভালদৰে অধ্যয়ন কৰিব, ইয়াৰ দ্বাৰা আপোনালোকে RUSA ৰ আনুষ্ঠানিক সংগঠনৰ এক ধাৰণা ল'ব পাৰিব।

১৩.৬.১ কেন্দ্ৰীয় পৰ্যায়ৰ গাঁথনি

কেন্দ্ৰীয় পৰ্যায়ৰ সংগঠনত চাৰিটা গঠন থাকে, সেইকেইটা হৈছে—

- ৰাষ্ট্ৰীয় অভিযানৰ কৰ্তৃত্ব
- প্ৰকল্প অনুমোদন বোৰ্ড
- ৰাষ্ট্ৰীয় প্ৰকল্প দপ্তৰ
- প্ৰযুক্তি সমৰ্থন দলঃRUSA সম্পদ কেন্দ্ৰ

এনেবোৰ কেন্দ্ৰীয় সংগঠনে নীতি নিৰ্ধাৰণ, প্ৰকল্প পৰিচালনা, ৰাজ্যৰ সৈতে সমন্বয় আৰু RUSA ৰ প্ৰয়োগ দিশবোৰত সামগ্ৰিকভাৱে নিৰ্দেশনা প্ৰদান কৰে। শিক্ষাৰ্থীসকল তলত এইবোৰৰ বিষয়ে বিশদভাৱে আলোচনা কৰা হ'ল।

ৰাষ্ট্ৰীয় অভিযানৰ কৰ্তৃত্ব ঃ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ৰ অধীনৰ মানৱ সম্পক বিকাশৰ কেন্দ্ৰীয় মন্ত্ৰীৰ অধ্যক্ষতাত NMA গঠিত হয়। ইয়াৰ সদস্য-সম্পাদক হৈয়ে উচ্চ শিক্ষাৰ যুটীয়া সম্পাদক। অন্য

সদস্যবোৰ হৈছে—

- সদস্য - পৰিকল্পনা আয়োগ (উচ্চ শিক্ষাৰ তত্ত্বাৱধায়ক)
- উপ-অধ্যক্ষ - সম্পাদক, উচ্চ শিক্ষা বিভাগ, MHRD
- অধ্যক্ষ - বিশ্ববিদ্যালয় অনুদান আয়োগ
- অধ্যক্ষ - AICTE
- সকলো ৰাজ্যৰ SHEC ৰ অধ্যক্ষ
- উচ্চ শিক্ষা ক্ষেত্ৰৰ তিনিগৰাকী বিশেষজ্ঞ
- MHRD ৰ আৰ্থিক উপদেষ্টা
- অধ্যক্ষ - MCI
- অধ্যক্ষ - BCI
- সম্পাদক - কৃষি
- সম্পাদক - সংস্কৃতি
- সম্পাদক - স্বাস্থ্য
- সম্পাদক - বিজ্ঞান আৰু প্ৰযুক্তি
- সম্পাদক - ক্ৰীড়া

অৰ্থ মন্ত্ৰালয়ৰ প্ৰতিনিধি ঃ

কাৰ্যসমূহ ঃ প্ৰকল্প অনুমোদন বোৰ্ডৰ সামগ্ৰিক কাৰ্যাৱলী, পৰিকল্পনা আৰু নীতি ক্ষেত্ৰত NMA য়ে নিৰ্দেশনা প্ৰদান কৰে। তাৰোপৰি ই PAB ৰ বাবে অৰ্থ ধাৰ্য্য কৰে। ই নীতি সংশোধনৰ মূল্যায়নৰ অধ্যয়ন কৰে। ছয়মাহৰ মূৰত এবাৰকৈ NMA মিলিত হয়।

প্ৰকল্প অনুমোদন বোৰ্ড (PAB) ঃ উচ্চ শিক্ষাৰ সচিব PAB ৰঅধ্যক্ষ হয়। ই তলৰ সদস্যবোৰক অন্তৰ্ভুক্ত কৰে—

- অধ্যক্ষ, সহকাৰী অধ্যক্ষ, বিশ্ববিদ্যালয় অনুদান আয়োগ।
- উপাধ্যক্ষ, বিশ্ববিদ্যালয় অনুদান আয়োগ।
- অধ্যক্ষ, AICTE
- সচিব, বিশ্ববিদ্যালয় অনুদান আয়োগ।
- সংশ্লিষ্ট ৰাজ্যৰ SHEC ৰ অধ্যক্ষ।
- উচ্চ শিক্ষাৰ দিশৰ দুজন বিশেষজ্ঞ।
- NHRD ৰ আৰ্থিক উপদেষ্টা।
- উপদেষ্টা (উচ্চ শিক্ষা), পৰিকল্পনা আয়োগ।
- যুটীয়া সচিব (উচ্চ শিক্ষা), আহ্বায়ক।

কাৰ্যাৱলী ঃ

PAB য়ে ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিকল্পনা পৰীক্ষা কৰে, অনুমোদন দিয়ে আৰু ৰাজ্য আৰু অনুষ্ঠানবোৰক অৰ্থ মোকলাই দিয়ে। ই RUSA ৰ অধীনৰ ৰাজ্যৰ আৰু অনুষ্ঠানবোৰৰ পাৰদৰ্শিতাৰ মূল্যায়ন কৰে।

- **ৰাষ্ট্ৰীয় প্ৰকল্প দপ্তৰ (NPD) ঃ** যুটীয়া সচিব (উচ্চ শিক্ষা) হৈছে NPD ৰ মূৰব্বী আৰু পৰিচালক। ই MHRD ৰ উচ্চ শিক্ষা বিভাগৰ এক অংশ। ইয়াৰ অন্য সদস্যবোৰ হ'ল—
  - এজন উপ সচিব পৰিচালক কাৰ্যনিৰ্বাহক
  - দুগৰাকী কাৰ্যনিৰ্বাহক সহকাৰী সচিব
  - সমৰ্থন।

কার্যাৱলী ঃ

NMA আৰু PAB ৰ সভাবোৰ NPD য়ে পৰিচালনা কৰে। তাৰোপৰি ই প্ৰকল্পৰ অর্থ পৰিচালনা, প্ৰকল্প প্ৰয়োগ (কেন্দ্ৰীয় আৰু ৰাজ্যিক স্তৰত), অভিযান কর্তৃত্বৰ নীতি সংযোজন, পৰিসাংখিক তথ্য পৰিচালনা আৰু তথ্য ব্যৱস্থাৰ পৰিচালনা আদি কৰে।

- **প্ৰযুক্তি সমর্থন গ্ৰুপ (TSG) :** TSG ত বিদ্যায়তনিক দিশৰ পেশাগত লোক আৰু অন্য দিশৰ কিছুমান জৰিয়তে NMA আৰু NPD লৈ সমর্থন আগবঢ়ায়। TSG ৰ মুখ্য পৰামর্শকাৰীক NMD য়ে নিয়োগ কৰে।

কার্যাৱলী ঃ

TSG' ৰ মূল কার্য হৈছে ৰাজ্যিক শৈক্ষিক পৰিকল্পনা কৰাত আৰু মূল্যায়ন কৰাত ৰাজ্যবোৰক সহায় কৰা। তাৰোপৰি ই অর্থ ব্যৱহাৰ, প্ৰমাণপত্ৰৰ ব্যৱহাৰ MIS ৰ পৰিচালনা আৰু NMA, PAB, NPD ৰ সকলো পৰিচালনা যৌক্তিক, বৃত্তিগত সমর্থন আগবঢ়ায়।

১৩.৬.২ ৰাজ্যিক পর্যায়ৰ গাঁথনি

RUSA ৰ ৰাজ্যিক পর্যায়ৰ সংগঠনে তিনিটা পর্যায় অন্তর্ভুক্ত কৰে। সেইবোৰ হ'ল—

- ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিষদ
- ৰাজ্যিক প্ৰকল্প দপ্তৰ
- ৰাজ্যিক প্ৰাযুক্তিক সমর্থন দল।

ৰাজ্যৰ ভিতৰৰ প্ৰকল্পবোৰ এই তিনিটা পর্যায়ৰ যোগেদি নির্দেশিত হয় আৰু প্ৰকল্পৰ পৰিচালনা, সমন্বয়, প্ৰয়োগ আৰু নিৰীক্ষণৰ বাবে দায়বদ্ধ।

- **ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিষদ (SHEC)**

  ৰাজ্যবোৰক উচ্চ শিক্ষাৰ সামগ্ৰিক, দীর্ঘদিনীয়া আৰু অন্তর্ভুক্তিকৰণ শৈক্ষিক পৰিকল্পনাৰ উচ্চ পর্যায়ৰ নীতি নির্ধাৰণ সংগঠনৰ প্ৰয়োজন। SHEC ৰ কার্যবোৰে পৰিকল্পনা আৰু ৰাজ্যৰ উচ্চ শিক্ষাৰ বিকাশৰ সমন্বয়, বিশ্ববিদ্যালয়সমূহৰ ভিতৰত সম্পদৰ বিতৰণ, আনুষ্ঠানিক পর্যায়ত বিদ্যায়তনিক আৰু চৰকাৰী সংশোধন, অনুষ্ঠানসমূহত আর্থিক অনুদান নীতি নির্ধাৰণ, তথ্য ভিত্তিক উচ্চ শিক্ষা আৰু গৱেষণা আৰু মূল্যায়ন ব্যৱস্থা আদিক অন্তর্ভুক্ত কৰে।

SHEC ৰ গঠন ঃ

- ৰাজ্যিক বিশ্ববিদ্যালয়সমূহক কেন্দ্ৰীয় ব্যৱস্থাৰ দ্বাৰা সম্পূর্ণভাৱে পর্যবেক্ষণ কৰিব নোৱাৰি।
- কেন্দ্ৰীয় আংশিকভাৱে অর্থ প্ৰদান কৰে আনহাতে বাকী অংশ ৰাজ্যই প্ৰদান কৰে।
- SHEC ক প্ৰথম অৱস্থাত এক কার্যনির্বাহক প্ৰয়োজন কিন্তু 2 বছৰৰ ভিতৰত ৰাজ্য সভাৰ দ্বাৰা এক সংবিধিবদ্ধ গঠনৰ প্ৰয়োজন।

SHEC ৰ গঠন ঃ

- অধ্যক্ষ ঃ প্ৰসিদ্ধ বিদ্যায়তনিক বৌদ্ধিক ব্যক্তি যাৰ নেতৃত্ব দিব পৰা গুণাৱলী আছে।
- উপ অধ্যক্ষ ঃ প্ৰসিদ্ধ প্ৰশাসক (অধ্যাপক পর্যায়ৰ) অভিজ্ঞতা পেশাগত উদ্যোগৰ পৰা অহা ব্যক্তি।
- সদস্য সচিব ঃ প্ৰসিদ্ধ পণ্ডিত, যিজন অধ্যাপক-প্ৰধান কার্যনির্বাহক স্থানৰ।
- ৰাজ্যিক প্ৰকল্প কার্যবাহী।
- কলা, বিজ্ঞান আৰু প্ৰযুক্তি, সংস্কৃতি, নাগৰিক সমাজ, উদ্যোগ, বৃত্তীয় শিক্ষা আৰু দক্ষতা বিকাশ আদিৰ পৰা 10–15 জন সদস্য।

- ৰাজ্যিক বিশ্ববিদ্যালয়ৰ 3 গৰাকী উপাচার্য আৰু স্বায়ত্ব শাসিত কলেজৰ 2 গৰাকী অধ্যক্ষ।
- ভাৰত চৰকাৰৰ এগৰাকী নির্বাচিত ব্যক্তি।

কার্যাৱলী ঃ

i. কৌশল আৰু পৰিকল্পনা ঃ

- ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিকল্পনা প্রস্তুত (পৰিপ্রেক্ষিক পৰিকল্পনা, বছৰেকীয়া পৰিকল্পনা আৰু বাজেট পৰিকল্পনা)।
- ৰাজ্যিক অনুষ্ঠানবোৰক পৰিকল্পনা কৰা আৰু তাক প্রয়োগৰ সুবিধা প্রদান কৰা।
- প্রধান অনুষ্ঠান, নিয়ন্ত্রিত অনুষ্ঠান আৰু চৰকাৰী অনুষ্ঠানসমূহৰ মাজত সমন্বয় ৰক্ষা।

ii. উপদেষ্টামূলক কার্যাৱলী ঃ

- উচ্চ শিক্ষাত কৌশলপূর্ণ ব্যয়ৰ বাবে ৰাজ্যিক চৰকাৰক পৰামর্শ প্রদান।
- বিশ্ববিদ্যালয়সমূহক

iii. অর্থ যোগান কার্যাৱলী

- SHEC য়ে পৰিচালনা কৰা অর্থ যোগানত RUSA আৰু ৰাজ্য চৰকাৰৰ অংশ অন্তর্ভুক্ত কৰে, দুয়োটা ৰাজ্য চৰকাৰৰ দ্বাৰা প্রেৰিত হয়।
- ৰাজ্যৰ অর্থৰ অংশ অনুষ্ঠানসমূহলৈ সময়মতে প্রেৰণ কৰাৰ পদ্ধতি নির্ধাৰণ।
- ৰাজ্যৰ উচ্চ শিক্ষাৰ পৰিকল্পনা আৰু নিকা মানদণ্ডৰ ভিত্তিত ৰাজ্যিক বিশ্ববিদ্যালয় আৰু কলেজসমূহক অর্থ প্রদান।

iv. নিৰীক্ষণ আৰু মূল্যায়ন

- ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিকল্পনা প্রয়োগ পর্যবেক্ষণ।
- তথ্য পৰিচালনা ব্যৱস্থাৰ সৃষ্টি আৰু ৰক্ষণাবেক্ষণ।
- ৰাজ্যিক আৰু আনুষ্ঠানিক পর্যায়ত পর্যাবৃত্ত পৰিসাংখ্যিকৰ সংকলন আৰু ৰক্ষণাবেক্ষণ।
- মানদণ্ডৰ ভিত্তিত ৰাজ্যৰ অনুষ্ঠানবোৰৰ মূল্যায়ন আৰু RUSA অধীনত KPIৰ বিকাশ।
- অনুষ্ঠানসমূহৰ উপযোগিতাৰ প্রমাণ পত্র সময়মতে জমা কৰা।

v. গুণমান নিশ্চিতকৰণ আৰু বিদ্যায়তনিক কার্য

- শিক্ষকৰ গুণমান উন্নীতকৰণৰ প্রচেষ্টা
- পৰীক্ষাৰ গুণমানঊপৰীক্ষাৰ সংশোধন
- পাঠ্যক্রমৰ গুণমান ৰক্ষণাবেক্ষণ
- গৱেষণাত নতুনত্ব প্রদান
- ৰাজ্যিক অনুষ্ঠানবোৰৰ স্বায়ত্ব শাসন বর্তাই ৰখা
- কলেজঊনতুন অনুষ্ঠান স্থাপনৰ অনুমোদন জনোৱা
- স্বীকৃতিৰ সংশোধন।

➢ **ৰাজ্যিক প্রকল্প দপ্তৰ (SPD)**

SPD ত ৰাজ্যিক প্রকল্প পৰিচালক থাকে আৰু দপ্তৰ উপযুক্তভাৱে চলিবলৈ প্রয়োজন হোৱা অন্য কর্মচাৰীবোৰ থাকে। ৰাজ্যিক প্রকল্প পৰিচালকগৰাকী উচ্চ পর্যায়ৰ কার্যবাহী বিষয়া হ'ব লাগে যাৰ স্থান আয়ুক্ত। ৰাজ্যিক চৰকাৰৰ সচিবৰ লেখীয়া হ'ব লাগে।

কার্যাৱলী

- ৰাজ্যিক পর্যায়ত প্রকল্পৰ প্রয়োগৰ তত্ত্বাৱধান কৰা।
- পৰিসাংখ্যিক তথ্যৰ আৰু MIS টোকাৰ ৰক্ষণাবেক্ষণ।
- প্রয়োজন মতে প্রকল্পৰ গাণনিক নিয়োগ।

- **প্ৰযুক্তি সমৰ্থক দল (TSG)**

ৰাজ্যিক পৰিষদে TSG ৰ নিয়োগ আৰু সিদ্ধান্ত গ্ৰহণ কৰে। TSG য়ে অৰ্থ আৰু তথ্য, MISৰ টোকা নিৰীক্ষণ কৰে আৰু SHEC ৰ জৰিয়তে সকলো সুবিধা প্ৰদান কৰে।

গঠন ঃ

প্ৰধান পৰামৰ্শদাতা, পৰামৰ্শদাতা - তথ্য পৰিচালক, উচ্চ শিক্ষাৰ পৰামৰ্শদাতা, যোগাযোগ পৰামৰ্শদাতা, MIS ৰ পৰিচালক, তথ্য ভৰোৱা আৰু কৰ্মত প্ৰয়োজন হোৱা অন্য কৰ্মচাৰীসকল।

১৩.৬.৩ আনুষ্ঠানিক পৰ্যায়ৰ গাঁথনি

আনুষ্ঠানিক পৰ্যায়ৰ প্ৰকল্প দুটা সংগঠনৰ দ্বাৰা পৰিচালিত হয়।

- গৱৰ্ণৰ বোৰ্ড (BoG)
- প্ৰকল্প নিৰীক্ষণ গোট
- **গৱৰ্ণৰ বোৰ্ড ঃ** এই পৰ্যায়ৰ গঠন হৈছে—
  - ইয়াত 10–15 গৰাকী প্ৰসিদ্ধ সদস্য থাকে।
  - অধ্যক্ষ গৰাকী পণ্ডিত নহ'লেও হয় কিন্তু এনেধৰণৰ কাৰ্যত পূৰ্ব অভিজ্ঞতা থকা প্ৰয়োজন।
  - বোৰ্ডৰ সদস্যসকল প্ৰসিদ্ধ ব্যক্তি হ'ব লাগে, যিসকল সেই অনুষ্ঠানৰ, ৰাজ্যিক চৰকাৰ, সমাজ, উদ্যোগ বা পণ্ডিত হ'ব লাগে।

কাৰ্যাৱলী ঃ

এই বোৰ্ডৰ প্ৰধান কাৰ্য হৈছে প্ৰয়োগৰ বাবে গঠন হোৱা বিভিন্ন কমিটী আৰু প্ৰকল্পৰ আন্তঃ নিৰীক্ষণ পৰ্যবেক্ষণ কৰা।

- **প্ৰকল্প নিৰীক্ষণ গোট ঃ** এই গোটটোত অনুষ্ঠানৰ বিভিন্ন পণ্ডিতসকলে প্ৰতিনিধিত্ব কৰে। শিক্ষক, প্ৰশাসনিক বিষয়া, প্ৰযুক্তি আৰু অপ্ৰযুক্তিৰ কৰ্মচাৰীসকল আৰু ছাত্ৰ-ছাত্ৰী থাকে।

কাৰ্যাৱলী ঃ

এই গোটটোৱে আনুষ্ঠানিক পৰ্যায়ত প্ৰকল্প নিৰীক্ষণ কৰাৰ দায়িত্ব লয় যাতে RUSA অধীনত নিয়ন্ত্ৰণ সংশোধন কৰিব পাৰে।

এনেদৰে, শিক্ষাৰ্থীসকল, এই আঁচনিখনে ৰাজ্যিক উচ্চ শিক্ষা ব্যৱস্থাৰ সংশোধন কৰে। ৰাজ্যিক পৰ্যায়ত তিনিটা স্তৰৰ দ্বাৰা পৰিকল্পনা সংগঠন আৰু নিৰীক্ষণ কৰে। ইয়াৰ দ্বাৰা ৰাজ্যৰ উচ্চ শিক্ষাৰ অনুষ্ঠানৰ স্বায়ত্ব শাসন বৰ্তাই ৰখাত সহায় কৰে আৰু ইয়াৰ দ্বাৰা ৰাজ্যৰ উচ্চ শিক্ষাত সমতা, ন্যায় আৰু শাসন বৰ্তাই ৰখাত সহায় হয়।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৮ ঃ RUSA ৰ তিনিস্তৰীয় আনুষ্ঠানিক সংগঠনবোৰ কি কি?

.....

.....

প্ৰশ্ন নং ৯ ঃ খালী ঠাই পূৰ কৰক -

(ক) RUSA অভিযান কৰ্তৃত্ব হৈছে ..... স্তৰৰ উচ্চ কৰ্তৃত্ব।

(খ) ৰাজ্যিক পৰ্যায়ৰ বিশ্ববিদ্যালয়সমূহ কেৱল ..... ব্যৱস্থাৰ দ্বাৰা নিৰীক্ষণ কৰিব নোৱাৰি।

(গ) ৰাজ্যৰ প্ৰযুক্তিৰ সমৰ্থন দলে সকলো সমৰ্থন ..... দ্বাৰা আগবঢ়ায়।

(ঘ) ৰাজ্যৰ উচ্চ শিক্ষাৰ পৰিকল্পনাবোৰ ..... পৰীক্ষা, মূল্যায়ন আৰু অনুমোদিত হয়।

(ঙ) আনুষ্ঠানিক পৰ্যায়ত RUSA ৰ পৰিচালনা ..... দ্বাৰা হয়।

প্ৰশ্ন নং ১০ ঃ RUSA ৰ বিভিন্ন ৰাজ্যিক পৰ্যায়ৰ সংগঠন বৰ্ণনা কৰক।

.....

.....

2 ১৩.৭ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- ভাৰতৰ ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ বিকাশ আৰু বিস্তাৰৰ বাবে মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ে এই আঁচনি হাতত লৈছিল।
- ইয়াক 2013 চনত ঘোষণা কৰা হৈছিল। ই সকলো ৰাজ্যিক বিশ্ববিদ্যালয়ৰ আৰু কলেজৰ সৈতে কাম কৰাৰ লক্ষ্য ধাৰ্য কৰিছিল আৰু অনুষ্ঠানবোৰৰ আন্তঃগাঁথনি উন্নত কৰি ইয়াৰ মানদণ্ড উচ্চ পৰ্যায়লৈ নিব বিচাৰিছিল।
- RUSA ৰ বৈশিষ্ট্যবোৰ অন্তৰ্ভুক্ত, পূৰ্বচর্ত, তল ওপৰ অভিগমন, প্ৰচলিত আঁচনিৰ সাৰাংশ, প্ৰাথমিক অনুদান, সম্পদ খাম, আনুষ্ঠানিক বিকাশ পৰিকল্পনা আৰু ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিকল্পনা, SHEP ৰ মূল্যায়ন, RUSA ৰ অধীনত অৰ্থ অনুদান, অৰ্থৰ প্ৰয়োগ আৰু উচ্চ শিক্ষাৰ পৰিষদ আদিবোৰ দিশত আলোচনা কৰিব পাৰি।
- RUSA ৰ প্ৰধান উদ্দেশ্যবোৰ হৈছে—
  - ৰাজ্যৰ অনুষ্ঠানসমূহৰ সামগ্ৰীক উন্নতি কৰা, উপযুক্ত মানদণ্ড আৰু গুণমান উন্নত কৰাৰ বাবে স্বীকৃতি বাধ্যতামূলক কৰা।
  - বিদ্যায়তনিক আন্তঃ গাঁথনি উন্নীতকৰণৰ বাবে বিশ্ববিদ্যালয় বা আৰ্হি মহাবিদ্যালয়সমূহৰ গুণমান উন্নত কৰাত গুৰুত্ব দিয়া আৰু ছাত্ৰ-ছাত্ৰীক শিক্ষণ-শিকনৰ বাবে উপযুক্ত পৰিৱেশ প্ৰদান কৰা।
  - ৰাজ্য চৰকাৰৰ চেষ্টাৰ দ্বাৰা উচ্চ শিক্ষাৰ আন্তঃগাঁথনিৰ ব্যৱধান চিনাক্ত কৰা। এই উদ্দেশ্যসমূহ বিশ্ববিদ্যালয়সমূহ আৰু কলেজসমূহলৈ প্ৰদান কৰা আন্তঃগাঁথনিৰ অনুদানৰ দ্বাৰা পূৰণ কৰিব পাৰি, য'ত অনুদানসমূহ নতুন নিৰ্মাণ, পুনৰ নিৰ্মাণ বা সা-সঁজুলি কিনাৰ দ্বাৰা আন্তঃগাঁথনি উন্নত কৰাৰ ক্ষেত্ৰত ধাৰ্য্য কৰা হয়।
  - সকলো উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত অৰ্হতা সম্পন্ন শিক্ষাক থকাটো নিশ্চিত কৰা। ৰাজ্যসমূহে খালী থকা অনুমোদন প্ৰাপ্ত পদসমূহ পূৰণ কৰিব লাগে আৰু তাৰোপৰি শিক্ষক শিক্ষার্থীৰ 20 ঃ 1 অনুপাত পূৰণ কৰিবলৈ RUSA ৰ অধীনত অৰ্থ দাবীৰে অতিৰিক্ত পদ পূৰণ কৰিব লাগে।
  - ৰাজ্যৰ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহক গৱেষণা আৰু উদ্ভাৱনৰ দিশত সুবিধা প্ৰদান কৰিব লাগে। ৰাজ্য চৰকাৰে বিশদভাৱে গৱেষণা আৰু উদ্ভাৱনৰ পৰিকল্পনা প্ৰদান কৰাটো বাধ্যতামূলক।
  - অনুসূচিত জাতিঁজনজাতি আৰু সামাজিক তথা শৈক্ষিকভাৱে পিচপৰা শ্ৰেণীৰ লোকক উচ্চ প্ৰদানেৰে সুবিধা আৰু ন্যায় উন্নত কৰি তোলা আৰু লগতে উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহত মহিলা, সংখ্যালঘু আৰু বিশেষভাৱে সক্ষম ব্যক্তিসকলক অন্তৰ্ভুক্তিৰে উচ্চ শিক্ষাত সমতা প্ৰদান কৰা।
  - নতুন অনুষ্ঠান স্থাপনেৰে মুঠ নামভর্তিৰ লক্ষ্য 32í পূৰণ কৰিবৰ বাবে অনুষ্ঠানসমূহৰ প্ৰসাৰ কৰি তোলা।

- ৰাজ্যৰ উচ্চ শিক্ষা ব্যৱস্থাৰ ৰূপান্তৰ কৰি সংশোধনেৰে ৰাজ্যিক পৰ্যায়ত আনুষ্ঠানিক পৰ্যায়ৰ পৰিকল্পনা আৰু পৰ্যবেক্ষণ (SHEC) কৰা, ইয়াৰ দ্বাৰা ৰাজ্যিক বিশ্ববিদ্যালয়বোৰৰ স্বায়ত্ব শাসনৰ ব্যৱস্থা আৰু অনুষ্ঠানসমূহৰ নিয়ন্ত্ৰণৰ ব্যৱস্থা কৰা।
- বিদ্যায়তনিক, পৰীক্ষা ব্যৱস্থা আৰু অনুমোদনৰ ক্ষেত্ৰত ৰাজ্যসমূহে সংশোধন কৰাটো নিশ্চিত কৰি তোলা। বিদ্যায়তনিক দিশৰ সংশোধন হৈছে যান্মাষিক ব্যৱস্থাৰ প্ৰয়োগ, CBCS, পাঠ্যক্ৰম বিকাশ, ইত্যাদি আৰু পৰীক্ষা সংশোধনে উচ্চ শিক্ষাৰ অনুষ্ঠানত আন্তঃ মূল্যায়নৰ সংশোধন, ষান্মাসিকৰ শেষৰ মূল্যায়ন আদিক অন্তৰ্ভুক্ত কৰে। তাৰোপৰি, RUSA ই অনুমোদন প্ৰক্ৰিয়াৰ সংশোধনৰ সুযোগ প্ৰদান কৰে, যাতে অনুমোদন প্ৰাপ্ত কলেজসমূহৰ প্ৰয়োজনীয়তাসমূহ উপযুক্তভাৱে পূৰণ হয়। ৰাজ্যসমূহে বিশ্ববিদ্যালয়ৰ অধীনত অনুমোদনপ্ৰাপ্ত কলেজৰ সংখ্যা 100 সীমাবদ্ধ ৰাখি এই ব্যৱস্থাত কিছু সংশোধন আনে।
- ৰাজ্য চৰকাৰ, উচ্চ শিক্ষা পৰিষদ আৰু অনুষ্ঠানসমূহৰ ভূমিকা ব্যাখ্যা কৰা।

- RUSA ই তাৰ পৰিসৰত ৰাজ্যিক বিশ্ববিদ্যালয়সমূহ আৰু কলেজবোৰ আৰু দেশৰ কেন্দ্ৰীয় শাসিত অঞ্চলৰ বিশ্ববিদ্যালয়সমূহক অন্তৰ্ভুক্ত কৰি লয়।
- RUSA ই সংশোধনৰ বাবে 14টা উপাদান গ্ৰহণ কৰে আৰু ৰাজ্যৰ উচ্চ শিক্ষা ব্যৱস্থা পুনৰ গঠন কৰে।
- ৰাজ্যৰ উচ্চ শিক্ষা অনুষ্ঠানবোৰত সমতা, ন্যায়, সুবিধা প্ৰদান কৰিবলৈ কিছুমান নীতি গ্ৰহণ কৰে। সেইবোৰ হৈছে গুণমান আৰু গৱেষণা, মানদণ্ড ভিত্তিক আৰু ফলাফল ভিত্তিক অৰ্থ প্ৰদান, অৰাজনৈতিক সিদ্ধান্ত গ্ৰহণ, উদ্দীপনা যোগোৱা আৰু নিৰুৎসাহিত কৰা, প্ৰকাশৰ ভিত্তিত নিয়ন্ত্ৰণ, আৰু ন্যায় ভিত্তিক বিকাশ।
- RUSA ৰ প্ৰয়োগ আৰু নিৰীক্ষণ এক আনুষ্ঠানিক গঠনৰ মাজেৰে হয়, যাৰ কেন্দ্ৰ, ৰাজ্যিক আৰু আনুষ্ঠানিক স্তৰত স্পষ্ট ভূমিকা আৰু ক্ষমতা থাকে। তলত এই গঠনটো দাঙি ধৰা হ'ল—
  - কেন্দ্ৰীয় বা ৰাষ্ট্ৰীয় পৰ্যায় ঃ ৰাষ্ট্ৰীয় অভিযান কৰ্তৃত্ব, প্ৰকল্প অনুমোদন বোৰ্ড, ৰাষ্ট্ৰীয় প্ৰকল্প দপ্তৰ, প্ৰযুক্তি সমৰ্থিত দ'ল বা RUSA সম্পদ কেন্দ্ৰ।
  - ৰাজ্যিক পৰ্যায় ঃ উচ্চ শিক্ষাৰ পৰিষদ, ৰাজ্যিক প্ৰকল্প দপ্তৰ, প্ৰযুক্তি সমৰ্থিত দল।
  - আনুষ্ঠানিক পৰ্যায় ঃ নিয়ন্ত্ৰণ বোৰ্ড, প্ৰকল্প নিৰীক্ষণ গোট।

১৩.৮ অধিক জানিবলৈ

Goyal, Jitendra Singh. (2019). Role of Rashtriya Ucchatar Shiksha Abhiyan (RUSA) to Enhance Quality in Higher Education. *Education India,* Vol 8 (1).

e-Resources:

Rashtriya Uchchatar Shiksha Abhiyan (Rusa),

Search Domain : https://mhrd.gov.in/sites/upload_files/mhrd/files/RUSA_Master_Content.pdf

RUSA Guideline, 2.0.

RUSA - Rashtriya Uchchatar Shiksha Abhiyan,

Search Domain: rusa.nic.in

UNIVERSITY GRANTS COMMISSION - ugc.ac.in

Search Domain: https://www.ugc.ac.in/oldpdf/Consolidated_list_of_All_Universities.pdf

K১৩.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) মিছা (খ) সঁচা (গ) মিছা।

২ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) 2 (খ) 3 (গ) 1¼

৩ নং প্ৰশ্নৰ উত্তৰ ঃ নিজে চেষ্টা কৰক (13.3.3)

৪ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ দ্বাৰা গ্ৰহণ কৰা এক প্ৰচেষ্টা, যাৰ দ্বাৰা উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহক অৰ্থ যোগান ধৰা হয় যাতে উচ্চ শিক্ষাত সমতা, সুবিধা আৰু উৎকৰ্ষতা লাভ কৰিব পাৰি। এই আঁচনিখন 2013 চনত আৰম্ভ কৰা হৈছিল। এই আঁচনিখনে ৰাজ্যৰ সকলো বিশ্ববিদ্যালয় আৰু ইয়াৰ অনুমোদিত কলেজসমূহৰ সৈতে কাম কৰি অনুষ্ঠানৰ আন্তঃগাঁথনি আৰু জীৱনৰ মানদণ্ড উন্নত কৰাৰ লক্ষ্য ৰাখিছিল।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ RUSA ৰ পাঁচটা উপাদান হৈছে—

(ক) বৰ্তমানৰ স্বায়ত্ব শাসিত কলেজসমূহক উন্নীতকৰণ কৰি বিশ্ববিদ্যালয়সমূহ সৃষ্টি।

(খ) কলেজসমূহৰ গোটক পৰিৱৰ্তন কৰি বিশ্ববিদ্যালয় সৃষ্টি।

(গ) বিশ্ববিদ্যালয়সমূহলৈ আন্তঃগাঁথনিৰ বাবে অনুদান প্ৰদান।

(ঘ) নিৰ্বাচিত ৰাজ্যিক বিশ্ববিদ্যালয়সমূহৰ (নতুন) গুণমান উৎকৰ্ষতা সাধন।

(ঙ) নতুন আৰ্হিৰ স্নাতক কলেজ স্থাপন।

৬ নং প্ৰশ্নৰ উত্তৰ ঃ গৱেষণা পত্ৰৰ সংখ্যা, প্ৰকাশিত হোৱা ই প্ৰভাৱ উপাদান, গৱেষণাৰ অৰ্থ যোগান।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) সঁচা, (খ) মিছা, (গ) মিছা।

৮ নং প্ৰশ্নৰ উত্তৰ ঃ কেন্দ্ৰীয়, ৰাজ্যিক আৰু আনুষ্ঠানিক পৰ্যায়।

৯ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) ৰাষ্ট্ৰীয় (খ) কেন্দ্ৰীয় (গ) SHEC
(ঘ) PAB (ঙ) দুটা সংগঠন

১০ নং প্ৰশ্নৰ উত্তৰ ঃ RUSA ৰ ৰাজ্যিক পৰ্যায়ৰ সংগঠনত তিনিটা ভাগ থাকে, সেইকেইটা হৈছে ৰাজ্যিক উচ্চ শিক্ষাৰ পৰিষদ, ৰাজ্যিক প্ৰকল্প দপ্তৰ আৰু ৰাজ্যিক প্ৰযুক্তি সমৰ্থিত দল।

M১৩.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ RUSA কি? RUSA ৰ আৰম্ভণিৰ বিষয়ে এটা টোকা প্ৰস্তুত কৰক।

প্ৰশ্ন ২ ঃ RUSA ৰ বৈশিষ্ট্যসমূহ কি? চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ RUSA ৰ উদ্দেশ্যসমূহ তালিকা কৰক আৰু আলোচনা কৰক।

প্ৰশ্ন ৪ ঃ RUSA ৰ পৰিসৰ সম্পৰ্কে আলোচনা আগবঢ়াওক।

প্ৰশ্ন ৫ ঃ RUSA ৰ বিভিন্ন উপাদানসমূহ কি কি? আপোনাৰ নিজৰ মত অনুসৰি কমেও পাঁচটা উপাদান বিশ্লেষণ কৰক।

প্ৰশ্ন ৬ ঃ RUSA ৰ নিৰ্দেশনাৰ নীতিবোৰ পৰীক্ষা কৰক।

প্ৰশ্ন ৭ ঃ RUSA ৰ আনুষ্ঠানিক গঠন ব্যাখ্যা কৰক।

অধ্যায় ১৪ ঃ ৰাষ্ট্ৰীয় শিক্ষানীতি, ২০১৬, ২০১৯

অধ্যায় গাঁথনি

14.1 উদ্দেশ্য
14.2 পৰিচয়
14.3 2016 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰস্তাৱনা খচৰা
  14.3.1 ৰাষ্ট্ৰীয় শিক্ষানীতিৰ দৃষ্টি, প্ৰেৰণ, লক্ষ্য আৰু উদ্দেশ্যসমূহ
  14.3.2 নীতিৰ কাঠামোৰ (Framework)নিৰ্বাচিত দিশসমূহ
14.4 2019 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰস্তাৱনাৰ খচৰা
  14.4.1 ৰাষ্ট্ৰীয় শিক্ষানীতিৰ দৃষ্টি, প্ৰেৰণ, লক্ষ্য আৰু উদ্দেশ্যসমূহ
  14.4.2 নীতি কাঠামোৰ(Framework) নিৰ্বাচিত দিশসমূহ আৰু পৰামৰ্শসমূহ
14.5 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
14.6 অধিক জানিবলৈ
14.7 অগ্ৰগতিৰ খতিয়ান
14.8 আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি -

- 2016 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰস্তাৱনা খচৰা,লক্ষ্য আৰু উদ্দেশ্যসমূহবিশ্লেষণ কৰিব পাৰিব।
- 2019 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰস্তাৱনা খচৰা,লক্ষ্য আৰু উদ্দেশ্যসমূহ বিশ্লেষণ কৰিব পাৰিব।

১৪.২ পৰিচয়

স্বাধীনতাৰ পিছত, ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ হিচাবে, নাগৰিকৰ কল্যাণৰ বাবে সকলো প্ৰকাৰৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছিল। তেতিয়াৰ পৰাই অনুভৱ কৰা হৈছিল যে দেশৰ সকলো নাগৰিকে শিক্ষাৰ সুবিধা যাতে পাব পাৰে। শিক্ষাৰ গুৰুত্ব আৰু মূল্য মনত ৰাখি, চৰকাৰে শিক্ষাক মৌলিক অধিকাৰ স্বৰূপে স্বীকৃতি দিছে আৰু এনেদৰে দেশৰ সকলোৰে বাবে শিক্ষা হৈছে জন্মগত অধিকাৰ। আমাৰ নিচিনা গণতান্ত্ৰিক দেশত, আমাক সংবিধানে মানৱ অধিকাৰ প্ৰদান কৰিছে। প্ৰাথমিক শিক্ষা হৈছে এক জখলা স্বৰূপ যাৰ মাধ্যমেদি শিক্ষাৰ্থীয়ে মাধ্যমিক আৰু উচ্চ শিক্ষা আহৰণ কৰিব পাৰে। মাধ্যমিক আৰু উচ্চ শিক্ষা হৈছে এক মঞ্চ সদৃশ য'ৰ পৰা শিক্ষাৰ্থীসকলক জ্ঞান আৰু তথ্য প্ৰদান কৰি তেওঁলোকৰ কাৰ্যকৰী দক্ষতা বিকাশৰ দ্বাৰা ভৱিষ্যত উপযুক্ত জীৱন-যাপনৰ বাবে সমৰ্থবান কৰি তোলা হয়।

সেইবাবে, বিশেষকৈ স্বাধীনতাৰ পিছত, বিভিন্ন নীতি আঁচনি গ্ৰহণ কৰি প্ৰাথমিক শিক্ষাৰ পৰা উচ্চ শিক্ষালৈ উন্নতি আৰু সংশোধনৰ ব্যৱস্থা কৰা হয়। স্বাধীনতাৰ পিছত, এইখন হৈছে কোঠাৰী আয়োগ, যি আয়োগে 1964–66 চনত ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ প্ৰতিবেদন আগবঢ়াইছিল, যাক 1986 চনৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু 1992 চনৰ সংশোধিত শিক্ষা নীতিয়ে অনুকৰণ কৰিছে। 2016 চনত, ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে অন্তৰ্ভুক্তিকৰণ সমাজৰ ওপৰত হেঁচা দিছে। পৃথিৱীৰ ভিতৰত তৃতীয় বৃহৎ শিক্ষা ব্যৱস্থা থকা ভাৰতবৰ্ষত 21 শতিকাৰ পৰিৱৰ্তনশীল পৰিৱেশৰ সৈতে খাপ খাবলৈ পুনৰ গঠন কৰিব লাগিব। পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি 2019 চনত ভাৰতৰ মানৱ

সম্পদ বিকাশ মন্ত্রালয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ প্ৰস্তাৱনা আগবঢ়ায়, যিয়ে শিক্ষাৰ দৃশ্যৰাজিৰ পথ নিৰ্দেশক হিচাপে সংস্কাৰ সাধন কৰিব। ৰাষ্ট্ৰীয় শৈক্ষিক নীতিৰ জৰিয়তে গৱেষণা আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়াত উৎকৰ্ষ সাধন কৰিবলৈ চেষ্টা কৰা হ'ব। ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ 2019 খচৰা হৈছে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এক যুগমীয়া পদক্ষেপ, যিটোক আমি আধুনিক ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এক মাইলৰ খুটি স্বৰূপে অভিহিত কৰিব পাৰো। এই অধ্যায়টোত আমি যুটীয়াভাৱে 2015 আৰু 2019 চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতি পৰামৰ্শ আৰু প্ৰতিবেদন সম্পৰ্কে আলোচনা কৰিম।

১৪.৩ ২০১৬ চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ প্ৰস্তাৱনাৰ খচৰা

2016 চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে গুণমান বিশিষ্ট অন্তৰ্ভুক্তিকৰণ শিক্ষা ব্যৱস্থাৰ কল্পনা কৰিছিল আৰু সকলোৰে বাবে জীৱনযোৱা শিক্ষা সম্ভৱ হোৱাটো বিচাৰিছিল, লগতে জ্ঞান, দক্ষতা, মনোভাৰ আৰু মূল্যবোধ সম্পন্ন ছাত্ৰ-ছাত্ৰীক জন্ম দিব বিচাৰিছিল যাতে এইসকল লোকে উৎপাদনশীল জীৱন পায়, দেশৰ বিকাশমূলক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰে, দ্ৰুত পৰিৱৰ্তনশীলতা, বিশ্বায়ন, জ্ঞান অন্বেষিত সমাজত ভাগ ল'ব পাৰে আৰু দায়িত্বশীল নাগৰিক হিচাবে ভাৰতৰ অনৈক্যৰ মাজত ঐক্য ভাৱধাৰা, সংস্কৃতি, ইতিহাস, সামাজিক সু-সংহতি আৰু ধৰ্মীয় মৰম-চেনেহ বজাই ৰাখি ভাৰতৰ সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আৰু সাংস্কৃতিক বিকাশৰ ক্ষেত্ৰত কেন্দ্ৰীয় ভূমিকা পালন কৰিব পাৰে। মহাত্মা গান্ধীয়ে কৈছিল— 'প্ৰকৃত কঠিনতা হৈছে এইটোৱে যে শিক্ষা প্ৰকৃততে কি সেই বিষয়ে মানুহৰ ধাৰণা নাই। আমি যেনেকৈ মাটি এটুকুৰাৰ মূল্য নিৰ্ধাৰণ কৰো বা বজাৰৰ বিনিময় মূল্য নিৰ্ধাৰণ কৰো ঠিক তেনেদৰে শিক্ষাৰো মূল্য নিৰ্ধাৰণ কৰিব বিচাৰো। আমি সেই শিক্ষাহে ল'ব বিচাৰো যাৰ দ্বাৰা বেছি উপাৰ্জন কৰিব পাৰো। আমি চৰিত্ৰৰ উন্নতিৰ ক্ষেত্ৰত কম গুৰুত্ব দিও।' জাতিৰ পিতাৰ চিন্তাৰ দ্বাৰা অনুপ্ৰাণিত হৈ, এই নীতিয়ে মূল্যবোধ, কৌশল আৰু সমৰ্থবান নাগৰিক আৰু ৰাষ্ট্ৰ গঢ়াৰ ক্ষেত্ৰত অৰিহণা যোগোৱা দিশৰ ক্ষেত্ৰত শিক্ষাই গুৰুত্ব প্ৰদান কৰাটো বিচাৰে। ই চিনাক্ত কৰিছিল যে দেশৰ দীৰ্ঘম্যাদী অৰ্থনৈতিক বৃদ্ধি আৰু বিকাশ শিক্ষা ব্যৱস্থাৰ গুণমান সম্পন্ন উৎপাদনৰ ওপৰত নিৰ্ভৰ কৰে আৰু শিক্ষা ব্যৱস্থাই সমতা সম্পন্ন আৰু গুণমান বিশিষ্ট বিকাশ গঢ়ি তুলিব পাৰে আৰু জ্ঞান অৰ্থনীতি আৰু সমাজত সফলতা অৰ্জন কৰিব পাৰে। ই শিক্ষাক আৰ্থ-সামাজিক গতিশীলতা ক্ষেত্ৰত গুৰুত্বপূৰ্ণ আহিলা স্বৰূপে চিনাক্ত কৰিছিল আৰু ন্যায় সংগত সমাজ সৃষ্টি ছাবিকাঠি হিচাবে অভিহিত কৰিছিল। তাৰোপৰি শিক্ষাক সমাজৰ একতাৰ সূত্ৰ, সামাজিক সংহতিত ইয়াৰ ভূমিকা আৰু ৰাষ্ট্ৰীয় পৰিচয়ৰ ক্ষেত্ৰত যোগসূত্ৰ স্বৰূপে আখ্যা দিছিল। এই লক্ষ্যই আকৌ কৈছে যে উপযুক্ত শিক্ষাই বিশ্বায়ন একীভূত কৰাত সহায় কৰিব, ভাৰতীয় সন্তান আৰু যুৱকসকলক বিশ্বৰ নাগৰিক হিচাবে প্ৰতিষ্ঠিত কৰিব, যাৰ ভেটি ভাৰতীয় সংস্কৃতি আৰু পৰম্পৰাৰ ওপৰত প্ৰতিষ্ঠিত হ'ব।

2016 চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে অহা কিছু বছৰৰ বাবে ভাৰতৰ শিক্ষা বিকাশৰ সুবিধা প্ৰদান কৰিব।

১৪.৩.১ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ দৃষ্টি, প্ৰেৰণ, লক্ষ্য আৰু উদ্দেশ্যসমূহ

দৃষ্টি ঃ 2016 চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে গুণমান বিশিষ্ট অন্তৰ্ভুক্তিকৰণ শিক্ষা ব্যৱস্থাৰ কল্পনা কৰিছিল আৰু সকলোৰে বাবে জীৱনযোৱা শিক্ষা সম্ভৱ হোৱাটো বিচাৰিছিল, আৰু লগতে জ্ঞান, দক্ষতা, মনোভাব আৰু মূল্যবোধ সম্পন্ন ছাত্ৰ-ছাত্ৰী জন্ম দিব বিচাৰিছিল, যাতে এইসকল লোকে উৎপাদনশীল জীৱন-যাপন কৰাৰ লগতে দেশৰ বিকাশমূলক প্ৰক্ৰিয়াত অংশগ্ৰহণ কৰিব পাৰে, দ্ৰুত পৰিৱৰ্তনশীলতা, বিশ্বায়নৰ জ্ঞান অন্বেষিত সমাজত ভাগ ল'ব পাৰে।

প্ৰেৰণ ঃ

- শিশু, যুৱক-যুৱতী আৰু প্ৰাপ্তবয়স্কসকলক ন্যায়সংগত, অন্তৰ্ভুক্তিকৃত আৰু গুণমান বিশিষ্ট শিক্ষা

আৰু জীৱনযোৱা শিক্ষাৰ সুবিধা নিশ্চিত কৰা আৰু দেশৰ মানৰ সামৰ্থক সম্পূৰ্ণ, ন্যায়সংগত আৰু উৎকৰ্ষতা প্ৰদান কৰা।

- স্কুল আৰু উচ্চ শিক্ষা লগতে প্ৰাপ্তবয়স্ক শিক্ষা কাৰ্যসূচীয়ে শিশু, যুৱক আৰু প্ৰাপ্তবয়স্কসকলৰ মাজত ভাৰতৰ ঐতিহ্যময় গৌৰৱোজ্জ্বল অতীত, মহান পৰম্পৰা আৰু দায়িত্বশীল নাগৰিকত্ব, শান্তি, সহ্য, ধৰ্মনিৰপেক্ষ, ৰাষ্ট্ৰীয় সংহতি, সামাজিক ঐক্যতা আৰু সকলো ধৰ্মৰ প্ৰতি সন্মান লগতে সাৰ্বজনীন মূল্যবোধ যিয়ে বিশ্বৰ নাগৰিক হিচাবে আৰু উপযুক্ত বিকাশৰ ক্ষেত্ৰত সহায় কৰে।
- গুণমান বিশিষ্ট শিক্ষাত অধিক গুৰুত্ব দিব লাগে। পাঠ্যক্ৰম, শিক্ষন সামগ্ৰী, শিক্ষণ নীতিৰ প্ৰক্ৰিয়া, শিক্ষণৰ মূল্যায়ন, শিক্ষকৰ গুণ আৰু পাৰদৰ্শিতা, আনুষ্ঠানিক নেতৃত্ব আৰু পৰিচালনা আদিবোৰ দিশৰ সংশোধন কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ সকলো স্তৰতে বিশেষ শিক্ষন ফলাফল লাভ কৰে, (জ্ঞান, দক্ষতা, মনোভাব আৰু মূল্যবোধ) যিবোৰ উৎপাদনশীল জীৱন, দেশৰ উন্নয়নমূলক কামত অংশগ্ৰহণ, বিশ্বায়ণৰ প্ৰত্যাহ্বানৰ প্ৰতি প্ৰতিক্ৰিয়া কৰা আদিবোৰ কাৰ্য কৰিবৰ বাবে প্ৰয়োজন।
- প্ৰত্যেক শিক্ষাৰ্থীৰ বাবে সম্পৰ্কিত দক্ষতা, প্ৰযুক্তি আৰু বৃত্তিমূলক দক্ষতা অন্তৰ্ভুক্ত থাকে, কাম আৰু উদ্যমশীলতা আৰু লগতে মুখস্থৰ সলনি দক্ষতা আৰু সমৰ্থ আৰু যিবোৰে তেওঁলোকক অধিক সৃজনশীল আৰু উদ্ভাৱনমূলক কৰি তোলে, জটিল চিন্তা, উপযুক্ত যোগাযোগ, স্বাধীনভাৱে সমস্যা সমাধান আদি, যাৰ জৰিয়তে ৰাষ্ট্ৰীয় বিকাশ প্ৰক্ৰিয়াত অৰিহণা যোগাবলৈ সক্ষম হয়।

লক্ষ্য আৰু উদ্দেশ্যসমূহ

ইয়াৰ সামগ্ৰিক লক্ষ্য হৈছে গুণমান সম্পন্ন শিক্ষা প্ৰদান আৰু ভাৰতৰ শিক্ষা ব্যৱস্থাৰ যোগ্যতা উন্নত পৰ্যায়ৰ কৰা, স্কুল আৰু উচ্চ শিক্ষা ব্যৱস্থাই সৃষ্টি কৰা ব্যক্তিসকলৰ নিয়োগ উন্নত কৰা ন্যায় সংগত শিক্ষাৰ সুবিধা প্ৰদান, শৈশৱৰ পৰা মাজৰ কাৰ্যালয়ৰ (tertiary education) শিক্ষা, প্ৰযুক্তি আৰু বৃত্তীয় শিক্ষা আৰু প্ৰশিক্ষণ অন্তৰ্ভূক্তকৰণ জীৱনযোৱা শিক্ষাৰ সুবিধা আৰু সমাজৰ যাতে সকলো স্তৰৰ লোকে শিক্ষাৰ সুবিধা পায় সেয়া সম্ভৱ কৰি তোলা।

দৃষ্টি আৰু প্ৰেৰণসমূহ পূৰণ কৰাৰ বাবে শিক্ষাৰ প্ৰধান উদ্দেশ্যসমূহ হৈছে এনেধৰণৰ—

- বাল্যকালৰ আগৰ কালছোৱাৰ শিক্ষা সেৱা বিস্তাৰৰ বাবে সকলো প্ৰাক্ স্কুল স্তৰৰ শিশুৰ যাৰ বয়স 4–5 বছৰৰ ভিতৰত তেওঁলোকে শিক্ষণ আৰু প্ৰয়োজনীয় বিকাশমূলক প্ৰস্তুতিৰ দ্বাৰা যাতে প্ৰাথমিক স্তৰৰ উপযুক্ততা লাভ কৰিব পাৰে তাৰ ব্যৱস্থা কৰা।

  এই ক্ষেত্ৰত বিশেষভাৱে সমাজৰ পিছপৰা শ্ৰেণীৰ লোকৰ শিশুসকলক গুৰুত্ব দিব লাগে।

- সাৰ্বজনীন প্ৰাথমিক আৰু মাধ্যমিক শিক্ষা লাভ কৰা আৰু এইটো চাব লাগে যে মাধ্যমিক শিক্ষা সমাপ্ত কৰাবোৰে যাতে উচ্চ মাধ্যমিক শিক্ষাৰ সুবিধা লাভ কৰে আৰু সকলো উচ্চতৰ মাধ্যমিক উত্তীৰ্ণসকলে উচ্চ শিক্ষা আহৰণৰ ন্যায়সংগত সুবিধা পাব লাগে। নামভৰ্তি কৰা সকলো ছাত্ৰ-ছাত্ৰীয়ে যাতে সফলতাৰে তেওঁলোকৰ শিক্ষা সমাপ্ত কৰি আশা কৰা মতে শিক্ষণ ফলাফল লাভ কৰে তাক নিশ্চিত কৰা।
- শিক্ষাৰ সকলো কাৰ্যসূচী যাতে সহজলভ্য, অন্তৰ্ভুক্তিকৰণ আৰু প্ৰতিক্ৰিয়াশীল হয় তাক সম্ভৱ কৰা, বিভিন্ন দলৰ শিশুৰ প্ৰয়োজনীয়তা আৰু সমাজৰ পিছপৰা শ্ৰেণীৰ লোকৰ ছাত্ৰ-ছাত্ৰীৰ ওপৰত প্ৰাধান্য দিব লাগে, বিশেষকৈ শিশু, কিশোৰ-কিশোলী আৰু বিশেষভাৱে সক্ষম যুৱক-যুৱতী সকলোৱে যাতে শিক্ষাত নামভৰ্তি কৰে তাক সুনিশ্চিত কৰি বঞ্চিত শিক্ষণ ফলাফল প্ৰদান কৰা।
- সামাজিক, ধৰ্মীয় আৰু লিংগ বিষয়ক ব্যৱধান আঁতৰোৱা আৰু লিংগ সমতা, ছোৱালী আৰু মহিলা সবলীকৰণ সমগ্ৰ শিক্ষণ ব্যৱস্থাতে কৰিব লাগে।

- দক্ষতা বিকাশৰ সুবিধা বিস্তাৰ কৰিব লাগে আৰু ডেকা আৰু প্ৰাপ্তবয়স্ক সকলক জীৱন আৰু কৰ্ম-সমৰ্থৰ বাবে সুবিধা দিব লাগে, নিয়োগৰ বাবে সুবিধা দিয়াৰ লগতে নিয়োগৰ বাবে প্ৰয়োজনীয় প্ৰযুক্তি আৰু বৃত্তীয় দক্ষতাক অন্তৰ্ভুক্ত কৰিব লাগে আৰু এই পৰিৱৰ্তনশীল পৃথিৱীৰ ক্ষেত্ৰত খাপ খুৱাকৈ কৰ্ম আৰু উদ্যোগীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।
- আনুষ্ঠানিক শিক্ষাৰ বাহিৰত থকা যুৱক-যুৱতী (15–24 বছৰ) আৰু প্ৰাপ্তবয়স্ক লোক (15 বছৰ আৰু তাৰ ওপৰৰ), যিসকলে অনানুষ্ঠানিক অৰ্থনীতিত জড়িত হৈ আছে তেনেসকলক নিয়োগৰ বাবে দক্ষতা বিকাশৰ সুবিধা দিব লাগে।
- মধ্যৱৰ্তী শিক্ষা সম্ভৱ কৰিবলৈ উচ্চ শিক্ষা ব্যৱস্থাৰ সংশোধন কৰিব লাগে, য'ত প্ৰযুক্তি আৰু বৃত্তিগত শিক্ষা অন্তৰ্ভুক্ত, উচ্চ শিক্ষা লাভ কৰিবলৈ ঠেক দলীয় অসমতা, শিক্ষণ আৰু গৱেষণাৰ উন্নতকৰণ, উদ্ভাৱনমূলক আৰু সকলো উচ্চ শিক্ষাৰ অনুষ্ঠানত নতুন জ্ঞানৰ সুবিধাকৰণ, নামভৰ্তিকৰণ, শিক্ষক প্ৰশিক্ষণ, সকলোৰে যাতে শিক্ষণ সুবিধা লাভ কৰে তাৰ নিশ্চিতকৰণ।
- শিক্ষাত তথ্য আৰু যোগাযোগ প্ৰযুক্তিৰ একত্ৰীকৰণ, বিশেষভাৱে শিক্ষা লাভ কৰিবলৈ, শিক্ষণ-শিকন প্ৰক্ৰিয়াৰ গুণমান উন্নত কৰিবলৈ, শিক্ষক প্ৰশিক্ষণ আৰু শৈক্ষিক পৰিকল্পনা আৰু পৰিচালনাৰ উন্নীতকৰণ।
- শিক্ষকৰ বিকাশ আৰু পৰিচালনা ব্যৱস্থা, ইয়াত শিক্ষকৰ বৃত্তিগত বিকাশো অন্তৰ্ভুক্ত, এইবোৰ সংশোধন কৰি অৰ্হতা সম্পন্ন আৰু সমৰ্থবান শিক্ষকৰ যোগান ধৰা আৰু শিক্ষকৰ বাবে বৃত্তিগত মানদণ্ড ধাৰ্য কৰিব লাগে।
- সকলো যুৱক-যুৱতী, অতি কমেও 90í প্ৰাপ্তবয়স্কলোক, পুৰুষ আৰু মহিলা উভয়ে প্ৰাপ্তবয়স্ক শিক্ষা কাৰ্যসূচীৰ দ্বাৰা ধাৰ্য কৰা সাংখ্যিক দক্ষতা আৰু স্বাক্ষৰতা অৰ্জন কৰিব লাগে।
- আনুষ্ঠানিকভাৱে প্ৰতিক্ৰিয়াশীল, অংশগ্ৰহণকাৰী আৰু দায়িত্বশীল শৈক্ষিক ব্যৱস্থাৰ পৰিকল্পনা, শাসন আৰু পৰিচালনা আৰু শৈক্ষিক পৰিকল্পনা আৰু পৰিচালনাৰ গঠন যাতে শিক্ষাৰ ৰাষ্ট্ৰীয়, উপ-ৰাষ্ট্ৰীয় আৰু স্থানীয় পৰ্যায়ত হয় তাক নিশ্চিত কৰিব লাগিব আৰু বৰ্তমানৰ শৈক্ষিক অগ্ৰাধিকাৰৰ প্ৰতি সজাগ আৰু বিস্তৃত শিক্ষা খণ্ডৰ চাহিদাৰ প্ৰতি লক্ষ্য ৰাখিব লাগিব।
- পেশাগত আৰু আনুষ্ঠানিক নেতৃত্বৰ সমৰ্থৰ ওপৰত প্ৰাধান্য, শিক্ষাৰ ক্ষেত্ৰত নেতৃত্ব, ৰাষ্ট্ৰীয়, উপ-ৰাষ্ট্ৰীয় আৰু আনুষ্ঠানিক পৰ্যায়ত যাতে উন্নত হয় সেইটো নিশ্চিত কৰা, শিক্ষাক্ষেত্ৰৰ প্ৰাধান্য আৰু চাহিদা যাতে বিস্তাৰিত হয়।
- শৈক্ষিক বিকাশৰ কাৰ্যসূচীৰ বৃদ্ধি আৰু অৰ্থ প্ৰয়োগ উপযুক্তভাৱে ধাৰ্য্য কৰিব লাগে।

ভৱিষ্যত শিক্ষা কাৰ্যসূচীৰ নিৰ্দেশনা জীৱনযোৱা আৰু শাখাৰ পৰিপ্ৰেক্ষিতত ধাৰ্য্য কৰিব লাগে। এই নীতিয়ে শিক্ষাৰ পৰিসৰ বৃদ্ধি কৰি শিক্ষাৰ্থীৰ পচন্দ আৰু সমৰ্থ অনুযায়ী বিভিন্ন পথৰ সুবিধা প্ৰদান কৰে আৰু কৰ্মৰ পৃথিৱীৰ দক্ষতা অনুযায়ী শিক্ষাৰ্থীয়ে আনুষ্ঠানিক, অগতানুগতিক আৰু মুক্ত আৰু দূৰত্ব শিক্ষাৰ দ্বাৰা যাতে স্বীকৃতি আৰু মানপত্ৰ পায় তাৰ ব্যৱস্থা কৰা।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ভাৰতবৰ্ষৰ নতুন প্ৰজন্মৰ নিয়োগৰ সৈতে জড়িত 2016 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ দুটা উদ্দেশ্য লিখক।

.....

.....

প্ৰশ্ন নং ২ ঃ 2016 চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ কিছুমান প্ৰেৰণ উল্লেখ কৰক।

.....

.....

১৪.৩.২ নীতিৰ কাঠামোৰ (Framework) নিৰ্বাচিত দিশসমূহ

শিক্ষাৰ আগৰ নীতিসমূহে লক্ষ্য আৰু উদ্দেশ্যবোৰ স্পষ্ট কৰিছে। কিন্তু ইয়াৰ বহুতখিনি সম্পূৰ্ণভাৱে অনুভৱ কৰা হোৱা নাই। যদিও ভাৰতবৰ্ষই শিক্ষাৰ সকলো স্তৰত সুবিধা বৃদ্ধি আৰু অংশগ্ৰহণেৰে উল্লেখযোগ্য প্ৰগতি লাভ কৰিছে, কিন্তু শিক্ষাৰ সামগ্ৰীক ছবিখন মিশ্ৰিত আৰু কিছুমান দিশত প্ৰত্যাহ্বান আছে যেনে- শিক্ষাৰ সুবিধা আৰু অংশগ্ৰহণ, প্ৰদান কৰা শিক্ষাৰ গুণমান, শিক্ষাৰ ন্যায়, সমৰ্থতা, শাসন আৰু পৰিচালনা ব্যৱস্থা, গৱেষণা আৰু বিকাশ, অৰ্থনৈতিক প্ৰতিবন্ধকতা, শিক্ষা বিকাশৰ বাবে বিশ্বজনীন মতামত ইত্যাদি যিবোৰ দিশক ভাৰতৰ শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত প্ৰধান প্ৰত্যাহ্বান হিচাবে ধৰা হয়। পৰিৱৰ্তন বিচৰাৰ সন্ধিক্ষণত; এতিয়াও কিন্তু সুবিধা, অন্তৰ্ভুক্তি আৰু উৎকৰ্ষতাৰ বিভিন্ন ধৰণৰ প্ৰত্যাহ্বানৰ এক সমাধান বা প্ৰতিকাৰ বিচাৰি উলিয়াব পৰা নাই। যিহেতু আমাৰ দেশ ইতিমধ্যে সুবিধা বিস্তৃতকৰণ আৰু অন্তৰ্ভুক্তিৰ বৃদ্ধিৰ সাক্ষী সেয়েহে এই নীতিৰ প্ৰধান লক্ষ্য হৈছে গুণমান বিশিষ্ট শিক্ষা প্ৰদান কৰা আৰু নিয়োগৰ ক্ষেত্ৰটো যথেষ্ট গুৰুত্ব দিব লাগে। বিশ্বায়ণৰ বিভিন্ন পৰিৱৰ্তন আৰু প্ৰযুক্তিৰ অগ্ৰগতিৰ ফলত কিছুমান নতুন দিশে উদ্দেশ্যবোৰ অনুভৱ কৰাত সহায় কৰে।

চৰকাৰী কেন্দ্ৰীয়, ৰাজ্যিকû কেন্দ্ৰীয়শাসিত অঞ্চল আৰু স্থানীয়ভাৱে কিছুমান চিনাক্ত অঞ্চলক কাৰ্যৰ কাঠামো প্ৰয়োগৰ কৌশলৰ নিৰ্দেশনা দিয়া হয়। বিশেষকৈ, ৰাজ্যিক আৰু স্থানীয় চৰকাৰক তেওঁলোকৰ কৌশল বা কাৰ্য পৰিকল্পনা 2016 চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ দ্বাৰা কৰিব দিয়া হ'ব।

সামগ্ৰিকভাৱে 2016 চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে ভাৰতৰ শিক্ষা ব্যৱস্থাৰ সৈতে জড়িত বিভিন্ন দিশত পৰামৰ্শ আগবঢ়াইছে। ইয়াত, 2016 চনৰ NEPয়ে নিৰ্বাচন কৰা প্ৰধান কাৰ্যবোৰৰ পৰামৰ্শসমূহ আলোচনা কৰা হ'ব।

প্ৰাক্-স্কুলীয়া শিক্ষা ঃ

- শিশু আৰু মহিলা বিকাশ মন্ত্ৰালয়ৰ সহযোগত 4ৰ পৰা 5 বছৰ বয়সৰ শিশুৰ বাবে প্ৰাক্-স্কুলীয়া শিক্ষাৰ কাৰ্যসূচীক অগ্ৰাধিকাৰ দিয়া হয়।
- বৰ্তমান, ICDSৰ অধীনৰ অংগনৱাদীসকলক প্ৰাক্-স্কুলীয়া শিক্ষাৰ বাবে ভালদৰে সুবিধা প্ৰদান কৰা হোৱা নাই। অংগনৱাড়ীৰ অধীনৰ প্ৰাক্-স্কুলৰ সুবিধা বঢ়াবলৈ পদক্ষেপ হাতত লৈ পাঠ্যক্ৰম কাঠামো প্ৰস্তুত কৰি শিক্ষণ সামগ্ৰী যোগান ধৰিব লাগিব। এবছৰৰ ভিতৰত অংগনৱাদী কৰ্মীসকলক প্ৰশিক্ষণ দিব লাগিব।
- ৰাজ্য চৰকাৰসমূহে প্ৰাক্-প্ৰাথমিক শিক্ষাৰ বাবে শিক্ষক প্ৰস্তুত কৰিব, তেওঁলোকৰ বাবে প্ৰয়োজনীয় প্ৰাক্ আৰু চাকৰিকালীন প্ৰশিক্ষণৰ ব্যৱস্থা কৰিব লাগিব। অংগনৱাদীৰ পৰা প্ৰাক্-প্ৰাথমিক স্কুললৈ ক্ৰমান্বয়ে আৰু সুবিধাজনকভাৱে পৰিৱৰ্তন কৰি, প্ৰত্যেক ৰাজ্যই সময় অনুযায়ী ইয়াক প্ৰৱৰ্তন কৰিব লাগিব।
- সময়ত, সকলো প্ৰাথমিক স্কুলে প্ৰাক্-প্ৰাথমিক শিক্ষাক সামৰি ল'ব। ইয়াৰ বাবে অংগনৱাদীসমূহ স্কুলৰ সীমাৰ ভিতৰত বা ওচৰত স্থাপন কৰা হ'ব।
- ব্যক্তিগত খণ্ডৰ প্ৰাক্-প্ৰাথমিক স্কুলৰ নিয়মিত পৰিদৰ্শনৰ বাবে নীতি-নিয়ম আৰু পৰিদৰ্শকৰ ব্যৱস্থা কৰা হ'ব।

শিশুৰ অধিকাৰ আৰু কৈশোৰৰ শিক্ষাৰ সুৰক্ষা ঃ

স্কুলৰ আৰু শিশুৰ নিৰাপত্তাৰ বাবে কাঠামো আৰু নির্দেশনা নীতি ধার্য্য কৰা হ'ব আৰু স্কুলৰ পঞ্জীয়ন আৰু স্বীকৃতিৰ বাবে ---- অর্হতাসম্পন্ন চর্ত ধার্য্য কৰা হ'ব।

- শিশুৰ অধিকাৰৰ সৈতে সম্পর্কিত আইন, নীতি-নিয়ম ইত্যাদিৰ প্রতি প্রত্যেক অধ্যক্ষ আৰু শিক্ষক সচেতন হ'ব লাগিব আৰু শিক্ষক শিক্ষাঞ্চপ্রশিক্ষণ কার্যসূচী আৰু পুনৰুদ্দীপন পাঠ্যক্রমৰ দ্বাৰা শিশুৰ অধিকাৰ তৎপৰ দিশবোৰৰ বিষয়ে অৱগত হ'ব লাগিব।
- কৈশোৰৰ শিক্ষা কার্যসূচী আৰু ৰাষ্ট্রীয় জনসংখ্যা শিক্ষা কার্যসূচীক একত্রিত কৰি পর্যায় ক্রমে স্কুলৰ পাঠ্যক্রমৰ সৈতে একত্রিত কৰা হ'ব।
- মাধ্যমিক স্কুলৰ শিক্ষকৰ প্রাক্ আৰু চাকৰিকালীন প্রশিক্ষণত কৈশোৰৰ শিক্ষাক অন্তর্ভুক্ত কৰিব লাগিব।
- ছাত্র-ছাত্রী, শিক্ষক আৰু অভিভাৱকৰ উপকাৰৰ বাবে শিশুৰ অধিকাৰৰ আত্মশিক্ষাৰ বাবে অনলাইন কার্যসূচীৰ বিকাশ কৰিব লাগে।
- স্কুলে প্রশিক্ষণপ্রাপ্ত পৰামর্শদাতাক নিয়োগ কৰি অভিভাৱক আৰু শিক্ষকসকলক কিশোৰঞ্চকিশোৰীসকলে সন্মুখীন হোৱা সমস্যাসমূহৰ বিষয়ে উপযুক্তভাৱে উপদেশ দিবলৈ দিব।

স্কুলীয়া শিক্ষাৰ শিক্ষণ ফলাফল ঃ

- বর্তমানৰ আৱদ্ধকৰণ নোহোৱা নীতি সংশোধন কৰিব লাগিব, যিহেতু ই ছাত্র-ছাত্রীৰ বিদ্যায়তনিক পাৰদর্শিতাত প্রভাৱ পেলায়। পঞ্চম শ্রেণীলৈ আৱদ্ধকৰণ নোহোৱা নীতি সীমাৱদ্ধ ৰাখিব লাগে আৰু উচ্চ প্রাথমিকস্তৰলৈ আৱদ্ধকৰণ ৰাখিব লাগে। বিদ্যায়তনিকভাৱে দুর্বল ছাত্র-ছাত্রীক চিনাক্ত কৰিব লাগে, প্রতিকাৰমূলক নির্দেশনা প্রয়োগেৰে স্কুলত অবিৰত মূল্যায়নৰ সুবিধা প্রদান কৰিব লাগে।
- স্কুলৰ শিকনৰ মানদণ্ড উন্নত কৰিবলৈ প্রভাৱশালী পদক্ষেপ গ্রহণ কৰিব লাগে, বিশেষ বিদ্যায়তনিক সমর্থন আগবঢ়াব লাগে, ই সম্পদসমূহকে ধৰি জ্ঞানৰ বহু বিকল্প উৎসৰ সুবিধা প্রদান কৰিব লাগে।

স্কুলীয়া শিক্ষা ঃ

- প্রত্যেক ৰাজ্যই উপযুক্ত ব্যৱস্থাৰে কম ছাত্র-ছাত্রী থকা আৰু দুর্বল আন্তঃগাঁথনিৰ স্কুলবোৰ চিনাক্ত কৰি উলিয়াব লাগে। যদি সম্ভৱ হয়, বর্তমানৰ অকলে থাকিব নোৱাৰা স্কুলবোৰক আন স্কুলৰ সৈতে সংযোগ কৰি মানৱ, শাৰীৰিক আৰু আন্তঃগাঁথনি সম্পদ, ভাল বিদ্যায়তনিক পাৰদর্শিতা আৰু উপযুক্ত পৰিচালনাৰ সুবিধা দিব লাগে।
- চৰকাৰী সাহায্য প্রাপ্ত সংখ্যালঘুৰ অনুষ্ঠান (ধর্মীয় আৰু ভাষা) শিক্ষাৰ অধিকাৰ আইনৰ 12 [1] C দফা অনুসৰি বিস্তৃত কৰিব লাগে, আর্থিকভাৱে দুখীয়াসকলৰ প্রতি লক্ষ্য ৰাখি ৰাষ্ট্রীয় পর্যায়ত পৰীক্ষা কৰিব লাগে।
- মাধ্যমিক পর্যায়ৰ শিক্ষাক সামৰি ল'ব পৰাকৈ ৰাজ্য শিক্ষাৰ অধিকাৰ আইনক বিস্তৃত কৰি তুলিব লাগে।
- কেন্দ্রীয় বিদ্যালয়, জৱাহৰ নৱোদয় বিদ্যালয় আৰু কস্তুৰবা গান্ধী বালিকা বিদ্যালয়সমূহক উন্নীতকৰণ কৰিব লাগে, য'ত সম্ভৱ হয়, শৈক্ষিকভাৱে পিছপৰা অঞ্চলক অগ্রাধিকাৰ দিব লাগে।
- বিদ্যালয় অর্ধসমাপ্ত কৰা আৰু কর্মৰত শিশুসকলৰ বাবে আনুষ্ঠানিক বিদ্যালয়ত উপস্থিত নথকাকৈ মুক্ত বিদ্যালয়ৰ যোগেদি শিক্ষাৰ সুবিধা প্রদান কৰা।
- ছাত্র-ছাত্রীৰ প্রকৃত সমর্থ আৰু আগ্রহৰ দিশ নির্ণয় কৰিবলৈ বিদ্যায়তনিক প্রৱণতা পৰীক্ষা অনুষ্ঠিত কৰিব লাগে। এনেধৰণৰ সুবিধাবোৰ পাবলৈ স্কুলত নির্দেশক নিযুক্তি দিব লাগে আৰু হেল্প লাইনৰ

ব্যৱস্থা কৰিব লাগে, ইয়াৰ জৰিয়তে বিশেষ শিক্ষাৰ প্ৰয়োজন থকা, শিশু, পিছপৰা শিক্ষার্থীক সহায় কৰা, উপযুক্ত পাঠ্যক্ৰম নিৰ্বাচন য'ত বৃত্তীয় কৌশল ভিত্তিক কার্যসূচী থাকে, আৰু মাধ্যমিক আৰু উচ্চ মাধ্যমিক ছাত্ৰ-ছাত্ৰীক তেওঁলোকৰ সংশ্লিষ্ট নিয়োগৰ সুবিধাসমূহৰ বিষয়ে অবগত কৰিব লাগে।

পাঠ্যক্ৰম পুনৰ গঠন আৰু পৰীক্ষা সংশোধন ঃ

- বর্তমানৰ আশা পূৰণ কৰা আৰু সামাজিক ঐক্যতা, ধর্মীয় অনুভূতি আৰু ৰাষ্ট্ৰীয় সংহতিৰ বাবে পাঠ্যক্ৰমৰ সংশোধন কৰা হ'ব। পাঠ্যক্ৰম ফলাফল ভিত্তিক হোৱাৰ লগতে ইয়াৰ লক্ষ্য জীৱন-দক্ষতা সম্পন্ন শিক্ষাৰে যিকোনো পৰিৱেশত খাপ খাব পৰাকৈ শিক্ষার্থীৰ সামগ্ৰিক বিকাশ সাধন কৰা হোৱা উচিত। সকলো ছাত্ৰ-ছাত্ৰীকে মৌলিক কর্তব্য আৰু অধিকাৰ দুয়োটাৰে শিক্ষা দিয়া উচিত যাতে তেওঁলোক নিজৰ দেশৰ লগতে পৃথিৱীৰ একোগৰাকী দায়িত্বশীল নাগৰিক হ'ব পাৰে।
- ৰাষ্ট্ৰীয় শিক্ষা, গৱেষণা আৰু প্ৰশিক্ষণ পৰিষদ (NCERT) স্কুলীয়া শিক্ষাৰ নিম্নগামী দিশৰ প্ৰতি লক্ষ্য ৰাখিব আৰু পাঠ্যক্ৰম আৰু শিক্ষণ নীতি মুখস্ত বিদ্যাৰ পৰা আঁতৰাই শিক্ষাৰ বাবে উপযুক্ত পদ্ধতিৰ ক্ষেত্ৰত উৎসাহ যোগাব।
- বিজ্ঞান, গণিত আৰু ইংৰাজী বিষয়ৰ বাবে, ৰাষ্ট্ৰীয় পর্যায়ত একেধৰণৰ পাঠ্যক্ৰম প্ৰস্তুত কৰা হ'ব। অন্য বিষয়বোৰৰ ক্ষেত্ৰত, যেনে- সমাজ বিজ্ঞান আদিৰ এটা অংশৰ পাঠ্যক্ৰম দেশৰ সকলো ঠাইতে একে হ'ব।
- এইটো আমি ভালদৰে জানো যে ছাত্ৰ-ছাত্ৰীয়ে বিজ্ঞানৰ ধাৰণাসমূহ নির্দেশনা আৰু গৱেষণাগাৰৰ পৰীক্ষা দ্বাৰা ভালদৰে বুজি পায়। সেইবাবে বিজ্ঞান শিক্ষাৰ বাবে চতুর্থ শ্ৰেণীৰ পৰা ক্ৰমান্বয়ে ব্যৱহাৰিক উপাদানসমূহ অন্তর্ভুক্ত কৰা হ'ব।
- সামাজিক বৈষম্য আঁতৰ কৰিবলৈ পাঠ্যক্ৰমত সামাজিক ন্যায় আৰু আইনগত প্ৰতিকাৰ সামৰি লোৱা হ'ব। পাঠ্যক্ৰম আৰু পাঠ্যপুথি বিকাশৰ প্ৰণেতাসকলে এইটো কয় যে পাঠ্যক্ৰমে সংহতিহে গঢ়ি তোলে, ইয়াত কোনোধৰণৰ বৈষম্যমূলক তথ্য/ঘটনা অন্তর্ভুক্ত কৰা নহয়, যেনে- লিংগ, অসমর্থতা, জাতি, ধর্ম আদি বিষয়ৰ বৈষম্যমূলক তথ্যবোৰ সন্নিবিষ্ট কৰা নহয়। নাগৰিকত্ব শিক্ষা, শান্তি শিক্ষা, চৰিত্ৰ গঠন, আইন আৰু সাংবিধানিক শিক্ষা, অর্থনৈতিক শিক্ষা, পৰিৱেশৰ শিক্ষা আৰু অন্য কিছুমান মৌলিক দিশসমূহ বিষয় বস্তুত সন্নিবিষ্ট কৰা উচিত।
- পৰীক্ষাৰ দ্বাৰা বিস্তৃত সচেতনতা, বুজা শক্তি আৰু বোধ, সমস্যা সমাধানৰ উচ্চখাপৰ কৌশল আদি চোৱা হয়, কেৱল পাঠ্যপুথিৰ সামগ্ৰী চোৱা নহয়।

স্বাক্ষৰতা আৰু জীৱনব্যাপী শিক্ষা ঃ

- বর্তমান প্ৰচলিত গঠন, শীর্ষত থকা ৰাষ্ট্ৰীয় স্বাক্ষৰতা মিচন, ৰাজ্যিক পর্যায়ৰ ৰাজ্যিক স্বাক্ষৰতা মিচন আৰু জিলাত লোক শিক্ষা সমিতি, ব্লক আৰু গাঁও পঞ্চায়ত আৰু সম্পদ সমর্থন কমিটী ইত্যাদিবোৰক পুনৰ গঠন কৰি সার্বজনীন স্বাক্ষৰতা লক্ষ্যত উপনীত হ'ব পৰাকৈ শক্তিশালী কৰি তুলিব লাগে। ৰাজ্যসমূহে সার্বজনীন স্বাক্ষৰতাত উপনীত হ'বলৈ জিলাবোৰত কার্য পৰিকল্পনা প্ৰস্তুত কৰিব।
- প্ৰাপ্তবয়স্ক স্বাক্ষৰতা কার্যসূচী দক্ষতা বিকাশ আৰু গাণনিক, অর্থনৈতিক আৰু আইন স্বাক্ষৰতা প্ৰদান কৰিব লাগে।

শিক্ষাত দক্ষতা আৰু নিয়োগ ঃ

- বিদ্যালয় আৰু উচ্চ শিক্ষা ব্যৱস্থাত দক্ষতা বিকাশ কার্যসূচী পুনৰীক্ষণৰ দ্বাৰা আমাৰ ছাত্ৰ-ছাত্ৰীক

উপযুক্তভাৱে নিয়োগ কৰিব পাৰি। কিন্তু তেওঁলোকক উদ্যোগ সংক্ৰান্তীয় দক্ষতাত সহায় কৰিব লাগে।

- 25í স্কুল আৰু উচ্চ শিক্ষা অনুষ্ঠানবোৰত ৰাষ্ট্ৰীয় দক্ষতা বিকাশ আৰু 2015 চনৰ উদ্যোগিক নীতিৰ দক্ষতা বিকাশ কার্যসূচী একত্ৰীকৰণ কৰা হয়।
- বর্তমানৰ মাধ্যমিক, উচ্চ শিক্ষা আৰু প্ৰযুক্তিক শিক্ষাৰ দক্ষতা ভিত্তিক কার্যসূচী NSQF জৰিয়তে একত্ৰীকৰণ কৰা হ'ব। শিক্ষা প্ৰধান সূতিৰ সৈতে, ইয়াৰ দ্বাৰা বৃহৎ সামাজিক গ্ৰহণযোগ্যতা লগতে আনুভূমিক আৰু উলম্ব গতিশীলতাও বৃদ্ধি পাব। অনুষ্ঠানৰ আহিলাৰ গঠন বহুবিকল্প অন্তর্ভুক্তি আৰু বহিঃ বিকল্প দ্বাৰা দক্ষতাৰ মানপত্ৰ, ক্ৰেডিট বেংক ব্যৱস্থা, ক্ৰেডিটৰ বদলিকৰণৰ আনুষ্ঠানিক সহযোগিতা, ৰাষ্ট্ৰীয় বৃত্তীয় মানদণ্ডভিত্তিক দক্ষতাৰ বিতৰণ ৰাষ্ট্ৰীয় পঞ্জীকৰণ আৰু ফলাফল ভিত্তিক মূল্যায়ণ।
- মূল্যায়ণ আৰু আগতীয়া শিক্ষণ চিনাক্তকৰণৰ বিকাশৰ কোনো আহিলা নাই। যিসকল আনুষ্ঠানিক শিক্ষা আৰু প্ৰশিক্ষণ নেথাকে, কিন্তু প্ৰমাণ-পত্ৰ নাথাকিলেও দক্ষতা থাকে, এনে পার্থক্য অতিক্ৰম কৰিবলৈ, এবছৰৰ ভিতৰত চৰকাৰে তেনে ক্ষেত্ৰত মূল্যায়ণ নির্ণয় কৰি সেইসকলক দক্ষতা প্ৰমাণ-পত্ৰ দিব লাগিব।

শিক্ষাত তথ্য আৰু প্ৰযুক্তি বিদ্যাৰ (ICT) ব্যৱহাৰ ঃ

- শিক্ষকৰ শিক্ষণৰ পাঠ্যক্ৰমত ICTক এক আহিলা হিচাবে অন্তর্ভুক্ত কৰি শিক্ষণ-শিকন প্ৰক্ৰিয়া আগবঢ়াই নিব লাগে।
- স্কুলত ছাত্ৰ-ছাত্ৰীৰ নামভর্তিকৰণৰ সময়ৰ পৰা স্কুল এৰালৈকে সকলো নথিপত্ৰ অনলাইন যোগে থকাটো বাধ্যতামূলক হ'ব লাগে।
- শিক্ষক আৰু ছাত্ৰৰ উপস্থিতি, শিক্ষক আৰু স্কুলৰ প্ৰশাসন পাৰদর্শিতাৰ মূল্যায়ণ, ছাত্ৰ-ছাত্ৰীৰ পাৰদর্শিতা আৰু কিছুমান প্ৰশাসনিক কার্য যেনে- তথ্য সংৰক্ষণ আৰু গাণনিক আদিৰ বাবে যোগাযোগ প্ৰযুক্তি ভিত্তিক প্ৰয়োগৰ দ্বাৰা পৰিদর্শন কৰা হ'ব।

উচ্চশিক্ষাৰ শাসনৰ সংশোধনঃ

- প্ৰত্যেক পাঁচ বছৰৰ মূৰত বিদ্যাতনিক বিশেষজ্ঞক অন্তর্ভূক্ত কৰি এখন শিক্ষা আয়োগ গঠন কৰা হ'ব, এই আয়োগে মানৰ সম্পদ বিকাশ মন্ত্ৰালয়ক নতুন জ্ঞানৰ দিশঢ়িশাখাঢ়িবিভাগ উদ্ভাৱন কৰাত লগতে শিক্ষণ,পাঠ্যক্ৰম আৰু মূল্যায়ণৰ সংশোধন কৰাত সহায় কৰিব। ইয়াৰ জৰিয়তে বিশ্বায়ণৰ পৰিবর্তনশীল পৰিবেশ আৰু ৰাষ্টীয় আশা পূৰণত সহায়ক হ'ব।
- উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহৰ পৰিচালনা সমিতিত বিভিন্ন ধৰণৰ সংশ্লিষ্ট ব্যক্তি সন্নিবিষ্ট কৰা হ'ব, য'ত উদ্যোগ আৰু পুৰণি ছাত্ৰ-ছাত্ৰীয়েও প্ৰতিনিধিত্ব কৰিব। এনে ধৰণৰ কমিটি গঠন কৰোতে উপযুক্ত নীতি-নিয়ম অনুকৰণ কৰা হ'ব আৰু সকলোবোৰ দিশ স্বচ্চ হ'ব।
- বিশ্ববিদ্যালয় ব্যৱস্থাত স্নাতক, স্নাতকোত্তৰ আৰু গৱেষণা অধ্যয়ণৰ সৈতে একত্ৰিতকৰণৰ চেষ্টা কৰা হ'ব, শিক্ষক সকলো স্নাতক আৰু স্নাতকোত্তৰ দুয়োটা পর্যায়তে শিক্ষা দিলে শিকন আৰু গৱেষণাৰ মাজত সম্পর্ক উন্নীত হ'ব। বিশ্ববিদ্যালয়সমূহৰ প্ৰকৃতি বহু-এক বিভাগীয় নহৈ বহু বিকল্পীয় কৰা হ'ব।
- ৰাজ্যই আগৰ 1968 আৰু 1986û92 চনৰ শিক্ষণ নীতি প্ৰয়োগ কৰি ভাৰতীয় শিক্ষা সেৱা (IES) সৃষ্টি কৰিব লাগিব, যিবোৰ বর্তমানৰ নীতি সন্নিবিষ্ট কৰা হৈছে।
- কেন্দ্ৰত পৃথক শিক্ষা পৰিচালনা কমিটি স্থাপন কৰা হ'ব আৰু ৰাজ্যবোৰত চৰকাৰৰ বিৰুদ্ধে লগতে ব্যক্তিগত স্কুল - অনুষ্ঠানৰ বিৰুদ্ধে এজাহাৰ দিব পাৰিব। এই কমিটিখন অৱসৰ প্ৰাপ্ত উচ্চ ন্যায়লয়ৰ

ন্যায়াধীশে পৰিচালনা কৰিব। কমিটিখনৰ হাতত গোচৰৰ বাবে সমগ্ৰ প্ৰক্ৰিয়াৰ গোচৰ নিস্পত্তি কৰণৰ ক্ষমতা থাকিব।

- ছাত্ৰ একতা সভাই হাতত লোৱা গণতন্ত্ৰ আৰু গণতান্ত্ৰিক ব্যৱস্থাক শক্তিশালী কৰা, তৰ্ক, আলোচনা, শাসন প্ৰক্ৰিয়া আৰু চিন্তাৰ দিশবোৰক ইতিবাচক ভাবে চৰকাৰে উৎসাহিত কৰিব।
- উচ্চ শিক্ষাৰ অনুষ্ঠানৰ য'ত উৎকৰ্ষ সাধনৰ বাবে মানদণ্ড ভিত্তিক-অৰ্থ প্ৰদান, সম্পাদন কৰা কাৰ্য্যৰ বাবে পুৰস্কাৰ আদিৰ ব্যৱস্থা কৰা হ'ব।

মুক্ত আৰু দূ�ৰত্ব শিক্ষণ আৰু MOOCs ঃ

- ODL/MOOC ব্যৱস্থাৰ উন্নীতকৰণ, সমন্বয়ৰক্ষণ, নীতি-নিয়ম, মানদণ্ড বজাই ৰাখিবলৈ এখন স্বায়ত্ব শাসিত কমিটি গঠন কৰা হ'ব। ই ODL/MOOC উপযুক্ত বিকাশ আৰু আইন কানুনৰ বাবে মানদণ্ড আৰু নিৰ্দেশনা নীতি প্ৰস্তুত কৰিব। তৰোপৰি ই MOOC জৰিয়তে আহৰণ কৰা ডিগ্ৰীৰ মানপত্ৰ, পঞ্জীয়ণ আৰু ক্ৰেডিটৰ চিনাক্তকৰণৰ এক ব্যৱস্থাৰ বিকাশ কৰিব।
- ODL/MOOCs পাঠ্যক্ৰম ৰাষ্ট্ৰীয় আৰু স্থানীয় প্ৰয়োজন ভিত্তিক হ'ব।
  ODL/MOOC ৰ কাৰ্য্যসূচী আগবঢ়োৱা সকলো বিশ্ববিদ্যালয় গুণমাণ নিৰ্ণয় কৰিবলৈ পৰীক্ষা কৰা হ'ব যাতে তাৰ পাঠ্যক্ৰমসমূহ গুণমান বিশিষ্ট আৰু আধুনীকিকৰণ হয়।
- সকলো ODL অনুষ্ঠানসমূহে শিক্ষাৰ্থী সমৰ্থিত সেৱা আগবঢ়াব লাগিব আৰু ইয়াত মুক্ত শৈক্ষিক সম্পদ (OER), MOOC, 28 ঘণ্টাৰ সহায়কাৰী সেৱা, পৰামৰ্শ সেৱা, অনলাইন আলোচনা চক্ৰ, আলোচনা, সন্থা, অনলাইন গবেষণা, পুথিভঁৰালৰ সুবিধা, ই-শিক্ষণ মডিউল, অনলাইন কাৰ্য্যসূচীৰ প্ৰচাৰ, গৃহকাৰ্য্য প্ৰদান আৰু পাৰদৰ্শিতাৰ প্ৰতিপুষ্ঠি সময়মতে গ্ৰহণ, অনলাইন পৰীক্ষা, ফলাফল ঘোষণা, ভূল সংশোধন ইত্যাদি অন্তভূৰ্ক্ত হ'ব।
- মুক্ত স্কুলৰ ৰাষ্ট্ৰীয় অনুষ্ঠানে (NIOS) দক্ষতা বিকাশ আৰু উদ্যোগ মন্ত্ৰালয়ৰ সহযোগত বৃত্তীয় শিক্ষাৰ বৃহৎ চাহিদা পূৰণ কৰিবলৈ চেষ্টা কৰিব। NIOS পৰিচালনা, পৰিদৰ্শনৰ দিশবোৰ উপযুক্ত ভাবে চোৱা হ'ব।

গৱেষণা, উদ্ভাৱন আৰু নতুন জ্ঞান ঃ

- পৰৱৰ্তী দশকত চৰকাৰী আৰু ব্যক্তিগত উচ্চ শিক্ষাৰ ক্ষেত্ৰত প্ৰায় 100 টা নতুন কেন্দ্ৰ-উৎকৰ্ষতাৰ বিভাগৰ স্থাপনেৰে গৱেষণা উৎকৰ্ষতা আৰু উদ্ভাৱনত কৰা হ'ব। উৎকৰ্ষতাৰ স্থাপন কৰাৰ বাবে ব্যক্তিগত মালিক, বিদ্বানলোকসকলক স্বাধীনতা প্ৰদান কৰা হ'ব।
- শৈক্ষিক পৰিকল্পনা আৰু প্ৰশাসনক ৰাষ্ট্ৰীয় বিশ্ববিদ্যালয়ৰ প্ৰকৃত সত্য দাঙি ধৰিবলৈ গৱেষণাৰ স্পষ্ট পুনৰুদ্দীপনৰ কাৰ্য্যসূচী প্ৰদান কৰা হ'ব।
- নতুন প্ৰজন্মলৈ জ্ঞানৰ প্ৰচাৰ আৰু তাৰ প্ৰয়োগ কৰি উচ্চ শিক্ষাৰ ক্ষেত্ৰত নতুন শাখা সৃষ্টি কৰি ভাৰতৰ স্থান উন্নীত কৰিব লাগিব।
- ভাৰতৰ উচ্চ শিক্ষাৰ উদ্ভাৱন, সৃষ্টি আৰু উদ্যোগীকৰণৰ বাবে পৰৱৰ্তী পাচ বছৰত 100 টা শীত তাপ নিয়ন্ত্ৰিত কেন্দ্ৰ স্থাপন কৰা হ'ব।
- আন্তঃৰাষ্ট্ৰীয় সমন্বয় আৰু সহযোগত মানৱ সম্পদ বিকাশ কৰিবলৈ প্ৰযোজন হোৱা নতুন জ্ঞান য'ত আন্তঃ বিভাগৰ গৱেষণা আৰু অধ্যয়ণত প্ৰাধান্য দিয়া হয় তেনেবোৰ দিশ উন্নীতকৰণ কৰা হ'ব।

Wঅগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ ভাৰতবৰ্ষৰ শিক্ষাত ICT ব্যৱহাৰ সম্পৰ্কত NEP 2016 আগবঢ়োৱা পৰামৰ্শসমূহ উল্লেখ কৰক।

.....

.....

প্ৰশ্ন নং ৪ ঃ 2016 চনৰ NEP য়ে মুক্ত আৰু দূৰ শিক্ষণ ব্যৱস্থালৈ আগবঢ়োৱা প্ৰধান পৰামৰ্শবোৰ কি আছিল ?

.....

.....

১৪.৪ ২০১৯ চনৰ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ প্ৰস্তাৱনাৰ খচৰা

খচৰাঃ

2019 চনৰ জুন মাহত ভাৰত চৰকাৰে ৰাষ্ট্ৰীয় শিক্ষানীতিৰ এখন খচৰা প্ৰকাশ কৰিছিল। ইয়াত দেশৰ উচ্চ শিক্ষা ব্যৱস্থাৰ পুনৰ সংগঠন আৰু লগতে ইয়াৰ গৱেষণাৰ সমৰ্থ, 2035 চনৰ ভিতৰত নামভৰ্তিৰ দুগুণ কৰা, আৰু জনসাধাৰণৰ খৰচ বৃদ্ধি য'ত বৰ্তমান চৰকাৰে 20í ব্যয় কৰে ইত্যাদি সন্নিবিষ্ট কৰা হৈছে। এই নীতিৰ খচৰাত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডী ডাঙৰীয়াই 10 বছৰ সময়সীমাৰ ভিতৰত 20í অনুপাত বৃদ্ধি কৰিব বুলি কোৱা হৈছে। এই নীতিৰ জৰিয়তে ভাৰতৰ শিক্ষা ব্যৱস্থাৰ ওপৰত দৃষ্টি ৰাখিবলৈ চেষ্টা কৰা হৈছিল। ই শিক্ষাৰ সংগঠন, নীতি আৰু শাসন, 21 শতিকাৰ আশা-আকাংক্ষা পূৰণৰ লক্ষ্য ৰাখি শিক্ষাত নতুন দিশ সন্নিবিষ্ট কৰণ, ভাৰতৰ পৰম্পৰা আৰু মূল্য ব্যৱস্থাৰ সৈতে সংগতি ৰাখি শিক্ষা ব্যৱস্থাৰ পুনৰ গঠন কৰিব বিচাৰিছিল। আকৌ, এই নতুন শিক্ষা নীতিত ভাৰতীয় শিক্ষা আৰু ঐতিহ্যক বচাই ৰাখিবলৈ চেষ্টা কৰা হৈছে। পুৰণি ভাৰতৰ শিক্ষাৰ লক্ষ্য কেৱল জ্ঞান আহৰণেই নাছিল, ই জীৱনৰ বাবে প্ৰস্তুতি আছিল, বা স্কুলীয় শিক্ষাৰ বাহিৰত জীৱনৰ শিক্ষা আছিল, আৰু সম্পূৰ্ণ আৰু সম্পূৰ্ণ আত্ম অনুভূতি আৰু আত্ম-মুক্তি আছিল। তাৰোপৰি, এই নীতিৰ প্ৰস্তাৱনাত আগৰ শিক্ষা বিকাশৰ কাৰ্য্যক্ৰম সন্নিবিষ্ট কৰা হৈছে। বিশ্বায়ণ শিক্ষা বিকাশৰ কাৰ্য্যসূচী নিৰ্দেশনা য'ত 2030 চনৰ বিকাশৰ 4 নম্বৰ লক্ষ্যত (SDG8) প্ৰতিফলিত হৈছে। এই নীতিত দেশৰ অনুকুল বিকাশৰ ওপৰত প্ৰাধ্যান্য দিয়া হৈছে। শিক্ষণ ব্যৱস্থাৰ উৎকৰ্ষতা সাধনৰ বাবে 2019 চনৰ শিক্ষানীতি উচ্চ পৰ্য্যায়ৰ গৱেষণা, শিক্ষা ব্যৱস্থাৰ সুবিধা, ৰাষ্ট্ৰীয় বিকাশৰ সুবিধাকে আদি কৰি অন্য কিছুমান দিশ অন্তভূৰ্ক্ত কৰা হৈছে।

১৪.৪.১ ৰাষ্ট্ৰীয় শিক্ষানীতিৰ দৃষ্টি, প্ৰেৰণ, লক্ষ্য আৰু উদ্দেশ্যসমূহ

দৃষ্টি ঃ 2019 চনৰ ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে ভাৰতীয় কেন্দ্ৰিক শিক্ষা ব্যৱস্থাৰ কথা কৈছে যিয়ে প্ৰত্যক্ষভাৱে আমাৰ দেশত ন্যায় সংগত আৰু জ্ঞান অধ্যুষিত সমাজৰ সৃষ্টি কৰিব পাৰে, লগতে সকলোকে উচ্চ গুণমানৰ শিক্ষা প্ৰদান কৰিব পাৰে।

১৪.৪.২ নীতি কাঠামোৰ (Framework) নিৰ্বাচিত দিশসমূহ আৰু পৰামৰ্শসমূহ

সমূহ ঃ ভাৰতীয় শিক্ষাৰ বিশেষজ্ঞ সকলে 484 পৃষ্ঠাৰ এই আইনখনক আদৰণি জনাইছে যদিও চৰকাৰে ইয়াক প্ৰয়োগ কৰাৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব। এই নীতিৰ জৰিয়তে ভাৰত চৰকাৰে ভাৰতৰ উচ্চ শিক্ষাৰ পুনৰ সংশোধন কৰিব বিচাৰিছিল। এই নীতিৰ খচৰাত বাল্যকালৰ শিক্ষাৰ পৰা উচ্চ শিক্ষাৰ স্তৰলৈ সন্নিবিষ্ট কৰা হৈছে 800 কৈ বেছি বিশ্ববিদ্যালয় আৰু 40,000কৈ বেছি কলেজমূহৰ

তথ্যৰ ওপৰত ভিত্তি কৰি ভাৰতীয় উচ্চ শিক্ষা ব্যৱস্থাক উল্লেখযোগ্যভাৱে পুনৰ গঠন কৰিবলৈ বিচৰা হৈছে। এই কলেজসমূহৰ ভিতৰত মাত্ৰ 40 শতাংশ কলেজ এটা শাখাৰ অধ্যয়নৰ সুবিধা প্ৰদান কৰিছে আৰু 20 শতাংশ কলেজত মুঠ নামভৰ্তিৰ ক্ষেত্ৰত 100 জনতকৈ কম শিক্ষাৰ্থী আছে।

'এই নীতিৰ প্ৰধান উদ্দেশ্য হৈছে উচ্চ শিক্ষণৰ ভাগবোৰৰ সমাপ্তিকৰণ কৰি ইয়াক বহু বিকল্পীয় বিশ্ববিদ্যালয় আৰু কলেজ পৰিবৰ্তন কৰা, আৰু প্ৰত্যেকে যাতে 5000 ছাত্ৰ-ছাত্ৰী নাম ভৰ্তিৰ লক্ষ্য ৰাখে,' — নীতিৰ খচৰাত এই কথা উল্লেখ আছে।

- প্ৰতিবেদনত প্ৰধানকৈ ভাৰতীয় উচ্চ শিক্ষা ব্যৱস্থাৰ কথা গুৰুত্ব দিয়া হৈছে, তথাপিও উচ্চ পৰ্য্যায়ৰ বিদেশী বিশ্ববিদ্যালয়ক আমন্ত্ৰণ কৰি তেওঁলোকৰ প্ৰভাৱ ইয়াত কাৰ্য্যকৰী কৰিবৰ বাবে চেষ্টা কৰা হ'ব। উল্লখযোগ্য যে, আমাৰ দেশত বিদেশী বিশ্ববিদ্যালয়সমূহৰ অন্তভূক্তিৰ নীতিবোৰৰ ক্ষেত্ৰত সমতা আহিবনে নাই সেই কথা আমেৰিকাৰ বিশ্ববিদ্যালয়সমূহে দীৰ্ঘদিনৰ পৰা লক্ষ্য কৰি আহিছে।
- এই নীতিয়ে উচ্চ শিক্ষাৰ বহুবিকল্পীয় অনুষ্ঠানবোৰ তিনি প্ৰকাৰৰ হোৱাটো বিচাৰিছিলঃ— গৱেষণাৰ বিশ্ববিদ্যালয়, শিক্ষণীয় বিশ্ববিদ্যালয় আৰু কলেজসমূহ। এই নীতিয়ে সকলো উচ্চ শিক্ষানুষ্ঠানতে গৱেষণাৰ ধাৰা বিকশিত কৰিবৰ বাবে ৰাষ্ট্ৰীয় গৱেষণা আধাৰ (National Research Foundation) প্ৰতিষ্ঠা হোৱাটো বিচাৰিছে।
- 'স্বাধীনোত্তৰ কালত শিক্ষাদান কৰা বিশ্ববিদ্যালয় আৰু গবেষণাৰ অনুষ্ঠানবোৰ পৃথক হোৱাৰ বাবে, দেশৰ বেছিভাগ বিশ্ববিদ্যালয় আৰু কলেজে আজি অতি কমহে গৱেষণা কৰা দেখা যায়'— প্ৰতিবেদনত এই কথা কোৱা হৈছে। প্ৰতিবেদনত কোৱা হৈছে যে ভাৰতৰ গৱেষণা আৰু উদ্ভাৱনৰ GDP ৰ অনুপাত যোৱা দশকত পিছপৰি গৈছে, 2008 চনত GDP আছিল 0.84íVআৰু 2014 চনতই 0.69í হ্ৰাগৈ—যিটো ইজৰাইল [4.3í], দক্ষিণ কোৰিয়া [42í],আমেৰিকা [2.8í] আৰু চীন [2.1í] আদিতকৈ কম।
- নীতিৰ খচৰাত অন্য কিছুমান বিস্তৃত পৰ্য্যায়ৰ কলা বিভাগৰ বহলভিত্তিক প্ৰয়োগ, পাঠ্যক্ৰম আৰু শিক্ষকসকলৰ স্বায়ত্ব শাসন উন্নতিকৰণ আৰু "শক্তিশালী আৰু গুণমান সম্পন্ন কাৰ্য্যকাল, পদোন্নতি আৰু দৰমহা গাঁথনি", বিকাশ, আনুষ্ঠানিক স্বায়ত্ব শাসন বৃদ্ধি, স্বাধীন পৰিষদে শাসন কৰা অনুষ্ঠান আৰু শাসন ব্যৱস্থাৰ সংশোধন কৰি উচ্চ শিক্ষাৰ ক্ষেত্ৰত কেৱল এটাই শাসন ব্যৱস্থা কৰাৰ কথা প্ৰতিবেদনত উল্লেখ কৰিছে।
- আন্তঃৰাষ্ট্ৰীয় শিক্ষা ক্ষেত্ৰত যিটো আগৰ দশকত কেতিয়াও অনুভৱ কৰা হোৱা নাছিল— পৃথিৰীৰ উচ্চ স্থান সম্পন্ন 200 খন বিশ্ববিদ্যালয়ক আমন্ত্ৰণ কৰি নীতিৰ খচৰা পুনৰ গঠনৰ পৰামৰ্শ দিছে। ভাৰতৰ সংসদত এই বিলখন আগতে স্পষ্ট হোৱা নাছিল, কিন্তু "নিৰ্বাচিত বিশ্ববিদ্যালয় সমূহে (যিবোৰ পৃথিৰীৰ 200 খন স্থানৰ ভিতৰত থকা বিশ্ববিদ্যালয়)" ভাৰতত কাৰ্য্য কৰিবলৈ অনুমতি দিবলৈ খচৰাখনে পুনৰ বিবেচনাৰ বাবে সংসদত দিবলৈ পৰামৰ্শ দিছে। এক ন্যায়িক কাঠামোৰ দ্বাৰা এইবোৰক অন্তভূৰ্ক্ত তেনে বিশ্ববিদ্যালয় সমূহে ভাৰতীয় বিশ্ববিদ্যালয় সমূহৰ ক্ষেত্ৰত প্ৰযোজ্য আইন, নীতি, শাসন আৰু পাঠ্যসূচীৰ মানদণ্ড মানি চলিব লাগিব বুলি কোৱা হৈছে।"
- আন্তঃৰাষ্ট্ৰীয় পৰ্য্যায়ত, এই প্ৰতিবেদনে উৎসাহজন কাৰ্য্যসূচী আলোচনা কৰিছিল, য'ত এজন ছাত্ৰই ভাৰতীয় বিশ্ববিদ্যালয়ৰ এক আংশিক ডিগ্ৰী সম্পূৰ্ণ কৰিব পাৰে আৰু অন্য এক অংশ বিদেশী অনুষ্ঠানৰ পৰা কৰিব পাৰে। বিদেশী ছাত্ৰ-ছাত্ৰী আৰু পণ্ডিতসকলৰ বাবে পাৰপত্ৰৰ কাম সৰল কৰা হ'ব, ভাৰতীয় ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকক হ্ৰস্বকালীন কাৰ্য্যসূচী আৰু আদান-প্ৰদানৰ বাবে বাহিৰলৈ যাব দিয়া হ'ব।

তাৰোপৰি এই নীতিত ভাৰতৰ বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ ওপৰত সামগ্ৰীক ভাবে পৰামৰ্শ আগবঢ়োৱা হৈছিল, তাৰ কিছুমান তলত আলোচনা কৰা হ'ল—

- এই নীতিয়ে MHRD ক শিক্ষাৰ মন্ত্ৰালয় (MOE) হিচাপে প্ৰস্তাৰ কৰে।

- স্কুলীয়া শিক্ষাত পাঠ্যক্ৰম আৰু শিক্ষণ নীতিৰ গঠনৰ সৈতে শৈশৱৰ শিশুৰ যতন আৰু শিক্ষা (ECCE) ক স্কুলীয়া শিক্ষাৰ এক গুৰুত্বপূৰ্ণ দিশ হিচাপে লোৱাৰ বাবে প্ৰস্তাৱ আগবঢ়ায়।
- এইনীতিয়ে 2009 চনৰ শিক্ষাৰ অধিকাৰ আইনে 3 বছৰৰ পৰা 18 বছৰলৈ শিশুক সামৰি লোৱাৰ পৰামৰ্শ দিয়ে। শিশুৰ বিকাশৰ ভিত্তিত 5ÙÂ3ÙÂ3ÙÂ4 পাঠ্যক্ৰম আৰু শিক্ষণ নীতিঃ মৌলিক স্তৰ (3–8 বছৰ)ঃ 3 বছৰৰ প্ৰাকঃ প্ৰথামিক গ্ৰেড 1–2, প্ৰস্তুতি স্তৰ (8–11 বছৰ)ঃ গ্ৰেড 3–5 মধ্যস্তৰ (11–14 বছৰ) গ্ৰেড 6–8, মাধ্যমিক স্তৰ (14–18 বছৰ) গ্ৰেড 9–12। স্কুলবোৰক যৌগিক স্কুললৈ পুনৰ সংগঠন কৰা।
- ই স্কুলৰ পাঠ্যক্ৰম সংকোচিত কৰিব বিচাৰিছিল।
- পাঠ্যক্ৰম, সহপাঠ্যক্ৰমৰ ভিত্তিত শিক্ষণ ক্ষেত্ৰৰ কোনো পৃথকীকৰণ কৰা নহব, আৰু কলা, সংগীত, হস্তবিদ্যা, খেল-ধেমালী, যোগ, সম্প্ৰদায়ক সেৱা আদি বিষয়বোৰ পঠ্যক্ৰম অংশ হ'ব।
- ই কাৰ্য্যক্ৰম শিক্ষানীতি প্ৰধান্য দিয়ে যিবোৰে প্ৰধান সমৰ্থ আৰু 21 শতিকাৰ জীৱন দক্ষতাৰ বিকাশ কৰে।
- 4 বছৰীয়া B.Ed পাঠ্যক্ৰম শিক্ষক হ'বৰ বাবে অৰ্হতা হিচাবে ধৰা হয়।
- উচ্চ শিক্ষাত, তিনি প্ৰকাৰৰ উচ্চ শিক্ষাৰ অনুষ্ঠানৰ বাবে প্ৰস্তাৱ কৰা হয়---

1ম প্ৰকাৰ ঃ পৃথিৱীত স্থানলাভ গৱেষণা আৰু উচ্চ গুণমানৰ শিক্ষণ প্ৰদান।

2য় প্ৰকাৰ ঃ উল্লেখযোগ্য গৱেষণাত অৱিহনা যোগোৱা আৰু সকলো শাখাতে উচ্চ পৰ্য্যায়ৰ শিক্ষাদান কৰা।

3 য় প্ৰকাৰ ঃ স্বাতক পৰ্য্যায়ক উচ্চ পৰ্য্যায়ৰ শিক্ষাদানৰ গুৰুত্ব। এই অভিযান নালন্দা আৰু তক্ষশীলা অভিযানৰ জৰিয়তে চলোৱা হব।

- 3–4 বছৰীয়া পাঠ্যক্ৰমৰ পুনৰ গঠন (B.Sc, BA. B.Com, B.Voc) আৰু ইয়াত বহুবিকল্পৰ অন্তভূৰ্ক্তি আৰু ওলাই যোৱাৰ সুবিধা থাকে।
- ৰাষ্ট্ৰীয় শিক্ষা স্বৰূপে এক শীৰ্ষ স্থানীয় আয়োগ গঠনৰ প্ৰস্তাৱ কৰা হয়। ইয়াৰ জৰিয়তে শৈক্ষিক পদক্ষেপসমূহ প্ৰয়োগ কৰাৰ চেষ্টা কৰা হ'ব আৰু ই কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত সমন্বয় ৰক্ষা কৰিব।
- উচ্চ শিক্ষাৰ ক্ষেত্ৰত শক্তিশালী গৱেষণা সংস্কৃতিৰ ভেটি স্থাপন কৰিবলৈ ৰাষ্ট্ৰীয় গৱেষণা আধাৰ (NRF) নামে এক শীৰ্ষস্থানীয় কমিটি গঠন কৰাৰ প্ৰস্তাৱ কৰা হয়।
- চাৰিটা কাৰ্য্য যেনে মানদণ্ড ধাৰ্য্যকৰন, অৰ্থযোগান, মূল্যায়ণ আৰু আইনক পৃথক কৰি ইয়াৰ পৰিচালনাৰ বাবে স্বাধীন কমিটি গঠন কৰা হ'ব— সেয়া হৈছে ৰাষ্ট্ৰীয় উচ্চ শিক্ষাৰ আইন, যিয়ে বৃত্তিগত শিক্ষা আৰু উচ্চ শিক্ষাৰ নীতি নিৰ্ধাৰণ কৰিব।
- NAACয়ে সৃষ্টি কৰা মূল্যায়ণ ব্যৱস্থাৰ সংশোধন কৰা হ'ব।
- প্ৰত্যেক অঞ্চলৰ বৃত্তিগত শিক্ষাৰ বৃত্তিগত মানদণ্ড নিৰ্ধাৰণ কমিটি আৰু UGCক উচ্চ শিক্ষাৰ অনুদান আয়ুগলৈ পৰিবৰ্তন কৰা হ'ব।
- ব্যক্তিগত আৰু চৰকাৰী শিক্ষানুষ্ঠান সমূহক সম মৰ্য্যদা প্ৰদান কৰা আৰু শিক্ষাক কেৱল মাত্ৰ লাভালাভৰ অংশ হিচাপে গণ্য কৰা নহব ।
- এই নীতিয়ে উচ্চ শিক্ষাক বিশ্বজনীন কৰি তোলা, শিক্ষাৰ সকলো স্তৰতে প্ৰযুক্তিৰ অন্তভূৰ্ক্তি, প্ৰাপ্তবয়স্ক আৰু জীৱন ব্যাপী শিক্ষা ,প্ৰতিনিধিত্ব নকৰা দলৰ অংশগ্ৰহণৰ বাবে পদক্ষেপ লোৱা, লিংগ, সামাজিক ভাগ আৰু ধৰ্মৰ বিভাজন শিক্ষাৰ ক্ষেত্ৰত দূৰ কৰা ইত্যাদিবোৰৰ পৰামৰ্শ আগবঢ়াইছে।
- ভাৰতীয় আৰু পুৰণি ভাষাৰ উন্নতি আৰু পালি, পাচি আৰু প্ৰাকৃতৰ বাবে তিনিখন ৰাষ্ট্ৰীয় অনুষ্ঠান স্থাপন।
- অনুবাদ আৰু ব্যাখ্যাৰ ভাৰতীয় অনুষ্ঠান (IITI)ৰ বাবে প্ৰস্তাৱ ৰখা হয়।

W অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৫ ঃ 2019 চনৰ NEP য়ে মৌলিক পৰিৱৰ্তন ঘটোৱা পাঁচটা দিশ চিনাক্ত কৰক।

.....

.....

t চিন্তা চৰ্চা কৰক ১৪.১

2019 চনৰ নতুন শিক্ষানীতিৰ পৰামৰ্শৱলীৰ ক্ষেত্ৰত আপোনালোকে কিছুমান পৰামৰ্শ আগবঢ়াব পাৰিব নেকি এই নীতি কেনেকৈ ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ঐতিহাসিক অভিগমন হ'ল?

.....

.....

2 ১৪.৫ অধ্যায়টিৰপৰা আমি কি শিকিলোঁ

- ভাৰতবৰ্ষ এখন গণতান্ত্ৰিক দেশ হিচাবে, নাগৰিকৰ কল্যাণৰ বাবে সকলো প্ৰকাৰৰ শিক্ষাৰ ওপৰত গুৰুত্ব দিয়া হৈছে।
- সইবাবে, বিশেষকৈ স্বাধীনতাৰ পিছত, বিভিন্ন নীতি আঁচনি গ্ৰহণ কৰি প্ৰাথমিক শিক্ষাৰ পৰা উচ্চ শিক্ষালৈ উন্নতি আৰু সংশোধনৰ ব্যৱস্থা কৰা হয়।
- স্বাধীনতাৰ পিছত, এইখন হৈছে কোঠাৰী আয়োগ, যি আয়োগে 1964–66 চনত ৰাষ্ট্ৰীয় শিক্ষা ব্যৱস্থাৰ প্ৰতিবেদন আগবঢ়াইছিল, যাক 1986 চনৰ নতুন ৰাষ্ট্ৰীয় শিক্ষানীতি আৰু 1992 চনৰ সংশোধিত শিক্ষা নীতিয়ে অনুকৰণ কৰিছে।
- 2016 চনত, ৰাষ্ট্ৰীয় শিক্ষা নীতিয়ে অন্তৰ্ভুক্তিকৰণ সমাজৰ ওপৰত হেঁচা দিছে। পৃথিৱীৰ ভিতৰত তৃতীয় বৃহৎ শিক্ষা ব্যৱস্থা থকা ভাৰতবৰ্ষত 21 শতিকাৰ পৰিৱৰ্তনশীল পৰিৱেশৰ সৈতে খাপ খাবলৈ পুনৰ গঠন কৰিব লাগিব।
- পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি 2019 চনত ভাৰতৰ মানৱ সম্পদ বিকাশ মন্ত্ৰালয়ে ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ প্ৰস্তাৱনা আগবঢ়ায়, যিয়ে শিক্ষাৰ দৃশ্যৰাজিৰ পথ নিৰ্দেশক হিচাপে সংস্কাৰ সাধন কৰিব।
- ৰাষ্ট্ৰীয় শৈক্ষিক নীতিৰ জৰিয়তে গৱেষণা আৰু শিক্ষণ-শিকন প্ৰক্ৰিয়াত উৎকৰ্ষ সাধন কৰিবলৈ চেষ্টা কৰা হ'ব।
- ৰাষ্ট্ৰীয় শিক্ষা নীতিৰ 2019 খচৰা হৈছে ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এক যুগমীয়া পদক্ষেপ, যিটোক আমি আধুনিক ভাৰতীয় শিক্ষা ব্যৱস্থাৰ এক মাইলৰ খুটি স্বৰূপে অভিহিত কৰিব পাৰো।

O ১৪.৬ অধিক জানিবলৈ

1] Ministry of Human Resource Development, Govt of India, Some Inputs for Draft NEP 2016

2] Ministry of Human Resource Development, Govt of India, Draft National Education Policy 2019.

K১৪.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ 2016 চনৰ NEP ৰ নতুন প্ৰজন্মৰ নিয়োগৰ সৈতে জড়িত দুটা মৌলিক উদ্দেশ্য হৈছে—

(ক) দক্ষতা বিকাশৰ সুবিধা বিস্তাৰ কৰিব লাগে আৰু ডেকা আৰু প্ৰাপ্তবয়স্ক সকলক জীৱন আৰু কৰ্ম-সমৰ্থৰ বাবে সুবিধা দিব লাগে, নিয়োগৰ বাবে সুবিধা দিয়াৰ লগতে নিয়োগৰ বাবে প্ৰয়োজনীয় প্ৰযুক্তি আৰু বৃত্তীয় দক্ষতাক অন্তৰ্ভুক্ত কৰিব লাগে আৰু এই পৰিৱৰ্তনশীল পৃথিৱীৰ ক্ষেত্ৰত খাপ খুৱাকৈ কৰ্ম আৰু উদ্যোগীকৰণৰ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

(খ) আনুষ্ঠানিক শিক্ষাৰ বাহিৰত থকা যুৱক-যুৱতী ([15–24 বছৰ] আৰু প্ৰাপ্তবয়স্ক লোক (15 বছৰ আৰু তাৰ ওপৰৰ), যিসকলে অনানুষ্ঠানিক অৰ্থনীতিত জড়িত হৈ আছে তেনেসকলক নিয়োগৰ বাবে দক্ষতা বিকাশৰ সুবিধা দিব লাগে।

২ নং প্ৰশ্নৰ উত্তৰ ঃ 2016 চনৰ NEP খচৰাৰ প্ৰেৰণ সমুহ হৈছে:

- শিশু, যুৱক-যুৱতী আৰু প্ৰাপ্তবয়স্কসকলক ন্যায়সংগত, অন্তৰ্ভুক্তিকৃত আৰু গুণমান বিশিষ্ট শিক্ষা আৰু জীৱনযোৱা শিক্ষাৰ সুবিধা নিশ্চিত কৰা আৰু দেশৰ মানৱ সম্পদ বিকাশত সম্পূৰ্ণ, ন্যায়সংগত আৰু উৎকৰ্ষতা প্ৰদান কৰা।
- স্কুল আৰু উচ্চ শিক্ষা লগতে প্ৰাপ্তবয়স্ক শিক্ষা কাৰ্যসূচীয়ে শিশু, যুৱক আৰু প্ৰাপ্তবয়স্কসকলৰ মাজত ভাৰতৰ ঐতিহ্যময় গৌৰৱোজ্জ্বল অতীত, মহান পৰম্পৰা আৰু দায়িত্বশীল নাগৰিকত্ব, শান্তি, সহ্য, ধৰ্মনিৰপেক্ষ, ৰাষ্ট্ৰীয় সংহতি, সামাজিক ঐক্যতা আৰু সকলো ধৰ্মৰ প্ৰতি সন্মান লগতে সাৰ্বজনীন মূল্যবোধ যিয়ে বিশ্বৰ নাগৰিক হিচাবে আৰু উপযুক্ত বিকাশৰ ক্ষেত্ৰত সহায় কৰে।
- গুণমান বিশিষ্ট শিক্ষাত অধিক গুৰুত্ব দিব লাগে। পাঠ্যক্ৰম, শিক্ষন সামগ্ৰী, শিক্ষণ নীতিৰ প্ৰক্ৰিয়া, শিক্ষণৰ মূল্যায়ন, শিক্ষকৰ গুণ আৰু পাৰদৰ্শিতা, আনুষ্ঠানিক নেতৃত্ব আৰু পৰিচালনা আদিবোৰ দিশৰ সংশোধন কৰিব লাগে যাতে ছাত্ৰ-ছাত্ৰীসকলে শিক্ষাৰ সকলো স্তৰতে বিশেষ শিক্ষণ ফলাফল লাভ কৰে (জ্ঞান, দক্ষতা, মনোভাব আৰু মূল্যবোধ), যিবোৰ উৎপাদনশীল জীৱন, দেশৰ উন্নয়নমূলক কামত অংশগ্ৰহণ, বিশ্বায়ণৰ প্ৰত্যাহ্বানৰ প্ৰতি প্ৰতিক্ৰিয়া কৰা আদিবোৰ কাৰ্য কৰিবৰ বাবে প্ৰয়োজন।
- প্ৰত্যেক শিক্ষাৰ্থীৰে যাতে দক্ষতা, প্ৰায়োগিক আৰু বৃত্তিমূলক দক্ষতা, কাম আৰু উদ্যমশীলতা আৰু লগতে মুখস্থৰ সলনি দক্ষতা বৃদ্ধি কৰি তেওঁলোকক অধিক সৃজনশীল আৰু উদ্ভাৱনমূলক কৰি তোলা, জটিল চিন্তা, উপযুক্ত যোগাযোগ, স্বাধীনভাৱে সমস্যা সমাধান আদি যাৰ জৰিয়তে ৰাষ্ট্ৰীয় বিকাশ প্ৰক্ৰিয়াত অৰিহণা যোগাবলৈ সক্ষম হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ 2016 চনৰ NEPয়ে শিক্ষাত ICT ব্যৱহাৰ সম্পৰ্কে আগবঢ়োৱা পৰামৰ্শসমূহ তলত দাঙি ধৰা হ'ল—

- শিক্ষকৰ শিক্ষণৰ পাঠ্যক্ৰমত ICTক এক আহিলা হিচাবে অন্তৰ্ভুক্ত কৰি শিক্ষণ-শিকন প্ৰক্ৰিয়া আগবঢ়াই নিব লাগে।
- স্কুলত ছাত্ৰ-ছাত্ৰীৰ নামভৰ্তিকৰণৰ সময়ৰ পৰা স্কুল এৰালৈকে সকলো নথিপত্ৰ অনলাইন যোগে থকাটো বাধ্যতামূলক হ'ব লাগে।
- শিক্ষক আৰু ছাত্ৰৰ উপস্থিতি, শিক্ষক আৰু স্কুলৰ প্ৰশাসন পাৰদৰ্শিতাৰ মূল্যায়ণ, ছাত্ৰ-ছাত্ৰীৰ পাৰদৰ্শিতা আৰু কিছুমান প্ৰশাসনিক কাৰ্য যেনে- তথ্য সংৰক্ষণ আৰু গাণনিক আদিৰ বাবে যোগাযোগ প্ৰযুক্তি ভিত্তিক প্ৰয়োগৰ দ্বাৰা পৰিদৰ্শন কৰা হ'ব।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ মুক্ত আৰু দূৰশিক্ষণ আৰু MOOCs দিশত 2016 চনৰ NEPয়ে আগবঢ়োৱা পৰামৰ্শসমূহ হৈছে—

- ODL/MOOC ব্যৱস্থাৰ উন্নীতকৰণ, সমন্বয়ৰক্ষণ, নীতি-নিয়ম, মানদণ্ড বজাই ৰাখিবলৈ এখন স্বায়ত্ব শাসিত কমিটি গঠন কৰা হ'ব। ই ODL/MOOC উপযুক্ত বিকাশ আৰু আইন কানুনৰ বাবে মানদণ্ড আৰু নিৰ্দেশনা নীতি প্ৰস্তুত কৰিব। তৰোপৰি ই MOOC জৰিয়তে আহৰণ কৰা ডিগ্ৰীৰ মানপত্ৰ, পঞ্জীয়ণ আৰু ক্ৰেডিটৰ চিনাক্তকৰণৰ এক ব্যৱস্থাৰ বিকাশ কৰিব।
- ODL/MOOCs পাঠ্যক্ৰম ৰাষ্ট্ৰীয় আৰু স্থানীয় প্ৰয়োজন ভিত্তিক হ'ব।
  ODL/MOOC ৰ কাৰ্য্যসূচী আগবঢ়োৱা সকলো বিশ্ববিদ্যালয় গুণমাণ নিৰ্ণয় কৰিবলৈ পৰীক্ষা কৰা হ'ব যাতে তাৰ পাঠ্যক্ৰমসমূহ গুণমান বিশিষ্ট আৰু আধুনীকিকৰণ হয়।
- সকলো ODL অনুষ্ঠানসমূহে শিক্ষার্থী সমর্থিত সেৱা আগবঢ়াব লাগিব আৰু ইয়াত মুক্ত শৈক্ষিক সম্পদ (OER), MOOC, 28 ঘণ্টাৰ সহায়কাৰী সেৱা, পৰামৰ্শ সেৱা, অনলাইন আলোচনা চক্ৰ, আলোচনা, সন্থা, অনলাইন গবেষণা, পুথিভঁৰালৰ সুবিধা, ই-শিক্ষণ মডিউল, অনলাইন কাৰ্য্যসূচীৰ প্ৰচাৰ, গৃহকাৰ্য্য প্ৰদান আৰু পাৰদৰ্শিতাৰ প্ৰতিপুষ্ঠি সময়মতে গ্ৰহণ, অনলাইন পৰীক্ষা, ফলাফল ঘোষণা, ভুল সংশোধন ইত্যাদি অন্তভূৰ্ক্ত হ'ব।
- মুক্ত স্কুলৰ ৰাষ্ট্ৰীয় অনুষ্ঠানে (NIOS) দক্ষতা বিকাশ আৰু উদ্যোগ মন্ত্ৰালয়ৰ সহযোগত বৃত্তীয় শিক্ষাৰ বৃহৎ চাহিদা পূৰণ কৰিবলৈ চেষ্টা কৰিব। NIOS পৰিচালনা, পৰিদৰ্শনৰ দিশবোৰ উপযুক্ত ভাবে চোৱা হ'ব।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ 2019 চনৰ NEPয়ে প্ৰচলিত ভাৰতীয় শিক্ষা ব্যৱস্থাৰ ক্ষেত্ৰত মৌলিক পৰিৱৰ্তন আনিছে, সেইবোৰ হৈছে—

- এই নীতিয়ে MHRD ক শিক্ষাৰ মন্ত্ৰালয় (MOE) হিচাপে প্ৰস্তাৰ কৰে।
- স্কুলীয়া শিক্ষাত পাঠ্যক্ৰম আৰু শিক্ষণ নীতিৰ গঠনৰ সৈতে শৈশৱৰ শিশুৰ যতন আৰু শিক্ষা (ECCE) ক স্কুলীয়া শিক্ষাৰ এক গুৰুত্বপূৰ্ণ দিশ হিচাপে লোৱাৰ বাবে প্ৰস্তাৱ আগবঢ়ায়।
- এইনীতিয়ে 2009 চনৰ শিক্ষাৰ অধিকাৰ আইনে 3 বছৰৰ পৰা 18 বছৰলৈ শিশুক সামৰি লোৱাৰ পৰামৰ্শ দিয়ে। শিশুৰ বিকাশৰ ভিত্তিত 5ÙÂ3ÙÂ3ÙÂ4 পাঠ্যক্ৰম আৰু শিক্ষণ নীতি ঃ মৌলিক স্তৰ (3–8 বছৰ) ঃ 3 বছৰৰ প্ৰাকঃ প্ৰথামিক গ্ৰেড 1–2, প্ৰস্তুতি স্তৰ (8–11 বছৰ) ঃ গ্ৰেড 3–5 মধ্যস্তৰ (11–14 বছৰ) গ্ৰেড 6–8, মাধ্যমিক স্তৰ (14–18 বছৰ) গ্ৰেড 9–12। স্কুলবোৰক যৌগিক স্কুললৈ পুনৰ সংগঠন কৰা।
- উচ্চ শিক্ষাত, তিনি প্ৰকাৰৰ উচ্চ শিক্ষাৰ অনুষ্ঠানৰ বাবে প্ৰস্তাৱ কৰা হয়---

  1ম প্ৰকাৰ ঃ পৃথিৱীত স্থানলাভ গৱেষণা আৰু উচ্চ গুণমানৰ শিক্ষণ প্ৰদান।

  2য় প্ৰকাৰ ঃ উল্লেখযোগ্য গৱেষণাত অৰিহনা যোগোৱা আৰু সকলো শাখাতে উচ্চ পৰ্য্যায়ৰ শিক্ষাদান কৰা।

  3য় প্ৰকাৰ ঃ স্বাতক পৰ্য্যায়ক উচ্চ পৰ্য্যায়ৰ শিক্ষাদানৰ গুৰুত্ব। এই অভিযান নালন্দা আৰু তক্ষশীলা অভিযানৰ জৰিয়তে চলোৱা হব।
- উচ্চ শিক্ষাৰ ক্ষেত্ৰত শক্তিশালী গৱেষণা সংস্কৃতিৰ ভেটি স্থাপন কৰিবলৈ ৰাষ্ট্ৰীয় গৱেষণা আধাৰ (NRF) নামে এক শীৰ্ষস্থানীয় কমিটি গঠন কৰাৰ প্ৰস্তাৱ কৰা হয়।

M১৪.৮ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ প্ৰচলিত শিক্ষা ব্যৱস্থাত পৰিৱৰ্তন অনাৰ বাবে নীতি নিৰ্ধাৰণ কৰা উচিত বুলি আপোনালোকে কিয় ভাবে ?2016 চনৰ NEPৰ প্ৰসংগত আপোনাৰ মতামত আগবঢ়াওক ।

প্ৰশ্ন ২ ঃ 2016 আৰু 2019 চনৰ NEPৰ খচৰাৰ দৃষ্টিসমূহ কি কি আছিল ?

প্ৰশ্ন ৩ ঃ 2016 চনৰ NEP ৰ কিছুমান লক্ষ্য আৰু উদ্দেশ্য উল্লেখ কৰক।

প্ৰশ্ন ৪ ঃ ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ উন্নতিৰ বাবে 2016 চনৰ NEP গ্ৰহণ কৰা পদক্ষেপ আৰু পৰামৰ্শৱলী আলোচনা কৰক।

প্ৰশ্ন ৫ ঃ ভাৰতৰ বৰ্তমানৰ শিক্ষা ব্যৱস্থাৰ পৰিৱৰ্তন আনিবলৈ 2019 চনৰ NEPয়ে আগবঢ়োৱা পৰামৰ্শসমূহ ব্যাখ্যা কৰক।

প্ৰশ্ন ৬ ঃ 2019 চনৰ NEPয়ে বৰ্তমান ভাৰতবৰ্ষৰ শিক্ষা ব্যৱস্থাৰ কৰা পৰিৱৰ্তনসমূহ ৰ বিষয়ে আলোচনা কৰক।

— প্রসঙ্গ পুথি

অসমীয়া গ্রন্থ ঃ

ডেকা, বীৰেন্দ্র ঃ *সকলোৰে বাবে শিক্ষা*; বিলবন্তি বুক ছাৰ্ভিচ, নলবাৰী, অসম

ডেকা, বীৰেন্দ্র ঃ *'শিক্ষাতত্ব'*; বনলতা, গুৱাহাটী-1

ডেকা, ড0 বীৰেন্দ্র ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, অসম বুক ডিপো, গুৱাহাটী

শইকীয়া, ড0 সিদ্ধেশ্বৰ ঃ *'আধুনিক ভাৰতৰ শিক্ষা'*

দাস, ড0 লক্ষহীৰা ঃ *সম্পূর্ণ শিক্ষা*, সংগম প্রকাশন

বৰুৱা, যতীন ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস অধ্যয়ন*, লয়ার্চ বুকচষ্টল, গুৱাহাটী-1

ডেকা, বীৰেন্দ্র আৰু অন্যান্য ঃ *ভাৰতৰ শিক্ষাৰ ইতিহাস*, অসম বুক ডিপো, গুৱাহাটী-1

দেবী, ৰেণু ঃ *অসমৰ শিক্ষা ব্যৱস্থা*

ইংৰাজী গ্রন্থ ঃ

AHSEC : HS Result Sheet, 2008.

Dhar, T. N. : Modules on Quality Dimensions of Elementary Education under SSA; NCERT, Delhi.

Das, Lakhyahira : *Education in Assam*, Sangam Publications, Gauhati.

Lok Sabha Secretariat : *National Education Policy*, New Delhi, 1985

Naik Nurullash, J. P. : *A students' History of Education in*

Nurullash Sayed *India* (1800-1973)

Saikia S. : *History of Education in India*, Manimanik Prakash, Gauhati-1.

Rawat, P. L. : *History of Indian Education*

Sharma, R. C. : *National Policy on Education and Programme of implementation*.

SEBA : HSLC Result Sheet, 2008.

Taz, Hachin : Current challenges in Education; Neelkamal Publications Pvt. Ltd., New Delhi.

The Golden Jubilee Volume Cotton College, 1951-52.

Conference Guide IDEA 2008 14-6th Nov., 2008, IDOL, G.U.

http//www.knowledgecommission.gov.in

http//www.assamuniversity.nic.in

http//www.aau.ac.in

http//www.tezu.ernet.in